

# হজৰত মহম্মদ (ছাঃ)ৰ পৱিত্ৰ জীৱনী

লিখক
হজৰত মির্জা বশ্বিৰ উদ্দিন মাহমুদ আহমদ চাহাব (ৰাঃ)

# হজৰত মহম্মদ (ছাঃ)ৰ পৱিত্ৰ জীৱনী

লিখক ঃ
হজৰত মিৰ্জা বশ্বিৰ উদ্দিন মাহমুদ আহমদ চাহাব খলিফাতুল মছীহ ছানি

নাম কিতাব ঃ হজৰত মহম্মদ (ছাঃ)ৰ পৱিত্ৰ জীৱনী

অনুবাদক ঃ ছফৰ আলী আহমেদ চাহাব
(শিক্ষক নাৰাৰ ভিটা এম,ই মাদ্ৰাছা )

প্ৰথম প্ৰকাশ ঃ ২০২০, ৫০০ কপি

প্ৰকাশক ঃ নজাৰত নশ্বৰ ও ইশ্বায়ত কাদিয়ান

মুদ্ৰণে ঃ ফজলে ওমৰ প্ৰিণ্টিং প্ৰেছ কাদিয়ান
জিলা: গুৰদাছপুৰ ১৪৩৫১৬ (পঞ্জাৱ)

---

**Name Book : Hazrat Muhammad (sa) r Pavitra Jivoni**

**Original Book : Nabio Ka Sardar by Hazrat Mirza Bashir Uddin Mahmood Ahmad**

**Translated into Assamese : Safar Ali Ahmed (Teacher Narar Vita M.E Madrassa)**

**First Published : 2020,500 Copies**

**Published by : Nazarat Nashr-O-Ishaat Qadian**

**Printed at : Fazle Umar Printing Press, Qadian 143516 (Punjab)**

# প্ৰকাশকৰ কথা

হজৰত মুচলেহ মাওউদ (ৰাঃ)ৰ কিতাপ **নবীয়ো কা চৰ্দাৰ** পুস্তকখন বাংলাৰ পৰা অসমীয়ালৈ অনুবাদ মাননীয় ছফৰ আলী আহমেদ চাহাবে (শিক্ষক মজলীয়া বিদ্যালয় নাৰাৰ ভিটা) কৰিছে, আৰু কমপোজিং মাননীয়া ৰেজীয়া খাতুন B.Sc য়ে কৰিছে।এই কিতাপখন মাননীয় আমান আলী চাহাব মুৰব্বী ছিলছিলা(সদৰ Review কমিটি অসম),মাননীয় শ্বাহজাহান আলী চাহাব মুৱাল্লিম ছিলছিলা,মাননীয় নাজিম উদ্দিন মোল্লা চাহাব মুৰব্বী ছিলছিলা এখেত সকলে Review কৰিছে। Review হোৱাৰ পিছত মাননীয় মজিবৰ ৰহমান মুৰব্বী ছিলছিলা (ইনচাৰ্জ অসম ডেস্ক) তিনি বাৰ চালি-জাৰি চাই অত্যাৱশ্যকীয় সংশোধন কৰিছে।

ছৈয়দিনা হজৰত খলিফাতুল মছীহ আল খামিছ (পঞ্চম খলিফা)(আইঃ)ৰ অনুমোদন মৰ্মে প্ৰথম বাৰ কাদিয়ানৰ পৰা প্ৰকাশ হৈ আছে। আল্লাহ তায়লা এই ক্ষেত্ৰত সহায় সহযোগীতা আগবঢ়োৱা সকলোকে উত্তম পুৰস্কাৰেৰে পুৰস্কৃত কৰক,আৰু এই প্ৰকাশন সকলো ফালৰ পৰা কল্যাণমণ্ডিত কৰক। আমিন

**নাজিৰ নশ্বৰ ইশ্বায়ত কাদিয়ান**

# হজৰত মহম্মদ (ছাঃ)ৰ পৱিত্ৰ জীৱনী


| ক্ৰ.নং | বিষয় | পৃঃ |
|---|---|---|
| ১ | হজৰত মহম্মদ (ছাঃ)ৰ জীৱনী | ১ |
| ২ | হজৰত মহম্মদ (ছাঃ)ৰ আৱিৰ্ভাবৰ সময়ত মূৰ্তি পূজা | ৪ |
| ৩ | মদ আৰু জুৱা খেল | ৫ |
| ৪ | বানিজ্য | ৬ |
| ৫ | আৰব সকলৰ অন্যান্য অৱস্থা  অভ্যাস আৰু বৈশিষ্ট | ৬ |
| ৬ | হজৰত মহম্মদ (ছাঃ)ৰ জন্ম | ৮ |
| ৭ | হিলফুল ফজল নামৰ সংগঠন | ৯ |
| ৮ | আঁহজৰত (ছাঃ)ৰ সৈতে হজৰত খাদিজা (ৰাঃ)ৰ বিবাহ | ১১ |
| ৯ | গোলাম সকলৰ মুক্তিদান আৰু হজৰত জায়েদ প্ৰসঙ্গ | ১২ |
| ১০ | হিৰা গুহাত আল্লাহৰ এবাদত (উপাসনা) | ১৩ |
| ১১ | সৰ্বপ্ৰথম কোৰাণৰ ওহী | ১৪ |
| ১২ | হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ৰ ঈমান গ্ৰহণ | ১৬ |
| ১৩ | মোমিনসকলৰ এটা সৰু জমাত | ১৭ |
| ১৪ | মক্কাৰ নেতাসকলৰ বিৰোধীতা | ১৭ |

| ক্ৰ.নং | বিষয় | পৃঃ |
|---|---|---|
| ১৫ | মোমিন কৃতদাস সকলৰ ওপৰত কাফেৰ সকলৰ অত্যাচাৰ | ১৯ |
| ১৬ | স্বাধীন মুছলমান সকলৰ ওপৰত অত্যাচাৰ | ২২ |
| ১৭ | হজৰত মহম্মদ (ছাঃ)ৰ ওপৰত অত্যাচাৰ | ২৪ |
| ১৮ | ইছলামৰ বাণী প্ৰচাৰ | ২৬ |
| ১৯ | আবু তালিবৰ ওচৰত কাফিৰ সকলৰ অভিযোগ আৰু আঁহজৰত (ছাঃ)ৰ দৃঢ়তা | ২৮ |
| ২০ | আবু ছিনিয়াত হিজৰত (প্ৰব্ৰজন) | ২৯ |
| ২১ | হজৰত ওমৰ ফাৰুক (ৰাঃ)ৰ ইছলাম গ্ৰহণ | ৩২ |
| ২২ | মুছলমান সকলক বয়কট কৰা হ'ল | ৩৫ |
| ২৩ | হজৰত মহম্মদ (ছাঃ)ৰ তায়েফ চহৰ ভ্ৰমণ | ৩৬ |
| ২৪ | মদিনাবাসী সকলৰ ইছলাম গ্ৰহণ | ৪৩ |
| ২৫ | কাশ্বফ (দিব্য দৰ্শন) | ৪৫ |
| ২৬ | ৰোমান সকলৰ বিজয়ৰ ভৱিষ্যতবাণী | ৪৬ |
| ২৭ | আকাবাৰ প্ৰথম বয়াত (দীক্ষা গ্ৰহণ) | ৫০ |
| ২৮ | মক্কাৰ পৰা মদিনাৰ ফালে হিজৰত (প্ৰব্ৰজন) | ৫২ |

| ক্র.নং | বিষয় | পৃঃ |
|---|---|---|
| ২৯ | ছুৰাকাৰ পশ্চাৎ গমন আৰু তেওঁৰ সম্পৰ্কে আঁহজৰত (ছাঃ)ৰ ভৱিষ্যতবাণী | ৫৫ |
| ৩০ | আঁহজৰত (ছাঃ)ৰ মদিনাত আগমন | ৫৮ |
| ৩১ | আবু হুৰাইৰা আনছাৰী (ৰাঃ)ৰ ঘৰত হজৰত ৰছুলে কৰিম (ছাঃ)ৰ অৱস্থান | ৬১ |
| ৩২ | হজৰত আনাছ (ৰাঃ)ৰ সাক্ষী | ৬২ |
| ৩৩ | মক্কাৰ পৰা পৰিয়ালৰ লোকসকলক মদিনালৈ অহা আৰু মছজিদন্নাবাবীৰ ভিত্তি স্থাপন | ৬৩ |
| ৩৪ | মুছলমান সকলক কষ্ট দিয়াৰ উদ্দেশ্যত মক্কাবাসী সকলৰ পুনৰ প্ৰচেষ্টা | ৬৫ |
| ৩৫ | আনছাৰ আৰু মুহাজিৰ সকলৰ মাজত ভ্ৰাতৃত্ব বন্ধন | ৬৬ |
| ৩৬ | মুহাজিৰ আনছাৰ আৰু ইহুদী সকলৰ মাজত চুক্তি | ৬৭ |
| ৩৭ | মক্কাবাসী সকলৰ নতুন দুষ্কৃতি | ৬৯ |
| ৩৮ | আঁহজৰত (ছাঃ)ৰ প্ৰতিৰক্ষা মূলক পৰিকল্পনা | ৭০ |
| ৩৯ | মদিনাত ইছলামী শাসনৰ ভিত্তি স্থাপন | ৭২ |
| ৪০ | কোৰাইশ্ব সকলৰ বানিজ্যৰ কাফেলাৰ (দল) আগমণ আৰু বদৰৰ যুদ্ধ | ৭৩ |
| ৪১ | এটি শক্তিশালী ভৱিষ্যতবাণী পূৰ্ণ হ'ল | ৭৯ |
| ৪২ | বদৰৰ যুদ্ধ বন্দী | ৮১ |
| ৪৩ | উহুদৰ যুদ্ধ | ৮২ |

| ক্ৰ.নং | বিষয় | পৃঃ |
|---|---|---|
| ৪৪ | বিজয় পৰাজয়ত পৰিণত হ'ল | ৮৫ |
| ৪৫ | উহুদৰ পৰা প্ৰত্যাৱৰ্তন আৰু মদিনাবাসী সকলৰ আত্ম বিলীনতা | ৯১ |
| ৪৬ | মদ হাৰাম (নিষিদ্ধ) ঘোষণা আৰু তাৰ প্ৰভাৱ | ৯৪ |
| ৪৭ | উহুদৰ যুদ্ধৰ পিছত কাফেৰ গোত্ৰ সমূহৰ অপৱিত্ৰ কৌশল | ৯৬ |
| ৪৮ | পৱিত্ৰ কোৰাণত সত্তৰ (৭০)জন হাফিজ (মুখস্থকাৰী)ক হত্যা কৰাৰ মৰ্মান্তিক ঘটনা | ১০০ |
| ৪৯ | বনি মুস্তালিকৰ যুদ্ধ | ১০২ |
| ৫০ | মদিনাৰ ওপৰত সমগ্ৰ আৰবৰ সন্মিলিত আক্ৰমণ খন্দক (খাল)ৰ যুদ্ধ | ১০৫ |
| ৫১ | খন্দক (খাল)ৰ যুদ্ধৰ সময়ত ইছলামী সৈন্য সংখ্যা কিমান আছিল ? | ১০৮ |
| ৫২ | কপটাচাৰী আৰু মোমিনসকলৰ অৱস্থা | ১১৫ |
| ৫৩ | ইছলামত মৃত শত্ৰু দেহৰ সন্মান | ১১৭ |
| ৫৪ | মুছলামন সকলৰ ওপৰত সন্মিলিত বাহিনীৰ আক্ৰমণ | ১১৮ |
| ৫৫ | বনু কোৰাইজা আৰু মুশ্বৰিক (আল্লাহৰ লগত অংশী পাতা) সকলৰ মিলিত আক্ৰমণৰ প্ৰস্তুতি আৰু ব্যৰ্থতা | ১২০ |
| ৫৬ | বনু কোৰাইজাৰ বিশ্বাস ঘাতকতাৰ শাস্তি | ১২৪ |
| ৫৭ | মুছলমান সকলৰ বিজয়ৰ সূচনা | ১৩০ |

| ক্ৰ.নং | বিষয় | পৃঃ |
|---|---|---|
| ৫৮ | ইহুদী আৰু খ্ৰীষ্টান ধৰ্মত যুদ্ধনীতি | ১৩৩ |
| ৫৯ | যুদ্ধ সম্পৰ্কে ইছলামৰ শিক্ষা | ১৩৫ |
| ৬০ | খন্দকৰ যুদ্ধৰ পাছত মুছলমান সকলৰ ওপৰত কাফেৰ সকলৰ Sporadic আক্ৰমণ | ১৪৮ |
| ৬১ | পোন্ধৰ শ (১৫০০) চাহাবীসহ হজৰত ৰছুল কৰিম (ছাঃ)ৰ মক্কা অভিমুখে যাত্ৰা | ১৫০ |
| ৬২ | হোদায়বিয়াৰ সন্ধিৰ চৰ্তাৱলী | ১৫৪ |
| ৬৩ | ৰজা বাদশ্বাহ সকলৰ নামত পত্ৰ প্ৰেৰণ | ১৫৮ |
| ৬৪ | ৰজা কাইছাৰ আৰু ৰোম সম্ৰাট হিৰাক্লিয়াচৰ নামত পত্ৰ (ৰোমৰ অধীনস্থ ৰাজ্য মিচৰৰ ৰজা আছিল কাইছাৰ) | ১৫৮ |
| ৬৫ | ৰোম সম্ৰাট কাইছাৰৰ সিদ্ধান্ত | ১৬১ |
| ৬৬ | পাৰস্য (ইৰাণ) সম্ৰাটৰ নামত পত্ৰ | ১৬৫ |
| ৬৫ | আবি ছিনিয়াৰ বাদশ্বাহ নাজ্জাশীৰ নামত পত্ৰ | ১৬৮ |
| ৬৬ | বহৰাইনৰ আমিৰৰ নামত পত্ৰ | ১৭৪ |
| ৬৭ | খায়বাৰৰ পতন | ১৭৫ |
| ৬৮ | তিনিটা বিস্ময়কৰ ঘটনা | ১৭৮ |
| ৬৯ | কাবাৰ প্ৰদক্ষিণ (তওৱাফ) | ১৮২ |

| ক্র.নং | বিষয় | পৃঃ |
|---|---|---|
| ৭০ | হজৰত মহম্মদ (ছাঃ)ৰ বহু বিবাহৰ বিৰুদ্ধে আপত্তিৰ এটি উত্তৰ | ১৮৩ |
| ৭১ | খালিদ বিন অলীদ আৰু উমৰ ইবনুল আছৰৰ ইছলাম গ্ৰহণ | ১৮৪ |
| ৭২ | মুতাৰ যুদ্ধ | ১৮৫ |
| ৭৩ | মক্কা বিজয় | ১৯১ |
| ৭৪ | ইছলামৰ পয়গম্বৰ হজৰত মহম্মদ (ছাঃ)ৰ শত্ৰু সকলক ক্ষমাদান | ২০৬ |
| ৭৫ | ইকৰামাৰ ইছলাম ধৰ্ম গ্ৰহণ | ২০৮ |
| ৭৬ | হুনাইনৰ যুদ্ধ | ২১১ |
| ৭৭ | ছাইবাৰ ইছলাম ধৰ্ম গ্ৰহণ | ২১৭ |
| ৭৮ | মক্কা আৰু হুনাইনৰ বিজয়ৰ পৰৱৰ্তী অৱস্থা | ২১৮ |
| ৭৯ | তবুকৰ যুদ্ধ | ২২০ |
| ৮০ | বিদায় হজ আৰু আঁহজৰত (ছাঃ)ৰ এটা খোতবা (ভাষণ) | ২২৫ |
| ৮১ | আঁহজৰত (ছাঃ)ৰ মৃত্যুৰ সংকেত | ২২৯ |
| ৮২ | আঁহজৰত (ছাঃ)ৰ মৃত্যুত চাহাবা সকলৰ অৱস্থা | ২৩৭ |

| ক্ৰ.নং | বিষয় | পৃঃ |
|---|---|---|
| | **দ্বিতীয় খণ্ড** | |
| ৮৩ | মানৱতাৰ সৰ্বোত্তম আদৰ্শ হজৰত মহম্মদ (ছাঃ) | ২৪১ |
| ৮৪ | আঁহজৰত (ছাঃ)ৰ প্ৰকাশ্য আৰু গোপন (দেহ আৰু মনৰ) পৱিত্ৰতা | ২৪৩ |
| ৮৫ | খোৱা লোৱাত সৰলতা আৰু খোদা ভীৰুতা (তাকৱা) | ২৪৪ |
| ৮৬ | পোছাক আৰু গহণা-পাতি (অলংকাৰ)ৰ ক্ষেত্ৰত সৰলতা আৰু খোদা ভীৰুতা (তাকৱা) | ২৪৯ |
| ৮৭ | বিছনা বা শয্যাৰ ক্ষেত্ৰত সৰলতা | ১৫১ |
| ৮৮ | বাসস্থানৰ ক্ষেত্ৰত সৰলতা | ১৫১ |
| ৮৯ | খোদা তায়লাৰ প্ৰতি ঐকান্তিক প্ৰেম আৰু পূৰ্ণ এবাদত | ২৫২ |
| ৯০ | খোদা তায়লাৰ প্ৰতি আস্থা (বিশ্বাস) আৰু ভৰসা (নিৰ্ভৰ) | ২৫৭ |
| ৯১ | নিজৰ ধৰ্ম পত্নী (ৰাঃ) সকলৰ প্ৰতি হজৰত মহম্মদ (ছাঃ)ৰ আচৰণ | ২৬৪ |
| ৯২ | উত্তম চৰিত্ৰ | ২৬৬ |
| ৯৩ | সহিষ্ণুতা | ২৬৮ |
| ৯৪ | ইনছাফ বা সুবিচাৰ (ন্যায় পৰায়ণতা) | ২৭০ |
| ৯৫ | আবেগ অনুভূতিৰ প্ৰতি শ্ৰদ্ধা | ২৭২ |

| ক্র.নং | বিষয় | পৃঃ |
| --- | --- | --- |
| ৯৬ | দৰিদ্ৰ নিচলা সকলৰ প্ৰতি সন্মান আৰু সিহঁতৰ আবেগ অনুভূতিৰ প্ৰতি শ্ৰদ্ধা প্ৰদৰ্শন | ২৭৩ |
| ৯৭ | দৰিদ্ৰ লোক সকলৰ ধন সম্পত্তিৰ সংৰক্ষণ | ২৭৭ |
| ৯৮ | গোলাম বা দাস সকলৰ সৈতে উত্তম ব্যৱহাৰ | ২৭৯ |
| ৯৯ | মানৱ সেৱাত আত্মনিয়োগকাৰী ব্যক্তিৰ প্ৰতি শ্ৰদ্ধা প্ৰদৰ্শন | ২৮০ |
| ১০০ | মহিলাসকলৰ প্ৰতি উত্তম আচৰণ | ২৮১ |
| ১০১ | মৃত ব্যক্তি সকলৰ প্ৰতি আচৰণ | ২৮৫ |
| ১০২ | প্ৰতিৱেশীৰ প্ৰতি সৎ ব্যৱহাৰ | ২৮৬ |
| ১০৩ | পিতা-মাতা আৰু আত্মীয়-স্বজনৰ সৈতে উত্তম ব্যৱহাৰ | ২৮৭ |
| ১০৪ | সৎ সঙ্গ | ২৯১ |
| ১০৫ | মানুহৰ ঈমান (বিশ্বাসৰ)প্ৰতি শ্ৰদ্ধা আৰু সুৰক্ষা | ২৯২ |
| ১০৬ | আনৰ দোষ ত্ৰুটি ঢাকি ৰাখা | ২৯২ |
| ১০৭ | ধৈৰ্য্য | ২৯৬ |
| ১০৮ | পাৰস্পাৰিক সহায়তা দান | ২৯৭ |
| ১০৯ | সত্যতা | ২৯৮ |

| ক্ৰ.নং | বিষয় | পৃঃ |
|---|---|---|
| ১১০ | আনৰ দোষৰ ত্ৰুটিৰ সন্ধান নকৰা আৰু সু-ধাৰণা পোষণ কৰা | ৩০০ |
| ১১১ | প্ৰবঞ্চনা আৰু প্ৰতাৰণাৰ প্ৰতি ঘৃণা | ৩০০ |
| ১১২ | নিৰাশাবাদৰ বিৰোধীতা | ৩০১ |
| ১১৩ | প্ৰাণীবিলাকৰ প্ৰতি উত্তম আচৰণ | ৩০২ |
| ১১৪ | আনৰ কাম বক্ৰদৃষ্টিত নেদেখা (আন ধৰ্মৰ প্ৰতি সহিষ্ণুতা) | ৩০৩ |
| ১১৫ | ধৰ্মীয় সহনশীলতা | ৩০৩ |
| ১১৬ | বীৰত্ব | ৩০৩ |
| ১১৭ | স্বল্প বুদ্ধি সম্পন্ন বা অশিক্ষিত লোকৰ প্ৰতি সহানুভূতি আৰু মৰম স্নেহ | ৩০৪ |
| ১১৮ | ধৰ্মৰক্ষণ প্ৰতিজ্ঞা পালন | ৩০৫ |

# হজৰত মহম্মদ (ছাঃ)ৰ জীৱনী

খোদা তায়লাৰ বৃহৎ নিদৰ্শন আৰু ইছলামৰ সত্যতাৰ এক মহিমান্বিত প্ৰমাণ যে হজৰত মহম্মদ (ছাঃ) ৰ জীৱন ঘটনাৱলী যিহকে প্ৰকাশ্যত বিদ্যমান আছে। তদ্ৰুপ আন কোনো নবীৰ জীৱনৰ ঘটনাৱলী প্ৰকাশ্যত বিদ্যমান নাই । অৱশ্যে ইয়াত কোনো সন্দেহ নাই যে এই ধৰণৰ বিস্তাৰিত বিৱৰণ থকা বাবেই হজৰত মহম্মদ ৰছুলুল্লাহ (ছাঃ)ৰ ওপৰত যিমান বেছি আপত্তি উত্থাপন সম্ভৱ হৈছে সিমান বেছি আপত্তি আন কোনো নবীৰ অস্তিত্বৰ ওপৰত উত্থাপন কৰা সম্ভৱ হোৱা নাই। কিন্তু ইয়াত কোনো সন্দেহ হোৱা নাই যে,সেই সমূহ আপত্তি আৰু পৰ্যালোচনাৰ পাছত মানুহে যিৰূপে প্ৰতিশ্ৰুত হৃদয়ত পৰিতুষ্ট চিত্তত হজৰত মহম্মদ (ছাঃ)ৰ অস্তিত্বৰ সৈতে প্ৰেম কৰিব পাৰে। ঠিক সেই দৰে আন কোনো মানুহৰ সৈতে কেতিয়াও কৰিব নোৱাৰে। কাৰণ যাৰ জীৱনৰ ঘটনাৱলী গোপন থাকে তাৰ সৈতে ভালপোৱাৰ বিপত্তি ঘটাৰ আশংকা সকলো সময়ত থাকি যায়। হজৰত মহম্মদ (ছাঃ)ৰ জীৱন এক উন্মুক্ত গ্ৰন্থ আছিল। শত্ৰুসকলৰ সকলো ধৰণৰ আপত্তি খণ্ডন হোৱাৰ পাছত সেই গ্ৰন্থৰ এনে কোনো পৃষ্ঠা অৱশিষ্ট নাথাকে।য'ত তেখেত (ছাঃ)ৰ জীৱনৰ আন কোনো নতুন দিশ বা আপত্তি বাহিৰ কৰা সম্ভৱ। অথবা তাৰ কোনো পৃষ্ঠা অৱশিষ্ট নাথাকে। যাৰ পাত মেলিলে অন্যান্য আৰু ঐশী গ্ৰন্থ সমূহৰ প্ৰকৃত অৰ্থ আৰু তাৎপৰ্য মানুহৰ বুদ্ধিত প্ৰৱেশ কৰোৱাৰ বাবে তাৰ সৈতে উৎকৃষ্ট দৃষ্টান্ত উত্থাপন কৰাৰ একান্ত প্ৰয়োজন। সৰ্ব্বোৎকৃষ্ট দৃষ্টান্ত এক মাত্ৰ তেওঁৱেই হ'ব পাৰে, যাৰ ওপৰত ঐশী গ্ৰন্থ অৱতীৰ্ণ হয়। এই বিষয়টো নিশ্চয় সুক্ষম আৰু দাৰ্শনিক।কিন্তু বহু ধৰ্মই ইয়াৰ কোনো তাৎপৰ্য উপলব্ধি কৰিব নোৱাৰে। উদাহৰণ স্বৰূপ ক'ব পাৰি,হিন্দু ধৰ্মত বেদৰ গ্ৰন্থসমূহ উত্থাপন কৰি থাকে। কিন্তু সেইবোৰ অনুসৰণকাৰী ঋষি মুনি সকলৰ ইতিহাস সম্পৰ্কে একোৱেই নকয়। হিন্দু ধৰ্মৰ পণ্ডিত সকলে আজিলৈকে ইয়াৰ কোনো প্ৰয়োজনও অনুভৱ কৰা নাই। ঠিক এই একেই ইহুদী,খ্ৰীষ্টান আৰু পাদ্ৰী সকলে মুকলি ভাবে কৈ থাকে যে বনি ইস্ৰাইলৰ অমুক অমুক নবীৰ মাজত অমুক অমুক ত্ৰুটি আছিল। সিহঁতে এই কথা বুজিবলৈ চেষ্টা নকৰে যে যি ব্যক্তিক খোদা তায়লা নিজৰ বাণীৰ বাবে মনোনীত কৰিছিল। সেই বাণী যদি সেই ব্যক্তিয়েই সংশোধন কৰিব নোৱাৰে তেন্তে পৰৱৰ্তী কালত সংশোধন কেনেকৈ সম্ভৱ হ'ব ? যদি সেই ব্যক্তি সংশোধনৰ যোগ্য নহ'লহেঁতেন, তেন্তে খোদা তায়লা তাক কিয় নিজৰ বাণীৰ বাবে মনোনীত কৰিছিল। ইয়াৰ আন কি উদ্দেশ্য আছিল যে আল্লাহ পাক আন কাকো মনোনীত নকৰি তেওঁকেই কৰিছিল ? এই ক্ষেত্ৰত আল্লাহ কি ব্যৰ্থতা আছিল যে তেখেত যবুৰৰ বাবে বাধ্য হৈ হজৰত দাউদ (আঃ)ক মনোনীত কৰিছিল ।তেওঁ ইচ্ছা কৰিলে সেই বনি ইস্ৰাইল সকলৰ মাজৰ পৰা আন কোনো ব্যক্তিক মনোনীত কৰিব

পাৰিলেহেঁতেন। গতিকে এই উভয় প্ৰকাৰ কথা গ্ৰহণযোগ্য হ'ব নোৱাৰে। যদি এনে ধাৰণা কৰা হয় যে খোদা তায়লা যাৰ ওপৰত তাৰ বাণী অৱতীৰ্ণ কৰিছিল সি সেই বাণী সংশোধন কৰিব পৰা নাই; নতুবা যদি এই ধাৰণা কৰা হয় যে খোদা তায়লা এনে এক ব্যক্তিক মনোনীত কৰিছিল, যি সংশোধনৰ যোগ্যই নাছিল। তেন্তে এই উভয় প্ৰকাৰ ধাৰণাই হ'ব সম্পূৰ্ণ বুদ্ধি বিবেচনাৰ পৰিপন্থী। প্ৰকৃততে বিভিন্ন ধৰ্মত নিজ গুৰু সকলৰ পৰা বিচ্ছিন্ন হৈ পৰা কাৰণে এনে ভ্ৰান্তি ধাৰণাৰ সৃষ্টি হৈছে। কিন্তু এয়াও হ'ব পাৰে যে মানৱৰ বুদ্ধিৰ যথেষ্ঠ পৰিপক্ক নোহোৱাৰ বাবে প্ৰাচীন কালৰ সেই ভুল ভ্ৰান্তি উপলব্ধি কৰা সম্ভৱ হোৱা নাই। কিন্তু ইছলামৰ আৰম্ভণীৰ পৰাই ইয়াৰ গুৰুত্ব উপলব্ধি হৈছিল। হজৰত ৰছুলে কৰিম (ছাঃ) ৰ স্ত্ৰী হজৰত আয়েশা (ৰাঃ)ৰ বিয়া হৈছিল ১৩/১৪ বছৰ বয়সত, আৰু মাত্ৰ তাই প্ৰায় ৭ বছৰ হজৰত (মহম্মদ) (ছাঃ)ৰ সৈতে আছিল। হজৰত ৰছুলে কৰিম (ছাঃ)ৰ মৃত্যুৰ সময়ত তাইৰ বয়স আছিল ২১ বছৰ। তাই লিখা পঢ়াও নাজানিছিল। তথাপি তাইৰ ওচৰত প্ৰকৃত তত্ত্ব অতি সুস্পষ্ট ৰূপে প্ৰতিফলিত হৈ উঠিছিল। এদিনাখন এজন ব্যক্তি হজৰত আয়েশা (ৰাঃ)ৰ ওচৰত হজৰত ৰছুলে কৰিম (ছাঃ)ৰ চৰিত্ৰ সম্পৰ্কে কিছু জানিব বিচৰাত তাই কলে, كَانَ خُلُقُهُ كُلُّهُ الْقُرْآنُ অৰ্থাৎঃ তেখেত (ৰাঃ)ৰ চৰিত্ৰ সম্পূৰ্ণ কোৰাণ আছিল( বুখাৰী ,আবু দাউদ)অৰ্থাৎ হজৰত মহম্মদ (ছাঃ)ৰ চৰিত্ৰ সম্পৰ্কে কি সুধিছা ? যিয়েই হজৰত মহম্মদ (ছাঃ)য়ে কৈছিল সেইবোৰ কোৰাণৰ পৰাই কৈছিল। তেখেত (ছাঃ)ৰ সমূহ কাৰ্য্য পৱিত্ৰ কোৰাণৰ শিক্ষাৰ অবিহনে একো নাছিল। প্ৰতিটো চাৰিত্ৰিক সৌন্দৰ্য যাৰ বৰ্ণনা পৱিত্ৰ কোৰাণ কৰিমত সন্নিবিষ্ট আছে তাৰ ওপৰত হজৰত মহম্মদ (ছাঃ)ৰ অনুশীলন আছিল সাৰ্থক আৰু পৰিপূৰ্ণ। প্ৰত্যেক অনুশীলন যি তেখেত (ছাঃ)য়ে কৰিছিল তাৰ শিক্ষা পৱিত্ৰ কোৰাণত দিয়া হৈছে। এই কথা কিমান যে সূক্ষ্ম। মনত হয় মহম্মদ (ছাঃ)ৰ চৰিত্ৰ ইমান বেছি প্ৰকাশ্য আৰু উৎকৃষ্ট আছিল যে এজনী নৱ যুৱতী যিজনী শিক্ষিতও নাছিল; তাই মহম্মদ (ছাঃ)ৰ দৃষ্টিকও সামগ্ৰিক ভাৱে আকৰ্ষণ কৰিবলৈ সমৰ্থ হৈছিল। হিন্দু, খ্ৰীষ্টান, ইহুদী আৰু মছীহ দৰ্শন যি বিষয়ৰ তাৎপৰ্য অনুধাৱন কৰোঁতে ব্যৰ্থ হৈছিল,সেই বিষয়ৰ তাৎপৰ্য হজৰত আয়েশা ছিদ্দিকা (ৰাঃ) অনুধাৱন কৰিবলৈ সক্ষম হৈছিল। তাই এটা সৰু কথাৰ মাজত এই সূক্ষ্ম দৰ্শন ব্যক্ত কৰিছে যে, ই কেনেকৈ সম্ভৱ হ'ব পাৰে যে,এজন ভাল সাধু ব্যক্তি পৃথিৱীক যি শিক্ষা দান কৰিব সেই শিক্ষা সি নিজে আমল নকৰিব ? অথবা সি নিজে পুণ্য কৰ্ম কৰিব অথচ পৃথিৱীৰ বাবে তাক গোপন ৰাখিবনে ? এই কাৰণেই হজৰত মহম্মদ (ছাঃ) ৰ চৰিত্ৰ জনাৰ বাবে তোমালোকক কোনো ইতিহাসৰ প্ৰয়োজন নাই। তেখেত (ছাঃ)য়ে যি কৈছিল তাকেই কৰিছিল আৰু যি কৰিছিল তাকেই কৈছিল। আমি তেখেত (ছাঃ)ক দৰ্শন কৰিছোঁ সেই কাৰণে কোৰাণ কৰিম বুজিবলৈ

সক্ষম হৈছোঁ। তোমালোকৰ যিসকলে পৰবৰ্ত্তীত আহিব,সিহঁতে কোৰাণ কৰিম পঢ়িলেহে হজৰত মহম্মদ (ছাঃ)ক বুজি পাব।

اَللّٰهُمَّ صَلِّ عَلٰى مُحَمَّدٍ كَمَا صَلَّيْتَ عَلٰى اِبْرَاهِيْمَ وَعَلٰى
اٰلِ اِبْرَاهِيْمَ وَبَارِكْ وَسَلِّمْ اِنَّكَ حَمِيْدٌ مَّجِيْدٌ

আল্লাহুম্মা ছাল্লে আলা মুহম্মাদিন কামা ছাল্লাইতা আলা ইব্ৰাহিমা ওৱা আলা আলে ইব্ৰাহিমা ওৱা বাৰেক ওৱা ছাল্লিম,ইন্নাকা হামিদুম মাজিদ।

# হজৰত মহম্মদ (ছাঃ)ৰ আৱিৰ্ভাবৰ সময়ত মূৰ্তি পূজা

হজৰত মহম্মদ (ছাঃ) যি যুগত জন্ম গ্ৰহণ কৰিছিল সেই যুগৰ অৱস্থাও তেখেত (ছাঃ) ৰ জীৱনৰ এক অংশ হিচাপে গণ্য কৰিব লাগিব। কিয়নো সেই প্ৰেক্ষাপটক সন্মুখত ৰাখিলেহে মানুহে তেখেত (ছাঃ)ৰ জীৱনৰ ঘটনাৱলীৰ তাৎপৰ্য প্ৰকৃতাৰ্থত উপলব্ধি কৰিব পাৰিব। তেখেত (ছাঃ) আৰব দেশৰ মক্কাত ৫৭০ খ্ৰীঃব্দত আগষ্ট মাহত জন্ম গ্ৰহণ কৰিছিল। জন্মৰ পাছত তেখেত (ছাঃ)ৰ নাম মহম্মদ ৰখা হৈছিল। যাৰ অৰ্থ প্ৰশংসিত। যি সময়ত তেখেত (ছাঃ)য়ে জন্ম গ্ৰহণ কৰিছিল সেই সময়ৰ সামান্য সংখ্যক বাদে বাকী সকলো লোক মুশ্বৰীক (অংশীবাদী) আছিল। সেই সকল মানুহে নিজকে হজৰত ইব্ৰাহিম (আঃ)ৰ বংশধৰ বুলি দাবী কৰিছিল। আনকি বিশ্বাস কৰিছিল যে,হজৰত ইব্ৰাহিম (আঃ) অংশীবাদী নাছিল।কিন্তু এয়া থকা সত্বেও সিহঁত অংশীবাদীতাৰ কামত লিপ্ত আছিল। সেই বাবে সিহঁতে এনে যুক্তিও দেখুৱাইছিল যে, কোনো কোনো মানুহ উন্নতি কৰোঁতে কৰোঁতে খোদা তায়লাৰ এনে নৈকট্যপ্ৰাপ্ত হয় যে, সিহঁতৰ মধ্যস্থতা খোদা তায়লাৰ দৰবাৰত নিশ্চিত ৰূপে গৃহীত হয়। যিহেতু খোদা তায়লা সত্তা অতিশয় উচ্চ মৰ্যদা সম্পন্ন,সেই হেতুকে সকলো মানুহৰ পক্ষে তাত উপনীত হোৱা অসম্ভৱ।একমাত্ৰ পৰিপূৰ্ণ মানৱ তাত উপস্থিত হ'ব পাৰে। এই কাৰণে যি কোনো সাধাৰণ মানুহৰ বাবে ই জৰুৰী যে,সি যেন কোনো এক মাধ্যম অৱলম্বন কৰে আৰু সেই মাধ্যমৰ কল্যাণত খোদা তায়লাৰ সন্তুষ্টি আৰু সাহায্য লাভ কৰে। এই আশ্চৰ্য্য আৰু নিকৃষ্ট বিশ্বাসৰ ফলস্বৰূপে সিহঁতে হজৰত ইব্ৰাহিম (আঃ)ক একত্ববাদী মান্য কৰাৰ পাছতো সিহঁতে নিজে অংশীবাদীতাত এটা অৱলম্বনকাৰী হিচাপে তৈয়াৰ কৰি লৈছিল। হজৰত ইব্ৰাহিম (আঃ) অতি পৱিত্ৰ আছিল। তেখেত (আঃ)য়ে পুনে পুনে খোদা তায়লাৰ সান্নিধ্য লাভ কৰিব পাৰিছিল। কিন্তু মক্কাবাসী সকলে সেই মৰ্যদাৰ অধিকাৰী নাছিল। সেই কাৰণে সিহঁতে ডাঙৰ ডাঙৰ বিত্তশীল মানুহক মাধ্যম বনোৱাৰ প্ৰয়োজনবোধ কৰিছিল। যি প্ৰয়োজনৰ চাহিদাত সিহঁতে সেই মানুহবিলাকৰ নামত মূৰ্তি তৈয়াৰ কৰি তাৰ উপাসনা বা পূজা কৰিছিল, এই ভাৱে সিহঁতে নিজ ধাৰণা অনুসৰি সিহঁতক আনন্দ কৰি, খোদা তায়লাৰ দৰবাৰত সিহঁতৰ নিজৰ বাবে মাধ্যম বনাইছিল। এই ধৰ্ম বিশ্বাসৰ মাজত যে,বিভিন্ন প্ৰকাৰ ক্ষতিকৰ বিষয় আৰু বহুত ফাঁক ৰৈ গৈছে সেইবোৰৰ প্ৰতি কেতিয়াও দৃষ্টি নিৱদ্ধ হোৱা নাছিল; কাৰণ সিহঁতে কোনো একত্ববাদীৰ শিক্ষাদাতা পোৱা নছিল। যেতিয়া কোনো জাতিৰ মাজত অংশীবাদী আৰম্ভ হৈ যায় সেয়া ক্ৰমাগত বৃদ্ধি হৈয়ে থাকে। এটাৰ পৰা দুটা, দুটাৰ পৰা তিনিটা ......এইদৰে বৃদ্ধি হৈ থাকে। সেই বাবে হজৰত মহম্মদ ( ছাঃ)ৰ জন্মৰ সময়ত **কাবা** ঘৰৰ ভিতৰত ( যি বৰ্তমান মুছলমান সকলৰ পৱিত্ৰ মছজিদ আৰু হজৰত

ইব্ৰাহিম (আঃ) আৰু হজৰত ইছমাইল (আঃ)ৰ দ্বাৰা নিৰ্মিত উপাসনালয়)ঐতিহাসিক সকলৰ মতে তিনি শ ষাটি (৩৬০) টা মূৰ্তি আছিল। ইয়াৰ বাহিৰেও ওচৰে-পাজৰে অঞ্চলবোৰত বৃহৎ বৃহৎ স্থানত, ডাঙৰ ডাঙৰ গোত্ৰবোৰত পৃথক পৃথক মূৰ্তি আছিল। এক কথাত আৰবৰ প্ৰত্যেক অঞ্চল অংশীবাদীতাত আচ্ছন্ন হৈ পৰিছিল।

আৰবৰ লোকসকলে বাক শক্তিৰ চৰ্চা আৰু উন্নতিৰ ক্ষেত্ৰত বিশেষ মনোযোগী আছিল। সিহঁতে নিজ ভাষাত কথা কোৱাৰ প্ৰকাশ ভঙ্গীক অধিক সমৃদ্ধ কৰাৰ চেষ্টা চলাইছিল। কিন্তু এই বিষয় অবিহনে সিহঁতৰ ওচৰত অন্য জ্ঞান আহৰণৰ কোনো সাৰ্থকতায়েই নাছিল। ইতিহাস,গণিত, ভূগোল আদিৰ বিষয়ৰ কোনো এটাও জ্ঞান আহৰণৰ বাবে সিহঁতে একো চেষ্টা কৰা নাছিল। তথাপিও সিহঁতে জ্যেতিষ্ক বিজ্ঞানত যথেষ্ট পাৰদৰ্শী আছিল। কাৰণ মৰুভূমিৰ মাজত সিহঁতে চলা ফুৰা কৰিব লাগিছিল। তাত কোনো মাইল আৰু দিশ নিৰ্দেশৰ চিহ্নও নাছিল। গতিকে মৰুভূমিত ভ্ৰমণ কৰাৰ সময়ত সিহঁতে জ্যেতিষ্ক বিজ্ঞানৰ সাহায্য ল'ব লাগিছিল। সমগ্ৰ আৰবত এটাও মাদ্ৰাছা নাছিল।ক'ব পাৰো যে,মক্কাৰ মাজত মাথোন কেইজনমান লোক লিখা-পঢ়া জানিছিল। চাৰিত্ৰিক বৈশিষ্টৰ ফালৰ পৰা আৰব এক পৰস্পৰ বিৰোধী গুণাৱলী বৈশিষ্ট জাতি আছিল। সিহঁতৰ মাজত বহুত মাৰাত্মক পাপৰ প্ৰচলন আছিল। তথাপি সিহঁতে এনে কিছুমান পুণ্য কৰ্মও কৰিছিল যিয়ে সিহঁতৰ জাতিয় মানদণ্ডক সমান্য হলেও উন্নত ৰাখিবলৈ সক্ষম হৈছিল।

## মদ আৰু জুৱা খেল

আৰবৰ লোক সকল মদৰ বৰকৈ আসক্ত আছিল। মদৰ নিচাত অজ্ঞান হৈ পৰা বা দুষ্টামী কৰা সিহঁতৰ বাবে কোনো দোষনীয় অপৰাধ নাছিল। বৰঞ্চ সেয়া সিহঁতৰ বাবে প্ৰশংসনীয় কাম আছিল। কোনো অভিজাত ব্যক্তিৰ অভিজাতৰ প্ৰতীক চিহ্নসমূহৰ মাজত এই চিহ্ন থকাৰো আৱশ্যক আছিল যে, তেওঁ তাৰ বন্ধু-বান্ধৱ আৰু প্ৰতিৱেশী সকলক প্ৰচুৰ মদ পান কৰাব। ধনৱন্ত লোক সকলৰ বাবে প্ৰয়োজন আছিল যে, প্ৰতি দিনে পাঁচ বাৰ মদৰ বৈঠক বহাব আৰু ই সিহঁতৰ জাতীয় ক্ৰীড়া আছিল। সিহঁতে এক বিতোপন আৰ্ট বনাই লৈছিল। সিহঁতে জুৱা খেলিছিল কিন্তু ধন-সম্পদ বুদ্ধিৰ বাবে খেলা নাছিল,জুৱা খেলাক সিহঁতে বদান্যতা আৰু গৌৰৱৰ বিষয় হিচাপে চিহ্নিত কৰিছিল। জুৱাৰী সকলৰ মাজত এই অঙ্গীকাৰ হৈছিল যে যি ব্যক্তি খেলত জিকিব তেওঁ জিকা ধনৰ পৰা তেওঁৰ বন্ধু-বান্ধৱ আৰু গোত্ৰীয় লোক সকলক নিমন্ত্ৰণ খোৱাব লাগিব। যুদ্ধৰ

সময়ত সিহঁতে প্ৰয়োজনীয় টকা পইচা এই খেলাৰ মাধ্যমত সংগ্ৰহ কৰিছিল। যুদ্ধ চলি থকা সময়ত আজিৰ দিনতো লটাৰী কৰাৰ প্ৰথা বৃদ্ধি পাই আছে। কিন্তু ইউৰোপ আৰু আমেৰিকাৰ লটাৰীবিদ বিলাক জানি ৰখা ভাল যে, এই প্ৰথাৰ আদি প্ৰচলনকাৰী হ'ল আৰব সকল। যেতিয়া কোনো যুদ্ধ হৈছিল তেতিয়া আৰবৰ গোত্ৰবিলাক নিজৰ নিজৰ মাজত জুৱা খেলিছিল আৰু যিজনে জিকিছিল তেওঁ যুদ্ধৰ অধিকাংশ খৰচ নিজে বহন কৰিছিল। প্ৰকৃততে পৃথিৱীৰ সুখ-শান্তি আৰু বিশ্ৰামৰ পৰা বঞ্চিত আৰব সকলে সেইবিলাক মানি লোৱাৰ চেষ্টা কৰিছিল এক মাত্ৰ জুৱাৰ মাধ্যমেই।

## বানিজ্য

আৰব লোক সকল ব্যৱসায়ী আছিল, আৰু সিহঁতৰ বানিজ্যক কাফলা (গোত্ৰ) সকল দূৰ্-দূৰ্লৈ গুচি গৈছিল আৱছিনিয়াৰ সৈতে সিহঁতৰ ব্যৱসায় আছিল। ছিৰিয়া আৰু ফিলিস্থানৰ সৈতেও বাণিজ্যিক যোগাযোগ আছিল। সিহঁতৰ ধনী ব্যক্তি সকলে হিন্দুস্থানত তৈয়াৰী তৰৱাৰিৰ বিশেষ মৰ্যদা দিছিল। পৰিধান বস্ত্ৰৰ অধিক সংখ্যক ইয়ামিন আৰু ছিৰিয়াৰ পৰা আমদানি হৈছিল। এইবোৰ ব্যৱসায় আৰব চহৰবাসীৰ হাতত আছিল। বাকী আৰব সকলে ইয়ামিন আৰু দক্ষিণৰ কিছু কিছু অঞ্চলৰ অধিবাসীৰ বাহিৰে বেদুইন জীৱন-যাপন কৰিছিল। সিহঁতৰ কোনো চহৰ নাছিল আৰু কোনো নগৰ নাছিল। গোত্ৰসমূহে দেশৰ অঞ্চলবোৰ ভগাই লৈছিল। নিজৰ অঞ্চলসমূহৰ মাজতেই সিহঁতে চলা-ফুৰা কৰিছিল। একস্থানৰ পানী শেষ হলে সিহঁত আন এক স্থানলৈ গুচি গৈছিল আৰু যি স্থানত পানী পোৱা গৈছিল, সেই ঠাইত শিবিৰ স্থাপন কৰিছিল। ভেড়া, উট, ছাগলী,দুম্বা সিহঁতৰ সম্পদ আছিল। এই পশুৰ নোমেৰে তেওঁলোকে পৰিধান কৰা বস্ত্ৰ তৈয়াৰ কৰিছিল। পশুৰ চামৰাৰে তাম্বু প্ৰস্তুত কৰিছিল আৰু অৱশিষ্ট চামৰা বজাৰত বিক্ৰী কৰি দিছিল।

## আৰব সকলৰ অন্যান্য অৱস্থা অভ্যাস আৰু বৈশিষ্ট ঃ

আৰব সকলৰ সোণ আৰু ৰূপৰ প্ৰতি আকৰ্ষণ আছিল। কিন্তু সিহঁতৰ বাবে সোণ ৰূপ পোৱা অতি দুষ্পাপ্য আছিল। সিহঁত সাধাৰণ আৰু দৰিদ্ৰ শ্ৰেণীৰ মানুহ, কড়ি দি অলংকাৰ প্ৰস্তুত কৰিছিল আৰু সুগন্ধি দ্ৰব্য আদিৰে প্ৰসাধনী প্ৰস্তুত কৰিছিল। তৰমুজ, কোমোৰা, ইত্যাদিৰ গুটিৰে (গলৰ হাৰ) কণ্ঠহাৰ প্ৰস্তুত কৰিছিল। তেওঁলোকৰ স্ত্ৰী সকলে সকলো ধৰণৰ হাৰ পৰিধান কৰি অলংকাৰ পৰাৰ স্বাদ পূৰ্ণ কৰিছিল। সমগ্ৰ

দেশত ঘৃণা, ব্যভিচাৰৰ ব্যাপক প্ৰচলন আছিল। চুৰি কাৰ্য্য কম আছিল, কিন্তু ডকাইতি কাৰ্য্য অত্যাধিক আছিল। এজন আন জনৰ ধন লুট কৰা তেওঁলোকে গোত্ৰীয় অধিকাৰ বুলি ভাৱিছিল। কিন্তু প্ৰতিশ্ৰুতি ৰক্ষা কৰা আৰব সকলৰ মাজত যিমান আছিল সিমান আন কাৰো মাজত নাছিল। যদি কোনো ব্যক্তি কোনো ক্ষমতাবান ব্যক্তি বা গোত্ৰৰ ওচৰত আহি কৈছিল, মই তোমাৰ বা তোমালোকৰ নিৰাপত্তাৰ মাজত আশ্ৰয় লৈছোঁ, তেন্তে সেই ব্যক্তি বা গোত্ৰৰ বাবে এইটো অপৰিহাৰ্য্য হৈছিল যে, সেই আশ্ৰয় পাৰ্থীক তেওঁলোকে নিৰাপত্তা দান কৰিব। নহলে সিহঁত সমগ্ৰ আৰবত হেয় প্ৰতিপন্ন হ'ব। কবি সকলৰ প্ৰতি মান-সন্মান যথেষ্ট আছিল। কবি সকলক গোত্ৰৰ নেতা হিচাপে গণ্য কৰা হৈছিল। ভাষাৰ ওপৰত অধিকাৰ সাব্যস্ত ৰখাৰ নেতা সকলৰ প্ৰয়োজন হৈছিল বাবে সিহঁতে কবিও হব লাগিছিল। সিহঁতৰ অতিথি পৰায়ণতা সৰ্ব্বোচ্চ সীমাত উপনীত হৈছিল। মৰুভূমিৰ মাজত যদি কোনো মুচাফিৰ ব্যক্তি দিশহাৰা হৈ কোনো গোত্ৰ বা কবিলা উপস্থিত হৈ কৈছিল,মই তোমালোকৰ অতিথি হৈ আহিছোঁ। সিহঁতে লগে লগে উট, ছাগলী,দুম্বা আদি জবাহ্ কৰা আৰম্ভ কৰি দিছিল। অতিথিৰ ব্যক্তিত্বৰ ক্ষেত্ৰত সিহঁতৰ ওচৰত কোনো পাৰ্থক্য নাছিল। অতিথিৰ আশায়েই তেওঁলোকৰ ওচৰত সন্মান আৰু গৌৰৱৰ বিষয় আছিল। সেই বাবে (গোত্ৰ) কবিলাৰ বাবে ই আৱশ্যকৰণীয় আছিল যে, অতিথি আপ্পায়নৰ জৰিয়তে তেওঁলোকৰ নিজৰ সন্মান বৃদ্ধি কৰা।

সমাজত নাৰী (মহিলা) সকলৰ কোনো অধিকাৰ নাছিল। কোনো গোত্ৰৰ মাজত পিতাৰ দ্বাৰা নিজৰ কন্যাক হত্যা কৰাটো সন্মানৰ বিষয় আছিল। ঐতিহাসিক সকলে এটা ভুল তথ্য লিখি গৈছে যে,সমগ্ৰ আৰব দেশতেই বালিক সকলক হত্যা কৰা প্ৰথা প্ৰচলন আছিল। কিন্তু এই ধৰণৰ প্ৰথা স্বাভাৱিক কাৰণে সমগ্ৰ আৰব দেশতে প্ৰচলিত হোৱা সম্ভৱ নাছিল। কাৰণ এই প্ৰথা যদি সমগ্ৰ আৰব দেশত প্ৰচলিত থাকিলেহেঁতেন তেন্তে সেই দেশত কাৰো কোনো বংশধৰ জীয়াই নাথাকিলেহেঁতেন। প্ৰকৃত কথা হ'ল আৰব, হিন্দুস্থান আৰু অন্যান্য দেশৰ যি ঠাইত এই প্ৰথা চলি আছিল। সেই (ঠাইৰ) কোনো কোনো বংশৰ মানুহে নিজকে বৰ ডাঙৰ বুলি ভাৱিছিল। সিহঁতৰ মাজত কোনো কোনো বংশৰ ছোৱালী সকলৰ বিয়াৰ বাবে উপযুক্ত বংশ নোপোৱাৰ কাৰণে বাধ্য হৈ হত্যা কৰিছিল। এই সামাজিক কু-প্ৰথা নি:সন্দেহ এক অত্যাচাৰ আছিল। কিন্তু এইটো সঠিক নাছিল যে,গোত্ৰ সকলো ছোৱালীক হত্যা কৰা হৈছিল। আৰব সকলৰ কোনো গোত্ৰৰ মাজত এনে এক ভয়ানক প্ৰথাও চলি আছিল যে,সিহঁতে ছোৱালী সকলক জীৱিত অৱস্থাতেই দফন কৰি দিছিল। কোনো কোনো কবিলাৰ মানুহে ছোৱালীক গল চিপি হত্যা কৰিছিল। কোনো কোনো জনে আন উপায়ে হত্যা কৰিছিল। নিজৰ গৰ্ভধাৰিণী

মাতৃ বিহীন (বিমাতাক) মাহী আইক আৰব সকলে মাতৃ ৰূপে গণ্য কৰা নাছিল। আনকি পিতৃৰ মৃত্যুৰ পিছত পুত্ৰই তাৰ বিমাতাক বিয়া কৰিছিল। তেওঁলোকে (বিমাতাক) মাহী-আইক বিয়া কৰাটো বেয়া বুলি নাভাৰিছিল।

বহু বিবাহ সিহঁতৰ বাবে সাধাৰণ বিষয় আছিল। বিবাহৰ ক্ষেত্ৰত স্ত্ৰীৰ সংখ্যাৰ কোনো সীমা বদ্ধতা নাছিল। একাধিক ভনীয়েকক এজন ব্যক্তিয়েই বিয়া কৰিব পাৰিছিল। যুদ্ধ বিগ্ৰহৰ সময়ত তাইক বৰকৈ অত্যাচাৰ কৰিছিল। হিংসাৰ উন্মাদনাত মৃত ব্যক্তিৰ বুকু ফালি কলিজা উলিয়াই দেখোৱাইছিল, নাক, কাণ কাটি পেলোৱা হৈছিল আৰু চকু উভালি পেলাইছিল।

গোলাম প্ৰথা আৰব সকলৰ বাবে সাধাৰণ প্ৰথা আছিল। সিহঁতে ওচৰে-পাজৰে থকা গোত্ৰসমূহৰ মানুহ ধৰি আনি দাস বনাই ৰাখিছিল, কিন্তু দাস সকলৰ কোনো অধিকাৰ নাছিল। প্ৰত্যেক গৰাকীয়ে তাৰ দাসৰ সৈতে নিজ ইচ্ছা অনুযায়ী ব্যৱহাৰ কৰিছিল। তাত কোনো বাধ্যবাধকতা নাছিল। আনকি দাস সকলক হত্যা কৰিলেও কোনো অভিযোগৰ সন্মুখীন হোৱা নাছিল। আনহাতে যদি কোনোবাই আন ব্যক্তিৰ গোলামক হত্যা কৰিছিল,তথাপি তাৰ মৃত্যুদণ্ড বা প্ৰায়শ্চিত্ত কোনোটোৱেই প্ৰযোজ্য হোৱা নাছিল। হত্যাকাৰীয়ে নিহত গোলামৰ গৰাকীক কিবা দিলেই মুক্ত হ'ব পাৰিছিল। দাসী সকলৰ ক্ষেত্ৰতো যৌনাচাৰ মালিক সকলৰ বাবে বৈধ বুলি স্বীকাৰ কৰা হৈছিল। দাসী সকলৰ সন্তান-সন্ততিও গোলাম ৰূপে গণ্য হৈছিল। নিজৰ ঔৰসজাত সন্তাৰ মাতৃ হলেও দাসী দাসী হৈয়েই থাকিছিল। জ্ঞান,বিজ্ঞান আৰু উন্নতিৰ অন্যান্য ক্ষেত্ৰত আৰব সকল বহু পিছ পৰি আছিল। আৰ্ন্তজাতিক সম্প্ৰীতি আৰু যোগাযোগৰ ক্ষেত্ৰতো সিহঁত বহু অনুন্নত আছিল।

## হজৰত মহম্মদ (ছাঃ) ৰ জন্ম

ওপৰত উল্লেখিত প্ৰেক্ষাপটত হজৰত মহম্মদ (ছাঃ) জন্ম গ্ৰহণ কৰিছিল। জন্মৰ পূৰ্বে তেখেত (ছাঃ)ৰ পিতৃ হজৰত আব্দুল্লাহৰ মৃত্যু হয়। ককাই আব্দুল মুত্তালিবে নিজৰ অভিভাৱকত্ত্বত হজৰত মহম্মদ (ছাঃ) আৰু তেখেত (ছাঃ)ৰ মাতৃ হজৰত আমিনাৰ ভৰণ পোষণৰ দায়িত্ব গ্ৰহণ কৰিছিল। আৰবৰ প্ৰথা অনুসৰি মহম্মদ ( ছাঃ)ক পিয়াহ খোৱাবৰ বাবে তায়েফ চহৰৰ কাষৰ অঞ্চলৰ বস-বাসকাৰী মহিলা এগৰাকীক দিয়া হৈছিল। আৰব সকলে শিশু সকলক শুৱলা মাত কথাৰ শিক্ষা আৰু সু-স্বাস্থ্যৰ বাবে গ্ৰাম্য মহিলা সকলক দি দিছিল। হজৰত মহম্মদ ( ছাঃ)ৰ বয়স যেতিয়া ৬ বছৰ তেতিয়া

তেখেত (ছাঃ)ৰ মাতৃ মদিনাৰ আত্মীয়-স্বজনৰ ঘৰৰ পৰা আহোতে মাজ বাটত দেহ ত্যাগ কৰে আৰু তাতেই সমাধিস্থ হয়। তেখেত (ছাঃ)ক মক্কালৈ এজন দাসীয়ে লৈ আহে, যিজনীয়ে মহম্মদ (ছাঃ)ক তেখেত (ছাঃ)ৰ ককাৰ হাতত তুলি দিয়ে। যেতিয়া তেখেত (ছাঃ)ৰ বয়স ৮ বছৰ তেতিয়া মহম্মদ (ছাঃ)ৰ লালন-পালনকাৰী ককাৰো মৃত্যু হয়। ইয়াৰ পাছত মহম্মদ (ছাঃ)ৰ খুৰাদেউ আবু তালিব নিজ পিতৃৰ (অচিয়ত)অনুসৰি তেখেত (ছাঃ)ৰ অভিভাৱকত্ব গ্ৰহণ কৰে। দুই তিনি বাৰ তেখেত (ছাঃ)ৰ আৰবৰ বাহিৰত যোৱাৰ সুযোগ হৈছিল। ১২ বছৰ বয়সত এবাৰ হজৰত মহম্মদ (ছাঃ)ৰ খুৰা আবু তালিবৰ সৈতে বাণিজ্যিক ভ্ৰমণত ছিৰিয়ালৈ গৈছিল। সম্ভৱত এই ভ্ৰমণ ছিৰিয়াৰ দক্ষিণ পূৰ্বে বাণিজ্যিক চহৰ পৰ্যন্ত সীমাবদ্ধ আছিল। কিয়নো এই ভ্ৰমণ প্ৰসঙ্গত বায়তুল মুকাদ্দছ্ স্থানৰ কোনো উল্লেখ নাই। ইয়াৰ পিছত যৌৱন পদাৰ্পন কৰালৈকে তেখেত (ছাঃ) আৰবতেই থাকি যায়।

## হিলফুল ফজল নামৰ সংগঠন

বাল্য কালৰ পৰাই চিন্তা-ভাৱনাৰ বৈশিষ্ট হজৰত মহম্মদ (ছাঃ)ৰ প্ৰকৃতিত পৰিলক্ষিত হৈছিল। মানুহৰ হাই কাজিয়াৰ লগত তেখেত (ছাঃ) জড়িত নাছিল। বৰঞ্চ দ্বন্দ্ব কলহ তেখেত (ছাঃ) মীমাংসা কৰাৰ চেষ্টা কৰিছিল। মক্কাৰ চৌপাশৰ গোত্ৰ সমূহৰ যুদ্ধ বিগ্ৰহ দেখি চিন্তান্বিতহে,যেতিয়া কিছুসংখ্যক যুৱকে মজলুম সকলক সাহায্য কৰাৰ উদ্দেশ্যত এটা সংগঠন কৰিছিল; তেতিয়া হজৰত মহম্মদ (ছাঃ) বৰ উৎসাহৰে সেই সংঘৰ সদস্য হৈছিল। এই সংঘৰ নাম ৰখা হৈছিল **হিলফুল ফজল** ইয়াৰ সদস্য বৃন্দই গ্ৰহণ কৰা শপত হ'ল ঃ

সিহঁতে মজলুম ( যিসকলৰ ওপৰত অত্যাচাৰ কৰা হয়) সকলক সাহায্য কৰিব,তেওঁলোকৰ প্ৰাপ্য অধিকাৰ তেতিয়ালৈকে আদায় কৰি দিব, যেতিয়ালৈকে সাগৰত এক বিন্দু পানীও থাকিব। যদি এনে কৰিব নোৱাৰে তেন্তে সিহঁতেই মজলুম সকলৰ অধিকাৰ পুৰণ কৰি দিব। (ইমাম চুহায়লি,ৰুদ আলা ইউচুফ, ইবনে হিশ্বাম ১ ম খণ্ড পৃঃ ৩৬)

কিন্তু একমাত্ৰ হজৰত মহম্মদ (ছাঃ)ৰ বাহিৰে আন কোনো সদস্যই এই কাৰ্য্য কৰাৰ সুযোগ পোৱা নাছিল।

তেখেত (ছাঃ)য়ে যেতিয়া নবুয়তৰ দাবী কৰিলে তেতিয়া মক্কাৰ (চৰদাৰ) নেতা আবু জেহলে কঠোৰ বিৰোধীতা আৰম্ভ কৰি দিলে, আৰু মানুহৰ আগত ক'ব আৰম্ভ কৰিলে

যে তোমালোকৰ কোনেও মহম্মদ (ছাঃ)ৰ সৈতে কথা নাপাতিব, তেখেতক মান্য নকৰিবা,যিমান দূৰ সম্ভৱ তেখেতক লাঞ্চিত আৰু অপমানিত কৰিবা। ঠিক সেই সময়ত এজন ব্যক্তি আবু জেহলৰ পৰা পাওনা আদায় কৰাৰ বাবে মক্কাত আহিছিল। তেওঁ আবু জেহলৰ ওচৰত নিজৰ প্ৰাপ্য বিচাৰিছিল। আবু জেহলে তাৰ ঋণ পৰিশোধ কৰিবলৈ অস্বীকাৰ কৰিছিল। কিন্তু কিছু সংখ্যক দুষ্ট ল'ৰাই মানুহ জনক মহম্মদ (ছাঃ) ৰ সাহায্য ল'বলৈ পৰামৰ্শ দিছিল। সিহঁতৰ উদ্দেশ্য আছিল হজৰত মহম্মদ (ছাঃ)ক অপমান কৰা। সিহঁতে ভাৱিছিল মহম্মদ (ছাঃ)এই ক্ষেত্ৰত মানুহ জনক সহায় নকৰিব। কাৰণ তেতিয়া মক্কাৰ মানুহ বিলাক সাধাৰণ ভাৱে আৰু আবু জেহল বিশেষ ভাৱে তেখেত (ছাঃ)ৰ বিৰোধীতা কৰিছিল। গতিকে উক্ত সাহায্য নকৰাৰ বাবে হজৰত মহম্মদ (ছাঃ) সকলোৰে ওচৰত (নাউজুবিল্লাহ) নিন্দিত হ'ব, শপত ভঙ্গকাৰী বুলি প্ৰমাণিত হ'ব। তদুপৰি তেখেত (ছাঃ)যদি মানুহ জনক সহায় কৰাৰ বাবে আবু জেহেলৰ ওচৰত যায়, তেন্তে আবু জেহেল তেখেত (ছাঃ) ক লাঞ্চিত কৰিহে এৰিব আৰু ঘৰৰ পৰা উলিয়াই দিব।

মানুহ জন দয়াৰ নবী হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত গ'ল আৰু আবু জেহেলৰ বিৰুদ্ধে থকা অভিযোগ উত্থাপন কৰিলে। তেখেত (ছাঃ)য়ে লগে লগে মানুজনক লগত লৈ যাব ধৰিলে আৰু আবু জেহেলৰ ঘৰৰ দৰজাত খুন্দিয়ালে। আবু জেহেল ঘৰৰ পৰা বাহিলৈ ওলাই আহিল আৰু মহম্মদ (ছাঃ)ৰ সৈতে ঋণ দাতাক দৰ্জাৰ সন্মুখত থিয় হৈ থকা দেখা পালে। তেওঁক আঁহজৰত (ছাঃ)য়ে কলে,এই ব্যক্তিৰ অমুক অমুক পাওনা তুমি তাক দি দিয়া। আবু জেহলে কোনো উচ্চ বাক্য নকৰি মানুহজনৰ ঋণ পৰিশোধ কৰি দিলে। চহৰৰ অন্যান্য নেতৃস্থানীয় লোক সকলে যেতিয়া তাক কলে, তুমি আমাৰ ওচৰত বহু কৈ থাকা যে, মহম্মদ (ছাঃ)ক লাঞ্চিত কৰি থাকা, তেখেত (ছাঃ)ৰ সৈতে কোনো সম্পৰ্ক নাৰাখিবা। কিন্তু তুমি নিজেই তেখেত (ছাঃ)ৰ কথা মতে কাম কৰিলা আৰু তেখেত (ছাঃ)ৰ সন্মান প্ৰতিষ্ঠিত ৰাখিলা। তেতিয়া আবু জেহলে সিহঁতক কলে,আল্লাহৰ শপত, মোৰ ঠাইত তোমালোক হলে একেই কাম কৰিলাহেঁতেন। মই হজৰত মহম্মদ (ছাঃ)ৰ সোঁফালে বাঁওফালে উট থিয় হৈ থকা প্ৰত্যক্ষ কৰিলোঁ আৰু সেইবিলাকে মোৰ ডিঙি মচকাই হত্যা কৰিবলৈ উদ্যত হৈছিল। (ইবনে হিশ্বাম ১ ম খণ্ড পৃঃ ১৩৫)

তেওঁৰ এই কথাত কোনো সত্যতা আছিল নে নাই একমাত্ৰ আল্লাহই ভালকৈ জানে। হয়তো সঁচাকৈয়ে আল্লাহ তায়লাই তেওঁক কোনো নিদৰ্শন দেখুৱাইছিল। নতুবা

তেওঁৰ ওপৰত প্ৰবল প্ৰভাৱ পৰিছিল। কাৰণ তেওঁ যেতিয়া এইটো দেখিছিল যে,সমগ্ৰ মক্কাত ঘৃণাৰ দৃষ্টিত দেখা আৰু নিৰ্যাতিত ব্যক্তি কাৰো সহায় নোলোৱাকৈয়ে এজন মজলুম ব্যক্তিৰ সৈতে তেখেতে মক্কাৰ চৰদাৰৰ ঘৰৰ সন্মুখত থিয় হৈ কৈছে, এই ব্যক্তিৰ পাওনা তুমিয়েই পৰিশোধ কৰিব লাগিব আৰু এতিয়াই পৰিশোধ কৰি দিয়া তেতিয়া নিশ্চয় সত্যৰ প্ৰভাৱত আবু জেহলৰ দুষ্কৃতি মনোবৃত্তিক ভাঙি গুৰি কৰি দিছিল। ফলত তেওঁ সত্যৰ আগত মস্তিষ্ক অৱনত কৰিব লাগিছিল।

## আঁহজৰত (ছাঃ)ৰ সৈতে হজৰত খাদিজা (ৰাঃ) ৰ বিবাহ ঃ

যেতিয়া হজৰত মহম্মদ (ছাঃ)ৰ বয়স ২৫ বছৰ হৈছিল, তেতিয়া তেখেত (ছাঃ)ৰ খোদা প্ৰেম আৰু খোদা ভীৰুৰ কথা সৰ্বসাধাৰণৰ মাজত বিস্তাৰ লাভ কৰিছিল। মানুহে তেখেত (ছাঃ)ক দেখাৰ লগে লগে আঙুলিয়াই দি কৈছিল যে,চোৱা সেয়া এজন সৎ মানুহ গৈ আছে, যিজন এজন আমানতদাৰ (নিজৰ অধীনত কোনোবাই থোৱা বস্তুৰ সঠিক দায়িত্ব পালন কৰা) ব্যক্তি। এই বোৰ কথা মক্কাৰ এজনী সম্পদশালী মহিলাৰ কাণত পৰে। তাই তেখেত (ছাঃ)ৰ খুৰা আবু তালিবৰ ওচৰত সংবাদ প্ৰেৰণ কৰি কলে যে, তেওঁ যেন (হজৰত মহম্মদ (ছাঃ)ক কয় যে, তাইৰ যিবোৰ বস্তু বাণিজ্যিক কাফেলাৰ সৈতে ছিৰিয়ালৈ গৈ আছে সেই সকলো বাণিজ্যিক বস্তুৰ ব্যৱস্থাপনাৰ দায়িত্ব তেওঁৰ ভতিজা (হজৰত মহম্মদ (ছাঃ) য়ে যেন গ্ৰহণ কৰে। আবু তালিবে সেই এষাৰ কথা কোৱাত হজৰত মহম্মদ (ছাঃ)য়ে সন্মত হৈ যায়। এই বাণিজ্যিক ভ্ৰমণত তেখেত (ছাঃ) য়ে যথেষ্ট সফলতা অৰ্জন লাভ কৰি উভতি আহে। হজৰত খাদিজা (ৰাঃ)য়ে বুজিব পাৰিলে যে,ইমান বেছি লাভ কেৱল বজাৰৰ অনুকুল অৱস্থাৰ বাবে সম্ভৱ হোৱা নাই বৰঞ্চ বাণিজ্যৰ কাফেলাৰ নেতাৰ সততা আৰু দক্ষতাৰ বাবে ই সম্ভৱ হ'ব পাৰিছে। তাইৰ গোলাম দাস যিসকলে সেই বাণিজ্য ভ্ৰমণত হজৰত মহম্মদ (ছাঃ)ৰ লগৰীয়া আছিল; মই মোৰ গোলামক বিষয়টো সম্পৰ্কে সুধিলো, সিও তাইৰ ধাৰণাক সমৰ্থন কৰিলে আৰু কলে যে, এই ভ্ৰমণত তেখেত (ছাঃ)য়ে যিদৰে সততা, দক্ষতা আৰু সদাচাৰৰ সৈতে দায়িত্ব পালন কৰিছে ই কেৱল তেখেত (ছাঃ)ৰ পক্ষেই সম্ভৱ আছিল। এই বিষয়টোৱেই হজৰত খাদিজা (ৰাঃ)ৰ ওপৰত বিশেষ প্ৰভাৱ বিস্তাৰ লাভ কৰিছিল। যদিও তাইৰ বয়স ৪০ বছৰ আছিল আৰু দুইবাৰ বিধৱা হৈছিল; তথাপি তাইৰ এজনী বান্ধৱীৰ জৰিয়তে বিবাহৰ প্ৰস্তাৱ দি হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত পঠালে যে তেখেত ( ছাঃ)য়ে এই বিবাহত সন্মত আছেনে নাই তাক জনাৰ বাবে। সেই বান্ধৱী জনে হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত গৈ তেখেত (ছাঃ)ক সুধিলে, আপুনি বিয়া কৰা নাই কিয় ?

হজৰত মহম্মদ (ছাঃ)য়ে কলে, মোৰ কোনো ধন সম্পত্তি নাই বিয়া কৰিম কেনেকৈ ? বান্ধৱীজনীয়ে পুনৰ কলে, সেই অসুবিধা যদি আঁতৰি যায় আৰু এজনী সম্ভ্ৰান্ত আৰু ধবৱন্ত মহিলাৰ সৈতে যদি আপোনাৰ বিয়া হয় তেন্তে ? হজৰত মহম্মদ (ছাঃ)য়ে কলে, মই ইমান আশা কৰিব পাৰোনে ? বান্ধৱীজনীয়ে কলে,এয়া সম্পূৰ্ণ মোৰ ওচৰত ন্যস্ত কৰিব পাৰে। হজৰত মহম্মদ (ছাঃ)য়ে কলে, তেনেহলে মই এই বিয়াত সন্মত আছোঁ। ইয়াৰ পাছত হজৰত খাদিজাতুল কুবৰা (ৰাঃ) তেখেত (ছাঃ)ৰ খুৰাৰ মধ্যস্ততাত বিয়াৰ কথা চুৰান্ত কৰি পেলালে আৰু উভয়ে বিবাহ কাৰ্য্য সম্পন্ন কৰে। এইয়ে এজন দৰিদ্ৰ আৰু এতিম (পিতৃ-মাতৃহীন) যুৱকৰ বাবে সৰ্ব প্ৰথম ধন সম্পদৰ দৰ্জা মুকলি হ’ল। কিন্তু সেই ধন সম্পদৰ ব্যৱহাৰ তেখেত (ছাঃ)য়ে যি ভাৱে কৰিছিল তাৰ উজ্জ্বল দৃষ্টান্ত আজি সমগ্ৰ পৃথিৱীৰ বাবে নিদৰ্শন হৈ আছে।

## গোলাম সকলৰ মুক্তিদান আৰু জায়েদ প্ৰসঙ্গ

আঁহজৰত (ছাঃ)ৰ বিয়াৰ পাছত হজৰত খাদিজাতুল কুবৰা (ৰাঃ) মনে মনে চিন্তা কৰিলে যে, মহম্মাদুৰ ৰচুল উল্লাহ (ছাঃ) নিজৰ স্ত্ৰী এজনী বিত্তশীল মহিলা আৰু তেখেত (ছাঃ) স্বয়ং তাই (ৰাঃ)ৰ মুখাপেখী হোৱা হেতুকে সুখী নহবও পাৰে। সেইকাৰণে তাই (ৰাঃ) ৰছুলে কৰীম (ছাঃ)ক কলে, মই মোৰ সকলো ধন সম্পদ আৰু গোলাম সকলক আপোনাৰ খেদমতত সমৰ্পণ কৰিব বিচাৰোঁ। তেখেত (ছাঃ)কলে, খাদিজা এয়া তুমি সচাঁয়েই কৈছানে ? হজৰত খাদিজা (ৰাঃ) কলে, হয় মই সঁচায়েই কৈছো। তেতিয়া হজৰত মহম্মদ মুস্তফা (ছাঃ) কলে, তেনেহলে মোৰ প্ৰথম কাম হ’ব যে, মই সকলো গোলামক মুক্ত কৰি দিম। তেখেত (ছাঃ) তেতিয়াই হজৰত খাদিজাতুল কুবৰা (ৰাঃ)ৰ সকলো গোলামক মাতি আনি কলে, তোমালোক আজিৰ পৰা সকলোৱেই মুক্ত (স্বাধীন); ইয়াৰ পাছত তেখেত (ছাঃ)য়ে ধন সম্পদৰ অধিকাংশই দৰিদ্ৰ নিচলা সকলৰ মাজত বিতৰণ কৰি দিলে। যি সকল গোলামক মহম্মদ ৰচুল উল্লাহ (ছাঃ)য়ে স্বাধীন (মুক্ত) কৰি দিছিল, তাৰ মাজত এজন নাম জায়েদ (ৰাঃ) আছিল। হজৰত জায়েদ (ৰাঃ) আনছাৰ গোলাম সকলতকৈ যথেষ্ট বুদ্ধিমান আৰু সতৰ্ক আছিল। কাৰণ তেখেত (ৰাঃ) এজন সম্ভ্ৰান্ত আৰু সন্মানিত বংশৰ সন্তান আছিল। তেওঁ (ৰাঃ)ক বাল্য কালত ডকাইত সকলে চুৰি কৰি লৈ গৈছিল। আৰু তেওঁ (ৰাঃ)এক স্থানৰ পৰা অন্য স্থানলৈ ক্ৰমে বিক্ৰী হৈ হৈ অৱশেষত মক্কা চহৰত আহি পায়। এই নৱ যুৱক জনে নিজক বুদ্ধি আৰু সতৰ্কতাৰ বাবে ঠাৱৰ কৰিব পাৰিছিল যে, স্বাধীন হোৱাতকৈ এই ব্যক্তিৰ দাসত্বই উত্তম। যেতিয়া মহম্মাদুৰ ৰচুল উল্লাহ (ছাঃ)য়ে গোলাম সকলক স্বাধীন(মুক্ত)কৰি দিছিল তেতিয়া জায়েদ

(ৰাঃ)য়ে কলে, আপুনিতো মোক অৱশ্যেই মুক্ত কৰি দিছে, কিন্তু মই মুক্ত হ'ব বিচৰা নাই। মই আপোনাৰ লগত থাকিব বিচাৰোঁ। সেই বাবে তেওঁ (ৰাঃ) হজৰত মহম্মদ (ছাঃ)ৰ লগতেই থাকি গ'ল। লগতে দিনক দিনে হজৰত মহম্মদ (ছাঃ)ৰ প্ৰতি তেওঁ (ৰাঃ)ৰ প্ৰেম, শ্ৰদ্ধা আৰু ভক্তি বৃদ্ধি হৈয়ে থাকিল। হজৰত জায়েদ (ৰাঃ) যিহেতু এক সম্পদশালী বংশৰ সন্তান আছিল; সেই বাবে তেওঁ (ৰাঃ)ৰ পিতৃ আৰু খুৰাদেউ সকলে ডকাইত দল সমূহৰ পিছে পিছে তাৰ সন্ধানত ওলাই পৰিছিল। অৱশেষত সিহঁতে জানিব পাৰিলে যে, সিহঁতৰ সন্তান মক্কা চহৰত আছে। গতিকে সিহঁতে মক্কা চহৰত আহিল আৰু হজৰত মহম্মাদুৰ ৰচুল উল্লাহ (ছাঃ)ৰ ঘৰত আহি উপস্থিত হ'ল আৰু তেখেত (ছাঃ)ৰ ওচৰত কাতৰ প্ৰাৰ্থনা জনালে, আপুনি আমাৰ ল'ৰাটোক মুক্ত কৰি দিয়ক, বিনিময়ত আপুনি যিমান টকাৰ প্ৰয়োজন লৈ লওঁক। তেখেত (ছাঃ)য়ে কলে, হজৰত জায়েদ (ৰাঃ)ক মই ইতিমধ্যে মুক্ত কৰিয়েই দিছোঁ, সি (ৰাঃ) ইচ্ছা কৰিলে আনন্দ মনে আপোনালোকৰ সৈতে যাব পাৰে। হজৰত মহম্মদ (ছাঃ) হজৰত জায়েদ (ৰাঃ)ক মাতি আনি তেওঁ (ৰাঃ)ৰ পিতৃ আৰু খুৰাদেউ সকলৰ ওচৰত দি দিলে। পিতা পুত্ৰৰ পুনৰ মিলন হ'ল আৰু অশ্ৰুজলে হৃদয়ৰ সমুহ দুঃখ-বেদন ধুই মোচন কৰিলে। তেতিয়া হজৰত জায়েদ (ৰাঃ)ৰ পিতা কলে, এই সম্ভ্ৰান্ত ব্যক্তি তোমাক স্বাধীন কৰি দিছে তোমাৰ জননী তোমাৰ বাবে ছট্‌ফট কৰি আছে, তুমি ঘৰলৈ ব'লা আৰু নিজ মাতৃক সান্তনা দিয়া। আৰু বিশ্ৰাম ল'বলৈ অৱকাশ দিয়া। হজৰত জায়েদ (ৰাঃ)য়ে প্ৰতি উত্তৰত কলে, পিতৃ-মাতৃ কাৰ প্ৰিয় নহয় ? মোৰ প্ৰাণো সিহঁতৰ মৰম স্নেহৰে ভৰপুৰ। কিন্তু মহম্মাদুৰ ৰচুল উল্লাহ (ছাঃ)ৰ প্ৰেম মোৰ হৃদয়ত এনেভাৱে থিতাপি লৈছে যে, মই তেখেত (ছাঃ)ৰ পৰা পৃথক হ'ব নোৱাৰিম। মই বৰকৈ আনন্দিত যে মই আপোনালোকৰ সৈতে মিলিত হ'ব পাৰিছোঁ। কিন্তু হজৰত মহম্মদ মুস্তফা (ছাঃ)ৰ পৰা পৃথক হোৱা মোৰ, বোধেৰে অসম্ভৱ। হজৰত জায়েদ (ৰাঃ)ৰ পিতৃ আৰু খুৰাদেউ বহুত অনুনয় বিনয় কৰিলে, কিন্তু হজৰত জায়েদ (ৰাঃ)কোনো প্ৰকাৰেই যাবলৈ মান্তি নহ'ল। হজৰত জায়েদ (ৰাঃ)ৰ এই অগাধ প্ৰেম দেখি হজৰত মহম্মদ মুস্তফা (ছাঃ) উঠি থিয় হ'ল আৰু কলে, হজৰত জায়েদ (ৰাঃ)তো আগৰে পৰাই স্বাধীন কিন্তু আজিৰ পৰা তেওঁ (ৰাঃ) মোৰ পুত্ৰ। হজৰত জায়েদ (ৰাঃ)ৰ এই নতুন অৱস্থা চাই উপায় নাপাই অৱশেষত সিহঁতে স্বদেশলৈ উভতি গ'ল। আৰু হজৰত জায়েদ (ৰাঃ) মক্কাতেই স্বাধীন ভাৱে হজৰত মহম্মদ (ছাঃ)ৰ সৈতে ৰৈ গ'ল।

## হিৰা গুহাত আল্লাহৰ এবাদত (উপাসনা) ঃ

হজৰত ৰছুল কৰিম (ছাঃ)ৰ বয়স যেতিয়া ৩০ বছৰ অতিক্ৰম কৰে, তেতিয়া তেখেত (ছাঃ)ৰ হৃদয়ত আল্লাহৰ এবাদত কৰাৰ প্ৰেৰণা পূৰ্বতকৈ অধিক তীব্ৰ হ'ব ধৰিলে। চহৰবাসী সকলৰ দুষ্কৃতি আৰু অপকৰ্মৰ প্ৰতি বিতৃষ্ণ হৈ অৱশেষত তেখেত (ছাঃ)য়ে মক্কাৰ পৰা ২-৩ মাইল দূৰৰ এক পাহাৰত এক আল্লাহৰ এবাদতৰ বাবে এটা স্থান নিৰ্ধাৰণ কৰি ললে। স্থানটো পাহাৰৰ উপৰ ফালে শিলেৰে বেৰি থকা এটা সৰু গুহা আছিল। হজৰত খাদিজাতুল কুবৰা (ৰাঃ) কেইবা দিনৰ খাদ্য একেলগে প্ৰস্তুত কৰি দিছিল। সেই খাদ্য লগত লৈ হজৰত মহম্মদ মুস্তফা (ছাঃ) হিৰা গুহাৰ ভিতৰত প্ৰৱেশ কৰিলে। তাত শিলত বহি তেখেত (ছাঃ)য়ে দিন ৰাতি এক আল্লাহৰ এবাদতত নিমগ্ন আছিল।

## সৰ্বপ্ৰথম কোৰাণী ওহী (ঐশীবাণী) ঃ

হজৰত মহম্মদ মুস্তফা (ছাঃ)ৰ বয়স যেতিয়া ৪০ বছৰ হ'ল; তেতিয়া তেখেত (ছাঃ)য়ে এদিন সেই গুহাৰ মাজত এক দিব্য দৃষ্টিত (কাশ্‌ফ) দেখিবলৈ পালে যে, এজন ব্যক্তি তেখেত (ছাঃ)ক সম্বোধন কৰি কৈছে যে, "পঢ়ক"! তেখেত (ছাঃ) উত্তৰ দি কলে, মইতো পঢ়িব নাজানো। ফলত সেই অচিনাকি ব্যক্তিজনে পুনৰ দ্বিতীয় বাৰ আৰু তৃতীয় বাৰ সেই একেই কথা কলে। অৱশেষত সি তেখেত (ছাঃ)ক পাঁচটা বাক্য কোৱাইহে এৰিলে। বাক্য পাঁচটি হ'ল,

اِقْرَاْ بِاسْمِ رَبِّكَ الَّذِىْ خَلَقَ ۚ ﴿٢﴾

خَلَقَ الْاِنْسَانَ مِنْ عَلَقٍ ۚ ﴿٣﴾

اِقْرَاْ وَرَبُّكَ الْاَكْرَمُ ۙ ﴿٤﴾

الَّذِىْ عَلَّمَ بِالْقَلَمِ ۙ ﴿٥﴾

عَلَّمَ الْاِنْسَانَ مَا لَمْ يَعْلَمْ ۗ ﴿٦﴾ ( 96:2-6 )

অৰ্থঃ তুমি পাঠ কৰা তোমাৰ প্ৰভু প্ৰতিপালকৰ নামত যিয়ে তোমাক সৃষ্টি কৰিছে। যিয়ে মানুহক (ইনচান) এটা আঁঠাল-জমাট ৰক্তপিণ্ডৰ পৰা সৃজন কৰিছে। তুমি পাঠ কৰা, কিয়নো তোমাৰ প্ৰভু প্ৰতিপালক পৰম সন্মানীত; যিয়ে কলমৰ দ্বাৰা শিক্ষা দিছে। যিয়ে ইনচানক (মানুহক) সেই শিক্ষা প্ৰদান কৰিছে, যি সি নাজানিছিল । ( 96:2-6 ) এয়া পৱিত্ৰ গ্ৰন্থ আল কোৰাণৰ সেই সৰ্ব প্ৰথম ঐশীবাণী; যি হজৰত মহম্মদ মুস্তফা (ছাঃ)ৰ ওপৰত অৱতীৰ্ণ হৈছিল। ইয়াৰ অৰ্থ আৰু তাৎপৰ্য হ'ল, পাঠ কৰা নিজ প্ৰভু প্ৰতিপালকৰ নামত যিয়ে সমগ্ৰ বিশ্ব আৰু সৃষ্টিক সৃজন কৰিছে। এই ঐশী বাণী শুনাই দিয়া যে,সেই

খোদা যিয়ে মানুহক এনেভাৱে সৃজন কৰিছে যে, সি তেখেত (ছাঃ)ৰ হৃদয়ত, তেখেত (ছাঃ)ৰ খোদা তায়লাৰ প্ৰতি আৰু সমূহ সৃষ্টিৰ প্ৰতি মৰম স্নেহৰ বীজ বপন কৰি দিছে। হয়; সমগ্ৰ বিশ্বক এই বাণীও শুনাই দিয়া যে, তোমাৰ প্ৰভু যিয়ে আটাইতকৈ বেছি সন্মানীত, সি তোমাৰ লগত থাকিব নিশ্চয়। তেওঁৱেঁই সেই অস্তিত্ব, যিয়ে পৃথিৱীক জ্ঞান দান কৰাৰ বাবে কলম সৃষ্টি কৰিছে আৰু মানুহে ইতিপূৰ্বেও নজনা বিষয় সমূহ মানুহক শিকোৱাৰ বাবে প্ৰস্তুতি লৈছে। এই কেইটা কথা পৱিত্ৰ কোৰাণৰ সেই সমূহ শিক্ষাৰ সাৰমৰ্ম যিবোৰ পৰৱৰ্তীত মহম্মদ (ছাঃ)ৰ ওপৰত অৱতীৰ্ণ হোৱা নিৰ্দ্ধাৰিত আছিল। পৃথিৱী সংশোধনৰ বাবে এক উত্তম বীজ ইয়াৰ মাজত নিহিত আছে। ইয়াৰ (তফচীৰ) তৰজমা অৱশ্যই কোৰাণ শ্বৰীফত যথাস্থানত কৰা যাব। ইয়াত এই কথাটিৰ উল্লেখ এই কাৰণেই কৰা হৈছে যে, এয়া হজৰত মহম্মদ মুস্তফা (ছাঃ)ৰ জীৱনৰ এক গুৰুত্ব পূৰ্ণ ঘটনা আছিল। পৱিত্ৰ কোৰাণ শ্বৰিফৰ বাবে এই বাক্যবোৰ ভিত্তি স্বৰূপ আছিল। হজৰত মহম্মদ (ছাঃ)ৰ ওপৰত এই বাক্যসমূহ যেতিয়া অৱতীৰ্ণ হৈছিল, তেতিয়া তেখেত (ছাঃ)ৰ হৃদয়ত এই ভীতিৰ সঞ্চাৰ হৈছিল যে, তেখেত (ছাঃ)য়ে খোদা তায়লাৰ দিয়া ইমান ডাঙৰ দায়িত্ব পালন কৰিব পাৰিবনে ? আন কোনোৱে হলে হয়তো অহঙ্কাৰ আৰু গৰ্বত তেওঁৰ মূৰ এই ভাৱি উত্তপ্ত হৈ উঠিলহেঁতেন যে,সৰ্ব শক্তিমান খোদা তেওঁৰ ওপৰত এক বৃহৎ দায়িত্ব অৰ্পণ কৰিছে। কিন্তু হজৰত মহম্মদ মুস্তফা (ছাঃ) এই দায়িত্ব পালন কৰিব জানিছিল, এৰাই চলা নাজানিছিল। তেখেত (ছাঃ) এই ঐশী বাণী লাভৰ পাছত হজৰত খাদিজাতুল কুবৰা (ৰাঃ)ৰ ওচৰত আহিল। তেখেত (ছাঃ)ৰ মুখাকৃতি ভয়ত কুচখাই আৰু স্বোতা পৰি গৈছিল। হজৰত খাদিজাতুল কুবৰা (ৰাঃ) সুধিলে, আপোনাৰ কি হৈছে ? তেখেত (ছাঃ) সম্পূৰ্ণ ঘটনা বিৱৰী কলে, মোৰ দৰে ইমান দুৰ্বল মানুহ এজনে ইমান বৃহৎ বোজা কেনেকৈ বহন কৰিব পাৰিব ? হজৰত খাদিজা (ৰাঃ)য়ে কলে,

كَلاَّ وَاللّٰهِ مَا يُخْزِيْكَ اللّٰهُ اَبَدًا اِنَّكَ لَتَصِلُ الرَّحِمَ وَتَحْمِلُ
الْكَلَّ وَتَكْسِبُ الْمَعْدُوْمَ وَتَقْرِى الضَّيْفَ وَتُعِيْنُ عَلٰى نَوَائِبِ الْحَقِ

অৰ্থঃ খোদাৰ শপত ! খোদা তায়লাই আপোনাৰ ওপৰত এই বাণী এই বাবে অৱতীৰ্ণ কৰা নাই যে, তেওঁ আপোনাক অযোগ্য আৰু অকৃতকাৰ্য্য প্ৰমাণিত কৰিব আৰু আপোনাৰ সঙ্গ ত্যাগ কৰিব। স্বয়ং খোদা কেতিয়াও এনে কৰা সম্ভৱনে ? আপুনি নিশ্চয় সেই ব্যক্তি যিয়ে, নিজ আত্মীয়-স্বজনৰ সৈতে উত্তম আচৰণ কৰে। দৰিদ্ৰ নিচলা, আৰু অসহায় লোকক সহায় কৰে আৰু সিহঁতৰ সমূহ সমস্যা নিজেই বহন কৰে। যি চাৰিত্ৰিক গুণ এই দেশৰ পৰা বিলুপ্ত হৈছে, সেই গুণৰ পুনৰ প্ৰতিষ্ঠা এক মাত্ৰ আপোনাৰ মাধ্যমতহে সম্ভৱ হৈ উঠিছে। আপুনি অতিথি সকলৰ সেৱাকাৰী, অসহায় দৰিদ্ৰ নিচলা লোকসকলৰ

সহায় কৰোঁতা। এই উত্তম গুণৰ অধিকাৰী মানুহ এজনক খোদা তায়লা কেতিয়াও পৰীক্ষাত পেলাব পাৰেনে ?

ইয়াৰ পাছত তাই (ৰাঃ)য়ে তাই (ৰাঃ)ৰ খুৰাৰ পুতেক উৰাকা বিন নফেলৰ ওচৰত লৈ মহম্মদ মুস্তফা (ছাঃ)ক লৈ গ'ল। উৰাকা বিন নফেল এজন খৃষ্টান আছিল। তেওঁ এই ঘটনা শুনাৰ লগে লগে কলে, আপোনাৰ ওপৰত সেই ফিৰিস্তা অৱতীৰ্ণ হৈছে যি হজৰত মুছা (আঃ)ৰ ওপৰতো অৱতীৰ্ণ হৈছিল। (বুখাৰী; বাব, বাদাল ওহী) এয়েই সেই ভৱিষ্যৎ বাণীৰ পূৰ্ণতা, যি দ্বিতীয় বিবাৰণ বাব ১৮ আয়াত ১৮ ত বৰ্ণিত হৈছে। যেতিয়া এই সংবাদ তেখেত (ছাঃ)ৰ মুক্তিপ্ৰাপ্ত গোলাম হজৰত জায়েদ (ৰাঃ) (বয়স ২৫/৩০ বছৰ) খুৰাতো ভাই হজৰত আলী (ৰাঃ),(বয়স ১১ বছৰ)ৰ ওচৰ পালে; তেতিয়া সিহঁত উভয়েই হজৰত মহম্মদ মুস্তফা (ছাঃ)ৰ ওপৰত ঈমান (বিশ্বাস) আনিলে।

## হজৰত আবুবক্কৰ ছিদ্দিক (ৰাঃ)ৰ ঈমান গ্ৰহণ

হজৰত আবুবক্কৰ ছিদ্দিক (ৰাঃ) হজৰত মহম্মদ ৰছুল উল্লাহ (ছাঃ)ৰ বাল্যকালৰ বন্ধু আছিল। সেই সময়ত তেওঁ (ৰাঃ) চহৰৰ বাহিৰত আছিল। চহৰত উভতি অহাৰ লগে লগে তেওঁ (ৰাঃ)ৰ কৰ্ণত এই শব্দবোৰ প্ৰৱেশ কৰিব ধৰিলে যে, তোমাৰ বন্ধু পাগল হৈছে। তেখেত (ছাঃ)য়ে কৈছে যে, আকাশৰ পৰা ফিৰিস্তা অৱতীৰ্ণ হৈ তেখেত (ছাঃ)ৰ সৈতে কথা পাতিছে। এই কথা শ্ৰৱণ কৰাৰ লগে লগে হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)য়ে কাৰো কথাত কাণ নিদি পুনে পুনে হজৰত মহম্মদ ৰছুল উল্লাহ (ছাঃ)ৰ ঘৰৰ দৰ্জাত খুন্দা মাৰিলে। হজৰত মহম্মদ মুস্তফা (ছাঃ)য়ে ঘৰৰ দৰ্জা খুলোতেই হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)য়ে শ্ৰৱণ কৰা বিষয় সম্পৰ্কত জানিব বিচাৰিলে। হজৰত ৰছুল কৰিম (ছাঃ)য়ে নিজৰ বাল্যকালৰ বন্ধুক প্ৰতাৰণাৰ পৰা ৰক্ষা কৰিবলৈ বিষয়টো অলপ বিস্তাৰিত ভাৱে ক'ব বিচাৰিছিল। আবু বক্কৰ ছিদ্দিক (ৰাঃ) বাধা নিক্ষেপ কৰি কলে, মোক কেৱল ইমানখিনি কওক যে, আপুনি এই ঘোষণা দিছেনে যে, খোদা তায়লাৰ ফিৰিস্তা আপোনাৰ ওচৰলৈ আহিছিল আৰু সি আপোনাৰ সৈতে বাক্যালাপ কৰিছিল ? তেতিয়া হজৰত মহম্মদ (ছাঃ) আকৌ কথাটো অকণমান বিতং ভাবে ক'ব বিচাৰিলে। কিন্তু এইবাৰ হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)য়ে শপত দি কলে, একমাত্ৰ মোৰ কথাৰ উত্তৰ দিয়ক আনৰ কোনো কথা নক'ব। সেইবাবে তেখেত (ছাঃ)য়ে হয় সুচক উত্তৰ দিলে আৰু লগে লগে হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)য়ে কলে সাক্ষী থাকক মই আপোনাৰ ওপৰত ঈমান আনিলোঁ। তেখেত (ৰাঃ) আৰু কলে,হে আল্লাহৰ ৰছুল! আপুনি প্ৰমাণ দিবলৈ গৈ মোৰ ঈমান দুৰ্বল কৰি দিব বিচাৰিছিল। কিন্তু যি ব্যক্তিয়ে

আপোনাৰ জীৱনক নিজ চকুত প্ৰত্যক্ষ কৰিছে আপোনাৰ সত্যতাৰ বাবে তেওঁৰ ওচৰত অন্য কোনো প্ৰমাণৰ প্ৰয়োজন আছেনে ?

## মোমিন সকলৰ এটা সৰু জমাত

এয়ে আছিল সেই ক্ষুদ্ৰ জমাত যাৰ ওপৰত ইছলামৰ বুনিয়াদ স্থাপিত হৈছিল। এজনী মহিলা প্ৰায় বাৰ্ধক্যত উপনীত, এজন ১১ বছৰৰ বালক, এজন মুক্তি প্ৰাপ্ত যুৱক গোলাম যি দেশ ত্যাগী আনৰ ঘৰত খাটি খোৱা আপোন বুলোতে তাৰ কোনো নাই এজন বাল্য কালৰ বন্ধু আৰু সেই ঐশী বাণী (ওহী)ৰ দাবীদাৰ হজৰত মহম্মদ (ছাঃ) য়ে আছিল মোমিন সকলৰ সৰ্ব প্ৰথম পাঁচ জনীয়া এটি ক্ষুদ্ৰ জমাত; যিসকলে পৃথিৱীত পোহৰ বিস্তাৰৰ বাবে কুফৰী আৰু অন্ধকাৰৰ প্ৰান্তৰত ধাবিত হ'ল। মানুহে যেতিয়া এই কথা শ্ৰৱণ কৰিলে তেতিয়া সিহঁতে হাঁহি উপহাস কৰিব ধৰিলে। এজনে আন জনৰ চকুত চকুটিপ মাৰি ক'ব ধৰিলে,এই মানুহবিলাক দেউলীয়া হৈ গৈছে। সিহঁতৰ কথা কৰ্ণপাত নকৰিবা। কিন্তু হাঁহি উপহাস কৰাৰ বাবে শ্ৰৱণ কৰিব পাৰে অন্যথায় নহয়।কিন্তু সত্য তেতিয়া তাৰ পূৰ্ণ মৰ্যদাসহ প্ৰকাশিত হ'ব ধৰিলে আৰু ইছাইয়া নবীৰ ভৱিষ্যতবাণী অনুসৰি শাসনৰ পাছত শাসন, কানুনৰ পাছত কানুন (ইয়াছিয়াহ বাব ২৮ আয়াত ১২,১৩) প্ৰকাশ হ'ব লাগিল। কিছুমান ইয়াতে কিছুমান তাতে আন কথাত যাৰ সৈতে ইতি পূৰ্বে আৰবৰ কোনো পৰিচয়েই নাছিল। আল্লাহ তায়লা হজৰত মহম্মদ (ছাঃ)ৰ সৈতে বাক্যালাপ আৰম্ভ কৰি দিলে। নৱ যুৱক সকলৰ প্ৰাণ স্পন্দিত হ'ব লাগিল। সত্যৰ প্ৰভাৱে সিহঁতৰ শৰীৰ শিহৰিত হ'ব লাগিল। মানুহৰ হাঁহি ঠাট্ৰা আৰু উপেক্ষাৰ ঠাইত আকৰ্ষণ, সমৰ্থন আৰু প্ৰশংসা স্থান পাব ধৰিলে। প্ৰশংসা সূচক কথা লাহে লাহে উচ্চৰ পৰা উচ্চতৰ হ'ব লাগিল। গোলাম, নৱ যুৱক, মজলুম নাৰী সকলোৱে হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত ভিৰ বান্ধিব লাগিল। হজৰত মহম্মদ (ছাঃ)ৰ কথাৰ মাজত নাৰী সকলে সিহঁতৰ অধিকাৰ ৰক্ষাৰ শব্দ লগতে আশা দেখিবলৈ পালে। গোলাম সকলে সিহঁতৰ মুক্তিৰ বাণী শুনিব পালে,আৰু নব যুৱক সকলে সিহঁতৰ ডাঙৰ ডাঙৰ আকাঙ্খা পূৰ্ণ হোৱা আৰু লগতে উন্নতিৰ বাট উন্মুক্ত হোৱাৰ সম্ভাৱনা দেখিবলৈ পালে।

## মক্কাৰ নেতা সকলৰ বিৰোধীতা

হাঁহি ঠাট্ৰাৰ মাজৰ পৰা যেতিয়াই সমৰ্থন আৰু প্ৰশংসাৰ ধ্বনি উচ্চতৰ হ'ব ধৰিলে,তেতিয়া মক্কাৰ নেতৃ স্থানীয় ব্যক্তি সকলে আতংকিত হৈ উঠিল। শাসক সকলৰ মনত ভয়-ভীতিৰ

সঞ্চাৰ হ'ল। সিহঁত একগোট হ'ল পৰামৰ্শ কৰিলে, আৰু দল বান্ধিলে। সিহঁতে হাঁহি ঠাট্টাৰ পৰিৱৰ্তে, অত্যাচাৰ, নিৰ্যাতন, দেশৰ পৰা বহিষ্কাৰ কৰা আৰু এঘৰীয়া কৰাৰ সিদ্ধান্ত কৰিলে।এই সিদ্ধান্ত অনুসৰি কাম আৰম্ভ হ'ল। মক্কাবাসী সকলে এতিয়া ঐক্যবদ্ধ ভাৱে ইছলামৰ বিৰুদ্ধে প্ৰত্যক্ষ ভাৱে সংঘৰ্ষত লিপ্ত হোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিলে।এতিয়া সেই দাবীকাৰকক দেউলীয়া বুলি নাভাৱে। তেখেত (ছাঃ)ৰ মাজত উন্নতি আৰু প্ৰভাৱ বিস্তাৰকাৰী শক্তি লক্ষ্য কৰা হৈছে। ফলত মক্কাৰ সমূহ ৰাজনীতি,শাসন নীতি,ধৰ্ম নীতি, সংস্কৃতি আৰু পৰম্পৰা সকলোৰেই বাবে বিপদৰ সংকেতৰ ধ্বনি দেখা দিলে। ইছলামে এক নতুন আকাশ আৰু পৃথিৱী সৃষ্টি কৰা আৰম্ভ কৰিলে; যি নতুন আকাশ আৰু পৃথিৱী সৃষ্টি হলে আৰবৰ পুৰণি আকাশ আৰু পৃথিৱী প্ৰতিষ্ঠিত থাকিব নোৱাৰিব। মক্কা বাসীৰ ওচৰত ই এতিয়া হাঁহি বিদ্ৰূপৰ বিষয় নহয়, ই হ'ল সিহঁতৰ এক জীৱন মৃত্যুৰ সমস্যা। সিহঁতে ইছলামৰ চেলেঞ্জ গ্ৰহণ কৰিলে আৰু ঠিক তেনেদৰে দৃঢ় সংকল্পৰ সৈতে চিৰজীৱন মহিলা সকলৰ চ্যালেঞ্জও গ্ৰহণ কৰা হৈছে। সিহঁতে যুক্তি প্ৰমাণৰ প্ৰতিউত্তৰ যুক্তি প্ৰমাণৰ দ্বাৰা নিদি তীৰ আৰু তৰোৱালেৰে দিবলৈ প্ৰস্তুতি নিব ধৰিলে। ইছলামৰ কল্যাণময়তাৰ প্ৰতি উত্তৰ সিহঁতে কোনো উন্নত চৰিত্ৰৰ দ্বাৰা নিদি, গালি আৰু অযথা কথাৰ দ্বাৰা দিবলৈ সিদ্ধান্ত ললে। পুনৰ এবাৰ পৃথিৱীত কুফাৰ আৰু ইছলামৰ মাজত যুদ্ধ আৰম্ভ হ'ল। আকৌ চয়তানৰ সৈন্য সকলে ফিৰিস্তা সকলৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিলে। সেই মাটিৰ মানুহবিলাকৰ এনে কি শক্তি আছিল যে, সিহঁত মক্কাবাসীৰ সন্মুখত থিয় হ'ব পাৰে ? নিৰ্লজ্জ ভাৱে জঘন্য উপায়ে মহিলা সকলৰ প্ৰতি অত্যাচাৰ আৰম্ভ হ'ল। গোলাম সকলক উত্তপ্ত বালিৰ ওপৰত শুৱাই বুকুত পাথৰ চেপা দি চুচুৰাই লোৱা হৈছে।সিহঁতৰ পিঠিৰ তলত জ্বলন্ত এঙাৰ ৰাখি চেপা দিয়া হৈছিল। ফলত সিহঁতৰ চামৰা মানুহৰ চামৰাৰ দৰে নোহোৱা হৈ গৈছিল। সম্পূৰ্ণ ভাৱে পশুৰ চামৰাৰ সদৃশ হৈ গৈছিল। এই অত্যাচাৰ আৰু নিৰ্যাতনৰ পাছত ইছলামৰ বিজয় কালত যেতিয়া ইছলামৰ পতাকা জ্বল জ্বল আৰু পট্ পটকৈ প্ৰাচ্য আৰু প্ৰাচ্যতত উত্তলন হ'ল। এদিনাখন হজৰত খাবাব (ৰাঃ)ৰ পিঠিৰ কাপোৰ হঠাৎ কেনেবাকৈ পৰি যোৱাত তেওঁৰ লগৰীয়া সকলে দেখিবলৈ পালে যে তেওঁৰ পিঠিৰ চামৰা মানুহৰ চামৰাৰ দৰে নহয় ই পশুৰ চামৰাৰ সদৃশ। লগৰীয়া সকলে ভয় পালে আৰু তেওঁৰ পৰা জানিব বিচাৰিলে যে এয়া আপোনাৰ কি অসুখ ? ইছলামৰ প্ৰাথমিক যুগৰ মুছলিম কৃতদাস হজৰত খাবাব (ৰাঃ)য়ে লগৰীয়া সকলৰ কথা শুনি হাঁহিলে আৰু কলে, ই কোনো অসুখ নহয়; ই হ'ল সেই সময়ৰ স্মৃতি চিহ্ন, যেতিয়া নতুন মুছলমান সকলক আৰবৰ মানুহে ৰচীৰে বান্ধি মক্কাৰ প্ৰতিটো শিলাময় গলিত চুচুৰাইছিল আৰু নিতৌ সিহঁতৰ নিৰ্মম অত্যাচাৰ চলাইছিল। তাৰেই ফলস্বৰূপে মোৰ পিঠিৰ চামৰাৰ এই অৱস্থা আজি।

# মোমিন কৃতদাস সকলৰ ওপৰত কাফেৰ সকলৰ অত্যাচাৰ

হজৰত মহম্মদ (ছাঃ)ৰ ওপৰত ঈমান অনা কৃতদাস সকল হজৰত খাবাব (ৰাঃ) সহ অন্যান্য আন জাতিৰ মানুহ আছিল।সিহঁতৰ মাজত হজৰত বিলাল (ৰাঃ) হাবশ্বী আছিল। হজৰত চোহায়েব (ৰাঃ) ৰোমান,হজৰত জোবায়েৰ (ৰাঃ) আছিল খ্ৰীষ্টান আৰু হজৰত বিলাল(ৰাঃ)আৰু হজৰত আম্মাৰা (ৰাঃ) মুশ্বৰিক (অংশীবাদ) সকলৰ অৰ্ন্তভুক্ত আছিল। হজৰত বিলাল (ৰাঃ)ৰ গৰাকীয়ে তেওঁক উত্তপ্ত বালিৰ ওপৰত শুৱাই চেপা দি ৰাখিছিল। তেওঁৰ বুকুৰ ওপৰত কিশোৰ সকলক উঠাই দিছিল। যিসকলে বুকুৰ ওপৰত উঠি জপিয়াইছিল। হাবশ্বী গোলাম হজৰত বিলাল (ৰাঃ) উম্মিয়া বিন খালক নামৰ এজন ধনী ব্যক্তিৰ গোলাম আছিল। উম্মিয়া তেওঁক দুপৰীয়াত মক্কাৰ বাহিৰত লৈ গৈ উত্তপ্ত বালিৰ ওপৰত উলঙ্গ কৰি শুৱাই দিছিল আৰু ডাঙৰ ডাঙৰ শিলৰ টুকুৰা তেওঁ বুকুৰ ওপৰত ৰাখি চেপা দি কৈছিল,**লাত** আৰু **উজ্জাৰ** ঈশ্বৰত স্বীকাৰ কৰা লগতে মহম্মদ (ছাঃ)ৰ আনুগত্য অস্বীকাৰ কৰা। হজৰত বিলাল (ৰাঃ) য়ে প্ৰতি উত্তৰত কৈছিল,আহাদ, আহাদ (আল্লাহ এক,আল্লাহ এক) লগাতাৰ হাবশ্বী বিলাল (ৰাঃ)ৰ এই উত্তৰ শুনি উম্মিয়া ক্ৰোধত জ্বলা জুইত ঘি ঢালি দিয়াৰ দৰে হৈছিল। আৰু তেওঁ হজৰত বিলাল (ৰাঃ)ৰ গলত ৰচী বান্ধি দুষ্ট ল'ৰা সকলৰ হাতত দি কৈছিল,তেওঁক তোমালোকে মক্কাৰ প্ৰতিটো শিলাময় গলিত চুঁচুৰাই থাকা,যাৰ ফলত তেওঁ সৰ্ব দেহ ৰক্তাক্ত হৈ উঠে। তথাপি তেখেত (ৰাঃ) য়ে **আল্লাহ এক,আল্লাহ এক** কৈয়ে আছিল। কেই বছৰ পাছত যেতিয়া খোদা তায়লাই মুছলমান সকলক মদিনাত অৱস্থান কৰিবলৈ দিলে তেতিয়া তেখেত (ৰাঃ)য়ে স্বাধীন ভাৱে এক আল্লাহৰ উপাসনা কৰাৰ সুযোগ পালে।তেতিয়া হজৰত মহম্মদ (ছাঃ)য়ে হজৰত বিলাল (ৰাঃ) ক আজান দিয়াৰ বাবে নিযুক্তি কৰিলে।এই হাবশ্বী গোলাম হজৰত বিলাল (ৰাঃ)য়ে যেতিয়া আজানৰ মাজত আশ্বহাদু আল লা ইলাহা ইল্লাল্লাহ উচ্চাৰণৰ ঠাইত আচ্ছাদু আল লা ইলাহা ইল্লাল্লাহ উচ্চাৰণ কৰিছিল।তেতিয়া মদিনা বাসী যি সকলে তেখেত (ৰাঃ)ৰ অতীত অৱস্থাৰ বিষয়ে জ্ঞাত নাছিল,তেওঁলোকে হাঁহিছিল। এদিনাখন হজৰত মহম্মদ (ছাঃ)য়ে হজৰত বিলাল (ৰাঃ)ৰ আজান দিয়াক লৈ কিছুমান মানুহ হাঁহি থকা অৱস্থাত দেখি সিহঁতৰ পিনে ঘূৰি থিয় হৈ কলে,তোমালোকে হজৰত বিলাল (ৰাঃ)ৰ আজান শুনি হাঁহিছা, কিন্তু খোদা তায়লা আৰশৰ (উচ্চ সিংহাসনৰ) পৰা তেখেত (ৰাঃ)ৰ আজান শ্ৰৱণ কৰি অতি আনন্দিত হয়। হজৰত মহম্মদ মুস্তফা (ছাঃ)ৰ ইঙ্গিত এই পিনে আছিল যে, তোমালোকে অৱশ্যই দেখিবলৈ পাইছা যে তেখেত (ৰাঃ) য়ে শ্বীন উচ্চাৰণ কৰিব নোৱাৰে। কিন্তু শ্বীন আৰু ছীনৰ মাজত কি আছে ? খোদা তায়লা অৱশ্যই

জানে যে, যেতিয়া তেখেত (ৰাঃ)ক উলঙ্গা অৱস্থাত উত্তপ্ত বালিৰ ওপৰত শোৱাই দিয়া হৈছিল আৰু তেখেত (ৰাঃ)ৰ ওপৰত জালেম সকলে জুতা পিন্ধি জপিয়াইছিল আৰু সুধিছিল যে, এতিয়া উচিত শিক্ষা হোৱা নাই ? তেতিয়া তেখেত (ৰাঃ)য়ে তেখেত (ৰাঃ)ৰ শুষ্ক জিভা দি আহাদুন, আহাদুন উচ্চাৰণ কৰি কৰি এক আল্লাহৰ একত্ব বাদৰ ঘোষণা দিছিল আৰু নিজৰ একত্ববাদৰ প্ৰতি বিশ্বাস, হৃদয়ৰ অবিচলতাৰ জ্বলন্ত প্ৰমাণ তুলি ধৰিছিল। গতিকে তেখেত (ৰাঃ)ৰ আছহাদু, বহুত লোকৰ আশ্বহাদুতকৈ বহু বেছি মূল্যৱান আৰু উত্তম। হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)য়ে যেতিয়া দেখিছিল যে হজৰত বিলাল (ৰাঃ)ৰ ওপৰত এক প্ৰকাৰ নিৰ্মম, নিষ্ঠুৰ অত্যাচাৰ হৈছে; তেতিয়া তেখেত (ৰাঃ)য়ে হজৰত বিলাল (ৰাঃ) গৰাকীক উপযুক্ত মূল্য পৰিশোধ কৰি তেখেত (ৰাঃ)ক স্বাধীন (মুক্ত) কৰি দিছিল। এইদৰে হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)য়ে বহুত কৃতদাসক নিজৰ ধন সম্পত্তিৰ বিনিময়ত মুক্ত কৰিছিল।

এইবোৰ কৃতদাসৰ মাজত এজন আছিল হজৰত চোহায়েব (ৰাঃ)। তেখেত (ৰাঃ) সম্পদশালী হৈছিল; ব্যৱসায় কৰিছিল আৰু মক্কাৰ সন্মানিত ব্যক্তি সকলৰ মাজত গণ্যও হৈছিল। কিন্তু তেখেত (ৰাঃ) এজন ধনী ব্যক্তি হোৱা স্বত্বেও আৰু স্বাধীন হোৱা স্বত্বেও কোৰাইশ সকলে তেখেত (ৰাঃ)ক প্ৰহাৰ কৰি কৰি অজ্ঞান কৰি পেলাইছিল। যেতিয়া হজৰত মহম্মদ মুস্তফা (ছাঃ)য়ে, হিজৰত কৰি মদিনাত প্ৰৱেশ কৰিলে; তেতিয়া হজৰত চোহায়েব (ৰাঃ) ও হিজৰত কৰি মদিনাত যোৱাৰ ইচ্ছা প্ৰকাশ কৰিলে। কিন্তু মক্কা বাসী সকলে তেখেত (ৰাঃ)ক বাধা প্ৰদান কৰি কলে, যি ধন-সম্পদ তুমি মক্কাত থাকি উপাৰ্জন কৰিছা; তাক মক্কাৰ বাহিৰত লৈ যাব নোৱাৰা। আমি তোমাক মক্কা ত্যাগ কৰি যাব নিদিওঁ। হজৰত চোহায়েব (ৰাঃ) য়ে কলে, মই যদি এই সমূহ ধন-সম্পদ পৰিত্যাগ কৰি যাওঁ তেন্তে মোক তোমালোকে যাবলৈ দিবা নে ? এই কথাত সিহঁতে মান্তি হৈ গ'ল। অৱশেষত তেখেত (ৰাঃ)য়ে নিজৰ সমূহ উপাৰ্জিত ধন-সম্পত্তি মক্কা বাসী সকলৰ ওচৰত ৰাখি থৈ মদিনালৈ গুচি গ'ল আৰু হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত উপস্থিত হ'ল। হজৰত মহম্মদ (ছাঃ)য়ে তেখেত (ৰাঃ)ক কলে ছোৱায়েব তোমাৰ এই বৰ্তমান ত্যাগ পূৰ্বৰ ত্যাগতকৈ অধিক লাভজনক। অৰ্থাৎ তুমি পূৰ্বৰ আচ-ভাৰ পত্ৰৰ বাবে টকা পইচা অৰ্জন কৰিছিলা, কিন্তু এতিয়া সেই টকা পইচাৰ পৰিৱৰ্তে ঈমান লাভ কৰিলা।

এই কৃতদাস সকলৰ প্ৰায় সকলোৱেই বাহ্যিক আৰু আভ্যন্তৰিণ ভাৱে ঈমান অবিচল আছিল। কেতিয়াবা কেতিয়াবা কোনোবাৰ বাহ্যিক দুৰ্বলতাও প্ৰকাশ পাইছিল। উদাহৰণ স্বৰূপ ,এদিনাখন হজৰত ৰছুলে কৰিম (ছাঃ) হজৰত আম্মাৰ নামক এক কৃতদাসৰ ওচৰেদি যোৱাৰ সময়ত দেখা পালে যে,তেখেত (ৰাঃ) বিষৰ কাৰণে কেকাই

আছে আৰু চকু পানী মুচি আছে। হজৰত মহম্মদ (ছাঃ)য়ে তেখেতক সুধিলে, আম্মাৰ তোমাৰ কি হৈছে? আম্মাৰ (ৰাঃ) য়ে উত্তৰত কলে,হে, আল্লাহৰ ৰচুল! মোৰ অৱস্থা অতি বেয়া। সিহঁতে মোক তেতিয়ালৈকে প্ৰহাৰ,কষ্ট দিছিল,যেতিয়ালৈ মোৰ মুখৰ পৰা আপোনাৰ বিৰুদ্ধে আৰু সিহঁতৰ দেৱতাসমূহৰ সমৰ্থনত কথা ওলোৱা নাছিল। হজৰত ৰছুলে কৰিম (ছাঃ)য়ে সুধিলে যে, তোমাৰ হৃদয়ত কি আছিল? আম্মাৰ (ৰাঃ)য়ে কলে, হৃদয়ত ঈমান অটুট আছিল। হজৰত মহম্মদ (ছাঃ)য়ে কলে,হৃদয়ত যদি ঈমান দৃঢ় থাকে তেন্তে খোদা তায়লা সকলো দুৰ্বলতাক ক্ষমা কৰি দিব। তেখেত (ৰাঃ)ৰ পিতৃ উয়াচেৰ আৰু মাতৃ ছামিয়াক কাফেৰ সকলে অবৰ্ণনীয় দুঃখ কষ্ট দিছিল। এবাৰ যেতিয়া সিহঁতৰ দুয়োজনৰ ওপৰত নিৰ্যাতন চলাই আছিল, তেতিয়া হজৰত মহম্মদ (ছাঃ)য়ে সিহঁতৰ ওচৰেদি গৈ আছিল, তেখেত (ছাঃ)য়ে সিহঁতৰ কষ্ট দেখা পাই তেখেত (ছাঃ)ৰ হৃদয় বেদনাত ভাৰক্ৰান্ত হৈ উঠিল। তেখেত (ছাঃ)য়ে সিহঁতক সম্বোধন কৰি কয়,

صَبْرًا اٰلَ يَاسِرٍ فَإِنَّ مَوْعِدَ كُمُ الْجَنَّةَ

অৰ্থঃ হে ইয়াছিৰৰ বংশধৰ,ধৈৰ্য্য ধাৰণ কৰা,খোদা তায়লা তোমালোকৰ বাবে বেহেস্ত তৈয়াৰ কৰি থৈছে। এই ভৱিষ্যতবাণী অলপ কেইদিনৰ ভিতৰতেই পূৰ্ণ হ'ল। ইয়াছিৰ শত্ৰু সকলৰ মাৰ পিটাই খাই এই পৃথিৱীৰ পৰা দেহ ত্যাগ কৰিলে। কিন্তু ইয়াতো কাফেৰ সকলৰ ক্ৰোধ নিবাৰণ নহ'ল। সিহঁতে তেওঁৰ বৃদ্ধ স্ত্ৰী ছামিয়াৰ ওপৰত নিৰ্যাতন চলাই থাকিল। আনকি আবু জেহলে এদিন ক্ৰোধত উন্মুক্ত অৱস্থাত তাইক উৰুৰ ওপৰত নেজা মাৰি প্ৰচণ্ড জোৰে আঘাত কৰিলে,ফলত তীক্ষ্ণ অস্ত্ৰ উৰু ভেদ কৰি পেটৰ মাজত সোমাই যায়, যাৰ ফলত এই পৃথিৱীৰ পৰা দেহ ত্যাগ কৰি পৰলোকলৈ গমন কৰে।

জিন্নীৰা (ৰাঃ)এজনী কৃতদাস আছিল। তাইক আবু জেহলে ইমান প্ৰহাৰ কৰিছিল,যাৰ ফলত তাইৰ চকু যোৰী নষ্ট হৈ গৈছিল। আবু ফুকাইয়া (ৰাঃ) ছাফুয়ান বিন উমায়াৰ কৃতদাস আছিল। তেখেত (ৰাঃ)ক তেখেতৰ গৰাকীয়ে তেখেতৰ বংশৰ মানুহে উত্তপ্ত ভূমিত শুৱাই ডাঙৰ ডাঙৰ পাথৰ খণ্ড কৰি বুকুৰ ওপৰত চেপা দি ৰাখিছিল, যাৰ ফলত তেখেত (ৰাঃ)ৰ জিবাখন ওলাই পৰিছিল। এই একেই অৱস্থা অন্যান্য কৃতদাসৰ ওপৰতো কৰিছিল।

নি:সন্দেহ এইবোৰ অত্যাচাৰ মানুহৰ সহ্যৰ সীমাৰ বাহিৰত আছিল। কিন্তু যি সকল মানুহৰ ওপৰত এই নিৰ্মম অত্যাচাৰ,প্ৰহাৰ,নিৰ্যাতন ইত্যাদি কৰা হৈছিল, সিহঁতে বাহিৰত

মানুহ কিন্তু ভিতৰত ফিৰিস্তা আছিল।

পৱিত্ৰ কোৰাণ কেৱল হজৰত মহম্মদ (ছাঃ)ৰ হৃদয় আৰু কৰ্ণত অৱতীৰ্ণ হোৱা নাছিল। খোদা তায়লা সেই সকল ব্যক্তিৰ হৃদয়তো কথা কৈছিল। কেতিয়াও কোনো ধৰ্ম প্ৰতিষ্ঠা নহ'লহেঁতেন,যদি তাৰ প্ৰাথমিক যুগৰ অনুসাৰী সকলৰ হৃদয়ত খোদাৰ শব্দ ধাৱিত নহ'লহেঁতেন। মানুহে যেতিয়া সিহঁতক পৰিত্যাগ কৰিছিল, আত্মীয়-স্বজন সকলে যেতিয়া সিহঁতৰ পৰা বিমুখ হৈছিল। তেতিয়া খোদা তায়লা সিহঁতৰ হৃদয়ক কৈছিল, মই তোমালোকৰ লগত আছোঁ। গতিকে সেই সকলোবোৰ অত্যাচাৰ,উৎপীড়ন, নিৰ্যাতন সিহঁতৰ বাবে শান্তি হৈ উঠিছিল। গালি শপনি সিহঁতৰ বাবে আৰ্শীবাদ হৈ বৰ্ষিত হৈছিল আৰু পাথৰ গলি পানী হৈছিল।

মক্কাত বিৰোধীতা ক্ৰমে ক্ৰমে বৃদ্ধি পাই আছিল। কিন্তু তাৰ সৈতে ঈমানো বৃদ্ধি পাই আছিল। অত্যাচাৰ সীমা লঙ্ঘন কৰি গৈছিল।কিন্তু সাধুতাও অতীতৰ সমূহ সীমা অতিক্ৰম কৰি উন্নতি লাভ কৰি গৈছিল।

( ইবনে হিশ্বাম 1 ম খণ্ড পৃঃ 117)

## স্বাধীন মুছলমান সকলৰ ওপৰত অত্যাচাৰ

স্বাধীন মুছলমান সকলৰ ওপৰতো কোনো কম অত্যাচাৰ কৰা হোৱা নাছিল। সিহঁতৰ অভিভাৱক সকল আৰু বংশৰ মুখিয়াল সকলে বিভিন্ন ধৰণৰ অত্যাচাৰ,নিৰ্যতিন,নিষ্ঠুৰ প্ৰহাৰ চলাইছিল। হজৰত ওমৰ (ৰাঃ)ৰ বয়স আছিল প্ৰায় ৪০(চল্লিছ) বছৰ আৰু তেখেত (ৰাঃ) এজন ধনবান ব্যক্তি হোৱা সত্বেও কুৰাইশ্ব সকলে তেখেত (ৰাঃ)ৰ ওপৰত নিৰ্মম অত্যাচাৰ চলোৱাৰ সিদ্ধান্ত লৈছিল। তেখেত (ৰাঃ)ৰ খুৰাদেউ হাকামে তেখেত (ৰাঃ)ক ৰছী দি বান্ধি প্ৰহাৰ কৰিছিল। হজৰত জুবেৰ বিন আওয়াম (ৰাঃ)ও এজন তেজস্বী যুৱক আছিল। (ইছলাম বিজয়ৰ যুগত তেখেত (ৰাঃ)এজন প্ৰখ্যাত সেনাপতি হিচাপে খ্যাতি লাভ কৰিছিল। তেখেত (ৰাঃ)ৰ খুৰাদেউ তেখেত (ৰাঃ)ক নিষ্ঠুৰ ভাৱে অত্যাচাৰ কৰিছিল। তেখেত (ৰাঃ)ক চাটাই দি মেৰিয়াই বান্ধি তাৰ মাজত ধোঁৱা নিক্ষেপ কৰিছিল,যাৰ ফলত তেওঁৰ উশাহ নিশাহ বন্ধ হৈ গৈছিল। তেতিয়া সিহঁতে তেখেত (ৰাঃ)ক কৈছিল এতিয়া তুমি কোৱা ইছলাম পৰিত্যাগ কৰিবা নে নকৰিবা ? কিন্তু তেখেত (ৰাঃ)য়ে সেই অসহ্য যন্ত্ৰণা সহ্য কৰিছিল আৰু কৈছিল,মই সত্যক চিনি পোৱাৰ পাছত তাক পৰিহাৰ কৰিব নোৱাৰিম।

হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ) এজন গাফ্ফাৰ গোত্ৰৰ লোক আছিল তাৰ পৰা তেখেত (ৰাঃ) মক্কাত এজন ব্যক্তিয়ে আল্লাহৰ প্ৰেৰিত পুৰুষ বুলি দাবী কৰা শুনিবলৈ পালে। তেখেত (ৰাঃ)তৎক্ষণাত সত্য প্ৰমাণ কৰাৰ বাবে মক্কালৈ আহিল। মক্কাৰ মানুহবিলাকে তেখেত (ৰাঃ)ক পতিয়ন নিবলৈ যতপৰণাস্তি চেষ্টা কৰিলে আৰু কলে,মহম্মদ (ছাঃ) আমাৰ নিজস্য লোক আমি জানো তেখেত (ছাঃ)য়ে কিহৰ দোকান খুলিছে।কিন্তু আবু বক্কৰ ছিদ্দিক (ৰাঃ)য়ে নিজৰ সিদ্ধান্তত অটল থাকিল। বহুত চেষ্টা কৰি অৱশেষত হজৰত মহম্মদ (ছাঃ)ৰ ওচৰ পালে। ৰছুলে পাক (ছাঃ)য়ে তেখেত (ৰাঃ)ক সঠিক শিক্ষা সম্বন্ধে বিৱৰি কলে,ফলস্বৰূপে তেখেত (ৰাঃ)য়ে ইছলাম গ্ৰহণ কৰিলে আৰু হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত অনুমতিৰ বাবে প্ৰাৰ্থনা কৰিলে যে,যদি তেখেত (ৰাঃ)ইছলাম গ্ৰহণৰ কথা কিছুদিন তেখেত (ৰাঃ)ৰ গোত্ৰৰ লোক সকলৰ ওচৰত প্ৰকাশ নকৰে,তেন্তে কোনো অপৰাধ হ'ব নে ? কিছুদিন নিৰৱে থাকিলে কোনো দোষ নহয় বুলি অনুমতি লৈ তেখেত (ৰাঃ)য়ে নিজ গোত্ৰলৈ যাত্ৰা কৰিলে আৰু মনে মনে স্থিৰ কৰিলে যে,কিছুদিনৰ ভিতৰত প্ৰথমে অৱস্থা ঠিক কৰি ল'ব,পাছত নিজৰ ইছলাম গ্ৰহণৰ কথা সিহঁতৰ আগত প্ৰকাশ কৰিব।কিন্তু যেতিয়া তেখেত (ৰাঃ)য়ে মক্কাৰ বাটেদি ওলাই আহি আছিল,তেতিয়া দেখিবলৈ পালে যে,মক্কাৰ নেতা সকলে এটা বৈঠকত বহি ইছলামৰ বিৰুদ্ধে গালি শপনি পাৰি আছে। তেখেত (ৰাঃ)য়ে কিছুদিন নিজৰ বিশ্বাসৰ কথা গোপন ৰাখিবলৈ সিদ্ধান্ত লৈছিল,সেয়া পাহৰি যায় আৰু সভাৰ সন্মুখত ঘোষণা কৰিলে,

اَشْهَدُ اَنْ لَّآ اِلٰهَ اِلاَّ اللهُ وَحْدَهٗ لَاشَرِيْكَ لَهٗ وَاَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ

অৰ্থ ঃ মই সাক্ষ্য দিওঁ যে আল্লাহৰ বাহিৰে আন কোনো উপাস্য নাই,তেওঁ এক,তেওঁৰ কোনো অংশীদাৰ নাই। আকৌ মই সাক্ষ্য দিওঁ যে মহম্মদ আল্লাহৰ ভৃত্য আৰু ৰছুল।শত্ৰু সকলৰ সভাস্থলত যেতিয়াই তেখেত (ৰাঃ)য়ে এই ঘোষণা কৰিলে তৎক্ষণাত শত্ৰু সকলে তেখেত (ৰাঃ)ৰ ওপৰত আক্ৰমণ কৰি পেলালে।তেখেত (ৰাঃ)ক ইমান প্ৰহাৰ কৰিলে যে তেখেত (ৰাঃ) অজ্ঞান হৈ পৰিল। অত্যাচাৰী সকলে সিহঁতৰ অত্যাচাৰী বন্ধ নাৰাখি প্ৰহাৰ কৰিয়েই থাকিল।সেই সময়ত ৰছুলে কৰিম (ছাঃ)ৰ খুৰা হজৰত আববাছ যিজন তেতিয়াও হজৰত ৰছুলে কৰিম (ছাঃ)ক মান্য কৰা নাছিল,হঠাৎ তেখেতে তাতে আহি উপস্থিত হয়।তেখেত সেই সকলক বুজালে যে, তোমালোকৰ খাদ্যৰ কাফেলা আবু জাৰ গোত্ৰৰ অঞ্চলৰ বাটেদি আহে। সিহঁতে যদি ৰাগান্বিত হয়,তোমালোকে অনাহাৰে মৃত্যুৰ মুখত পতিত হবা।

এই কথা শুনি আবু জৰ (ৰাঃ)ক এৰি দিলে। হজৰত আবু জাৰ (ৰাঃ)য়ে এদিন বিশ্ৰাম কৰি পুনৰ দ্বিতীয় দিন সেই সভাত যায়। সেই সভাত হজৰত মহম্মদ (ছাঃ)ৰ বিৰুদ্ধে যধে-মধে কথা কোৱাৰ এটা নিয়মত পৰিণত হৈছিল।তেখেত (ৰাঃ)য়ে প্ৰথমে **কাবা** ঘৰত প্ৰৱেশ কৰিলে আৰু সেই ঠাইতো একেই অৱস্থা দেখিবলৈ পালে।তেখেত (ৰাঃ)য়ে তাতে থিয় হয় আৰু নিজৰ তৌহিদৰ প্ৰতি বিশ্বাসৰ কথা উচ্চ ভাষাত ঘোষণা কৰিলে।মানুহে পুনৰ তেখেত (ৰাঃ)ক মাৰ-পিটাই আৰম্ভ কৰিলে।এইদৰে তিনিদিন অতিবাহিত হ'ল।অৱশেষত তেখেত (ৰাঃ)য়ে নিজৰ গোত্ৰৰ পথত যাত্ৰা কৰিলে।

## হজৰত মহম্মদ (ছাঃ)ৰ ওপৰত অত্যাচাৰ

স্বয়ং হজৰত মহম্মদ (ছাঃ)ৰ পৱিত্ৰ অস্তিত্বও নিৰাপদ নাছিল। তেখেত (ছাঃ)ক নানা প্ৰকাৰ কষ্ট দিয়া হৈছিল।এদিনাখন হজৰত মহম্মদ (ছাঃ)য়ে যেতিয়া নমাজ পঢ়ি আছিল,ঠিক সেই সময়ত কিছু দুষ্ট প্ৰকৃতিৰ মানুহে তেখেত (ছাঃ)ৰ গলত (ডিঙিত) কাপোৰ মেৰিয়াই পাক দি থাকে,আনকি ক্ৰমাগত সেই চাপত তেখেত (ছাঃ)ৰ চকু উফন্দি উঠি বাহিৰ হোৱাৰ উপক্ৰম হয়।সেই সময়ত হজৰত আবু বক্কৰ (ৰাঃ)সেই ঠাইত আহি উপস্থিত হৈ কয়,তোমালোকে হজৰত মহম্মদ (ছাঃ)ক এই কাৰণেই হত্যা কৰিব খুজিছা যে তেখেত (ছাঃ)য়ে কয় যে মোৰ খোদা আল্লাহ।(ইবনে হিশ্বাম ১ ম খণ্ড পৃঃ৯৯ তিবাৰী ৩য় খণ্ড পৃঃ ১১৮৭)

আকৌ এদিনাখন যেতিয়া হজৰত মহম্মদ (ছাঃ)য়ে নমাজ পঢ়ি আছিল,তেতিয়া ছিজদাত থকা অৱস্থাতে দুষ্ট সকলে তেখেত (ছাঃ)ৰ পিঠিৰ ওপৰত উটৰ ভুঁৰু ৰাখি দিছিল আৰু বেলেগে সেই ভুঁৰু স্থানান্তৰিত নকৰালৈকে তেখেত (ছাঃ)য়ে ছিজদাতেই আছিল।এদিনাখন হজৰত মহম্মদ (ছাঃ)য়ে বজাৰৰ পৰা আহি আছিল,এনেতে মক্কাৰ দুষ্ট ল'ৰা সকলৰ এটা দলে তেখেত (ছাঃ)ক বেৰি ধৰে আৰু গোটেই বাট তেখেত (ছাঃ)ৰ ডিঙিৰ ওপৰত শিল গুটি নিক্ষেপ কৰি থাকে আৰু দ্বীনৰ নবী চিঞৰি চিঞৰি কৈ থাকে,শুনক, ভাইসকল শুনক,এয়েই হ'ল সেই ব্যক্তি যিয়ে নবী দাবী কৰিছিল। হজৰত মহম্মদ (ছাঃ)ৰ ঘৰৰ চৌপাশৰ পৰা সদায় আৱৰ্জনাবোৰ পেলোৱা হৈছিল।ভেড়া,ছাগলী,উট আদিৰ ভুঁৰুসমূহ নিক্ষেপ কৰা হৈছিল।

দয়াৰ নবী নমাজ পঢ়ি থকা অৱস্থাত তেখেত (ছাঃ)ৰ ওপৰত ধূলি-কণা দলিয়াই দিয়া হৈছিল। অৱশেষত সিহঁতৰ অত্যাচাৰত মুকলি স্থান এৰি এটি পাথৰৰ আঁৰত নমাজ পঢ়াৰ ব্যৱস্থা নিৰ্দ্ধাৰণ কৰে।কিন্তু এইবোৰ অত্যাচাৰ বিফলে যোৱা নাছিল।কাৰণ এইবোৰ

অত্যাচাৰ দেখি ভদ্ৰ আৰু সৎ স্বভাৱৰ মানুহ ইছলামৰ প্ৰতি আকৃষ্ট হৈছিল।

এদিনাখন হজৰত মহম্মদ (ছাঃ)য়ে অকলে **কাবা** ঘৰৰ ওচৰত **ছাফা** পাহাৰৰ ওপৰত বহি আছিল। হঠাৎ তেখেত (ছাঃ)ৰ ডাঙৰ শত্ৰু আবু জেহলে সেই স্থানত উপস্থিত হয় আৰু বেয়াকৈ গালি দিয়া আৰম্ভ কৰে তেখেত (ছাঃ)য়ে তেওঁৰ গালি শুনা সত্বেও প্ৰতি উত্তৰ দিয়াৰ পৰা বিৰত থাকে পাছত তাৰ পৰা উঠি ঘৰলৈ যাত্ৰা কৰে।তেখেত (ছাঃ)ৰ ঘৰৰ এজনী দাসীয়ে সেই ঠাই সমূহৰ ঘটনা প্ৰত্যক্ষ কৰিছিল।সন্ধিয়াৰ সময় তেখেত (ছাঃ)ৰ খুৰা হজৰত হামজা (ৰাঃ)যি এজন শক্তিশালী,তেজস্বী পুৰুষ আছিল আৰু যাৰ বীৰুত্বৰ বাবে মানুহে তেওঁক ভয় কৰিছিল।তেখেত (ৰাঃ)য়ে এদিনাখন চিকাৰৰ পৰা ঘৰলৈ উভতি আহিল আৰু তেতিয়া তীৰ ধনু তেখেতৰ কান্দত উলমি আছিল।ঠিক সেই সময়ত সেই দাসী জনীয়ে হজৰত হামজা (ৰাঃ)ক দেখি সেই দুঃখৰ কথা ক'বলৈ নাপাহৰিলে। কাৰণ ৰাতিপুৱাৰ উক্ত ঘটনা চাই তাই মুঠেই সহ্য কৰিব নোৱাৰিছিল আৰু তেতিয়াৰ পৰাই তাইৰ মন বৰ দুঃখিত হৈছিল। দাসী জনীয়ে হজৰত হামজা (ৰাঃ)ক কলে,অস্ত্ৰ-শস্ত্ৰ লৈ বৰ বাহাদুৰী(বীৰুত্ব) দেখুৱাই ফুৰা, কিন্তু আজি ৰাতিপুৱা আবু জেহলে আপোনাৰ ভতিজাৰ সৈতে কি ব্যৱহাৰ কৰিছে আপুনি জানেনে ? হজৰত হামজা (ৰাঃ)সুধিলে তেওঁ কি কৰিছে ? তাই তেতিয়া সমগ্ৰ ঘটনা হজৰত হামজা (ৰাঃ)ৰ ওচৰত বৰ্ণনা কৰিলে। হজৰত হামজা (ৰাঃ)তেতিয়াও মুছলমান হোৱা নাছিল।কিন্তু তেওঁ ভদ্ৰ চৰিত্ৰৰ লোক আছিল। ইছলামৰ বাণীও তেওঁ শ্ৰৱণ কৰিছিল আৰু সেই বাণীৰ প্ৰভাৱ নিশ্চয় তেওঁৰ ওপৰত পৰিছিল। কিন্তু নিজৰ স্বতন্ত্ৰ মনোভাৱৰ বাবে তেখেত (ৰাঃ)য়ে মনোনিৱেশ কৰা নাছিল। কিন্তু এই ঘটনাৰ সম্পূৰ্ণ বৰ্ণনা যেতিয়াই তেখেত (ৰাঃ)য়ে শুনিলে, নিজকে চম্ভালিব নোৱাৰিলে।তেখেত (ৰাঃ)ৰ চকুৰ পৰ্দা মুকলি হ'ল আৰু ধাৰণা হ'ল যে নিশ্চয় এক মহা মূল্যবান সম্পদ তেওঁৰ পৰা আঁতৰি গৈ আছে। লগে লগে তেখেত (ৰাঃ) সেই অৱস্থাতেই ঘৰৰ পৰা ওলাই পুনে পুনে **কাবা** ঘৰৰ ওচৰত সেই ঠাইত উপস্থিত হ'ল,যতে নেতৃ বৃন্দই একেলগে বহি পৰামৰ্শ সভা কৰিছিল। তেখেত (ৰাঃ)য়ে কান্দৰ পৰা ধনু নমাই বৰ তীব্ৰ বেগেৰে আবু জেহেলক আঘাত কৰি কলে,শুনি লোৱা মই মহম্মদ (ছাঃ)ৰ ধৰ্ম গ্ৰহণ কৰিছোঁ।তুমি আজি ৰাতিপুৱা বিনা কাৰণত তেখেত (ছাঃ)ক বেয়াকৈ গালি পাৰিছা এই কাৰণে যে তেখেত (ছাঃ)য়ে কোনো প্ৰতি উত্তৰ নকৰিব।যদি ক্ষমতা আছে তেন্তে মোৰ এই আঘাতৰ প্ৰতি আঘাত কৰি দেখুৱা।ঘটনাটো ইমান বিষম হৈ গৈছিল যে আবু জেহেল ভীত হৈ গৈছিল।তেওঁৰ লগৰীয়া সকলে হজৰত হামজা (ৰাঃ)ৰ সৈতে কাজিয়া কৰাৰ বাবে উদ্যত হ'ল।কিন্তু তেখেত (ৰাঃ)ৰ গোত্ৰীয় ক্ষমতা,বীৰুত্ব সাহস আৰু প্ৰতিপত্তিৰ কথা ভাৱি আবু জেহেলে

ভাবিলে যে কাজিয়া লাগিলে তাৰ পৰিণতি বৰ বেয়া হ'ব। সেই কাৰণে তাৰ লগৰীয়া সকলক থামালে যে তাক এৰি দিয়া, আচলতে মইয়ে তেওঁৰ ভতিজাক গালি দিছিলোঁ (ইবনে হিশ্বাম ১ ম খণ্ড,পৃঃ ৯৯,তাবাৰি ৩য় খণ্ড পৃঃ ১১৮৭)

## ইছলামৰ বাণী প্ৰচাৰ

বিৰোধীতা ক্ৰমে বৃদ্ধি পাব ধৰিলে। হজৰত মহম্মদ (ছাঃ) আৰু চাহাবা সকলে একেলগে ঐক্যবদ্ধ ভাৱে এই বাণী মক্কাবাসীৰ ওচৰত প্ৰচাৰ কৰি থাকিল।

বিশ্ব জগতৰ সৃষ্টিকৰ্তা,পালন কৰ্তা আৰু সমগ্ৰ ব্ৰহ্মাণ্ডৰ মালিক আল্লাহ্ এক আৰু অদ্বিতীয়,তাৰ বাহিৰে আন কোনো উপাস্য নাই। ইতিপূৰ্বে যিমান নবী মৃত্যু বৰণ কৰিছে।তেখেত সকলে এক খোদাৰ (তৌহিদৰ) প্ৰচাৰ কৰি গৈছে। সিহঁতে শ শ জাতিক এই শিক্ষাই প্ৰদান কৰিছিল যে তোমালোকে এক খোদাৰ প্ৰতি ঈমান আনা এই শিলৰ প্ৰতীমাবোৰক পৰিত্যাগ কৰা। এইবোৰ সকলো নিষ্প্ৰাণ আৰু সিহঁতৰ কোনো শক্তি নাই।

হে মক্কাবাসী সকল! তোমালোকে দেখিবলৈ পোৱা নাইনে, সিহঁতে নৈবদ্য কৰা বস্তুবোৰৰ ওপৰত যদি এটা মাখিও বহে তথাপি সেই মাখি খেদি দিয়াৰ শক্তি খিনিও সেইবোৰৰ নাই,নাইবা যদি কোনোবাই সিহঁতৰ ওপৰত আক্ৰমণ কৰে তথাপি সেইবোৰে নিজকে ৰক্ষা কৰিবও নোৱাৰিব।কোনোবাই যদি কোনো প্ৰশ্ন কৰে,তেন্তে তাৰ উত্তৰ সিহঁতে দিব পাৰিব নে ?কোনোবাই যদি সিহঁতৰ ওচৰত সহায় খোজে,তেন্তে সেইবোৰে কোনো সহায়ো কৰিব নোৱাৰিব।

পক্ষান্তৰে এক আল্লাহ্ প্ৰাৰ্থনাকাৰীৰ প্ৰাৰ্থনা অৱশ্যই শ্ৰৱণ কৰে। প্ৰশ্নকাৰীৰ প্ৰশ্নৰ উত্তৰ দিয়ে,সাহায্য পাৰ্থীক সহায় কৰে,আৰু নিজৰ উপাসনাকাৰী ভৃত্যক ডাঙৰ ডাঙৰ সাফল্য প্ৰদান কৰে। তাৰেই পৰা পোহৰ আহে; যি পোহৰ তাৰ উপাসনাকাৰী সকলৰ হৃদয়ত আলোকিত কৰে। ইয়াৰ পাছতো তোমালোকে কিয় এনে নিৰ্জীৱ মূৰ্তিবিলাকৰ আগত মূৰ নত কৰা ? কিয় নিজৰ জীৱন ধ্বংস কৰি আছা ? তোমালোকে দেখিবলৈ পোৱা নাই নে ? খোদা তায়লাৰ একত্ববাদ পৰিত্যাগ কৰাত তোমালোকৰ লক্ষ্য ধাৰণা সমূলি কলুষিত হৈ গৈছে। হৃদয় অন্ধকাৰ হৈছে ? তোমালোকে বিভিন্ন ধৰণৰ বিকৃত শিক্ষা আৰু কু-সংস্কাৰেৰে আচ্ছন্ন হৈছা। তোমালোকে বৈধ অবৈধৰ মাজত কোনো

বাছ্-বিচাৰ কৰিব নোৱাৰা ? ভাল বেয়াৰ মাজত কোনো পাৰ্থক্য কৰিব নোৱাৰা। নিজৰ মাতৃ সকলক অপমানিত কৰা আৰু নিজৰ ছোৱালী,ভনী সকলৰ ওপৰতো অত্যাচাৰ কৰা। সিহঁতক সিহঁতৰ প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত কৰা। নিজৰ স্ত্ৰীসকলৰ সৈতেও ভাল আচৰণ নকৰা।এতিম (মাউৰা) সকলৰ অধিকাৰ মাৰি খোৱা, বিধৱা সকলৰ সৈতেও বেয়া আচৰণ কৰা। আনৰ অধিকাৰ আত্মসাত কৰি নিজৰ অহঙ্কাৰ অক্ষুন্ন ৰাখিব বিচৰা। মিছা আৰু প্ৰতাৰণাৰ প্ৰতি তোমালোকৰ ঘৃণা নাই। চুৰি আৰু ডকাইতিৰ প্ৰতিও তোমালোকৰ ঘৃণা নোহোৱা হৈ গৈছে। জুৱা খেল আৰু সুৰা পান তোমালোকৰ একমাত্ৰ আসক্ত। বিদ্যাৰ্জন আৰু জাতিৰ সেৱাৰ প্ৰতি তোমালোকৰ কোনো লক্ষ্য নাই। এক আল্লাহৰ পৰা তোমালোকে কিমান দিন অৱহেলা হৈ থাকিবা ?

আহা! তোমালোকে নিজকে সংশোধন কৰি লোৱা বৰ্বৰতা বিৰ্সজন দি প্ৰত্যেক প্ৰাপ্য অধিকাৰক সিহঁতৰ প্ৰাপ্য অধিকাৰ আদায় কৰা। যদি খোদা তায়লাই তোমালোকক কোনো ধন-সম্পদ দি থাকে তেনেহলে সেইবোৰ দেশ আৰু জাতিৰ খেদমত লগতে দুৰ্বল দৰিদ্ৰ নিম্ন ব্যক্তিৰ উন্নতিৰ কাৰণে খৰচ কৰা। নাৰী সকলক সন্মান আৰু সিহঁতৰ প্ৰাপ্য অধিকাৰ আদায় কৰা। এতিম (মাউৰা) সকল আল্লাহৰ আমানত মনত ৰাখা,সিহঁতক চোৱা-চিতা কৰাটো এক মহা পুণ্যৰ কাম বুলি স্বীকাৰ কৰা। বিধৱা সকলক পূৰ্ণ সন্মান সহকাৰে সহায় সাহায্য কৰা। পুণ্য কৰ্ম আৰু খোদা ভীতি প্ৰতিষ্ঠা কৰা। কেৱল ন্যায় পৰায়নতাই নহয় বৰং তাৰ লগতে দয়া আৰু উপকাৰক নিজৰ অভ্যাসত পৰিণত কৰা। ইহকালত তোমালোকৰ আগমন যাতে বৃথা (অযথা) নাযায়। উৎকৃষ্ট আদৰ্শ এৰি যোৱা যেন চিৰস্থায়ী পুণ্য কৰ্মৰ বীজ বপন কৰা হয়। অধিকাৰ আদায় কৰোঁতে নহয়, বৰং কুৰবানী আৰু স্বাৰ্থ ত্যাগ কৰোঁতেই প্ৰকৃত মৰ্যদা নিহিত আছে। গতিকে তোমালোকে কুৰবানী কৰা আৰু মহান খোদাৰ নৈকট্যত উপনীত হোৱা। খোদা ভৃত্য সকলৰ প্ৰতি সহযোগীতাত স্বাৰ্থ ত্যাগৰ দৃষ্টান্ত স্থাপন কৰা যাতে খোদা তায়লাৰ দৰবাৰত তোমালোকৰ অধিকাৰ প্ৰতিষ্ঠিত হয়।

নি:সন্দেহ আমি দুৰ্বল। কিন্তু আমাৰ এই দুৰ্বলতা প্ৰকাশ নকৰিবা। সত্যৰ ৰাজত্ব প্ৰতিষ্ঠাৰ সিদ্ধান্ত আছমানৰ ওপৰত নিৰ্দ্ধাৰিত হৈছে। এতিয়া মাথোন হজৰত মহম্মদ (ছাঃ)ৰ মাধ্যমত ন্যায়ৰ তুলাচনী(মাপ কাঠি) তুলি ধৰা হ'ব। ন্যায় আৰু কৃপাৰ শাসন প্ৰতিষ্ঠা কৰা হ'ব, ফলত কাৰো ওপৰত অন্যায়,ব্যভিচাৰ,অত্যাচাৰ,নিৰ্যাতন কৰা নহ'ব।সমাজত মহিলা আৰু কৃতদাস সকলৰ প্ৰতি যি নিৰ্যাতন প্ৰহাৰ,অন্যায়,ব্যভিচাৰ,অত্যাচাৰ আদি কৰা হৈছিল;সেয়া নিমূল কৰা হ'ব। চয়তানৰ ৰাজত্বৰ স্থানত এক আল্লাৰ ৰাজত্ব প্ৰতিষ্ঠা কৰা হ'ব।

## আবু তালিবৰ ওচৰত কাফিৰ সকলৰ অভিযোগ আৰু আঁহজৰত (ছাঃ)ৰ দৃঢ়তা

ইছলামৰ এই শিক্ষা যেতিয়া সমগ্ৰ মক্কাবাসীক শুনোৱা হৈছিল আৰু ইছলামৰ প্ৰতি ভদ্ৰ স্বভাৱৰ মানুহবিলাকৰ আকৰ্ষণ বৃদ্ধি পাব ধৰিছিল,তেতিয়া এদিন মক্কাৰ নেতৃবৃন্দ একগোট হৈ আঁহজৰত (ছাঃ)ৰ খুৰা আবু তালিবৰ ওচৰত আহিল আৰু তেওঁক কলে,আপুনি আমাৰ নেতা,সেইবাবে আপোনাৰ ভতিজা হজৰত মহম্মদ (ছাঃ)ক ইমান দিন আমি একো কোৱা নাই। কিন্তু এতিয়া মনে মনে থাকা নাযাব আপোনাৰ সৈতে আমাৰ বুজা-বুজি হোৱা উচিত। আপুনি তেওঁক বুজাওক আৰু সুধক তেখেত (ছাঃ) য়ে আমাৰ পৰা কি বিচাৰে। যদি তেখেতে সন্মান বিচাৰে,তেন্তে আমি তেখেতক আমাৰ চৰদাৰ (নেতা)নিযুক্ত কৰিবলৈ সন্মত আছো।যদি ধন সম্পত্তি বিচাৰে,তেনেহলে আমি প্ৰত্যেকেই আমাৰ ধন-সম্পদৰ পৰা একাংশ তেখেতক দিবলৈ সন্মত আছো। যদি তেখেত (ছাঃ)য়ে বিয়া কৰিব বিচাৰে,তেনেহলে মক্কাৰ যি কোনো যুৱতীৰ নাম তেখেত (ছাঃ)য়ে কওঁক তাইৰ সৈতে আমি তেখেত (ছাঃ)ক বিবাহ কৰাই দিম। এইবোৰৰ বিনিময়ত আমি তেখেত (ছাঃ)ৰ পৰা একো নিবিচাৰোঁ।কেৱল ইমান খিনিয়েই নিবিচাৰিম যে,তেখেত (ছাঃ)যেন আমাৰ চৰদাৰ (নেতাৰ) বিৰুদ্ধে কোনো কথা নকয়। তেখেত (ছাঃ)য়ে যিমান পাৰে কওঁক খোদা এক। কিন্তু এই কথা যেন নকয় আমাৰ এই দেৱতা সমূহ একো নহয়। তেখেত (ছাঃ)য়ে যদি এইখিনি মানি লয়,তেন্তে তেখেত (ছাঃ)ৰ সৈতে আমাৰ কোনো বিৰোধীতা নাথাকিব, সকলো মীমাংসা হৈ যাব। আপুনি তেখেত (ছাঃ)ক বুজাওঁক আৰু আমাৰ প্ৰস্তাৱ আপুনি মানি লওঁক। অন্যথা নিশ্চয় আমি কিবা কৰিব লাগিব,হয় আপুনি নিজ ভতিজাক পৰিত্যাগ কৰক,নহলে আপোনাৰ জাতিয়ে আপোনাৰ নেতৃত্ব অস্বীকাৰ কৰি আপোনাক পৰিত্যাগ কৰিব।

মক্কাৰ নেতৃবৃন্দৰ উল্লেখিত কথাবোৰ আবু তালিবৰ বাবে অত্যন্ত মৰ্মান্তিক আৰু কঠোৰ আছিল। আৰব সকলৰ মাজত সিমান টকা পইচা নাছিল।তেওঁলোকৰ প্ৰকৃত আনন্দৰ বিষয় সিহঁতৰ নেতৃত্ব আছিল।নেতাসকলে জাতিৰ বাবে আৰু জাতিও নেতাসকলৰ বাবে জীয়াই থাকিছিল। গতিকে এই কথাবোৰ শুনাৰ পাছত আবু তালিব দাৰুণ ভাৱে আঘাত পালে।তেওঁ হজৰত মহম্মদ (ছাঃ)ক মাতি আনি কলে,

হে মোৰ প্ৰিয় ভতিজা,মোৰ জাতি মোৰ ওচৰত আহি এই প্ৰস্তাৱ দিছে আৰু লগতে এই কথাও কৈছে যে,যদি আপোনাৰ ভতিজা এইবোৰ কথাৰ এটাতো সন্মত নহয় তেন্তে

বুজিব লাগিব যে,আপোনালোকৰ ফালৰ পৰা সকলো ধ্বংসৰ চেষ্টা শেষ হৈ গৈছে।ইয়াৰ পিছতো যদি তেখেত (ছাঃ)য়ে নিজৰ পথৰ পৰা উভতি নাহে,তেন্তে আপোনাৰ কাম হ'ব তেখেত (ছাঃ)ক পৰিত্যাগ কৰা। আৰু যদি আপুনি পৰিত্যাগ কৰাত সন্মত নহয়; তেনেহলে আমি আপোনাৰ নেতৃত্ব অস্বীকাৰ কৰি আপোনাকেই পৰিত্যাগ কৰিবলৈ বাধ্য হম। আবু তালিবে যেতিয়া এইবোৰ কথা নিজৰ ভতিজাক কৈছিল,তেতিয়া তাৰ দুই নয়নৰ পৰা চকু পানী ওলাই আহিলে।তেওঁৰ চকুত পানী দেখি হজৰত ৰছুলে কৰিম (ছাঃ)ৰ চকুতো পানী আহিলে,তেখেত (ছাঃ)য়ে কৈছিল,

খুৰাদেউ! মই এই কথা নকও যে আপুনি নিজৰ জাতিক পৰিত্যাগ কৰি মোৰ সৈতে থাকক। আপুনি মোক পৰিত্যাগ কৰিব পাৰে,কিন্তু আল্লাহৰ শপত খাই কৈছো যে,যদি সূৰ্য্যক মোৰ সোঁহাতত আৰু চন্দ্ৰক বাওঁ হাতত আনি থিয় কৰি দিয়া হয়; তথাপিও মই মোৰ এক আল্লাহৰ একত্ববাদৰ বাণীৰ প্ৰচাৰৰ পৰা বিৰত থাকিব নোৱাৰিম। মোৰ মৃত্যু নোহোৱালৈকে মোৰ কাম কৰি গৈ থাকিম। এতিয়া আপুনি নিজৰ অৱস্থান ঠিক কৰি লওঁক।

এনে পূৰ্ণ ঈমান আৰু সাধুতাৰে ভৰা কথাবোৰে আবু তালিবৰ চকু মুকলি কৰাৰ বাবে যথেষ্ট আছিল। তেওঁ মনে মনে উপলব্ধি কৰিলে,মই ঈমান অনাৰ সৌভাগ্য পোৱা নাই ঠিকেই; কিন্তু ঈমানৰ এই দৃশ্য দেখাৰ সৌভাগ্য মোৰ হৈছে। তেখেত (ছাঃ) সকলো সম্পদতকৈ শ্ৰেষ্ঠ সম্পদ। গতিকে তেওঁ কলে, হে মোৰ ভাতিজা ! যোৱা নিজ কৰ্তব্য পালন কৰা। মোৰ জাতি যদি মোক পৰিত্যাগ কৰিব খোজে কৰক,কিন্তু মই তোমাক পৰিত্যাগ নকৰিম। (ইবনে হিশ্বাম ১ম খণ্ড,পৃঃ৮৮ আৰু তাবাৰী)

## আবু ছিনিয়াত হিজৰত (প্ৰব্ৰজন)

মক্কাবাসী সকলৰ অত্যাচাৰ যেতিয়া সীমা অতিক্ৰম কৰিলে,তেতিয়া হজৰত মহম্মদ (ছাঃ)য়ে চাহাবা সকলক মাতি আনি কলে,পশ্চিম দিশত সমুদ্ৰৰ সিপাৰত এনে এখন দেশ আছে য'ত খোদাৰ একত্ববাদৰ বাবে কাৰো প্ৰতি অত্যাচাৰ কৰা নহয়। সেই দেশত এজন ন্যায় পৰায়ণ বাদশ্বাহ ৰাজত্ব কৰে। তোমালোক হিজৰত কৰি সেই দেশলৈ গুচি যোৱা। হয়তো ইয়াৰ পৰাই তোমালোকৰ নিৰাপত্তাৰ বাট মুকলি হৈ যাব। গতিকে কিছু সংখ্যক মুছলিম পুৰুষ,মহিলা আৰু ক'ণ ক'ণ ল'ৰা-ছোৱালী তেখেত (ছাঃ)ৰ নিৰ্দেশ অনুসৰি আবু ছিনিয়ালৈ যাত্ৰা কৰিলে। সিহঁতৰ বাবে মক্কাৰ পৰা ওলোৱা কোনো সহজ সাধ্য কাম নাছিল। মক্কাৰ মানুহে নিজকে **কাবা** ঘৰৰ হেফাজতকাৰী অৰ্থাৎ ৰক্ষণকাৰী

বুলি ভাৱিছিল।আৰু মক্কা এৰি বেলেগ স্থানলৈ গুচি যোৱা সিহঁতে সহ্য কৰিব নোৱাৰিছিল। সিহঁতৰ মনৰ বাবে এনে কাম কেৱল তেওঁলোকৰ দ্বাৰাই সম্ভৱ যিসকলৰ বাবে পৃথিৱীৰ বুকুত কোনো স্থান নাই। গতিকে চাহাবা সকলৰ বাবে মক্কা এৰি ওলাই যোৱাটোৱেই বৰ মৰ্মান্তিক আছিল। তদুপৰি এইদৰে কোৱাটো আছিল এক চুৰি কাৰ্য্যৰ নামান্তৰ স্বৰূপ। কাৰণ সিহঁতে জানিছিল যে মক্কাবাসী সকলে বিষয়টো জানিব পাৰিলে সিহঁতক যাবলৈ নিদিব।সেই বাবে যোৱাৰ পূৰ্বত সিহঁতে নিজৰ নিজৰ বহু আত্মীয়-স্বজনৰ আৰু বন্ধু-বান্ধৱৰ সৈতে অন্তিম সাক্ষাৎটিও কৰিব নোৱাৰিছিল। সিহঁতৰ হৃদয় দুঃখ ভাৰাক্ৰান্তত জৰ্জ্জৰ আছিল। সিহঁতৰ প্ৰতি যিসকলে চাই দেখিছিল,সিহঁতেও তেওঁলোকৰ দুঃখত দুঃখিত হৈ পৰিছিল। এই অৱস্থাত যেতিয়া সিহঁতৰ কাফেলা যাত্ৰা আৰম্ভ কৰিছিল তেতিয়া হজৰত ওমৰ (ৰাঃ)যি তেতিয়াও অবিশ্বাসী আছিল, ইছলামৰ কঠোৰ শত্ৰু আছিল আৰু মুছলমান সকলক কষ্ট দিয়াৰ ক্ষেত্ৰত আগ্ৰহী ভূমিকা পালন কৰিছিল। তেখেত (ৰাঃ)ৰ আকস্মিক ভাৱে সেই কাফেলাৰ কেইজন মান সদস্যৰ সৈতে সাক্ষাৎ হয়। ইহঁতৰ মাজত এজনী মহিলাৰ নাম উম্মে আব্দুল্লাহ আছিল। হজৰত ওমৰ (ৰাঃ)য়ে যেতিয়া টালি-টোপোলা বান্দা বস্তু বাহিনী সহ বাহন পশুবোৰক দেখিবলৈ পালে, তেতিয়া তেখেত (ৰাঃ) বুজিবলৈ বাকী নাথাকিল যে, ইহঁতে মক্কা এৰি গুচি যাই আছে তেখেত (ৰাঃ)য়ে কলে, উম্মে আব্দুল্লাহ এয়া দেখুন হিজৰতৰ বস্তু-বাহিনী(সামগ্ৰী)। উম্মে আব্দুল্লাহ কলে, মই উত্তৰত কৈছিলো, আল্লাহৰ শপত আমি আন দেশলৈ গুচি যাই আছোঁ। কাৰণ তোমালোকে আমাক বৰকৈ কষ্ট দিছা। আমি নিজ জন্ম ভূমিলৈ তেতিয়ালৈ উভতি নাহো যেতিয়ালৈক স্বয়ং খোদা তায়লা শান্তিময় পৰিস্থিতি সৃষ্টি কৰি নিদিয়ে। উম্মে আব্দুল্লাহ আকৌ কলে,প্ৰতি উত্তৰত হজৰত ওমৰ (ৰাঃ)য়ে কৈছিল,ঠিক আছে আল্লাহ পাক তোমালোকৰ সঙ্গী হওঁক। মই তেখেত (ৰাঃ)ৰ কথাৰ ভাৱ আবেগ লক্ষ্য কৰিছিলোঁ যি ইতিপূৰ্বে মই তেওঁৰ মাজত দেখা পাইছিলোঁ। আৰু তেখেত (ৰাঃ)য়ে সোনকালে মুখ ঘূৰাই গুচি গ'ল। মই তেতিয়া অনুভৱ কৰিলোঁ যে,এই ঘটনাটোৱেই তেখেত (ৰাঃ)ক অতিকৈ দুঃখ ভাৰাক্ৰান্ত কৰি তুলিছে। সিহঁতৰ হিজৰতৰ এই সংবাদ যেতিয়া মক্কাবসীয়ে জানিব পাৰিলে লগে লগে তেওঁলোকে সিহঁতৰ পিছে পিছে ওলাই সমুদ্ৰৰ পাৰ পৰ্যন্ত উপস্থিত হ'ল। কিন্তু ইতিমধ্যে সিহঁতৰ কাফেলা পানী জাহাজত উঠি আবু ছিনিয়াৰ অভিমুখে যাত্ৰা কৰিছিল। মক্কাবাসী সকলে সেই কাফেলাৰ মানুহৰ গন্তব্য স্থানৰ বিষয়ে জানিব পাৰি সিদ্ধান্ত গ্ৰহণ কৰিলে যে, আবু ছিনিয়াৰ ৰজাৰ ওচৰত এটা প্ৰতিনিধি দল প্ৰেৰণ কৰিব লাগিব। যিসকলে ৰজাক মুছলমান সকলৰ বিৰুদ্ধে উত্তেজিত কৰিব আৰু তেওঁক ক'ব যে,তেওঁ যেন মুছলমান সকলক মক্কা বাসীৰ হাতত অৰ্পন কৰে।যাতে সিহঁতক প্ৰতাৰণাৰ বাবে শাস্তি দিব পৰা যায়।সিহঁত কিয় চহৰ বাসীৰ নেতৃ

বৃন্দৰ শাস্তি এৰাই যোৱাৰ কামনাৰে মক্কাৰ পৰা ওলাই আহিছে? প্ৰতিনিধি দল আবু ছিনিয়াত গ'ল। সেই প্ৰতিনিধি দলত আমৰ ইবনে আল আছাও আছিল। (যি পিছত মুছলমান হৈছিল আৰু তেওঁৰ হাতত মুছলমান বিজয় হৈছিল) তেওঁলোকে ৰজাৰ সৈতে সাক্ষাৎ কৰিলে, সিহঁতে আমিৰ উমৰাহ সকলক বৰকৈ আপ্পায়ন কৰিলে লগতে উপহাৰও দিলে।কিন্তু আল্লাহ তায়লা আবু ছিনিয়াৰ বাদশ্বাহৰ হৃদয় দৃঢ় ৰাখিলে।তেওঁ সিহঁতৰ আনকি আমিৰ উমৰাহ সকলৰ সমূহ অনুনয় বিনয় আৰু চুপাৰিশ্ব (মধ্যস্থতা) সত্বেও মুছলমান সকলক কাফেৰ সকলৰ হাতত ন্যস্ত কৰিবলৈ অস্বীকাৰ কৰিলে।এই প্ৰতিনিধি দল যেতিয়া বিফল হৈ উভতি আহিল মক্কাবাসী সকলে সেই মুছলমান সকলক পুনৰ নিজ দেশলৈ উভতাই অনাৰ বাবে এক নতুন কৌশল অৱলম্বন কৰিলে আৰু এসময়ত তেওঁলোকে আবু ছিনিয়াত যাত্ৰাকাৰী বহু কাফেলাৰ মাজত এই সংবাদ প্ৰচাৰ কৰিলে যে মক্কাৰ সকলো মানুহ মুছলমান হৈছে। এই সংবাদ যেতিয়া আবু ছিনিয়াত বিয়পি পৰিল তেতিয়া তাৰ পৰা অধিকাংশ মুছলমানেই মক্কালৈ উভতি আহিল। কিন্তু মক্কাত উপস্থিত হৈ সিহঁতে বুজিব পাৰিলে যে,এই সংবাদ কেৱল চয়তানী কৰি প্ৰচাৰ কৰা হৈছিল। ইয়াৰ মাজত কোনো সত্যতা নাই। কিছুমান মানুহ পুনৰ আবু ছিনিয়ালৈ গুচি গ'ল আৰু বাকী লোক মক্কাতেই থাকি গ'ল। মক্কাত এজন ব্যক্তিৰ নাম উচমান বিন মাজউন আছিল যি এজন মক্কাৰ প্ৰভাৱশালী নেতা আছিল। তেওঁক তাৰ পিতাৰ এজন বন্ধু অলীদ বিন মুগীৰাক নিৰাপত্তা দিব বুলি ঘোষণা কৰিলে। কিন্তু তেওঁ এই অৱস্থাত দেখিবলৈ পালে যে, অন্যান্য মুছলমান সকলৰ ওপৰত নিৰ্মম অত্যাচাৰ হৈ আছে আৰু সিহঁতক কঠোৰৰ পৰা কঠোৰতম শাস্তি দিয়া হৈছে। যিহেতু তেওঁ এজন হৃদয়বান আৰু তেজস্বী যুৱক আছিল। সেই বাবে তেওঁ অলীদৰ ওচৰত গ'ল আৰু কলে,মই আপোনাৰ দিয়া নিৰাপত্তা বৰ্জন কৰিছোঁ। কাৰণ মই ইয়াক সহ্য কৰিব পৰা নাই আন আন মুছলমান কষ্ট পাব,অত্যাচাৰিত হ'ব আৰু মই আৰামত দিন অতিবাহিত কৰিম। গতিকে অলীদ পুনৰ ঘোষণা কৰি কলে, ওচমান বিন মুগীৰা তেওঁৰ নিৰাপত্তাৰ মাজত এতিয়া নাই। এই ঘটনাৰ পাছত এদিনাখন আৰবৰ বিখ্যাত কবি **লবীদ** নেতৃবৃন্দৰ মাজত বহি নিজৰ কবিতা ওলাই আছিল। সি তাৰ কবিতাৰ এটি উক্তি পঢ়িছিল।

وَكُلُّ نَعِيمٍ لَا مَحَالَةَ زَائِلٌ

অৰ্থঃ প্ৰত্যেক নিয়ামতেই পৰিণামত শেষ হৈ যাব।

হজৰত ওচমান (ৰাঃ)য়ে কলে, এইটো ঠিক নহয়। জান্নাতৰ নিয়ামত সদায় কায়েম (প্ৰতিষ্ঠিত)থাকিব।**লবীদ** এজন সন্মানিত ব্যক্তি আছিল। সি এই কথা শুনি ক্ৰোধত উত্তেজিত হৈ উঠিছিল আৰু কৈছিল, হে কাফেৰ সকল! তোমালোকৰ অতিথি সকলক

ইতিপূৰ্বত তোমালোকে কেতিয়াও অপমান অপদস্ত কৰা নাছিলা।এতিয়া এই নতুন নিয়ম কেতিয়াৰ পৰা আৰম্ভ হৈছে? ইয়াত এজন ব্যক্তিয়ে কলে,সি এজন নিৰ্বোধ লোক,তেওঁৰ কথাত কোনো গুৰুত্ব নিদিবা। হজৰত ওছমান (ৰাঃ)য়ে নিজৰ কথাত জোৰ দিয়াৰ বাবে কলে,নিৰ্বুদ্ধিতাৰ কথা কি হ'ল। মই যি কৈছোঁ সেয়াই সঠিক। ফলত সেই ব্যক্তি খংত উঠি তেখেত (ৰাঃ)ক ইমান বেগত খুন্দা মাৰিলে যে,তেখেত (ৰাঃ)ৰ এখন চকু উফন্দি বাহিৰলৈ ওলাই পৰিল। অলীদ সেই সভাতেই বহি আছিল। হজৰত ওছমান (ৰাঃ)ৰ পিতাৰ সৈতে তেওঁৰ ঘনিষ্ঠ সম্পৰ্ক আছিল। সি তেওঁৰ বন্ধুৰ পুতেকৰ এই দুৰাৱস্থা দেখি সহ্য কৰিব নোৱাৰিছিল। কিন্তু উপায়হীন প্ৰথা অনুসৰি একো কৰিবও নোৱাৰিছিল। কাৰণ ইতিপূৰ্বে হজৰত ওচমান (ৰাঃ) তাৰ নিৰাপত্তাৰ পৰা স্বেচ্ছাত বাহিৰ হৈছিল। গতিকে সি অত্যন্ত দুঃখৰ সৈতে ওচমান (ৰাঃ)ক কলে,হে মোৰ ভতিজা! খোদাৰ শপত, তোমাৰ এই চকু ৰক্ষা পালেহেঁতেন,যেতিয়া তুমি এক শক্তিশালী নিৰাপত্তাত আছিলা।কিন্তু তুমি নিজেই সেই নিৰাপত্তা পৰিত্যাগ কৰিছা আৰু এই দুৰাৱস্থা হৈছা।প্ৰতিউত্তৰত হজৰত ওচমান (ৰাঃ)য়ে কলে,মোৰ সৈতে যিবোৰ কথা হ'ল ইয়াৰ প্ৰত্যাশা মই কৰিছিলোঁ।আপুনি মোৰ এখন চকু (ওলাই) নিৰ্গত হোৱাত দুঃখ প্ৰকাশ কৰিছে। কিন্তু মোৰ আন এখন চকুয়ে দুঃখত ধৰফৰ কৰিছে যে,হ্যায়! যি মোৰ ভনীৰ (আন এখন চকু) ভাগ্যত ঘটিল সেয়া কিয় মোৰ ভাগ্যত নহ'ল? হজৰত মহম্মদ (ছাঃ)ৰ আদৰ্শই মোৰ বাবে যথেষ্ট। তেখেত (ছাঃ)য়ে যদি ইমান কষ্ট সহ্য কৰিব পাৰে,তেনেহলে মই কিয় নোৱাৰিম? মোৰ বাবে একমাত্ৰ খোদাৰ সাহায্যই যথেষ্ট।

## হজৰত ওমৰ ফাৰুক (ৰাঃ)ৰ ইছলাম গ্ৰহণ

এসময়ত মক্কা চহৰত এনে এটা ঘটনা সিঁচৰিত হৈ পৰিল,যাৰ বাবে মক্কাত উত্তেজনাৰ জুই জ্বলি উঠিল। ঘটনাটো এনেদৰে আছিল.... হজৰত ওমৰ ফাৰুক (ৰাঃ)য়ে যিজন ইছলামৰ দ্বিতীয় খলিফা (প্ৰতিনিধি) হৈছিল। কিন্তু প্ৰাথমিক যুগত ইছলামৰ ঘোৰ শত্ৰু সকলৰ এজন আছিল।তেখেত (ৰাঃ)য়ে এদিনাখন বহি বহি চিন্তা কৰি আছিল যে,আজিলৈকে ইছলামক ধ্বংস কৰাৰ অশেষ চেষ্টা কৰা হৈছে। কিন্তু কোনো ফল পোৱা নাই। গতিকে এতিয়া ইছলামৰ প্ৰতিষ্ঠাতাক হত্যা কৰাই উচিত হ'ব। যাতে চিৰদিনৰ বাবে সমাপ্ত হৈ হয়। এই চিন্তা তেখেতৰ মনত অহাৰ লগে লগে তেখেত (ৰাঃ) য়ে হাতত তৰোৱাল লৈ থিয় হ'ল আৰু ঘৰৰ পৰা ওলাই পৰিল। তেওঁ এজন বন্ধুৰ সৈতে সাক্ষাত হোৱাত বন্ধুৱে তেওঁক এনে অৱস্থাত দেখি আচৰিত মানিলে আৰু তেখেত (ৰাঃ)ক সুধিলে,ওমৰ তুমি এই অৱস্থাত কলৈ গৈ আছা? হজৰত ওমৰ (ৰাঃ)য়ে উত্তৰ

দিলে,মহম্মদক হত্যা কৰিবলৈ গৈ আছোঁ। বন্ধুজনে পুনৰ কলে,তুমি মহম্মদক হত্যা কৰি তেখেতৰ গোত্ৰৰ হাতৰ পৰা জীয়াই থাকিব পাৰিবানে ? তাৰ আগতে তুমি নিজৰ ঘৰৰ খবৰ লৈ লোৱা। তোমাৰ ভনী আৰু তাইৰ স্বামী ইতিমধ্যে মুছলমান হৈ গৈছে। এই কথাত হজৰত ওমৰ (ৰাঃ)ৰ মূৰত আঘাত কৰিলে। তেওঁ ভাৱিলে মই এজন নিজেই ইছলামৰ ঘোৰ শত্রু আৰু এতিয়া মহম্মদক হত্যা কৰাৰ বাবে ওলাই আহিছোঁ। কিন্তু মোৰ ভনী আৰু ভিন্ দেউ ইছলাম গ্ৰহণ কৰিছে। যদি এয়াই হৈ থাকে প্ৰথমে মোৰ ভনী আৰু ভিন্ দেউক দুৰস্ত কৰাই দৰকাৰ। এই কথা চিন্তা কৰি তেখেত (ৰাঃ)য়ে নিজ ভনীয়েকৰ ঘৰৰ পিনে যাব ধৰিলে। যেতিয়া ভনীয়েকৰ ঘৰৰ দৰ্জাৰ কাষত উপস্থিত হ'ল,তেতিয়া তেখেত (ৰাঃ)য়ে শুনিবলৈ পালে যে, নিশ্চয় কোনোবাই ঘৰৰ ভিতৰত সু মধুৰ কণ্ঠত কিবা কালাম পাঠ কৰি আছে। সেই কালামৰ পাঠক আছিল হজৰত খাব্বাব (ৰাঃ)যিয়ে হজৰত ওমৰ (ৰাঃ)ৰ ভনীয়েক আৰু ভিন দেউক পৱিত্ৰ কোৰাণ শ্বৰিফ শিকাই আছিল। হজৰত ওমৰ (ৰাঃ)ৰাগান্বিত হৈ ঘৰৰ ভিতৰত প্ৰৱেশ কৰিলে। তেখেত (ৰাঃ)ৰ ভৰিৰ খোজৰ শব্দ শুনিবলৈ পাই হজৰত খাব্বাব (ৰাঃ) ঘৰৰ এচুকত লুকাই পৰিলে। হজৰত ওমৰ (ৰাঃ)ৰ ভনীয়েক ফাতিমা লৰা-লৰিকৈ কোৰাণ শ্বৰীফৰ সেই পাঠ কৰি থকা পৃষ্ঠাবোৰ লুকাই পেলালে। হজৰত ওমৰ (ৰাঃ)য়ে কোঠালিত সোমাই খংঙেৰে সুধিলে, মই শুনিলোঁ তোমালোকে নিজ নিজ ধৰ্ম পৰিত্যাগ কৰিছা ?এই কথা শুনি তেখেত (ৰাঃ)য়ে নিজ ভগ্নী পতি(যিজন তাৰ খুৰাৰ পুতেকও আছিল)তাকে আক্ৰমণ কৰিবলৈ উদ্যত হ'ল। ফাতিমা যেতিয়া দেখিলে যে, তাইৰ ভাই তাইৰ স্বামীক আক্ৰমণ কৰিবলৈ উদ্যত হৈছে তেতিয়া তাই গৈ তাইৰ স্বামীৰ সন্মুখত থিয় দিলে। হজৰত ওমৰ (ৰাঃ)ইতিমধ্যে তেওঁক তীব্ৰ বেগত আঘাত কৰি পেলাইছিল। সেই হাত তেতিয়া ৰোধ কৰা সম্ভৱ নাছিল।সেই কাৰণে তেখেত (ৰাঃ) হাত প্ৰচণ্ড বেগত ফাতিমাৰ মুখৰ ওপৰত লাগিল আৰু ফাতিমাৰ নাক ফাটি তেজ ওলাব ধৰিলে। ফাতিমা মাৰ খোৱাৰ পিছত সাহসেৰে কলে,হয় ওমৰ এই কথা সত্য যে আমি মুছলমান হৈছোঁ। মনত ৰাখিবা যে,আমি আমাৰ ধৰ্ম কেতিয়াও পৰিত্যাগ নকৰিম। তুমি যি ইচ্ছা কৰিব পাৰা কৰা। হজৰত ওমৰ (ৰাঃ) এজন তেজস্বী পুৰুষ আছিল। অত্যাচাৰে তেখেত (ৰাঃ)ৰ বীৰুত্বক নষ্ট কৰিব নোৱাৰিছিল।এজনী মহিলা যি তেখেত (ৰাঃ)ৰ নিজৰেই ভগ্নী তাইক তেখেত (ৰাঃ)য়ে নিজ হস্তে জখম কৰিছে।এইটো প্ৰত্যক্ষ কৰি তেখেত (ৰাঃ)য়ে লাজ পালে আৰু মনত অনুশোচনা কৰিব ধৰিলে। নিজ ভগ্নীৰ শৰীৰৰ পৰা তেজ নিৰ্গত হোৱা দেখি তেখেত (ৰাঃ)ৰ হৃদয়ৰ পৰা ক্ৰোধ দুৰীভূত হ'ল। ভগ্নীৰ ওচৰত তেওঁৰ ক্ষমা বিচৰাৰ ইচ্ছা হ'ল। তেখেত (ৰাঃ)য়ে ভনীয়েকক কলে,মোক তোমালোকৰ সেই কালাম (বাণী) পাঠ কৰি শুনোৱাচোন যি তোমালোকে অলপ আগত পাঠ কৰিছিলা। ফাতেমাই কলে,

নহ'ব, আমি সেয়া দেখাব অথবা পাঠ কৰি শুনোৱা কোনোটোৱেই নোৱাৰিম। কাৰণ তুমি সেইবোৰ নষ্ট কৰি পেলাবা। হজৰত ওমৰ (ৰাঃ)য়ে কলে,নহয় ভগ্নী মই তেনেকুৱা নকৰিম। ফাতেমাই কলে,তুমি বৰ্তমান অপৰিষ্কাৰ প্ৰথমে গা ধুই পাক পৱিত্ৰ হৈ আহা,পাছত সেইবোৰ দেখুৱাম।অনুশোচনাৰ বাবে হজৰত ওমৰ (ৰাঃ)ৰ অৱস্থা এনে হৈছিল যে তেখেত (ৰাঃ)য়ে যিকোনো কাম কৰিবলৈ সন্মত আছিল।সেই কাৰণে তেখেত (ৰাঃ)য়ে গা ধুবলৈ সন্মত হৈছিল। আৰু গা ধুই পৱিত্ৰ হৈ ভগ্নীৰ ওচৰলৈ আহিছিল।তেতিয়া ফাতিমা তেখেত (ৰাঃ)ৰ হাতত পৱিত্ৰ কোৰাণ শ্বৰীফৰ সেই পৃষ্ঠাবোৰ আনি দিছিল।সেই পৃষ্ঠাবোৰ পৱিত্ৰ কোৰাণ কৰিমৰ চুৰা তাহাৰ কেইটামান বাক্য লিখা আছিল।

إِنَّنِي أَنَا اللَّهُ لَآ إِلَهَ إِلَّآ أَنَا فَاعْبُدْنِي وَأَقِمِ الصَّلَوٰةَ لِذِكْرِى۔إِنَّ السَّاعَةَ آتِيَةٌ

أَكَادُ أُخْفِيهَا لِتُجْزَىٰ كُلُّ نَفْسٍۭ بِمَا تَسْعَىٰ

(20:15,16)

অৰ্থঃনিশ্চয় মইয়ে আল্লাহ,মোৰ বাহিৰে কোনো উপাস্য নাই,গতকে তুমি মোৰেই উপাসনা কৰিবা,আৰু তুমি মোকেই স্মৰণ কৰাৰ নিমিত্তে নমাজ প্ৰতিষ্ঠা কৰিবা। নিশ্চয় কিয়ামত নিৰ্দ্ধাৰিত সময় আহিবলগীয়া,মই তাক অনতি পলমে প্ৰকাশ কৰিম,প্ৰত্যেক আত্মাক যেন তাৰ চেষ্টাৰ অনুপাতে প্ৰতিদান দিব পাৰো।(20:15,16)

অৰ্থাৎ আল্লাহ তায়লাই কৈছে,ময়েই আল্লাহ, মোৰ বাহিৰে আন কোনো উপাস্য নাই। গতিকে মোৰেই উপাসনা কৰা। কেৱল আনুষ্ঠানিক এবাদাত নহয়,বৰং পৃথিৱীত মোৰ মহিমা প্ৰতিষ্ঠাৰ নিমিত্তে যি এবাদত তাকে কৰা। স্মৰণ ৰাখিবা এই বাণী প্ৰকাশ কৰাৰ সময় আসন্ন প্ৰায়।মই ইয়াক প্ৰকাশ কৰাৰ বাবে উপকৰণ সৃষ্টি কৰিছোঁ। যাৰ প্ৰতিদান এয়ে হ'ব যে প্ৰত্যেকেই নিজ কৰ্মফল ভোগ কৰিব। হজৰত ওমৰ (ৰাঃ)য়ে যেতিয়া এই বাক্য পৰ্যন্ত পাঠ কৰিলে তেতিয়া সঁচাকৈয়ে তেখেত (ৰাঃ)ৰ মুখৰ পৰা ওলাই পৰিল,কি আশ্চৰ্য্য! কি পৱিত্ৰ বাণী। এই কথা যেতিয়া লুকাই থকা হজৰত খাব্বাব যেতিয়া শ্ৰৱণ কৰিলে,তেতিয়া তেখেত (ৰাঃ)তাৰ পৰা ওলাই আহি কলে,এয়া মাত্ৰ ৰছুলে কৰিম (ছাঃ)ৰ দোৱাৰ ফল।খোদাৰ শপত যোৱা কালি মই শুনিছিলোঁ তেখেত (ছাঃ)য়ে এই দোৱা কৰিছিল। **ইলালী** ওমৰ ইবনে খাত্তাব আৰু ওমৰ ইবনে হিশাম,ইহঁতৰ মাজৰ যিকোনো এজনক তুমি নিশ্চয় ইছলামৰ পিনে হিদায়ত দিয়া,হজৰত ওমৰ (ৰাঃ)য়ে থিয় হৈ কলে,মোক কৈ দিয়া দ্বীনৰ নবী হজৰত মহম্মদ (ছাঃ) ক'ত আছে? তেখেত (ৰাঃ)ক কোৱা হ'ল যে তেখেত (ছাঃ)দাৰুল আৰকামত আছে।

তেখেত (ৰাঃ)য়ে তেতিয়া সেই উন্মুক্ত তৰোৱাল হাতত লৈ সেই ঠাইত উপস্থিত হৈ দৰজাত খুন্দিয়ালে।চাহাবা সকলে দৰ্জাৰ বিন্দাৰে উন্মুক্ত তৰোৱাল লৈ হজৰত ওমৰ (ৰাঃ)ক থিয় হৈ থকা দেখা পালে সিহঁতে এই অৱস্থা দেখি দ্বিধাগ্ৰস্ত হ'ল যে,হয়তো দৰজা খুলি দিয়াৰ লগে লগে হজৰত ওমৰ (ৰাঃ) ঘৰত প্ৰৱেশ কৰি কোনো দুৰ্ঘটনা ঘটাব পাৰে।কিন্তু হজৰত ৰছুলে কৰিম (ছাঃ) য়ে কলে,কি হৈছে ? দৰজা খুলি দিয়া। হজৰত ওমৰ (ৰাঃ)য়ে তৰোৱালৰ সৈতে ঘৰত প্ৰৱেশ কৰিলে। হজৰত ৰছুলে কৰিম (ছাঃ)য়ে তেখেত (ৰাঃ)ৰ ওচৰলৈ আগুৱাই গ'ল আৰু কলে,ওমৰ কি উদ্দেশ্য লৈ আহিছা ? প্ৰতি উত্তৰত হজৰত ওমৰ (ৰাঃ)য়ে কলে,হে ৰছুলুল্লাহ! মই মুছলমান হ'বলৈ আহিছোঁ।এই কথা শুনিয়েই ৰছুলে কৰিম (ছাঃ)য়ে উচ্চস্বৰে কৈ উঠিল **আল্লাহু আকবৰ** (আল্লাহ্ সৰ্বশ্ৰেষ্ঠ)। উপস্থিত সকলো চাহাবা সকলেও একেলগে তকবীৰ দি উঠিল,আল্লাহ আকবৰ। সিহঁতে ইমান জোৰেৰ তকবীৰৰ ধ্বনি উচ্চাৰণ কৰিলে যে,পাৰ্শ্বৱৰ্তী পাহাৰত তাৰ প্ৰতিধ্বনিত হ'ল। এই সংবাদ অলপ সময়ৰ মাজত সমগ্ৰ মক্কা চহৰত বন জুইৰ দৰে বিয়পি পৰিল। পিছত অন্যান্য চাহাবা সকলৰ নিচিনা হজৰত ওমৰ (ৰাঃ)ৰ ওপৰতো একেই অত্যাচাৰ আৰম্ভ হ'ল। কিন্তু সেই ওমৰ (ৰাঃ)য়ে যিজনে ইতিপূৰ্বে মাৰ-পিট হত্যা কাণ্ড ঘটাবলৈ আনন্দ কৰিছিল,তেখেত (ৰাঃ)য়ে নিজেই সেই মাৰ পিট আৰু হত্যা কাণ্ডৰ বলী হৈ আকৌ আনন্দ লভিছে। হজৰত ওমৰ (ৰাঃ)য়ে কৈছে যে,তেওঁ ঈমান অনাৰ পিছত মক্কাৰ প্ৰতিটো গলিত মাৰ খাইছিল।

## মুছলমান সকলক বয়কট কৰা হ'ল

নিৰ্যাতন আৰু অত্যাচাৰৰ সীমালঙ্ঘন ক্ৰমে চলিয়েই থাকিল। কিছু সংখ্যক মানুহ সিহঁতৰ অত্যাচাৰত বিৰক্ত হৈ মক্কা এৰি গুচি গ'ল। আৰু অৱশিষ্ট লোক যিসকল যাব বিচাৰিছিল তেওঁলোকৰ ওপৰত পূৰ্বতকৈ বেছি অত্যাচাৰ হ'ব ধৰিলে। কিন্তু অত্যাচাৰী সকলৰ প্ৰাণ এইখিনিতেই শান্ত হোৱা নাছিল।যেতিয়া সিহঁতে দেখিবলৈ পালে যে,ইমান বেছি অত্যাচাৰ,নিৰ্যাতন কৰা সত্বেও তেওঁলোকৰ হৃদয় অবিচল আছে। ঈমানৰ কোনো ফাঁক মেলা নাই বৰং এক আল্লাহৰ এবাদত পূৰ্বতকৈ অধিক অগ্ৰসৰ হৈছে আৰু হৈয়েই আছে। বিপৰীতে দেৱতা বিলাকৰ প্ৰতি সিহঁতৰ ঘৃণা ভাৱ পূৰ্বতকৈ অধিক হাৰত বৃদ্ধি পাব ধৰিছে। তেতিয়া তেওঁলোকে এখন মজলিছে শুৰা (পৰামৰ্শ সভা) আহ্বান কৰিলে, আৰু এই সিদ্ধান্ত গ্ৰহণ কৰিলে যে,মুছলমান সকলৰ সৈতে সকলো প্ৰকাৰ সম্পৰ্ক ছিন্ন কৰা হ'ব আৰু সিহঁতক সামাজিক ভাৱে বয়কট কৰিব লাগিব।কোনেও যেন সিহঁতৰ ওচৰত কোনো সামগ্ৰী বিক্ৰী নকৰে,কোনো প্ৰকাৰৰ লেন-দেন নকৰে।এই

পৰিস্থিতিত হজৰত মহম্মদ (ছাঃ)য়ে তেখেতৰ অনুসৰণকাৰীৰ কিছু সংখ্যক সিহঁতৰ ল'ৰা-ছোৱালী স্ত্ৰী সহ আৰু আত্মীয়-স্বজন যিসকলে মুছলমান নহলেও তেখেত (ছাঃ)ক এৰিবলৈ টান পাইছিল, সিহঁতে এটা বেলেগ স্থানলৈ গুচি যাবলৈ বাধ্য হ'ল যিখিনি স্থান আবু তালিবৰ অধীনত আছিল তাতে নিৰাপত্তাৰ বাবে স্থান ললে। (ইবনে হিশাম ১ ম খণ্ড,পৃঃ ১৩০,)সিহঁতৰ ওচৰত যেতিয়া কোনো টকা পইচা বয়-বস্তু সঞ্চিত খাদ্য সামগ্ৰী আদিৰ কোনোটোৱেই নাছিল। সিহঁতে এনে কঠোৰ অৱস্থাত কিমান যে দুঃখ কষ্ট সহ্য কৰিছিল সেয়া কেৱল ভোক্তভোগী অবিহনে অন্য কাৰো পক্ষে কল্পনা কৰাও অসম্ভৱ।এই দুৰাৱস্থা প্ৰায় তিনি বছৰ চলিছিল। ইয়াৰ মাজত মক্কাৰ সেই বয়কট সিদ্ধান্তৰ কোনো সাল-সলনি হোৱা নাছিল। প্ৰায় তিনি বছৰ অতিক্ৰম কৰাৰ পাছত মক্কাৰ পাঁচ জন সম্ভ্ৰান্ত ব্যক্তিৰ হৃদয়ত (জুলুম) নিৰ্যাতনৰ বিৰুদ্ধে বিদ্ৰোহৰ সৃষ্টি হ'ল। তেওঁলোকে অৱশেষত শ্বাবে আবু তালিবৰ দৰজাৰ সন্মুখত উপস্থিত হয় আৰু সেই অৱৰুদ্ধ লোক সকলক মাত লগাই কলে যে,সিহঁতে যেন বাহিৰলৈ ওলাই আহে।এনেকি সিহঁতে এইটোও জনালে যে,সিহঁতে বয়কট সিদ্ধান্তত যি সমৰ্থন দিছিল,সেয়া প্ৰত্যাহাৰ কৰিবলৈ প্ৰস্তুত। হজৰত আবু তালিবৰ দীৰ্ঘ দিন সেই অৱৰুদ্ধৰ মাজত থকা বাবে ভোক,তৃষ্ণা আৰু দুঃখ কষ্টত বৰকৈ দুৰ্বল হৈ পৰিছিল। তেওঁ কোনো মতে বাহিৰলৈ ওলাই আহিলে আৰু তেওঁৰ জাতিক তুচ্ছ তাচ্ছিল্ল কৰি কলে যে,সিহঁতৰ এই দীৰ্ঘ জুলুম অত্যাচাৰ কেনেকৈ বৈধ হ'ব পাৰে? সেই পাঁচজন ব্যক্তিৰ বিদ্ৰোহৰ সংবাদ বিদ্যুতৰ নিচিনা সমগ্ৰ চহৰত বিয়পি পৰিল। পুণ্যৰ প্ৰেৰণা পুনৰ শ্বাস গ্ৰহণ কৰিব ধৰিলে।গতিকে মক্কাবাসী সকলে সেই চয়তানী প্ৰতিশ্ৰুতি ভঙ্গ কৰিবলৈ বাধ্য হ'ল।প্ৰতিশ্ৰুতি শেষ হ'ল।কিন্তু তিনি বছৰত ভোক,তৃষ্ণা আৰু দুঃখ কষ্টৰ প্ৰভাৱ কিছু দিনৰ মাজতেই প্ৰকাশ পাব ধৰিলে। হজৰত ৰছুলে কৰিম (ছাঃ)ৰ বিশ্বাসী সহ ধৰ্মিনী হজৰত খাদিজাতুল কুবৰা (ৰাঃ) সেই অৱৰুধ বাসৰ কষ্টৰ পৰিণতিত নিজৰ দেহ ত্যাগ কৰি পৰলোকলৈ গমন কৰে।(ইন্না লিল্লাহি ওৱা ইন্না ইলাইহি ৰাজিউন), ইয়াৰ এক মাহ পাছত হজৰত আবু তালিবৰ ইহলীলা সম্বৰণ কৰি পৰলোকলৈ গমন কৰিলে।(ইন্না লিল্লাহি ওৱা ইন্না ইলাইহি ৰাজিউন)

## হজৰত মহম্মদ (ছাঃ)ৰ তায়েফ চহৰ ভ্ৰমণ

হজৰত মহম্মদ (ছাঃ) আৰু তেখেত (ছাঃ)ৰ চাহাবী সকল এতিয়া হজৰত আবু তালিবৰ মৰম স্নেহ আৰু সহায়তাৰ আশ্ৰয়ৰ পৰা বঞ্চিত হ'ল। আনহাতে ৰছুলে কৰিম (ছাঃ)ৰ গৃহ জীৱনৰ সহ ধৰ্মিনী হজৰত খাদিজাতুল কুবৰা (ৰাঃ)ও তেখেত (ছাঃ)ক

এৰি ইহজগতৰ পৰা চিৰ বিদায় ললে।এই দুই জনৰ মৃত্যুত স্বাভাৱিকতে সেইসকল লোকেও তেখেত (ছাঃ) আৰু চাহাবা সকলৰ প্ৰতি সহানুভূতি হ্ৰাস পালে; যি সকলে উক্ত ব্যক্তিৰ সম্পৰ্কৰ খাতিৰত জালেম সকলৰ অত্যাচাৰ প্ৰতিৰোধ কৰাৰ চেষ্টা কৰিছিল। আবু তালিবৰ মৃত্যুত শোক আৰু তেওঁৰ অচিয়তৰ বাবে সৰু ভাই আবু লাহাব হজৰত মহম্মদ (ছাঃ)ক কিছু দিন সহায়তা দান কৰে। কিন্তু যেতিয়া মক্কাবাসী সকলে তেওঁৰ উত্তেজনাক এই বুলি উচটনি দিলে যে,মহম্মদ (ছাঃ)য়ে সেই সকল যিসকলে একত্ববাদৰ বিশ্বাসী নহয় সিহঁতৰ সকলোকে পাপী আৰু শাস্তিৰ যোগ্য বুলি ভাৱে। তেতিয়া আবু লাহাবও নিজৰ মুৰ্খামীৰ বাবে উত্তেজিত হৈ তেখেত (ছাঃ)ক সহায়তা দান বন্ধ কৰি দিলে আৰু প্ৰতিজ্ঞা কৰিলে যে,সি পূৰ্বতকৈ অধিক বিৰোধীতা কৰিব। তিনি বছৰ পৰ্যন্ত অৱৰুদ্ধ জীৱন-যাপনৰ বাবে মানুহে যিহেতু নিজা বন্ধু-বান্ধৱ আৰু আত্মীয়-স্বজনৰ পৰা বিছিন্ন হৈছিল। সেই হেতুকে মক্কাবাসী সকলৰ মুছলমান সকলৰ সৈতে কথা বতৰা নকোৱা অভ্যস্থ হৈ পৰিছিল। ফল স্বৰূপে প্ৰচাৰ কাৰ্য্যৰ সুযোগও সীমিত হৈ পৰিছিল। হজৰত ৰছুলে কৰিম (ছাঃ)য়ে যেতিয়া এই পৰিস্থিতি লক্ষ্য কৰিলে,তেতিয়া তেখেত (ছাঃ)য়ে সিদ্ধান্ত গ্ৰহণ কৰিলে যে,তেখেত (ছাঃ) মক্কাৰ সলনি তায়েফ চহৰলৈ যাব আৰু তাৰ লোক সকলক ইছলামৰ আমন্ত্ৰণ জনাব। বিষয়টোক লৈ যেতিয়া তেখেত (ছাঃ)য়ে চিন্তা-চৰ্চা কৰিলে তেতিয়াই মক্কাবাসীৰ প্ৰবল বিৰোধীতাত,এই ক্ষেত্ৰত তেখেত (ছাঃ)ক আৰু বেছি উদ্যত কৰি তুলিলে। প্ৰথমে মক্কাবাসী সকলে কোনো কথাই শুনিবলৈ সন্মত নাছিল। দ্বিতীয়তে, সিহঁতে আন এক নতুন পন্থা অৱলম্বন কৰিছিল। সিহঁতে মহম্মদ (ছাঃ)ক বাটত চলা-ফুৰা বন্ধ কৰি দিছিল। যেতিয়াই তেখেত (ছাঃ) বাটত ওলাই আহিছিল;তেতিয়াই সিহঁতে মহম্মদ (ছাঃ)ৰ মূৰত ধূলি-মাটি দলিয়াই দিছিল যাতে তেখেত (ছাঃ)য়ে কাৰো সৈতে সাক্ষাৎ আৰু কথা-বতৰা পাতিব নোৱাৰে।এদিনাখন এই অৱস্থাতেই তেখেত (ছাঃ)য়ে ঘৰলৈ উভতি আহিলত নিজৰ কন্যা তেখেত (ছাঃ)ৰ সেই ধূলি-মাটি পৰিষ্কাৰ কৰোঁতে ক্ৰন্দন আৰম্ভ কৰি দিলে। তেখেত (ছাঃ)য়ে কলে,আই নাকান্দিবা,নিশ্চয় জানিবা, আল্লাহ তায়লা তোমাৰ দেউতাৰ লগতে আছে। (ইবনে হিশাম ১ ম খণ্ড,পৃঃ ১৪৫)তেখেত (ছাঃ)য়ে অৱশ্যে দুঃখ কষ্টৰ বাবে ভীত নহৈছিল,কিন্তু অসুবিধাটো আছিল যে,মানুহে তেখেত (ছাঃ)ৰ কথা শুনিবলৈ ইচ্ছা কৰা নাছিল।

দুঃখ কষ্ট তেখেত (ছাঃ)য়ে প্ৰয়োজনীয়েই বুলি ভাৱিছিল। বৰঞ্চ তেখেত (ছাঃ)ৰ বাবে সেই দিন আটাইতকৈ কঠিন কষ্টকৰ আছিল; যিদিনাখন কোনোৱে তেখেত (ছাঃ)ক কোনো ধৰণৰ কষ্ট দিয়া নাছিল। লিখিত আছে যে,এদিনাখন তেখেত (ছাঃ)য়ে

মক্কাৰ অলিয়ে গলিয়ে তবলিগৰ বাবে ওলাই পৰিল। সেই দিনা বিশেষ কোনো প্ৰথা অনুসৰি হজৰত মহম্মদ (ছাঃ)ৰ সৈতে কোনো গোলাম, কোনো মুক্তি প্ৰাপ্ত ব্যক্তি কোনেও তেখেত (ছাঃ)ৰ লগত কোনো কথা নকলে আৰু কোনো কষ্টও নিদিলে।ইয়াৰ বাবে হজৰত মহম্মদ (ছাঃ)দুঃখ বেদনা আৰু চিন্তাত ইমান ভাৰাক্ৰান্ত হৈ পৰিল যে,শেষত শুই পৰিল।শেষ পৰ্যন্ত খোদা তায়লা নিজেই তেখেত (ছাঃ)ক শান্তনা দি কলে,যোৱা তোমাৰ জাতিক পুন:পুন: সতৰ্ক কৰি দিয়া আৰু সিহঁতক কোনো ভয় নকৰিবা।গতিকে ৰছুলে কৰিম (ছাঃ)ৰ কাৰণে এই কথা প্ৰযোজ্য নহয় যে,মানুহে তেখেত (ছাঃ)ক দুঃখ দিলে,হজৰত মহম্মদ (ছাঃ) ব্যথিত হৈ পৰিল। কিন্তু এইটো সঠিক যে তেখেত (ছাঃ)এজন আল্লাহৰ প্ৰিয় নবী যিজনে পৃথিৱীক হিদায়ত দান কৰাৰ বাবে প্ৰেৰিত হৈছিল। তেখেত (ছাঃ)য়ে ইয়াক সহ্য কৰিব নোৱাৰিছিল যে,মানুহে তেখেত (ছাঃ)ৰ সৈতে কথা নকব আৰু তেখেত (ছাঃ)ৰ কথা শুনিবলৈ ইচ্ছা নকৰিব।

এই ধৰণৰ নিষ্কৰ্ম জীৱনে তেখেত (ছাঃ)ক আটাইতকৈ বেছি কষ্ট দিছিল। সেই বাবে তেখেত (ছাঃ)য়ে দৃঢ় সিদ্ধান্ত গ্ৰহণ কৰিছিল যে,তেখেত (ছাঃ)য়ে তায়েফ চহৰলৈ যাব আৰু তায়েফ চহৰৰ মানুহৰ ওচৰত খোদা তায়লাৰ বাণী প্ৰচাৰ কৰিব। খোদা তায়লাৰ নবী সকলৰ বাবে এয়া নিৰ্দ্ধাৰিত যে সিহঁতে ইফালে সিফালে যাব আৰু বিভিন্ন গোত্ৰৰ মানুহৰ ওচৰত এই পয়গাম প্ৰচাৰ কৰি থাকিব। হজৰত মুছা (আঃ)য়েও একেই কাৰ্য্য কৰিছিল; কেতিয়াবা ফিৰাউনৰ লোকৰ ওচৰত কেতিয়াবা আকৌ ইছ্‌হাকৰ বংশধৰৰ ওচৰত খোদাৰ বাণী প্ৰেৰণ কৰিছিল।কেতিয়াবা মদয়ানৰ লোক সকলৰ ওচৰত এক খোদাৰ বাণী প্ৰচাৰ কৰিছিল। হজৰত ঈছা (আঃ)তবলিগৰ উদ্দেশ্যত কেতিয়াবা গ্যালিলিৰ মানুহৰ ওচৰত,কেতিয়াবা জৰ্দান নদীৰ পাৰৰ মানুহৰ ওচৰত,কেতিয়াবা জেৰুজালেমৰ মানুহৰ ওচৰত আৰু অন্যান্য লোক সকলৰ ওচৰতো গৈছিল, আৰু একত্ববাদৰ কথা আলোচনা কৰিছিল।

যেতিয়া মক্কাৰ মানুহে আৰু কোনো কথায়েই শুনিব নিবিচাৰিছিল আৰু এই সিদ্ধান্তও গ্ৰহণ কৰিছিল যে,কেৱল মাৰা আৰু পিটা কিন্তু সিহঁতৰ কোনো কথা নুশুনিবা। তেতিয়া তেখেত (ছাঃ)য়ে তায়েফ চহৰৰ পিনে দৃষ্টি আকৰ্ষণ কৰিছিল। মক্কা চহৰৰ পৰা তায়েফ চহৰ দক্ষিণ পূৰ্বত ৬০ মাইল দূৰত অৱস্থিত। ফল-মূল আৰু খেতি-বাতিৰ বাবে ই বিখ্যাত আছিল।এই চহৰখনো পৌত্তলিকতাত মক্কাতকৈ কোনো ক্ষেত্ৰতেই কম নাছিল।কাবা ঘৰত সংৰক্ষিত মূৰ্তিবিলাকৰ সদৃশ মূৰ্তি থকাৰ বাহিৰেও লাত নামৰ এখন বিখ্যাত প্ৰতিমা তায়েফৰ মৰ্যাদাৰ প্ৰতিক আছিল। যাৰ পূজাৰ বাবে আৰবৰ দূৰ-দূৰণিৰ

পৰা তীৰ্থযাত্ৰা সকল তায়েফ চহৰলৈ আহিছিল,আনকি তায়েফ চহৰৰ মানুহবিলাকৰ সৈতে মক্কাবাসী সকলৰ আত্মীয়তাৰ বন্ধনো আছিল। তায়েফ চহৰ আৰু মক্কা চহৰৰ মধ্যবৰ্তী অঞ্চলত মক্কাবাসী সকলৰ বহু খেতি-বাতি আৰু সা-সম্পত্তিয়ো আছিল। তেখেত (ছাঃ)য়ে তায়েফ বস্তিত উপস্থিত হ'ল। তেতিয়া তাৰ মানুহবিলাকৰ নেতৃ-বৃন্দই হজৰত মহম্মদ (ছাঃ)ৰ সৈতে সাক্ষাৎ কৰিবলৈ আহিব ধৰিলে।কিন্তু কোনেও সত্য গ্ৰহণ কৰিবলৈ সন্মত নহ'ল। সাধাৰণ মানুহেও সিহঁতৰ নেতৃ-বৃন্দৰ অনুসৰণ কৰিলে, আৰু খোদাৰ পয়গাম্বৰৰ প্ৰতি ঘৃণা প্ৰদৰ্শন কৰিব ধৰিলে। সাধাৰণতে পাৰ্থিৱ লোকৰ দৃষ্টিত অসহায় সম্বলহীন নবী সকল ঘৃণাৰ পাত্ৰ হৈয়ে থাকে। সিহঁতে শুনিব বিচাৰে জনতাৰ ধ্বনি। সিহঁতৰ ওচৰত আঁহজৰত (ছাঃ)ৰ সংবাদ আগতেই গৈছিল।তেখেত (ছাঃ)য়ে যেতিয়া তায়েফ বস্তিত উপস্থিত হ'ল তেতিয়া সিহঁতে দেখিলে যে,হজৰত মহম্মদ (ছাঃ)ৰ সৈতে কোনো লোক,সৈন্যদল আৰু অস্ত্ৰ-শস্ত্ৰ একো নাই।কেৱল হজৰত জায়েদ (ৰাঃ)ক লগত লৈ সমগ্ৰ তায়েফৰ প্ৰসিদ্ধ অঞ্চলবোৰত তবলিগ (প্ৰচাৰ) কাৰ্য্য চলাই গৈছে। সেই ঠাইৰ হৃদয়ৰ অন্ধ মানুহবিলাকে দেখিলে যে,সিহঁতৰ সন্মুখত খোদাৰ কোনো নবী নহয়,বৰং এটা অতি সাধাৰণ আৰু প্ৰতাৰণা খোৱা মানুহ ঘূৰি ফুৰিছে। সিহঁতে এই কথা ভাৱিলে যে,তেখেত (ছাঃ)ক দুঃখ কষ্ট দিলে আমাৰ গোত্ৰৰ নেতা সকলৰ ওচৰত প্ৰশংসা লাভ কৰিম। এদিনাখন সিহঁতে এক গোট হ'ল লগতে সকলো দেউলীয়া ল'ৰাহঁতক আৰু কুকুৰৰ দল ললে। সিহঁতে ল'ৰাহঁতক সমৱেত কৰিলে আৰু প্ৰত্যেকেই মোনা ভৰ্তি কৰি শিলৰ টুকুৰা ললে। পাছত হজৰত মহম্মদ (ছাঃ)ৰ ওপৰত নিৰ্মম ভাৱে সেই শিলৰ টুকুৰাবোৰ নিক্ষেপ কৰিব ধৰিলে।সিহঁতে তেখেত (ছাঃ)ক অবিৰাম ভাৱে শিলগুটি নিক্ষেপ কৰি কৰি একেবাৰে চহৰৰ বাহিৰত লৈ গ'ল।তেখেত (ছাঃ)ৰ দুখন ভৰি ৰক্তাক্ত হৈ উঠিছিল।হজৰত জায়েদ (ৰাঃ)য়ে হজৰত মহম্মদ (ছাঃ)ক বচাবলৈ চেষ্টা কৰাত বেয়াকৈ আঘাত প্ৰাপ্ত হৈছিল। কিন্তু এইখিনিতেও জালিম (অত্যাচাৰী)সকলৰ প্ৰাণ শীতল নহ'ল। সিহঁত তেখেত (ছাঃ)ৰ পাছ এৰা নাছিল।শিল গুটি বৰ্ষণ কৰি কৰি পিছে পিছে আহিয়েই থাকিল। যেতিয়ালৈকে চহৰৰ পৰা কেইবা মাইল দূৰত অৱস্থিত এটি পাহাৰত উপস্থিত নহয় তেতিয়ালৈকে সিহঁতে হজৰত মহম্মদ (ছাঃ)ৰ পিছা এৰা নাছিল।এই মানুহবিলাকে যেতিয়া তেখেত (ছাঃ)ৰ পিছে পিছে দৌৰিছিল তেতিয়া তেখেত (ছাঃ)য়ে এই কথা ভাৱি ভীত হৈছিল যে,খোদাৰ গজব (শাস্তি) যেন সিহঁতৰ ওপৰত নপৰে। তেখেত (ছাঃ)য়ে আকাশৰ পিনে চাইছিল আৰু কাতৰ প্ৰাণত প্ৰাৰ্থনা কৰিছিল,হে আল্লাহ! তুমি সিহঁতক ক্ষমা কৰি দিয়া,কিয়নো সিহঁতে কি কৰিছে নাজানে। ক্ষত-বিক্ষত হৈ আৰু মানুহৰ খেদা খাই খাই তেখেত (ছাঃ)ৰ শৰীৰত চলা শক্তি নোহোৱা হৈছিল।এই অৱস্থাত তেখেত (ছাঃ)য়ে

এটি আঙ্গুৰৰ বাগিছাৰ ছাঁত আশ্ৰয় লৈছিল। সেই নেতা সকলে সেই সময়ত সেই বাগিছাত আহিল;যি সকলে হজৰত মহম্মদ(ছাঃ)ৰ ঘোৰ শত্ৰু আছিল আৰু ১০ বছৰ ধৰি তেখেত (ছাঃ)ৰ তীব্ৰ বিৰোধীতা কৰি আহিছিল। হ'ব পাৰে যে,সেই সময়ত সিহঁতৰ মনত এনে এক ভাৱৰ উদয় হৈছিল যে,হায় মক্কাৰ এজন ব্যক্তিকো তায়েফবাসী সকলে এনেকৈ জখম কৰিছে। অথবা ইও হ'ব পাৰে যে,সেই সময়ত তেওঁলোকৰ হৃদয়ৰ মাজত পুণ্যৰ প্ৰেৰণাই হাত বাউল দি মাতি আছিল।সিহঁতে এক থালি আঙ্গুৰ দি **আচ্ছাদ** নামৰ গোলামক আদেশ দিলে,যোৱা এই থালিখন মুছাফিৰ সকলক দি আহা।**আচ্ছাদ** এজন নিনেভাৰ  অধিবাসী আৰু খ্ৰীষ্টান আছিল। যেতিয়া তেওঁ আঙ্গুৰৰ থালাখন হজৰত মহম্মদ (ছাঃ)ৰ সন্মুখত ৰাখিলে আৰু যেতিয়া তেখেত (ছাঃ)য়ে সেই আঙ্গুৰ বিছমিল্লাহিৰ ৰহমানিৰ ৰাহিম বুলি গ্ৰহণ কৰিলে,তেতিয়া তেওঁৰ হৃদয়ত খৃষ্ট ধৰ্মৰ স্মৃতি পুনৰ উদয় হ'ল।তেওঁৰ মনত হ'ল তেওঁৰ সন্মুখত এজন খোদাৰ নবী বহি আছে যিজনে ইজৰাইলী নবীসকলৰ দৰে কথা কয়। তেওঁক হজৰত ৰছুলে কৰিম (ছাঃ)য়ে সুধিলে,তোমাৰ দেশৰ নাম কি ? উত্তৰত সি যেতিয়া কলে, নিনেভা। তেতিয়া তেখেত (ছাঃ)য়ে কলে,সেই সাধু পুৰুষ হজৰত ইউনুচ (আঃ) যিজন মাত্তাৰ পুত্ৰ আৰু নিনেভাৰ বাসিন্দা আছিল।তেওঁৰো মোৰ দৰে এজন আল্লাহ তায়লাৰ নবী আছিল।তেখেত (ছাঃ)য়ে তেতিয়া আচ্ছাদৰ ওচৰত তবলিগ আৰম্ভ কৰিলে। আচ্ছাদৰ চিন্তাযুক্ত হৃদয়ৰ মাজত বিস্ময়ত ভৰি পৰিল আৰু এই বিষ্ময়ে তাৰ হৃদয়ত পৰিৱৰ্তন সাধন কৰিলে। অতি কম বয়সৰ ভিতৰতে সেই অপৰিচিত কৃতদাস অশ্ৰুভৰা নয়নত আঁহজৰত (ছাঃ)ৰ পদতলে দীঘল হৈ পৰি গ'ল আৰু তেখেত (ছাঃ)ৰ হাত ভৰিত চুম্বন কৰিব ধৰিলে।আচ্ছাদৰ সৈতে কথা শেষ কৰি হজৰত মহম্মদ(ছাঃ)য়ে আল্লাৰ প্ৰতি এই পাৰ্থনা কৰিব ধৰিলে।

اَللّٰهُمَّ اِلَيْكَ اَشْكُوْ ضُعْفَ قُوَّتِيْ وَقِلَّةَ حِيْلَتِيْ وَ هَوَ انِيْ عَلَى
النَّاسِ يَاأَرْحَمَ الرَّاحِمِيْنَ اَنْتَ رَبُّ الْمُسْتَضْعَفِيْنَ وَاَنْتَ رَبِّيْ اِلٰى
مَنْ تَكِلُنِيْ اِلٰى بَعِيْدٍ يَتَجَهَّمُنِيْ اَمْ اِلٰى عَدُوٍّ مَلَكْتَهٗ اَمْرِيْ اِنْ لَّمْ
يَكُنْ بِكَ عَلَيَّ غَضَبٌ فَلاَ اُبَالِيْ  وَلٰكِنْ عَافِيَتُكَ هِيَ اَوْسَعُ لِيْ۔
اَعُوْذُ بِنُوْرِ وَجْهِكَ الَّذِيْ اَشْرَقَتْ لَهُ الظُّلُمٰتُ وَصَلُحَ عَلَيْهِ
اَمْرُ الدُّنْيَا وَالْاٰخِرَةِ مِنْ اَنْ تُنَزِّلَ بِيْ غَضَبَكَ اَوْيَحِلَّ عَلَيَّ سَخَطُكَ
لَكَ الْعُقْبٰى حَتّٰى تَرْضٰى وَلَاحَوْلَ وَلَاقُوَّةَ اِلَّابِكَ

অৰ্থঃ হে মোৰ আল্লাহ! মই তোমাৰ ওচৰত মোৰ দুৰ্বলতা, মান সন্মান লাঘৱ আৰু মানুহৰ চকুত নিজকে প্ৰতিপন্ন হোৱাৰ অভিযোগ কৰিছোঁ। কিন্তু তুমি দৰিদ্ৰ আৰু দুৰ্বল সকলৰ খোদা। তুমি মোৰো খোদা। তুমি মোক কাৰ হাতত এৰিবা ? অপৰিচিত (অচিনাকী) সকলৰ হাতত নে যি সকলে মোক ইফাল সিফালে খেদি ফুৰে বা সেই শত্ৰুসকলৰ হাতত যিসকলে মোৰ জন্মভূমিত মোৰ ওপৰত বিজয় লাভ কৰিছে ? যদি মোৰ ওপৰত তোমাৰ কোনো ক্ৰোধ নাথাকে তেনেহলে মই সেই শত্ৰু সকলক মুঠেই ভয় নকৰো। তোমাৰ কৃপা নিশ্চয় মোৰ সৈতে আছে তোমাৰ নিৰাপত্তা মোৰ বাবে যথেষ্ট শান্তিময়।মই তোমাৰ আকৃতিৰ জ্যোতিৰ মাজত আশ্ৰয় গ্ৰহণ কৰিছোঁ। ই কেৱল তোমাৰ বাবেই সম্ভৱ যে তুমি পৃথিৱীৰ পৰা অন্ধকাৰ দুৰীভূত কৰা আৰু সকলোকে ইহজগতৰ আৰু পৰজগত উভয়তে শান্তি দান কৰা। তোমাৰ ক্ৰোধ আৰু শাস্তি যেন মোৰ ওপৰত বৰ্ষিত নহয়। তুমি নিশ্চয় এই কাৰণেই অসন্তুষ্ট হোৱা, পৰক্ষণতেই আকৌ সন্তুষ্ট হ'ব পাৰা। তোমাৰ অবিহনে তো মোৰ কোনো গতিকাৰ শক্তি নাই আৰু আশ্ৰয় নাই। (ইবনে হিশাম,1ম খণ্ড, পৃ: 147)

এই প্ৰাৰ্থনা (দোৱা) কৰাৰ পাছত দ্বীনৰ নবী হজৰত মহম্মদ মুস্তফা (ছাঃ)য়ে পুনৰ মক্কা চহৰৰ পিনে যাত্ৰা কৰিলে। কিন্তু মাজ বাটত **নাখলা** নামৰ স্থানত অৱস্থান কৰিলে। তাত কেইদিন মান অতিক্ৰম কৰাৰ পিছত পুনৰ মক্কা অভিমুখে যাত্ৰা আৰম্ভ কৰিলে। কিন্তু আৰবৰ ঐতিহ্য অনুসৰি যুদ্ধৰ কাৰণে মক্কা এৰি গুচি যোৱাৰ পাছত তেওঁ মক্কাৰ নাগৰিকৰ পৰা বঞ্চিত হৈছিল। এতিয়া মক্কাবাসী সকলে হজৰত মহম্মদ (ছাঃ)ক পুনৰ মক্কাত প্ৰৱেশ কৰিবলৈ দিয়া নিদিয়া সিহঁতৰ ইচ্ছাধীন। এই কাৰণে তেখেত (ছাঃ)য়ে মুতায়েম বিন আদি নামৰ নেতাক কৈ পঠালে, মই মক্কাত প্ৰৱেশ কৰিব বিচাৰোঁ, তুমি আৰবৰ প্ৰথা অনুসৰি মোক প্ৰৱেশ কৰিবলৈ অনুমতি দিবানে ? মুতায়েম এজন ঘোৰ শত্ৰু আছিল সঁচা, কিন্তু ভদ্ৰলোক আছিল। তেওঁ তাৰ ল'ৰাহঁতক আৰু আত্মীয়-স্বজনক লগত লৈ অস্ত্ৰসহ কাবা ঘৰৰ প্ৰাঙ্গণত উপস্থিত হ'ল আৰু হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত এই সংবাদ প্ৰেৰণ কৰিলে যে, সি হজৰত ৰছুল কৰিম (ছাঃ)ক মক্কাত প্ৰৱেশৰ অনুমতি প্ৰদান কৰিছে। আঁহজৰত (ছাঃ) মক্কাত প্ৰৱেশ কৰি কাবা শ্বৰীফ প্ৰদক্ষিণ কৰিলে আৰু মুতায়েম আত্মীয়-স্বজন আৰু পুতেকহঁতক লগত লৈ সহস্ৰে তেখেত (ছাঃ)ক নিজা ঘৰ পৰ্য্যন্ত আগুৱাই দিয়াৰ বাবে আহিল। কিন্তু প্ৰকৃততে ই কোনো নিৰাপত্তা নাছিল। কাৰণ, ইয়াৰ পাছতো পূৰ্বৰ নিচিনা হজৰত ৰছুলে কৰিম (ছাঃ)ৰ ওপৰত নিৰ্য্যাতন চলিয়েই থাকিল। এই ক্ষেত্ৰত মুতায়েম তেখেত (ছাঃ)ৰ বাবে কোনো সুৰক্ষাৰ ব্যৱস্থা কৰিব নোৱাৰিলে। বৰং ই মাত্ৰ মক্কাত প্ৰৱেশৰ এক আইনতাত ব্যৱস্থা আছিল মাথোন।

হজৰত মহম্মদ মুস্তফা (ছাঃ)ৰ তায়েফ ভ্ৰমণ সম্পৰ্কত শত্ৰুসকলে এই কথা স্বীকাৰ কৰিবলৈ বাধ্য হৈছিল যে, এই ভ্ৰমণত তেখেত (ছাঃ) অতুলণীয় আত্মত্যাগ আৰু দৃঢ়তাৰ এক উজ্জ্বল দৃষ্টান্ত স্থাপন কৰিছিল। ছাৰ উইলিয়াম মুইৰ তেওঁৰ **লাইফ অফ মুহাম্মদ** পুস্তকত লিখিছে;

There is something lofty and heroic in this journey of Mahammad to At-Taif; a solitary man despised and rejected by his own people, going boldlyforth in the name of God, like Jonah, to Nineveh, and summoning an idolatrous city to repent and support his mission. It sheds a strong light on the intensity of his belief in the divine of his calling......

(Life of Mahammad by Sir W. Muir. 1923 edition, pp 112-113)

অৰ্থঃ মহম্মদ (ছাঃ)ৰ তায়েফ ভ্ৰমণৰ মাজত উন্নত মহিমা আৰু সাহসিকতা বিদ্যমান। এজন অকলশৰীয়া মানুহ যি নিজৰ জাতিৰ মানুহৰ দ্বাৰা অৱহেলিত আৰু প্ৰত্যাখ্যিত, তেখেত (ছাঃ)ৰ দৰে এখন মূৰ্ত্তি পূজাৰী চহৰক অনুতপ্ত হোৱাৰ বাবে আৰু তেখেত (ছাঃ)ৰ মিশ্বনক (mission) সমৰ্থন কৰিবলৈ আহ্বান জনাইছে। এই আহ্বানে তেখেত (ছাঃ)ৰ ঐশী উৎসৰ প্ৰতি যে গভীৰ বিশ্বাস, তাক উজ্জ্বল আলোকে উদ্ভাসিত কৰি তুলিছে।

মক্কাত আকৌ তেখেত (ছাঃ)ৰ ঠাট্টা বিদ্ৰূপৰ আৰু শত্ৰুতাৰ বাট মুকলি কৰি দিলে। আকৌ খোদাৰ নবীৰ বাবে নিজৰ জন্ম ভূমি জাহান্নামত পৰিণত হ'ল। তথাপি হজৰত মহম্মদ (ছাঃ) সাহসিকতাৰ সৈতে মানুহৰ ওচৰত খোদা তায়লাৰ বাণী প্ৰচাৰ কৰিয়েই থাকিল। মক্কাৰ বাট-পথে অলিতে-গলিতে, **আল্লাহ এক, আল্লাহ এক** ধ্বনি উচ্চাৰিত হ'ব লাগিল। প্ৰেম, মৰম-স্নেহ, শ্ৰদ্ধা আৰু সহ মৰ্মিতাৰ সৈতে আৰব বাসীৰ ওচৰত তেখেত (ছাঃ)য়ে মূৰ্ত্তি পূজাৰ বিৰুদ্ধে প্ৰচাৰ কাৰ্য্য চলাই থাকিল। মানুহে যদি আঁতৰি গৈছিল, তেখেত (ছাঃ) সিহঁতৰ পিছে-পিছে গৈছিল। মানুহে বিমুখ কৰিলে, তেখেত (ছাঃ)য়ে নিজৰ কথা কৈয়েই থাকিছিল। লাহে লাহে সত্য চাৰিওফালে বিয়পি পৰিছিল। আবু ছিনিয়াৰ পৰা উভতি অহা মুছলমান সকলে গোপনে সিহঁতৰ বন্ধু-বান্ধৱ, আত্মীয়-স্বজন, লগৰীয়া আৰু প্ৰতিৱেশীৰ ওচৰত ইছলামৰ প্ৰচাৰ চলাই গৈছিল। বহুতৰেই হৃদয় ঈমানৰ আলোকত আলোকিত হৈছিল আৰু প্ৰকাশ্যে সিহঁতৰ ঈমানৰ কথা ঘোষণা কৰিছিল আৰু নিজৰ লগৰীয়াসকলৰ সৈতে মাৰ-পিট খাইছিল লগতে দুঃখ কষ্টৰ সমভাগী (অংশীদাৰ) হৈছিল। কিন্তু এনে কিছুমান লোকো আছিল, যি সকলে সত্যৰ

পোহৰ দেখা পাইছিল অথচ গ্ৰহণ কৰাৰ সৌভাগ্য হোৱা নাছিল। সিহঁতে সেই দিনৰ বাট চাই আছিল, যিদিনাখন পৃথিৱীত খোদাৰ ৰাজত্ব প্ৰতিষ্ঠা হ'ব; সিহঁতে তাত প্ৰৱেশ কৰিব।

## মদীনা বাসী সকলৰ ইছলাম গ্ৰহণ

হজৰত ৰছুলে কৰিম (ছাঃ)ক ঠিক এই সময়ত আল্লাহৰ ফালৰ পৰা বাৰে বাৰে এই সংবাদ দিয়া হৈছিল যে,তেখেত (ছাঃ)ৰ হিজৰতৰ সময় আহিছে, আৰু ইও দেখোৱা হৈছিল যে,হিজৰতৰ স্থান হ'ব এনে এটি চহৰ য'ত বহু পানীৰ কুৱা আছে আৰু খেজুৰ গছৰ বাগিছা আছে।(বুখাৰী বাব হিজৰাতুননাবী) প্ৰথমে তেখেত (ছাঃ)য়ে ভাৱিছিল যে এই হিজৰতৰ স্থানটি হ'ব ইয়ামামা। কিন্তু অতি সোনকালে এই ধাৰণা তেখেত (ছাঃ)ৰ মনৰ পৰা আঁতৰ কৰি দিয়া হয়। তেখেত (ছাঃ)য়ে এই অপেক্ষাত থাকিল যে,খোদা তায়লাৰ শুভ-সংবাদ অনুসৰি যি চহৰেই নহঁওক কিয় তাক সি ইছলামৰ সুঁতিকা গাৰত পৰিণত কৰিব।এনেতে হজৰ সময় আহিল। আৰবৰ পৰা লোক হজৰ নিমিত্তে মক্কাত আহি সমবেত হ'ব ধৰিলে। হজৰত মহম্মদ (ছাঃ)য়ে অভ্যাস অনুসৰি য'ত মানুহ সমবেত হোৱা দেখে,তাতেই গৈ সিহঁতৰ মাজত তৌহিদৰ বাণী প্ৰচাৰ কৰিব ধৰিলে,আৰু খোদা তায়লাৰ ৰাজত্বৰ শুভ-সংবাদ দিব ধৰিলে।আনকি অপকৰ্ম,দুষ্কৃতি,অত্যাচাৰ,নিৰ্যাতন আৰু বিবাদ ইত্যাদি পৰিহাৰ কৰাৰ বাবে উপদেশ দিব লাগিল। বহু লোকে তেখেত (ছাঃ)ৰ কথা শুনি বিষ্ময় প্ৰকাশ কৰি গুচি গৈছিল। আকৌ বহুতে তেখেত (ছাঃ)ৰ কথা আগ্ৰহৰে শ্ৰৱণ কৰিব বিচাৰিছিল। কিন্তু মক্কাবাসী সকলে সিহঁতক তাৰ পৰা আঁতৰাই দিছিল। যি সকলে মক্কাবাসীৰ পৰা তেখেত (ছাঃ)ৰ বিষয়ে পূৰ্বতেই জানিছিল। সিহঁতে হাঁহি ঠাট্টা কৰি গুচি গৈছিল।এই অৱস্থাত এদিন যেতিয়া হজৰত মহম্মদ (ছাঃ)য়ে মীনা উপত্যকাত বহি গল্প কৰি আছিল তেতিয়া মদিনাৰ ৬/৭ জন মান লোকৰ প্ৰতি তেখেত (ছাঃ)ৰ দৃষ্টি পৰিছিল।(বুখাৰি বাব হিজৰাতুন্নাবী (ছাঃ) ) হজৰত মহম্মদ (ছাঃ)য়ে সিহঁতক সুধিলে,তোমালোকে কোন গোত্ৰৰ মানুহ? সিহঁতে উত্তৰত কলে,খজৰুজ কবিলাৰ। তেখেত (ছাঃ)য়ে পুনৰ কলে,সেই কবিলা,যি সকলে ইহুদী সকলৰ মিত্ৰ? সিহঁতে কলে, হয়! তেখেত (ছাঃ)য়ে কলে আপোনালোকে মোৰ ওচৰত বহি কিছু সময় মোৰ কথা শুনিবনে? মানুহবিলাকে যিহেতু ইতিপূৰ্বে তেখেত (ছাঃ)ৰ বিষয়ে অৱগত আছিল,আৰু তেখেত (ছাঃ)ৰ দাবী সম্পৰ্কে মনে মনে জনাৰ ইচ্ছাও আছিল।সেই হেতুকে সিহঁতে এই প্ৰস্তাৱত সন্মত হ'ল আৰু একেলগে বহি তেখেত (ছাঃ)ৰ কথা-বতৰা শুনি থাকিল। হজৰত মহম্মদ

(ছাঃ)য়ে সিহঁতক কলে,খোদা তায়লাৰ ৰাজত্ব আসন্ন প্ৰায়।এতিয়া পৃথিৱীৰ পৰা মূৰ্তি পূজা দূৰীভূত হ'ব আৰু খোদাৰ একত্ববাদ পৃথিৱীত প্ৰতিষ্ঠা হ'ব। পুণ্য কৰ্ম আৰু ধৰ্মপৰায়ণতা পুনৰ এবাৰ পৃথিৱীত প্ৰতিষ্ঠা হৈ যাব। মদিনাবাসী সকলে এই মহান (ক্ষমতা) গ্ৰহণ কৰিবলৈ সন্মত হ'বনে? সিহঁতে হজৰত মহম্মদ (ছাঃ)ৰ কথা শ্ৰৱণ কৰিলে আৰু প্ৰভাৱিত হ'ল। সিহঁতে কলে,আপোনাৰ শিক্ষা আমি গ্ৰহণ কৰিছোঁ। কিন্তু বাকী থাকিল মদিনা বাসীয়ে ইছলামক আশ্ৰয় দিবলৈ সন্মত হ'ব নে নাই। এই বিষয়ে আমি আমাৰ দেশলৈ গৈ নিজা গোত্ৰৰ মানুহ বিলাকৰ সৈতে আলোচনা কৰিম। অহা বছৰ আমাৰ সিদ্ধান্ত আপোনাক অৱগত কৰিম। ইবনে হিশাম ১ম খণ্ড, পৃ:১৫৫-১৫৬) এই মানুহবিলাক উভতি গ'ল আৰু সিহঁতৰ বন্ধু-বান্ধৱ, আত্মীয়-স্বজনৰ ওচৰত আঁহজৰত (ছাঃ)ৰ শিক্ষাৰ কথা আলোচনা কৰিলে। ইহুদীসকলৰ গোত্ৰ তিনিটা ক্ৰমে **বনু কোৰাইজা, বনু নাজিৰ** আৰু **বনু কায়নুকা** আৰু ক্ৰমে আৰব গোত্ৰ দুটা ক্ৰমে **আওচ** আৰু **খাজৰাজ** সেই সময়ত মদিনাত বাস কৰিছিল। সেই সময়ত আওচ আৰু খাজৰাজ গোত্ৰ দুটাৰ মাজত যুদ্ধ বিগ্ৰহ চলি আছিল। আওচ গোত্ৰৰ সৈতে বনু কুৰাইজা আৰু বনু নাজিৰ গোত্ৰ দুটা, আনহাতে খাজৰাজ গোত্ৰৰ সৈতে বনু কায়নুকা আছিল। বহু দিন যুদ্ধ বিগ্ৰহৰ পিছত সিহঁতে পৰস্পৰৰ মাজত মীমাংসা হোৱা উচিত বুলি ভাবিলে। অৱশেষত সিহঁতে পৰামৰ্শ কৰি এই সিদ্ধান্তত উপনীত হ'ল যে, খাজৰাজ গোত্ৰৰ নেতা আব্দুল্লাহ বিন উবাই বিন চলুলক মদিনাৰ ৰজা হিচাপে মানি লোৱা হ'ব। ইহুদী সকলৰ লগত মিলা-প্ৰীতি থকাৰ বাবে আওচ আৰু খাজৰাজ গোত্ৰৰ মানুহে বাইবেলৰ বিভিন্ন ভৱিষ্যৎ বাণী সম্পৰ্কে অৱগত আছিল। ইহুদী সকলে যেতিয়া সিহঁতৰ দুঃখ, কষ্ট আৰু বিপদ-আপদৰ কথা বৰ্ণনা কৰিছিল; তেতিয়া এই কথাও কৈছিল যে, "এজন হজৰত মুছা (আঃ)ৰ সদৃশ নবীৰ আবিৰ্ভাৱৰ সময় আসন্ন।" তেওঁৰ সময় আহিছে। তেওঁ যেতিয়া আহিব; তেতিয়া আমি পৃথিৱীৰ বুকুত পুনৰ বিজয়ী হম। ইহুদী জাতিৰ শত্ৰু সকলক ধ্বংস কৰি দিম।

উল্লেখিত হাজীসকলৰ ওচৰত যেতিয়া মদিনা বাসীয়ে হজৰত মহম্মদ মুস্তফা (ছাঃ)ৰ দাবীৰ কথা শুনিলে, তেতিয়া সিহঁতৰ হৃদয়ত তেখেত (ছাঃ)ৰ সত্যতাৰ প্ৰভাৱ হ'ল। সিহঁতে কলে, "সম্ভৱত এয়েই সেই নবী; যাৰ আগমণৰ সংবাদ ইহুদী সকলে আমাক দিছিল।" গতিকে বহুসংখ্যক যুৱক হজৰত মহম্মদ (ছাঃ)ৰ শিক্ষাত প্ৰভাৱিত হ'ল আৰু ইহুদী সকলৰ পৰা শ্ৰৱণ কৰা ভৱিষ্যৎ বাণী সমূহৰ প্ৰতি সিহঁতৰ ঈমান অনাৰ ক্ষেত্ৰত যথেষ্ট সহায় হ'ল। পিছৰ বছৰ মদিনাৰ পৰা হজৰ সময়ত পুনৰ মানুহ মক্কালৈ আহিল। এই বছৰ ১২ জন লোক মদিনাৰ পৰা এই প্ৰতিশ্ৰুতি লৈ আহিল যে,

সিহঁতে হজৰত মহম্মদ (ছাঃ)ৰ ধৰ্ম গ্ৰহণ কৰিব। সিহঁতৰ ১০ জন আছিল খাজৰাজ গোত্ৰৰ বাকী ২ জন আছিল আওচ গোত্ৰৰ। তেওঁলোকে হজৰত মহম্মদ (ছাঃ)ৰ সৈতে **মীনাত** সাক্ষাৎ কৰিলে। তেওঁলোকে হজৰত মহম্মদ (ছাঃ)ৰ হাতত হাত ৰাখি শপত গ্ৰহণ কৰিলে যে, “তেওঁলোকে এক আল্লাহৰ বাহিৰে কাৰোঁ উপাসনা নকৰিব, চুৰি নকৰিব, বদকৰ্ম, নাৰী হত্যা নকৰিব এজনে আনজনৰ ওপৰত মিছা অপবাদ নিদিব আৰু খোদাৰ কোনো আদেশ অমান্য নকৰিব।” তাৰ পাছত তেওঁলোকে নিজ দেশলৈ উভতিল। সিহঁতে নিজ নিজ গোত্ৰৰ মাজত আৰু বেছিকৈ (তবলীগ) প্ৰচাৰ কাৰ্য্য আৰম্ভ কৰি দিলে।(ইবনে হিশাম ১ম খণ্ড, পৃ:১৫৫-১৫৬।

মদিনাৰ গৃহবোৰৰ পৰা মূৰ্ত্তি সমূহ বাহিৰলৈ নিক্ষেপ হ’ব ধৰিলে। মূৰ্ত্তিৰ (প্ৰতিমাৰ) আগত অৱনত হোৱা ব্যক্তি সকলে এতিয়া মূৰ দাঙি ফুৰিব ধৰিলে।সেই মস্তকবোৰ এতিয়া এক খোদা ভিন্ন কাৰো আগত নত কৰিবলৈ প্ৰস্তুত নহয়। ইহুদী সকলে আশ্চৰ্য দৃষ্টিত চাই থাকিলে যে,শ শ বছৰৰ পুৰণা বন্ধুত্ব আৰু তবলিগ যি পৰিৱৰ্তন আনিব নোৱাৰিলে,সেই পৰিৱৰ্তন একমাত্ৰ ইছলামে কেইদিনৰ ভিতৰতে আনি দিবলৈ সক্ষম হৈছে। একত্ববাদীৰ বাণীয়ে মদিনা বাসীৰ হৃদয়ত প্ৰভাৱ বিস্তাৰ লাভ কৰি থাকিল। এজন দুজনকৈ মানুহ মুছলমান সকলৰ ওচৰলৈ আহি ধৰ্ম শিকিব বিচাৰিছিল। কিন্তু মদিনাৰ নব মুছলিম সকলে ইছলামৰ শিক্ষা পৰিপূৰ্ণ ভাৱে জনা নাছিল।সিহঁতৰ সংখ্যাও ইমান বেছি নাছিল যে,সিহঁতে শত সহস্ৰ মানুহৰ ওচৰত ইছলামৰ বিস্তাৰিত বিৱৰণ দিব। এই কাৰণে সিহঁতে এজন মক্কাৰ লোকৰ জৰিয়তে হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত তবলিগৰ বাবে এজন ব্যক্তিৰ আবেদন প্ৰেৰণ কৰিলে। হজৰত মহম্মদ (ছাঃ)য়ে হজৰত মুচায়েব নামৰ এজন চাহাবী যিজনে আবু ছিনিয়াৰ হিজৰতৰ পৰা উভতি আহিছিল; তেখেত (ৰাঃ)ক তবলিগৰ বাবে মদিনালৈ প্ৰেৰণ কৰিলে। হজৰত মুচায়েব (ৰাঃ)য়েই আছিল মক্কাৰ বাহিৰে ইছলামৰ সৰ্বপ্ৰথম ধৰ্ম প্ৰচাৰক(মুবাল্লিগ)।

## কাশফি (দিব্য দৃষ্টিত) ভ্ৰমণ

এই সময়ত খোদা তায়লা হজৰত মহম্মদ (ছাঃ)ক আগন্তক দিনৰ বাবে এক শক্তিশালী শুভ-সংবাদ দান কৰিলে। তেখতে (ছাঃ)ক এটা দিব্য দৃষ্টি দেখুৱা হ’ল যে,তেখেত (ছাঃ) জেৰুজালেমলৈ গৈছে আৰু সকলো নবী তেখেত (ছাঃ)ৰ ইমামতীত নমাজ পঢ়িছে। ইয়াত জেৰুজালেমৰ অৰ্থ হ’ল মদিনা। যি আগন্তক দিনত এক আল্লাহৰ

উপাসনাৰ কেন্দ্ৰ স্থল হ'ব আৰু নবী সকলে পিছত নমাজ পঢ়াৰ অৰ্থ হ'ল বিভিন্ন ধৰ্মালম্বীয়ে এই ইছলাম ধৰ্মত প্ৰৱেশ কৰিব আৰু তেখেত (ছাঃ)ৰ এই ধৰ্ম বিশ্ব ধৰ্মৰূপে প্ৰতিষ্ঠিত হ'ব। সময়টো মক্কাৰ মুছলমান সকলৰ বাবে এটা কঠিন সময় আছিল।কাৰণ তেওঁলোকৰ দুঃখ কষ্টৰ সীমা চুৰান্তত উপনীত হৈছিল। গতিকে এই দিব্য দৃষ্টিৰ কথা শুনি মক্কা বাসীয়ে পুনৰ নতুন এক হাঁহি বিদ্ৰূপৰ বিষয় বস্তু পালে। সিহঁতে সিহঁতৰ প্ৰত্যেক সভা সমিতিত এই কাশফ (দিব্য দৃষ্টি )লৈ হাঁহি ঠাট্ৰা আৰম্ভ কৰি দিলে। কিন্তু কোনে জানিছিল যে,নতুনকৈ জেৰুজালেমৰ নিৰ্মাণ কাৰ্য্য আৰম্ভ হৈছে, আৰু প্ৰাচ্য আৰু প্ৰাচ্যতৰ জাতি সমূহে কৰ্ণ থিয়কৈ খোদা তায়লাৰ সৰ্ব শ্ৰেষ্ঠ নবীৰ আহ্বান শুনাৰ বাবে প্ৰস্তুত হৈ আছে।

## ৰোমান সকলৰ বিজয়ৰ ভৱিষ্যতবাণী

এই সময়ত ৰোম সম্ৰাট কায়চৰ আৰু পাৰস্য সম্ৰাট কিচৰাৰ মাজত এখন ভয়ঙ্কৰ যুদ্ধ সংগঠিত হয়। এই যুদ্ধত কিচৰা বিজয় লাভ কৰে। শ্যাম চহৰ (ছিৰিয়া) ইৰাণৰ সেনা বাহিনীৰ দখলত যায়। জেৰুজালেম ধ্বংসত পৰিণত হয়। আনকি ইৰাণী সেনাবাহিনীয়ে মিছৰ আৰু এছিয়া অধিনস্থ কৰে। সিহঁতে বসতি অঞ্চলত উপস্থিত হয় আৰু সেনাপতি সকলে কনষ্টাণ্টি নোপলৰ (দহ) ১০ মাইলৰ মাজত (ছাউনি) সৈন্য শিৱিৰ স্থাপন কৰে।ইৰাণী সকলৰ এই বিজয়ত মক্কা বাসীয়ে উল্লাসিত হৈ উঠিল। সিহঁতে ক'ব ধৰিলে যে, খোদাৰ ফয়চালা কাৰ্য্যকৰী হৈছে। মূৰ্ত্তি পূজাৰী ইৰাণী সকলে আহলে কিতাবক (খ্ৰীষ্টান সকলক) পৰাজিত কৰিছে। কিন্তু ইতিমধ্যে আল্লাহৰ পৰা হজৰত ৰছুলে কৰিম (ছাঃ)ক সু-সংবাদ দিয়া হ'ল।

غُلِبَتِ الرُّومُ ـ فِيٓ أَدۡنَى الۡأَرۡضِ وَهُم مِّنۢ بَعۡدِ غَلَبِهِمۡ سَيَغۡلِبُونَ ـ فِي بِضۡعِ سِنِينَ
لِلَّهِ الۡأَمۡرُ مِن قَبۡلُ وَمِنۢ بَعۡدُۚ وَيَوۡمَئِذٖ يَفۡرَحُ الۡمُؤۡمِنُونَ ـ بِنَصۡرِ اللَّهِۚ يَنصُرُ مَن
يَشَآءُۖ وَهُوَ الۡعَزِيزُ الرَّحِيمُ ـ وَعۡدَ اللَّهِۖ لَا يُخۡلِفُ اللَّهُ وَعۡدَهُۥ وَلَٰكِنَّ أَكۡثَرَ النَّاسِ
لَا يَعۡلَمُونَ ۝٧
(30:3-7)

অৰ্থ ঃৰোমীয়সকল পৰাভুত হৈছে,ওচৰৰ দেশত;কিন্তু সিহঁতে নিজ পৰাজয়ৰ পাছত অদূৰ ভৱিষ্যতে জয়লাভ কৰিব। বছৰ চেৰেকৰ ভিতৰতেই; মীমাংসা আল্লাহৰেই,অতীতত আৰু ভৱিষ্যততো; আৰু সেই দিনা বিশ্বাসী সকল উল্লাসিত হ'ব, আল্লাহৰ সাহায্যৰ দ্বাৰা; যাকে ইচ্ছা তাকে তেওঁ সাহায্য দান কৰে; আৰু তেওঁৰেই পৰাক্ৰমশালী। এয়ে আল্লাই দিয়া প্ৰতিশ্ৰুতি,আৰু নিজৰ প্ৰতিশ্ৰুতি, আল্লাই কদাপি ভঙ্গ নকৰে; কিন্তু মানৱৰ সৰহভাগেহে নেজানে। (30:3-7)

অৰ্থাৎৰোমান সৈন্যবাহিনীয়ে আৰবৰ ওচৰ-চুবুৰীয়া ৰাজ্য সমূহৰ পৰা পৰাজয় অৱশ্যই হৈছে। কিন্তু সিহঁতে নিজৰ পৰাজয়ৰ পাছত পুনৰ বছৰ চেৰেকত বিজয় লাভ নিশ্চয় কৰিব। পৃথিৱীত একমাত্ৰ খোদা তায়লাৰ ইচ্ছায়েই আদি কালৰ পৰা অদূৰ ভৱিষ্যতলৈ কাৰ্য্যকৰী থাকিব।যেতিয়া সেই বিজয় সংগঠিত হয়; তেতিয়া মোমিন সকলেও খোদাৰ সাহায্যত অতি উল্লাসিত হ'ব। খোদা যাকে ইচ্ছা তাকে সাহায্য দান কৰে।তেওঁ অতি পৰাক্ৰমশালী আৰু পৰম দয়াময়।এয়ে সেই খোদাৰ প্ৰতিশ্ৰুতি যিজনে তাৰ প্ৰতিশ্ৰুতি ভঙ্গ নকৰে।কিন্তু সৰহভাগ মানুহেই তেওঁৰ ক্ষমতা সম্পৰ্কে জ্ঞান নাৰাখে।সঁচাকৈয়ে কেইবা বছৰ পাছতেই খোদা তায়লা এই ভৱিষ্যতবাণী পূৰ্ণ কৰিছিল।এফালে ৰোমান সকলে ইৰাণী সকলক পৰাস্ত কৰি নিজৰ দেশৰ স্বাধীনতা উদ্ধাৰ কৰে; আনহাতে পূৰ্বে উল্লেখিত সময়ৰ মাজতেই মক্কাবাসীয়ে ভাৱিছিল যে,সিহঁতে মানুহক মুছলমান সকলৰ কথা শ্ৰৱণ কৰাৰ পৰা বিৰত ৰাখিব পাৰিছে, আৰু মুছলমান সকলৰ ওপৰত অত্যাচাৰ,নিৰ্যাতন, প্ৰহাৰ আদি বৃদ্ধি কৰি ইছলামক শেষ কৰিব পাৰিছে,তেতিয়া খোদাৰ বাণীয়ে বাৰে বাৰে ইছলামৰ বিজয়ৰ সংবাদ দি গৈছিল। ঘোষণা কৰিছিল যে,মক্কাবাসী সকলৰ ধ্বংস অতি নিকটৱৰ্তী। আনকি হজৰত মহম্মদ (ছাঃ)য়ে ধাৰাসাৰে (প্ৰবল ভাৱে )খোদা তাযলাৰ এই বাণীও ঘোষণা কৰি দিলে,

وَقَالُوا لَوْلَا يَأْتِينَا بِآيَةٍ مِّن رَّبِّهِ ۚ أَوَلَمْ
تَأْتِهِم بَيِّنَةُ مَا فِي الصُّحُفِ الْأُولَىٰ ۔ وَلَوْ أَنَّا أَهْلَكْنَاهُم بِعَذَابٍ مِّن قَبْلِهِ لَقَالُوا
رَبَّنَا لَوْلَا أَرْسَلْتَ إِلَيْنَا رَسُولًا فَنَتَّبِعَ آيَاتِكَ مِن قَبْلِ أَن نَّذِلَّ وَنَخْزَىٰ ۔ قُلْ
كُلٌّ مُّتَرَبِّصٌ فَتَرَبَّصُوا ۖ فَسَتَعْلَمُونَ مَنْ أَصْحَابُ الصِّرَاطِ السَّوِيِّ وَمَنِ اهْتَدَىٰ

(20:134-136)

অনুবাদ ঃ আৰু সিহঁতে কয়,কোনো নিদৰ্শন তেওঁ নিজ প্ৰভুৰ পৰা আমাৰ ওচৰলৈ লৈ অহা নাই কিয় ? (কোৱা) আগৰ ধৰ্ম পুথিসমূহত (লিপিবদ্ধ) থকা প্ৰত্যক্ষ প্ৰমাণ সিহঁতলৈ অহা নাছিলনে ? আৰু ইতিপূৰ্বে আমি শাস্তি নমাই সিহঁতৰ সংহাৰ কৰা হলে সিহঁতে নিশ্চয় কলেহেঁতেন, হে আমাৰ প্ৰভু! আমি এইদৰে লাঞ্ছিত আৰু অপমানিত হোৱাৰ পূৰ্বেই তুমি আমাৰ ওচৰলৈ ৰছুল এজন কিয় প্ৰেৰণ নকৰিলা ? তেতিয়াহে আমি তোমাৰ নিদৰ্শন সমূহৰ অনুসৰণ কৰিলোঁহেঁতেন। তুমি উত্তৰ দিয়া আমাৰ প্ৰত্যেক জনেই (ভৱিষ্যতে কি ঘটে তাৰ) অপেক্ষা কৰি আছে; গতিকে তোমালোকেও অপেক্ষা কৰি থাকা; অদূৰ ভৱিষ্যতে তোমালোকে জানিব পাৰিবা, সজ বাটেদি চলিব লাগিছে সেইসকল কোন ? আৰু (সফল জীৱনৰ) পথ লাভ কৰিছে সেইসকল নো কোন।

অৰ্থাৎ মক্কাবাসীয়ে কয় যে,হজৰত মহম্মদ (ছাঃ)য়ে কিয় তেখেত (ছাঃ)ৰ প্ৰভুৰ পৰা আমাৰ বাবে নিদৰ্শন প্ৰকাশ নকৰে ? কিন্তু পূৰ্বৰ নবীসকলৰ ভৱিষ্যতবাণীবিলাক সিহঁতৰ বাবে যথেষ্ট নাছিলনে ? মই যদি তবলিগ পূৰ্ণ হোৱাৰ পূৰ্বেই মক্কাবাসীক ধ্বংস কৰি দিলোঁহেঁতেন তেন্তে মক্কাবাসী সকলে ক'ব পাৰিলেহেঁতেন হে আমাৰ প্ৰভু! তুমি কিয় আমাৰ ওচৰলৈ কোনো নবী প্ৰেৰণ নকৰিলে ? যাতে আমি লাঞ্ছিত আৰু অপমানিত হোৱাৰ পূৰ্বেই তোমাৰ শিক্ষা অনুসৰণ কৰিব পাৰিলোঁহেঁতেন তুমি সিহঁতক কৈ দিয়া যে,প্ৰত্যেক ব্যক্তিয়েই তাৰ নিজৰ বাবে সময়ৰ বাট চাব লাগিব। গতিকে তোমালোকেও সময়ৰ বাবে বাট চাই থাকা যেতিয়া সেই নিদৰ্শন পূৰ্ণৰূপে প্ৰকাশিত হ'ব। তেতিয়া তোমালোকে নিশ্চয় জানিব পাৰিবা যে,কোনে খোদাৰ নিদৰ্শন সহ সৰল আৰু সুদৃঢ় বাটেৰে চলি আছে।

প্ৰত্যেক দিন খোদা তায়লাৰ নতুন নতুন ওহী অৱতীৰ্ণ হৈছিল আৰু তাত ইছলামৰ উন্নতি লগতে কাফেৰ সকলৰ ধ্বংসৰ সংবাদ দিয়া হৈছিল। মক্কাবাসী সকলে এফালে দেখিছিল সিহঁতৰ শক্তি প্ৰাচুৰ্য ধন সম্পদ আৰু ঐশ্বৰ্য্য আনহাতে হজৰত মহম্মদ (ছাঃ)ৰ প্ৰাপ্ত ওহীত খোদা তায়লাৰ সাহায্য আৰু মুছলমান সকলৰ সফলতাৰ কথা কোৱা হৈছিল।এই ক্ষেত্ৰত সিহঁতে আশ্চৰ্য্য হৈ ভাৱিছিল যে,সিহঁত নিজেই দেউলীয়া হৈছে যে,হজৰত মহম্মদ (ছাঃ) পাগল হৈছে ? মক্কাবাসী সকলে এই প্ৰত্যাশাই কৰিছিল যে,সিহঁতৰ অন্যায়,অত্যাচাৰ আৰু জনশক্তিৰ কাৰণে মুছলমান সকলে হতাশ গ্ৰস্ত হৈ পৰিব আৰু তেখেত (ছাঃ)ৰ সঙ্গীসকলে তেখেত (ছাঃ)ৰ দাবী সম্পৰ্কে সন্দেহযুক্ত হৈ পৰিব।অথচ হজৰত মহম্মদ (ছাঃ)য়ে এই ঘোষণা কৰিছিল ঃ

فَلَآ أُقۡسِمُ بِمَا تُبۡصِرُونَ ـ وَمَا لَا
تُبۡصِرُونَ ـ إِنَّهُۥ لَقَوۡلُ رَسُولٍ كَرِيمٍ ـ وَمَا هُوَ بِقَوۡلِ شَاعِرٍۚ قَلِيلًا مَّا تُؤۡمِنُونَ ـ
وَلَا بِقَوۡلِ كَاهِنٍۚ قَلِيلًا مَّا تَذَكَّرُونَ ـ تَنزِيلٌ مِّن رَّبِّ ٱلۡعَٰلَمِينَ ـ وَلَوۡ تَقَوَّلَ
عَلَيۡنَا بَعۡضَ ٱلۡأَقَاوِيلِ ـ لَأَخَذۡنَا مِنۡهُ بِٱلۡيَمِينِ ـ ثُمَّ لَقَطَعۡنَا مِنۡهُ ٱلۡوَتِينَ ـ فَمَا
مِنكُم مِّنۡ أَحَدٍ عَنۡهُ حَٰجِزِينَ ـ وَإِنَّهُۥ لَتَذۡكِرَةٌ لِّلۡمُتَّقِينَ ـ وَإِنَّا لَنَعۡلَمُ أَنَّ مِنكُم
مُّكَذِّبِينَ ـ وَإِنَّهُۥ لَحَسۡرَةٌ عَلَى ٱلۡكَٰفِرِينَ ـ وَإِنَّهُۥ لَحَقُّ ٱلۡيَقِينِ ـ فَسَبِّحۡ بِٱسۡمِ رَبِّكَ
ٱلۡعَظِيمِ

(69:39-53)

কিন্তু নহয়,মই শপত খাও, তুমি যি দেখিছা তাৰ দ্বাৰা আৰু তুমি যি দেখা নাই তাৰ দ্বাৰা, নিশ্চয় এজন মহৎ পয়গম্বৰে অনা উক্তি; আৰু কোনো কবিৰ বক্তব্য নহয়; তোমালোকে অতি সামান্যই বিশ্বাস কৰা; নাইবা এইটো কোনো গণকৰ কথাও নহয়,তোমালোকে অতি সামান্যই মনোযোগ দিয়া; ই সকলো বিশ্বৰ প্ৰভুৰ পৰা অহা এক প্ৰকাশন; আৰু তেওঁ যদি নিজে জাল কৰি আমাৰ নামত কোনো বক্তব্যৰ উদ্ধৃতি দিলেহেঁতেন, আমি নিশ্চয়েই তেওঁক সোঁহাতেৰে খমোচা মাৰি ধৰিলোঁহেঁতেন, আৰু তাৰ পিছত নিশ্চয় আমি তেওঁৰ ডিঙিৰ প্ৰধান সিৰ ডাল কাটি পেলালোঁহেঁতেন; আৰু তোমালোকৰ কোনেও আমাক তেওঁৰ শাস্তি দিয়াৰ পৰা বিৰত ৰাখিব নোৱাৰিলেহেঁতেন; আৰু প্ৰকৃততে ই হৈছে সুপথগামী সকলৰ কাৰণে এটা স্মাৰক। আৰু নিশ্চয় আমি জানো যে, তোমালোকৰ ভিতৰত কিছুমান আছে যি আমাৰ নিদৰ্শন সমূহ অগ্ৰাহ্য কৰে; আৰু বাস্তৱতে, ই হ'ব অৱিশ্বাসী সকলৰ কাৰণে এটা আক্ষেপৰ কাৰণ,আৰু নিশ্চয় এইটো হৈছে একমাত্ৰ চৰম সত্য। গতিকে তোমালোকৰ মহান প্ৰভুৰ নাম তচবিহ (গৌৰান্বিত) কৰাহঁক ।

অৰ্থাৎ সেই মক্কাবাসী সকল! তোমালোকে যি ধাৰণাৰ মাজত আৱদ্ধ হৈ আছা, সেয়া সঠিক নহয়। মই শপত খাই কৈছোঁ যি তোমালোক দৃষ্টিৰ আগত আৰু দৃষ্টিৰ অগোচৰত আছে সেইবিলাক বস্তু আৰু এই পৱিত্ৰ গ্ৰন্থ (কোৰাণ)যি সন্মানিত ৰছুলৰ বাণী পাঠ কৰি শুনোৱা হৈছে, সেয়া কোনো কবিৰ কথা অথবা কোনো গণকৰ গণনা নহয়। কিন্তু তোমালোকৰ হৃদয়ত ইয়াৰ প্ৰতি আকৰ্ষণ অতি সামান্য। ই কোনো কল্পিত গল্প বা কাহিনী নহয়। কিন্তু পৰিতাপৰ বিষয় তোমালোকে উপদেশ গ্ৰহণ কৰিব নিবিচাৰা।এয়া নিশ্চয় সমগ্ৰ বিশ্বৰ সৃষ্টি কৰ্তাৰ ফালৰ পৰা অৱতীৰ্ণ হৈছে। সকলো সৃষ্টিৰ মালিক (প্ৰভু) আৰু পালন কৰ্তাই তোমালোকক কৈছে যে,সি যদি এটা বাক্যও ৰচি আপোনালোকৰ প্ৰতি আৰোপ কৰিলেহেঁতেন, তেনেহলে আমি তাৰ সোঁ হাতখন খামোচ মাৰি ধৰি জীৱনৰ সিৰা কাটি পেলালোঁহেঁতেন। যদি তোমালোক সকলোৱে সমৱেত হৈ তাক ৰক্ষা কৰিব বিচাৰিলাহেঁতেন তথাপি তাক ৰক্ষা কৰিব নোৱাৰিলাহেঁতেন। কিন্তু এই পৱিত্ৰ গ্ৰন্থতো খোদা ভীৰু (মুত্তাকীন) সকলৰ বাবে এক উপদেশ বাণী স্বৰূপ। আমি জানো যে, তোমালোকৰ মাজত এই গ্ৰন্থক মিছা বুলি কোৱাৰ বহুত লোক আছে। কিন্তু আমি এয়াও জানো যে, কোৰাণৰ শিক্ষাৰ অস্বীকাৰ কাৰী সকলৰ হৃদয়ত এক যন্ত্ৰণাৰ সৃষ্টি হৈছে। সিহঁতে কৈছে যে,হায়! যদি এই শিক্ষা আমাৰ ওচৰত থাকিলেহেঁতেন। আমি নিশ্চয় এই কথাও জানো যে, পৱিত্ৰ কোৰাণত সন্নিবিষ্ট সকলো আখৰে আখৰে পূৰ্ণ হৈ থাকিব। গতিকে হে মহম্মদ (ছাঃ) তুমি সেই সকল লোকৰ কোনো ভয় নকৰিবা। বৰং তুমি তোমাৰ প্ৰতিপালক মহান প্ৰভুৰ নামত (তচবীহ) মহিমা কীৰ্তন

পাঠ কৰা।

চাওঁতে চাওঁতে তৃতীয় হজৰ সময় উপস্থিত হ'ল। মদিনাৰ হাজীসকলৰ ভালে সংখ্যক মুছলমান সহ মক্কাত উপস্থিত হ'ল। মক্কাবাসী সকলৰ বিৰোধীতাৰ বাবে মদিনা হজ যাত্ৰী সকলে হজৰত মহম্মদ (ছাঃ)ৰ সৈতে সুকীয়া ভাৱে (পৃথক ভাৱে) সাক্ষাৎ কৰিব বিচাৰিলে। ইফালে হজৰত মহম্মদ (ছাঃ)ৰ মনত এই ধাৰণাৰ উদ্ৰেক হৈছিল যে,হিজৰত হয়তো মদিনাতেই কৰিব লাগিব। তেখেত (ছাঃ)য়ে নিজৰ চিন্তাৰ কথা নিজৰ ঘনিষ্ঠ আত্মীয়-স্বজনৰ ওচৰত প্ৰকাশো কৰিছিল। তেওঁলোকে তেখেত (ছাঃ)ক কলে যে, আপুনি এইটো নকৰিব, মক্কাবাসী শত্ৰু হলেই ভাল। যিয়েই নহওঁক কিয় সিহঁতৰ মাজত বহুতেই প্ৰভাৱশালী ব্যক্তি আপোনাৰ আত্মীয়-স্বজন মদিনাত গলে কি হ'ব কোনে ক'ব পাৰিব ? তাত গলে আপোনাৰ বন্ধু-বান্ধৱ আত্মীয়-স্বজনে কোনো সাহায্য কৰিব নে ? কিন্তু যিহেতু তেখেত (ছাঃ)য়ে বুজিব পাৰিছিল যে, সঁচাকৈয়ে খোদাৰ ফয়চালা এইটোৱেই,সেই বাবে তেখেত (ছাঃ)য়ে নিজৰ আত্মীয়-স্বজনৰ কথা নুশুনিলে। আৰু মদিনাতেই যোৱাৰ সিদ্ধান্ত স্থিৰ কৰিলে।

## আকাবাৰ প্ৰথম বয়াত (দীক্ষা গ্ৰহণ)

মাজনিশাৰ পাছত হজৰত মহম্মদ (ছাঃ) আৰু মদিনাৰ মুছলমান সকলে পুনৰ আকাবা উপত্যকাত একেলগ হ'ল। এই সময়ত তেখেত (ছাঃ)ৰ লগত তেখেত (ছাঃ)ৰ খুৰাদেউ হজৰত আব্বাছ (ৰাঃ) আছিল। এইবাৰ মদিনাৰ মুছলমানৰ সংখ্যা ৭৩ জন আছিল।(ইবনে হিশাম ১ম খণ্ড পৃঃ ১৫৪)

ইহঁতৰ ৬২ জন খজৰাজ গোত্ৰৰ আৰু ১১ জন আওয়ুচ গোত্ৰৰ লোক আছিল। ইহঁতৰ মাজত দুইজনী মহিলাও আছিল। সিহঁতৰ এজনী বনু নাজ্জাৰ কবিলাৰ উম্মে আম্মাৰ (ৰাঃ)আছিল। যিহেতু হজৰত মুচায়েব (ৰাঃ)ৰ দ্বাৰা সিহঁতে ইছলামৰ শিক্ষা আৰু তৰবিয়ত (প্ৰশিক্ষণ) লাভ কৰিছিল। সেই হেতুকে সিহঁত প্ৰত্যেকেই আছিল ঈমান আৰু ইকামত (বিশ্বাস আৰু দৃঢ়তাত) পৰিপূৰ্ণ। পৰৱৰ্তী ঘটনাৱলীৰ দ্বাৰা প্ৰকাশিত হৈছে যে,এইবিলাক মানুহ আগন্তক দিনে ইছলামৰ স্তম্ভ ৰূপে পৰিগণিত হ'ব। উম্মে আম্মাৰ (ৰাঃ) যিজনীয়ে সেই সময়ত ইছলাম গ্ৰহণ কৰিছিল ।তাই নিজৰ সন্তানৰ হৃদয়ত ইছলামৰ প্ৰেম এনে ভাৱে গাঁথি দিছিল যে, যেতিয়া তাইৰ পুতেক হজৰত হাবীৰ (ৰাঃ) হজৰত মহম্মদ (ছাঃ)ৰ মৃত্যুৰ পিছত মুছাইলামা কাজ্জাবৰ সৈন্য সকলৰ হাতত ধৰা পৰিছিল,তেতিয়া মুছাইলামা তেখেত (ৰাঃ)ক মাতি নি সুধিছিল,তুমি সাক্ষ্য দান কৰা নে

যে,হজৰত মহম্মদ (ছাঃ) আল্লাহৰ ৰছুল ? হজৰত হাবীব (ৰাঃ)য়ে প্ৰতি উত্তৰত কলে হয়,মুছাইলামা তেখেত (ৰাঃ)ক পুনৰ সুধিলে,তুমি এই সাক্ষী দিয়া নে যে মই আল্লাহৰ ৰছুল ? হজৰত হাবীব (ৰাঃ)য়ে উত্তৰ দিলে কেতিয়াও নহয় ? মুছাইলামা আদেশ দিলে তাৰ এটি অংগ কাটি দিয়া। তেখেত (ৰাঃ)ৰ এটা অংগ কাটি দিয়া হ'ল। মুছাইলামা পুনৰ সুধিলে,তুমি সাক্ষী দিয়ানে যে,মহম্মদ আল্লাহৰ ৰছুল ? হজৰত হাবীব (ৰাঃ)য়ে পুনৰ উত্তৰত কলে,হয়,মুছাইলামা আকৌ সুধিলে,তুমি এই সাক্ষী দিয়ানে মই আল্লাহৰ ৰছুল ? হজৰত হাবীব (ৰাঃ)য়ে উত্তৰ দিলে কেতিয়াও নহয়।তেতিয়া তেওঁ তেখেত (ৰাঃ)ক আন এখন অংগ কাটি পেলোৱাৰ আদেশ দিলে।এইদৰে মুছাইলামা হজৰত হাবীব (ৰাঃ)ৰ এটা এটা অংগ কাটিছিল আৰু সুধিছিল,মই আল্লাহৰ ৰছুল নে ? হজৰত হাবীব (ৰাঃ)য়ে বাৰে বাৰে সেই একেষাৰ কথাই কৈছিল যে কেতিয়াও নহয়। অৱশেষত তেখেত (ৰাঃ)ৰ সকলোবোৰ অংগ-প্ৰতঙ্গ এটা এটাকৈ কাটি পেলাইছিল।এই ভাৱে টুকুৰা টুকুৰা হৈ তেখেত (ৰাঃ)য়ে নিজ ঈমানৰ ঘোষণা দিওঁতে দিওঁতে শেষত তেখেত (ৰাঃ)ৰ প্ৰভুৰ সান্নিধ্যত মিলিত হৈছিল। হজৰত উম্মে আম্মাৰা(ৰাঃ)য়ে হজৰত মহম্মদ (ছাঃ)ৰ সৈতে নিজে একেলগে বহু যুদ্ধত অংশ গ্ৰহণ কৰিছিল।

প্ৰকৃত পক্ষে সেই কাফেলাটি আছিল এটা নিষ্ঠাবান প্ৰকৃত ঈমানদাৰৰ কাফেলা। সেই কাফেলাৰ মানুহবিলাকে হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত কোনো ধন সম্পদ বিচাৰি অহা নাছিল।আহিছিল একমাত্ৰ ঈমানৰ সন্ধানত। হজৰত আব্বাছ (ৰাঃ)য়ে সিহঁতক সম্বোধন কৰি কলে, হে খজৰাজ কবিলাৰ লোকসকল,মোৰ এই প্ৰিয় ব্যক্তি নিজ বংশৰ ওচৰত এজন সম্মানিত ব্যক্তি। সিহঁত মুছলমান হওক বা নহওক তেখেত (ছাঃ)ৰ পূৰ্ণ হিফাজত কৰি থাকে। কিন্তু তেখেত (ছাঃ)য়ে এতিয়া তোমালোকৰ ওচৰত যাব বুলি স্থিৰ কৰিছে। হে খজৰাজৰ লোক সকল! তেখেত (ছাঃ)য়ে যদি তোমালোকৰ ওচৰলৈ যায় তেনেহলে সমগ্ৰ আৰব তোমালোকৰ বিৰুদ্ধে থিয় হ'ব। যদি তোমালোকে নিজৰ দায়িত্ব,কৰ্তব্য আৰু বিপদ উপলব্ধি কৰি থকা যে,তোমালোকে তেখেত (ছাঃ)ৰ ধৰ্মৰ হিফাজতৰ দায়িত্ব গ্ৰহণ কৰয়েই লৈ যাবা।তেন্তে আনন্দৰ সৈতে লৈ যাব পাৰা অন্যথা এই সিদ্ধান্ত ত্যাগ কৰা।

এই কাফেলাৰ চৰদাৰ (নেতা) আছিল আলবাৰা।তেওঁ কলে,আমি আপোনাৰ কথা শুনিছোঁ।আমি আমাৰ সিদ্ধান্তত অটল।আমাৰ জীৱনত খোদাৰ নবীৰ পদতলে উৎসৰ্গীত।এতিয়া মাথোন ফয়চালাৰ দায়িত্ব তেখেত (ছাঃ)ৰ।আমি তেখেত (ছাঃ)ৰ প্ৰত্যেক ফয়চালা মানিবলৈ প্ৰস্তুত। ইয়াৰ পাছত হজৰত ৰছুলে কৰিম (ছাঃ)য়ে সিহঁতক

ইছ্‌লামৰ শিক্ষা বুজাব ধৰিলে,আৰু খোদা তায়লাৰ তৌহিদ প্ৰতিষ্ঠাৰ বিষয়ে ভাষণ প্ৰদান কৰিলে। সিহঁতক সম্বোধন কৰি কলে,যদি সিহঁতে ইছ্‌লামৰ হিফাজত সেই ভাৱে কৰিবলৈ প্ৰতিশ্ৰুতি দিয়ে যি ভাৱে সিহঁতে নিজৰ সন্তান-সন্ততি আৰু নিজৰ স্ত্ৰীক ৰক্ষণাবেক্ষণ দিয়ে,তেন্তে সিহঁতে তেখেত (ছাঃ)ক লগত লৈ যাব পাৰে।

হজৰত মহম্মদ (ছাঃ)ৰ কথা শেষ নহওঁতেই মদিনাৰ সেই ৭৩ জন জীৱন উচ্ছ্‌ৰ্গাকাৰীয়ে একেলগে উচ্চ স্বৰে কৈ উঠিল,নিশ্চয় নিশ্চয়।সেই সময়ত উত্তেজনাৰ বশতে মক্কাবাসীৰ দুষ্কৃতিৰ কথা লক্ষ্য নাছিল যে,হয়তো সিহঁতে এই ধ্বনি শুনিব পাৰে। ফলত এই উচ্চ কণ্ঠৰ ধ্বনি দূৰ-দূৰণিলৈ প্ৰতি ধ্বনিত হ'ল।হজৰত আব্বাছ (ৰাঃ)য়ে সিহঁতক সাৱধান কৰি দি কলে,মনে মনে থাকা! মনে মনে থাকা! নহলে মক্কাবাসী সকলোৱে অৱগত হ'ব।কিন্তু এতিয়া যে সিহঁতে পূৰ্ণ ঈমান লাভ কৰিছে।মৃত্যু সিহঁতৰ বাবে একো নহয়।হজৰত আব্বাছ (ৰাঃ)ৰ এই কথা শুনা সত্বেও এজন নেতৃস্থানীয় ব্যক্তিয়ে কলে, হে আল্লাহৰ ৰছুল! আমি ভয় নকৰো।আপুনি আদেশ কৰক,এতিয়াই আমি মক্কাবাসীৰ বিৰুদ্ধে যুদ্ধ কৰি আপোনাৰ ওপৰত কৰা অত্যাচাৰৰ প্ৰতিশোধ লম।হজৰত মহম্মদ (ছাঃ)য়ে কলে, খোদা তায়লা এতিয়াও মোক সিহঁতৰ বিৰুদ্ধে যুদ্ধ কৰাৰ অনুমতি দিয়া নাই।ইয়াৰ পাছত মদিনাৰ লোক সকলে তেখেত (ছাঃ)ৰ হাতত বয়াত (দীক্ষা) গ্ৰহণ কৰিলে।শেষত সভাৰ কাম সমাপ্ত হ'ল।

মক্কাবাসীয়ে এই ঘটনাৰ কথা অলপ জানিব পাৰিলে।গতিকে সিহঁতে তাত আহি মদিনা বাসীৰ ওচৰত অভিযোগ উত্থাপন কৰিলে।কিন্তু সেই গোটেই কাফেলাৰ নেতা আছিল আব্দুল্লাহ বিন উবাই বিন ছুলুল। সি সেই ঘটনা সম্বন্ধে একো জনা নাছিল বাবে সি তেওঁলোকক সান্তনা দি কলে,সিহঁতে কোনো মিছা উৰা-বাতৰি শুনি থাকিব,এনে কোনো ঘটনা ইয়াত হোৱা নাই।কাৰণ মদিনা বাসীয়ে মোৰ পৰামৰ্শৰ বাহিৰে কোনো কাম কৰিব নোৱাৰে।কিন্তু সি তেতিয়া জানিছিল নে যে মদিনা বাসীৰ হৃদয়ত চয়তানৰ ঠাইত খোদা তায়লাৰ ৰাজত্ব প্ৰতিষ্ঠা হৈছে।অৱশেষত মদিনাৰ এই কাফেলা উভতি যোৱাৰ বাটত যাত্ৰা কৰিলে।

## মক্কাৰ পৰা মদিনাৰ ফালে হিজৰত (প্ৰব্ৰজন)

এইবাৰ হজৰত মহম্মদ (ছাঃ) আৰু চাহাবা (ৰাঃ)সকলে হিজৰত কৰাৰ বাবে প্ৰস্তুত হ'ব ধৰিলে। মক্কাৰ পৰিয়াল সমূহ এটাৰ পিছত এটা অদৃশ্য হ'ব ধৰিলে। খোদা তায়লাৰ ৰাজত্বৰ প্ৰতিক্ষা যি সকলে কৰিছিল, সিহঁতে প্ৰত্যেকেই দ্ৰুত ত্যাগী হৈ

উঠিছিল।কেতিয়াবা কেতিয়াবা একে ৰাতিৰ ভিতৰতে একোটা গলিৰ সকলো ঘৰৰ দৰ্জাত তলাৰদ্ধ দেখা গৈছিল।ৰাতিপুৱা যেতিয়া চহৰৰ মানুহ সেই গলি নিস্তব্ধ পাইছিল।তেতিয়া সন্ধান কৰি দেখিছিল যে,সেই গলিৰ সকলো মানুহ হিজৰত কৰি মদিনালৈ গুচি গৈছে, আৰু ইছলামৰ এই গভীৰ প্ৰভাৱ যি মক্কাবাসীৰ ওপৰত ভিতৰে ভিতৰে পৰিছিল;তাক দেখি মক্কাবাসীয়ে আশ্চৰ্য্য হৈছিল।অৱশেষত হজৰত মহম্মদ (ছাঃ)হজৰত আলী (ৰাঃ) আৰু কেইজনমান কৃতদাসৰ বাহিৰে আন কোনো মুছলমান নাছিল।যেতিয়া মক্কাৰ মানুহে দেখা পালে যে,চিকাৰ সিহঁতে ধৰিব নোৱাৰা হৈ আছে তেতিয়া নেতা সকলে একগোট হৈ পৰামৰ্শ কৰি এই সিদ্ধান্ত গ্ৰহণ কৰিলে যে এতিয়া মহম্মদক হত্যা কৰা কৰ্তব্য। খোদা তায়লাৰ এক বিশেষ পৰিকল্পনা অধিনতেই যেন শত্ৰু সকলে তেখেত (ছাঃ)ৰ হিজৰতৰ দিনকেই হত্যাৰ দিন নিৰ্দ্ধাৰিত কৰিছিল।যেতিয়া মক্কাৰ মানুহে হজৰত মহম্মদ (ছাঃ)ক হত্যা কৰাৰ উদ্দেশ্যত তেখেত (ছাঃ)ৰ ঘৰৰ সন্মুখত সমবেত হৈছিল,ঠিক সেই সময়তেই তেখেত (ছাঃ)য়ে ৰাতিৰ অন্ধকাৰত হিজৰতৰ উদ্দেশ্যত ঘৰৰ পৰা ওলাই গৈছিল।হজৰত মহম্মদ (ছাঃ)য়ে সিহঁতৰ উদ্দেশ্যৰ কথা গম পাব বুলি আশংকা কৰিছিল।সেই কাৰণে যেতিয়া হজৰত মহম্মদ (ছাঃ)য়ে সিহঁতৰ সন্মুখেদি ওলাই গৈ আছিল; তেতিয়া মক্কাবাসী সকলে আন কোনোবা বুলি ভাৱিছিল। গতিকে সিহঁতে তেখেত (ছাঃ)ক আক্ৰমণ কৰাৰ পৰিৱৰ্তে কুচি-মুচি খাই লুকাই পৰিছিল।যাতে তেখেত (ছাঃ)য়ে সিহঁতক দেখিবলৈ নাপায়।দেখিবলৈ পালে হজৰত মহম্মদ (ছাঃ)য়ে বিষয়টো গম পাই যাব।

সেই ৰাতিৰ আগ দিন হজৰত মহম্মদ (ছাঃ)ৰ সৈতে হিজৰত কৰি যোৱাৰ বাবে হজৰত আবু বক্কৰ ছিদ্দিক(ৰাঃ)ক কৈ থৈছিল।গতিকে তেখেত (ৰাঃ) আহি হজৰত মহম্মদ (ছাঃ)ৰ সৈতে মিলিত হৈছিল আৰু দুয়ো একেলগে কিছু সময় পাছতেই মক্কাৰ পৰা ওলাই পৰিছিল। উভয়ে মক্কাৰ পৰা তিনি চাৰি মাইল দূৰত এটি গুহাত আশ্ৰয় লৈছিল। (বুখাৰী বাব হিজৰাতুন্নাবী (ছাঃ) ) যেতিয়া মক্কাবাসীয়ে জানিব পাৰিলে যে, হজৰত মহম্মদ (ছাঃ) মক্কাৰ পৰা ওলাই গৈছে, তেতিয়া সিহঁতে এটা সশস্ত্ৰ কাহিনী গঠন কৰিলে আৰু অনুসন্ধানৰ বাবে পদ চিহ্ন অনুসৰণকাৰী গুপ্তচৰ এজনক লগত নিলে।

গুপ্তচৰ জনে অনুসন্ধান কৰি কৰি সেই গুহালৈ উপস্থিত হ'ল।তেওঁ সেই গুহাৰ মুখত উপস্থিত হৈ কলে,এই গুহাতে নিশ্চয় মহম্মদ আছে। কিন্তু সেই গুহাৰ ভিতৰত মানুহ থকা অসম্ভৱ বুলি ভাৱি কোনেও তেওঁৰ কথা বিশ্বাস কৰা নাছিল।তেতিয়া গুপ্তচৰ জনে কলে, হয় মহম্মদ এই গুহাৰ ভিতৰত আছে, নহলে সি আকাশত উঠি গৈছে।

গুপ্তচৰৰ এই কথা শুনি হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ) ভয়ত কাণে কাণে হজৰত মহম্মদ (ছাঃ)ক কলে, "শত্ৰুসকল আমাৰ মূৰৰ ওপৰত আহি পাইছে। এতিয়া সিহঁতে যি কোনো মুহূৰ্তত গুহাৰ ভিতৰত প্ৰৱেশ কৰিব পাৰে।"

আঁহজৰত (ছাঃ) য়ে কলে, لا تحزن انّ الله معنا

অৰ্থঃ ভয় নকৰিবা, নিশ্চয় আল্লাহ পাক আমাৰ সৈতে আছে। উত্তৰত হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)য়ে কলে, "হে ৰছুলুল্লাহ! মই মোৰ প্ৰাণৰ ভয় নকৰোঁ। কাৰণ মই এজন সাধাৰণ মানুহ। মই মৰিলে মাথোঁন এজন মানুহে মৰিব। হে আল্লাহৰ ৰছুল! মোৰ ভয় মাত্ৰ এই কাৰণেই যে, যদি আপোনাৰ প্ৰাণৰ কোনো ক্ষতি হৈ যায়; তেনেহলে পৃথিৱীৰ বুকুৰ পৰা আধ্যাত্মিকতা আৰু ধৰ্মৰ নাম নিচিহ্ন হৈ যাব।"

আঁহজৰত (ছাঃ)য়ে কলে, "কোনো ভয় নাই। ইয়াত আমি মাত্ৰ দুজনেই নহয়; তৃতীয় খোদাও নিশ্চয় আমাৰ সৈতে আছে।"

( বুখাৰী: বাব মানকিবুল মুহাজেৰীন)

এতিয়া খোদা তায়লা ইছলামক ৰক্ষা কৰা, উন্নতি দান কৰা আৰু মক্কা বাসীক যি অৱকাশ দিয়া হৈছিল তাক শেষ কৰাৰ সময় আহিছে। খোদা তায়লা মক্কাবাসী সকলৰ চকুৰ পৰ্দা মুকলি কৰি দিলে, আৰু সিহঁতে গুপ্তচৰৰ সৈতে চিঞৰ-বাখৰ কৰা আৰম্ভ কৰিলে, লগতে কলে, সিহঁতে মুকলি স্থানত আশ্ৰয় লৈছেনে ? ইতো আশ্ৰয় নিয়াৰ দৰে কোনো স্থান হ'ব নোৱাৰে। তাৰ বাহিৰে ই সাপ, বৃশ্চিক, পোক-পৰুৱা, মকৰা আদিৰ বৈঠক খানা। ইয়াত কোনো বুদ্ধিমান লোক আশ্ৰয় ল'ব নে ? আনকি তেওঁলোক গুহাৰ ভিতৰলৈ উকি মাৰিও নেদেখিলে। নেচাই সিহঁতে গুপ্তচৰক হাঁহি বিদ্ৰূপ কৰি আনফালে গুচি গ'ল।

দুই দিন সেই গুহাত থকাৰ পাছত, পূৰ্বৰ বন্দোৱস্ত অনুসৰি ৰাত্ৰিযোগে গুহাৰ ওচৰত বাহন পশু (চত্তৱৰী) প্ৰেৰণ কৰা হ'ল আৰু দ্ৰুত বেগী উটৰ পিঠিত আৰোহণ কৰি হজৰত মহম্মদ (ছাঃ) আৰু তেখেত (ছাঃ)ৰ লগৰীয়া হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ) যাত্ৰা আৰম্ভ কৰিলে। এটা উটৰ পিঠিত হজৰত মহম্মদ (ছাঃ) আৰু পথ-প্ৰদৰ্শক আন এটাত হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ) আৰু খাদেম (সেৱক) আমেৰ বিন ফুহাইৰা উপৱিষ্ট আছিল। মদিনাৰ পথত যাত্ৰা কৰাৰ পূৰ্বে হজৰত মহম্মদ মুস্তফা (ছাঃ)য়ে এবাৰ নিজ জন্ম ভূমি মক্কাৰ পিনে মুখ কৰিলে; য'ত তেখেত (ছাঃ)য়ে নবুয়ত

লাভ কৰিছিল আৰু হজৰত ইছমাইল (আঃ)ৰ যুগৰ পৰা আৰম্ভ কৰি তেখেত (ছাঃ)ৰ পূৰ্ব পুৰুষ সকলে বাস কৰি আহিছে। তেখেত (ছাঃ)য়ে শেষ বাৰৰ বাবে মক্কাৰ পিনে দৃষ্টি নিবদ্ধ কৰিলে আৰু শোক গ্ৰস্ত হৃদয়ে সেই চহৰক সম্বোধন কৰি কলে, হে মক্কা ! তুমি মোৰ ওচৰত পৃথিৱীৰ সকলো স্থানতকৈ প্ৰিয়,কিন্তু তোমাৰ মানুহে মোক ইয়াত থাকিব নিদিয়ে। এই সময়ত হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)য়ে বৰ পৰিতাপৰ সৈতে কলে, “এই মানুহবিলাকে সিহঁতৰ নবীক নিজ দেশৰ পৰা বহিষ্কাৰ (বহিৰাগত) কৰিলে, এতিয়াতো সিহঁত ধ্বংশ হৈ যাব।” ( জুৰকানী: ১ম খণ্ড; পৃ: ৩২৮,মচনদ আহমদ আৰু তিৰমিজীৰ সুত্ৰ)

## ছুৰাকাৰ পশ্চ্যাৎ গমন আৰু তেওঁৰ সম্পৰ্কে আঁহজৰত (ছাঃ)ৰ ভৱিষ্যৎবাণী

হজৰত মহম্মদ মুস্তফা (ছাঃ)ৰ অনুসন্ধানত যেতিয়া মক্কাবাসীয়ে ব্যৰ্থ হৈছিল; তেতিয়া সিহঁতে ঘোষণা কৰিছিল যে, যদি কোনোবাই হজৰত মহম্মদ (ছাঃ)ক আৰু হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ক জীৱিত অথবা মৃত অৱস্থাত ধৰি আনি দিব পাৰে; তেন্তে তাক ১০০ (এক শ ) উট পুৰস্কাৰ দিয়া হ’ব। এই ঘোষণাৰ সংবাদ মক্কাৰ চৌপাশৰ কবিলা সমূহৰ মাজতো হিঁচৰিত কৰি দিয়া হ’ল। ছুৰাকা বিন মালেক নামৰ এজন বেদুইন নেতা এই পুৰস্কাৰৰ লোভত আঁহজৰত (ছাঃ)ৰ অনুসন্ধানত বাহিৰ হ’ল। অনুসন্ধান কৰোঁতে কৰোঁতে সি মদিনা অভিমুখে ৰাস্তাৰ ওপৰত প্ৰায় হজৰত মহম্মদ (ছাঃ)ৰ ওচৰ পালে। যেতিয়া সি ছটা উট আৰোহী দেখা পালে আৰু বুজিব পাৰিলে যে, ইহঁতেই হজৰত মহম্মদ (ছাঃ) আৰু সঙ্গী সকল; তেতিয়া সি তাৰ ঘোঁৰাক পোনে পোনে সিহঁতৰ পিছে খেদিলে। কিন্তু তেওঁৰ ঘোঁৰা ৰাস্তাত বৰ জোৰেৰে উচ্‌টনি খাই বাগৰি পৰিল আৰু ছুৰাকা ঘোঁৰাৰ পিঠিৰ পৰা ছিটিকি পৰিল। সেই ছুৰাকা পৰৱৰ্তী কালত মুছলমান হৈছিল। সি তাৰ ঘটনাৰ বৰ্ণনা নিজেই এনেদৰে দিছিল;

যেতিয়া মই ঘোঁৰাৰ পিঠিৰ পৰা পৰি গলো, তেতিয়া মই আৰব সকলৰ প্ৰথা অনুসৰি (বিধিৰ লিখন) ফল গণনা কাৰ্য্য আৰম্ভ কৰিলোঁ। কিন্তু ঘণনাৰ ফল অতি বেয়া আছিল। তথাপি পুৰস্কাৰৰ (লালসাত) হেঁপাহত মই আকৌ ঘোঁৰাত উঠি বহিলোঁ আৰু পুনৰ দ্ৰুত বেগত দৌৰিলোঁ। হজৰত ৰছুলে কৰিম (ছাঃ) নিৰ্ভীক ভাৱে নিজৰ উটৰ পিঠিত বহি অগ্ৰহৰ হৈ আছিল। তেখেত (ছাঃ)য়ে এবাৰো পিছফালে ঘূৰি মোক চোৱা

নাছিল।কিন্তু হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ) বৰকৈ ভয় পাইছিল হয়তো হজৰত ৰছুল পাক (ছাঃ)ৰ ওপৰত কোনো আঘাত আহিব পাৰে।

( জুৰকানী: ১ম খণ্ড; পৃ: ৩২৮, মচনদ আহম্মদ আৰু তিৰমিজীৰ সুত্ৰ)

সেইকাৰণে তেখেত (ৰাঃ) বাৰে বাৰে পাছফালে ঘূৰি চাইছিল। যেতিয়া দ্বিতীয় বাৰো মই সিহঁতৰ ওচৰ পালোঁ; তেতিয়া পুনৰ মোৰ ঘোঁৰা উচ্‌ট খায় আৰু মই ঘোঁৰাৰ পিঠিৰ পৰা বাগৰি পৰোঁ। তেতিয়া পুনৰ মই তৃতীয় বাৰৰ বাবে তীৰ দি ভাগ্য পৰীক্ষা কৰিলোঁ। এই বাৰো মোৰ গণনাৰ ফল বেয়া প্ৰতিপন্ন হ'ল। মই দেখিলোঁ যে, বালিৰ মাজত ঘোঁৰাৰ ঠেং ইমান পুঁত গৈছে যাক ওলোৱা অসুবিধা হ'ল। তেতিয়া মোৰ মনত এই ধাৰণাৰ উদ্ৰেক হ'ল যে, নিশ্চয় ইহঁতে খোদাৰ (হেফাজত) সংৰক্ষণত আছে। মই সিহঁতক মাত লগাই কলোঁ, “ৰব ! আৰু মোৰ কথা শ্ৰৱণ কৰক।” তেতিয়া সিহঁতে মোৰ ওচৰলৈ আহিল। মই সিহঁতক কলোঁ, মই আজি যি উদ্দেশ্যত তোমালোকৰ পাছত আহিছিলোঁ; তাক মই পৰিত্যাগ কৰিলোঁ। মই এতিয়া উভতি গৈ আছোঁ। কাৰণ মোৰ দৃঢ় বিশ্বাস জন্মিছে যে, খোদা তায়লা আপোনালোকৰ সৈতে সাহায্যকাৰী হিচাবে আছে। দয়াৰ নবী হজৰত মুস্তফা (ছাঃ)য়ে তেতিয়া কলে, হ'ব বাৰু যাওঁক। কিন্তু কাকো এই সম্পৰ্কে কোনো সংবাদ নিদিব। তেতিয়া মোৰ মনত এই ধাৰণা উদয় হৈছিল যে, যিহেতু ব্যক্তিজন সত্য, গতিকে নিশ্চয় তেখেত (ছাঃ) এদিন বিজয় লাভ কৰিব। এই ধাৰণা অনুসৰি মই আবেদন কৰিলোঁ, যেতিয়া আপুনি বিজয় লাভ কৰিব; তেতিয়াৰ বাবে মোক এটি নিৰপত্তাৰ অঙ্গীকাৰ লিখি দিয়ক। হজৰত মহম্মদ মুস্তফা (ছাঃ)য়ে হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ৰ খাদেম আমৰ বিন ফোহায়ৰাক এই প্ৰতিজ্ঞা পত্ৰ লিখি দিবলৈ নিৰ্দেশ দিলে। তদনুযায়ী সি মোক এটা নিৰাপত্তাৰ অঙ্গীকাৰ পত্ৰ লিখি দিলে। (বুখাৰী: বাব হিজৰাতুন্নবী (ছাঃ)।

অঙ্গীকাৰৰ পত্ৰ পাই যেতিয়া ছুৰাকা উভতি আহি আছিল; তেতিয়া খোদা তায়লা দ্বীনৰ নবী হজৰত মহম্মদ (ছাঃ)ক ছুৰাকাৰ ভৱিষ্যত অৱস্থা প্ৰকাশ কৰিছিল।সেই মতে তেখেত (ছাঃ)য়ে কলে,সেই দিনাখন তোমাৰ অৱস্থা কেনেকুৱা হ'ব।যিদিনা তোমাৰ দুখন হাতত কিচৰাৰ কংগন (সোনৰ খাৰু) শোভা পাব ?বিস্ময়ত বিমুঢ় হৈ ছুৰাকা প্ৰশ্ন কৰিছিল হুৰমুজৰ পুত্ৰ কিচৰা ইৰাণৰ বাদশ্বাহ নহয়নে ? আঁহজৰত (ছাঃ)য়ে কৈছিল, অৱশ্যই হয়। (আল ছিৰাতুল হালবিয়া ২য় খণ্ড,পৃঃ ৫০)

হজৰত মহম্মদ (ছাঃ)ৰ ভৱিষ্যতবাণী যোল্ল সোতৰ (১৬/১৭) বছৰ পাছত আখৰে আখৰে পূৰ্ণতা লাভ কৰিছিল। ছুৰাকা মুছলমান হৈ মদিনাত আহিল।বিশ্ব নবী হজৰত

মহম্মদ (ছাঃ)ৰ মৃত্যুৰ পাছত ইছলামৰ প্ৰথম খলিফা (প্ৰতিনিধি) হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ) আৰু দ্বিতীয় খলিফা হজৰত ওমৰ (ৰাঃ)হয়।ইছলামৰ ক্ৰমবৰ্ধমান শক্তি আৰু প্ৰতিপত্তি দেখি ইৰাণী সকলে মুছলমান সকলৰ ওপৰত আক্ৰমণ আৰম্ভ কৰি দিলে।কিন্তু ইছলামক পৃথিৱীৰ পৰা নি:চিহ্ন কৰি পেলোৱাৰ পৰিৱৰ্তে সিহঁতেই পৰাজিত আৰু নি:চিহ্ন হৈছিল।কিচৰাৰ ৰাজপ্ৰাসাদ ইছলামী সৈন্য বাহিনীৰ ঘোঁৰাৰ খুৰাৰ তলিত ধুলিসাৎ হৈ গ'ল।ইৰাণৰ সকলো ধন সম্পদ মুছলমান সকলৰ অধিনস্ত হ'ল।ইৰাণৰ বাদশ্বাহৰ যিবোৰ ধন সম্পত্তি,বস্তু বাহিনী ইছলামৰ সৈন্য বাহিনীৰ হস্তগত হ'ল।তাৰ মাজত সেই উল্লেখিত সোনৰ খাৰু আছিল।যি সোনৰ খাৰু ইৰাণী প্ৰথা অনুসৰি সিংহাসনত বহাৰ সময়ত বাদশ্বাহ কিচৰাই পৰিধান কৰিছিল।

ছুৰাকা মুছলমান হোৱাৰ পাছত তেওঁৰ সেই ঘটনাৰ কথা যি হিজৰতৰ সময়ত মদিনাৰ পথত হজৰত মহম্মদ (ছাঃ)ৰ সৈতে ঘটিছিল; তাক সি মুছলমান সকলৰ ওচৰত অতি গৰ্বৰে কৈ ফুৰিছিল।সেই বাবে সকলো মুছলমানে শুনিছিল যে,হজৰত ৰছুলে কৰিম (ছাঃ) তেওঁক কৈছিল যে, ছুৰাকা! সেই দিনা তোমাৰ অৱস্থা কেনেকুৱা হ'ব যিদিনা তোমাৰ দুখন হাতত কিচৰাৰ কংগন (সোনৰ খাৰু) শোভা পাব ?

হজৰত ওমৰ (ৰাঃ)ৰ খিলাফত কালত যেতিয়া সেই যুদ্ধত লাভ কৰা সকলো বস্তু বাহিনী (গনিমতৰ মাল) আনি ৰখা হ'ল।তেতিয়া হজৰত ওমৰ (ৰাঃ)য়ে সেইবোৰৰ মাজত কিচৰাৰ কংগন দেখিবলৈ পালে।তেতিয়া তেখেত (ৰাঃ)ৰ চকুৰ আগত সেই দিনৰ দৃশ্য প্ৰকট হৈ উঠিল।সেই দুৰ্বল,সেই অসহায় অৱস্থাৰ কথা; যিদিনা আল্লাহৰ ৰছুল নিজৰ উপজা ঠাই মাতৃভূমি এৰি মদিনাত হিজৰত কৰি আহিছিল আৰু যেতিয়া এই **ছুৰাকা** আৰু অন্যান্য ব্যক্তি সকলে হজৰত ৰছুলে কৰিম (ছাঃ)ৰ পিছে পিছে তেখেত (ছাঃ)ক জীৱিত অথবা মৃত অৱস্থাত ধৰি মক্কাবাসীৰ হাতত অৰ্পন কৰি দিয়াৰ বাবে খেদি আহিছিল।যাৰ বিনিময়ত এশ উটৰ গৰাকী হ'ব বিচাৰিছিল।ঠিক সেই সময়ত ছুৰাকাক কোৱা হৈছিল,ছুৰাকা তোমাৰ অৱস্থা সেইদিন কেনেকুৱা হ'ব যি দিনা তোমাৰ দুই হাতত কিচৰাৰ কংগন শোভা পাব ?কিমান ডাঙৰ ভৱিষ্যতবাণী আছিল এইটো! কিমান উজ্জ্বল নিদৰ্শন।

হজৰত ওমৰ ফাৰুক (ৰাঃ)য়ে যেতিয়া চকুৰ আগত সেই কংগন (সোনৰ খাৰু) দেখা পালে তেতিয়া তেখেত (ৰাঃ)ৰ চকুৰ সন্মুখত খোদাৰ কুদৰত (ক্ষমতা) উদ্ভাসিত হ'ল।তেখেত (ৰাঃ)য়ে কলে,ছুৰাকাক মাতি আনা।নিৰ্দেশ মৰ্মে ছুৰাকাক মাতি অনা

হ’ল।তেখেত (ৰাঃ)য়ে তেওঁক কলে,তুমি এই কংগন (সোনৰ খাৰু) নিজৰ হাতত পিন্ধা। ছুৰাকা কলে,হে আল্লাহৰ খলিফা! সোন পিন্ধা মুছলমান সকলৰ বাবে নিষিদ্ধ। হজতৰ ওমৰ (ৰাঃ)য়ে কলে,অৱশ্যই হয়। নিষেধ এই ঘটনাৰ বাবে নহয়। আল্লাহ তায়লা হজৰত মহম্মদ (ছাঃ)ক তোমাৰ হস্তে সোনৰ খাৰু পিন্ধা অৱস্থাত দেখা পাইছিল।এতিয়া তুমি হয় এই কংগন পৰিধান কৰিবা নহলে নিজকে শাস্তি প্ৰদান কৰিবা। ছুৰাকাৰ আপত্তি আছিল মাত্ৰ চৰিয়ত মচলাৰ বাবে।নহলে তেওঁৰো ইচ্ছা আছিল যে,তেওঁ যেন হজৰত ৰছুলে কৰিম (ছাঃ)ৰ ভৱিষ্যতবাণী পূৰ্ণ হোৱা দেখিবলৈ পায়।ছুৰাকা এই কংগন নিজ হস্তে পিন্ধিলে আৰু মুছলমান সকলে এই শক্তিশালী ভৱিষ্যতবাণীৰ পূৰ্ণতা প্ৰত্যক্ষ কৰিলে। মক্কাৰ পৰা বিতাৰিত দয়াৰ নবী আজি সমগ্ৰ বিশ্বৰ বাদশ্বাহ।তেখেত (ছাঃ)পৃথিৱীত হয়তো নাছিল; কিন্তু ইছলামৰ গোলাম সকলে তেখেত (ছাঃ)ৰ ভৱিষ্যতবাণীসমূহ পূৰ্ণ হোৱা দেখিবলৈ পাইছিল।

## আঁহজৰত (ছাঃ)ৰ মদিনাত আগমন

ছুৰাকা বিদায় লোৱাৰ পিছত অৱশিষ্ট কেই মঞ্জিলৰ পথ অতিক্ৰম কৰি হজৰত মহম্মদ (ছাঃ) যেতিয়া মদিনাত উপস্থিত হৈছিল। মদিনাৰ মানুহে অধীৰ আগ্ৰহৰে তেখেত (ছাঃ)ৰ প্ৰতীক্ষা কৰিছিল। ইয়াতকৈ আৰু সৌভাগ্য কি হ’ব পাৰে যে,যি সূৰ্য্য মক্কাত উদয় হৈছিল; সেয়া আজি মদিনাবাসীৰ ওপৰত উদয় হ’ল।

যেতিয়াৰ পৰা মদিনাবাসীৰ ওচৰত এই সংবাদ আহি পাইছিল যে,হজৰত মহম্মদ (ছাঃ) মক্কা চহৰৰ পৰা অদৃশ্য হৈছে তেতিয়াৰ পৰাই সিহঁতে তেখেত (ছাঃ)ৰ প্ৰতীক্ষাত বাট চাই দিন গণনা কৰি আছিল। সিহঁতৰ প্ৰতিনিধি দলে প্ৰতি দিন নিতৌ মদিনাৰ পৰা কেইবা মাইল দূৰ আহি সমগ্ৰ দিন সন্ধান লৈছিল আৰু অৱশেষত সন্ধিয়া নিৰাশ হৈ উভতি আহিছিল। হজৰত মহম্মদ (ছাঃ)য়ে যেতিয়া মদিনাৰ অতি ওচৰত আহি উপস্থিত হৈছিল; তেতিয়া তেখেত (ছাঃ)য়ে স্থিৰ কৰিছিল যে,তেখেত (ছাঃ)য়ে সৰ্বপ্ৰথমে **কোবাত** (মদিনাৰ এখন সৰু গাওঁ) নামৰ গাঁৱত অৱস্থান কৰিব। এজন ইহুদীয়ে তেখেত (ছাঃ)ৰ উটবিলাকক অহা দেখি বুজিব পাৰিছিল যে,এই কাফেলাই নিশ্চয় হজৰত মহম্মদ (ছাঃ)ৰ। সি ততালিকে এটি পাহাৰৰ টিলাৰ ওপৰত উঠিল আৰু অতি জোৰেৰ মাতি ক’ব ধৰিলে,হে কাফেলাৰ সন্তান সকল! তোমালোকে যাৰ প্ৰতীক্ষাত ইমান দিন বাট চাই আছিলা তেখেত (ছাঃ)য়ে ইতিমধ্যে আহি পাইছে। এই মাত শুনিয়েই মদিনাৰ প্ৰত্যেক জন মানুহ **কোবাৰ** পিনে দৌৰিব ধৰিলে। কোবাৰ বাসিন্দা সকলে ধাৰণা কৰিলে যে,আল্লাহৰ নবী সিহঁতৰ মাজত থকাৰ বাবেহে আহি আছে। সেই কাৰণে

সিহঁতে আনন্দৰ গান গাবলৈ আৰম্ভ কৰিলে।

সেই সময়ত এটা ঘটনা ঘটিল যি হজৰত ৰছুলে কৰিম (ছাঃ)ৰ সৰলতাৰ প্ৰকৃত এক উদাহৰণ। মদিনাৰ অধিকাংশ লোকে হজৰত মহম্মদ (ছাঃ)ক চিনি পোৱা নাছিল।আনকি কোনো দিন তেখেত (ছাঃ)ক দেখাও পোৱা নাছিল। তেখেত (ছাঃ) এজোপা গছৰ ছাঁৰ তলত বহি আছিল। মদিনাৰ পৰা মানুহ বিলাকে দলে দলে তেখেত (ছাঃ)ৰ পিনে আহি আছিল। যিহেতু ৰছুলে (ছাঃ) নিতান্ত সহজ সৰল ভাৱে তাত বহি আছিল,সেই হেতুকে, যি সকলে তেখেত (ছাঃ)ক চিনি পোৱা নাছিল। সিহঁতে হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ৰ পকা দাড়ী আৰু পৰিধান বস্ত্ৰ হজৰত মহম্মদ (ছাঃ)তকৈ ভাল দেখি ভাৱিলে যে, এখেতেই হজৰত ৰছুল কৰিম (ছাঃ) এই ঘটনা দেখি হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ) য়ে ঠাৱৰ কৰিব পাৰিলে যে, মানুহে নিশ্চয় ভুল কৰি আছে।তেতিয়া তেখেত (ৰাঃ)য়ে তৎক্ষণাত এটি চাদৰ ৰছুলে কৰিম (ছাঃ)ৰ মূৰৰ ওপৰত মেলি ধৰি কলে, হে আল্লাহৰ ৰছুল! আপোনাৰ ভৰিত ৰ'দ লাগিছে।মই আপোনাৰ ওপৰত ছাঁ ধৰিছোঁ। (বুখাৰী, বাব হিজৰাতুন্নবী (ছাঃ))

এই ভাৱে তেখেত (ৰাঃ)য়ে এটা সুন্দৰ উপায় অৱলম্বন কৰি মানুহ বিলাকৰ নিজৰ ভুল বুজি পোৱাৰ সুযোগ প্ৰদান কৰিছিল।

কোবাত ১০ (দহ) দিন থকাৰ পিছত মদিনা বাসীয়ে হজৰত ৰছুলে কৰিম (ছাঃ)ক মদিনাত লৈ আহিল। যেতিয়া তেখেত (ছাঃ)মদিনাত প্ৰৱেশ কৰিছিল,তেতিয়া মদিনাৰ সকলো নাৰী,পুৰুষ বুঢ়া-বুঢ়ী ডেকা গাভৰু, শিশু সকলোৱেই পথত ওলাই আহিছিল আৰু আঁহজৰত (ছাঃ)ক অভিনন্দন জনাইছিল। বালক বালিকা আৰু সিহঁতৰ সৈতে মহিলা সকলেও গাব ধৰিলে।

طَلَعَ الْبَدْرُ عَلَيْنَا مِنْ ثَنِيَّاتِ الْوِدَاعِ
وَجَبَ الشُّكْرُ عَلَيْنَا مَا دَعَا لِلّٰهِ دَاعِ
اَيُّهَا الْمَبْعُوْثُ فِيْنَا جِئْتَ بِالْاَمْرِ الْمُطَاعِ

অৰ্থ ঃ আমাৰ ওপৰত পূৰ্ণিমাৰ চন্দ্ৰ (পূৰ্ণজোন) পাহৰৰ সি পাৰৰ পৰা উদয় হৈছে। যেতিয়ালৈকে আল্লাহৰ পিনে আহ্বানকাৰী পৃথিৱীত অৱস্থান কৰে; তেতিয়ালৈকে আমি তেওঁৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰা উচিত। হে, সেই জনাই তুমি ! যাক আল্লাহ্ পাক আমাৰ মাজত আৱিৰ্ভূত কৰিছে; আমি নিশ্চয় তোমাৰ আদেশ মান্য কৰি চলিম। (হালবিয়া, যুৰকানী: ১ম খণ্ড, পৃ:৩৫)

হজৰত মহম্মদ মুস্তফা (ছাঃ) পূৰ্ব দিশ দি মদিনাত প্ৰৱেশ কৰা নাছিল। কিন্তু চন্দ্ৰ তো পূৰ্ব দিশতেই উদয় হয়। গতিকে মদিনা বাসীৰ উল্লেখিত কবিতাৰ ইঙ্গিত আধ্যাত্মিক চন্দ্ৰৰ প্ৰতি আছিল। আমি ইমান দিন অন্ধকাৰত আছিলো; এতিয়া আমাৰ ওপৰত চন্দ্ৰ উদয় হৈছে। এই চন্দ্ৰ সেই দিশৰ পৰা উদয় হৈছে; যি দিশত সাধাৰণ চন্দ্ৰ উদয় নহয়। যি দিনাখন হজৰত ৰছুল কৰিম (ছাঃ) মদিনাত প্ৰৱেশ কৰিছিল; সেইদিনা সোমবাৰ আছিল। এই সোমবাৰতেই তেখেত (ছাঃ)য়ে **চত্তৰ গিৰি** গুহাৰ পৰা ওলাই আহিছিল

আৰু আশ্চৰ্য্য যে, তেখেত (ছাঃ)ৰ মক্কা বিজয়ৰ দিনটোও আছিল সোমবাৰ।

হজৰত মহম্মদ (ছাঃ)য়ে যিদিনা মদিনাত প্ৰৱেশ কৰিছিল, সেইদিনা প্ৰত্যেকেই এই আশা কৰিছিল যেন; তেখেত (ছাঃ) তেওঁৰ ঘৰত উঠে। যি গলিয়ে দি তেখেত (ছাঃ)ৰ উট গৈছিল;

তাৰ প্ৰত্যেক পৰিয়ালৰ লোকে নিজ নিজ ঘৰৰ সন্মুখত থিয় হৈ ৰছুলে কৰিম (ছাঃ)ক এই বুলি স্বাগত সম্ভাষণ জনাইছিল:

হে আল্লাহৰ ৰছুল ! এই ঘৰ মোৰ, এই ধন-সম্পদ মোৰ আৰু এই সকলো মানুহ যি সকলে আপোনাৰ খেদমতৰ বাবে উপস্থিত সিহঁতো মোৰ। হে আল্লাহৰ ৰছুল ! আমি নিশ্চয় আপোনাৰ সুৰক্ষা দিয়াত সক্ষম। আপুনি আমাৰ ইয়াতে থাকক। বহুতে উৎসাহত অগ্ৰহৰ হৈ উটৰ লাগাম ধৰি টনা-টনি কৰিব ধৰিলে যাতে তেখেত (ছাঃ) সিহঁতৰ ঘৰতেই উঠে। কিন্তু তেখেত (ছাঃ)য়ে কলে, মোৰ উট এৰি দিয়া। ই আজি খোদাৰ ফালৰ পৰা আদিষ্ট। ই তাতে থিয় হ'ব, য'ত খোদা তায়লা ইচ্ছা কৰিব। অৱশেষত মদিনাৰ এক প্ৰান্তত **বনু-নাজীৰ** গোত্ৰৰ এতীম (অনাথ) সকলৰ এটি জমিন (মাটি)ৰ ওপৰত গৈ উট থিয় হ'ল। তেখেত (ছাঃ)য়ে কলে, সম্ভৱত আল্লাহ তায়লাৰ এয়া ইচ্ছা যে, মই ইয়াতেই থাকো। তেখেত (ছাঃ)য়ে সুধিলে, এই মাটি কাৰ? মাটিখিনি কেইজন এতীমৰ আছিল। সিহঁতৰ অভিভাৱক আগ্ৰসৰ হৈ কলে, হে আল্লাহৰ ৰছুল ! এই মাটিখিনি অমুক অমুক এতীমৰ আৰু সিহঁত আপোনাৰ খেদমতৰ বাবে উপস্থিত। হজৰত মহম্মদ মুস্তফা (ছাঃ)য়ে কলে, মইতো কাৰো সম্পত্তি বিনা মূল্যত লব নোৱাৰোঁ। শেষত সেই মাটিৰ মূল্য নিৰ্দ্ধাৰণ কৰা হ'ল আৰু সেই স্থানতেই মছজিদ লগতে নিজৰ ঘৰ সাজিবলৈ স্থিৰ কৰিলে।

## আবু আইয়ুব আনছাৰী (ৰাঃ)ৰ ঘৰত হজৰত ৰছুলে কৰিম (ছাঃ)ৰ অৱস্থান

হজৰত মুহাম্মদুৰ ৰাছুল উল্লাহ (ছাঃ)য়ে সুধিলে, আটাইতকৈ ওচৰত কাৰ ঘৰ? আইয়ুব আনছাৰী (ৰাঃ) আগুৱাই আহি কলে, হে আল্লাহৰ ৰছুল ! মোৰ ঘৰ আটাইতকৈ ওচৰত আৰু সেয়া আপোনাৰ খেদমতত প্ৰস্তুত। আঁহজৰত (ছাঃ)যে কলে, ঘৰলৈ

যোৱা আৰু মোৰ বাবে এটি কোঠা ঠিক কৰি দিয়া। আইয়ুব আনছাৰী (ৰাঃ)ৰ ঘৰ দুই মহলীয়া আছিল। তেওঁ মুহাম্মাদুৰ ৰাছুল উল্লাহ (ছাঃ)ক ওপৰৰ মহলত থাকিবলৈ অনুৰোধ কৰিলে। কিন্তু দয়াৰ নবী হজৰত মহম্মদ মুস্তফা (ছাঃ)য়ে মানুহৰ সৈতে সাক্ষাৎ কৰোঁতে অসুবিধা হ'ব পাৰে বুলি ভাৱি তলৰ মহলাত থাকিবলৈ নিৰ্দ্ধাৰিণ কৰিলে। হজৰত মুহাম্মাদুৰ ৰাছুল উল্লাহ (ছাঃ)ৰ প্ৰতি যে, হজৰত আবু আইয়ুব আনছাৰী (ৰাঃ)ৰ গভীৰ প্ৰেম উপজিছিল; তাৰ প্ৰমাণ এটি ঘটনাত প্ৰকাশ পালে। তেওঁ (ৰাঃ)য়ে হজৰত মহম্মদ মুস্তফা (ছাঃ)ৰ কথাত সন্মত হ'ল আৰু তেখেত (ছাঃ) তলৰ মহলাতেই থাকিব বুলি স্থিৰ কৰিলে। কিন্তু সমগ্ৰ ৰাতি তেখেত (ৰাঃ)য়ে এই চিন্তাত উজাগৰে কটালে যে, দয়াৰ নবী, উন্মতৰ কাণ্ডাৰী হজৰত মহম্মদ মুস্তফা (ছাঃ) তলৰ মহলাত আৰু সিহঁতে ওপৰৰ মহলাত আছে, ইমান ডাঙৰ বে-আদাবী কৰা সমীচিন হোৱা নাই। তদুপৰি,ঘটনাক্ৰমে নিশা এক কলহ পানী ঢালি পৰিল। সিহঁতে দেখিলে যে, এতিয়াতো পানী নিশ্চয় নিগৰি তললৈ পৰিব। সেইবাবে হজৰত আবু আইয়ুব আনছাৰী (ৰাঃ) লৰালৰি কৰি তেখেত (ৰাঃ)ৰ এটা লেপ পানীৰ ওপৰত বিছাই দি পানীখিনি শুকোৱাই মুছি পেলালে। ৰাতিপুৱা তেখেত (ৰাঃ)য়ে ৰাতিৰ সকলো ঘটনা মুহাম্মাদুৰ ৰাচুল উল্লাহ (ছাঃ)ৰ ওচৰত বিৱৰি কলে আৰু তেখেত (ছাঃ)ক ওপৰ মহলাত থাকিবলৈ পুনৰ অনুৰোধ কৰিলে। এই ক্ষেত্ৰত মুহাম্মাদুৰ ৰাচুল উল্লাহ (ছাঃ)সন্মত হ'ল। হজৰত আবু আইয়ুব আনছাৰী (ৰাঃ) নিতৌ খোৱা বস্তু তৈয়াৰ কৰি আঁহজৰত (ছাঃ)ৰ ওচৰলৈ লৈ আহিছিল। আঁহজৰত (ছাঃ)ৰ খোৱাৰ পাছত অৱশিষ্ট খাদ্য সিহঁত পৰিয়ালৰ সকলোৱে মিলি খাইছিল। কিছুদিন পাছত অন্যান্য আনছাৰ সকলে এই (মেহমান) অতিথি সেৱাত অংশ গ্ৰহণ কৰা বাবে আবেদন জনাইছিল। যিমান দিনলৈকে দয়াৰ নবী হজৰত মহম্মদ মুস্তফা (ছাঃ)ৰ বাবে এখন সুকীয়া ঘৰ তৈয়াৰ হোৱা নাছিল; সিমান দিন লৈকে মদিনাৰ মুছলমান সকলে সমানে ভগাই তেখেত (ছাঃ)ৰ বাবে খাদ্য প্ৰস্তুত কৰি আনি দিব ধৰিলে।

## হজৰত আনাছ (ৰাঃ) ৰ সাক্ষী

মদিনাৰ এজনী বিধৱাৰ এজন ল'ৰা আছিল। ল'ৰা জনৰ নাম আছিল আনাছ আছিল আৰু তেওঁৰ বয়স প্ৰায় আঠ-ন বছৰ আছিল। বিধৱা মহিলাগৰাকীয়ে তাইৰ সন্তানক আঁহজৰত (ছাঃ)ৰ সেৱাৰ বাবে লৈ আহি কলে, হে আল্লাহৰ ৰছুল ! মোৰ এই ল'ৰাজনক আপুনি আপোনাৰ সেৱাৰ বাবে গ্ৰহণ কৰক। বিধৱা মহিলা জনীয়ে তাইৰ শ্ৰদ্ধা আৰু ভক্তিৰ বাবে নিজৰ সন্তানক সাময়িক ভাৱে কোৰবাণী (উৎসৰ্গ) কৰিছিল। কিন্তু তাই জনা নাছিল যে, তাইৰ এই কোৰবাণী সাময়িক ভাৱে নহয়, চিৰকালৰ বাবে

হে গ্ৰহণ কৰা হৈছিল। হজৰত আনাছ (ৰাঃ) দয়াৰ নবী হজৰত মহম্মদ মুস্তফা (ছাঃ)ৰ সান্নিধ্যত থাকি এজন বিজ্ঞ আলেম হৈ উঠিছিল। লাহে লাহে তেওঁ এজন সম্পদশালীও হৈ উঠিছিল। তেখেত (ৰাঃ) একশ (১০০) বছৰতকৈ অধিক কাল বয়স পৰ্যন্ত জীয়াই আছিল। ইছলামী ৰাজত্বত তেখেত (ৰাঃ)ৰ প্ৰতি অতি উচ্চ শ্ৰদ্ধা আৰু সন্মান প্ৰদৰ্শন কৰা হৈছিল। হজৰত আনাছ (ৰাঃ) বৰ্ণনা কৰিছে;

মই অতি কম বয়সতেই দয়াৰ নবী হজৰত মহম্মদ মুস্তফা (ছাঃ)ৰ সেৱা কৰাৰ সুবৰ্ণ সুযোগ পাইছিলোঁ। আৰু গোটেই জীৱন মই তেখেত (ছাঃ)ৰ লগত আছিলোঁ। তেখেত (ছাঃ)য়ে কেতিয়াও মোক কোনো কটু কথা কোৱা নাছিল, কোনো হুমকিও দিয়া নাছিল। আনকি কেতিয়াও এনে কোনো কাম কৰাৰ বাবে আদেশ দিয়া নাছিল, যি কাম কৰা মোৰ ক্ষমতাৰ বাহিৰত আছিল। (বুখাৰী; বাব হিজৰাতুন্নবী (ছাঃ) আৰু জুৰকানী: ১ম খণ্ড মুছলিম ; ২য় খণ্ড)

মদিনাত থকা কালছোৱাত আঁহজৰত (ছাঃ)য়ে কেৱল মাত্ৰ হজৰত আনাছ (ৰাঃ)ৰ পৰাহে খেদমত গ্ৰহণ কৰিছিল। হজৰত আনাছ (ৰাঃ)ৰ উক্ত সাক্ষী, হজৰত মুহাম্মাদুৰ ৰাচুল উল্লাহ (ছাঃ)ৰ মদিনী জীৱনৰ চাৰিত্ৰিক উন্মত বৈশিষ্টৰ ওপৰত অতি উজ্জ্বল ৰূপে আলোকপাত কৰিছে।

## মক্কাৰ পৰা পৰিয়ালৰ লোকসকলক মদিনালৈ লৈ অহা আৰু মছজিদুন্নাববীৰ ভিত্তি স্থাপন

কিছুদিন পাছত দয়াৰ নবী হজৰত মুহাম্মাদুৰ ৰাচুল উল্লাহ (ছাঃ)য়ে মুক্তি প্ৰাপ্ত কৃতদাস হজৰত জায়েদ (ৰাঃ)ক তেখেত (ছাঃ)ৰ পৰিয়ালৰ লোক সকলক মদিনালৈ লৈ অহাৰ বাবে মক্কালৈ পঠিয়াই দিলে। মক্কাবাসী সকলে যিহেতু আঁহজৰত (ছাঃ)ৰ এনে আকষ্মিক ভাৱে হিজৰত কৰি যোৱাৰ বাবে হতাশ গ্ৰস্থ আৰু চঁক খাইছিল; সেই হেতুকে তেওঁলোকে মুছলমান সকলৰ ওপৰত অত্যাচাৰ কৰা বন্ধ কৰিছিল।

তেওঁলোকৰ সেই ভয় ভীতিৰ কাৰণেই হজৰত মহম্মদ (ছাঃ)আৰু অনুচৰ হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ৰ বংশৰ লোক সকল মক্কা এৰি যোৱাৰ সময়ত সিহঁতে কোনো বাধা দিয়া নাছিল। সেই বাবে হজৰত জায়েদ (ৰাঃ)সহ সকলোৱে নিৰাপদে

মদিনাত উপস্থিত হৈছিল। যি মাটি হজৰত মহম্মদ (ছাঃ) ইতি মধ্যে ক্ৰয় কৰি লৈছিল; সেই মাটিতেই তেখেত (ছাঃ)য়ে সৰ্ব প্ৰথম মছজিদৰ ভিত্তি স্থাপন কৰিলে;তেখেত (ছাঃ)ৰ নিজৰ আৰু শিষ্য সকলৰ বাবে গৃহ নিৰ্মাণ কৰিলে।ইয়াৰ বাবে সময় লগিছিল প্ৰায় সাত মাহ।(বুখাৰী বাব হিজৰাতুননাবী (ছাঃ)আৰু যুৰকানী ১ম খণ্ড, পৃঃ ৩৬৯)

## মদিনাৰ পৌত্তলিক গোত্ৰ সমূহৰ ইছলাম গ্ৰহণ

হজৰত মহম্মদ (ছাঃ) ৰহমাতুল্লিল আলামিন,খাতামান নাবিয়িন মদিনাত যোৱাৰ কিছুদিনৰ ভিতৰতেই মদিনাৰ মূৰ্তি পূজাৰ গোত্ৰ সমূহৰ প্ৰায় সকলোৱেই মুছলমান হৈছিল।যিসকলে হৃদয়ৰে মুছলমান হোৱা নাছিল সিহঁতে বাহ্যিক ভাৱে মুছলমান হৈছিল।এই ভাৱে পোন প্ৰথম পৰ্য্যয়ত এটা মুনাফিকৰ (কপটাচাৰীৰ) জমাত সৃষ্টি হ'ল।এওঁলোকৰ মাজৰ কিছুমান লোক পৰবৰ্ত্তী কালত প্ৰকৃতাৰ্থে ঈমান আনিছিল আৰু কিছু সংখ্যক লোক চিৰ দিনৰ বাবে মুছলমান সকলৰ বিৰুদ্ধে ষড়যন্ত্ৰ আৰু দুষ্কৃতি চলাই থাকিব ধৰিছিল।আকৌ কিছু সংখ্যক লোক এনেও আছিল যি সকলে বাহ্যিক ভাৱেও ইছলাম গ্ৰহণ কৰা নাছিল।কিন্তু সিহঁতে ইছলামৰ প্ৰভাৱ প্ৰতিপত্তি কোনো মতেই সহ্য কৰিব নোৱাৰিছিল।যাৰ ফলত সিহঁতে মদিনাৰ পৰা হিজৰত কৰি মক্কালৈ গুচি গৈছিল।ইয়াৰ পিছত মদিনা পৃথিৱীৰ বুকুত প্ৰথম সেই চহৰ হিচাপে পৰিগণিত হৈছিল;য'ত প্ৰকৃতাৰ্থে এক খোদাৰ এবাদত প্ৰতিষ্ঠা হৈছিল।

কলে অতিৰঞ্জিত নহ'ব যে,সেই যুগত পৃথিৱীৰ বুকুত এই চহৰ খনৰ বাহিৰে আন এনে কোনো চহৰ বা গাওঁ নাছিল;য'ত এক আল্লাহৰ এবাদত প্ৰকৃততে কৰা হৈছিল।মহম্মদ (ছাঃ)ৰ বাবে ই যে কিমান ডাঙৰ উল্লাসৰ কাৰণ আছিল তাক ভাষাত বৰ্ণনা কৰা এটা কঠিন কাৰ্য্য। মক্কাৰ পৰা হিজৰত কৰাৰ মাত্ৰ কেইদিন মানৰ ভিতৰতেই সৰ্ব শক্তিমান মহান আল্লাহ পাক সিহঁতৰ দ্বাৰা এটি চহৰক সম্পূৰ্ণ ভাৱে সৰ্ব শক্তিমান এক আল্লাহৰ উপাসনাত পৰিণত কৰি দিলে, য'ত প্ৰকাশ্যই হওক বা গোপনেই হওক, কোনো দিন আৰু কোনো মূৰ্ত্তি পূজা হোৱা নাই।কিন্তু এই পৰিৱৰ্তনৰ পৰা এইটো ভৱাৰ কোনো কাৰণ নাই যে,মুছলমান সকলৰ শান্তি আৰু নিৰাপত্তা প্ৰতিৰ্ষ্ঠিত হৈছিল।মদিনাতেই আৰব সকলৰ এটা কপটাচাৰীৰ জমাত আছিল।যি সকল হজৰত মহম্মদ (ছাঃ)ৰ শত্ৰু আছিল।ইয়াৰ বাহিৰেও ইহুদী সকলেও নিৰৱ ভাৱে তাত তেখেত (ছাঃ)ৰ বিৰুদ্ধে চক্ৰান্ত কৰি আছিল।এই সমূহ বিপদৰ কথা চিন্তা কৰি তেখেত (ছাঃ)য়ে সকলো সময়ত সতৰ্ক অৱস্থাত থাকিছিল।নিজৰ শিষ্য সকলকো সকলো সময়তে সতৰ্ক থাকিবলৈ

পৰামৰ্শ দিছিল। প্ৰথম অৱস্থাত কোনো কোনো দিন এনেও হৈছিল যে,হজৰত মহম্মদ (ছাঃ) গোটেই ৰাতি উজাগৰে কটাব লাগিছিল।এনে অৱস্থাত থাকোতে তেখেত (ছাঃ) এদিন বৰ ক্লান্ত হৈ নিজক নিজে কলে,এতিয়া যদি কোনো এজন ভাল মানুহে ইয়াত পহৰা দিলেহেঁতেন,তেন্তে মই হয়তো অলপ শুব পাৰিলোঁহেঁতেন।ক্ষন্তকতে অস্ত্ৰৰ ঝংকৰ শুনা গ'ল।হজৰত মহম্মদ (ছাঃ)য়ে সুধিলে তাত কোন?উত্তৰ আহিল, হে আল্লাহৰ ৰছুল! মই জায়েদ বিন আক্কাছ, আপোনাৰ পহৰাৰ বাবে আহিছোঁ।কথা শুনি তেখেত (ছাঃ) বিশ্ৰাম ল'বলৈ গ'ল।আনছাৰ সকলোৰো সদায় এই চিন্তা হৈছিল যে, মদিনাত হজৰত মহম্মদ (ছাঃ)ৰ নিৰাপত্তাৰ ক্ষেত্ৰত সিহঁতৰ দায়িত্ব কোনো প্ৰকাৰে কম নহয়।কাৰণ আঁহজতৰ (ছাঃ) শত্ৰুৰ আক্ৰমণৰ পৰা মদিনাতো নিৰাপদ নাছিল।সেই বাবে সিহঁতে সমূহীয়া ভাৱে এই সিদ্ধান্ত গ্ৰহণ কৰিলে যে,প্ৰত্যেক গোত্ৰৰ পৰা কিছু কিছু মানুহ পৰ্য্যয়ক্ৰমে তেখেত (ছাঃ)ৰ গৃহ পহৰা দি যাব।বাস্তৱতে মক্কা আৰু মদিনাৰ জীৱন কালত যদি কোনো পাৰ্থক্য থাকে,তেন্তে কেৱল এয়ে যে,এতিয়া মুছলমান সকলে আনৰ উপদ্ৰবৰ চিকাৰ নোহোৱাকৈ এক খোদাৰ নামত প্ৰতিষ্ঠিত মছজিদত নমাজ পঢ়িব পাৰি।

## মুছলমান সকলক কষ্ট দিয়াৰ উদ্দেশ্যত মক্কাবাসী সকলৰ পুনৰ প্ৰচেষ্টা

দুই তিনি মাহ অতিবাহিত হোৱাৰ পিছত মক্কাবাসী সকলৰ ভয় ভীতি আৰু ক্লান্তি দূৰ হ'ল। ইয়াৰ পাছত সিহঁতে নতুনকৈ চিন্তা-ভাৱনা আৰম্ভ কৰি দিলে যে,কেনেকৈ মুছলমান সকলক ক্ষতিগ্ৰস্ত কৰা যায়।পৰামৰ্শ কৰাৰ পাছত সিহঁত এই সিদ্ধান্তত উপনীত হ'ল যে,কেৱল মক্কা নগৰী আৰু তাৰ ওচৰ-পাজৰৰ মুছলমান সকলৰ ওপৰত অত্যাচাৰ চলালেই সিহঁতৰ উদ্দেশ্য সিদ্ধ নহ'ব।সিহঁতে ইছলামক তেতিয়াই শেষ কৰিব পাৰিব,যেতিয়া হজৰত মহম্মদ (ছাঃ)ক মদিনাৰ পৰা বহিষ্কাৰ কৰিব পাৰিব।গতিকে সিহঁত আব্দুল্লাহ বিন উবাই বিন ছুলুল,ইতিপূৰ্বে যাৰ কথা উল্লেখ কৰা হৈছে আৰু যাক হজৰত মহম্মদ (ছাঃ)ৰ আগমণৰ পূৰ্বে মদিনা বাসীয়ে সিহঁতৰ বাদশ্বাহ বনাব বিচাৰিছিল।তেওঁক কৈ পঠালে যে,হজৰত মহম্মদ (ছাঃ) মদিনাত যোৱাত মক্কাবাসীয়ে মনত বৰকৈ আঘাত পাইছে।মদিনা বাসী সকলৰ হজৰত মহম্মদ (ছাঃ)আৰু তেখেত (ছাঃ)ৰ শিষ্য সকলক আশ্ৰয় দিয়া উচিত হোৱা নাছিল।শেষত আৰু কৈছিল,

اِنَّكُمْ اٰوَيْتُمْ صَاحِبَنَا وَاِنَّا نُقْسِمُ بِاللّٰهِ لَتُقَاتِلَنَّهٗ اَوْ تُخْرِجَنَّهٗ اَوْلَنُسَيِّرَنَّ

اِلَيْكُمْ بِاَجْمَعِنَا حَتّٰى نَقْتُلَ مُقَاتِلَتَكُمْ وَنَسْتَبِيْحَ نِسَاءَ كُمْ

অৰ্থ ঃ যিহেতু এতিয়া তোমালোকে আমাৰ লোক (হজৰত মহম্মদ (ছাঃ)ক তোমালোকৰ গৃহত আশ্ৰয় দি ৰাখিছা;সেই হেতুকে আমি আল্লাহৰ শপত খাই এই ঘোষণা কৰো যে,হয় তোমালোকে হজৰত মহম্মদ (ছাঃ)ৰ সৈতে যুদ্ধ কৰা আৰু মদিনা চহৰৰ পৰা তেখেত (ছাঃ)ক বহিস্কাৰ কৰি দিয়া;নহলে আমি সকলোৱে সমূহীয়া ভাৱে মদিনা চহৰ আক্ৰমণ কৰিম আৰু মদিনাৰ সকলো সমৰ্থনবান ব্যক্তিক হত্যা কৰিম লগতে মহিলা সকলোকো কৃতদাস কৰি লৈ আহিম।

এই পত্ৰ পাই আব্দুল্লাহ বিন উবাই বিন ছুলুলৰ সংকল্প (নিয়ত) বেয়া হৈ গ'ল।সি অন্যান্য কপটাচাৰী সকলৰ সৈতে পৰামৰ্শ কৰিলে।যদি মহম্মদ (ছাঃ)ক আমি ইয়াত থাকিবলৈ দিও তেন্তে আমাৰ বাবে বিপদৰ বাট মুকলি হৈ যাব।গতিকে আমাৰ উচিত হ'ব যে,মক্কাবাসীৰ সন্তুষ্টিৰ নিমিত্তে তেখেত (ছাঃ)ৰ লগত যুদ্ধ কৰা।কিন্তু হজৰত মহম্মদ (ছাঃ)য়ে এই অভিসন্ধিৰ বিষয়ে জানিব পাৰিলে।তেখেত (ছাঃ)য়ে নিজে আব্দুল্লাহ বিন উবাই বিন ছুলুলৰ ওচৰলৈ গ'ল আৰু তেওঁক বুজাবলৈ চেষ্টা কৰিলে যে,তোমাৰ এই কাৰ্য্য স্বয়ং তোমাৰ বাবে ক্ষতিকাৰক হ'ব।কাৰণ তুমি অৱশ্যই জানা যে,মদিনাৰ বহু সংখ্যক লোক ইতিমধ্যে মুছলমান হৈছে আৰু সিহঁত সকলোৱেই ইছলামৰ বাবে জীৱন দিবলৈ প্ৰস্তুত।যদি তুমি তোমাৰ নিজ ইচ্ছামতে কাম কৰা;তেনেহলে মদিনাৰ সকলো নৱ মুছলমান মুহাজিৰ(মক্কাৰ পৰা হিজৰত কৰি অহা)সকলৰ সৈতে থাকিব।ফলত এই যুদ্ধত তোমালোকেই ধ্বংস হৈ যাবা।আব্দুল্লাহ বিন উবাই বিন ছুলুলে বিষয়টো উপলব্ধি কৰিলে,আৰু সি তেওঁৰ উদ্দেশ্য পৰিত্যাগ কৰিলে।

## আনছাৰ আৰু মুহাজিৰ সকলৰ মাজত ভ্ৰাতৃত্ব বন্ধন

এই সময়ত হজৰত মহম্মদ (ছাঃ)ইছলামৰ শক্তি বৃদ্ধি কৰাৰ উদ্দেশ্যত আৰু এটা পৰিকল্পনা কাৰ্য্যকৰী কৰলে।সেই পৰিকল্পনাটো হ'ল,তেখেত (ছাঃ)য়ে সকলো মুছলমানক একেলগে সমৱেত কৰিলে আৰু এজন মুহাজিৰক এজন আনছাৰৰ সৈতে ভ্ৰাতৃত্ব বন্ধনত আৱদ্ধ কৰি পৰস্পৰ ভাই ভাই সম্পৰ্ক কৰি দিলে।এই ভ্ৰাতৃত্ব বন্ধন আনছাৰ সকলে ইমান আগ্ৰহৰে আৰু উল্লাসৰে গ্ৰহণ কৰিলে যে,প্ৰত্যেক আনছাৰ তেওঁৰ সম্পৰ্কীয় ভ্ৰাতৃক নিজৰ গৃহলৈ লৈ গ'ল আৰু নিজৰ উপাৰ্জিত সকলো ধন সম্পত্তি মুহাজিৰ ভ্ৰাতৃৰ আগত আনি সমানে দুভাগ কৰি এভাগ তাক দি দিলে।এজন আনছাৰ অৰ্থাৎ মদিনাৰ নৱাগত মুছলিম ভাই ইমান খিনি কৰিলে যে,তেওঁ তেওঁৰ মুহাজিৰ ভাইক কলে,মই মোৰ দুজনী স্ত্ৰীক তালাক দিও আৰু তুমি তাইক বিবাহ কৰি

লোৱা।কিন্তু মুহাজিৰ ভাই সকলে আনছাৰ ভ্ৰাতৃসকলৰ এনে হিয়া ভৰা প্ৰেম,শ্ৰোদ্ধা আৰু ভক্তিৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰি সিহঁতৰ ধন সম্পত্তিৰ অংশ গ্ৰহণত অপৰাগতা প্ৰকাশ কৰিলে।কিন্তু আনছাৰ সকলেও সহজে এৰিবলৈ মান্তি নহ'ল।অৱশেষত বিষয়টোক হজৰত মহম্মদ (ছাঃ)কৰ্ণ গোচৰ কৰি আনছাৰ সকলে তেখেত (ছাঃ)ৰ ওচৰত আবেদন কৰিলে,হে আল্লাহৰ ৰছুল! এই মুহাজিৰ সকলে যেতিয়া আমাৰ ভ্ৰাতৃ হৈছে;তেতিয়া ই কেনেকৈ সম্ভৱ যে, সিহঁতে আমাৰ সম্বন্ধে ধন সম্পত্তিৰ অংশীদাৰ নহ'ব ? কিন্তু যিহেতু সিহঁতে কৃষি কাৰ্য্যৰ কাম নাজানে ব্যৱসায় বানিজ্য কৰা লোক সেই বাবে সিহঁতে মাটিৰ অংশ হয়তো নল'ব পাৰে।কিন্তু শস্যৰ অংশীদাৰ নিশ্চয় হ'ব লাগিব।

আশ্চৰ্য্যৰ বিষয় মুহাজিৰ সকলে আনছাৰ সকলৰ এই শস্যৰ অংশীদাৰ হ'বলৈ সন্মত নহ'ল।বৰং সিহঁত তেওঁলোকৰ ককা-দেউতাৰ জীৱিকাত নিয়োজিত হ'ল।অতি কম দিনৰ ভিতৰতে সিহঁতৰ বহুতেই সম্পদশালী হৈ উঠিল।নিজ সম্পত্তি বিতৰণৰ ক্ষেত্ৰত আনছাৰ সকল ইমান অদ্ভুত আছিল যে, বহু ব্যক্তিৰ মৃত্যুৰ পিছত সিহঁতৰ ল'ৰা-ছোৱালীয়ে আৰব প্ৰথা অনুসৰি মৃত ব্যক্তিৰ সম্পত্তিৰ অংশ মুহাজিৰ ভাই সকলক দি দিছিল।এই প্ৰথা কেইবা বছৰ ধৰি চলিছিল। পৰৱৰ্তী কালে পৱিত্ৰ কোৰাণ শ্বৰীফৰ মাধ্যমত প্ৰদত্ত নিৰ্দেশ অনুসৰি এই প্ৰথা নাকচ কৰা হয়।

## মুহাজিৰ আনছাৰ আৰু ইহুদী সকলৰ মাজত চুক্তি

মুছলমান সকলক ভ্ৰাতৃত্ব বন্ধনত আৱদ্ধ কৰাৰ পাছত হজৰত মহম্মদ (ছাঃ)য়ে মদিনাবাসী সকলৰ মাজত এটা চুক্তি সম্পাদন কৰিলে।তেখেত (ছাঃ)য়ে ইহুদী আৰু আৰবৰ নেতা সকলক একেলগে সমৱেত কৰি কলে, আগতে ইয়াতে মাত্ৰ দুটা জনগোষ্ঠী আছিল। কিন্তু এতিয়া তিনিটা জনগোষ্ঠী হৈছে। অৰ্থাৎ ইতিপূৰ্বে ইয়াত ইহুদী আৰু আৰব জনগোষ্ঠী বাস কৰিছিল।কিন্তু এতিয়া ইয়াত ইহুদী মদিনা আৰব আৰু আৰবৰ পৰা অহা মদিনালৈ হিজৰত কৰি অহা মুহাজিৰ এই তিনি জনগোষ্ঠীৰ লোক বাস কৰি আছে।এই কাৰণে এই তিনি জনগোষ্ঠীৰ মাজত এখন চুক্তি হোৱা একান্ত প্ৰয়োজন। গতিকে সেই উদ্দেশ্যত পৰস্পৰ আলোচনাৰ মাধ্যমত এটি চুক্তি পত্ৰ প্ৰস্তুত কৰা হ'ল।এই চুক্তি পত্ৰত কোৱা হ'ল ঃ

**১ ম পক্ষ ঃ** হজৰত মহম্মদ (ছাঃ) মোমিনসকলৰ আৰু স্বইচ্ছায় প্ৰফুল্ল চিত্তে সিহঁতৰ সৈতে অংশ গ্ৰহণ কৰা লোক সকল।

**২ য় পক্ষ ঃ** যি সকলে স্বৰ্ত্ত-স্ফুৰ্ত্ত ভাৱে এই চুক্তিত আৱদ্ধ হোৱাৰ বাবে সন্মত সেই সকলো ব্যক্তি।

(১) মুহাজিৰ সকলৰ মাজত যদি কোনোবাই নিহত হয়;তেন্তে তেওঁলোক নিজেই নিহত ব্যক্তিৰ দায়িত্ব গ্ৰহণ কৰিব।তেওঁলোকে নিজৰ (কায়েদী) যুদ্ধ বন্দী সকলক নিজেই মুক্ত স্বাধীন কৰি ল'ব।মদিনাৰ অন্যান্য মুছলিম গোত্ৰ সমূহে এই ক্ষেত্ৰত একেই ভাৱে নিজ নিজ গোত্ৰৰ দায়িত্ব গ্ৰহণ কৰিব।যদি কোনো ব্যক্তিয়ে বিদ্ৰোহ বা শত্ৰুতা সৃষ্টি কৰে আৰু সংগঠনৰ প্ৰশাসনৰ মাজত মতানৈক্যৰ সুত্ৰ পাত সৃষ্টি কৰে;তেনেহলে চুক্তিবদ্ধ সকলোৱে তেওঁৰ বিৰুদ্ধে থিয় দিব যদিও সি নিজৰ সন্তানো হয়।

(২) যদি কোনো অবিশ্বাসী ব্যক্তি কোনো মুছলমান ব্যক্তিৰ হাতত নিহত হয়;তেনেহলে নিহত ব্যক্তিৰ মুছলিম আত্মীয়-স্বজনে কোনো মুছলিম ভাইৰ পৰা প্ৰতিশোধ ল'ব নোৱাৰিব। আনকি কোনো মুছলিম ভাইয়ে কোনো মুছলমানৰ বিৰুদ্ধে কোনো কাফেৰ (অবিশ্বাসী)ক সাহায্য কৰিব নোৱাৰিব।

(৩) যি ইহুদী আমাৰ সৈতে ঐক্যবদ্ধ হ'ব তাক আমি নিশ্চয় সহায় কৰিম।ইহুদী সকলক কোনো কষ্ট দিয়া নহ'ব। সিহঁতৰ বিৰুদ্ধে সিহঁতৰ কোনো এজন শত্ৰুক সাহায্য কৰা নাযাব।

(৪) কোনো অমুছলিম, মক্কাৰ কোনো লোকক নিজৰ বাস গৃহত আশ্ৰয় দিব নোৱাৰিব আৰু তেওঁৰ কোনো ধন সম্পদো আমানত ৰাখিব নোৱাৰিব।কাফিৰ আৰু মোমিনৰ মাজত যুদ্ধত কোনো ধৰণৰ হস্তক্ষেপ কৰিব নোৱাৰিব।

(৫) যদি কোনো ব্যক্তিয়ে কোনো মুছলমানক অবৈধ ভাৱে হত্যা কৰে,তেন্তে তেওঁৰ বিৰুদ্ধে সকলো মুছলমান সন্মিলিত ভাৱে থিয় দিব।

(৬) যদি কোনো মুশ্বৰিক(মূৰ্ত্তি পূজাৰী) য়ে মদিনাত আক্ৰমণ কৰে; তেন্তে ইহুদী সকল মুছলমান সকলৰ লগতেই থাকিব আৰু যুদ্ধৰ খৰচত অংশ গ্ৰহণ কৰিব। যি সকল ইহুদী গোত্ৰৰ মদিনাৰ বিভিন্ন গোত্ৰৰ সৈতে চুক্তিৱদ্ধ আছে;সিহঁত মুছলমান সকলৰ ন্যায় অধিকাৰ সম্পন্ন হ'ব।ইহুদী সকলে সিহঁতৰ নিজৰ ধৰ্ম পালন কৰিব। যিবোৰ অধিকাৰ ইহুদীসকলে ভোগ কৰিব;সেই সমূহ অধিকাৰ সিহঁতৰ অনুসাৰী সকেলও ভোগ কৰিব।

(৭) মদিনা বাসীৰ কোনো ব্যক্তিয়ে হজৰত মহম্মদ (ছাঃ)ৰ বিনা অনুমতিত কোনো যুদ্ধ আৰম্ভ কৰিব নোৱাৰিব। ইহুদী সকলে সিহঁতৰ সংগঠনৰ ব্যয়, দায়িত্ব সিহঁতে নিজেই বহন কৰিব লাগিব, আৰু মুছলমান সকলেও সিহঁতৰ যাৱতীয় ব্যয় নিজেই বহন কৰিব।কিন্তু যুদ্ধৰ সময়ত সিহঁত উভয় পক্ষই একেলগ হৈ কাম কৰিব। এই যুক্তিত আৱদ্ধ হোৱা সেই সকল ব্যক্তিৰ ওচৰত মদিনা চহৰখন এখন পৱিত্ৰ স্থান বুলি বিবেচিত হ'ব।কোনো অপৰিচিত ব্যক্তি যদি এই চহৰৰ লোক সকলৰ নিৰাপত্তাৰ

অধীনত প্ৰৱেশ কৰে; তেন্তে তেওঁৰ সৈতে চহৰৰ প্ৰকৃত বাসিন্দা বা নাগৰিকৰ সদৃশ একে আচৰণ কৰা হ'ব।কাজিয়া বিবাদৰ সু মীমাংসাৰ বাবে আল্লাহ্ আৰু তাৰ ৰচুলৰ ওচৰত ন্যস্ত কৰা হ'ব।

**(৮)** এই চুক্তিত আৱদ্ধ কোনো পক্ষই মক্কাবাসী আৰু সিহঁতৰ সৈতে চুক্তিৰদ্ধত আৱদ্ধ কোনো গোত্ৰৰ লগত চুক্তিৰদ্ধ হ'ব নোৱাৰিব। কাৰণ, এই চুক্তিত আৱদ্ধ সকলোৱেই মদিনাৰ শত্ৰুৰ বিৰুদ্ধে চুক্তি বুলি ঐক্যবদ্ধ হৈছে। যুদ্ধ যিদৰে পৃথক ভাৱে কৰা নাযাব; ঠিক তেনেকৈ কোনো পৰামৰ্শও সুকীয়া ভাৱে কৰিব নোৱাৰিব। কিন্তু যুদ্ধত অংশ গ্ৰহণ কৰাৰ বাবে কাকো বাধ্য কৰাব নোৱাৰিব। যদি কোনো ব্যক্তি দল বা সংঘ ঠন বিৰোধী কাৰ্য্য কলাপত লিপ্ত হয়; তেন্তে সি তাৰ শাস্তি ভোগ কৰিব লাগিব। নিশ্চয় আল্লাহ্ পাক সৎ আৰু ধৰ্ম পৰায়ণ সকলৰ ৰক্ষাকাৰী আৰু হজৰত মহম্মদ মুস্তফা (ছাঃ) আল্লাহৰ প্ৰেৰিত ৰচুল।(ইবনে হিশাম: ১ম খণ্ড; পৃ: ১৭৮)

এই হ'ল হজৰত মুহাম্মাদুৰ ৰাচুল উল্লাহ (ছাঃ)ৰ সেই চুক্তিৰ সাৰাংশ। এই চুক্তি পত্ৰত যি বিষয়ত অধিক গুৰুত্ব দিয়া হৈছে, সেয়া হ'ল, বিশ্বস্ততা আৰু সত্যতাক কোনো কাৰণেই হস্তচ্যুত হ'বলৈ দিয়া নাযাব। জালেম (অত্যাচাৰী) তাৰ অত্যাচাৰৰ দায়িত্ব সি নিজেই বহন কৰিব। এই চুক্তিৰ পৰা এইটো স্পষ্ট পতিয়মান হৈ উঠিছে য়ে , হজৰত মহম্মদ মুস্তফা (ছাঃ)ৰ ফালৰ পৰা এই সিদ্ধান্ত হৈছে যে ইহুদী আৰু মদিনাৰ অমুছলিম অধিকাৰী সকলৰ সৈতে সম্প্ৰীতি আৰু সহমৰ্মিতা সৃষ্টি কৰা হ'ব। সিহঁতক নিজৰ ভাতৃ স্বৰূপ ৰখা হ'ব। গতিকে পৰৱৰ্তী কালে ইহুদীসকলৰ সৈতে যিবোৰ কাজিয়া-বিবাদ হৈছিল তাৰ দায়ী সিহঁতেই আছিল।

## মক্কাবাসী সকলৰ নতুন দুষ্কৃতি

ইতিপূৰ্বে উল্লেখ কৰা হৈছে যে, দুই তিনি মাহ পাছত মক্কাবাসী সকলৰ আতংক আৰু ক্লান্তি আতৰি গৈছিল।

গতিকে সিহঁতে পুনৰ নতুনকৈ দুষ্ট পৰিকল্পনা গ্ৰহণ কৰিব ধৰিলে। ঠিক সেই সময়ত মদিনাৰ **আওচ** গোত্ৰৰ এজন এজন নেতা ছায়েদ বিন্ মোয়াজ (ৰাঃ) বায়তুল্লাহ (আল্লাহৰ ঘৰ কাবা) প্ৰদক্ষিণ কৰাৰ বাবে মক্কাত যোৱাত আবু জেহেল তেখেতক দেখি অত্যন্ত ক্ৰোধান্বিত হৈ কলে, "তোমালোকে কি ভাবিছা ? তোমালোকে সেই মুৰতাদ

(ধৰ্ম চ্যুত) মহম্মদ (ছাঃ)ক আশ্ৰয় দিয়াৰ পাছতো শান্তিৰে কাবা গৃহ প্ৰদক্ষিণ কৰিব পাৰিবা নে ? তোমালোকে তেখেত (ছাঃ)ক কোনো সহায় কৰিব পাৰিবা বুলি ভবানে ? খোদাৰ শপত ! এতিয়া যদি তোমাৰ লগত আবু ছুফিয়ান নাথাকিলেহেঁতেন; তেন্তে নিজ পৰিয়ালৰ ওচৰত উভতি যাব নোৱাৰিলাহেঁতেন।" হজৰত ছায়েদ বিন মোয়াজ (ৰাঃ) য়ে কলে, "আল্লাহৰ শপত ! তুমি যদি মোক কাবা প্ৰদক্ষিণ কৰোঁতে বাধা দিয়া; তেনেহ'লে মনত ৰাখিবা, ছিৰিয়াৰ বাটত তোমালোকৰ কোনো নিৰাপত্তা নাথাকিব।" সেই দিনবোৰত মক্কাৰ এজন ডাঙৰ নেতা ওলীদ বিন মুগীৰা অসুস্থ আছিল। তেওঁ উপলব্দি কৰিব পাৰিছিল যে, তাৰ মৃত্যু সন্নিকট (অতি ওচৰ চাপি আহিছে)। এদিনাখন যেতিয়া মক্কাৰ ডাঙৰ ডাঙৰ নেতাসকলে ওলীদ বিন মুগীৰাৰ শয্যাৰ কাষত বহি আছিল; তেতিয়া তেওঁ কাতৰ হৃদয়ে কান্দিব ধৰিছিল। মক্কাৰ নেতা (চৰদাৰ) সকলে আশ্চৰ্য্য হৈ তেওঁক সুধিলে, আপুনি কিয় এইদৰে ক্ৰন্দন কৰিছে ? ওলীদ বিন মুগীৰা প্ৰতি উত্তৰত কৈছিল, " মই মৃত্যুৰ ভয়ত ক্ৰন্দন কৰিছোঁ বুলি তোমালোকে ভাবিছানেকি ? আল্লাহৰ শপত, সেয়া নহয়। মোৰ চিন্তা কেৱল এটাইয়ে যে, এনেকুৱা যেন নহয় যে, মুহাম্মাদুৰ ৰাচুল উল্লাহ (ছাঃ)ৰ লোক সকলে বিজয় লাভ কৰে আৰু মক্কা সিহঁতৰ অধীনস্ত হয়।" আবু ছুফিয়ান তাৰ প্ৰতি উত্তৰত কৈছিল, " এই সমূহ চিন্তা পৰিত্যাগ কৰা। যেতিয়ালৈকে আমি জীয়াই আছোঁ; তেতিয়ালৈকে এয়া হ'ব নোৱাৰে। ইয়াৰ বাবে আমি জামীন থাকিলোঁ"

উল্লেখিত ঘটনা সমূহৰ পৰা স্পষ্ট প্ৰমাণ হয় যে, মক্কাবাসীৰ নিৰ্যাতন আৰু অত্যাচাৰ যে ৰুদ্ধ হৈছিল, সেয়া কেৱল সাময়িকহে আছিল। সিহঁতে পুনৰ সিহঁতৰ জাতিক একগোট কৰিবলৈ আৰম্ভ কৰিলে। মৃত্যুৰ পূৰ্ব মুহূৰ্তে অৰ্থাৎ মুৰ্খ নেতা সকলেও মহম্মদ (ছাঃ)ৰ বিৰোধীতাৰ শপত গ্ৰহণ কৰিছিল। সিহঁতে মদিনাৰ লোক সকলকো হজৰত মহম্মদ (ছাঃ)ৰ বিৰুদ্ধে যুদ্ধ কৰাৰ বাবে উচটনি দিছিল।মদিনা বাসীৰ অস্বীকৃতিৰ বাবে সিহঁতক এই বুলি হুমকি দিছিল যে,মক্কাবাসী আৰু সিহঁতৰ মৈত্ৰী চুক্তিত আৱদ্ধ গোত্ৰ সমূহ সন্মিলিত ভাৱে মদিনা আক্ৰমণ কৰিবলৈ গৈ আছে।সিহঁতে মদিনাৰ পুৰুষ সকলক হত্যা কৰিব আৰু তেওঁলোকৰ স্ত্ৰী সকলক কৃতদাস বনাব।

## আঁহজৰত (ছাঃ)ৰ প্ৰতিৰক্ষা মূলক পৰিকল্পনা

উল্লেখিত পৰিস্থিতিত যদি হজৰত মহম্মদ (ছাঃ)য়ে মদিনা সুৰক্ষাৰ কোনো ব্যৱস্থা নলৈ মনে মনে বহি থাকিলেহেঁতেন; তেন্তে তেখেত (ছাঃ)ৰ ওপৰত নিশ্চয় দায়িত্ব

পালন নকৰাৰ অভিযোগ উত্থাপন হ'লহেঁতেন; সেই কাৰণে তেখেত (ছাঃ)য়ে চাহাবা সকলক সৰু সৰু দলত সংগঠিত কৰি বতৰা সংগ্ৰহ কৰাৰ বাবে মক্কাৰ চাৰিওফালে প্ৰেৰণ কৰিব ধৰিলে;যাতে মক্কাবাসীৰ যুদ্ধ প্ৰস্তুতি সম্পৰ্কে জানিব পৰা যায়।কেতিয়াবা কেতিয়াবা এই দল সমূহৰ কোনো কোনো দলৰ সৈতে মক্কাৰ কোনো কোনো কাফেলা অথবা আন কোনো দলৰ মুখামুখি হৈছিল। আনকি কেতিয়াবা কেতিয়াবা পৰস্পৰৰ মাজত সংঘৰ্ষৰ ঘটনা ঘটিছিল।খ্ৰীষ্টান লিখক সকলে লিখিছে যে,হজৰত মহম্মদ ৰছুলুল্লাহ (ছাঃ)ৰ এই ব্যৱস্থা উচটনি মূলক আছিল।কিন্তু কিয় ?মক্কাত তেৰ (১৩) বছৰ ধৰি মুছলমান সকলৰ ওপৰত যি নিৰ্মম অত্যাচাৰ নিৰ্যাতন আৰু প্ৰহাৰ চলিছিল।মদিনা বাসী সকলক মুছলমান সকলৰ বিৰুদ্ধে কৰাৰ যি উচটনি দিয়া হৈছিল;আৰু মদিনা আক্ৰমণৰ যি ভাবুকি দিয়া হৈছিল,সেই সমূহৰ তুলনাত আঁহজৰত (ছাঃ)ৰ ফালৰ পৰা সংবাদ সংগ্ৰহৰ বাবে কটকী প্ৰেৰণ কৰা কোনো উচটনি মুলক কাৰ্য্য আছিলনে ?পৃথিৱীত এনে কোনো আইন আছেনে ?যি আইনত মক্কাত ক্ৰমে তেৰ বছৰ নিৰ্মম ভাৱে অত্যাচাৰিত হোৱাৰ পাছতো মুছলমান সকলে নিজ শত্ৰুৰ যুদ্ধ প্ৰস্তুতিৰ বিৰুদ্ধে কোনো উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰিব।বৰ্তমান পাশ্চত্যৰ দেশসমূহে নিজকে বৰ সভ্য বুলি ভাৱে।মক্কাত যি ঘটিছিল; তাৰ অৰ্ধ ঘটনাৰ বাবে যদি পশ্চিমীয়া দেশ সমূহৰ কোনো জাতি আজি যুদ্ধ কৰে:তেনেহলে কোনোৱে তাক অন্যায় বুলি গন্য কৰিবনে ?যদি কোনো ৰাষ্ট্ৰৰ লোক আন কোনো ৰাষ্ট্ৰৰ লোকক নতুবা সেই ৰাষ্ট্ৰৰ এটি জমাত বা জনগোষ্ঠীক হত্যা কৰাৰ প্ৰস্তুতি নিয়ে;তেনেহলে সেই জনগোষ্ঠী বা জমাতৰ সিহঁতৰ বিৰুদ্ধে কোনো যুদ্ধ ঘোষণা কৰাৰ কোনো অধিকাৰ নাথাকিব নে ? গতিকে মদিনাত ইছলামী শাসন প্ৰতিষ্ঠা হোৱা নাইবা নকৈ আন কোনো পৰিস্থিতি সৃষ্টি হোৱাৰ কোনো প্ৰয়োজন নাছিল।মক্কা জীৱনৰ ঘটনাৱলীয়ে মুছলমান সকলক মক্কাবাসীৰ বিৰুদ্ধে যুদ্ধ কৰাৰ পূৰ্ণ অধিকাৰ দিছিল।কিন্তু ইছলামৰ প্ৰাণ পুৰুষ হজৰত মহম্মদ (ছাঃ)য়ে সেয়া কৰা নাছিল।তেখেত (ছাঃ)য়ে ধৈৰ্য্য অৱলম্বন কৰিছিল। কেৱল শত্ৰু সকলৰ চক্ৰান্তৰ তথ্য সংগ্ৰহ কৰাৰ মাজতেই সকলো তাৎপৰতা সীমাবদ্ধ ৰাখিছিল।কিন্তু যেতিয়া মক্কাবাসী সকলে মদিনাৰ আৰব অধিবাসী সকলক মুছলমান সকলৰ বিৰুদ্ধে উত্তেজিত কৰিব ধৰিলে, মুছলমান সকলক হজ কৰাত বাধা দিব ধৰিলে।সিহঁতক ছিৰিয়াত যাতায়তকাৰী বানিজ্যৰ গোত্ৰ সমূহ অন্যান্য বাট পথৰ পৰিৱৰ্তে কেৱল মদিনাৰ চৌপাশৰ গোত্ৰ সমূহৰ মাজেদি যাতায়ত কৰিব ধৰিলে। আৰু সেই গোত্ৰ সমূহৰ লোক সকলক মুছলমান সকলৰ বিৰুদ্ধে উত্তেজিত কৰিব ধৰিলে।তেতিয়া মদিনাৰ প্ৰতিৰক্ষাৰ বাবে মুছলমান সকলৰ ফৰজ (আৱশ্যকৰণীয়) হৈ পৰিল যে,তেওঁলোকে সেই যুদ্ধৰ প্ৰত্যাহ্বান গ্ৰহণ কৰা,যি আহ্বান মক্কাবাসীয়ে চৈধ্য বছৰ ধৰি অবিৰত দি আহিছিল।এই ক্ষেত্ৰত পৃথিৱীৰ কোনো ব্যক্তিৰ; সেই আহ্বান গ্ৰহণ কৰাৰ বিৰুদ্ধে কোনো ওজৰ আপত্তি উত্থাপন কৰাৰ

অধিকাৰ জন্মাব পাৰে নে ?

## মদিনাত ইছলামী শাসনৰ ভিত্তি স্থাপন

হজৰত মহম্মদ (ছাঃ)য়ে যেনেকৈ মদিনাৰ বাহ্যিক অৱস্থাৰ প্ৰতি দৃষ্টি ৰাখিছিল তদ্ৰুপ আভ্যন্তৰিক অৱস্থাৰ প্ৰতিও যথেষ্ট সচেতন আছিল। আমি কৈ আহিছোঁ যে, মদিনাৰ প্ৰতিমা পূজাৰী (মুশৰিক) সকলৰ অধিকাংশই একান্ত আন্তৰিকতাৰে ইছলাম গ্ৰহণ কৰিছিল। এই বাবে হজৰত ৰছুল কৰিম (ছাঃ)য়ে সিহঁতৰ মাজত ইছলামী পদ্ধতিৰ শাসন ব্যৱস্থা প্ৰৱৰ্তন কৰা আৰম্ভ কৰিছিল। ইতিপূৰ্বে, মানুহে আৰবৰ প্ৰথা অনুসৰি গাৰ বলত হাই কাজিয়া কৰি নিজৰ নিজৰ অধিকাৰ প্ৰতিষ্ঠা কৰিছিল। কিন্তু এতিয়া ৰীতি-নীতি অনুসৰি বিচাৰক নিয়োগ কৰা হ'ল। ফয়চলা (সিদ্ধান্ত) অবিহনে কোনেও কাৰো অধিকাৰ, কাৰো পৰা আদায় কৰিব নোৱাৰিব। ইতিপূৰ্বে মদিনাৰ লোক সকলৰ শিক্ষাৰ প্ৰতি কোনো অনুৰাগ নাছিল। এতিয়া ব্যৱস্থা গ্ৰহণ কৰা হ'ল যে, শিক্ষিত ব্যক্তিয়ে অশিক্ষিত লোক সকলক লিখা পঢ়া শিকাব। ইয়াৰ বাহিৰেও নিৰ্যাতন বন্ধ আৰু অমানৱিকতা বন্ধ কৰা হ'ল। ন্যায্য অধিকাৰ প্ৰতিষ্ঠা কৰা হ'ল। চৰিয়ত (ইছলামী আইন) অনুসৰি ধনী ব্যক্তিৰ ওপৰত কৰ ধাৰ্য্য কৰা হ'ল। আদায়কৃত কৰ দৰিদ্ৰ সকলৰ কল্যাণাৰ্থে আৰু চহৰৰ সাধাৰণ অৱস্থাৰ উন্নতি কল্পে খৰচ কৰা হ'ব ধৰিলে। শ্ৰমিক সকলৰ অধিকাৰ সু-ৰক্ষাৰ ব্যৱস্থা গৃহীত হ'ল। এতীম সকলৰ শিক্ষাদানৰ বাবে নিয়মিত বন্দোৱস্ত কৰা হ'ল। লেন-দেনৰ ক্ষেত্ৰত দলীল লেখা, সাক্ষী ৰখাৰ নিয়ম প্ৰৱৰ্তন কৰা হ'ল। কৃতদাসৰ ওপৰত অত্যাচাৰ বন্ধ কৰা হ'ল। পৰিষ্কাৰ পৰিচ্ছনতা আৰু স্বাস্থ্য ৰক্ষাৰ উদ্দেশ্যে ব্যৱস্থাদি গৃহীত হ'ব ধৰিলে। আদম শুমাৰী কৰা হ'ল। বাট-পথ আৰু ডাঙৰ ডাঙৰ ৰাস্তাসমূহ বহল আৰু পৰিচ্ছন্ন ৰখাৰ ব্যৱস্থা কৰা হ'ল। এক কথাত, পাৰিবাৰিক আৰু সামাজিক জীৱনত অগ্ৰগতিৰ বাবে আইন-কানুন প্ৰৱৰ্তন হ'ল।এই প্ৰথম বাৰৰ বাবে আৰব সকলক নিৰ্বোধৰ পৰা আইন-কানুন আৰু সভ্যতাৰ বাটত উত্তীৰ্ণ কৰা হ'ল। ইপিনে যেতিয়া হজৰত মহম্মদ (ছাঃ)য়ে আৰব দেশৰ বাবে আইন প্ৰস্তুত কৰিছিল; আৰু সেই আইন বাস্তৱায়িত ৰূপ দিছিল।যি আইন কেৱল মাত্ৰ সেই যুগৰ বাবে নাছিল বৰং সকলো যুগৰ বাবে, সকলোৰে বাবে আৰু পৃথিৱীৰ সকলো জাতি-জনগোষ্ঠী, সম্প্ৰদায় আদিৰ বাবে শান্তি শৃংখল, উন্নতি, সন্মানৰ বাবে সাৰ্বজনীন উপযোগী আৰু অপৰিহাৰ্য্য আছিল। সেই সময়ত আৰব বাসীয়ে ইছলামৰ বিৰুদ্ধে নিয়মীত যুদ্ধ কৰাৰ বাবে প্ৰস্তুতি গ্ৰহণ কৰিছিল। যাৰ ফলস্বৰূপে **বদৰৰ যুদ্ধ** সংগঠিত হৈছিল।

## কোৰাইশ্ব সকলৰ বাণিজ্যিক কাফেলাৰ (দল) আগমণ আৰু বদৰৰ যুদ্ধ

হিজৰতৰ পিছত ত্ৰয়োদশ মাহত মক্কাৰ এটি বাণিজ্যিক দল ছিৰিয়া দেশৰ পৰা আহিছিল। আবু ছুফিয়ান এই দলৰ চৰদাৰ (নেতা) আছিল। এই দলক পহৰা দিয়াৰ ছলেৰে মক্কাবাসী সকলে বৃহৎ এটি সৈন্যদল লৈ মদিনাৰ ওচৰেদি যোৱাৰ সিদ্ধান্ত নিছিল। বিষয়টো হজৰত মহম্মদ (ছাঃ)য়ে জানিব পাৰিছিল। আৰু এই সম্পৰ্কে আল্লাহৰ পৰাও তেখেত (ছাঃ)ৰ ওপৰত ওহী (ঐশী বাণী) কৰি কোৱা হয় যে, এতিয়া সময় আহিছে শত্ৰুক তাৰ অত্যাচাৰৰ প্ৰতি উত্তৰ অস্ত্ৰৰ মাধ্যমতেই দিব লাগিব। গতিকে হজৰত মহম্মদ (ছাঃ)য়ে কেইজন মান অনুচৰ সহ মদিনাৰ পৰা ওলাই পৰিল। কিন্তু যেতিয়া তেখেত (ছাঃ)য়ে মদিনাৰ পৰা বাহিৰ হৈ আহিছিল; তেতিয়াও এইটো স্পষ্ট হোৱা নাছিল যে, সংঘৰ্ষটো কাৰ লগত হ'ব। কাফেলাৰ সৈতে নে মক্কাৰ সেনাবাহিনীৰ সৈতে ? এই কাৰণে মাত্ৰ তিনিশ (৩০০) লোক হজৰত মহম্মদ (ছাঃ)ৰ সৈতে মদিনাৰ পৰা যাত্ৰা কৰিছিল। কাফেলাৰ অৰ্থ কেৱল বস্তু বাহিনী ভৰ্ত্তি উটৰ পাল বুলি ভাবিলে ভুল কৰা হ'ব। বৰং মক্কাবাসী সকলে এই কাফেলা অৰ্থাৎ দলটোৰ সৈতে একোটাকৈ শক্তিশালী সৈন্য দলো পঠাইছিল। কাৰণ তেওঁলোকে ভাবিছিল যে, এই কাফেলা সমূহৰ দ্বাৰা হে সিহঁতে মুছলমান সকলক পৰাস্ত কৰিব পাৰিব। গতিকে, এই কাফেলাৰ আগত এনেকুৱা আৰু দুটা কাফেলাৰ উল্লেখ ইতিহাসত আছে; যাৰ এটা কাফেলা ৰক্ষাৰ বাবে ২০০ (দুই শ) সৈন্য আৰু ২য় টোৰ বাবে তিনি শ (৩০০) সৈন্য নিয়োজিত কৰা হৈছিল। গতিকে এই পৰিস্থিতিত খ্ৰীষ্টান লিখকসকলৰ এই কথা লিখা যে, হজৰত মহম্মদ (ছাঃ) তিনি শ (৩০০) সৈন্য লৈ মক্কাৰ এটি অৰক্ষিত কাফেলাক লুট কৰাৰ উদ্দেশ্যত ওলাইছিল। এয়া মিছা আৰু প্ৰতাৰণাৰ বাহিৰে কি হ'ব পাৰে ? এই কাফেলাটি যিহেতু বৃহৎ আছিল সেইবোৰে পূৰ্বৰ কাফেলা দুটিৰ সুৰক্ষা ব্যৱস্থা দেখিলেই সহজে অনুমান কৰিব যে,এই কাফেলাৰ লগত কমেও চাৰি পাঁচ শ (৪০০/৫০০) সহস্ৰ আশ্বাৰোহী সৈন্য নিশ্চয় আছিল।যি কাফেলাৰ সৈতে ইমান ডাঙৰ এটা নিৰাপত্তা বাহিনী আছিল।সেই কাফেলাক মাত্ৰ তিনি শ লোকৰ এটি সৰু মুছলিম সেনাদলে(যি সকলৰ প্ৰয়োজনীয় অস্ত্ৰ-শস্ত্ৰও নাছিল) লুট-পাট কৰাৰ উদ্দেশ্যত ওলাইছিল বুলি কলে, নি:সন্দেহ ই এক চৰম অন্যায় আৰু বিদ্বেষ মুলক বুলি সাব্যস্ত কৰিব পাৰি।কেৱল এই কাফেলাটিৰ কথাই যদি ধৰা হয়, তেনেহলে ইয়াৰ সৈতে সংঘৰ্ষকো যুদ্ধ বুলি ক'ব লাগিব; আৰু এই যুদ্ধক মুছলমান সকলৰ আত্নৰক্ষামুলক যুদ্ধ বুলি ক'ব লাগিব।কাৰণ মদিনাৰ সেনাদল অতি দুৰ্বল আছিল।এই সেনাদল কেৱল সেই কাজিয়াক দুৰীভূত কৰাৰ

নিমিত্তে আহিছিল যি কাজিয়াৰ মাজত চৌপাশৰ কবিলা সমূহক অৰ্ন্তভুক্ত কৰা হৈছিল। আৰু সিহঁতক দুষ্কৃতিৰ বাবে একেলগ কৰি মক্কাৰ কাফেলা সমূহে ষড়যন্ত্ৰৰ জাল বিস্তাৰ কৰিছিল।পৱিত্ৰ কোৰাণ কৰিমৰ পৰা জনা যায় যে,ঐশী ইচ্ছাও এইটোৱেই আছিল যে,কাফেলা নহয় বৰং মক্কাৰ আচল সেনা বাহিনীৰ লগত যুদ্ধ হওক। কেৱল মুছলমান সকলৰ সততা আৰু বিশ্বাস প্ৰকাশ্য তুলি ধৰাৰ উদ্দেশ্যই বিষয়টো প্ৰথম অৱস্থাত প্ৰকাশ কৰা নাছিল।যেতিয়া মুছলমান সকলে পূৰ্ণ প্ৰস্তুতি অবিহনে মদিনাৰ পৰা ওলাই আহিছিল; তেতিয়া কিছু দূৰ অতিক্ৰম কৰিয়েই হজৰত মহম্মদ (ছাঃ)য়ে চাহাবা সকলৰ ওচৰত প্ৰকাশ কৰিছিল যে,আল্লাহৰ ইচ্ছা এয়া যে,মক্কাৰ আচল সেনা বাহিনীৰ সৈতে যুদ্ধ হ’ব। সৈন্য সামন্তৰ ক্ষেত্ৰত মক্কাৰ পৰা যি সংবাদ আহি পাইছিল,তাৰ পৰা স্পষ্ট হৈছিল যে,সিহঁতৰ সৈন্যৰ সংখ্যা এহাজাৰতকৈ অধিক আছিল।সিহঁত সকলোৱেই সম্পূৰ্ণ সুদক্ষ অস্ত্ৰধাৰী সৈন্য আছিল। কিন্তু হজৰত মহম্মদ (ছাঃ)ৰ লগত আগমণকাৰী লোকৰ সংখ্যা ৩১৩ (তিনি শ তেৰ) জন আছিল।সিহঁতৰ মাজত এনে বহুত আছিল যিসকলে যুদ্ধৰ কলা কৌশল সম্পৰ্কে একেবাৰে অজ্ঞ আছিল।তদুপৰি যুদ্ধ সামগ্ৰী সিহঁতৰ ওচৰত একোৱেই নাছিল।প্ৰায় সকলোৱেই পদচাৰী আছিল;কিছু সংখ্যক লোক উটৰ আৰোহী আছিল। ঘোঁৰা মাত্ৰ এটা আছিল।(কোনো কোনোবাৰ মতে দুটা আছিল)এই সৰু এটি সেনাদল, যাৰ কোনো যুদ্ধ অভিজ্ঞতা অস্ত্ৰ-শস্ত্ৰ,যুদ্ধ সামগ্ৰী একো নাছিল। সিহঁতৰ পক্ষে সিহঁততকৈ তিনি গুণ অধিক অস্ত্ৰ-শস্ত্ৰে সজ্জিত সেনা বাহিনীৰ বিৰুদ্ধে যুদ্ধ কৰা নি:সন্দেহ এক কঠিন কাম আছিল।এই কাৰণে দ্বীনৰ নবী হজৰত মহম্মদ (ছাঃ)য়ে এইটো বিচৰা নাছিল যে,কোনো ব্যক্তিক তাৰ ইচ্ছাৰ বিৰুদ্ধে যুদ্ধত অংশ গ্ৰহণ কৰাৰ বাবে বাধ্য কৰা হওক।সেই বাবে তেখেত (ছাঃ)য়ে চাহাবা সকলক মাতি আনি কলে,কোনো প্ৰশ্ন নাই সেনা বাহিনীৰ লগত যুদ্ধ কৰিবই লাগিব। এই ক্ষেত্ৰত তেখেত (ছাঃ) সিহঁতক পৰামৰ্শ দিবলৈ কলে,এজন এজনকৈ মুহাজিৰ থিয় হৈছিল আৰু কৈছিল,হে আল্লাহৰ ৰছুল! শত্ৰু আমাৰ ঘৰ পৰ্যন্ত আক্ৰমণ কৰে,তথাপিও আমি ভয় নকৰো,সিহঁতক প্ৰতিৰোধ কৰাৰ বাবে আমি প্ৰস্তুত আছো। হজৰত মহম্মদ (ছাঃ)য়ে সিহঁতৰ প্ৰত্যেকৰ অভিমত শ্ৰৱণ কৰিছিল,আৰু কৈছিল, মোক পৰামৰ্শ দিয়া।এই পৰ্যন্ত মদিনাৰ লোক সকল মনে মনে আছিল।সিহঁতে ভাৱিছিল যে,আক্ৰমণকাৰী সেনা বাহিনী মুহাজিৰ সকলৰ আত্মীয়-স্বজন।গতিকে সিহঁতৰ কথাত যেন মুহাজিৰ ভাই সকলৰ হৃদয়ত কষ্ট নহয় তাৰ আশাঙ্কা কৰিছিল। যেতিয়া হজৰত মহম্মদ (ছাঃ)য়ে বাৰে বাৰে কৈছিল মোক পৰামৰ্শ দিয়া,মোক পৰামৰ্শ দিয়া,তেতিয়া এজন আনছাৰ চৰ্দাৰ থিয় হৈ নিবেদন কৰিছিল, হে আল্লাহৰ ৰছুল! পৰামৰ্শ আপোনাক দিয়া হৈছে।তথাপি যদি বাৰে বাৰে পৰামৰ্শ বিচাৰে তেনেহলে ধাৰণা হয় যে,আপুনি মদিনাৰ বাসিন্দা

সকলক উদ্দেশ্য কৰি কথাটো কৈ আছে।তেখেত (ছাঃ)য়ে কথা শুনি কলে,নিশ্চয় হয়।সেই আনছাৰ চৰ্দাৰ জনে প্ৰতিউত্তৰত কলে,হে আল্লাহৰ ৰছুল! হ'ব পাৰে হয়তো আপুনি এই কাৰণে আমাৰ ওচৰত পৰামৰ্শ বিচাৰিছে যে, মদিনা আগমণৰ পূৰ্বে আপোনাৰ আৰু আমাৰ এটা প্ৰতিশ্ৰুতি হৈছিল।সেই প্ৰতিশ্ৰুতি এয়ে আছিল যে, যদি মদিনাৰ ভিতৰত আপোনাক আৰু আপোনাৰ কোনো মুজাহিৰ ভাইক কোনোৱে আক্ৰমণ কৰে; তেন্তে আমি আপোনালোকক সুৰক্ষা দিম।কিন্তু এতিয়া মদিনাৰ পৰা বাহিৰলৈ আহিছে গতিকে সেই প্ৰতিশ্ৰুতি এই পৰিস্থিতিত প্ৰযোজ্য নহ'ব।হে আল্লাহৰ ৰছুল! যি সময়ত এই প্ৰতিশ্ৰুতি কৰা হৈছিল সেই সময় পৰ্যন্ত আপোনাৰ সততা আমাৰ ওচৰত সুস্পষ্ট ভাৱে প্ৰকাশিত হোৱা নাছিল।কিন্তু এতিয়া যিহেতু আপোনাৰ মান মৰ্যদা গৌৰৱ সত্যতা আমাৰ ওচৰত পূৰ্ণ প্ৰকাশিত হৈছে। গতিকে হে আল্লাহৰ ৰছুল! সেই সমূহ প্ৰতিশ্ৰুতিৰ কোনো প্ৰশ্নই নুঠে। আমি মুছা (আঃ)ৰ অনুচৰ সকলৰ দৰে আপোনাক কেতিয়াও এই কথা নকম যে, (5:25) اِذۡهَبۡ اَنۡتَ وَرَبُّكَ فَقَاتِلَاۤ اِنَّا هٰهُنَا قَاعِدُوۡنَ

অৰ্থঃ তুমি আৰু তোমাৰ প্ৰভু যোৱা আৰু শত্ৰু সকলৰ সৈতে যুদ্ধ কৰি থকা,আমি ইয়াতেই বহি থাকিম।

বৰং আমি আপোনাৰ বাওঁফালে সোঁফালে,সন্মুখত আৰু পিছফালেও যুদ্ধ কৰিম।হে আল্লাহৰ ৰছুল! যি শত্ৰুৱে আপোনাৰ ক্ষতি সাধন কৰিবলৈ আহিছে তেওঁলোকে আপোনাৰ ক্ষতি দূৰৰ কথা আমাৰ মৰাশৰ ওপৰেদি নোযোৱালৈকে কোনো স্পৰ্শও কৰিব নোৱাৰিব।হে আল্লাহৰ ৰছুল! যুদ্ধ হ'ল এটা সাধাৰণ বিষয়।ইয়াৰ পৰা কিছু নিলগত সমুদ্ৰ আছে। আপুনি যদি আদেশ দিয়ে,আমি আমাৰ সেই ঘোঁৰা লৈ সেই সমুদ্ৰত জপিয়াই পৰা।তেন্তে আমি তৎক্ষণাত ঘোঁৰা সহ সমুদ্ৰত জপিয়াই পৰিবলৈ কুণ্ঠাবোধ নকৰিম।

এয়ে আছিল সেই আত্মা উৎসৰ্গ আৰু সততাৰ উজ্জ্বল দৃষ্টান্ত যাৰ তুলনা পৰবৰ্ত্তী কোনো নবীয়েই প্ৰকাশ কৰিব নোৱাৰিব। হজৰত মুছা (আঃ)ৰ অনুচৰ সকলৰ উপমা সিহঁত নিজেই উত্থাপন কৰিছে। হজৰত মুছা (আঃ)ৰ অনুচৰ সকলে অৰ্থাৎ শিষ্য সকলে শত্ৰুৰ সন্মুখত যি দৃষ্টান্ত দেখুৱাইছিল তাৰ সাক্ষী স্বৰূপ হ'ল ইঞ্জিল গ্ৰন্থ;এজন মাত্ৰ কিছু টকাৰ বিনিময়ত তেওঁৰ নিজৰ গুৰুক বিক্ৰী কৰি দিছিল; আন এজনে হজৰত ঈছা (আঃ)ক অভিশাপ দি গুচি গৈছিল। বাকী দহ (১০) জন তেখেত (আঃ)ক পৰিত্যাগ কৰি ইফালে সিফালে সিচৰিত হৈ গুচি গৈছিল।তাৰ বিপৰীত হজৰত মহম্মদ (ছাঃ)ৰ অনুচৰ সকল দেৰ বছৰৰ অৰ্থাৎ এক বছৰ ছয় মাহৰ সংসৰ্গতেই ঈমান (বিশ্বাস)ত ইমান বেছি দঢ়তা অৰ্জন কৰিছিল যে,সিহঁতে হজৰত মহম্মদ (ছাঃ)ৰ আদেশত বৃহৎ গভীৰ সমুদ্ৰৰ মাজতো জপিয়াই পৰিবলৈ প্ৰস্তুত আনকি প্ৰাণ বিসৰ্জন দিবলৈ কুণ্ঠাবোধ নকৰে। (ইবনে হিশাম ২ য় খণ্ড ,পৃঃ ১২)

ওপৰত উল্লেখিত পৰামৰ্শ কেৱল এই কাৰণেই গ্ৰহণ কৰা হৈছিল;যাতে দুৰ্বল ঈমানদাৰ লোকক উভতাই পঠাব পৰা যায়। কিন্তু সকলো মুহাজিৰ আৰু আনছাৰ এজনে আনজনতকৈ অধিক দৃঢ়তা আৰু বিশ্বাসৰ পৰিচয় প্ৰদান কৰে লগতে উভয় পক্ষই এই বিষয়ত একমত প্ৰকাশ কৰিলে যে, আল্লাহৰ প্ৰতিশ্ৰুতি অনুসৰি সংখ্যাত শত্ৰুৰ তুলনাত নগন্য হোৱা সত্বেও আৰু অস্ত্ৰ-শস্ত্ৰ,যুদ্ধ সামগ্ৰী শত্ৰুৰ তুলনাত কেইবাগুণ কম হোৱা সত্বেও যুদ্ধ ক্ষেত্ৰত কেতিয়াও পৃষ্ঠ প্ৰদৰ্শন নকৰে।বৰঞ্চ খোদা তয়লাৰ ধৰ্মৰ সন্মান আৰু শ্ৰেষ্ঠত্ব প্ৰদৰ্শন কৰোঁতে যুদ্ধৰ ক্ষেত্ৰত হাঁহি মুখে প্ৰাণ বিসৰ্জন দিব। ইয়াৰ পাছত তেখেত (ছাঃ) সন্মুখৰ পিনে অগ্ৰসৰ হ'ল।যেতিয়া তেখেত (ছাঃ)য়ে **বদৰৰ** প্ৰান্তত উপস্থিত হ'ল,তেতিয়া এজন চাহাবাৰ পৰামৰ্শ অনুসৰি শত্ৰু পক্ষৰ ওচৰা-ওচৰি উপনীত হৈ বদৰৰ নিজৰাৰ ওচৰত সৈন্য দলৰ শিবিৰ (ছাউনী) স্থাপন কৰিলে।

ফলত পানী নিজ আয়ত্তত আহিল কিন্তু মুছলমান সকলে ছাউনী স্থাপন কৰা দিশটো বালিময় হোৱা বাবে যুদ্ধ পৰিচালনাৰ বাবে অনুপযোগী বুলি বিবেচিত হ'ল।ফলস্বৰূপে চাহাবাসকলে অলপ চিন্তিত হৈ পৰিল।হজৰত ৰছুলে কৰিম (ছাঃ)সমগ্ৰ ৰাতি দোৱাত মগ্ন থাকিল আৰু খোদা তায়লাৰ ওচৰত কাতৰ প্ৰাৰ্থনা কৰি কৰুণা বিগলিত হৃদয়ত বাৰে বাৰে কলে,হে মোৰ প্ৰভু! সমগ্ৰ পৃথিৱীৰ মাজত মাত্ৰ এই কেইজন লোক তোমাৰ এবাদতকাৰী।হে মোৰ প্ৰভু! যদি এই লোক কেইজন এই যুদ্ধত নিহত হয়; তেন্তে তোমাৰ নাম লোৱাৰ বাবে এই ভূ-পৃষ্ঠত আন কোন থাকিব? (যুৰকানী 1ম খণ্ড পৃঃ 419 আৰু ইবনে হিশাম 2য় খণ্ড পৃঃ 17)

আল্লাহ তায়লা হজৰত মহম্মদ (ছাঃ)ক এই কৰুণা বিগলিত প্ৰাৰ্থনা গ্ৰহণ কৰিলে আৰু ৰাতি প্ৰচুৰ বৰষুণ হ'ল। ফলত বদৰ প্ৰান্তৰ যি অংশত মুছলিম সৈন্য সকলে ছাউনী স্থাপন কৰিছিল,সেই অঞ্চল সম্পূৰ্ণ বালিময় হোৱা বাবে ৰাতিৰ পৰ্যাপ্ত বৰষুণত বালি তিতি গৈ অতি টান হৈছিল।আনহাতে পথাৰৰ যি অঞ্চল কাফেৰ সকলৰ অধীনত আছিল, সেই অঞ্চল আলতীয়া মাটি হোৱাৰ বাবে বৰষুণত বোকা হয় আৰু পিছল হৈছিল। মক্কাৰ কাফেৰ সকলে বদৰ প্ৰান্তত আগতে উপস্থিত হৈ সেই অঞ্চলটো হয়তো এই কাৰণেই নিৰ্বাচন কৰি লৈছিল যে তাৰ পৰা মাটি কঠিন হোৱা বাবে যুদ্ধ পৰিচালনা কৰা অধিক সুবিধাজনক হ'ব।সন্মুখৰ বালিময় অঞ্চল তেওঁলোকে এই কাৰণে খালি ৰাখিছিল;যাতে মুছলমান সকলে কোনো ভাল স্থান নাপাই তাতেই সৈন্য শিবিৰ পাতিবলৈ বাধ্য হয়।আৰু যুদ্ধৰ সময়ত সিহঁতৰ ভৰি বালিৰ মাজত শক্তি নাপাব।বৰঞ্চ বালিত পুতহে যাব।কিন্তু সমগ্ৰ বিশ্ব ব্ৰহ্মাণ্ডৰ বাদশ্বাহ আল্লাহ পাক যি সৰ্বজ্ঞ আৰু সৰ্ব শক্তিমান।ৰাতিৰ ভিতৰতেই অৱস্থাৰ সম্পূৰ্ণ বিপৰীত পৰিৱৰ্তন কৰি

দিলে।বালিময় পথাৰ এক টান পথাৰত পৰিণত হ'ল আৰু কঠিন পথাৰ বোকা আৰু পিছলত পৰিণত হ'ল। ৰাতি আল্লাহ্ তায়লা ৰছুলে কৰিম (ছাঃ)ক শুভ সংবাদ দি কলে,তোমাৰ অমুক অমুক শত্ৰু নিহত হ'ব। আৰু সিহঁত অমুক অমুক স্থানত মৰিব।বাস্তৱতে যুদ্ধ ক্ষেত্ৰত সেয়াই ঘটিছিল।সেইবিলাক শত্ৰু ঠিক সেই স্থানতেই মৰিছিল যি স্থানৰ কথা হজৰত ৰছুলে কৰিম (ছাঃ)য়ে কৈছিল, যেতিয়া সৈন্যদল পৰস্পৰ পৰস্পৰে মুখামুখী শাৰীবদ্ধ ভাৱে থিয় হৈছিল;তেতিয়া চাহাবা সকলে যি এখলাচ আৰু সত্য নিষ্ঠাৰ দৃষ্টান্ত দেখুৱাইছিল; তাক তলত বৰ্ণিত এটি ঘটনাৰ পৰা স্পষ্ট বুজা যাব।

ইছলামী সেনাদলত মাত্ৰ কেইজন সেনাপতি আছিল। সিহঁতৰ এজন আব্দুৰ ৰহমান বিন আওফ (ৰাঃ) আছিল।তেখেত (ৰাঃ) মক্কাৰ এজন চৰদাৰ আছিল।তেখেত (ৰাঃ)য়ে বৰ্ণনা কৰে মই ভাৱিলো যে,মোৰ ওপৰত গুৰু দায়িত্ব অৰ্পিত হৈছে।এই ধাৰণাৰ পৰা মই মোৰ সোঁ আৰু বাওঁফালে দৃষ্টি গোচৰ কৰিলোঁ।মই প্ৰত্যক্ষ কৰিলোঁ যে,মোৰ সোঁ ফালে বাওঁফালে মদিনাৰ দুজন নৱ যুৱকৰ বাহিৰে আন কোনো নাই।ততালিকে মই নিজকে সংযত কৰি স্থিৰ কৰিলোঁ যে,তেজস্বী সেনাপতি সকল যুদ্ধ কৰাৰ সময় যি প্ৰয়োজন সেয়া হ'ল সিহঁতৰ সোঁ ফালে বাওঁফালে ৰক্ষণ ব্যৱস্থা সুদৃঢ় কৰা।যাৰ বাবে সিহঁতে সাহসিকতাৰে শত্ৰু সৈন্যৰ আক্ৰমণ ভেদ কৰি আগবাঢ়ি যাব পাৰে।কিন্তু মোৰ ওচৰত মদিনাৰ দুজন নৱ যুৱক।মই আজি কেনেকৈ মোৰ যুদ্ধ কৌশল কামত লগাম।মই এই কথা ভাৱি মনে মনে ঠিক নকৰোঁতেই মোৰ একাষত থকা ল'ৰাটিয়ে মোৰ পাঞ্জৰত কিলাকুটিৰে আঘাত কৰিলে,মই তেওঁৰ ফালে মুখ কৰোঁতেই তেওঁ মোৰ কাণে কাণে কলে,খুৰাদেউ মই শুনিছোঁ আবু জেহেল হজৰত মহম্মদ (ছাঃ)ক বৰকৈ কষ্ট দিছিল।খুৰাদেউ মোৰ ইচ্ছা যে,মই আজি তেওঁৰ সৈতে যুদ্ধ কৰিম।আপুনি কওঁকচোন সেই আবু জেহেল কোন ব্যক্তি ?মই তেওঁৰ কথাৰ উত্তৰ নিদিওতেই মোৰ আনফালে থকা ল'ৰাজন মোক কিলাকুটিৰে স্পৰ্শ কৰিলে। তেওঁৰ পিনে যেতিয়া ঘূৰি চালো সিও ফুচ-ফুচাই সেই একেই কথা কলে, আব্দুৰ ৰহমান বিন আওফ কলে, মই তেওঁলোকৰ এনে সৎ সাহস দেখি আচৰিত মানিলোঁ।কাৰণ মই নিজে এজন প্ৰশিক্ষণ প্ৰাপ্ত সৈনিক হোৱা সত্ত্বেও এয়া চিন্তাই কৰিব নোৱাৰো যে,অকলে এজন সেনাপতিৰ ওপৰত আক্ৰমণ কেনেকৈ কৰা সম্ভৱ।

তেওঁ কৈছে, মই সিহঁতৰ কথাৰ উত্তৰত আঙুলি উঠাই দেখুৱাই দিলো সেই মানুহজন যি জন মূৰৰ পৰা ভৰিলৈ যুদ্ধ পোছাকত সু-সজ্জিত আৰু শত্ৰু সৈন্যৰ পাছত

থিয় হৈ আছে,যাৰ সন্মুখত দুজন তেজস্বী সেনাপতি উন্মুক্ত তৰোৱাল হাতত লৈ থিয় হৈ আছে; সেই মানুজনেই হ'ল আবু জেহেল।তেখেত (ৰাঃ)য়ে আৰু কলে,মই মোৰ আঙুলি তলফালে নকৰোতেই সেই ল'ৰা দুজন চিলনীয়ে কুকুৰাৰ পোৱালিক থাপ মাৰাৰ দৰে কাফেৰ সকলৰ শাৰী ভেদ কৰি সোমাই পৰিল। সিহঁতৰ এই আক্ৰমণ ইমান আকষ্মিক আৰু দ্ৰুত আছিল যে,কোনোবাই সিহঁতৰ ওপৰত অস্ত্ৰ উঠোৱাৰ সময়েই নাপালে।সিহঁতে তীৰৰ (কাড়ৰ) বেগত আবু জেহলৰ ওচৰত উপস্থিত হ'লহি।আবু জেহলৰ দেহ ৰক্ষাকাৰী সকলে ল'ৰা দুজনৰ ওপৰত আঘাত কৰিলে।এজন দেহ ৰক্ষীৰ আঘাত যদিও পিছলি যায়;আন এজন দেহ ৰক্ষীৰ আঘাতত এজন ল'ৰাৰ হাত কাটা যায়।কিন্তু সিহঁত উভয়ে কোনো ভয় নকৰি পোনে পোনে গৈ আবু জেহলক আক্ৰমণ কৰিলে।ইমান শক্তিৰে আঘাত হানিলে যে,আবু জেহেল মাটিত ঢলি পৰিল।

সিহঁত উভয়ে তেওঁক মাৰাত্মক ভাৱে আহত কৰি পেলালে। কিন্তু অস্ত্ৰ চলোৱা কৌশল নজনাৰ বাবে আবু জেহলক হত্যা কৰিব নোৱাৰিলে।উল্লেখিত এই ঘটনাৰ পৰা এয়া স্পষ্ট হয় যে,মক্কাবাসী সকলে হজৰত মহম্মদ (ছাঃ)ৰ ওপৰত যি নিৰ্মম অত্যাচাৰ,নিৰ্যাতন আৰু প্ৰহাৰ চলাইছিল সেয়া কিমান ভয়ঙ্কৰ আছিল।যি সকলে ওচৰৰ পৰা তাক প্ৰত্যক্ষ কৰিছিল, তেওঁলোকহে অনুভৱ কৰিছিল।আজিও সেইবোৰ অত্যাচাৰ কাহিনী পাঠ কৰিলে যি কোনো ভদ্ৰ লোকৰ হৃদয়ত কম্পন আৰম্ভ হয়।শৰীৰ শিয়ৰি উঠে আৰু গাৰ নোম থিয় হৈ উঠে। মদিনা বাসীয়ে সেই নিষ্ঠুৰ অত্যাচাৰৰ কাহিনী সেই সকল মানুহৰ মুখত শুনিছিল; যি সকলে তাৰ প্ৰত্যক্ষ দৰ্শী আছিল।মদিনা বাসীয়ে এফালে হজৰত মহম্মদ (ছাঃ)ৰ পৱিত্ৰ আৰু শান্তিপ্ৰিয় জীৱন দৰ্শন কৰিছিল।আনপিনে মক্কাবাসী সকলৰ বৰ্বৰ অত্যাচাৰ কাহিনী শ্ৰৱণ কৰিছিল। ফলত মদিনা বাসীৰ হৃদয় দুঃখ বেদনাত ভৰি পৰিছিল। আৰু মহম্মদ (ছাঃ) নিজৰ শান্তিপ্ৰিয়তা আৰু কল্যাণ কামী মন মানসিকতাৰ কাৰণে সিহঁতৰ কোনো প্ৰতি উত্তৰ দিয়া নাছিল। কিন্তু সিহঁত যদি আমাৰ সন্মুখত আহিলেহেঁতেন তেনেহলে আমি সিহঁতক দেখুৱাই দিলোঁহেঁতেন যে সিহঁতৰ সেই অত্যাচাৰৰ প্ৰতিউত্তৰ এই কাৰণেই নাছিল যে সিহঁত দুৰ্বল আছিল।বৰঞ্চ তাৰ কাৰণ এইটোৱেই আছিল যে,খোদা তায়লাৰ ফালৰ পৰা তেতিয়াও মুছলমান সকলক উত্তৰ দিয়াৰ অনুমতি দিয়া হোৱা নাছিল।মুছলমান সকলৰ হৃদয়ৰ অৱস্থা ইয়াৰ পৰা অনুমান কৰা যায় যে, যুদ্ধ আৰম্ভ হোৱাৰ পূৰ্বে আবু জেহেল এক বেদুইন (অঘুৰী ইহুদী) চৰদাৰক মুছলমান সকলৰ সংখ্যা কিমান তাক জনাৰ বাবে প্ৰেৰণ কৰিছিল।তেওঁ উভতি গৈ কৈছিল যে প্ৰায় তিনি শ বা তিনি শ পচিশ(৩২৫) হ'ব।এই সংবাদ শুনি আবু জেহেলে আৰু তেওঁৰ সঙ্গী সকলে উল্লাসিত হৈছিল আৰু কৈছিল,এইবাৰ মুছলমান সকল আমাৰ হাতৰ পৰা ৰক্ষা পাই ক'ত যাব ? কিন্তু সেই বেদুইন জনে কৈছিল,

হে মক্কাবাসী সকল! তোমালোকৰ বাবে মোৰ উপদেশ এই তোমালোকে সিহঁতৰ সৈতে যুদ্ধ কৰাৰ কথা পৰিত্যাগ কৰা।কাৰণ মই মুছলমান সকলৰ যিমান জনক দেখিছোঁ দেখি ধাৰণা উপজিল যে,উটবিলাকৰ ওপৰত উপবিষ্ট আৰোহী সকলে কোনেও জীৱিত নাই, সকলো যেন মৃত ব্যক্তি বহি আছে।অৰ্থাৎ তেওঁলোক প্ৰত্যেক ব্যক্তিয়েই মৃত্যুৰ বাবে যুদ্ধ ক্ষেত্ৰত আহিছে।জীৱিত উভতি যোৱাৰ বাবে অহা নাই।যিসকলে মৃত্যুক আকোৱালি লয় আৰু মৃত্যুক সাৰটি লোৱাৰ বাবে প্ৰস্তুত হৈ যায়; সিহঁতৰ লগত যুদ্ধ নকৰাই সমিচীন।

## এটি শক্তিশালী ভৱিষ্যতবাণী পূৰ্ণ হ'ল

যেতিয়া যুদ্ধৰ সময় আসন্ন হ'ল; তেতিয়া যি স্থানত বহি হজৰত মহম্মদ (ছাঃ)য়ে প্ৰাৰ্থনা কৰিছিল,সেই স্থানৰ পৰা ওলাই আহি কলে,

سَيُهْزَمُ الْجَمْعُ وَ يُوَلُّوْنَ الدُّبُرَ (54:46)

অৰ্থঃ শত্ৰুৰ সেনাদল পৰাস্ত হ'ব আৰু পৃষ্ঠ প্ৰদৰ্শন কৰি যুদ্ধ ক্ষেত্ৰৰ পৰা পলায়ন কৰিব।

এই ভৱিষ্যবাণীটো পৱিত্ৰ গ্ৰন্থ কোৰাণ কৰিমৰ আছিল;যিটো ইতি পূৰ্বে এই যুদ্ধ সম্পৰ্কে মক্কাত অৱতীৰ্ণ হৈছিল।মক্কাত যেতিয়া মুছলমান সকলে কাফেৰ সকল (অবিশ্বাসী সকল)ৰ অত্যাচাৰত অতিষ্ঠ হৈছিল আৰু ইফালে সিফালে হিজৰত কৰি গুচি যাব ধৰিছিল; তেতিয়া আল্লাহ্ তায়লা হজৰত মহম্মদ (ছাঃ)ৰ ওপৰত পৱিত্ৰ কোৰাণ কৰিমৰ চুৰা আল-কমৰৰ ৪২ ৰ পৰা ৪৯ লৈ আয়াত সমূহ অৱতীৰ্ণ কৰিছিল,

وَلَقَدْ جَآءَ آلَ فِرْعَوْنَ النُّذُرُ ۔ كَذَّبُوا بِآيَاتِنَا كُلِّهَا فَأَخَذْنَاهُمْ أَخْذَ
عَزِيزٍ مُّقْتَدِرٍ ۔أَكُفَّارُكُمْ خَيْرٌ مِّنْ أُولَئِكُمْ أَمْ لَكُم بَرَآءَةٌ فِي الزُّبُرِ ۔أَمْ يَقُولُونَ
نَحْنُ جَمِيعٌ مُّنتَصِرٌ ۔سَيُهْزَمُ الْجَمْعُ وَيُوَلُّونَ الدُّبُرَ ۔بَلِ السَّاعَةُ مَوْعِدُهُمْ
وَالسَّاعَةُ أَدْهَىٰ وَأَمَرُّ ۔إِنَّ الْمُجْرِمِينَ فِي ضَلَالٍ وَسُعُرٍ ۔يَوْمَ يُسْحَبُونَ فِي النَّارِ
عَلَىٰ وُجُوهِهِمْ ذُوقُوا مَسَّ سَقَرَ ۔۔

(54:42-49)

অনুবাদঃ আৰু বাস্তৱতে ফিৰাউনৰ জাতিলৈ আহিছিল সতৰ্ককাৰী সকল।তেওঁলোকে আমাৰ সকলো নিদৰ্শন অগ্ৰাহ্য কৰিলে; গতিকে আমি তেওঁলোকক অতি শক্তিশালী প্ৰভুত্বশীল জনাই ধৰাৰ দৰে খামোচ মাৰি ধৰিলোঁ।তোমালোকৰ অবিশ্বাসী সকল সেই বিলাকতকৈ উত্তম নে ? অথবা গ্ৰন্থসমূহত তোমালোকক এটা মুক্তিৰ আশ্বাস দিয়া হৈছে নেকি ? তেওঁলোকে কয় নেকি,আমি এক বিজয়ী সৈন্যদল; সেই সৈন্যদল সোনকালেই পৰাস্ত হ'ব আৰু সিহঁতে পলায়ন কৰিবলৈ পিঠি ঘূৰাব।হয় সেই মুহূৰ্ত্তটোৱেই হৈছে সিহঁতক অঙ্গীকাৰ কৰা সময়; আৰু সেই মুহূৰ্ত্তটো হ'ব সিহঁতৰ কাৰণে অতি দুৰ্যোগৰ আৰু তিতা লগা। নিশ্চয়েই দোষী সকল আছে স্পষ্ট ভ্ৰান্তিত আৰু উন্মাদ অৱস্থাত।সেইদিনা যেতিয়া তেওঁলোকক অধ:মুখী কৰি চোঁচৰাই নিয়া হ'ব অগ্নিকুণ্ডটোলৈ,তেওঁলোকক এই বুলি কোৱা হ'ব,তোমালোকে দোজখৰ স্পৰ্শৰ সোৱাদ লোৱাহঁক। (54:42-49)

চুৰা কমৰৰ এই আয়াত সমূহ সকলো বৰ্ণনাকাৰীৰ মতে চুৰা কমৰ মক্কাত অৱতীৰ্ণ হৈছিল। মুছলিম আলেম সকলেও কৈছে যে,এই চুৰা নবুয়তৰ পাছৰ পৰা দহ বছৰৰ মাজত নাজিল হৈছিল।অৰ্থাৎ হিজৰতৰ কমেও তিনি বছৰ পূৰ্বে।কিন্তু ইউৰোপীয়া লিখকসকলে হিজৰতৰ আঠ বছৰ পূৰ্বে বুলি কয়।নোলডিকী কয়,এই চুৰা নবুয়তৰ পাঁচ বছৰ পাছত নাজিল হৈছিল।হুয়েৰী লিখিছে, মোৰ মতে নোলডিকীয়ে চুৰাৰ অৱতীৰ্ণৰ কাল কিছু আগুৱাই কৈছে।মোৰ বিবেচনাত এই চুৰা হিজৰতৰ ছয়//সাত বছৰ পূৰ্বেই অৱতীৰ্ণ হৈছিল।অৰ্থাৎ নবী দাবীৰ ছয়/সাত বছৰ পাছত এই চুৰা অৱতীৰ্ণ হৈছিল।যিকেই নহওক মুছলমান সকলৰ শত্ৰু সকলেও কৈছে যে,এই চুৰা হিজৰতৰ কেইবছৰ আগত অৱতীৰ্ণ হৈছিল।সেই সময়ত কিমান সুস্পষ্ট ভাৱে এই যুদ্ধৰ সংবাদ দিয়া হৈছিল।কাফেৰ সকলৰ পৰিণতিৰ কথাও পৰিষ্কাৰকৈ কোৱা হৈছিল,হজৰত মহম্মদ (ছাঃ)য়ে বদৰৰ যুদ্ধ আৰম্ভ হোৱা পূৰ্বেই এই আয়াতসমূহ কিমান প্ৰকাশ্য ভাৱে পাঠ কৰি মুছলমান সকলৰ দৃষ্টি আকৰ্ষণ কৰিছিল যে,আল্লাহৰ প্ৰতিশ্ৰুতি পূৰ্ণ হোৱাৰ সময় আসন্ন।যিহেতু সেই সময় আহিছিল।যাৰ সংবাদ ইয়াছইয়া নবী বহু আগত দি গৈছিল।(২১:১৩-১৭) আৰু যাৰ সংবাদ পুনৰ পৱিত্ৰ কোৰাণ কৰিমত যুদ্ধ আৰম্ভ হোৱাৰ ছয় বা আঠ বছৰ পূৰ্বে দিয়া হৈছিল।সেই হেতুকে মুছলমান সকলৰ এই যুদ্ধৰ বাবে কোনো প্ৰস্তুতি নথকা সত্বেও আৰু কাফেৰ সকলক এই যুদ্ধ নকৰাৰ পৰামৰ্শ দিয়া সত্ত্বেও যুদ্ধ হৈ গ'ল।মাত্ৰ ৩১৩ জন লোক যিসকলৰ অধিকাংশই যুদ্ধ বিদ্যাত অদক্ষ,আনভিজ্ঞ আছিল। যিসকলৰ কোনো যুদ্ধ অস্ত্ৰ নাছিল। সিহঁতে কাফেৰ সকলৰ যুদ্ধ বিদ্যাত পাৰদৰ্শী,সুদক্ষ এক হাজাৰতকৈ অধিক সেনা বাহিনীৰ বিৰুদ্ধে থিয় দিলে।ফলত যুদ্ধ সংগঠিত হ'ল।কেইবা ঘণ্টাৰ ভিতৰতে আৰবৰ বীৰ যুঁজাৰু সকল পৰাস্ত আৰু নিহত হ'ল।ইয়াছইয়া নবী

(আঃ)ৰ ভৱিষ্যতবাণী অনুসৰি তেখেত (ছাঃ)ৰ ন্যায়পৰায়ণতা আৰু আদালতৰ বিশেষ এক প্ৰমাণ পোৱা গ'ল।মক্কাৰ সেনাবাহিনীৰ কিছু সংখ্যক লাশ(মৰাশ)যুদ্ধ বন্ধী পেলাই থৈ দ্ৰুত বেগত যুদ্ধ ক্ষেত্ৰৰ পৰা পলাই পতং দিলে।মক্কাৰ যি সকল যুঁজাৰু বন্ধী হৈছিল; তেওঁলোকৰ মাজত হজৰত মহম্মদ (ছাঃ)ৰ খুৰাদেউ হজৰত আব্বাছ (ৰাঃ)ও আছিল।যিজনে সকলো সময়ত হজৰত মহম্মদ (ছাঃ)ক সহায় কৰিছিল। কিন্তু মক্কাবাসী সকলে তেখেত (ৰাঃ)ক যুদ্ধ কৰিবলৈ বাধ্য কৰিছিল। সেইদৰে যুদ্ধ বন্ধী সকলৰ মাজত (আচামী) ৰছুলে কৰিম (ছাঃ)ৰ ডাঙৰ জোঁৱাইক আবুল আছও আছিল।মৃত ব্যক্তি সকলৰ মাজত মক্কাৰ সেনা বাহিনীৰ সেনাপতি ইছলামৰ আটাইতকৈ ডাঙৰ শত্ৰু আবু জেহেল আছিল।এয়ে আছিল মুছলমান সকলৰ কাফেৰ সকলৰ বিৰুদ্ধে হোৱা সৰ্বপ্ৰথম যুদ্ধ।

## বদৰৰ যুদ্ধ বন্দী

বদৰৰ যুদ্ধ এই বিজয়ত ৰছুলে কৰিম (ছাঃ) আনন্দিত হৈছিল।কাৰণ যি ভৱিষ্যতবাণী তেখেত (ছাঃ)ৰ মাধ্যমত ক্ৰমে চৈধ্য বছৰ ধৰি প্ৰকাশ কৰা হৈছিল আৰু যিবোৰ ভৱিষ্যতবাণী পূৰ্ববৰ্ত্তী নবীসকলে এই দিনৰ সম্পৰ্কে কৰিছিল, সেই সকলো আজি পূৰ্ণ হ'ল।কিন্তু মক্কাৰ বিৰুদ্ধবাদী সকলৰ ভয়াবহ পৰিণতি তেখেত (ছাঃ)ৰ চকুৰ আগত আছিল।হজৰত মহম্মদ (ছাঃ)ৰ ঠাইত আন কোনোবাই হলে,সি আনন্দত উল্লাসিত হৈ আত্মাহাৰা হ'লহেঁতেন।কিন্তু যেতিয়া মক্কাৰ যুদ্ধবন্ধী সকলক তেখেত (ছাঃ)ৰ সন্মুখেদি ৰচীৰে বান্ধি লৈ যোৱা হৈছিল; তেতিয়া তেখেত (ছাঃ)য়ে আৰু তেখেত (ছাঃ) ৰ প্ৰিয় শিষ্য হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ৰ চকুৰ পৰা টপ টপকৈ চকুলো নিৰ্গত হৈছিল।এই সময়ত হজৰত ওমৰ (ৰাঃ) যিজন পৰৱৰ্তী কালত ইছলামৰ দ্বিতীয় খলিফা হয়; তেখেত (ৰাঃ) সন্মুখত আহিল আৰু আশ্চৰ্য্য হৈ গ'ল এই বুলি যে, ইমান ডাঙৰ বিজয় আৰু আনন্দৰ পাছতো আঁহজৰত (ছাঃ) ক্ৰন্দন কৰিছে কিয়? তেখেত (ৰাঃ) য়ে কলে, হে আল্লাহৰ ৰছুল! এই সময়ত আপোনাৰ ক্ৰন্দনৰ কাৰণ কি মোক ক'বনে?সেয়া যদি মোৰ বাবেও ক্ৰন্দনৰ কাৰণ হয় তেন্তে মইয়ো নিশ্চয় কান্দিম।অন্তত আপোনাৰ ক্ৰন্দনৰ অংশীদাৰ হৈ চকু মুখত কান্দোনৰ ভাও ধৰিম।হজৰত মহম্মদ (ছাঃ) য়ে কলে, দেখা নাই নে?আল্লাহ তায়লাৰ নিৰ্দেশ অমান্য কৰাৰ বাবে আজি মক্কাবাসী সকলৰ কি কৰুণ অৱস্থা হৈছে?হজৰত মহম্মদ (ছাঃ)ৰ সুক্ষম বিচাৰ আৰু ন্যায়পৰায়ণতাৰ যি সংবাদ ইয়াছইয়াহ নবী বাৰে বাৰে নিজৰ ভৱিষ্যতবাণীত উল্লেখ কৰিছিল; এই ঘটনা তাৰ এক উজ্জ্বল দৃষ্টান্ত।

মদিনালৈ উভতি অহাৰ বাটত যেতিয়া হজতৰ মহম্মদ (ছাঃ) টোপনীৰ বাবে বিছনাত

শুই পৰিল;তেতিয়া চাহাবা সকলে দেখিবলৈ পালে যে,তেখেত (ছাঃ)য়ে টোপোনী আহিব পৰা নাই । সিহঁতে ভাৱি-চিন্তি বুজিব পাৰিলে যে, তেখেত (ছাঃ)ৰ নিজৰ খুৰা আব্বাছ (ৰাঃ)ক যিহেতু ৰচীৰে বন্ধা অৱস্থাত থকাৰ কাৰণে শুব পৰা নাই।আৰু যিহেতু তেখেত (ৰাঃ)ৰ কষ্ট জনিত গোঁজৰণীৰ শব্দ শুনা গৈছিল; সেই কাৰণে তেখেত (ৰাঃ) ৰ যন্ত্ৰণাৰ প্ৰতি লক্ষ্য কৰিয়েই হয়তো হজৰত মহম্মদ (ছাঃ)য়েও টোপনী আহিব পৰা নাই।সেই কাৰণে সিহঁতে পৰামৰ্শ কৰি হজৰত আব্বাছ (ৰাঃ) ৰ বন্ধন ঢিলা কৰি দিলে।হজৰত আব্বাছ (ৰাঃ) শুই পৰিল।হজৰত ৰছুলে কৰিম (ছাঃ)য়েও টোপনী আহিল।কিছু সময়ৰ ভিতৰতেই তেখেত (ছাঃ)টোপনীৰ পৰা চমকি উঠিল আৰু চকু মেলিলে।তেখেত (ছাঃ) য়ে সুধিলে, আব্বাছ কিয় নিৰৱ হৈ গ'ল।তেখেতৰ গোঁজৰণিৰ শব্দ কিয় শুনা নাযায় ? তেখেত (ছাঃ)ৰ ভয় হৈছিল যে,কষ্টৰ বাবে অজ্ঞান হৈ যোৱা নাইতো ? চাহাবা সকলে কলে, হে আল্লাহৰ ৰছুল! আমি আপোনাক কষ্ট পোৱা দেখি তেখেত (ৰাঃ) ৰ বন্ধন ঢিলা কৰি দিছোঁ হজৰত মহম্মদ (ছাঃ)য়ে কলে, নহয় নহয় ই অবিচাৰ, ই কেতিয়াও হ'ব নোৱাৰে।হজৰত আব্বাছ (ৰাঃ) যিদৰে মোৰ আত্মীয় অন্যান্য যুদ্ধ বন্ধী সকলো ঠিক তেনেকৈ অন্যান্য সকলৰ আত্মীয়। হয় সকলো যুদ্ধ বন্ধীৰ বন্ধন ঢিলা কৰি দিয়া যাতে তেওঁলোকেও শুব পাৰে।নতুবা আব্বাছৰ বন্ধন আৰু টান কৰি দিয়া।চাহাবা সকলে তেখেত (ছাঃ) ৰ কথা শুনি সকলো যুদ্ধ বন্ধীৰ বন্ধন ঢিলা কৰি দিলে আৰু সিহঁতৰ ৰক্ষণাবেক্ষণৰ দায়িত্ব তেওঁলোক নিজেই ললে।যুদ্ধ বন্ধী সকলৰ মাজত যি সকলে লিখা-পঢ়া জানিছিল। হজৰত মহম্মদ (ছাঃ) য়ে সিহঁতৰ বাবে মুক্তিপণ হিচাপে স্থিৰ কৰিলে যে,সিহঁতৰ প্ৰত্যেকেই মদিনাৰ দহ জনকৈ ল'ৰাক লিখা-পঢ়া শিকাব।যি সকলৰ মুক্তিপণ পৰিশোধ কৰাৰ কোনো নাছিল; সিহঁতক এনেই মুক্তি দিলে। যি সকলৰ মুক্তিপণ দিয়াৰ আৰ্থিক সমৰ্থ আছিল; সিহঁতৰ পৰা পৰিমিত ভাৱে মুক্তিপণ লৈ মুক্তি কৰি দিলে।এই পন্থা অৱলম্বন কৰি তেখেত (ছাঃ)য়ে আদি কালৰ পৰা চলি অহা প্ৰথা অৰ্থাৎ যুদ্ধ বন্ধীক কৃতদাসত পৰিণত কৰা যি প্ৰথা তাক চিৰ দিনৰ বাবে উচ্ছেদ কৰি দিলে।

## উহুদৰ যুদ্ধ

ইছলামী ইতিহাসত মুছলমান সকলৰ সৈতে কাফেৰ সকলৰ হোৱা ২য় খন যুদ্ধৰ নাম হ'ল উহুদৰ যুদ্ধ। বদৰৰ যুদ্ধত পৰাজিত হৈ কাফেৰ সকলৰ সৈন্য সমূহ যুদ্ধ ক্ষেত্ৰৰ পৰা পলাই পতং দিলে সঁচা, কিন্তু যোৱাৰ সময়ত সিহঁতে এই ঘোষণাও দি গ'ল যে,অহা বছৰ সিহঁতে পুনৰ মদিনা আক্ৰমণ কৰিব আৰু পৰাজয়ৰ প্ৰতিশোধ

ল'ব।বাস্তৱতে এক বছৰ পিছতেই সিহঁতে পূৰ্ণ প্ৰস্তুতি লৈ মদিনা আক্ৰমণ কৰিবলৈ আহিল। মক্কাবাসী সকলৰ ক্ৰোধৰ অৱস্থা এনে আছিল যে,বদৰৰ যুদ্ধৰ পিছত সিহঁতে ঘোষণা দিছিল যে,কোনো ব্যক্তিয়ে তাৰ মৃত ব্যক্তিৰ বাবে কান্দিব নোৱাৰিব। আৰু যিবোৰ লাভ বানিজ্যিক কাফেলাৰ পৰা অৰ্জন হ'ব সেই বোৰ মুনাফা (লাভ) আগন্তক যুদ্ধৰ বাবে নিৰ্দ্ধাৰিত থাকিব।গতিকে তেওঁলোকে পূৰ্ণ প্ৰস্তুতি গ্ৰহণ কৰি আবু ছুফিয়ানৰ নেতৃত্বত তিনি সহস্ৰাধিক সৈন্যৰ এক সেনা বাহিনী লৈ মদিনা আক্ৰমণ কৰিবলৈ আহিল। হজৰত ৰছুলে কৰিম (ছাঃ) য়ে চাহাবা সকলৰ পৰা পৰামৰ্শ বিচাৰিলে; আমি চহৰৰ ভিতৰৰ পৰা যুদ্ধ কৰা উচিত নে বাহিৰৰ পৰা ? তেখেত (ছাঃ) ৰ ব্যক্তিগত অভিমত আছিল যে,শত্ৰুক প্ৰথমে আক্ৰমণ কৰিবলৈ দিয়া উচিত যাতে যুদ্ধৰ সমূহ দায়িত্ব সিহঁতৰ ওপৰত ন্যস্ত হয় আৰু মুছলমান সকলে নিজ গৃহৰ পৰাই সহজে সিহঁতক প্ৰতিৰুধ কৰিব পাৰে।কিন্তু বদৰৰ যুদ্ধত অংশ গ্ৰহণৰ সুযোগ নোপোৱা ডেকা মুছলমান সকলে মনে মনে অস্থিৰ আৰু উত্তেজিত আছিল। তেওঁলোকে ভাৱিলে,এইবাৰ নিশ্চয় সিহঁতে শ্বহীদ হোৱাৰ সৌভাগ্য অৰ্জন কৰিব।গতিকে তেওঁলোকে কলে, আমাক কিয় শ্বহীদ হোৱাৰ দৰে পুণ্য কৰ্মৰ পৰা বঞ্চিত কৰা হ'ব ? গতিকে তেখেত (ছাঃ) য়ে সিহঁতৰ কথা মানি ললে।

পৰামৰ্শ লোৱাৰ সময়ত হজৰত মহম্মদ ৰছুলুল্লাহ (ছাঃ) য়ে এটি সপোনৰ কথা উল্লেখ কৰি কলে,সপোনত মই এটা গাই গৰু দেখিলোঁ।মই দেখিলোঁ যে,মোৰ তৰোৱালৰ তীক্ষ্ণ মূৰ ভাঙি গৈছে।মই আৰু দেখিলোঁ সেই গাই জনীক জবাহ কৰা হৈছে আৰু দেখিলোঁ যে,মই মোৰ হাত এটি কঠিন আৰু সুনিৰ্মিত বৰ্মৰ মাজত সোমাই দিছো। ( ইবনে হিশাম ২য় খণ্ড পৃঃ ৭৭,) মই আৰু দেখিলোঁ যে, মই এটা মেঘৰ ওপৰত আৰোহী হৈছো। তাবাকাত ইবনে সা'দ ১ম কিচম,জুয ২য় পৃঃ২৬) চাহাবা (ৰাঃ) য়ে সুধিলে,হে আল্লাহৰ ৰছুল! আপোনাৰ এই সপোনৰ ব্যাখ্যা (তাবীৰ) কি ?তেখেত (ছাঃ)য়ে কলে,গাই গৰু জবাহ কৰাৰ অৰ্থ হ'ল, মোৰ কোনো কোনো চাহাবী শ্বহীদ হ'ব। তৰোৱালৰ তীক্ষ্ণ মূৰ ভাঙি যোৱাৰ অৰ্থ হ'ল মোৰ আত্মীয়-স্বজন সকলৰ মাজৰ পৰা কোনো এজন ডাঙৰ ব্যক্তি শ্বহীদ হৈ যাব নাইবা মই স্বয়ং কোনো কষ্ট পাম।বৰ্মৰ মাজত হাত সোমোৱাৰ অৰ্থ হ'ল মোৰ ধাৰণা হয়তো মদিনাৰ ভিতৰৰ পৰাই যুদ্ধ কৰা আমাৰ বাবে সুবিধাজনক হ'ব। মেঘৰ ওপৰত আৰোহী হোৱাৰ ব্যাখ্যা সম্ভৱত কাফেৰ সকলৰ সেনা বাহিনী সেনাপতিৰ ওপৰত বিজয় লাভ কৰিম। অথবা সি মুছলমান সকলৰ হাতত নিহত হ'ব।

এই সপোনৰ মাধ্যমত মুছলমান সকলৰ ওচৰত এইটোৱেই প্ৰকাশ কৰা হৈছিল

যে,তেওঁলোকৰ বাবে মদিনাৰ ভিতৰত থকা অধিক শ্ৰেয় হ'ব।কিন্তু সপোনৰ উল্লেখিত ব্যাখ্যা সমূহ হজৰত মহম্মদ (ছাঃ) ৰ নিজৰ আছিল।কোনো ঐশী ব্যাখ্যা নাছিল। গতিকে তেখেত (ছাঃ)য়ে অধিকাংশৰ মতামত গ্ৰহণ কৰিলে।গতিকে তেখেত (ছাঃ) য়ে বাহিৰলৈ আহিল, তেতিয়া ডেকা সকলে নিজৰ ভুল বুজিব পাৰি অনুতাপ বোধ কৰিব ধৰিলে আৰু কলে, হে আল্লাহৰ ৰছুল! আপোনাৰ পৰামৰ্শ সঠিক।মদিনাৰ ভিতৰৰ পৰা যুদ্ধ কৰায়েই আমাৰ বাবে সমিচিন। হজৰত মহম্মদ (ছাঃ)য়ে কলে, আল্লাহৰ নবী যেতিয়া বৰ্ম (যুদ্ধৰ পোছাক) পৰিধান কৰে, তেতিয়া তাক আৰু নুখুলে।এতিয়া যিকেই নহওক আমি অগ্ৰহৰ হম। কিন্তু তোমালোকে যদি ধৈৰ্য্য সহকাৰে কাম কৰা; তেনেহলে আমি নিশ্চয় আল্লাহৰ সাহায্য পাম।এই কথা কৈ হজৰত ৰছুলে কৰিম (ছাঃ)য়ে (১০০০) এক হাজাৰ সৈন্যৰ এটি বাহিনী সহ মদিনা এৰি যাত্ৰা কৰিলে আৰু অলপ দূৰ গৈ ৰাতি অতিবাহিত কৰাৰ বাবে শিবিৰ স্থাপন কৰিলে।

হজৰত মহম্মদ (ছাঃ) সকলো সময়ত এই নীতি অৱলম্বন কৰিছিল যে, তেখেত (ছাঃ)য়ে শত্ৰুৰ ওচৰা-ওচৰি হৈ নিজৰ সৈন্য বাহিনীক কিছু বিশ্ৰাম লোৱাৰ সুযোগ দিছিল; যাতে সৈন্য সকলে নিজৰ নিজৰ যুদ্ধ সামগ্ৰী ঠিক কৰি ল'ব পাৰে।ফজৰৰ নমাজৰ সময়ত যেতিয়া তেখেত (ছাঃ)য়ে বাহিৰলৈ আহিল, তেতিয়া দেখিবলৈ পালে যে, কিছু সংখ্যক ইহুদী গোত্ৰ (কবিলা) সিহঁতৰ সৈতে চুক্তিৰ বাহানায় সহায় কৰাৰ বাবে আহিছে। ইহুদী সকলৰ চক্ৰান্তৰ কথা তেখেত (ছাঃ)ৰ জনা আছিল; সেই হেতুকে তেখেত (ছাঃ)য়ে সিহঁতক উভতি যাবলৈ কলে,এই কাৰণে কপটাচাৰী চৰদাৰ আব্দুল্লাহ বিন আবি বিন ছুলুল তাৰ তিনি শ সৈন্যৰ বাহিনী সহ লগে লগে উভতি গ'ল আৰু তেওঁ কলে,এতিয়া এই যুদ্ধ নহ'ব।হ'ব কেৱল ধ্বংসৰ মুখত নিজকে নিজে নিক্ষেপ কৰা। কাৰণ নিজৰ সাহায্যকাৰী সকলক যুদ্ধৰ পৰা বাদ দিয়া হ'ল।ফলত মুছলমানৰ সংখ্যা মাত্ৰ সাত শ (৭০০) ত উপনীত হ'ল যি কাফেৰ সকলৰ সৈন্য সংখ্যাৰ এক চতুৰ্থাংশৰো কম। যুদ্ধ সামগ্ৰী কম আৰু দুৰ্বল।কাৰণ কাফেৰ সকলৰ বৰ্মধাৰী সৈন্যৰ সংখ্যাই সাত শ আছিল।তাৰ বিপৰীত মুছলমান সকলৰ বৰ্মধাৰী সৈন্যৰ সংখ্যা মাত্ৰ এক শ আছিল। ইয়াৰ বাহিৰে কাফিৰ সকলৰ আশ্বাৰোহীৰ সংখ্যা দুই শ আছিল।আনপিনে মুছলমান সকলৰ মাত্ৰ দুটা ঘোঁৰা আছিল।

সি যিকেই নহওক, আঁহজৰত (ছাঃ)য়ে উহুদৰ পথাৰত উপস্থিত হ'ল। তাত উপস্থিত হৈ তেখেত (ছাঃ)য়ে এটি গিৰি পথ পহৰা দিয়াৰ বাবে পঞ্চাশ জন সৈন্যৰ এটা দলক নিযুক্ত কৰিলে আৰু সিহঁতৰ সেনা পাতিক বাৰে বাৰে জোৰ দি কলে, এই গিৰি পথ

ইমান গুৰত্ব পূৰ্ণ যে, ইফালে আমি মৰো-বাচো তোমালোকে কোনো কাৰণেই এই স্থান ত্যাগ নকৰিবা। (ইবনে হিশাম: ২য় খণ্ড, পৃ: ৭৮) তাৰ পাছত তেখেত (ছাঃ)য়ে অৱশিষ্ট ছয় শ পঞ্চাশ জন সৈন্য লৈ শত্ৰুৰ মুখামুখি কৰাৰ বাবে ওলাই পৰিল। এতিয়া তেখেত (ছাঃ)ৰ সৈন্য সংখ্যা শত্ৰু সৈন্য সংখ্যাৰ (১/৫) এক পঞ্চমাংশ হ'ল। যুদ্ধ আৰম্ভ হ'ল। আল্লাহৰ সাহাৰ্য্য আৰু সহযোগিতাত কিছু সময়ৰ ভিতৰতেই ছয় শ পঞ্চাশ জন মুছলিম সৈন্যৰ ওচৰত মক্কাৰ তিনি হাজাৰ সুদক্ষ, অস্ত্ৰ-শস্ত্ৰৰে সু-সজ্জিত নিপুন যুঁজাৰু সকল পৰাজয় বৰণ কৰি যুদ্ধ ক্ষেত্ৰ এৰি প্ৰাণৰ ভয়ত দ্ৰুত বেগত পলাব ধৰিলে।

# বিজয় পৰাজয়ত পৰিণত হ'ল

মুছলমান সৈন্য সকলে পলায়ণকাৰী সৈন্য সকলৰ পাছে পাছে খেদি যাবলৈ ধৰিলে। যিসকলে মুছলমান সৈন্য গিৰি পথ পহৰাত নিয়োজিত আছিল; সিহঁতে তেওঁলোকৰ সেনাপতিক কলে, এতিয়া শত্ৰু পৰাজিত হৈছে, আমাকো পুণ্য অৰ্জন কৰিব দিয়া হওক। সেনাপাতি চাহাবে সিহঁতক নিষেধ কৰিলে আৰু হজৰত মহম্মদ (ছাঃ)ৰ নিৰ্দেশৰ কথা সোঁৱৰাই দিলে। কিন্তু চিপাহী সকলে কলে, হজৰত মহম্মদ (ছাঃ)য়ে যি কৈছিল; সেয়া কেৱল চিপাহীৰ মনোবল বৃদ্ধিৰ বাবেহে কৈছিল। তেখেত (ছাঃ)ৰ নিৰ্দেশৰ অৰ্থ এয়ে নাছিল যে, শত্ৰু সকল যুদ্ধ ক্ষেত্ৰ এৰি পলায়ণ কৰি থাকিব আৰু তোমালোক সকলোৱে থিয় হৈ তাক প্ৰত্যেক্ষ কৰি থাকিবা। এই কথা কৈয়েই সিহঁতে গিৰি পথ ত্যাগ কৰি যুদ্ধ ক্ষেত্ৰত দ্ৰুত প্ৰৱেশ কৰিব ধৰিলে। পলায়ণকাৰী শত্ৰু সৈন্যৰ মাজত খালেদি বিন ওলীদ আছিল। যিজন পৰৱৰ্তীকালত ইছলামৰ এজন সুদক্ষ সেনাপতি ৰূপে প্ৰসিদ্ধ লাভ কৰিছিল। খালিদ বিল ওলীদৰ দৃষ্টি সেই শূন্য গিৰি পথৰ ওপৰত পৰিছিল। তাত মাত্ৰ কেইজন মান চিপাহীয়ে সিহঁতৰ সেনাপতিৰ লগত পহৰা দি আছিল। খালিদ বিন ওলীদ কাফেৰ সকলৰ আন এজন সেনাপতি আমৰ ইবনুল আছক হুমনিয়া কাৰী কলে, অলপ পাছফালে গিৰি পথৰ ওপৰত দৃষ্টি নিক্ষেপ কৰা। আমৰ বিন আছ যেতিয়া সেই গিৰি পথৰ ওপৰত দৃষ্টি নিক্ষেপ কৰিলে, তেতিয়া বুজিব পাৰিলে যে, তেওঁ আজি তেওঁৰ জীৱনৰ আটাইতকৈ ডাঙৰ সুযোগ পাইছে। উভয় সেনাপতিয়ে পলায়ণৰ সৈন্য সকলক নিয়ন্ত্ৰণ কৰি ললে আৰু মুছলিম সৈন্য সকলৰ কাষ এৰি পাহাৰৰ সেই স্থান পৰ্য্যন্ত উপস্থিত হ'ল। যি কেইজন মুছলিম সৈন্য গিৰি পথ ৰক্ষাৰ বাবে থিয় হৈ আছিল। সিহঁতক কাটি টুকুৰা টুকুৰা কৰি পেলালে আৰু হঠাৎ পিছফালৰ পৰা আহি মুছলিম সৈন্যৰ ওপৰত আক্ৰমণ কৰিলে।সিহঁতৰ বিজয় সূচক শ্লোগান শুনি

পলায়ন কাৰী সৈন্য সকলেও আকৌ যুদ্ধ ক্ষেত্ৰত প্ৰৱেশ কৰিব ধৰিলে। এই আক্ৰমণ ইমান আকষ্মিক আছিল আৰু কাফেৰ সৈন্যবোৰৰ পাছ খেদি খেদি মুছলিম সৈন্য বিলাক ইমান দূৰ-দূৰণিলৈ ছেদেলি-ভেদেলি হৈ পৰিছিল যে, মুছলমান সৈন্য বিলাকৰ কোনেও দলবদ্ধ ভাৱে যুদ্ধ কৰাৰ অৱস্থাত নাছিল।তেওঁলোক আৰু এক গোট হ'ব নোৱাৰিলে।যুদ্ধৰ ক্ষেত্ৰত সিহঁতে ভিন ভিন স্থানত অকলসৰে যুদ্ধ কৰিব ধৰিলে। সিহঁতৰ বহুতেই শ্বহীদ হ'ল।বাকীবোৰ এই বুলি হতবিম্ব হ'ল যে, প্ৰকৃততে হ'ল কি ? বহুতে আকৌ পিছফালে দৌৰি গ'ল। মাত্ৰ কেইজনমান চাহাবী দৌৰি গৈ হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত সমবেত হ'ল।সিহঁতৰ সংখ্যা তিনি শৰো অধিন নহ'ব।( যুৰকানী  ২য় খণ্ড, পৃঃ ২৫)

যি স্থানত হজৰত মহম্মদ (ছাঃ) থিয় হৈ আছিল,সেই স্থানত কাফেৰ সকলে প্ৰচণ্ড আক্ৰমণ চলাই থাকিল। তেখেত (ছাঃ)ক ৰক্ষা কৰিবলৈ গৈ চাহাবী এজন এজনকৈ শ্বহীদ হ'ব ধৰিলে তৰোৱালদাৰী সৈন্যৰ বাহিৰে তীৰ আন্দাজী সৈন্য সকলে ওখ ওখ টিলাৰ ওপৰত থিয় হৈ হজৰত মহম্মদ (ছাঃ)ৰ ওপৰত তীৰ বৰ্ষণ কৰিব ধৰিলে।সেই সময়ত হজৰত তালহা (ৰাঃ) যিজন মক্কাৰ কুৰাইশ্ব বংশৰ আৰু মুহাজিৰ আছিল;তেখেত (ৰাঃ)য়ে লক্ষ্য কৰিছিল যে, প্ৰত্যেক তীৰ হজৰত মহম্মদ (ছাঃ)ৰ মুখমণ্ডলৰ ফালে নিক্ষেপ কৰি আছে।তেখেত (ৰাঃ) য়ে তেতিয়া তেখেত (ৰাঃ) ৰ হাত হজৰত মহম্মদ (ছাঃ)ৰ মুখমণ্ডলৰ সন্মুখত সেই কাড় প্ৰতিৰুধৰ বাবে দাঙি ধৰিছিল।কাড়ৰ পাছত কাড় ক্ৰমে আহিছিল আৰু হজৰত তালহা (ৰাঃ) য়ে সেইবোৰক হাতেৰে প্ৰতিৰুধ কৰিছিল।জীৱন ৰক্ষক আৰু অতি বিশ্বাসী সেই চাহাবী জনে নিজৰ হাত অলপো লৰচৰ কৰা নাছিল।কাড়ৰ আঘাতত হজৰত তালহা (ৰাঃ)ৰ হাতখন ঘূণীয়া হৈ গৈছিল।এখন হাত অৱশ্য ভাল হৈছিল। কেইবা বছৰ পাছত ইছলামৰ চতুৰ্থ খলিফাৰ সময়ত যেতিয়া গৃহ যুদ্ধ আৰম্ভ হৈছিল,তেতিয়া এজন শত্ৰুৱে  বিদ্ৰূপ কৰি হজৰত তালহা (ৰাঃ)ক কৈছিল, হাত কটা লেংৰা। এই কথা শুনি এজন চাহাবী আন এজনক কৈছিল, হয় লেংৰা নিশ্চয়,কিন্তু কিমান বৰকতময় আৰু কল্যাণমণ্ডিত এই লেংৰা। তুমি জানানে হজৰত মহম্মদ (ছাঃ)ৰ মুখমণ্ডল ৰক্ষা কৰিবলৈ গৈহে এই হাত লেংৰা হৈছিল ? উহুদৰ যুদ্ধৰ পাছত এজন ব্যক্তিয়ে হজৰত তালহা (ৰাঃ)ক সুধিছিল,কাড় সমূহ যেতিয়া আপোনাৰ হাতত পৰিছিল,তেতিয়া আপুনি কোনো বেদনা পোৱা নাছিলেনে ? আপুনি উহ আহ শব্দ কৰা নাছিলেনে ? প্ৰতিউত্তৰত হজৰত তালহা (ৰাঃ) য়ে কৈছিল,বেদনা নিশ্চয় অনুভৱ কৰিছিলোঁ উহ শব্দ ক'বলৈ ইচ্ছা কৰিছিলোঁ কিন্তু মই উহ শব্দ এই কাৰণে কৰা নাছিলোঁ যে, এই উহ শব্দ কৰিবলৈ গৈ মোৰ হাতখন ইফাল সিফাল হৈ পৰিব যাৰ ফলত কাড় সমূহ আহি হজৰত মহম্মদ (ছাঃ)ৰ মুখমণ্ডলত আহি লাগিলেহেঁতেন।

ইমান বৃহৎ সৈন্য বাহিনীৰ বিৰুদ্ধে এই কেইজন মানুহে কিমান সময় যুঁজিব পাৰে। কাফেৰ সকলৰ সৈন্য বাহিনীৰ এটা দল আগবাঢ়ি আহিল আৰু মহম্মদ (ছাঃ)ৰ চাৰিওফালে সৈন্যবিলাকক আক্ৰমণ কৰি পিছুৱাই দিলে হজৰত মহম্মদ (ছাঃ) য়ে তাত অকলে পাহাৰৰ দৰে থিয় হৈ থাকিল।প্ৰচণ্ড বেগত নিক্ষেপ কৰা এটি শিল আহি তেখেত (ছাঃ) ৰ কপালত পৰিল আৰু এটা গভীৰ জখম সৃষ্টি হ'ল। হেলমেটৰ কাইট তেখেত (ছাঃ)মূৰত বিদ্ধ হ'ল।হজৰত মহম্মদ (ছাঃ) অজ্ঞান হৈ সেই সমূহ চাহাবাৰ লাশৰ ওপৰত পৰিল; যি সকল তেখেত (ছাঃ)ৰ ওচৰত থাকি যুদ্ধ কৰি কৰি শ্বহীদ হৈছিল। (ইবনে হিশাম: ২য় খণ্ড পৃঃ৭৪)ইয়াৰ পিছত আৰু কিছু সংখ্যক চাহাবী (ৰাঃ) হজৰত ৰছুলে কৰিম (ছাঃ)ৰ দেহ ৰক্ষা কৰিবলৈ গৈ তাতেই শ্বহীদ হ'ল।কাফেৰ সকলে তেখেত (ছাঃ)ক সেইবোৰ লাশৰ তলত পৰি থকা দেখি ভাবিলে যে, তেখেত (ছাঃ) অৱশ্যই মৰিছে।সেই বাবে মক্কাৰ সৈন্য বাহিনীয়ে নিজৰ নিজৰ বাহিনীৰ শাৰী ঠিক কৰাৰ বাবে পিছুৱাই গ'ল।যিসকল চাহাবা হজৰত মহম্মদ (ছাঃ) ৰ চাৰিওালে থিয় হৈ আছিল আৰু যি সকলক কাফেৰ সকলে আক্ৰমণ কৰি পিছুৱাই দিছিল;তাৰ মাজত হজৰত ওমৰ (ৰাঃ) ও আছিল। যেতিয়া তেখেত (ৰাঃ) দেখিলে যে, যুদ্ধ ক্ষেত্ৰ খালি হৈছে আৰু কোনোৰেই পথাৰত নাই;তেতিয়া তেখেত (ৰাঃ)ৰ দৃঢ় বিশ্বাস হ'ল যে,হজৰত মহম্মদ (ছাঃ) শ্বহীদ হৈছে।তেখেত (ৰাঃ) সেই ব্যক্তি যি পৰৱৰ্তী কালত একে সময়ত ৰোম আৰু পাৰস্য সম্ৰাটৰ বিৰুদ্ধে বীৰত্বৰ সৈতে যুদ্ধ কৰিছিলি। যাৰ হৃদয় কেতিয়াও হতাশগ্ৰস্ত আৰু ভীতিগ্ৰস্ত হোৱা নাছিল। তেখেত (ৰাঃ) য়ে এই সময়ত এটা নিৰ্জীৱ শিলৰ ওপৰত বহি শিশু সকলৰ ন্যায় কান্দিব ধৰিলে।

এই সময়ত হজৰত মালেক (ৰাঃ) নামৰ এজন চাহাবী যিজনে ইছলামী সেনা বাহিনীৰ বিজয়ৰ পিছত পিছফালে গৈছিল।কাৰণ সমগ্ৰ ৰাতি একো খাবলৈ নাপাই তেখেত (ৰাঃ) য়ে ভোকাতুৰ হৈ পৰিছিল।সেয়ে কিছু খেজুৰ সংগ্ৰহ কৰিবলৈ গৈছিল।যাতে খেজুৰ খাই ভোক আঁতৰাব পাৰে তেখেত (ৰাঃ) য়ে বিজয়ৰ উল্লাসত হালি-জালি আহি হজৰত ওমৰ (ৰাঃ)ৰ ওচৰত উপস্থিত হৈছিল।হজৰত ওমৰ (ৰাঃ)ক সুধিলে, ওমৰ আপোনাৰ কি হৈছে ? ইছলামৰ বিজয়ত আপোনাৰ আনন্দিত হোৱা উচিত।প্ৰতি উত্তৰত হজৰত ওমৰ (ৰাঃ)য়ে কলে, হ'ব পাৰে হ'ব পাৰে তুমি হয়তো ইছলামৰ বিজয়ৰ পাছত পিছলৈ গুচি গৈছিলা কিন্তু নাজানা যে, কাফেৰ সকলৰ সেনা বাহিনীয়ে পাহাৰৰ ওচৰেদি ঘূৰি আহি ইছলামী সৈন্যক হঠাৎ আক্ৰমণ কৰে আৰু মুছলিম সেনা বাহিনী যিহেতু ইতিমধ্যে বিভিন্ন স্থানত সিঁচৰিত হৈ পৰিছিল;সেই কাৰণে কাফেৰ সেনা

বাহিনীক ৰুধ কৰিব পৰা নাই। হজৰত মহম্মদ (ছাঃ)কিছু সংখ্যক চিপাহী লৈ সিহঁতৰ বিৰুদ্ধে যুদ্ধ কৰি কৰি শ্বহীদ হৈছে। হজৰত মালেক (ৰাঃ)য়ে কলে,এই কথা যদি সঁচা হয় তেনেহলে ইয়াত বহি ক্ৰন্দন কৰি আছে কিহৰ বাবে ?আমাৰ প্ৰিয়তম যি জগতত গৈছে আমিও সেই জগতত গুচি যোৱা উচিত। এই কথা কৈ তেখেত (ৰাঃ) য়ে তেওঁৰ মুখত  দিবলৈ বিচৰা শেষ খেজুৰটিও মাটিত পেলাই দি কলে, হে খেজুৰ! মালেক আৰু জান্নাতৰ মাজত  তুমি অবিহনে আৰু কোনো বাধা আছেনে ? ইয়াকে কৈ তেখেত (ৰাঃ) য়ে হাতত তৰোৱাল লৈ শত্ৰু সৈন্যবিলাকৰ মাজত সোমাই পৰিল। প্ৰায় তিনি হাজাৰ সৈন্যৰ বিৰুদ্ধে এজন মাত্ৰ ব্যক্তিয়ে কি কৰিব পাৰে। তথাপি এক আল্লাহৰ এবাদত কাৰীৰ আত্মা বহু লোকতকৈ অধিক হৈ থাকে।  হজৰত মালেক (ৰাঃ) এনে ভয়ানক ভাবে যুদ্ধ কৰিব ধৰিলে যে, শত্ৰু সকলে প্ৰথমে ভয়ত আতংকিত হৈ পৰিল। কিন্তু অৱশেষত তেখেত (ৰাঃ) আহত হৈ পৰি গ'ল। মাটিত পৰি গৈয়ো তেখেত (ৰাঃ)য়ে শত্ৰু সৈন্য সকলৰ সৈতে যুদ্ধ কৰিয়েই থাকিল। মক্কাৰ কাফেৰ সকলে উপায় নাপাই সমবেত ভাৱে তেখেত (ৰাঃ)ৰ ওপৰত আক্ৰমণ চলালে। সিহঁতে হজৰত মালেক (ৰাঃ)ক ইমান সংখ্যক আঘাত কৰিলে যে, যুদ্ধৰ পাছত তেখেত (ৰাঃ)ৰ মৃত দেহৰ (শ'ব দেহ) ৭০ টুকুৰা পোৱা গৈছিল। তেখেত (ৰাঃ)ৰ শ'ব দেহৰ চিনাক্ত কৰিব পৰা নাছিল; কেৱল এটি আঙুলি দেখি তেখেত (ৰাঃ)ৰ ভনীয়ে তেখেত (ৰাঃ)ক চিনিব পাৰি আৰু কলে, এয়ে মোৰ ভাইৰ শ'ব দেহ (লাশ)। যি সকল চাহাবা (ৰাঃ)য়ে হজৰত মহম্মদ (ছাঃ)ৰ চৌপাশত শাৰী পাতি থিয় হৈ আছিল আৰু পাছত কাফেৰ সকলৰ তীব্ৰ আক্ৰমণত পিছুৱাবলৈ বাধ্য হৈছিল, সিহঁতে যেতিয়া দেখিবলৈ পালে যে, কাফেৰ সেনাবহিনী গুচি গৈছে; তেতিয়া আকৌ হজৰত মহম্মদ (ছাঃ)ৰ ওচৰলৈ উভতি আহিল। সিহঁতে তেখেত (ছাঃ)ৰ পৱিত্ৰ দেহ উপৰলৈ লৈ আহিল।এজন চাহাবী হজৰত উবাইদা বিন আছ জাবা (ৰাঃ) য়ে নিজৰ দাঁতৰে কামুৰি ধৰি তেখেত (ছাঃ)ৰ মূৰত সোমাই পৰা খিল খুব জোৰেৰে টানি তুলিলে।ফলত তেখেত (ৰাঃ) ৰ দুটা দাঁত ভাঙি যায়।কিছু সময়ৰ ভিতৰতেই হজৰত মহম্মদ (ছাঃ) ৰ জ্ঞান ঘুৰি আহে। চাহাবা (ৰাঃ)সকলে যুদ্ধ ক্ষেত্ৰত চাৰিওফালে মানুহ প্ৰেৰণ কৰিলে যাতে মুছলমান সকলে দ্ৰুত এক গোট হয়।ইফালে সিফালে সিঁচৰিত হৈ পৰা সৈন্য সকলে পুনৰ সন্মিলিত হ'ব ধৰিলে। হজৰত মহম্মদ (ছাঃ) য়ে সিহঁতক লগত লৈ পাহাৰৰ এফালে গুচি গ'ল। যেতিয়া পাহাৰৰ সীমাত মুছলিম সৈন্যবোৰে একেলগে থিয় হৈছিল; তেতিয়া আবু ছুফিয়ান উচ্চস্বৰে হুমনীয়া কাৰী কলে, আমি মহম্মদক হত্যা কৰিছোঁ।

হজৰত মহম্মদ (ছাঃ)য়ে আবু ছুফিয়ানৰ সেই কথাৰ কোনো উত্তৰ নিদিলে। কাৰণ শত্ৰু সকলে সিহঁতৰ অৱস্থান জানিব পাৰি পুনৰ আক্ৰমণ কৰিব পাৰে। জখম হোৱা

মুছলমান সকল আকৌ শত্ৰুৰ আক্ৰমণৰ চিকাৰত পৰিণত হ'ব পাৰে।ইছলামী সৈন্য সকলৰ ফালৰ পৰা কোনো উত্তৰ নোপোৱাত আবু ছুফিয়ানৰ নিশ্চিত বিশ্বাস হ'ল যে,তেওঁৰ নিজৰ ধাৰণাই সঠিক আৰু তেওঁ যেতিয়া উচ্চস্বৰে চিঞৰী চিঞৰী কলে,আমি হজৰত আবু বক্কৰকো হত্যা কৰিছোঁ। হজৰত মহম্মদ (ছাঃ) য়ে হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ক কোনো উত্তৰ দিবলৈ নিষেধ কৰিলে।আকৌ আবু ছুফিয়ান চিঞৰী কলে, আমি হজৰত ওমৰ ফাৰুক (ৰাঃ)কো হত্যা কৰিছোঁ। হজৰত ওমৰ ফাৰুক (ৰাঃ) বৰ তেজস্বী মানুহ আছিল। তেখেত (ৰাঃ) য়ে ইয়াৰ প্ৰতিউত্তৰ দিবলৈ ইচ্ছা কৰিলে যে, আমি সকলোৱে আল্লাহৰ কৃপাত জীয়াই আছোঁ আৰু তোমালোকৰ মুখামুখী কৰাৰ বাবে প্ৰস্তুত আছোঁ।কিন্তু হজৰত মহম্মদ (ছাঃ)য়ে তেওঁক নিষেধ কৰি কলে,এই সময়ত মুছলমান সকলক বিপদৰ মাজত লৈ পেলাবা বৰং মনে মনে থাকা।এইবাৰ কাফেৰ সকলৰ দৃঢ় বিশ্বাস উপজিল যে, ইছলামৰ প্ৰৱৰ্তক আৰু তেওঁৰ সৈতে তেওঁৰ সোঁ হাত আৰু বাওঁ হাত উভয়কে সিহঁতে হত্যা কৰিব পাৰিছে।এই ভাৱি আবু ছুফিয়ান আৰু তেওঁৰ সঙ্গী সকল উল্লাসিত হৈ উঠিল আৰু সিহঁতৰ জাতীয় শ্লোগান দিব ধৰিলে। أُعْلُ هُبَل أُعْلُ هُبَل আমাৰ সন্মানিত দেৱতা হুবলৰ মৰ্যদা উচ্চ হওক।সি আজি ইছলামক নি:শেষ কৰি দিছে।

হজৰত মহম্মদ (ছাঃ)য়ে হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ) হজৰত ওমৰ (ৰাঃ) আনকি নিজৰ মৃত্যু ঘোষণাত নিৰৱ থাকিবলৈ কৈছিল,যাতে আহত মুছলমান সকলৰ ওপৰত হঠাৎ কাফেৰ সকলে আক্ৰমণ কৰিব নোৱাৰে আৰু অসুস্থ মুছলমান শ্বহীদ নহয়।কিন্তু এতিয়া যিহেতু এক আল্লাহৰ সন্মানৰ পৰ্যদাৰ প্ৰশ্ন উঠিল, যুদ্ধ ক্ষেত্ৰত যিহেতু চিঞৰী শ্লোগান দিয়া হ'ল।সেই বাবে তেখেত (ছাঃ) ৰ আত্মা বিচলিত হৈ উঠিল।তেখেত (ছাঃ) য়ে অতি উত্তেজনাত চাহাবা সকলৰ পিনে মুখ কৰি কলে,তোমালোকে উত্তৰ দিয়া নাই কিয় ?চাহাবা সকলে কলে, হে ৰছুলুল্লাহ! কি উত্তৰ দিম ?তেখেত (ছাঃ)য়ে কলে,

اَللّٰهُ اَعْلٰى وَاَجَلُّ اَللّٰهُ اَعْلٰى وَاَجَلُّ

অৰ্থাৎ তোমালোকে মিচা কৈছা যে,হুবলৰ মৰ্যদা উচ্চ হৈছে। অথচ যি আল্লাহ এক আৰু অংশীদাৰ বিহীন তাৰ মৰ্যদাহে সৰ্বোচ্চ। এইদৰে তেখেত (ছাঃ)য়ে শত্ৰু সকলক জনাই দিলে যে,তেওঁলোক সকলোৱে জীয়াই আছে।এই বলিষ্ঠ উত্তৰত শত্ৰু সকলৰ ওপৰত এনে প্ৰভাৱ বিস্তাৰ লাভ কৰিলে যে,সিহঁতৰ সকলো আশা ভৰসা নি:শেষ হৈ গ'ল।ফলত সিহঁতৰ সন্মুখত আহত জখমী মুছলমান সকলক থিয় হৈ থকা যি সকলক সিহঁতে অতি সহজে হত্যা কৰিব পাৰিলেহেঁতেন; তেওঁলোকক জানিও পুনৰ আক্ৰমণ কৰাৰ সাহস

নাপালে। সিহঁতৰ ভাগ্যত যিমানখিনি বিজয় নিৰ্দ্ধাৰিত আছিল;তাতেই সন্তোষ্ট থাকি মক্কাৰ পথত উভতি যাব ধৰিলে।

উহুদৰ যুদ্ধত স্পষ্ট বিজয় লাভৰ পাছতো বিপৰ্যয় ঘটিছিল। কিন্তু প্ৰকৃততে এই যুদ্ধত হজৰত মহম্মদ (ছাঃ) ৰ সত্যতাৰ এক ডাঙৰ নিদৰ্শন আছিল। এই যুদ্ধত হজৰত মহম্মদ (ছাঃ)ৰ ভৱিষ্যতবাণী অনুসৰি প্ৰথমে মুছলমান সকলে বিজয় লাভ কৰে,তেখেত (ছাঃ)ৰ প্ৰিয় খুৰাদেউ হজৰত হামজা নিহত হয়। আকৌ হজৰত মহম্মদ (ছাঃ)ৰ ভৱিষ্যতবানী অনুসৰি তেখেত (ছাঃ) নিজে আহত হয় আৰু কিছু সংখ্যক চাহাবীও শ্বহীদ হয়।এই বিলাক ঘটনাৰ বাহিৰেও মুছলমান সকলৰ সত্যনিষ্ঠা আৰু ঈমানৰ এনে বহি:প্ৰকাশ ঘটিছিল। যাৰ দৃষ্টান্ত ইতিহাসত নাই।এই সত্যনিষ্ঠা আৰু ঈমানৰ কিছু কিছু ঘটনাৰ কথাতো ইতিপূৰ্বে বৰ্ণনা কৰা হৈছে। ইয়াত আৰু এটা ঘটনা উল্লেখ কৰাৰ প্ৰয়োজন যাৰ পৰা স্পষ্ট বুজা যায় যে,হজৰত মহম্মদ (ছাঃ)ৰ সংস্পৰ্শত চাহাবা সকলৰ কিছু সংখ্যক চাহাবা সকলক লগত লৈ তেখেত (ছাঃ) য়ে পাহাৰৰ প্ৰান্ত দিশত গৈছিল আৰু শত্ৰু সকলেও পিছৰ পৰা আঁতৰি গৈছিল; তেতিয়া তেখেত (ছাঃ) য়ে কোনো কোনো চাহাবাক এই আদেশ দিছিল যে,তেওঁলোকে যেন যুদ্ধ ক্ষেত্ৰলৈ যায় আৰু আহত সৈন্যসকলৰ অনুসন্ধান কৰে।এজন চাহাবীয়ে যুদ্ধ ক্ষেত্ৰত সন্ধান কৰোঁতে কৰোঁতে এজন আহত আনছাৰীৰ ওচৰ পায় আৰু দেখা পায় যে,তাৰ অৱস্থা অতি সংকটজনক আৰু জীৱনৰ শেষ বিশ্বাস পাইছেগৈ।এই চাহাবী জনে সেই চাহাবা জনৰ ওচৰত গৈ (যিজনে জীৱনৰ শেষ নি:শ্বাস পাইছেগৈ) আচ্ছালামু আলাইকুম কলে,তেওঁ কপি কপি চাহাবা জনৰ হাতত ধৰি কলে,মই কোনোবাৰ অহাৰ অপেক্ষাত বাট চাই আছিলোঁ । অনুসন্ধান কাৰী চাহাবী জনে কলে,আপোনাৰ অৱস্থা ভাল বুলি ধাৰণা হোৱা নাই।আপোনাৰ আত্মীয়-স্বজনক ক'বলগীয়া কোনো কথা আছেনে ? সেই ব্যক্তি জনে কলে,হয় মোৰ ফালৰ পৰা মোৰ আত্মীয়-স্বজনক ছালাম দিবা আৰু কলে যে,মই মৰিব ধৰিছোঁ কিন্তু তোমালোকৰ ওচৰত মই আল্লাহ তায়লাৰ এক পৱিত্ৰ আমানত হজৰত মহম্মদ (ছাঃ)ক ৰাখি গৈ আছো।হে মোৰ প্ৰিয় ভাই সকল আৰু মোৰ প্ৰিয় আত্মীয়-স্বজন সকল! তেখেত (ছাঃ) আল্লাহৰ সত্য ৰছুল। মই এই আশা কৰো যে,তেখেত (ছাঃ)ৰ সুৰক্ষাৰ বাবে তোমালোকে নিজৰ নিজৰ প্ৰাণ বিসৰ্জন দিবলৈ কুণ্ঠাবোধ নকৰিবা।আৰু তোমালোকে মোৰ এই অচিয়ত মৰণ ইচ্ছা স্মৰণ ৰাখিবা।মৃত্যুৰ সময়ত নিজৰ আত্মীয়-স্বজনক ক'বলৈ হাজাৰ কথা আহে।কিন্তু এই সকল লোক হজৰত মহম্মদ (ছাঃ)ৰ প্ৰেমত ইমান বেছি আত্মবিলীন আছিল যে,মৃত্যুৰ সময়তো নিজৰ সন্তান-সন্ততি বিধৱা স্ত্ৰী আৰু ধন-সম্পত্তি একো কথা মনত কৰা নাছিল।মৃত্যুৰ সময়ত তেখেতৰ মাত্ৰ এজন ব্যক্তিৰ কথাই মনত হৈছিল

সেইজন হ'ল হজৰত মহম্মদ (ছাঃ)।কাৰণ সিহঁতে জানিছিল যে,পৃথিৱীৰ মুক্তি এক মাত্ৰ এই মহান ব্যক্তিৰ হাতত ন্যস্ত।আপোনালোকৰ মৃত্যুৰ পিছত যদি আমাৰ সন্তান - সন্ততি সকলে জীৱিত থাকে তেন্তে হয়তো সিহঁতে এই মহৎ কাৰ্য্য কৰিব নোৱাৰিব। কিন্তু সিহঁতে যদি এই পৰিত্ৰাণ কৰ্তাৰ সুৰক্ষাৰ ক্ষেত্ৰত প্ৰাণ বিসৰ্জন দিয়ে,তেন্তে সম্ভৱত আমাৰ বংশ লোপ পাব।কিন্তু পাৰ্থিৱ জীৱন লাভ কৰিব।চয়তানৰ জালত পৰা মানুহবিলাকে পুনৰ মুক্তি লাভ কৰিব। আমাৰ বংশধৰ সকলৰ জীৱনতকৈ অধিক মূল্যবান জীৱনৰ অধিকাৰী আদম সন্তান সকলেও পৰিত্ৰাণ পাব।

যিয়েই নহওক হজৰত মহম্মদ (ছাঃ)য়ে বহুতো শ্বহীদ আৰু আহত ব্যক্তিক একেলগে জমা কৰিলে।জখম প্ৰাপ্ত সকলক সেৱা শ্ৰদ্ধা কৰালে আৰু শ্বহীদ সকলক দফনৰ বন্দোৱস্ত কৰিলে;এই সময়ত তেখেত (ছাঃ)য়ে জানিব পাৰিলে যে,জালেম কাফেৰ সকলে বহুতো শ্বহীদৰ নাক,কাণ কাটি পেলাইছে।যি সকলৰ নাক কাণ কটা হৈছিল,সিহঁতৰ মাজত দেখা গ'ল হজৰত মহম্মদ (ছাঃ)ৰ খুৰাদেউ হজৰত হামজা (ৰাঃ)ও আছিল।এই দৃশ্য প্ৰত্যক্ষ কৰি তেখেত (ছাঃ)য়ে বৰকৈ শোকগ্ৰস্ত হৈ পৰিছিল। তেখেত (ছাঃ) য়ে কলে, কাফেৰ সকলে সিহঁতে নিজৰ এই অন্যায় কাৰ্য্যৰ বাবে সিহঁতৰ বিৰুদ্ধে প্ৰতিশোধ গ্ৰহণ কৰা বৈধ কৰি দিলে যাক আমি অবৈধ বুলি ভাৱিছিলোঁ। কিন্তু খোদা তায়লাৰ পৰা সেই সময়ত ঐশী বাণী অৱতীৰ্ণ হ'ল যে, কাফেৰ সকলে যি কৰিছে সিহঁতক কৰিব দিয়া।তুমি ৰহম আৰু ইনচাফৰ (ন্যায়ৰ) আচল কেতিয়াও এৰি নিদিবা।

## উহুদৰ পৰা প্ৰত্যাৱৰ্তন আৰু মদিনাবাসী সকলৰ আত্ম বিলীনতা

ইছলামী সেনা বাহিনী মদিনালৈ যাত্ৰা কৰিলে।কিন্তু ইতিমধ্যে মুছলিম সেনা বাহিনীৰ পৰাজয় আৰু হজৰত মহম্মদ (ছাঃ) ৰ শ্বাহাদতৰ উৰা বাতৰি মদিনাত বিয়পি পৰিল।সংবাদ পাই মদিনাৰ যুৱক-যুৱতী মুনি তিৰোতা সকলোৱে পাগলৰ নিচিনা উহুদৰ যুদ্ধ ক্ষেত্ৰলৈ যাব ধৰিলে। সিহঁতৰ অধিক সংখ্যক লোক বাটতেই সঠিক সংবাদ পাই ৰৈ গ'ল।বনু দীনাৰ কবিলাৰ এজনী মহিলা বলিয়াৰ নিচিনা গৈ গৈ উহুদৰ যুদ্ধ ক্ষেত্ৰলৈ উপস্থিত হ'ল।তাই পাগলীৰ নিচিনা যুদ্ধ ক্ষেত্ৰলৈ দৌৰিছিল। তাইৰ স্বামী পিতা ভাই সেই উহুদৰ যুদ্ধত নিহত হৈছিল। কোনো কোনো বৰ্ণনা মতে সেই মহিলাজনীৰ এজন ল'ৰাও নিহত হৈছিল। তাইক তাইৰ দেউতাকৰ মৃত্যুৰ সংবাদ দিয়া হ'ল।তেতিয়া তাই কলে,হজৰত মহম্মদ (ছাঃ)ৰ সংবাদ কি ? সংবাদদাতা যিহেতু জানিছিল যে,হজৰত

মহম্মদ (ছাঃ) জীৱিত আছে। গতিকে সি পুনৰ ঘূৰি মহিলা জনীৰ ভাই স্বামী আৰু পুতেকৰ মৃত্যুৰ সংবাদ দিছিল। কিন্তু মহিলা গৰাকীয়ে পুনৰ ঘূৰি এই কথাকেই কৈছিল مَا فَعَلَ رَسُوْلُ اللهِ صَلَّى اللهُ عَلَيْهِ وَسَلَّمَ অৰ্থঃৰছুলুল্লাহ (ছাঃ) এয়া আপুনি কি কৰিলে ? বাহ্যিক ভাৱে এই কথাটি ভ্ৰমাত্মক বুলি ধাৰণা হয়। এই কাৰণে ঐতিহাসিক সকলে লিখিছে যে, কথাটিৰ অৰ্থ ৰছুলে কৰিম (ছাঃ) ৰ অৱস্থা কেনেকুৱা আছিল ? কিন্তু প্ৰকৃতাৰ্থে কথাটি ভ্ৰমাত্মক নাছিল। মহিলাসকলৰ বচন ভঙ্গী অনুসাৰে ই সম্পূৰ্ণ ঠিক আছিল।মহিলাসকলৰ ভাৱাবেগ বেছি আৰু কোনো কোনো সময়ত সিহঁতে মৃত ব্যক্তিক ধৰি লৈ তাক সম্বোধন কৰি কথা কয়, উদাহৰণ স্বৰূপ বহুত মহিলা নিজৰ পুত্ৰৰ মৃত্যু হলে তাৰ শৱ দেহক সম্বোধন কৰি কয়, মোক এৰি গলা।এই বুঢ়া বয়সত কিয় মোৰ পৰা মুখ ঘূৰাই নিলা। এয়া শোকাভিভূত মানুহৰ প্ৰকৃতিৰ এটা সূক্ষ্ম প্ৰকাশ মাথোন। সেই বাবে ৰছুলে কৰিম (ছাঃ)ৰ শ্বহীদৰ সংবাদ শুনি সেই মহিলা গৰাকীৰ অৱস্থাও তদ্ৰূপ হৈছিল। কোনো কাৰণেই তেখেত (ছাঃ)ক মৃত ভাৱিব নোৱাৰিছিল। আনকি সত্যতাও সঠিক নিৰ্ণয় কৰিব নোৱাৰিছিল।এই কাৰণেই শোকাৰ্ত অৰ্থে সেই উক্তি কৰিছিল যে, হে আল্লাহৰ ৰছুল আপুনি এয়া কৰি কৰিলে ? অৰ্থাৎ এনে বিশ্বস্ত আৰু দয়ালু ব্যক্তিয়ে আমাক ইমান ডাঙৰ দুঃখ কেনেকৈ দিলে ? যেতিয়া মানুহে প্ৰত্যক্ষ কৰিলে যে, এই মহিলা গৰাকীৰ নিজৰ ভাতৃ, পিতৃ আনকি পুতেকৰ ভ্ৰূক্ষেপ নাই ,তেতিয়া সিহঁতে তাইৰ প্ৰকৃতি অনুভূতি বুজিব পাৰিলে যে আৰু তাক কলে,অমুকৰ মা! তুমি যেনে বিচৰা আল্লাহৰ কৃপাত হজৰত মহম্মদ (ছাঃ) ভালেই আছে। প্ৰতিউত্তৰত মহিলা গৰাকীয়ে কলে, তেখেত (ছাঃ) ক'ত আছে দেখুৱাই দিয়া।মানুহে কলে, সন্মুখত আগুৱাই যোৱা পাবা নিশ্চয় তেখেত (ছাঃ)তাত থিয় হৈ আছে। মহিলা গৰাকীয়ে এক দৌৰত ৰছুলে কৰিম (ছাঃ)ৰ ওচৰ পালে আৰু তেখেত (ছাঃ)ৰ ককাল ধৰি কলে,হে আল্লাহৰ ৰছুল! মোৰ পিতৃ-মাতৃ আপোনাৰ বাবে (কুৰবান) উৎসৰ্গীত , আপুনি যেতিয়া সম্পূৰ্ণ কুশলে আছে তেতিয়া মই আন কাৰো বাবে চিন্তা নকৰো।(ছিৰাতুল হালবিয়া ২য় খণ্ড,পৃঃ ২৬৫) এয়ে সেই ঈমানৰ দৃষ্টান্ত যাক পুৰুষ সকলে যুদ্ধ ক্ষেত্ৰত দেখুৱাইছিল আৰু সেই আন্তৰিকতা যাক মহিলা সকলে দেখুৱাইছিল যাৰ কিছু উদাহৰণ মই ইয়াত তুলি ধৰিছোঁ। খ্ৰীষ্টান জগত মৰিয়ম মগদীলিনৰ আৰু তাইৰ লগৰীয়া সকলৰ সেই বাহাদুৰীত উল্লাস প্ৰকাশ কৰে যে,তেওঁলোকে অতি দোক-মোকালিতে শত্ৰু সকলে নেদেখাকৈ হজৰত মছীহ (আঃ)ৰ কবৰৰ ওচৰত গৈছিল। মই তেওঁলোকক ক'ব বিচাৰো যে, আহা আৰু আমাৰ প্ৰিয়তম(ছাঃ)ৰ একনিষ্ঠ আৰু আত্ম-বলিদান দিয়া অনুসাৰী সকলক প্ৰত্যক্ষ কৰা কেনে অৱস্থাৰ মাজত তেওঁলোকে তেখেত (ছাঃ)ৰ সৈতে আছিল।আৰু কি অৱস্থাত তেওঁলোকে তৌহিদৰ পতাকা উত্তলিত ৰাখিছিল।

এই ধৰণৰ আত্ম উৎসৰ্গৰ আন এক দৃষ্টান্তৰ উল্লেখ ইতিহাসত আছে। যেতিয়া হজৰত ৰছুলে কৰিম (ছাঃ)য়ে শ্বহীদ সকলৰ দফনৰ কাৰ্য সম্পন্ন কৰি মদিনাত উভতি আহিছিল;তেতিয়া আকৌ মহিলা সকল আৰু ল'ৰা-ছোৱালীহঁতে হজৰত মহম্মদ (ছাঃ)ক স্বাগতম জনাবলৈ চহৰৰ বাহিৰত আহিল।হজৰত মহম্মদ (ছাঃ) উটৰ লগাম ধৰি মদিনাৰ এজন চৰদাৰ ছায়েদ বিন মোয়াজ আহি আছিল। তেওঁ যেন পৃথিৱী বাসীক এই কথা কৈছে, চোৱা আমি হজৰত মহম্মদ (ছাঃ)ক ছহী ছালামত ঘৰলৈ লৈ আহিছোঁ।চহৰৰ ওচৰাওচৰি সকলে অহাত তেওঁৰ বুঢ়ি মা যাৰ দৃষ্টি শক্তি লোপ পাইছিল; তাইয়ো আহি সিহঁতৰ সৈতে মিলিত হ'ল। উহুদৰ যুদ্ধত তাইৰ এজন পুতেক ওমৰ বিন মোয়াজ শ্বহীদ হৈছিল।তাইক দেখি ছাইদ বিন মোয়াজ কলে, হে আল্লাহৰ ৰছুল! মোৰ মা আহি আছে। হজৰত মহম্মদ (ছাঃ)য়ে কলে,বহুত বৰকত আৰু কল্যাণৰ সৈতে আহি আছে। বুঢ়ি জনীয়ে আগবাঢ়ি আহিল আৰু হজৰত মহম্মদ (ছাঃ)ক চোৱাৰ বাবে তাই দুৰ্বল দৃষ্টিৰে ইফালে সিফালে চাব ধৰিলে। অৱশেষত হজৰত মহম্মদ (ছাঃ)ৰ শৰীৰৰ ওপৰত তাইৰ দৃষ্টি পৰিল আৰু আনন্দত উল্লাসিত হৈ উঠিল। হজৰত মহম্মদ (ছাঃ)য়ে কলে,মা মণি! তোমাৰ পুত্ৰ শ্বহীদ হোৱাত মই বৰ দুঃখ পাইছোঁ। মই মোৰ সমবেদনা জ্ঞাপন কৰিছোঁ। এই কথা শ্ৰৱণ কৰি সেই পুণ্যৱতী মহিলা গৰাকীয়ে কলে, হুজুৰ ! মই যেতিয়া আপোনাক ভাল অৱস্থাত দেখিছোঁ তেতিয়াই মই মোৰ সকলো দুঃখ কষ্ট আৰু বেদনাক একে লগে পাণ কৰি পেলাইছোঁ। কি সুন্দৰ বচন ভঙ্গী। প্ৰেমৰ কি গভীৰ অনুভূতি। চিন্তা-ভাৱনাই মানুহক ধ্বংস কৰে। অথচ তাই কিমান উদ্দীপনাৰ সৈতে কৈছে যে,পুতেকৰ চিন্তাত মোক খাই পেলাবনে ? যেতিয়ালৈকে হজৰত মহম্মদ (ছাঃ) জীৱিত আছে তেতিয়ালৈকে মই মোৰ সকলোবোৰ চিন্তাক গিলি খাই পেলাম।মোৰ পুত্ৰৰ মৃত্যুয়ে মোক মাৰিব নোৱাৰিব। বৰং সি যে প্ৰাণ পুৰুষ হজৰত মহম্মদ (ছাঃ)ৰ বাবে প্ৰাণ বিসৰ্জন দিব পাৰিছে, সেয়া মোৰ শক্তি বৃদ্ধিৰ কাৰণ হ'ব।হে আনছাৰ! মোৰ জীৱন তোমালোকৰ বাবে কুৰবানী হওক।কিমান যে মহান পুৰস্কাৰ তোমালোকে পাবলৈ সক্ষম হৈছা।

যিকেই নহওক হজৰত মহম্মদ (ছাঃ) য়ে কুশলে মদিনাত উপস্থিত হ'ল।যদিও সেই যুদ্ধত বহু মুছলমান শ্বহীদ হৈছিল আৰু বহুতেই আহত হৈছিল।তথাপি উহুদৰ যুদ্ধত পৰাজয় বুলি কোৱা সমীচিন নহ'ব। মই যিবিলাক ঘটনাৰ বিৱৰণ দি আহিছোঁ।সেইবোৰক আগত ৰাখি ক'ব পাৰো যে,এই যুদ্ধতো এটা ডাঙৰ বিজয় অৰ্জন হৈছে। ই এনে এক বিজয় যাক মনত কৰি কিয়ামত পৰ্যন্ত মুছলমান সকলে ঈমান শক্তিশালী আৰু সতেজ কৰিব পাৰিব। মদিনাত উপস্থিত হৈ হজৰত মহম্মদ (ছাঃ)য়ে পুনৰ ইছলামৰ শিক্ষা

প্ৰশিক্ষণ আৰু আত্মিক সংশোধনৰ কামত মনোনিবেশ কৰিলে। কিন্তু তেখেত (ছাঃ)য়ে সকলো কাম সহজে কৰিব পৰা নাছিল।

উহুদৰ যুদ্ধৰ পাছত ইহুদী সকলৰ মাজত বেছিকৈ উৎসাহ সৃষ্টি হ'ল আৰু কপটাচাৰী সকলেও পুনৰ মূৰ দাঙিবলৈ আৰম্ভ কৰিলে।তেওঁলোকে ভাৱিলে ইছলামক লৌকিক শক্তিৰ দ্বাৰা ধ্বংস সম্ভৱ। গতিকে ইহুদী সকলে মাজে সময়ে হজৰত মহম্মদ (ছাঃ)ক কষ্ট দিয়া আৰম্ভ কৰিলে।তেওঁলোকে অশ্লীল কবিতা ৰচনা কৰি তেখেতে (ছাঃ) আৰু তেখেতৰ পৰিয়ালক অৱমাননা কৰিব ধৰিলে। এটি কাজিয়াৰ মীমাংসা কৰাৰ বাবে আগ্ৰহৰে হজৰত মহম্মদ (ছাঃ)য়ে ইহুদী সকলৰ দুৰ্গত গ'ল। ইহুদী সকলে সিদ্ধান্ত ললে যে,তেখেত (ছাঃ)য়ে যি স্থানত বহিব সেই স্থানত ওপৰৰ পৰা এটি শিল পেলাই তেখেত (ছাঃ)ক হত্যা কৰা হ'ব।কিন্তু আল্লাহ্ পাক বিষয়টো যথা সময়ত হজৰত মহম্মদ (ছাঃ)ক অৱগত কৰিলে,আৰু তেখেত (ছাঃ)য়ে কাকো একো নকৈ তাৰ পৰা গুচি আহিল।পাছত ইহুদী সকলে তেওঁলোকৰ এই অপৰাধৰ কথা স্বীকাৰ কৰিছিল। মুছলমান মহিলা সকলে বজাৰলৈ গলে সিহঁতক অপমান কৰা হৈছিল।এদিনাখন এনে ঘটনাত এজনী মুছলমানৰ মৃত্যু হয়। এদিন এজনী মুছলমান মহিলাৰ মূৰত শিল বৰ্ষণ কৰি কৰি ক্ষত বিক্ষত কৰা হয়। ফলত মহিলাজনীৰ ঘটনাস্থলীত মৃত্যু হয়।এইবোৰ জগন্যৰ কাৰণে মুছলমান সকলে ইহুদীসকলৰ বিৰুদ্ধে যুদ্ধ কৰিব লগা হৈছিল। কিন্তু আৰব আৰু ইহুদী সকলৰ প্ৰথা অনুসৰি তেওঁলোকক মুছলমান সকলে হত্যা কৰা নাছিল। বৰঞ্চ কেৱল মদিনাৰ পৰা গুচি যোৱাৰ চৰ্তত সিহঁতক এৰি দিয়া হৈছিল। গতিকে সিহঁতৰ দুটা গোত্ৰৰ এটা হিজৰত কৰি ছিৰিয়াৰ পিনে গুচি গ'ল আৰু দ্বিতীয় গোত্ৰৰ কিছু অংশ ছিৰিয়াৰ এক পিনে গুচি গ'ল। এই বাকী অংশ মদিনাৰ দক্ষিণে খায়বাৰ নামৰ এক চহৰলৈ গ'ল।এই চৰখন আৰবৰ ইহুদী সকলৰ কেন্দ্ৰ বিন্দ আছিল। আৰু ই ডাঙৰ ডাঙৰ দুৰ্গৰ দ্বাৰা সুৰক্ষিত আছিল।

## মদ হাৰাম (নিষিদ্ধ) ঘোষণা আৰু তাৰ প্ৰভাৱ

উহুদৰ যুদ্ধ আৰু তাৰ পৰৱৰ্তী যুদ্ধৰ মধ্যৱৰ্তী সময়ত পৃথিৱীয়ে ইছলামৰ প্ৰভাৱৰ সেই সমূহ কাৰ্য কলাপৰ এক অতুলনীয় দৃষ্টান্ত লক্ষ্য কৰে।যিবোৰ ইছলামৰ অনুসাৰী সকলৰ ওপৰত বিস্তাৰ লাভ কৰিছিল। মই মদ পান নিষিদ্ধ কৰাৰ কথা ক'ব বিচাৰো। ইছলামৰ পূৰ্বৰ আৰব বাসী সকলৰ অৱস্থা বৰ্ণনা কৰিবলৈ গৈ মই কৈছিলো যে, আৰবৰ অধিবাসী সকল বৰকৈ মদখোৰ আছিল। প্ৰত্যেক সন্মানিত আৰব বংশ বা পৰিয়ালত

প্ৰতিদিন পাঁচ বাৰ মদ পান কৰিছিল। মদৰ নিচাত মাতাল হৈ যোৱা সিহঁতৰ বাবে এক সাধাৰণ বিষয় আছিল। ইয়াৰ বাবে সিহঁতৰ অলপো লজ্জাবোধ হোৱা নাছিল। বৰঞ্চ ইয়াক তেওঁলোকে এটি উত্তম কাম বুলি ভাৱিছিল। যেতিয়া তেওঁলোকে ঘৰত কোনো অতিথি আহিছিল।তেতিয়া গৃহিনীৰ কৰ্তব্য আছিল সিহঁতক বাৰে বাৰে মদ পানৰ ব্যৱস্থা কৰি দিয়া। এই শ্ৰেণীৰ লোক সকলৰ এনে আমোদ জনক অভ্যাস ত্যাগ কৰোৱা কোনো সহজ কাম নাছিল। কিন্তু হিজৰতৰ চতুৰ্থ বছৰত হজৰত মহম্মদ (ছাঃ)ৰ ওপৰত এই আদেশ অৱতীৰ্ণ হ'ল যে, মদ নিষিদ্ধ কৰা হ'ল।এই আদেশ ঘোষণা হোৱাৰ লগে লগে মুছলমান সকলে মদ পান সম্পূৰ্ণ ৰূপে পৰিত্যাগ কৰিলে। আনকি হাদিছ গ্ৰন্থত সন্নিবিষ্ট হ'ল যে যেতিয়া মদ পানৰ নিষেধাজ্ঞা সম্বন্ধে ওহী নাজিল হ'ল; তেতিয়া হজৰত মহম্মদ (ছাঃ)য়ে এজন চাহাবীক আদেশ দিলে, এই নতুন আদেশ মদিনাৰ অলি গলিতে এতিয়াই ঘোষণা কৰি দিয়া। সেই সময়ত এজন আনছাৰী (মদিনাৰ মুছলমান)ৰ ঘৰত মদ পান আৰু গানৰ বৈঠক বহিছিল। বহু লোকে মদ পান কৰিছিল আৰু মদৰ পিয়লা এটা এটাকৈ পৰিৱেশন কৰা হৈ আছিল আৰু সিহঁতেও ক্ৰমাগত ভাৱে মদ পান কৰি আছিল।মদৰ এটা ডাঙৰ কলহ অনা হৈছিল। বহু লোক মতাল হৈ পৰিছিল।আৰু বহুতেই মাতাল হোৱা অৱস্থা প্ৰাপ্ত হৈছিল। ঠিক এনে অৱস্থাত সিহঁতে শুনিবলৈ পালে এজন লোকে ঘোষণা কৰি আছে যে, হজৰত মহম্মদ (ছাঃ) য়ে আল্লাহ তায়লাৰ আদেশ অনুসৰি মদ পান নিষিদ্ধ কৰি দিছে। সেই মদ পান বৈঠকত উপস্থিত সকলৰ মাজৰ পৰা এজন ব্যক্তি থিয় হৈ কলে,এয়া ধাৰণা হয় মদ নিষিদ্ধ হোৱাৰ ঘোষণা। কিন্তু অলপ ৰবা বিষয়টো ভালকৈ বুজিবলৈ দিয়া।আন এজন ব্যক্তিয়ে উঠি থিয় হ'ল আৰু মদ ভৰ্তি যি কলহ অনা হৈছিল, সেই কলহটো লাঠিৰে ভাঙি চুৰমাৰ কৰি দিলে আৰু কলে, প্ৰথমে আদেশ পালন কৰা, পিছত বুজিবলৈ চেষ্টা কৰা।এয়েই আমাৰ বাবে যথেষ্ট যে, আমি ঘোষণা শুনিছোঁ। গতিকে ই কোনো মতেই উচিত নহ'ব যে,আমি মদ পান কৰিয়েই থাকিম আৰু ঘোষণাৰ সত্য বিচাৰ কৰিবলৈ চেষ্টা কৰিম। বৰঞ্চ আমাৰ কৰ্তব্য এয়েই যে, প্ৰথমে মদ গলিতে গলিতে প্ৰবাহিত হৈ যাৰ পাছত ঘোষণাৰ তাৎপৰ্য্য জানিবলৈ চেষ্টা কৰিম।

( বুখাৰী কিতাবুল আশ্বৰিবাহ)

এই ব্যক্তিৰ ধাৰণাই সঠিক আছিল। কাৰণ মদ পান নিষিদ্ধ হোৱাৰ পাছত যদি মদ পান কৰি থকা হ'লহেঁতেন তেন্তে সেই ক্ষেত্ৰত তেওঁলোকে পাপী বুলি সাব্যস্ত হ'লহেঁতেন। আন হাতে যদি মদ পান নিষিদ্ধ নহ'লহেঁতেন তেন্তে সেই মদ পেলাই দিয়া এনে বিশেষ কোনো ক্ষতি নহ'লহেঁতেন যাক পূৰণ কৰা অসম্ভৱ হ'লহেঁতেন। এই ঘোষণাৰ পাছৰ পৰাই মুছলমান সকলৰ মাজৰ পৰা মদ পান অন্ত:ৰ্দান হৈ গ'ল।

এই বিপ্লৱ পৰিৱৰ্তন সাধনৰ বাবে কোনো বিশেষ প্ৰচেষ্টা আৰু প্ৰয়োজন হোৱা নাছিল। সেই মুছলমান সকল যি সকলে মদ পান নিষিদ্ধৰ আদেশ পালন কৰিছিল আৰু যি সকলে সেই আদেশ তাৎক্ষণিক ভাৱে পালন কৰি দেখুৱাইছিল। সিহঁত যথা সম্ভৱ ৭০/৮০ বছৰ পৰ্যন্ত জীয়াই আছিল।কিন্তু তেওঁলোকৰ মাজত এনে এজনো মুছলমান নাছিল যিয়ে আদেশৰ পাছত তাক অমান্য কৰাৰ দুৰ্বলতা দেখুৱাইছিল। যদি এনে কোনো ঘটনা ঘটিও থাকে তেন্তে সেয়া এনে ব্যক্তিৰ ক্ষেত্ৰত ঘটিছিল,যাৰ হজৰত মহম্মদ (ছাঃ)ৰ প্ৰত্যক্ষ প্ৰভাৱাধীনত অহাৰ সৌভাগ্য হোৱা নাছিল। ইয়াৰ তুলনাত আমি যেতিয়া আমেৰিকাৰ মদ পান নিষিদ্ধ ঘোষণা সহ আন্দোলন আৰু এই ক্ষেত্ৰত ইউৰোপত বছৰৰ পাছত বছৰ ধৰি ক্ৰমাগত ভাৱে চলা সজাগতা সৃষ্টিৰ প্ৰচেষ্টা লক্ষ্য কৰো, তেতিয়া স্পষ্ট দেখিবলৈ পাও যে, হজৰত মহম্মদ (ছাঃ)ৰ এটি ঘোষণাই আৰব সকলৰ মাজৰ পৰা সেই সামাজিক আৰু সাংস্কৃতিক ব্যাধিৰ নিৰাময়ৰ বাবে যথেষ্ট আছিল। আজি মদ্য পান নিষিদ্ধ কৰাৰ বাবে আইন পাচ কৰা হৈছে আৰু পুলিচ, সেনা বাহিনী, শুল্ক আদায়কাৰী আবকাৰী কৰ্মচাৰী সকলৰ মাজতো সন্মিলিত প্ৰচেষ্টা চলোৱা হৈছে। কিন্তু সেয়া সফলকামী হ'ব পৰা নাই। সিহঁতে, তেওঁলোকৰ এই অকৃতকাৰ্য্যৰ কথা স্বীকাৰ কৰিব লগা হৈছে, স্বীকাৰ কৰিবলৈ বাধ্য যে, মদপী সকলেই জয় লাভ কৰিছে আৰু মদপীক আঁতৰাব পৰা নাই। আমাৰ এই যুগক প্ৰগতিৰ যুগ বুলি কোৱা হয়। কিন্তু যেতিয়া এই যুগক ইছলামৰ প্ৰাথমিক যুগৰ সৈতে তুলনা কৰো, তেতিয়া স্পষ্ট বুজা যায় যে, প্ৰকৃত প্ৰগতিৰ যুগ কোনটো; আমাৰ এই যুগ নে ইছলামৰ সেই প্ৰাথমিক যুগ; যেতিয়া ইমান মহান এক সামাজিক আৰু সাংস্কৃতিক বিপ্লৱ সাধিত হৈছিল ?

## উহুদৰ যুদ্ধৰ পাছত কাফেৰ গোত্ৰ সমূহৰ অপৱিত্ৰ কৌশল

উহুদৰ ঘটনা এনেকুৱা নাছিল যাক অতি সহজে পাহৰা যায়। মক্কাবাসী সকলে ভাৱিছিল ই সিহঁতৰ প্ৰথম বিজয়। তেওঁলোকে সিহঁতৰ এই সংবাদ সমগ্ৰ আৰব দেশত প্ৰচাৰ কৰি দিছিল। আৰবৰ গোত্ৰ সমূহক তেওঁলোকে মুছলমান সকলৰ বিৰুদ্ধে উত্তেজিত কৰিব ধৰিছিল আৰু লগতে এই নিশ্চয়তাও দি থাকে যে, মুছলমান কোনো অপৰাজিত শক্তি নহয়। যদি তেওঁলোকে কোনো উন্নতি কৰিও থাকে, তেন্তে সেয়া সিহঁতৰ কোনো শক্তিৰ কাৰণে নহয়। বৰঞ্চ সেয়া কেৱল মাত্ৰ আৰবৰ গোত্ৰ সমূহৰ মাজত থকা অনৈক্যৰ বাবেহে সম্ভৱ হৈছে। আমি যদি ঐক্য বদ্ধ প্ৰচেষ্টা চলাও তেনেহলে মুছলমান সকলৰ বিৰুদ্ধে বিজয় লাভ কৰা কোনো অসম্ভৱ নহয়। এই প্ৰচাৰৰ ফল স্বৰূপ

মুছলমান সকলৰ বিৰোধীতা তুমুল হৈ উঠিল আৰু অন্যান্য গোত্ৰ সমূহ মুছলমান সকলক কষ্ট দিয়াৰ ক্ষেত্ৰত মক্কাবাসী সকলতকৈ অধিক তিব্ৰ হৈ উঠিল। বহুতেই মুকলি ভাৱে আক্ৰমণ আৰম্ভ কৰি দিলে। বহুতেই আকৌ গোপনে গোপনে মুছলমান সকলৰ ক্ষতি সাধন কৰাৰ চেষ্টা চলাব ধৰিলে। হিজৰতৰ চতুৰ্থ বছৰত আৰবৰ দুটা গোত্ৰ **আজল** আৰু **কাৰা** হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত নিজৰ নিজৰ প্ৰতিনিধি দল প্ৰেৰণ কৰে।(বুখাৰী: ২য় খণ্ড কিতাবুল মাগাযী আৰু যুকানী: ২য় খণ্ড পৃ:২২-২৫) প্ৰতিনিধি দল আহি হজৰত মহম্মদ (ছাঃ)ক জনালে যে, তেওঁলোকৰ বহুত লোক ইছলামৰ প্ৰতি আসক্ত হৈ পৰিছে। সেই গতিকে তেওঁলোকে এই আবেদন লৈ আহিছে যে, ইছলাম সম্পৰ্কে উত্তম জ্ঞান থকা এনে কিছুলোক যদি তেওঁলোকৰ তাত প্ৰেৰণ কৰে তেন্তে সিহঁতে তাত অৱস্থান কৰি সেই সকল উৎসাহী লোকক নতুন ধৰ্ম সম্পৰ্কে শিক্ষাদান কৰিব পাৰিব। আচলতে ই আছিল এক ষড়যন্ত্ৰ। এই ষড়যন্ত্ৰ ইছলামৰ ঘোৰ শত্ৰু **বনু লেহিয়ান** গোত্ৰই কৰিছিল। সিহঁতৰ উদ্দেশ্য আছিল যে, যেতিয়া এই প্ৰতিনিধি দলে মুছলমান সকলক লৈ আহিব তেতিয়া সিহঁতে তেওঁলোকক নিৰ্মম ভাবে হত্যা কৰিব। আৰু এই হত্যা কাণ্ডৰ জৰিয়তে সিহঁতে তেওঁলোকৰ নেতা ছুফিয়ান বিন খালিদৰ প্ৰতিশোধ গ্ৰহণ কৰিব। সেই গতিকে তেওঁলোকে **আজল** আৰু **কাৰা** গোত্ৰৰ প্ৰতিনিধি দলক যথেষ্ট পৰিমাণে পুৰস্কাৰ দি কিছু সংখ্যক মুছলমানক লগত লৈ অহাৰ বাবে হজৰত মহম্মদ (ছাঃ)ৰ দৰবাৰত প্ৰেৰণ কৰিছিল।যেতিয়া **আজল** আৰু **কাৰা** গোত্ৰৰ প্ৰতিনিধি দল আহি হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত উপস্থিত হৈ উক্ত আবেদন কৰিলে, তেতিয়া তেওঁলোকৰ কথা বিশ্বাস কৰি দয়ালু নবী হজৰত মহম্মদ (ছাঃ)য়ে ১০ (দহ) জন মুছলমানক সিহঁতৰ লগত প্ৰেৰণ কৰিলে; যাতে সিহঁতে তেওঁলোকক ইছলামৰ ধৰ্মীয় বিশ্বাস আৰু নীতি নিয়মবোৰৰ শিক্ষা দিব পাৰে। এই দলটি যেতিয়া বনু লেহিয়ান গোত্ৰৰ অঞ্চলত উপস্থিত হ'ল; তেতিয়া আজল আৰু কাৰা গোত্ৰৰ লোকে বনু লেহিয়ান গোত্ৰৰ লোকক সংবাদ পঠাই দিলে যে, এতিয়া হয় তোমালোকে মুছলমান সকলক গ্ৰেফতাৰ কৰা নতুবা তেওঁলোকক হত্যা কৰা। এই অপৱিত্ৰ চক্ৰান্ত অনুসৰি বনু লেহিয়ান গোত্ৰৰ দুই শ সশস্ত্ৰ ব্যক্তি মুছলমান সকলক গ্ৰেফতাৰ কৰাৰ বাবে ওলাই পৰিল। আৰু **ৰাজী** নামক স্থানত আহি তেওঁলোকে মুছলমান সকলক ঘিৰাও কৰিলে। ফলত দুই শ কাফেৰ আৰু দহ জন মুছলমানৰ মাজত তুমুল যুদ্ধ আৰম্ভ হ'ল। মুছলমান সকলৰ হৃদয় ঈমান (বিশ্বাস)ৰ আলোকত ভৰপুৰ আছিল। মুছলমান এই দহ জন এটি টিলাৰ ওপৰত উঠিল আৰু দুই শ জন কাফেৰক যুদ্ধৰ বাবে আহ্বান জনালে। শত্ৰু সকলে ফাঁকি বাজ কৰি মুছলমান সকলক গ্ৰেফতাৰ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিলে আৰু কলে যে, যদি সিহঁতে টিলাৰ পৰা তলত নামি আহে তেন্তে সিহঁতক একো কোৰা

নহ'ব। কিন্তু মুছলমান সকলৰ দলীয় নেতা বা আমীৰ চাহাব কলে, আমি কাফেৰ সকলৰ বহুত শপত আৰু প্ৰতিশ্ৰুতি প্ৰত্যক্ষ কৰিছোঁ। ইয়াৰ পাছত সিহঁতে আকাশৰ পিনে মুখ কৰি কলে, হে খোদা তুমি নিশ্চয় আমাৰ অৱস্থা প্ৰত্যক্ষ কৰিছা ! তুমি তোমাৰ প্ৰিয় হাবিব হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত আমাৰ এই অৱস্থাৰ কথা অৱগত কৰাই দিয়া। যেতিয়া কাফেৰ সকলে দেখিলে যে, মুছলমানসকলৰ এই নগন্য এটি দলৰ ওপৰত তেওঁলোকৰ কথাৰ কোনো প্ৰভাৱ নপৰিল; তেতিয়া তেওঁলোকে সিহঁতৰ ওপৰত আক্ৰমণ চলালে। মুছলমান সকলেও কোনো পৰাজয়ৰ চিন্তা নকৰি যুদ্ধ কৰিব ধৰিলে। দহ জন মুছলমানৰ সাতজন যুদ্ধ ক্ষেত্ৰত শ্বহীদ হ'ল বাকী তিনিজন যিসকল জীৱিত আছিল, সিহঁতক কাফেৰ সকলে পুনৰ প্ৰতিশ্ৰুতি দিলে, আমি তোমালোকক প্ৰাণে বধ নকৰোঁ, কিন্তু চৰ্ত হ'ল এই য়ে, তোমালোক টিলাৰ পৰা তললৈ নামি আহিবা। অৱশেষত সিহঁত যেতিয়া কাফেৰ সকলৰ কথা বিশ্বাস কৰি সেই টিলাৰ পৰা তললৈ নামি আহিল; তেতিয়া কাফেৰ সকলে বিশ্বাস ঘাতকতা কৰি ধনুৰ ৰচীৰে সিহঁত তিনিজনক বান্ধি পেলালে। সিহঁতৰ এজনে কলে, এয়া তোমালোকৰ প্ৰথম অঙ্গীকাৰ ভঙ্গ যি অঙ্গীকাৰ তোমালোকে আমাৰ সৈতে কৰিছিলা এক মাত্ৰ আল্লাহ পাকহে জানে তোমালোকে ইয়াৰ পাছত কি কৰিবা। এই কথা কৈ তেওঁ তেওঁলোকৰ লগত যাবলৈ অস্বীকাৰ কৰিলে। কাফেৰ সকলে তেওঁৰ বিৰোধীতা আৰু অবিচলতা দেখি হতাশ হৈ তেওঁক হত্যা কৰি পেলালে আৰু বাকী দুইজনক লগত লৈ গৈ মক্কাৰ কোৰাইশ সকলৰ ওচৰত কৃতদাস ৰূপে বিক্ৰী কৰি দিলে। ইহঁতৰ এজনৰ নাম খাবিব (ৰাঃ)আছিল আনজনৰ নাম জায়েদ (ৰাঃ) আছিল।খাবিব (ৰাঃ) ৰ ক্ৰেতা যিজন আছিল তাৰ দেউতাকক খাবিব (ৰাঃ)য়ে বদৰৰ যুদ্ধত হত্যা কৰিছিল।গতিকে তেওঁ খাবিব (ৰাঃ)ক হত্যা কৰি পিতাকৰ হত্যাৰ প্ৰতিশোধ ল'ব বিচাৰিছিল।এদিনাখন বন্ধী খাবিব (ৰাঃ) য়ে নিজৰ প্ৰয়োজনীয় কামৰ বাবে এটি ক্ষুৰ খুজি লয়। সেই ক্ষুৰটি এটা সময়ত তেওঁৰ হাতত থকা অৱস্থাত গৃহৰ গৰাকীৰ এজন সৰু ল'ৰা খেলোতে খেলোতে তেখেত (ৰাঃ)ৰ ওচৰলৈ যায়। খাবিব (ৰাঃ) য়ে ল'ৰা জনক তুলি নি নিজৰ উৰুৰ ওপৰত বহালে।ল'ৰা জনৰ মাকে যেতিয়া এই দৃশ্য দেখিবলৈ পায় তেতিয়া তাইৰ কলিজা উৰি যায়। তাই নিশ্চয়কৈ ভাৱিলে যে, খাবিব (ৰাঃ)য়ে তাইৰ ল'ৰাটিক মাৰি পেলাব। কাৰণ কিছুদিনৰ ভিতৰতেই খাবিব (ৰাঃ)ক হত্যা কৰাৰ কথা। সেই সময়ত যিহেতু ক্ষুৰটি খাবিব (ৰাঃ)ৰ হাততেই আছিল আৰু শিশুটিও তেওঁৰ কোলতেই আছিল;সেই হেতুকে তেওঁৰ পক্ষে শিশুটিৰ ক্ষতি সাধন কৰা অতি সহজ আছিল। খাবিব (ৰাঃ)য়ে শিশুটিৰ মাকৰ মুখৰ পিনে চাই তাইৰ মনৰ অৱস্থা বুজিব পাৰিলে আৰু কলে, তুমি ভাৱিছা যে মই তোমাৰ সন্তানটিক মাৰি পেলাম ?এনে কথা কেতিয়াও নাভাবিবা। মই এনেকুৱা জঘন্য

কাম কেতিয়াও কৰিব নোৱাৰো। মুছলমান ফাঁকিবাজ প্ৰতাৰক নহয়। মহিলা গৰাকী খাবিব (ৰাঃ)ৰ এই সত্যতা আৰু সৰলতা দেখি মুগ্ধ হৈ পৰিল।তাই সকলো সময়ত কৈ ফুৰিছিল।মই খাবিবৰ (ৰাঃ)ৰ দৰে বন্দী কেতিয়াও দেখা নাই। অৱশেষত মক্কাবাসী সকলে এদিন হজৰত খাবিব (ৰাঃ)ক এখন খেল পথাৰত লৈ গ'ল যাতে তেওঁক হত্যা কৰি আনন্দ উৎসব পালন কৰিব পাৰে। যেতিয়া তেখেত (ৰাঃ)ক হত্যা কৰাৰ সময় উপস্থিত হ'ল; তেতিয়া হজৰত খাবিব (ৰাঃ)য়ে কলে,মোক দুই ৰাকাত নমাজ পঢ়াৰ সময় দিয়া। কোৰাইশ্ব সকলে তেখেত (ৰাঃ)ৰ এই প্ৰস্তাৱ মানি ললে। হজৰত খাবিব (ৰাঃ) য়ে সকলোৰে সন্মুখত এই পৃথিৱীৰ বুকুত শেষ বাৰৰ নিজ আল্লাহৰ এবাদত কৰিলে। যেতিয়া তেখেত (ৰাঃ)য়ে নমাজ শেষ কৰিলে তেতিয়া কলে, মই মোৰ নমাজ জাৰি ৰাখিব বিচাৰিছিলোঁ কিন্তু মই সেয়া কৰা নাই। কাৰণ পাছত তোমালোকে হয়তো ভাৰিব পাৰা যে, মই মৃত্যুৰ ভয়ত নমাজ দীঘলীয়া কৰিছোঁ।এই বুলি হজৰত খাবিব (ৰাঃ)য়ে জল্লাদৰ আগত মূৰ পাতি দিলে আৰু এই কবিতা আবৃত্তি কৰিলে;

وَلَسْتُ اُبَالِيْ حِيْنَ اُقْتَلُ مُسْلِمًا    عَلٰى اَيِّ جَنْبٍ كَانَ لِلّٰهِ مَصْرَعِيْ
وَذٰلِكَ فِيْ ذَاتِ الْاِلٰهِ وَاِنْ يَّشَأْ    يُبَارِكْ عَلٰى اَوصَالِ شِلْوٍ مُمَزَّعٖ

অৰ্থঃ মই যেতিয়া মুছলমান থকা অৱস্থাত নিহত হ'বলৈ ধৰিছোঁ, তেতিয়া মোৰ কোনো ভয় নাই যে, মোৰ ডিঙি কোন দিশত পৰিব। এই সকলো এক মাত্ৰ মহান খোদাৰ বাবে হে। মোৰ খোদা বিচাৰিলে মোৰ শৰীৰৰ খণ্ড বিখণ্ড টুকুৰাবোৰৰ ওপৰত অসীম কল্যাণ আৰু আৰ্শীবাদ বৰ্ষণ হ'ব।
( বুখাৰী: কিতাবুল মাগামী)

হজৰত খাবিব (ৰাঃ)ৰ কবিতা আবৃত্তি শেষ নহওতেই জল্লাদৰ তৰোৱালে তেখেত (ৰাঃ)ৰ স্কন্ধে আঘাত কৰিলে আৰু তেখেত (ৰাঃ)ৰ ছিন্ন মস্তক মাটিত পৰিল। যি সকল লোক এই উৎসৱ পালনৰ বাবে সমৱেত হৈছিল; তেওঁলোকৰ মাজত ছায়েদ বিন আমেৰ নামৰ এজন ব্যক্তি আছিল যি জন পৰৱৰ্তী কালে মুছলমান হৈছিল। কথিত আছে যে, কোনো ব্যক্তিয়ে কেতিয়াও ছায়েদৰ আগত খাবিব (ৰাঃ)ৰ হত্যাকাণ্ডৰ কথা উত্থাপন কৰিলেই সি অজ্ঞান হৈ পৰিছিল।

দ্বিতীয় বন্দী হজৰত জায়েদ (ৰাঃ)ক হত্যা কৰাৰ বাবে বাহিৰত লৈ যোৱা হৈছিল। সেই ধেমালি চোৱা লোকসকলৰ মাজত মক্কাৰ চৰদাৰ (নেতা) আবু ছুফিয়ান ও আছিল।

সি হজৰত জায়েদ (ৰাঃ)ৰ পিনে ঘূৰিলে আৰু সুধিলে, তুমি এইটো এতিয়াও নিবিচৰা নে যে, তোমাৰ স্থানত হজৰত মহম্মদ (ছাঃ) হওক আৰু তুমি নিচিন্তে ঘৰৰ ভিতৰত বহি থকা ? হজৰত জায়েদ (ৰাঃ)য়ে অত্যন্ত ক্ৰোধান্বিত হৈ উত্তৰ দিলে, আবু ছুফিয়ান এয়া তুমি কি কৈছা ? আল্লাহৰ শপত! বৰঞ্চ মই মৃত্যুক আকোলি লম তথাপি দয়ালু নবী ৰহমাতুল্লীল আলামীন হজৰত মহম্মদ (ছাঃ)ৰ ভৰি তলিত মদিনাৰ গলিত এটা কাঁইটো বিদ্ধ হ'বলৈ নিদিও।

(ইবনে হিশাম : ২য় খণ্ড, পৃ: ১২২)

আত্ম নিবেদনৰ এনেকুৱা অনুৰাগৰ দৃশ্য প্ৰত্যক্ষ কৰি আবু ছুফিয়ানো প্ৰভাৱান্বিত নহৈ থাকিব নোৱাৰিছিল। সি বিস্মিত হৈ হজৰত জায়েদ (ৰাঃ)ৰ পিনে চালে আৰু ভগ্ন কণ্ঠৰে কলে, আল্লাহ পাক সাক্ষী; যি ভাবে হজৰত মহম্মদ (ছাঃ)ৰ শিষ্য সকলে তেখেত (ছাঃ)ক ভাল পায়; ঠিক সেই ভাবে কেতিয়াও কোনো ব্যক্তিক কোনেও ভাল পোৱা মই দেখা নাই।

(ইবনে হিশাম: ২য় খণ্ড, পৃ: ১২৫-১৩০ যুৰকানী: ২য় খণ্ড; পৃ: ৭৪ বুখাৰী: কিতাবুল মাগাজী)

## পৱিত্ৰ কোৰাণৰ সত্তৰ (৭০) জন হাফিজ (মুখস্থকাৰী)ক হত্যা কৰাৰ মৰ্মান্তিক ঘটনা

উল্লেখিত ঘটনাৰ কিছুদিনৰ ভিতৰতেই **নজদেৰ** কিছু সংখ্যক লোক হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত আহি আবেদন কৰিলে যে, সিহঁতৰ সৈতে কেইজন মান মুছলমান পঠোৱা হওক যাতে সিহঁতৰ পৰা তেওঁলোকে ইছলামৰ শিক্ষা গ্ৰহণ কৰিব পাৰে। হজৰত মহম্মদ (ছাঃ)য়ে সিহঁতৰ কথাত বিশ্বাস স্থাপন কৰিব নোৱাৰিলে। সেই সময়ত আমেৰ গোত্ৰৰ নেতা আবু বাৰা মদিনাত আছিল। সি কলে, মই মোৰ গোত্ৰ (কবিলা)ৰ পক্ষৰ পৰা এই ক্ষেত্ৰত জামিন থাকিলোঁ আৰু সি হজৰত মহম্মদ (ছাঃ)ক নিশ্চয়তা প্ৰদান কৰিলে যে, তেওঁলোকে মুছলমানক কোনো ক্ষতি সাধন কৰিব নোৱাৰিব। এই বাবে হজৰত মহম্মদ (ছাঃ)য়ে পৱিত্ৰ কোৰাণ মুখস্থকাৰী (হাফিজ) সত্তৰ জনক সেই কামৰ বাবে মনোনীত কৰিলে। এই হাফিজ সকলৰ জমাত যেতিয়া **বিৰ মাউনা** নামৰ স্থানত উপস্থিত হ'ল, তেতিয়া সিহঁতৰ মাজৰ পৰা হাৰম বিন মালহান (ৰাঃ) নামৰ এজন ব্যক্তি আমাৰ গোত্ৰ এজন নেতাৰ ওচৰত গ'ল, যি জন আবু বাৰাৰ ভতিজা

আছিল। তেওঁ আবু বাৰাৰ ভতিজাক ইছলামৰ দাওয়াত দিয়াৰ উদ্দেশ্যে গ'ল। কবিলাৰ লোকসকলে বাহ্যিকভাবে হাৰম (ৰাঃ)ক সন্মানৰ অভ্যৰ্থনা জনালে। তেওঁ সেই নেতাৰ আগত নিজৰ বক্তব্য ৰাখিবলৈ আৰম্ভ কৰিলে। ঠিক সেই সময়ত এজন ব্যক্তি পিছফালৰ পৰা মনে মনে আহিল আৰু হাৰম (ৰাঃ)ৰ ওপৰত তীক্ষ্ণ অস্ত্ৰৰে জোৰে আঘাত হানিলে। সেই আঘাতত হজৰত হাৰম (ৰাঃ)আটনা স্থলীত প্ৰাণ বিসৰ্জন দিলে। যেতিয়া সেই তীক্ষ্ণ অস্ত্ৰ তেখেত (ৰাঃ)ৰ গল ভেদ কৰিলে তেতিয়া শুনা গ'ল যে, তেখেত (ৰাঃ)য়ে কৈছে যে,

اَللّٰهُ اَكْبَرُ۔ فُزْتُ وَرَبِّ الْكَعْبَةِ

অৰ্থ ঃ আল্লাহু আকবাৰ, শপত কাবাৰ গৰাকীৰ ! মই মোৰ লক্ষ্যত উপনীত হৈছোঁ।

এইবাবে প্ৰতাৰণা কৰি হজৰত হাৰম (ৰাঃ)ক হত্যা কৰাৰ পাছত সেই গোত্ৰৰ নেতা সকলে নিজ নিজ গোত্ৰৰ মানুহসকলক বাকী থকা মুছলিম শিক্ষক সকলৰ ওপৰত আক্ৰমণ চলোৱাৰ বাবে উত্তেজিত কৰি তুলিলে। কিন্তু গোত্ৰৰ মানুহে কলে, আমাৰ নেতা আবু বাৰাতো এওঁলোকৰ বাবে জামিন আছে। আমিতো এওঁলোকৰ ওপৰত আক্ৰমণ চলাব নোৱাৰো। তেতিয়া এই দুই গোত্ৰৰ লোক সকলে যি সকলে মুছলিম শিক্ষক সকলক আনিবলৈ গৈছিল; তেওঁলোকে নিজ গোত্ৰৰ মানুহৰ লগত একেলগহৈ সন্মিলিত ভাবে সেই কোৰাণৰ হাফিজ (শিক্ষক) গণৰ উপৰত আক্ৰমণ চলালে। মুছলিম কোৰাণ হাফিজগণে কলে যে, সিহঁত ইছলামৰ শিক্ষা দিবলৈ হে ইয়ালৈ আহিছে যুদ্ধ কৰিবলৈ অহা নাই। কিন্তু পৰিতাপৰ বিষয় যে কাফেৰ সকলে এই শিক্ষক গণৰ কথাত কৰ্ণপাত নকৰি সিহঁতক হত্যা কৰিবলৈ ধৰিলে। অৱশেষত মাত্ৰ তিনিজন শিক্ষকৰ বাহিৰে বাকী সকলো শিক্ষক শ্বহীদ হৈ গ'ল। ইহঁতৰ তিনিজনৰ এজন আছিল খোৰা, সি যুদ্ধৰ পূৰ্বেই পাহাৰৰ ওপৰত গৈছিল আৰু বাকী দুজন উট চৰাবলৈ মৰুভূমিৰ মাজত গৈছিল। সিহঁত উভতি আহি দেখিলে যে, সিহঁতৰ (৬৬) ছয়যষ্ঠি জন সঙ্গী মৃতাৱস্থাত পথাৰত পৰি আছে। এই দুজনে পৰামৰ্শ কৰিলে। এজনে কলে, আমাৰ উচিত হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত এই মৰ্মান্তিক ঘটনাৰ সংবাদ প্ৰেৰণ কৰা। আনজনে কলে, যি ঠাইত আমাৰ আমীৰ যাক হজৰত মহম্মদ (ছাঃ)য়ে নিযুক্ত কৰিছিল; তাক হত্যা কৰা হৈছে; সেই স্থান এৰি মই কতো যাব নোৱাৰো। এই কথাই কৈয়েই সি অকলেই কাফেৰ সকলৰ ওপৰত জপিয়াই পৰিল আৰু যুদ্ধ কৰি কৰি শেষত শ্বহীদ হৈ গ'ল। দ্বিতীয় জন শিক্ষকক কাফেৰ সকলে গ্ৰেফতাৰ কৰি লৈ গ'ল।

নিহত ব্যক্তি সকলৰ মাজত আমেৰ বিন ফোহায়াৰা (ৰাঃ)ও আছিল। তেওঁ হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ৰ মুক্তি প্ৰাপ্ত কৃতদাস। তেওঁ হত্যাকাৰী জব্বৰ বিন ছালাম নামৰ এজন ব্যক্তি আছিল, যি পৰৱৰ্তীকালে মুছলমান হৈছিল। জব্বাৰ কৈছিল, আমেৰক হত্যা কৰায়েই মোৰ মুছলমান হোৱাৰ এক মাত্ৰ কাৰণ। তেওঁ আৰু কৈছে, যেতিয়া মই আমেৰক হত্যা কৰাৰ নিমিত্তে আঘাত কৰিলোঁ, তেতিয়া আমেৰক মই এই কথা ক'বলৈ শুনিলোঁ فُزْتُ وَاللهِ অৰ্থাৎ আল্লাহৰ শপত! মই মোৰ লক্ষ্যত সফল হৈছোঁ। পাছত মই এজন ব্যক্তিক সুধিছিলোঁ যে, মুছমান সকলে মৃত্যুৰ সময়ত এনে কথা কিয় কয় ? সেই ব্যক্তি প্ৰতি উত্তৰত কৈছিল, মুছলমান সকলে আল্লাহৰ ৰাস্তাত মৃত্যু হোৱাক এক আশীৰ্বাদ আৰু বিজয় বুলি ভাবে। এই উত্তৰে জব্বাৰক ইমান প্ৰভাৱান্বিত কৰে যে, তেওঁ ইছলাম সম্পৰ্কে জনাৰ বাবে সাধনা আৰম্ভ কৰি দিয়ে আৰু পৰিণামে মুছলমান হৈ যায়।
( ছিৰাত ইবনে হিশাম: ১২৭ পৃ:)

এই দুয়ো বিয়োগাত্মক ঘটনা য'ত, শত্ৰুৰ দুষ্কৃতি আৰু ষড়যন্ত্ৰৰ বাবে প্ৰায় আশী (৮০) জন মুছলমান শ্বহীদ হৈ যায়; সেই সংবাদ মদিনাত আহি পায়। নিহত ব্যক্তি সকল কোনো সাধাৰণ লোক নাছিল। সিহঁত কোনো মানুহৰ ক্ষতি সাধন, কোনো অপৰাধ আৰু কোনো যুদ্ধত অংশ গ্ৰহণো কৰা নাছিল। তথাপি আল্লাহ্ আৰু ধৰ্মৰ নামত প্ৰবঞ্চনা কৰি সিহঁতক লৈ গৈ শত্ৰুৰ হাতত অৰ্পন কৰা হৈছিল। এই ঘটনা বোৰৰ পৰা নিঃসন্দেহ  প্ৰমাণিত হয় যে, ইছলামৰ বিৰুদ্ধে কাফেৰ সকলৰ শত্ৰুতা কিমান গভীৰ, শক্তিশালী আৰু অটল আছিল। বিপৰীতে ইছলামৰ প্ৰতি মুছলমান সকলৰ প্ৰেম আৰু অধিক গভীৰ আৰু দৃঢ় আছিল।

## বনি মুস্তালিক যুদ্ধ

কাফেৰ সকলৰ বিৰুদ্ধে মুছলমান সকলৰ সংগঠিত হোৱা তৃতীয় যুদ্ধৰ নামেই হ'ল বনি মুস্তালিকৰ যুদ্ধ। উহুদৰ যুদ্ধৰ পাছত মক্কা চহৰ বৰকৈ দূৰ্ভিক্ষে পতিত হয়। হজৰত মহম্মদ (ছাঃ)ৰ সৈতে মক্কাবাসী সকলে যি শত্ৰুতা কৰিছিল আৰু তেখেত (ছাঃ)ৰ বিৰুদ্ধে সমগ্ৰ আৰব দেশত যি ঘৃণা, হিংসা, বিদ্বেষ ক্ৰমান্বয়ে বিস্তাৰ কৰিছিল; সেই সকলো উপেক্ষা কৰি দয়াৰ নবী ৰহমাতুল্লীল আলামীন খাতামান্নাবীঈন হজৰত মহম্মদ (ছাঃ)য়ে এই দুৰ্যোগৰ সময়ত মক্কাৰ দৰিদ্ৰ, নিচলা আৰু অসহায় লোকৰ বাবে সাহায্য পুঁজিৰ সংস্থান গঠন কৰিছিল। কিন্তু এই উপকাৰেও মক্কা বাসীৰ ওপৰত কোনো

ধৰণৰ সু-প্ৰভাৱ পেলাব নোৱাৰিলে। আনকি তেওঁলোকৰ শত্ৰুতাৰো কোনো পৰিৱৰ্তন নহ'ল। বৰঞ্চ তেওঁলোকৰ শত্ৰুতা আৰু অধিক বৃদ্ধি হ'ল। এওঁলোকৰ মাজত বনী মুস্তালিক নামৰ এটি গোত্ৰ আছিল। এওঁলোকৰ লগত মুছলমান সকলৰ যথেষ্ট ভাল আছিল। কিন্তু এতিয়া তেওঁলোকে মদিনা আক্ৰমণ কৰাৰ বাবে প্ৰস্তুতি গ্ৰহণ কৰিব ধৰিলে । যেতিয়া হজৰত মহম্মদ (ছাঃ)য়ে তেওঁলোকৰ এই প্ৰস্তুতি সম্পৰ্কে অৱগত হ'ল; তেতিয়া তেখেত (ছাঃ)য়ে প্ৰকৃত অৱস্থা জনাৰ বাবে কিছু সংখ্যক লোক মক্কালৈ প্ৰেৰণ কৰিলে। তেওঁলোক উভতি আহি সংবাদটো সত্য বুলি হজৰত মহম্মদ (ছাঃ)ক জনালে। এই কাৰণে হজৰত মহম্মদ (ছাঃ)য়ে সিদ্ধান্ত গ্ৰহণ কৰিলে যে, তেখেত (ছাঃ) নিজেই গৈ তেওঁলোকৰ আক্ৰমণ প্ৰতিৰোধ কৰিব। তেখেত (ছাঃ)য়ে এটি সেনা বাহিনী গঠন কৰিলে আৰু সেই বাহিনীক লৈ বনি মুস্তালিক গোত্ৰৰ পিনে যাত্ৰা কৰিলে। যেতিয়া মুছলিম সৈন্য শত্ৰু সকলৰ মুখামুখী হ'ল; তেতিয়া হজৰত মহম্মদ (ছাঃ)য়ে চেষ্টা কৰিলে যাতে শত্ৰু সকল যুদ্ধ নকৰিয়েই পিছ হোহকি যায়। কিন্তু তেওঁলোকে সেই ক্ষেত্ৰত সন্মত নহৈ তাক অগ্ৰাহ্য কৰিলে। সেই বাবে উভয় পক্ষৰ মাজত যুদ্ধ সংগঠিত হ'ল আৰু কেই ঘণ্টাৰ মাজতেই শত্ৰু পৰাজিত হ'ল।

যিহেতু মক্কাৰ কাফেৰ (অবিশ্বাসী) সকলৰ মুছলমানৰ ক্ষতি সাধনৰ বাবে দৃঢ় প্ৰতিজ্ঞা আছিল আৰু যি সকল গোত্ৰ বন্ধু ভাবাপন্ন আছিল তেওঁলোকো পৰম শত্ৰুত পৰিণত হ'ল ।সেই বাবে মুছলমান সকলৰ মাজত থকা কপটাচাৰী সকলে এই সুযোগত সিদ্ধান্ত ললে যে, তেওঁলোকে মুছলমান সকলৰ পক্ষে থাকিয়েই যুদ্ধত অংশ গ্ৰহণ কৰিব। যথা সম্ভৱ তেওঁলোকৰ উদ্দেশ্য আছিল যে, তেওঁলোকে এই উপায়ে মুছলমান সকলৰ ক্ষতি সাধন কৰিব পাৰিব। বনি মুস্তালিকৰ গোত্ৰৰ সৈতে যুদ্ধ মাত্ৰ কেই ঘণ্টাৰ মাজতেই সমাপ্ত হৈছিল। ফলত এই যুদ্ধ চলি থকা সময়ত কপটাচাৰী সকলৰ কোনো সুযোগ মুছলমান সকলৰ ক্ষতি সাধন কৰাৰ বাবে হোৱা নাছিল ।কিন্তু হজৰত মহম্মদ (ছাঃ)য়ে সিদ্ধান্ত ললে যে, তেখেত (ছাঃ)য়ে বনি মুস্তালিক সকলৰ চহৰত কিছুদিন থাকিব ।সেই ঠাইত অৱস্থান কালে মক্কাৰ এজন মুছলমানৰ সৈতে মদিনাৰ এজন মুছলমানৰ কুঁৱাৰ পৰা পানী তোলা লৈ কাজিয়াৰ সৃষ্টি হয়। মক্কাৰ মুছলমান জন এজন মুক্তিপ্ৰাপ্ত কৃতদাস আছিল ।তেওঁ মদিনাৰ মুছলমানক বৰকৈ মাৰ পিটাই কৰে ।ফলত মদিনাৰ মুছলমান জনে মদিনাবাসী মুছলমান অৰ্থাৎ আনছাৰ ভাই সকলক চিঞৰি চিঞৰি মাতিব ধৰে ।আনহাতে মক্কাৰ মুছলমান জনেও মক্কাৰ মুছলমান অৰ্থাৎ মুহাজিৰ সকলক মাতা আৰম্ভ কৰে ।ফলত তীব্ৰ উত্তেজনা সৃষ্টি হয়। কোনেও জানিবৰ চেষ্টা নকৰিলে যে আচল ঘটনা কি ? উভয় পক্ষৰ যুৱক সকলে তৰোৱাল উন্মুক্ত কৰিলে ।এই

ক্ষেত্ৰত আব্দুল্লাহ্ বিন উবাই বিন চুলুল ভাৱিলে, এইবাৰ খোদা পাক তেওঁক নিশ্চয় সুযোগ প্ৰদান কৰিছে।তেওঁ জ্বলা জুইত ঘি ঢালিব বিচাৰিলে আৰু মদিনা বাসী সকলক সম্বোধন কৰি কলে,এই মুহাজিৰ সকলৰ প্ৰতি তোমালোকৰ দয়া দক্ষিণাৰ সীমা অতিক্ৰম কৰিছে। তোমালোকৰ ভাল মানুহেই তেওঁলোকৰ মূৰ গৰম কৰি দিছে।এতিয়া তেওঁলোকে দিনক দিনে তোমালোকৰ ওপৰত প্ৰভুত্ব বিস্তাৰ লাভ কৰিব ধৰিছে। এই বক্তৃতাত আব্দুল্লাই যি আশা কৰিছিল হয়তো তদ্ৰূপ এটা প্ৰভাৱো পৰিছিল।সংঘৰ্ষ সৃষ্টিৰ অৱস্থা হৈছিল কিন্তু সংঘৰ্ষ সৃষ্টি হোৱা নাছিল। কাৰণ আব্দুল্লাহ তেওঁৰ হীন উদ্দেশ্য প্ৰণোদিত বক্তৃতাৰ প্ৰভাৱ সম্পৰ্কে এটি ভুল ধাৰণা কৰিছিল।তেওঁ ভাৱিছিল আনছাৰ সকলৰ ওপৰত তেওঁৰ প্ৰভাৱ যথেষ্ট কাৰ্যকৰী হৈছে।গতিকে তেওঁ কৈয়ে পেলাইছিল, বলা আমি প্ৰথমে মদিনাত উভতি যাও পাছত মদিনাৰ যি সৰ্বপেক্ষা সন্মানিত ব্যক্তি সি তাৰ সৰ্বপেক্ষা নিন্দনীয় আৰু ঘৃণনীয় ব্যক্তিক  সেই ঠাইৰ পৰা বহিষ্কাৰ কৰি দিব।সৰ্বপেক্ষা (আটাইতকৈ) সন্মানিত ব্যক্তি বুলি তেওঁ নিজকে বুজাইছিল। আৰু আটাইতকৈ নিন্দনীয় আৰু ঘৃণনীয় ব্যক্তি  হজৰত মহম্মদ (ছাঃ)ক (নাউজুবিল্লাহ মিন জালিক) সুচাইছিল।কিন্তু যিদৰে তেওঁৰ মুখৰ পৰা সেই কথাবোৰ নিৰ্গত হৈছিল; ঠিক তদ্ৰুপ মোমিন সকলেও তেওঁৰ আচল উদ্দেশ্য বুজি পাইছিল। তৎক্ষণাত তেওঁলোকে কলে, এইটোতো কোনো সাধাৰণ কথা নহয়। ই সম্পূৰ্ণ চয়তানৰ কথা।এওঁ আমাক বিভ্ৰান্ত কৰিবলৈ আহিছে। এজন যুৱকে তেওঁৰ খুৰাৰ হতুৱাই কথাটি হজৰত মহম্মদ (ছাঃ)ৰ কৰ্ণ গোচৰ কৰিলে। হজৰত মহম্মদ (ছাঃ)য়ে আব্দুল্লাহ বিন উবাই বিন চলুল আৰু তেওঁৰ সঙ্গী সকলক মাতি পঠালে।তেওঁলোক আহিলত তেখেত (ছাঃ)য়ে তেওঁলোকক সুধিলে, ঘটনাটো কি হৈছিল ? আব্দুল্লাহ আৰু তেওঁৰ লগৰীয়াবোৰে লগে লগে কথাটো অস্বীকাৰ কৰিলে। আৰু কলে যে, ঘটনাটোৰ অপৰাধ আমাৰ ওপৰত জোৰ প্ৰৱল চপাই দিয়া হৈছে, প্ৰকৃততে তেনেকুৱা কোনো ঘটনাই ঘটা নাছিল। বিষয়টো আব্দুল্লাহ বিন উবাই বিন চুলুলৰ পুতেকেও জানিব পাৰিলে। সি তৎক্ষণাত হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত উপস্থিত হ'ল আৰু কলে, হে আল্লাহৰ নবী ! মোৰ পিতা আপোনাক অপমান কৰিছে। এওঁৰ শাস্তি মৃত্যু দণ্ড আৰু আপোনাৰ ফয়চলা যদি সেয়েই হয় তেন্তে মই বিচাৰো যে, আপুনি আদেশ কৰক মই মোৰ পিতৃক হত্যা কৰিম। যদি আপুনি এই আদেশ আন কোনো ব্যক্তিক দিয়ে আৰু যদি সেই ব্যক্তিৰ হাতত মোৰ পিতৃৰ মৃত্যু হয়; তেন্তে মই হয়তো সেই ব্যক্তিক হত্যা কৰি পিতৃ হত্যাৰ প্ৰতিশোধ ল'ব পাৰো। যাৰ ফলস্বৰূপে মই তেতিয়া আল্লাহৰ গজব (ধ্বংশ)ত নিপতিত হম। কিন্তু দয়ালু নবী হজৰত মহম্মদ (ছাঃ)য়ে কলে, নহয়, মোৰতো এই ধৰণৰ কোনো ইচ্ছা নাই। বৰঞ্চ মই তেওঁৰ সৈতে নম্ৰ ব্যৱহাৰ হে কৰিম আৰু তেওঁক দয়া কৰিম।

(ইবনে হিশাম: ২য় খণ্ড, ১২৯ পৃ:)

পুতেক আব্দুল্লাহ যেতিয়া দেখিলে যে, তেওঁৰ পিতৃৰ বিশ্বাস ঘাতকতা আৰু অবমাননা সূচক উক্তিৰ প্ৰতিউত্তৰে হজৰত মহম্মদ (ছাঃ)য়ে অনুকামণা প্ৰদৰ্শন কৰিছে; তেতিয়া তেওঁৰ ঈমান (বিশ্বাস) আৰু বৃদ্ধি হ'ল। আৰু নিজ পিতৃৰ বিৰুদ্ধে তেওঁৰ ক্ৰোধ আৰু বৃদ্ধি পালে। সেনাবাহিনী যেতিয়া মদিনাৰ ওচৰা-ওচৰি স্থান আহি পালে, তেতিয়া সি আগ বাঢ়ি গৈ তেওঁৰ পিতৃৰ সন্মুখত খুলা খুলি থিয় দিলে আৰু কলে, মই তোমাক মদিনাত প্ৰৱেশ কৰিবলৈ নিদিও। যেতিয়ালৈকে তুমি হজৰত মহম্মদ (ছাঃ)ৰ বিৰুদ্ধে উচ্চাৰিত কৰা কথা প্ৰত্যাহাৰ নকৰা। যি মুখৰ পৰা আল্লাহৰ নবী নিন্দিত আৰু ঘৃণিত আনকি তুমি নিজে সন্মানিত বাক্য ওলাইছা; সেই মুখ দিয়েই তুমি ক'ব লাগিব যে আল্লাহৰ নবীয়েই সন্মানিত আৰু তুমি হে নিন্দিত আৰু ঘৃণিত ব্যক্তি। যেতিয়ালৈকে তুমি এই কথা নকবা, তেতিয়ালৈকে মই তোমাক এক খোজ অগ্ৰহৰ হ'ব নিদিও। আব্দুল্লাহ বিন উবাই বিন ছুলুল হতবিম্ব হ'ল। সি বৰকৈ ভীত হৈ পৰিল। শেষত কলে, হে মোৰ পুত্ৰ ! মই তোমাৰ সৈতে একমত। হজৰত মহম্মদ (ছাঃ)সন্মানিত আৰু মইয়েই নিন্দিত আৰু ঘৃণিত। যুৱক জনে তেতিয়া তেওঁৰ পিতৃৰ বাট এৰি দিলে।
(তাবাকাতে কবীৰ, ইবনে চাদ: ১ম খণ্ড ২য় অংশ পৃ: ৪৬)

## মদিনাৰ ওপৰত সমগ্ৰ আৰবৰ সন্মিলিত আক্ৰমণ খন্দক (খাল)ৰ যুদ্ধ

ইতি পূৰ্বে ইহুদী সকলৰ দুটা গোত্ৰৰ কথা কোৱা হৈছে; যি সকলে যুদ্ধ বিগ্ৰহ, হত্যা-কলহ আৰু হত্যাকাণ্ডৰ উদ্দেশ্যে চক্ৰান্ত কৰাৰ অপৰাধত মদিনা এৰি গুচি গৈছিল।তেওঁলোকৰ এটা গোত্ৰ বনু নাজীৰৰ এটা অংশ  হিজৰত কৰি ছিৰিয়াৰ পিনে গৈছিল।এটা অংশ হিজৰত কৰি মদিনাৰ পৰা দক্ষিণে খায়বাৰ নামৰ এটা চহৰত গৈছিল। খায়বাৰ আৰবৰ ইহুদী সকলৰ এটা বৃহৎ কেন্দ্ৰ আৰু দুৰ্গৰ দ্বাৰা আবৃত এখন চহৰ আছিল।তাত গৈ বনু নাজীৰ গোত্ৰটোৱে মুছলমানৰ বিৰুদ্ধে আৰব সকলৰ মাজত উত্তেজনা সৃষ্টি কৰিব ধৰিলে।যদিও মক্কাবাসী সকলে  প্ৰথমৰ পৰাই মুছলমান সকলৰ বিৰুদ্ধে আছিল।সেই বাবে তেওঁলোকৰ নতুনকৈ কোনো উচটনিৰ কোনো প্ৰয়োজন হোৱা নাছিল।একেদৰে নজদেৰ গোৎফাল নামৰ গোত্ৰটি যাৰ আৰবত যথেষ্ট প্ৰতি পত্তি আছিল; তাৰ লোকে মক্কাবাসী সকলৰ সৈতে বন্ধুত্ব থকাৰ হেতুকে ইছলামৰ শত্ৰুতাত লিপ্ত হ'ল। ইহুদী সকলে এতিয়া কুৰাইশ্ব আৰু নাজদেৰ গোৎফান গোত্ৰক উত্তেজিত

কৰাৰ উপৰিও বনু ছালিম আৰু বনু আছাদ নামৰ শক্তিশালী গোত্ৰ দুটাক মুছলমান সকলৰ বিৰুদ্ধে উত্তেজিত কৰি তুলিবলৈ আৰম্ভ কৰিলে। ঠিক তদ্ৰূপ ইহুদী সকলৰ সৈতে চুক্তি বদ্ধ থকা বনু ছায়দ নামৰ গোত্ৰটিক ইহুদী সকলে মক্কাৰ কুৰাইশ্ব সকলৰ লগত যোগ দিয়াৰ বাবে প্ৰস্তুত কৰি তুলিলে। দীৰ্ঘ দিন চক্ৰান্তৰ পাছত আৰবৰ সমূহ শক্তিশালী গোত্ৰবোৰৰ মাজত এটা ঐক্যবদ্ধ সংহতি গঢ়ি তুলে। এই ঐক্যবদ্ধ সংহতিত মক্কাবাসী সকলেও আছিল আৰু মক্কাৰ চৌপাশৰ গোত্ৰ সমূহও আছিল। ইয়াৰ বাহিৰেও এই ঐক্যবদ্ধ সংগঠনত নজদ আৰু মদিনাৰ দক্ষিণ অঞ্চলবোৰৰ গোত্ৰ সমূহও যোগ দিছিল। এই সংগঠনত ইহুদী সকল অৱশ্যেই আছিল। এই সকলো গোত্ৰ সন্মিলিত ভাবে মদিনাৰ উপৰত আক্ৰমণ চলোৱাৰ বাবে এটি বিশাল শক্তিশালী সেনা বাহিনী গঠন কৰিলে। এই সময়টো আছিল পঞ্চম হিজৰীৰ ৬২৭ খৃষ্টাব্দৰ ফেব্ৰুৱাৰী মাহ।

(ইবনে হিশাম: ২য় খণ্ড পৃ:১৩৭ উইলিয়াম মুইৰ ৰচিত লাইফ অফ মহম্মদ)

ঐতিহাসিক সকলে উক্ত সেনাবাহিনীৰ সৈন্য সংখ্যা ১০ (দহ) হাজাৰৰ পৰা ২৪ (চব্বিশ) হাজাৰ পৰ্য্যন্ত নিৰূপন কৰিছিল। কিন্তু সমগ্ৰ আৰব দেশৰ এটা সন্মিলিত বাহিনীৰ সৈন্য সংখ্যা ১০ (দহ) হাজাৰ হ'ব নোৱাৰে। গতিকে ২৪ (চব্বিশ) হাজাৰ যি সকলে কৈছিল তেওঁলোকৰ হিচাপ অধিক নিৰ্ভুল আছিল। তথাপি এই সৈন্য সংখ্যা যে ওঠৰ/বিশ হাজাৰ আছিল তাক নিশ্চিত ভাবে ক'ব পাৰো। আনহাতে মদিনা এখন সৰু চহৰ আছিল। সেই চহৰৰ ওপৰত সমগ্ৰ আৰবৰ সন্মিলিত সৈন্য বাহিনীৰ আক্ৰমণ কোনো সাধাৰণ বিষয় নাছিল।মদিনাৰ ল'ৰা, বুঢ়া আৰু যুৱকসহ সকলো পুৰুষৰ সংখ্যা আছিল মাত্ৰ তিনি হাজাৰ।প্ৰয়োজন মাত্ৰ এই তিনি হাজাৰ মানুহ বাহিৰ হ'ব পাৰিছিল।ইহঁতৰ বিৰুদ্ধে শত্ৰু সৈন্যৰ সংখ্যা বিশ বা চৌবিশ হাজাৰ আছিল।তেওঁলোক প্ৰত্যেকেই সু-দক্ষ সৈনিক যুৱক আৰু যুদ্ধ বিদ্যাত পাৰদৰ্শী আছিল।যেতিয়া চহৰৰ ভিতৰৰ পৰা চহৰখন ৰক্ষা কৰাৰ প্ৰশ্ন উঠে তেতিয়া তাত ল'ৰা,বুঢ়া সকলোৱে সমানে অংশ গ্ৰহণ কৰিব পাৰে।কিন্তু যেতিয়া দূৰ-দূৰণিলৈ সেনা বাহিনীয়ে যুদ্ধ কৰিবলৈ যায়; তেতিয়া কেৱল যুৱক আৰু শক্তিশালী লোকেহে যুদ্ধত অংশ গ্ৰহণ কৰিব পাৰে।গতিকে নিশ্চিত ভাৱে ক'ব পাৰো যে,শত্ৰুৰ সৈন্যৰ বিশ বা চব্বিশ হাজাৰ যিয়েই নহওক কিয় তেওঁলোক সকলোৱেই শক্তিশালী যুৱক আৰু সুদক্ষ সৈনিক আছিল।বিপৰীতে মদিনাৰ সকলো পুৰুষৰ সংখ্যা শিশু যুৱক,বুঢ়া খোৰা মিলি তিনি হাজাৰ হোৱাই কঠিন আছিল।তথাপি যদি মদিনাৰ সৈন্য সংখ্যা যদি তিনি হাজাৰ ধৰা হয়,তেন্তে শত্ৰুৰ সৈন্য সংখ্যা সেই তুলনাত সৰ্বমুঠ চল্লিশ হাজাৰ পৰ্যন্ত হ'ব।যদি শত্ৰুৰ সৈন্য সংখ্যা বিশ হাজাৰ বুলি ধৰা হয়; তেন্তে সেই ক্ষেত্ৰত মদিনাৰ প্ৰকৃত সৈন্যৰ সংখ্যা হ'ব এক হাজাৰ

পাঁচ শ।

হজৰত মহম্মদ (ছাঃ) য়ে শত্ৰুৰ এই বিশাল সেনাবাহিনী আৰু তেওঁলোকৰ আক্ৰমণৰ প্ৰস্তুতি সম্পৰ্কে সংবাদ অৱগত হ'ল।তেতিয়া তেখেত (ছাঃ)য়ে চাহাবী সকলক মাতি পৰামৰ্শ বিচাৰিলে যে, এই পৰিস্থিতিত কি কৰা যায়?সেই চাহাবী সকলৰ মাজত হজৰত ছুলেমান ফাৰ্ছী (ৰাঃ) উপস্থিত আছিল।তেওঁৱেঁই পাৰস্য প্ৰথম মুছলমান আছিল।তেখেত (ৰাঃ)ক হজৰত মহম্মদ (ছাঃ)য়ে সুধিলে,এনেকুৱা পৰিস্থিতিত তোমালোকৰ দেশত কি কৰা হয়?তেখেত (ৰাঃ)য়ে কলে,হে আল্লাহৰ ৰছুল! চহৰ যেতিয়া সুৰক্ষিত নাথাকে আৰু সৈন্য সংখ্যা কম থাকে তেতিয়া আমাৰ দেশৰ মানুহে চহৰৰ চতুৰ্দিশে খাল (খন্দক) খনন কৰে আৰু ভিতৰত অৱস্থান কৰি চহৰ ৰক্ষা কৰে। হজৰত মহম্মদ (ছাঃ)য়ে হজৰত ছুলেইমান (ৰাঃ)ৰ এই প্ৰস্তাৱ পছন্দ কৰিলে।মদিনাৰ এক দিশত সৰু সৰু পাহাৰ আছিল আন দিশত ঘন জন বসতি পূৰ্ণ অঞ্চল আছিল; য'ত ঘৰবোৰ ওচৰা-ওচৰি আছিল।যাৰ মাজেৰে মাত্ৰ কিছু সংখ্যক গলিৰ বাহিৰে শত্ৰু প্ৰৱেশ কৰিব নোৱাৰিব। অন্য দিশত কিছু ঘৰবাড়ী,ফল-মুলৰ বাগিছা আৰু দূৰত ইহুদী গোত্ৰ বনু কোৰাইজৰ দুৰ্গ আছিল। যিহেতু এই গোত্ৰটোৱে মুছলমান সকলৰ সৈতে ঐক্যৰ চুক্তি কৰিছিল;সেই হেতুকে এই অঞ্চলটোক সুৰক্ষিত বুলি ভৱা হৈছিল। চতুৰ্থ দিশটো কেৱল মুকলি পথাৰ আছিল। এই দিশতেই বিপদৰ আশাঙ্খা অধিক আছিল।

হজৰত মহম্মদ (ছাঃ) সিদ্ধান্ত ললে যে, এই মুকলি পথাৰৰ দিশতেই খাল খনন কৰা হ'ব; যাতে শত্ৰু আকস্মাৎ (হঠাৎ) চহৰৰ ভিতৰত প্ৰৱেশ কৰিব নোৱাৰে। গতিকে তেখেত (ছাঃ)য়ে প্ৰতি দহ গজ খনন কৰাৰ বাবে দহ জনকৈ লোকক দায়িত্ব দিলে। এই ভাবে প্ৰায় এক মাইল দৈৰ্ঘৰ এটা খাল খনন কৰা হ'ল। যেতিয়া খাল খনন কাৰ্য্য চলি আছিল তেতিয়া এই ঠাইত মাটিৰ তলত এটা এনেকুৱা শিল ওলায়; যাক কোনো মতেই ভাঙা সম্ভৱ হোৱা নাছিল। চাহাবা (ৰাঃ) সকলে বিষয়টো ৰচুল কৰিম (ছাঃ)ক অৱগত কৰালে। তেখেত (ছাঃ)য়ে নিজে তাতগৈ নিজ হাতে কোৰ ধৰিলে আৰু খুব জোৰে শিলটোৰ ওপৰত আঘাত কৰিলে। কোৰৰ আঘাতত পাথৰৰ পৰা জুইৰ স্ফুলিংগ হিচৰিত হৈ গ'ল। তেখেত (ছাঃ)য়ে লগে লগে তকবীৰ দি উঠিল **আল্লাহু আকবাৰ** । আকৌ তেখেত (ছাঃ)য়ে কোৰ মাৰিলে পুনৰ স্ফুলিংগৰ পোহৰ হিচৰিত হোৱা দেখি তেখেত (ছাঃ)য়ে পুনৰ তকবীৰ দিলে **আল্লাহু আকবাৰ** । তৃতীয় বাৰ কোৰ মাৰাত পুনৰ অগ্নি স্ফুলিংগৰ জ্যোতি প্ৰত্যক্ষ কৰে আৰু পাথৰ ভাঙি যায়।

এইবাৰো তেখেত (ছাঃ)য়ে তকবীৰ দি উঠিল আল্লাহু আকবাৰ। ঘটনা প্ৰত্যেক্ষ কৰি চাহাবা (ৰাঃ) সকলে হজৰত মহম্মদ (ছাঃ)ক সুধিলে, হে আল্লাহৰ ৰছুল ! আপুনি কিয় তিনিও বাৰ আল্লাহু আকবাৰ ধ্বনি উচ্চাৰণ কৰিলে ? প্ৰতি উত্তৰত হজৰত মহম্মদ (ছাঃ)য়ে কলে, শিলত কোৰৰ আঘাতত তিনিও বাৰ যি অগ্নি স্ফুলিংগ নিৰ্গত হৈ ছিটিকি পৰিছিল; সেই তিনিও বাৰেই আল্লাহ পাক মোক ইছলামৰ ভৱিষ্যৎ উন্নতিৰ দৃশ্যৱলী দেখুৱাইছিল। প্ৰথম বাৰ পোহৰৰ বিজুলীয়ে মোক ৰোমান সাম্ৰাজ্যৰ ছিৰিয়াৰ মহলবোৰ দেখুৱাছে। দ্বিতীয় বাৰ পথাৰৰ বগা (শুভ্ৰ) মহলবোৰ দেখুৱা হৈছে আৰু পাৰস্য সাম্ৰাজ্যৰ চাবিবোৰ মোক দিয়া হৈছে। তৃতীয় বাৰ পোহৰৰ জিলিকিনীয়ে মোক ছানাৰ তোৰণ দুৱাৰ দেখুৱা হৈছে আৰু ইয়ামিন ৰাজ্যৰ চাবিবোৰ দিয়া হৈছে। সেই গতিকে তোমালোকে আল্লাহ তায়লাৰ এই অঙ্গীকাৰৰ উপৰত দৃঢ় বিশ্বাস ৰাখা।
(আছ ছিৰাতুন হালবিয়া: ২য় খণ্ড, পৃ: ২৪৩ যুৰকানী: ২য় খণ্ড, ছিৰাত ইবনে হিশাম ২য় খণ্ড পৃ:১২৯)

ইমান স্বল্প সংখ্যক লোকে, ইমান দৈৰ্ঘ্যৰ এটা খাল সামৰিক কৌশল অনুসৰি খান্দিব নোৱাৰিছিল। গতিকে, এই খালে মাত্ৰ ইমানখিনি ফল দিব পাৰে যে, শত্ৰু সৈন্য হঠাৎকৰি ভিতৰত প্ৰৱেশ কৰিব নোৱাৰিব। এনে খাল অতিক্ৰম কৰা শত্ৰু সৈন্যৰ বাবে কোনো কঠিন কাম নাছিল। সেয়া প্ৰতিয়মান হ'ব ইয়াৰ পৰৱৰ্তী ঘটনাবোৰৰ পৰা। শত্ৰু সকলেও মদিনাৰ পৰিৱেশ, পৰিস্থিতি সকলো অৱগত আছিল। গতিকে তেওঁলোকও ঠিক কৰি ৰাখিছিল যে, মুকলি পথাৰৰ ফালৰ পৰাই আক্ৰমণ চলাব লাগিব। সেইবাবে শত্ৰু সকলৰ সৈন্যবাহিনী এই মুকলি পথাৰৰ দিশ দিয়েই মদিনাত প্ৰৱেশ কৰাৰ বাবে অগ্ৰহৰ হ'ল। এই সংবাদ হজৰত ৰছুল কৰিম (ছাঃ)য়ে পালে। তেতিয়া তেখেত (ছাঃ)য়ে ততালিকে চহৰৰ অন্যান্য দিশবোৰ পহৰা দিয়াৰ বাবে কিছুসংখ্যক লোক প্ৰেৰণ কৰিলে। বাকী প্ৰায় ১২০০ (বাৰ শ) লোকক লৈ তেখেত (ছাঃ)য়ে খাল পহৰা দিয়াৰ বাবে অগ্ৰসৰ হ'ল।

## খন্দক (খাল)ৰ যুদ্ধৰ সময়ত ইছলামী সৈন্য সংখ্যা কিমান আছিল ?

খন্দকৰ যুদ্ধৰ সৈন্য সংখ্যাৰ হিচাপলৈ ঐতিহাসিক সকলৰ মাজত যথেষ্ট মতানৈক্য আছে। কোনোৱে কোনোৱে লিখিছে, এই সৈন্য সংখ্যা তিনি হাজাৰ আছিল, কোনোৱে লিখিছে মুছলমানৰ সৈন্য সংখ্যা বাৰ/তেৰ শ আছিল আকৌ কোনোৱে লিখিছে এই সৈন্য সংখ্যা সাত শ আছিল। এই বৃহৎ মত পাৰ্থক্যৰ সমাধান এক জটিল কাম।

গতিকে ঐতিহাসিক সকলেও ইয়াৰ সমাধান দিব পৰা নাই। কিন্তু এই মতানৈক্য তাৎপৰ্য্য মোৰ ওচৰত পৰিস্কাৰ।সেয়া হ'ল, এই তিনিও প্ৰকাৰ বৰ্ণনা সঠিক। কোৱা হৈছে যে, উহুদৰ যুদ্ধত মুনাফেক (কপটাচাৰী) সকল গুচি যোৱাৰ পাছত মুছলমান সৈন্য সংখ্যা সাত শ আছিল। ইয়াৰ মাত্ৰ দুই বছৰ পাছতেই এই খন্দকৰ যুদ্ধ সংগঠিত হয়। এই সময় চোৱাত কোনো ডাঙৰ গোত্ৰও মুছলমান হৈ মদিনালৈ অহা নাছিল। গতিকে, এই সময়ৰ ভিতৰত মুছলমান সৈন্য সংখ্যা সাত শ ৰ পৰা বৃদ্ধি হৈ তিনি হাজাৰ হোৱা সম্ভৱ নাছিল। আনহাতে এই ধাৰণা কৰাৰো সুযোগ নাই যে, উহুদৰ যুদ্ধৰ দুই বছৰ পাছত ইছলামৰ উন্নতি হোৱা সত্ত্বেও যুদ্ধ কৰাৰ বাবে উপযুক্ত লোকৰ সংখ্যা সেয়াই আছিল, যি উহুদৰ যুদ্ধৰ সময়ত আছিল। সেই বাবে উক্ত দুয়ো বৰ্ণনা বিবেচনা কৰিলে ক'ব পাৰো যে, উভয় বৰ্ণনা সঠিক আছিল। খন্দকৰ যুদ্ধৰ সময়ত যুদ্ধ কৰাৰ বাবে উপযুক্ত লোকৰ সংখ্যা বাৰ শ (১২০০) আছিল। এতিয়া অৱশিষ্ট থাকিল এই প্ৰশ্ন যে, তেনেহলে কিয় কোনোৱে এই সংখ্যা তিনি হাজাৰ, আকৌ কোনোৱে ইয়াৰ সংখ্যা সাত শ (৭০০) বুলি কৈছে ? ইয়াৰ উত্তৰ হ'ল, এই দুই বৰ্ণনা দুটা পৃথক অৱস্থা আৰু দৃশ্যৰ আছিল। খন্দকৰ পৰ্য্যায় তিনিটা আছিল। এটা পৰ্য্যায় হ'ল, যেতিয়া শত্ৰু সৈন্য মদিনাৰ ওচৰ আহি পোৱা নাছিল আৰু খাল খনন কাৰ্য্য চলিয়েই আছিল। সৰু সৰু ল'ৰাবোৰে মাটি বহন কাৰ্য্যত অংশ গ্ৰহণ কৰিছিল আৰু কেতিয়াবা মহিলা সকলেও এই কাৰ্য্যত লিপ্ত আছিল। অৰ্থাৎ খাল খনন কাৰ্য্যৰ সময়ত মুছলমান সৈন্য সংখ্যা নাৰী, পুৰুষ, শিশু সহ তিনি হাজাৰ আছিল। এই তিনি হাজাৰৰ মাজত কিছু সংখ্যক মহিলা খাল খনন কাৰ্য্য নকৰিলেও মাটি পেলোৱা কাৰ্য্যত অংশ গ্ৰহণ কৰিছিল। এয়া মোৰ ব্যক্তিগত ধাৰণা নহয়, ইয়াক ইতিহাসতো সমৰ্থন পোৱা যায়। উল্লেখ আছে যে, যেতিয়া খাল খন্দাৰ সময় উপস্থিত হ'ল; তেতিয়া সকলো ল'ৰাক জমা কৰা হ'ল আৰু সকলো পুৰুষক সি বুঢ়াই হওঁক অথবা ডেকাই হওঁক খাল খনন কাৰ্য্যত সহায় কৰাৰ বাবে নিয়োজিত কৰা হ'ল। যেতিয়া শত্ৰু আহি পৰিল আৰু যুদ্ধ আৰম্ভ হ'ল, তেতিয়া হজৰত মহম্মদ (ছাঃ)য়ে পোন্ধৰ (১৫) বছৰৰ তলৰ ল'ৰাবোৰক তাৰ পৰা গুচি যোৱাৰ নিৰ্দেশ দিলে। আৰু যি সকলৰ বয়স (১৫) পোন্ধৰ বছৰ পূৰ্ণ হৈছিল, সিহঁতক অনুমতি দিলে যে, সিহঁতে ইচ্ছা কৰিলে থাকিব পাৰে নতুবা যাবও পাৰে।

(আছ ছিৰাতুল হালবিয়া ২য় খণ্ড; পৃ:৩৪৪)

এই বৰ্ণনাৰ পৰা বুজা যায় যে, খাল খননৰ সময়ত মুছলমানৰ সংখ্যা বেছি আছিল।কিন্তু যুদ্ধৰ সময়ত এই সংখ্যা কম আছিল। কাৰণ নাবালক সকলক তাৰ পৰা আঁতৰি যোৱাৰ বাবে আদেশ দিয়া হৈছিল। গতিকে, যিবোৰ বৰ্ণনাত তিনি হাজাৰৰ কথা উল্লেখ কৰা

হৈছে, সেবোৰ বৰ্ণনা হ'ল খাল খননৰ সময়ৰ সংখ্যা। যেতিয়া সৰু সৰু ল'ৰা নাবালক আৰু নাৰীও সংযুক্ত আছিল। যেতিয়া যুদ্ধ আৰম্ভ হৈছিল তেতিয়াৰ হিচাপ হ'ল (১২০০) বাৰ শ। কাৰণ তেতিয়া বয়স্ক পুৰুষ সকলহে আছিল। এতিয়া বাকী থাকিল সেই বৰ্ণনাৰ কথা য'ত সাত শ (৭০০) ৰ কথা কোৱা হৈছে।এই বৰ্ণনাও সঠিক নে ?এই প্ৰশ্নৰ উত্তৰ হ'ল।এই বৰ্ণনা দিছে ইবনে ইছহাক যি এজন বিশ্বস্ত অথৰিটি আছিল।তেওঁৰ বৰ্ণনাত জোৰ সমৰ্থন কৰিছে।ইবনে হাজমৰ তুলনাত এজন প্ৰসিদ্ধ ঐতিহাসিকে।গতিকে এই বৰ্ণনাতো কোনো সন্দেহৰ অৱকাশ নাই।এই বৰ্ণনাও সঠিক বুলি তেতিয়া প্ৰমাণিত হয়।যেতিয়া আমি ইতিহাসত বৰ্ণিত অন্যান্য ঘটনাৰ প্ৰতি দৃষ্টিনিক্ষেপ কৰো।যুদ্ধকালীন সময়ত বনু কোৰাইজাৰ লোকে প্ৰতিশ্ৰুতি ভঙ্গ কৰি কাফেৰ সকলৰ সেনা বাহিনীত যোগদান কৰিছিল।তেওঁলোকৰ উদ্দেশ্য আছিল যে,তেওঁলোকে মদিনাৰ ওপৰত আক্ৰমণ চলাব।কিন্তু তেওঁলোকৰ এই চক্ৰান্ত ফাদিল হৈ যায়। গতিকে যি দিশত বনু কোৰাইজৰ গোত্ৰ আছিল; হজৰত মহম্মদ (ছাঃ)য়ে সেই দিশত ৰক্ষাৰ ব্যৱস্থা গ্ৰহণৰ প্ৰয়োজনীয়তা বোধ কৰে। প্ৰথমে সেই দিশত ৰক্ষাৰ ব্যৱস্থা কৰা হোৱা নাছিল।কাৰণ বনু কোৰাইজাৰ সৈতে মৈত্ৰী চুক্তি আছিল যে,তেওঁলোকে সেই দিশেৰে শত্ৰু সৈন্য প্ৰৱেশ কৰিব নিদিব। সেই বাবে ইতিহাসৰ পৰা জনা যায় যে, যেতিয়া বনু কোৰাইজাৰ বিশ্বাস ঘাতকতাৰ কথা গম পোৱা গ'ল; আৰু যিহেতু প্ৰথম বনু কোৰাইজাৰ ওপৰত বিশ্বাস কৰিয়েই তেওঁলোকৰ দুৰ্গৰ অঞ্চলত মহিলা সকলক ৰখা হৈছিল লগতে সিহঁতৰ সুৰক্ষাৰ বিশেষ প্ৰয়োজন বোধ কৰা হোৱা নাছিল। সেই বাবে হজৰত মহম্মদ (ছাঃ)য়ে এতিয়া সিহঁতৰ পূৰ্ণ সুৰক্ষাৰ ব্যৱস্থা গ্ৰহণ কৰিলে আৰু দুটা সৈন্য দল গঠন কৰি মহিলা সকলৰ সেই অঞ্চলত প্ৰেৰণ কৰিলে।মুছলিম বিন হাৰিছ(ৰাঃ)ক তিনিশ (৩০০) সৈন্য দি আন এক ঠাইত প্ৰেৰণ কৰিলে আৰু নিৰ্দেশ দিলে যে, মাজে সময়ে তেওঁলোকে যেন উচ্চ ধ্বনিৰে তকবিৰ দি থাকে, যাতে বুজায় যায় যে,খন্দকৰ যুদ্ধৰ সৈন্যৰ সংখ্যা ইবনে ইছহাক কিয় সাত শ বুলি কৈছে।কাৰণ ১২০০ (বাৰ শ) সৈন্য অৱশেষত ৭০০ (সাত শ ) হৈ আহিছিল।এই বাবে খাল বা খন্দকৰ যুদ্ধৰ সৈন্যৰ সংখ্যাক লৈ মতানৈক্য দেখা যায় সেয়া দুৰীভূত হয়।আচলতে এই ভয়াবহ বিপদজনক অৱস্থাত খাল ৰক্ষাৰ বাবে হজৰত ৰছুল কৰিম (ছাঃ)ৰ সৈতে মাত্ৰ সাত শ (৭০০) সৈন্য আছিল।ইয়াত কোনো সন্দেহ নাই যে,তেখেত (ছাঃ)য়ে অতি কৌশলৰে এই খাল খনন কাৰ্য্য কৰিছিল। তথাপি শত্ৰুৰ ইমান বৃহৎ সেনা বাহিনীক প্ৰতিহত কৰাৰ বাবে এই ক্ষুদ্ৰ এটি সেনাদল কোনো মতেই যথেষ্ট নাছিল। তথাপি পৰম কৰুণাময় আল্লাহ্ তায়লাৰ সাহায্যৰ ওপৰত নিৰ্ভশীল হৈ এই ক্ষুদ্ৰ সেনা বাহিনীৰ দলে পূৰ্ণ ঈমান আৰু বিশ্বাসৰ সৈতে খালৰ পিছত থাকি শত্ৰুৰ বিশাল বাহিনীৰ অপেক্ষায় বাট চাই থাকিল। মহিলা আৰু সৰু সৰু ল'ৰাবিলাক পৃথক

পৃথক স্থানত ৰাখিলে।শত্ৰু যেতিয়া খাল পৰ্যন্ত আহি পালে; তেতিয়া তেওঁলোকে হতবিম্ব হৈ গ'ল। কাৰণ আৰবৰ ইতিহাসত কেতিয়াও কাকো এনে কৌশল যুদ্ধৰ বাবে অৱলম্বন কৰা হোৱা দেখা পোৱা নগৈছিল। এনেকুৱা যুদ্ধৰ বাবে সিহঁতে কেতিয়াও প্ৰস্তুত নাছিল। তেওঁলোকে সেই খালৰ সন্মুখত শিবিৰ স্থাপন কৰিলে। আৰু মদিনাত প্ৰৱেশ কৰাৰ উপায় সন্ধান কৰিব ধৰিলে।

যিহেতু মদিনাৰ এটা অঞ্চল খাল আবৃত্ত আছিল আন এটা অঞ্চল পাহাৰ সৰু সৰু পাহৰৰ টিলা, শক্তিশালী ঘৰ আৰু বাগিছাৰে আবৃত্ত আছিল।সেইবাবে শত্ৰু সৈন্য সকলে সেই অঞ্চলেদি আক্ৰমণ কৰিব নোৱাৰিছিল। গতিকে তেওঁলোকে পৰামৰ্শ কৰি স্থিৰ কৰিছিল যে,ইহুদী সকলে বনু কোৰাইজাৰ গোত্ৰৰ মৈত্ৰী স্থাপন কৰিব লাগিব। ইয়াৰ ফলত মদিনা পৰ্যন্ত উপস্থিত হোৱা বাট পোৱা যাব।গতিকে পৰামৰ্শ অনুসৰি পূৰ্বে পৰিত্যাক্ত বনু নজীৰ গোত্ৰৰ চৰ্দাৰ হাই ইবনে আকতাৰ যি এবাৰ সমগ্ৰ আৰবক একগোট কৰি মদিনাৰ ওপৰত আক্ৰমণ চলোৱাৰ বাবে চক্ৰান্ত কৰিছিল; তাক কাফেৰ সকলৰ সেনাপতি আবু ছুফিয়ান এই উদ্দেশ্যত নিয়োজিত কৰিলে যে, সি যেন যিকোনো প্ৰকাৰে বনু কোৰাইজাক সন্মত কৰি তেওঁলোকক এই যুদ্ধত অংশ গ্ৰহণ কৰাব পাৰে।সেই অনুসৰি হাই ইবনে আখতাৰ ইহুদীসকলৰ দুৰ্গত যায় আৰু বনু কোৰাইজাৰ নেতৃ বৃন্দৰ সৈতে সাক্ষাৎ কৰিব বিচাৰে।প্ৰথমে তেওঁক সাক্ষাৎকাৰ দিবলৈ তেওঁলোকে অস্বীকাৰ কৰে। কিন্তু তেওঁ সিহঁতক বুজালে যে,এইবাৰ তেওঁ আৰব মুছলমানক ধ্বংস কৰাৰ বাবে সন্মিলিত ভাবে আহিছে আৰু এইবাৰ মুছলমান সকলে কোনো ভাবেই তেওঁলোকৰ মুখামুখী হ'বলৈ সক্ষম নহ'ব।এইবাৰ সেনাবাহিনী মুছলমান সকলৰ বিৰুদ্ধে মাৰ বান্ধি থিয় হৈছে; তেওঁলোকক সেনা বাহিনী বুলি কলে ভুল কৰা হ'ব বৰঞ্চ তাক সৈন্য সামন্তৰ এক উজ্জ্বল মহা সাগৰ বুলি ক'ব লাগিব।এই ধৰণৰ উচটনিমুলক কথা বাৰ্তাৰে তেওঁ বনু কোৰাইজা গোত্ৰক অৱশেষত বিশ্বাস ঘাতকতা কৰিবলৈ আৰু মুছলমানৰ সৈতে থকা ঐক্যবদ্ধ চুক্তি ভঙ্গ কৰিবলৈ সন্মত কৰালে। সিদ্ধান্ত গৃহীত হ'ল যে, কাফেৰ সৈন্য বাহিনী সন্মুখৰ পৰা খাল অতিক্ৰম কৰাৰ চেষ্টা কৰিব আৰু তেওঁলোকে যেতিয়া মদিনাৰ সেই অংশৰ ওপৰত আক্ৰমণ চলাব যি ঠাইত মহিলা আৰু শিশু সকল অৰিক্ষিত অৱস্থাত বনু কোৰাইজাৰ প্ৰতি আস্থাত ৰখা হৈছে। ফল স্বৰূপে এনেকৈ মুছলমান সকলৰ সমূহ সামৰিক শক্তিক সম্পূৰ্ণ ৰূপে ধ্বংস কৰা সম্ভৱ হ'ব। একেলগে মুছলমান নাৰী,পুৰুষ ল'ৰা বুঢ়া সকলোকে হত্যা কৰা সম্ভৱ হ'ব।এয়া নিশ্চিত যে কাফেৰ সকলৰ এই ষড়যন্ত্ৰ যদি কম বেছি পৰিমাণে ফলপ্ৰসূ হ'লহেঁতেন তেন্তে মুছলমান সকলৰ বাবে আত্ম ৰক্ষাৰ আন কোনো স্থান বা উপায় নাথাকিলেহেঁতেন।বনু কোৰাইজা মুছলমান সকলৰ সৈতে মৈত্ৰ চুক্তিত আৱদ্ধ আছিল। যদিও সিহঁতে প্ৰকাশ্যে

যুদ্ধত মুছলমান সকলৰ লগত অংশ নহ'লহেঁতেন।তথাপি মুছলমান সকলে সঙ্গত কাৰণে এই প্ৰত্যাশাই কৰিলেহেঁতেন যে, সিহঁতৰ ফালৰ পৰা মদিনাৰ ওপৰত আক্ৰমণ কৰা সম্ভৱ নহয়।এই কাৰণে সেই ফালটো সম্পূৰ্ণ অৰক্ষিত ৰখা হৈছিল।বনু কোৰাইজা আৰু কাফেৰ সকলে মুছলমান সকলৰ এই অৱস্থাৰ প্ৰতি লক্ষ্য ৰাখিয়েই এই সিদ্ধান্ত লৈছিল যে, কাফেৰ সকলৰ সৈতে বনু কোৰাইজাৰ মিলা-প্ৰীতিৰ সংবাদ কোনো প্ৰকাৰেই জানিব নোৱাৰে। যদি জানিব পাৰে তেনেহলে মুছলমান সকলে সেই অঞ্চল অৱশ্যেই সুৰক্ষিত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব।ক'বলৈ অতি ৰঞ্জিত যে,এই ষড়যন্ত্ৰ সাংঘাতিক বিপদজনক আছিল।

মুছলমান সকলক পৰিত্যাগ কৰি শত্ৰুৰ সৈতে বনু কোৰাইজাৰ মিত্ৰতা হোৱাত ইছলামী সৈন্যৰ ওপৰত কাফেৰ সৈন্য বাহিনীৰ প্ৰচণ্ড আক্ৰমণৰ সময়ত মদিনাৰ সেই দিশ য'ত বনু কোৰাইজা গোত্ৰৰ দুৰ্গ আছিল তাক ৰক্ষা কৰা মুছলমান সকলৰ বাবে অসম্ভৱ আছিল।মুছলমান সকলৰ ওপৰত উভয় দিশৰ পৰা আক্ৰমণ সম্পন্ন কৰাৰ পাছত মক্কাৰ সেনা বাহিনীয়ে খালৰ ওপৰত আক্ৰমণ আৰম্ভ কৰিলে। প্ৰথম কিছুদিন সিহঁতে বুজিবই নোৱাৰিলে যে,তেওঁলোকে খাল কেনেকৈ পাৰ হ'ব ? কিছুদিন পাছত তেওঁলোকে এটি উপায় কৰিলে যে,তীৰন্দাজ সৈন্যবিলাকে ওখ ওখ ঠাইত থিয় হৈ সেই সকল মুছলমান সৈন্যৰ ওপৰত তীৰ (কাড়) নিক্ষেপ আৰম্ভ কৰিব যি সকলে সৰু সৰু দলত বিভক্ত হৈ খাল (সুৰঙ্গ) পহৰা দিয়া কাৰ্য্যত নিয়োজিত আছে। যেতিয়া ধাৰাসাৰে (কাড়) তীৰ বৰ্ষণ আৰম্ভ হ'ল,তেতিয়া মুছলিম সৈন্য বাহিনীয়ে উপায় নাপাই বাধ্য হৈ পিছ হোহঁকিব ধৰিলে। এই সুযোগত শত্ৰু পক্ষৰ আশ্বাৰোহী সৈন্য খাল অতিক্ৰম কৰাৰ চেষ্টা চলালে।তেওঁ ভাৱিলে এনে আক্ৰমণৰ ফলত অৱশ্যেই কোনো নহয় কোনো স্থান শূন্য কৰা যাব আৰু সেই স্থান দিয়েই পদাতিক সৈন্য বাহিনী খাল অতিক্ৰম কৰি যাব পাৰিব।তেওঁলোকে এই আক্ৰমণ ইমান দ্ৰুত ভাবে চলাই থাকিল যে, মুছলমান সকলে নি:শ্বাস পেলোৱাৰ অৱকাশ পোৱা নাছিল। আনকি এদিনাখন ইমান প্ৰচণ্ড আক্ৰমণ চোৱা হ'ল যে, মুছলমান সকলে সময়মতে নমাজ পঢ়িবও নোৱাৰিলে।যাৰ ফলত হজৰত মহম্মদ (ছাঃ)য়ে ইমান দুঃখ পাইছিল যে,তেখেত (ছাঃ)য়ে কৈছিল, পৰম কৰুণাময় আল্লাহ তায়লা যেন কাফেৰ সকলক শাস্তি দিয়ে।কাৰণ তেওঁলোকে আমাক নমাজো পঢ়িব নিদিলে। (বুখাৰী ২য় খণ্ড কিতাবুল মাগামী বাব গজৱাতুল খন্দক)

যদিও মই এই ঘটনা বৰ্ণনা কৰিছোঁ শত্ৰুৰ প্ৰচণ্ড আক্ৰমণৰ কথা কোৱাৰ বাবে

তথাপি ইয়াৰ মাজত হজৰত মহম্মদ (ছাঃ)ৰ এটি উজ্জ্বল চৰিত্ৰৰ এটা দিশো স্পষ্ট প্ৰকট হৈ উঠিছে।ইয়াৰ পৰা উপলব্ধি কৰা যায় যে,পৃথিৱীৰ বুকুত হজৰত মহম্মদ (ছাঃ)আটাইতকৈ প্ৰিয় বিষয় এক আল্লাহৰ এবাদতকাৰী (উপাসনাকাৰী) আছিল। শত্ৰু সৈন্যই যেতিয়া চাৰিওফালৰ পৰা মদিনা বেৰি ধৰিছিল,যেতিয়া মদিনাৰ সকলো পুৰুষ মানুহে পৃথক হৈ গৈছিল;আৰু মহিলা, শিশু সকলোৱে বিপদাপন্ন হৈ পৰিছিল;তেতিয়া প্ৰতি মুহূৰ্তে মদিনা বাসীৰ প্ৰাণ এই আতংকত কপিছিল যে,নাজানো কেতিয়া শত্ৰু মদিনাৰ ভিতৰত প্ৰৱেশ কৰে। ঠিক সেই সময়তো হজৰত মহম্মদ (ছাঃ)ৰ এটি ইচ্ছা ব্যক্ত হৈছে যে, পৰম কৰুণাময় আল্লাহৰ এবাদত যেন যথা সময়ত কৰা হয়। মুছলমান সকলৰ এবাদত হিন্দু,খ্ৰীষ্টান ইহুদী সকলৰ নিচিনা এবাৰ কৰা নহয়।বৰঞ্চ মুছলমান সকলৰ এবাদত দিন ৰাতিত পাঁচ বাৰ কৰা হয়।অনুৰূপ বিপদাপন্ন অৱস্থাতো কোনো মানুহৰ পক্ষেই দিনত এবাৰ নমাজ পঢ়াই কঠিন কাম।পাঁচ বাৰ দূৰৰ কথা।সেয়া আকৌ জমাতৰ সৈতে নিয়মিত ভাৱে পঢ়া। কিন্তু এই মহা বিপদাপন্ন অৱস্থাতো হজৰত মহম্মদ (ছাঃ)য়ে যথা সময়ত নিয়মিত জমাতৰ সৈতে পাঁচ ওৱাক্ত নমাজ আদায় কৰিছিল। যদি এদিনও শত্ৰুৰ প্ৰচণ্ড আক্ৰমণৰ বাবে তেখেত (ছাঃ) য়ে প্ৰিয় প্ৰভুৰ নাম সুস্ত আৰু শান্তিৰে ল'ব নোৱাৰিছিল তেতিয়া তেখেত (ছাঃ)য়ে হৃদয়ত কঠিন দুঃখ পাইছিল।

এই সময়তে শত্ৰু সকলে সন্মুখৰ পৰা আক্ৰমণ চলাইছিল। পিছফালৰ পৰা আক্ৰমণ কৰাৰ বাবে বনু কোৰাইজা বাট চাই আছিল। কোনো সুযোগ পালেই তেওঁলোকে মদিনাত প্ৰৱেশ কৰিব আৰু মহিলা লগতে শিশু সকলক হত্যা কৰি পেলাব।গতিকে বনু কোৰাইজা এদিন এজন গুপ্তচৰক প্ৰেৰণ কৰিলে যাতে তেওঁ অনুসন্ধান আনি দিব পাৰে যে, মহিলাসকল আৰু শিশুসকল অৰক্ষিত আছেনে বা যথেষ্ট সৈন্য সংখ্যাৰে সুৰক্ষিত আছে। তাত এখন বিশেষ প্ৰাচিৰ ঘেৰা অঞ্চল আছিল যাৰ ভিতৰত সেই বিশেষ বিশেষ পৰিয়ালৰ লোকক একেলগে ৰখা হৈছিল যি সকল লোক শত্ৰুৰ বিশেষ লক্ষ্য স্থল আছিল।সেই নিৰ্দিষ্ট অঞ্চলত আহি গুপ্তচৰটোৱে চৌদিশে ঘূৰি ফুৰিছিল আৰু অতি গোপনে সন্ধান লৈছিল যে,মুছলমান সৈন্য সকলে কোনো ঠাইত আত্ম গোপন কৰি আছেনেকি ?যেতিয়া চোৰাংচোৱা জনে সন্দেহজনক সতৰ্কৰে চাই আছিল তেতিয়া হজৰত মহম্মদ (ছাঃ)ৰ পেহী আই হজৰত ছাফিয়া (ৰাঃ) তেওঁক দেখিছিল।সেই সময়ত ঘটনা স্তলিত পহৰা হিচাপে মাত্ৰ এজন পুৰুষ মানুহ আছিল আৰু তেওঁ অসুস্থ আছিল। হজৰত ছাফিয়া (ৰাঃ)য়ে তেওঁক কলে,এজন ব্যক্তি বহু সময় ধৰি মহিলা সকলৰ অঞ্চলৰ ওচৰে-পাজৰে ঘূৰি ফুৰিছে আৰু সি উভতি যোৱাৰো কোনো লক্ষণ দেখা নাই।সি চৌপাশে ঘূৰি ফুৰি প্ৰত্যক্ষ কৰি আছে গতিকে সি কোনো গুপ্তচৰ

(চোৰাংচোৱা) হ'ব। তুমি মানুহজনক আটক কৰা নহলে শত্ৰু সকলে ইয়াৰ অৱস্থা জানিব পাৰিলে আকস্মাৎ আক্ৰমণ কৰি পেলাব। কিন্তু সেই অসুস্থ চাহাবী (ৰাঃ)য়ে অপৰাগতা প্ৰকাশ কৰিলে।তেতিয়া হজৰত ছাফিয়া নিজেই টান বাহৰ লাঠি লৈ সেই চোৰাংচোৱা ব্যক্তিক আক্ৰমণ কৰিলে। আৰু অন্যান্য মহিলাৰ সাহায্যত তেওঁক হত্যা কৰিলে। পিছত অনুসন্ধান যোগে অৱগত হ'ল যে, মানুহজন অৱশ্যই গুপ্তচৰ আছিল। কাৰণ এই ঘটনাত মুছলমান সকল বেছিকৈ উদ্বিগ্ন হৈ পৰিল। কাৰণ, তেতিয়া বিষয়টো স্পষ্ট হৈ গ'ল যে, মদিনাৰ এই অঞ্চল এতিয়া আৰু সুৰক্ষিত নাই। অলপ সন্মুখৰ দিশত শত্ৰুৰ আক্ৰমণ ইমান প্ৰচণ্ড আছিল যে, তেওঁলোকে এই পিনে পহৰাৰ কোনো ব্যৱস্থা কৰিব নোৱাৰিছিল। তথাপি হজৰত মহম্মদ (ছাঃ)য়ে স্ত্ৰীলোক সকলক আৰু ল'ৰা-ছোৱালীহঁতক ৰক্ষাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিছিল। পূৰ্বে উল্লেখিত বাৰশ (১২০০) সৈন্যৰ পাঁচ শ  (৫০০) সৈন্যক ল'ৰা-ছোৱালীৰ আৰু মহিলা সকলৰ ৰক্ষাৰ বাবে চহৰৰ মাজত প্ৰেৰণ কৰিলে। তেতিয়া খাল ৰক্ষাৰ বাবে থাকিল শত্ৰু পক্ষৰ ওঠৰৰ পৰা বিশ হাজাৰ সৈন্যৰ তুলনাত মাত্ৰ সাতশ (৭০০) সৈন্য। এই পৰিস্থিতিত বহু মুছলমান শংকিত হৈ হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত আহি আবেদন কৰিলে; হে আল্লাহৰ ৰছুল ! অৱস্থাতো বৰ্তমান অতি বিপদজনক হৈ উঠিছে; মদিনা ৰক্ষা কৰাৰ কোনো উপায় দেখা নাই। এই সংকট অৱস্থাত আপুনি পৰম কৰুণাময় আল্লাহ তায়লাৰ ওচৰত মুক্ত কণ্ঠে নিজাকৈ প্ৰাৰ্থনা কৰক আৰু আমাক এনেকুৱা বিশেষ প্ৰাৰ্থনা শিকাই দিয়ক যাতে আল্লাহৰ কৃপা আমাৰ ওপৰত অৱতীৰ্ণ হয়। তেতিয়া দয়ালু নবী হজৰত মহম্মদ (ছাঃ)য়ে কলে, তোমালোকে ভয় নকৰিবা। তোমালোকে পৰম কৰুণাময় আল্লাহৰ ওচৰত বিনম্ৰ ভাবে এই প্ৰাৰ্থনা কৰি থাকা যে, সি যেন তোমালোকৰ মাজত থকা দুৰ্বলতা সমূহ পৰ্দাৰে আৱৰি দিয়ে আৰু তোমালোকৰ হৃদয়ক দৃঢ় কৰে, লগতে সকলো উদ্বেগ বা উগুল-মোগুলৰ উপশম কৰে। ইয়াৰ পাছত তেখেত (ছাঃ)য়ে নিজেও এই প্ৰাৰ্থনা কৰিলে,

اَللّٰهُمَّ مُنْزِلَ الْكِتٰبِ سَرِيْعَ الْحِسَابِ اِهْزِمِ الْاَحْزَابَ اَللّٰهُمّ اهْزِمْهُمْ وَزَلْزِلْهُمْ

(বুখাৰী 2 য় খণ্ড)

অৰ্থঃ হে আল্লাহ ! মোৰ ওপৰত পৱিত্ৰ গ্ৰন্থ কোৰাণ অৱতীৰ্ণ কৰিছা আৰু অতি দ্ৰুত তোমাৰ ভৃত্যৰ পৰা হিচাপ গ্ৰহণ কৰা। তুমি এই বাহিনীক যি সন্মিলিত ভাবে আমাক আক্ৰমণ কৰিববলৈ আহিছে তেওঁলোকক পৰাজয় বৰণ কৰি দিয়া আৰু আমাক তেওঁলোকৰ ওপৰত বিজয় দান কৰা। তেওঁলোকৰ সমূহ হীন চক্ৰান্তক ছিন্ন বিছিন্ন কৰি ধূলিসাৎ

কৰি দিয়া। একেদৰে এই প্ৰাৰ্থনাও কৰিলে, (বুখাৰী ২য় খণ্ড, কিতাবুল মাগমী বাবু গাজুৱাতুল খন্দক)

يَا صَرِيْخَ الْمَكْرُوْبِيْنَ يَامُجِيْبَ الْمُضْطَرِّيْنَ
اكْشِفْ هَمِّيْ وَ غَمِّيْ وَ كَرْبِيْ فَاِنَّكَ تَرٰى مَانَزَلَ بِيْ وَ بِاَصْحَابِيْ

অৰ্থঃ হে শোক গ্ৰস্ত আৰু দুঃখ গ্ৰস্ত মানুহৰ প্ৰাৰ্থনা শ্ৰৱণকাৰী ! হে উদ্বিগ্ন আৰু আতংকিত মানুহৰ প্ৰাৰ্থনাৰ উত্তৰ দানকাৰী; মোৰ দুঃখ কষ্ট, উদ্বেগ আৰু আশাঙ্কা আঁতৰ কৰি দিয়া। তুমি নিশ্চয় অৱগত আছা; যি সকল দুঃখ-কষ্টৰ সন্মুখীন মই আৰু মোৰ সঙ্গী সকলে হ'ব লাগিছে।
(আছ্ ছিৰাতুল হালবিয়া: ২য় খণ্ড, পৃ:৩৫৩)

## কপটাচাৰী আৰু মোমিন সকলৰ অৱস্থা

এই পৰিস্থিতিত কপটাচাৰী সকলে অতিশয় ভীত হৈছিল। আনকি ভয়ত তেওঁলোকে নিজৰ জাতিৰ সন্মানৰ কথা, চহৰৰ নিৰাপত্তাৰ কথা, স্ত্ৰী আৰু ল'ৰা-ছোৱালীবোৰৰ ৰক্ষাৰ কথাও পাহৰি গৈছিল। কিন্তু যিহেতু তেওঁলোকে নিজৰ নিজৰ গোত্ৰ আগত অপমানিত বা লাঞ্চিত হ'ব বিচৰা নাছিল; সেই হেতুকে তেওঁলোক বিভিন্ন ছলনাত সেনাবাহিনীৰ পৰা পলাই যোৱাৰ সুযোগ বিচাৰিছিল। এওঁলোকৰ সম্পৰ্কে পৱিত্ৰ কোৰাণত উল্লেখ আছে,

وَيَسْتَأْذِنُ فَرِيْقٌ مِّنْهُمُ النَّبِيَّ يَقُوْلُوْنَ اِنَّ بُيُوْتَنَا عَوْرَةٌ
وَمَا هِيَ بِعَوْرَةٍ ۚ اِنْ يُّرِيْدُوْنَ اِلَّا فِرَارًا ⑭ (33:14)

অৰ্থঃ আৰু সিহঁতৰ এদল হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত আহি অনুমতিৰ প্ৰাৰ্থনা এই বুলি কৰিছিল যে, তেওঁলোকক ৰণক্ষেত্ৰৰ পৰা আঁতৰি যাবলৈ অনুমতি দিয়া হওঁক। সঁচাকৈয়ে আমাৰ ঘৰবোৰ জন শূন্য হৈ আছে অথচ প্ৰকৃততে সেইবোৰ জনশূন্য হৈ পৰা নাছিল; যুদ্ধক্ষেত্ৰৰ পৰা সিহঁতে পলাবলৈ হে উপায় বিচাৰিছিল। (33:14) সিহঁতে আৰু কলে, যিহেতু এতিয়া ইহুদী সকলো বিপক্ষে আঁতৰি গৈছে; সেই হেতুকে, মদিনা ৰক্ষাৰ আন কোনো উপায় নাই। গতিকে আমাক অনুমতি দিয়ক আমি উভতি গৈ আমাৰ ঘৰ ৰক্ষা কৰো।কিন্তু সিহঁতৰ এই উক্তি যে সিহঁতৰ গৃহসমূহ অৰক্ষিত অৱস্থাত আছে, ই সম্পূৰ্ণ ভুল। কাৰণ সেই গৃহ সমূহ অৰক্ষিত নাছিল। সম্পূৰ্ণই সুৰক্ষাৰ বাবে স্বয়ং খোদা তায়লা প্ৰস্তুত আছিল।সিহঁত কেৱল ভয়ৰ বাবেহে যুদ্ধ ক্ষেত্ৰৰ পৰা পলাব বিচাৰিছিল। এই সময়ত মুছলমান সকলৰ যি অৱস্থা আছিল, সেই সম্পৰ্কে পৱিত্ৰ

কোৰাণত কোৱা হৈছে,

اِذْ جَآءُوْكُمْ مِّنْ فَوْقِكُمْ وَمِنْ اَسْفَلَ مِنْكُمْ وَاِذْ زَاغَتِ الْاَبْصَارُ وَبَلَغَتِ الْقُلُوْبُ الْحَنَاجِرَ وَتَظُنُّوْنَ بِاللّٰهِ الظُّنُوْنَا ۝١١ هُنَالِكَ ابْتُلِيَ الْمُؤْمِنُوْنَ وَزُلْزِلُوْا زِلْزَالًا شَدِيْدًا ۝١٢ وَاِذْ يَقُوْلُ الْمُنٰفِقُوْنَ وَالَّذِيْنَ فِيْ قُلُوْبِهِمْ مَّرَضٌ مَّا وَعَدَنَا اللّٰهُ وَرَسُوْلُهٗٓ اِلَّا غُرُوْرًا ۝١٣

وَاِذْ قَالَتْ طَّآئِفَةٌ مِّنْهُمْ يٰٓاَهْلَ يَثْرِبَ لَا مُقَامَ لَكُمْ فَارْجِعُوْا ۚ

(33:11-14)

অৰ্থঃ সেই সঙ্কটময় সময়ৰ কথা স্মৰণ কৰা। যেতিয়া সিহঁত তোমালোকৰ ওপৰেদি আৰু তোমালোকৰ তলেদি তোমালোকৰ ওচৰ পাইছিল আৰু যেতিয়া তোমালোকৰ চকুবোৰ ওলটি গৈছিল আৰু (হৃদয়) অন্তৰ সমূহ ডিঙিৰ ওচৰ পাইছিল আৰু আল্লাহৰ সম্বন্ধে তোমালোকে নানা প্ৰকাৰ অযথা অনুমান কৰিব লাগিছিলা।এনে বিপদৰ অৱস্থাত (মোমিন) বিশ্বাসী সকলক পৰীক্ষাত পেলোৱা হৈছিল আৰু তেওঁলোকক ভীষণ কঁপনিৰে কঁপোৱা হৈছিল। আৰু স্মৰণ কৰা! যেতিয়া কপটাচাৰী সকলে আৰু যিবিলাকৰ অন্তৰসমূহত ব্যাধি আছিল সিহঁতে ক'ব ধৰিলে,আল্লাহ আৰু তেওঁৰ ৰচুলে আমাৰ প্ৰতি এনে প্ৰতিশ্ৰুতি দিছিল যি প্ৰতাৰণামূলক। আৰু স্মৰণ কৰা ! যেতিয়া সিহঁতৰ আৰু এটা দলে চিঞৰি কৈছিল, হে মদিনা বাসী সকল তোমালোকৰ নিমিত্তে ইয়াত থিয় দিবলৈ কোনো ঠাই নাই; গতিকে মদিনালৈ উভতি যোৱা (33:11-14) যেতিয়া সিহঁতৰ এটা দল গৈ মোমিন সকলক ক'ব ধৰিলে, এতিয়া কোনো দুৰ্গ ই তোমালোকক আৰু ৰক্ষা কৰিব নোৱাৰিব। গতিকে তোমালোকে ইয়াৰ পৰা পলায়ন কৰা। কিন্তু সেই মোমিন সকলৰ সম্পৰ্কে কোৰাণত কোৱা হৈছে,

وَلَمَّا رَاَ الْمُؤْمِنُوْنَ الْاَحْزَابَ ۙ قَالُوْا هٰذَا مَا وَعَدَنَا اللّٰهُ وَرَسُوْلُهٗ وَصَدَقَ اللّٰهُ وَرَسُوْلُهٗ ۫ وَمَا زَادَهُمْ اِلَّآ اِيْمَانًا وَّتَسْلِيْمًا ۝٢٣

مِنَ الْمُؤْمِنِيْنَ رِجَالٌ صَدَقُوْا مَا عَاهَدُوا اللّٰهَ عَلَيْهِ ۚ فَمِنْهُمْ مَّنْ قَضٰى نَحْبَهٗ وَمِنْهُمْ مَّنْ يَّنْتَظِرُ ۖ وَمَا بَدَّلُوْا تَبْدِيْلًا ۝٢٤

(33:23-24)

অৰ্থঃ আৰু যেতিয়া বিশ্বাসী সকলে মিত্ৰ জাতিৰ সৈন্য দলক দেখা পালে তেওঁলোক ক'ব ধৰিলে, আল্লাহ্ আৰু তাৰ ৰছুল আমাক যি প্ৰতিশ্ৰুতি দিছিল।সি এয়ে।আল্লাহ আৰু তাৰ ৰছুল সত্য কথাহে কৈছিল, আৰু এই ঘটনাই তেওঁলোকৰ বিশ্বাস আৰু আত্মসমৰ্পনৰ অনুৰাগ বৃদ্ধিহে কৰিছিল। বিশ্বাসী সকলৰ মাজত এনে সকল মানুহ আছিল যি সকলে আল্লাহৰ সৈতে কৰা অঙ্গীকাৰ পূৰ্ণ কৰিছিল; আৰু তেওঁলোকৰ মাজৰ কিছুমানে তেওঁলোকৰ কৰা ব্ৰত সম্পূৰ্ণ ৰূপে পালন কৰিছিল আৰু তেওঁলোকৰ কাৰ্য্য সম্পূৰ্ণ কৰিবলৈ এতিয়াও অপেক্ষা কৰি আছে; আৰু তেওঁলোকৰ (সংকল্পৰ) অকণো পৰিৱৰ্তন হোৱা নাই। (33:23-24)

কপটাচাৰী আৰু দুৰ্বল ঈমানৰ লোকৰ তুলনাত মোমিন সকলৰ অৱস্থা এনে আছিল। তেওঁলোকৰ ঈমান আৰু আনুগত্য অধিক দৃঢ় হৈছিল।তেওঁলোকে আল্লাহৰ সৈতে অঙ্গীকাৰ কৰিছিল আৰু তাক ৰক্ষাও কৰিছিল।বহুতে নিজৰ জীৱন দিও প্ৰতিশ্ৰুতি ৰক্ষা কৰিছিল। আকৌ বহুতে নিজৰ জীৱন উচৰ্গা কৰা সুযোগ নাপালেও প্ৰতি মুহূৰ্তত এই সুযোগৰ অপেক্ষাত বাট চাই আছিল।যদি খোদাৰ বাটত জীৱন দিয়াৰ সিহঁতে সুযোগ পায় তেন্তে তৎক্ষণাত প্ৰাণ বিসৰ্জন দিব। প্ৰথম দিনাই তেওঁলোকে যি প্ৰতিশ্ৰুতি আল্লাহৰ সৈতে কৰিছিল,যাক সিহঁতে নিষ্ঠাৰে পালন কৰি গৈ আছিল।

## ইছলামত মৃত শৰ দেহৰ সন্মান

যি সকল সৈন্য খাল অতিক্ৰম কৰাৰ বাবে আক্ৰমণ চলাইছিল কেতিয়াবা তেওঁলোকে কৃতকাৰ্যও হৈছিল।আনকি এদিনাখন কাফেৰ সকল ডাঙৰ ডাঙৰ কেইজনমান সেনাপতি খাল অতিক্ৰম কৰি ইপাৰে আহি গ'ল। কিন্তু মুছলমান সৈন্য সকলে ইমান সাহসৰে বীৰত্বৰ সৈতে আক্ৰমণ চলালে যে,কাফেৰ সৈন্য পিছ হোহঁকিবলৈ বাধ্য হ'ল।আনকি খাল অতিক্ৰম কৰি পুনৰ পলাই যোৱাৰ সময়ত কাফেৰ সকলৰ এজন ডাঙৰ চৰ্দাৰ নওফেলৰ মৃত্যু হৈছিল। নওফেল ডাঙৰ প্ৰভাৱশালী নেতা আছিল যে, কাফেৰ সকলে ভাৱিলে,যদি তেওঁৰ শব দেহৰ অপমান কৰা হয়; তেন্তে আৰব দেশত সিহঁত মুখ দেখুৱাৰ কোনো স্থান নাথাকিব। সেই বাবে তেওঁলোকে হজৰত ৰছুলে কৰিম (ছাঃ)ৰ ওচৰত বাৰ্তা প্ৰেৰণ কৰিলে যে, যদি তেখেত (ছাঃ) য়ে সেই নওফেলৰ শব দেহ ঘূৰাই দিয়ে তেন্তে তেওঁলোকে হজৰত মহম্মদ (ছাঃ)ক দহ হাজাৰ স্বৰ্ণ মুদ্ৰা দিবলৈ প্ৰস্তুত আছে।সেই মানুহবিলাকৰ ধাৰণা এইটোৱেই আছিল যে,যিদৰে তেওঁলোকে মুছলিম নেতা সকলৰ শব দেহ আনকি স্বয়ং হজৰত মহম্মদ (ছাঃ)ৰ খুৰাদেউৰ শব দেহৰো নাক কাণ কাটি উহুদৰ যুদ্ধত সিহঁতৰ মৃত দেহৰ অপমান কৰিছিল। হয়তো

সেই ভাবেই আজি মুছলমান সকলেও সিহঁতৰ সেই নেতাৰ অঙ্গছেদন কৰি অপমান কৰিব। কিন্তু ইছলামৰ ৰীতি-নীতি সম্পূৰ্ণ পৃথক।ইছলামত মৃত ব্যক্তিৰ শব দেহৰ অপমান কৰাৰ কোনো অনুমতি দিয়া নহয়।গতিকে যেতিয়া এই সংবাদ হজৰত ৰছুলে কৰিম (ছাঃ)ৰ ওচৰত আহিল,তেতিয়া তেখেত (ছাঃ)য়ে কলে,এই শব দেহৰ আমি কি কৰিম ? এই মৃত দেহ আমাৰ কোনো কামত আহিব যাৰ বাবে আমি তোমালোকৰ পৰা বিনিময়ত মূল্য গ্ৰহণ কৰিম।ইচ্ছা কৰিলে তোমালোকে শব দেহ লৈ যাব পাৰা।এই লৈ আমাৰ একো কৰিবলগীয়া নাই।(আছ ছিৰাতুল হালবিয়া ২য় খণ্ড,পৃঃ ৩৪৫)

## মুছলমান সকলৰ ওপৰত সন্মিলিত বাহিনীৰ আক্ৰমণ

এই দিনবোৰত কাফেৰ সকলে মুছলমান সকলৰ ওপৰত যি ভয়ানক ভাৱে আক্ৰমণ চলাইছিল সেই বিষয়ে মুইৰে লিখিছে,

পিছ দিনা ৰাতিপুৱা হজৰত মহম্মদ (ছাঃ)য়ে দেখা পালে যে,সমগ্ৰ সেনা বাহিনী সন্মিলিত ভাৱে আক্ৰমণ চলোৱাৰ বাবে প্ৰস্তুত হৈ আছে। তেওঁলোকৰ আক্ৰমণ প্ৰতিৰুধ কৰাৰ বাবে অতি সতৰ্কতাৰে প্ৰতি মুহূৰ্তে প্ৰস্তুত থকা প্ৰয়োজন। মাজে সময়ে সিহঁতে সমবেত আক্ৰমণ চলাই থাকিল।আকৌ কেতিয়াবা কেতিয়াবা বিভিন্ন দলত বিভক্ত হৈ বিভিন্ন কিল্লাত আক্ৰমণ চলাই থাকিল। যেতিয়া কোনো এটা কিল্লাক(দুৰ্গক) সামান্য অৰক্ষিত অৱস্থাত পাইছিল তেতিয়া সিহঁতে সকলো সৈন্য একেলগ কৰিছিল আৰু বিৰতিহীন ভাৱে জাকে জাকে তীৰ নিক্ষেপ কৰিছিল আৰু তাৰ সুযোগত খাল অতিক্ৰম কৰাৰ চেষ্টা কৰিছিল খালিদ আৰু আমৰৰ নিচিনা বিখ্যাত সেনাপতিৰ নেতৃত্বত সৈন্য সকলে চহৰত প্ৰৱেশ কৰাৰ বাবে এটি প্ৰচণ্ড আক্ৰমণ চলাই থাকিল।এটা সময়ত হজৰত মহম্মদ (ছাঃ)ৰ শিবিৰো শত্ৰু সৈন্যৰ আক্ৰমণৰ অধীনত আহে।কিন্তু মুছলিম সৈন্যৰ দুৰ্দমনীয় প্ৰতিৰোধ অবিৰাম তীৰ বৰ্ষণ আক্ৰমণকাৰীক পলাই যাবলৈ বাধ্য কৰে। এনেকুৱা আক্ৰমণ গোটেই দিন চলি থাকিল। যিহেতু হজৰত মহম্মদ (ছাঃ)ৰ সৈন্য সৰ্বমুঠ মাত্ৰ সেই দীৰ্ঘ খাল পহৰা দিয়াৰ বাবে প্ৰয়োজনীয় সংখ্যকহে আছিল। সেই হেতুকে সিহঁতৰ বিশ্ৰামৰো কোনো অৱকাশ নাছিল।লাহে লাহে ৰাতি হৈ গ'ল।কিন্তু খালিদ এটা আশ্বাৰোহী সেনাদল লৈ ৰাতিও আক্ৰমণ অব্যাহত ৰাখিলে আৰু প্ৰতিৰক্ষা ভেদ কৰাৰ চেষ্টা চলাই থাকিল।ফলত মুছলমান সকলে ৰাতিও দুৰৱীৰ কাৰ্য্যত নিয়োজিত থাকিব লাগিল।কিন্তু শত্ৰুৰ সমূহ প্ৰচেষ্টা ব্যৰ্থ হ'ল। খাল অতিক্ৰম কৰা সিহঁতৰ পক্ষে সম্ভৱ নহ'ল।(The life of Mohammad by Willum Muir 1878 ,page no311)

এই যুদ্ধ ক্ৰমাগত দুই দিন চলিল। তথাপি উভয় পক্ষৰ মাজত কোনো হতাহতি নহ'ল। চব্বিশ (২৪) ঘণ্টাৰ যুদ্ধত সন্মিলিত বাহিনীৰ মাত্ৰ তিনিজন সৈন্য আৰু মুছলমান সকলৰ মাত্ৰ পাচঁজন নিহিত হ'ল। এই আক্ৰমণত আওছ গোত্ৰৰ নেতা ছায়াদ বিন মুৱাজ (ৰাঃ) যিজন হজৰত মহম্মদ (ছাঃ)ৰ এজন ঘনিষ্ঠ আৰু একনিষ্ঠ চাহাবী আছিল, তেওঁ গুৰুতৰ ভাবে আহত হ'ল। আক্ৰমণৰ পাছত আক্ৰমণ সংগঠিত হোৱাৰ ফলত খালৰ (খন্দক) এটা কোন ভাঙি পৰিছিল আৰু সেই পিনে দি আক্ৰমণ চলোৱা সহজ হৈছিল। হজৰত মহম্মদ (ছাঃ)ৰ সাহসিকতা আৰু লগতে মুছলমান সকলৰ বাবে তেখেত (ছাঃ)ৰ মঙ্গল কামনাৰ অৱস্থা এনেকুৱা আছিল যে, তেখেত (ছাঃ)য়ে ৰাতি প্ৰচণ্ড শীতৰ মাজতো উঠি উঠি খালৰ উক্ত স্থানলৈ গৈছিল আৰু পহৰা দিছিল।

হজৰত আয়েশা ছিদ্দিকা (ৰাঃ)য়ে কৈছিল,পহৰা দিওতে দিওতে তেখেত (ছাঃ)ক্লান্ত হৈ পৰিছিল আৰু প্ৰচণ্ড ঠাণ্ডাৰ কোপত প্ৰায়েই অৱশ হৈ পৰিছিল,কোনো মতে উভতি আহি বিছনাত অলপ সময় মোৰ পাশত লেপ গাত মেৰিয়াই শুই থাকি শৰীৰটো অকণমান উষ্ণ কৰিলৈ পুনৰ সেই স্থান পহৰা দিবলৈ গৈছিল।এইদৰে সদায় উজাগৰে থাকি এদিন তেখেত (ছাঃ)য়ে সম্পূৰ্ণ ৰূপে অৱসন্ন হৈ পৰিল আৰু ৰাতি কলে,হায়! যদি এই সময়ত কোনো নিষ্ঠাবান মুছলমান এই ঠাইত থাকিলেহেঁতেন; তেনেহলে মই অলপ জিৰণি ল’ব পাৰিলোঁহেঁতেন।তৎক্ষনাত বাহিৰত ছায়দ বিন আক্কাচৰ গলৰ শব্দ শুনা গ’ল। তেখেত (ছাঃ)য়ে সুধিলে,তাত কোন ?কোন আহিছে ?ছায়াদ কলে,মই আহিছো আপোনাৰ পহৰাৰ বাবে। তেখেত (ছাঃ)য়ে কলে, মোৰ পোহৰাৰ কোনো প্ৰয়োজন নাই। বৰং তুমি সেই ঠাইত যোৱা য’ত খালৰ পাৰ ভাঙি পৰিছে আৰু তাতেই পহৰা দিয়া যাতে মুছলমান সকলে ৰক্ষা পায়।( আছ ছিৰাতুল হালবিয়া,২য় খণ্ড; পৃঃ ৩৫৩)

গতিকে ছায়াদ উক্ত স্থানত পহৰা দিয়াৰ বাবে গুচি গ’ল।আৰু হজৰত মহম্মদ (ছাঃ)শুই পৰিল।আশ্চৰ্য্যৰ বিষয় এই যে,যেতিয়া হজৰত মহম্মদ (ছাঃ)য়ে প্ৰথম মদিনাত আহিছিল আৰু ভয়ানক বিপদ দেখা দিছিল;তেতিয়াও হজৰত ছায়াদ পহৰা দিয়াৰ বাবে আহিছিল।

যিয়েই নহওঁক কিয় সেই সময়ত আন এদিন হজৰত মহম্মদ (ছাঃ)য়ে যেতিয়া কিছু মানুহৰ চলাচলৰ শব্দ শুনা পালে,তেতিয়া তেখেত (ছাঃ)য়ে সুধিলে,তোমালোক কোন ? আবাদা বিন বছীৰ উত্তৰ দিলে হজুৰ মই।তেখেত (ছাঃ)য়ে আকৌ সুধিলে,তোমাৰ সৈতে আৰু কোন কোন আছে ? তেওঁ কলে, মোৰ সৈতে চাহাবী সকলৰ এটি জমাত আছে যি সকলে আপোনাৰ পহৰা দিবলৈ আহিছে।হজৰত মহম্মদ (ছাঃ)য়ে কলে,এই মুহূৰ্তত মুশ্বৰিক সকলে খাল অতিক্ৰম কৰাৰ চেষ্টা চলাই আছে।তাতে যোৱা আৰু তেওঁলোকক প্ৰতিৰোধ কৰা।মোৰ তম্বু (Tent) পহৰা বাদ দিয়া।

## বনু কোৰাইজা আৰু মুশ্বৰিক ( আল্লাহৰ লগত অংশী পাতা) সকলৰ মিলিত আক্ৰমণৰ প্ৰস্তুতি আৰু ব্যৰ্থতা

উপৰত উল্লেখ কৰা হৈছে যে,ইহুদী সকলে মদিনাত গোপনে প্ৰৱেশ কৰাৰ চেষ্টা

কৰিছিল আৰু সেই প্ৰচেষ্টাত সিহঁতৰ এজন গুপ্তচৰ নিহত হৈছিল। ইহুদী সকলে যেতিয়া এইটো বুজিব পাৰিলে যে, সিহঁতৰ চক্ৰান্ত ধৰা পৰিছে। তেতিয়া সিহঁতে প্ৰকাশ্য সাহসেৰে আৰব সকলক সহায় কৰা আৰম্ভ কৰিলে। যিহেতু মদিনাক পিছফালৰ পৰা আক্ৰমণ কৰা সুবিধাজনক নাছিল; কাৰণ এই ফালৰ পথাৰ সৰু আৰু মুছলমান সকলৰ সৈন্যও নিয়োজিত আছিল; সেই হেতুকে কিছুদিন পাছত উভয় পক্ষই সিদ্ধান্ত ললে যে, এক নিৰ্দিষ্ট সময়ত ইহুদী আৰু মুশ্বৰিক সকলৰ সৈন্যবিলাকে একেলগে মুছলমান সকলৰ ওপৰত আক্ৰমণ কৰিব।কিন্তু এই সময়ত আল্লাহ তায়লা এক আশ্চৰ্যজনক ভাৱে সাহায্য কৰিলে আৰু সেয়া হ'ল গোৎফান গোত্ৰৰ **নঈম** নামৰ এজন ব্যক্তি মনে মনে মুছলমান হৈছিল।এই ব্যক্তিও কাফেৰ সকলৰ সৈতে আহিছিল কিন্তু সি এই অপেক্ষাত বাট চাই আছিল যে,যদি কোনো সুযোগ তেওঁ পায়, তেন্তে মুছলমান সকলক সহায় কৰিব।অকলে এজন ব্যক্তি কি কৰিব পাৰে ? কিন্তু যেতিয়া সি দেখিলে যে,ইহুদী সকলেও কাফেৰ সকলৰ সৈতে মিলিত হৈছে আৰু অৱশ্যই এইবাৰ মুছলমান সকলৰ ৰক্ষা পোৱাৰ আন কোনো উপায় নাই।তেতিয়া **নঈম** চাহাব বৰকৈ চিন্তিত হ'ল আৰু তেওঁ স্থিৰ কৰিলে যে,এই ইহুদী সকলৰ ষড়যন্ত্ৰ ধুলি সাৎ কৰাৰ নিশ্চয় কিবা কৰিব লাগিব।

ইপিনে শত্ৰু সকলে যেতিয়া সিদ্ধান্ত গ্ৰহণ কৰিলে যে, তেওঁলোক উভয় পক্ষই সন্মিলিত হৈ যৌথ ভাৱে একেলগে আক্ৰমণ চলাব তেতিয়া **নঈম** চাহাবে বনু কোৰাইজাৰ গোত্ৰৰ ওচৰলৈ গ'ল আৰু তেওঁলোকৰ নেতৃ বৃন্দক কলে, যদি আৰব সকলৰ সেনা বাহিনী গুচি যায়,অথবা পশ্চাৎ গমন কৰে,তেন্তে ক'ব পাৰানে মুছলমান সকলে তোমালোকৰ সৈতে কি ব্যৱহাৰ কৰিব ?তোমালোকে মুছলমান সকলৰ সৈতে চুক্তিবদ্ধত আছা আৰু সেই চুক্তি ভঙ্গ কৰাৰ অপৰাধত তোমালোকৰ যি শাস্তি প্ৰাপ্য সেই কথা কেতিয়াও চিন্তা কৰিছানে ? **নঈম** চাহাবক সুধিলে,তেনেহলে আমি এতিয়া কি কৰিব পাৰো ? নঈম চাহাবে কলে,যিহেতু আৰব সকলে তোমালোকক যৌথ ভাৱে আক্ৰমণ কৰাৰ কথা কৈছে; সেই হেতুকে,তোমালোকেও এই চৰ্ত প্ৰেৰণ কৰা যে,আমাৰ কিল্লাসমূহ পহৰা দিয়াৰ বাবে তোমালোকৰ সত্তৰ (৭০)জন লোক জামিন স্বৰূপ পঠাই দিয়া।এই কথা কৈ **নঈম** চাহাব তাৰ পৰা মুশ্বৰিক সকলৰ ওচৰলৈ গ'ল আৰু তেওঁলোকক কলে,

এই ইহুদী সকল নিশ্চয় মদিনাৰ অধিবাসী।ইহঁতে যদি সুযোগ পাই তোমালোকৰ লগত বিশ্বাস ঘাতকতা কৰে,তেনেহলে সেই ক্ষেত্ৰত তোমালোকে কি কৰিবা ? যদি মুছলমান সকল সন্তুষ্ট কৰাৰ নিমিত্তে আৰু নিজৰ অপৰাধসমূহ ৰক্ষা কৰাৰ বাবে তোমালোকৰ পৰা জামিনদাৰ বিচাৰে আৰু সিহঁতক মুছলমান সকলৰ হাতত অৰ্পন

কৰে;তেনেহলে এই ক্ষেত্ৰত তোমালোকেকি কৰিবা ? আচলতে তোমালোকে সিহঁতক পৰীক্ষা কৰি চোৱা উচিত যে,আচলতে সিহঁতে ঠিক থাকিব নে নাই ? তাৰ বাবে সিহঁতক এতিয়াই তোমালোকৰ লগতে একেলগে আক্ৰমণ কৰিবলৈ ক'ব লাগিব।কাফেৰ সকলৰ নেতৃবৃন্দ নঈম চাহাবৰ এই পৰামৰ্শ সম্পূৰ্ণ সঠিক বুলি বিশ্বাস কৰিলে আৰু পিছদিনা ইহুদী সকলৰ ওচৰলৈ এই বাৰ্তা প্ৰেৰণ কৰিলে যে,আমি সন্মিলিত ভাৱে আক্ৰমণ কৰিব বিচাৰিছোঁ গতিকে তোমালোকে সকলো সৈন্য লৈ অহাকালি আক্ৰমণ কৰা।সিফালৰ পৰা বনু কোৰাইজা কৈ পঠালে যে,অহাকালি আমাৰ চাবাৎ দিৱস আমি এই দিনত যুদ্ধ কৰিব নোৱাৰিম।দ্বিতীয়তে আমি হলো মদিনাৰ অধিবাসী আৰু তোমালোক বাহিৰৰ। যদি তোমালোকে যুদ্ধ ক্ষেত্ৰৰ পৰা পলায়ন কৰা তেনেহলে আমাৰ কি অৱস্থা হ'ব ?গতিকে যদি তোমালোকে সত্তৰ (৭০) জন লোক জামিনদাৰ স্বৰূপ আমালৈ প্ৰেৰণ কৰা তেনেহলে যুদ্ধত অংশ গ্ৰহণ কৰিব পাৰো।

যিহেতু কাফেৰ সকলৰ মনত প্ৰথমৰে পৰাই  সন্দেহৰ উদ্ৰেক হৈছিল,সেই কাৰণে তেওঁলোকে ইহুদী সকলৰ এই দাবী পুৰণ কৰিবলৈ মান্তি নহ'ল।বৰঞ্চ তেওঁলোকে কৈ পঠালে,আমাৰ সৈতে যদি তোমালোকৰ ঐক্য ঠিক থাকে তেন্তে তোমালোকে এই ধৰণৰ দাবী কৰাৰ কোনো অৰ্থ নাই।এই ঘটনাত ইহুদী সকলৰ মনতো সন্দেহৰ সৃষ্টি হ'ল।এয়াও স্বাভাৱিক যে যেতিয়া সন্দেহৰ সৃষ্টি হৈ থাকে তেতিয়া সাহসো লাহে লাহে নি:শেষ হ'ব ধৰে।মনৰ মাজত এনেকুৱা সন্দেহ আৰু আশাঙ্খা লৈ কাফেৰ সৈন্যসকলে বিশ্ৰাম লোৱাৰ বাবে নিজৰ নিজৰ শিবিৰলৈ উভতি গ'ল।

ইপিনে খোদা তায়লা ঐশ্বৰিক সাহায্যৰ আন এক বাট মুকলি কৰি দিলে।প্ৰবল বতাহ বলিব ধৰিলে।যাৰ ফলত তাম্বু (Tent)ছিগি বতাহত উৰি যাব ধৰিলে চৌকাবোৰৰ ওপৰৰ ডেস্কি সমূহ উলটি পৰি জুই নুমি গ'ল।মুশ্বৰিক আৰব সকলৰ এটা কু-সংস্কাৰ আছিল যে,তেওঁলোকে সমগ্ৰ ৰাতি জুই ৰাখিছিল আৰু ইয়াক শুভ লক্ষণ বুলি ভাৱিছিল।কিন্তু অগ্নি নিৰ্বাপিত হোৱাত  অশুভ লক্ষণ বুলি স্থিৰ কৰিলে।গতিকে যি সকলৰ অগ্নি নুমাই গ'ল তেওঁলোকে আজিৰ দিনটো বেয়া বুলি ঠাৱৰ কৰিলে।সেই বাবে সেই দিনৰ কাৰণে তেওঁলোকে তম্বু লৈ যুদ্ধ ক্ষেত্ৰৰ পৰা পলাই যাব ধৰিলে আৰু স্থিৰ কৰিলে যে, এদিন পাছত পুনৰ আহি যুদ্ধ আৰম্ভ কৰা যাব।কিন্তু যিহেতু দিনত তৰ্ক বিতৰ্কৰ পাছত নেতৃ বৃন্দৰ সন্দেহৰ উদ্ৰেক হৈছিল;সেই হেতুকে যিবিলাক গোত্ৰ পিছলৈ আঁতৰি যাবলৈ ধৰিছিল;তেওঁলোকৰ ওচৰ-পাজৰৰ গোত্ৰবিলাকে ধাৰণা কৰিলে যে, ইহুদী সকলে সম্ভৱত মুছলমান সকলৰ সৈতে একেলগ হৈ আক্ৰমণ কৰিছে।গতিকে আমাৰ ওচৰ পাজৰৰ গোত্ৰ সমূহ শিবিৰ ভাঙি এই স্থান পৰিত্যাগ কৰি পলাই গৈ

আছে। গতিকে তেওঁলোকেও নিজৰ নিজৰ তম্বু সমূহ তুলি লৈ দ্রুত পলাবলৈ ধৰিলে।আবু ছুফিয়ান তেওঁৰ ছাউনিত ৰাতি আৰামত টোপনি মাৰি আছিল।তেওঁৰ ওচৰতো এই সংবাদ গ'ল। সি আতংকিত হৈ লৰালৰি কৰি উটৰ পিঠিত বহিল আৰু উটক চাবুক মাৰিব ধৰিলে দ্রুত পলাই যোৱাৰ বাবে।কিন্তু আশ্চৰ্য্য কথা হ'ল সেই উটটি বন্ধা আছিল বাবে চাবুকৰ প্রহাৰত উট নিজেই ঘূৰ পাক খাইছিল। শেষত অন্য লোকে তেওঁক কলে,আপুনি কি বুৰ্বক কাম কৰি আছে; আপোনাৰ বন্ধা উটক কিয় প্রহাৰ কৰি আছে ? তেতিয়া আবু ছুফিয়ান নিজৰ উটৰ বন্ধন মুক্ত কৰি দিলে আৰু সঙ্গী সকলক লগত লৈ যুদ্ধ ক্ষেত্রৰ পৰা পলাই পতং দিলে।

ৰজনী তৃতীয় প্রহৰত দেখা গ'ল যে, যি পথাৰত প্রায় বিশ/পচিশ হাজাৰ কাফেৰ সৈন্য ছাউনী স্থাপন কৰিছিল সেই পথাৰ জন প্রাণীহীন শূন্য মৰুভূমিত পৰিণত হৈছে।ঠিক এই সময়ত আল্লাহ তায়লা হজৰত মহম্মদ (ছাঃ)ক ঐশী বাণীৰ দ্বাৰা অৱগত কৰিলে যে,মই তোমাৰ সকলো শত্রুক খেদি পঠিয়াছোঁ। হজৰত মহম্মদ (ছাঃ)য়ে সম্পূর্ণ ঘটনা জনাৰ বাবে কোনো এজনক পঠাব বিচাৰি ওচৰৰ চাহাবী সকলক মাতিলে।প্রচণ্ড শীতৰ প্রকোপ আছিল।মুছলমান সকলৰ ওচৰত তেনেকুৰা বস্ত্রই নাছিল। হাড় কপোৱা ঠাণ্ডাত তেওঁলোকৰ মুখৰ পৰা ঠিক মতে শব্দ ওলোৱা নাছিল।এই সম্পর্কে চাহাবী সকলৰ কোনো কোনোৱে কৈছে, ধাৰণা হৈছিল হজৰত মহম্মদ (ছাঃ) ৰ কণ্ঠৰ শব্দ, কিন্তু আমি ঠাণ্ডাৰ প্রকোপত কথা ক'ব নোৱাৰিছিলোঁ।

যিকেই নহওক হজৰত হুজাইফা (ৰাঃ)য়ে কলে,হে আল্লাহৰ ৰছুল! কি কৰিবলৈ আদেশ দিছে ?তেখেত (ছাঃ)য়ে কলে,তুমি আন কাকো নকবা যে,এতিয়া কোনেও নাই। কিন্তু যি সকল সাৰে আছিল সিহঁত ঠাণ্ডাৰ প্রকোপত কথা ক'ব নোৱাৰিছিল।হজৰত হুজাইফা পুনৰ কলে, হে আল্লাহৰ ৰছুল!মই নিশ্চয় আছো। অৱশেষত হজৰত মহম্মদ (ছাঃ)য়ে মাতি আনি কলে,আল্লাহ তায়লা মোক এই বুলি সংবাদ প্রেৰণ কৰিছে যে, মই তোমাৰ শত্রু সকলক খেদি পঠিয়াইছোঁ।এতিয়া তুমি গৈ চোৱা শত্রুৰ অৱস্থা কি চোৱাচোন। হজৰত হুজাইফা খালৰ ওচৰলৈ গ'ল আৰু দেখিলে যে,সমগ্র যুদ্ধ ক্ষেত্রৰ কতো কোনো শত্রু নাই।তেখেত (ৰাঃ)য়ে উভতি আহিল আৰু কলেমা শ্বাহাদত পাঠ কৰি কৰি হজৰত মহম্মদ (ছাঃ)ৰ সত্যতাৰ ঘোষণা কৰিব ধৰিলে, আৰু কলে, সকলো শত্রু যুদ্ধ ক্ষেত্র এৰি পলায়ন কৰিছে। ৰাতিপুৱা মুছলমান সকলে নিজৰ নিজৰ ছাউনী গোটাই লৈ নিজৰ নিজৰ ঘৰলৈ উভতি যাব ধৰিলে। (আছ ছিৰাতুল হালবিয়া ২য় খণ্ড, পৃঃ ৩৫৪)

# বনু কোৰাইজাৰ বিশ্বাস ঘাতকতাৰ শাস্তি

বিশ দিন পাছ্ত সকলে অলপ সুস্থিৰে নি:শ্বাস পেলাব পাৰিলে।কিন্তু এতিয়া বনু কোৰাইজাৰ বিষয়টো তৎক্ষণাত নিষ্পত্তি হোৱা প্ৰয়োজন। অত্যাচাৰ এনে পৰ্যায়ৰ নাছিলযাক অৱহেলা কৰা যায়। হজৰত ৰছুলে পাক (ছাঃ)য়ে উভতি আহি চাহাবা সকলক কলে,ঘৰত বহি বিশ্ৰাম লোৱা নাযাব।বৰঞ্চ সন্ধিয়াৰ পূৰ্বেই বনু কোৰাইজাৰ দুৰ্গ পৰ্যন্ত উপস্থিত হ'ব লাগিব।তেখেত (ছাঃ)য়ে হজৰত আলী (ৰাঃ)ক বনু কোৰাইজাৰ গোত্ৰৰ ওচৰলৈ পঠাই দিলে যাতে তেখেত (ৰাঃ)য়ে সুধে যে,সিহঁতে চুক্তিৱদ্ধ থকা সত্ত্বেও কিয় এই বিশ্বাসঘাতকতা আৰু অহঙ্কাৰ কৰিলে। কিন্তু এই ক্ষেত্ৰত বনু কোৰাইজা কোনো লজ্জিত লহ'ল, কোনো ক্ষমা প্ৰাৰ্থনাও নকৰিলে আনকি কোনো অজুহাত দেখুৱাই দুঃখ প্ৰকাশো নকৰিলে।হজৰত আলী (ৰাঃ) আৰু তেখেত (ৰাঃ)ৰ সঙ্গী সকলক বেয়াকৈ ক'ব ধৰিলে। সিহঁতে হজৰত মহম্মদ (ছাঃ)আৰু তেখেত (ছাঃ)ৰ পৰিয়াল সকলক গালি শপনি দিবলৈ আৰম্ভ কৰিলে।সিহঁতে কলে,আমি নজানো মহম্মদ কোন? তেখেত (ছাঃ)ৰ সৈতে আমাৰ কোনো সম্পৰ্ক নাই। হজৰত আলী (ৰাঃ) চাহাবী সকলক লগত লৈ ইহুদী সকলৰ দুৰ্গৰ ওচৰা-ওচৰি উপস্থিত হৈছিল।যিহেতু ইহুদী সকলে জঘন্য গালি শপনি পাৰিছিল,আৰু হজৰত ৰছুলে কৰিম (ছাঃ)ৰ স্ত্ৰী সন্তান সম্পৰ্কে বেয়া কথা কৈছিল,সেয়ে হজৰত আলী (ৰাঃ)য়ে ভাৱিলে হয়তো এই অশ্ৰাব্য কথা বতৰা শুনিলে হজৰত ৰছুলে কৰিম (ছাঃ)ৰ হৃদয়ত বৰকৈ আঘাত পাব।

সেয়ে তেখেত (ৰাঃ)য়ে কলে,আপুনি কিয় কষ্ট কৰি আছে?ইহঁতৰ সৈতে যুদ্ধ কৰাৰ বাবে আমিয়েই যথেষ্ট। আপুনি উভতি যাওঁক।হজৰত মহম্মদ (ছাঃ)য়ে কলে,মই অৱশ্যই বুজিছোঁ যে, সিহঁতে গালি শপনি পাৰিছে আৰু তুমি বিচৰা নাই যে, মই সেই গালি শপনি শ্ৰৱণ কৰো।হজৰত আলী (ৰাঃ)য়ে কলে,হে আল্লাহৰ ৰছুল! অৱশ্যই আপুনি ঠিকেই ধৰিছে। হজৰত মহম্মদ (ছাঃ)য়ে কলে,সিহঁতে গালি শপনি দিয়াতনো কি হৈছে? হজৰত মুছা (আঃ) সিহঁতৰ নিজৰ মানুহ আছিল।সেই মুছা (আঃ)ক তেওঁলোকে ইয়াতোকৈ অধিক কষ্ট দিছিল।

এই কথা কৈ কৈ হজৰত মহম্মদ ৰছুলুল্লাহ (ছাঃ) ইহুদী সকলৰ কিল্লাৰ পিনে আগুৱাই গ'ল।ইহুদী সকলে দুৰ্গৰ প্ৰৱেশ দ্বাৰ বন্ধ কৰি ভিতৰত অৱস্থান গ্ৰহণ কৰিলে।আৰু মুছলমান সকলৰ বিৰুদ্ধে যুদ্ধ আৰম্ভ কৰি দিলে। আনকি তেওঁলোকৰ মহিলা সকলেও যুদ্ধত অংশ গ্ৰহণ কৰিলে।এসময়ত দুৰ্গৰ প্ৰাচীৰৰ কামত কিছু সংখ্যক মুছলমান বহি আছিল,সেই সময়ত এজনী ইহুদী মহিলাই উপৰৰ পৰা শিল নিক্ষেপ কৰি এজন মুছলমানক হত্যা কৰিছিল। কিছু দিন এইদৰে ইহুদী সকল দুৰ্গত অৱৰুদ্ধ বা দুৰ্গবন্দী

অৱস্থাত থকাৰ পাছত উপলব্ধি কৰিব পাৰিলে যে, তেওঁলোক এইদৰে দীৰ্ঘদিন যুদ্ধ চলাই থাকিব নোৱাৰিব। তেতিয়া তেওঁলোকৰ নেতা সকলে হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত এই বাৰ্তা প্ৰেৰণ কৰিলে যে,তেখেত (ছাঃ)য়ে যেন আবু লাবাবা আনছাৰীক তেওঁলোকৰ ওচৰলৈ পৰামৰ্শৰ বাবে প্ৰেৰণ কৰে।আবু লাবাবা (ৰাঃ) তেওঁলোকৰ বন্ধু আছিল আৰু আওচ গোত্ৰৰ চৰ্দাৰ আছিল। হজৰত আবু লাবাবৰ ওচৰত ইহুদী সকলে সুধিলে যে,তেওঁলোকে আত্মসমৰ্পন কৰিব নে হজৰত মহম্মদ (ছাঃ)য়ে দিয়া শাস্তি গ্ৰহণ কৰিব ? হজৰত আবু লাবাবাৰ মুখত কলে,হয়; কিন্তু তেখেত (ৰাঃ)য়ে নিজৰ গলৰ ওপৰেদি এনেকৈ হাত ঘূৰাই দেখুৱালে যে ইয়ে হত্যা কৰাৰ ইংগিত (সংকেত) প্ৰকাশ পালে।যদিও হজৰত ৰছুলে পাক (ছাঃ) য়ে তেতিয়ালৈকে তেখেত (ছাঃ)ৰ সিদ্ধান্তৰ কথা প্ৰকাশ কৰা নাছিল তথাপি হজৰত আবু লাবাবা (ৰাঃ) নিজেই এইটো ধৰি লৈছিল যে,এওলোকৰ এই জঘন্য অপৰাধৰ শাস্তি মৃত্যুদণ্ডৰ বাহিৰে আন একো হ'ব নোৱাৰে।সেয়ে তেখেত (ৰাঃ)য়ে কোনো চিন্তা-ভাৱনা নকৰিয়েই তেওঁৰ মতামত আৰু সংকেত ব্যক্ত কৰি দিছিল।অৱশেষত সেয়াই ইহুদী সকলৰ ধ্বংসৰ কাৰণ হৈ দেখা দিলে।

ইহুদী বনু কোৰাইজা সকলে যদি হজৰত মহম্মদ (ছাঃ)ৰ সিদ্ধান্ত মানি ললেহেঁতেন তেন্তে অন্যান্য ইহুদী গোত্ৰৰ নিচিনা তেওঁলোককো মদিনাৰ পৰা জোৰ প্ৰবলে বহিষ্কাৰ কৰা হ'লহেঁতেন। কিন্তু তেওঁলোকৰ দুৰ্ভাগ্য যে, তেওঁলোকে কলে,আমি হজৰত মহম্মদ (ছাঃ) ৰ কোনো সিদ্ধান্ত মানিবলৈ বাধ্য নহয়। বৰঞ্চ আমি আমাৰ মিত্ৰ আওচ গোত্ৰৰ চৰ্দাৰ ছায়াদ বিন মুয়াজ (ৰাঃ)ৰ ফয়চালা মানিবলৈ বাধ্য আছো।তেখেত (ৰাঃ) আমাক যি ৰায় প্ৰদান কৰিব তাকেই মানি লম।

কিন্তু এই সময়ত ইহুদী সকলৰ মাজত মতানৈক্য দেখা দিলে। সিহঁতৰ বহুতেই কলে,আমাৰ জাতি আমাৰ সৈতে অহঙ্কাৰ কৰিছে আৰু মুছলমান সকলৰ দাবীয়েই সঠিক আৰু ধৰ্মও সত্য।গতিকে তেওঁলোকৰ বহুতে পূৰ্বৰ ধৰ্ম পৰিত্যাগ কৰি ইছলাম ধৰ্ম গ্ৰহণ কৰিলে।

ইপিনে ইহুদী সকলৰ অন্যতম চৰ্দাৰ (নেতা) ওমৰ ইবনে ছাদী তেওঁৰ নিজৰ গোত্ৰৰ মানুহবিলাকক বেয়াকৈ গালি শপনি দিলে আৰু কলে, তোমালোকে অহঙ্কাৰ কৰিছা আৰু চুক্তিও ভঙ্গ কৰিছা।এতিয়া হয় তোমালোকে মুছলমান হোৱা নতুবা জিজিয়া (টেক্স) দিবলৈ সন্মত হোৱা। ইহুদী সকলে কলে, আমি মুছলমান নহও জিজিয়াও (টেক্স) নিদিও।ইয়াতকৈ আমাৰ মৃত্যুয়েই শ্ৰেয়। এই সময়ত ওমৰ তেওঁলোকক

কলে,মই তেন্তে ইয়াৰ পৰা মুক্ত। এই কথা কৈয়ে তেওঁ দুৰ্গৰ পৰা ওলাই গ'ল।যেতিয়া তেওঁ দুৰ্গৰ পৰা ওলাই আছিল; তেতিয়া মুছলমান সকলৰ এটি দলৰ নেতা মহম্মদ বিন মুছাল্লামা (ৰাঃ)তেওঁক দেখিবলৈ পাই সুধিলে যে,তেওঁ কোন ?তেওঁ কলে, মই অমুক! ইয়াত মহম্মদ বিন মুছাল্লামা (ৰাঃ)য়ে কলে, আপুনি নিৰ্ভয় গুচি যাওঁক আৰু তেখেত (ৰাঃ)য়ে পৰম কৰুণাময় আল্লাহৰ ওচৰত প্ৰাৰ্থনা কৰিলে,

اَللّٰهُمَّ لَا تَحْرِمْنِيْ اِقَالَةَ عَثَرَاتِ الْكِرَامِ۔

অৰ্থঃ হে ইলাহী! মোক বিচক্ষণ ব্যক্তি সকলৰ ত্ৰুটি গোপন কৰাৰ নিচিনা পুণ্য কৰ্মৰ পৰা কেতিয়াও বঞ্চিত নকৰিবা।( আছ ছিৰাতুল আমবিয়া,2 য় খণ্ড পৃঃ 363)

অৰ্থাৎ হজৰত মহম্মদ বিন মুছাল্লামা (ৰাঃ) যি ক'ব বিচাৰিছিল,সেয়া হ'ল ওমৰ নিজৰ কাৰ্য আৰু নিজ জাতিৰ কাৰ্য্যৰ পৰা ৰক্ষা পাব বিচাৰিছিল।সেই বাবে মোৰ কৰ্তব্য হ'ল তেওঁক ক্ষমা কৰা।এই কাৰণে মই তাক গ্ৰেপ্তাৰ নকৰি যাবলৈ দিছোঁ পৰম কৰুণাময় আল্লাহ তায়লা যেন ঠিক এনেকুৱা পুণ্য কৰ্ম কৰাৰ সমৰ্থ (তৌফিক) দান কৰে।

হজৰত মহম্মদ (ছাঃ)য়ে যেতিয়া এই ঘটনাৰ কথা অৱগত হ'ল তেতিয়া সেই ইহুদী চৰ্দাৰ ওমৰক এৰি দিয়াৰ বাবে হজৰত মহম্মদ বিন মুছাল্লামাৰ ওচৰত কোনো অভিযোগ বিচৰা নাছিল বৰং তেখেত (ছাঃ)য়ে তেখেত (ৰাঃ)ৰ কামত ভুয়সী প্ৰশংসা আৰু অনুমতি প্ৰদান কৰিলে।

বনু কোৰাইজা কৰ্তৃক মনোনীত বিচাৰক ছায়েদ (ৰাঃ)ৰ ৰায় তৌৰাত অনুসৰি আছিল

ওপৰত বৰ্ণিত বিষয়টো এটা ব্যক্তিগত বিষয় আছিল।গোত্ৰগত ভাৱে বনু কোৰাইজা নিজৰ জিদৰ ওপৰতেই অটল থাকিল।হজৰত মহম্মদ (ছাঃ)ৰ আদেশ অমান্য কৰি ছায়াদ (ৰাঃ)ৰ ফয়চালাৰ (সিদ্ধান্তৰ) ওপৰতেই জেদ থাকিল।হজৰত ৰছুলে কৰিম (ছাঃ)য়ে তেওঁলোকৰ এই দাবী অৱশেষত মানি ললে।হজৰত ছায়াদ(ৰাঃ)যুদ্ধত আহত হৈছিল।তেখেত (ৰাঃ)ক মাতি পঠালে এই কাৰণে যে,বনু কোৰাইজা তেখেত (ৰাঃ)ৰ ফয়চালা মানি ল'বলৈ সিদ্ধান্ত লৈছে। গতিকে তেখেত (ৰাঃ)যে যেন আহি এই ফয়চালা কৰি দিয়ে।এই সিদ্ধান্ত ঘোষণা কৰাৰ লগে লগে আওচ গোত্ৰৰ লোক সকলে যি সকলৰ সৈতে বনু কোৰাইজা গোত্ৰৰ বহু দিনৰ পৰা বন্ধুত্ব আছিল;তেওঁলোকে দৌৰি গৈ হজৰত

ছায়াদ (ৰাঃ)ৰ ওচৰত জিদ ধৰিলে যে,যিহেতু সিহঁতৰ মিত্ৰ ইহুদী সকলক খায়ৰাজ গোত্ৰই সকলো সময়তে শাস্তিৰ পৰা ৰক্ষা কৰিছে;সেই কাৰণে আপুনিও আজি এই মিত্ৰ গোত্ৰৰ সপক্ষে ৰায় দিব লাগিব। হজৰত ছায়াদ (ৰাঃ) আহত থকাৰ বাবে উটৰ পিঠিত উঠি বনু কোৰাইজাৰ দুৰ্গৰ পিনে যাত্ৰা কৰিলে।তেখেত (ৰাঃ)ৰ গোত্ৰৰ মানুহবিলাকে তেখেত (ৰাঃ)ৰ সোঁ ফালে বাওঁ ফালে দৌৰি যাব ধৰিলে।আৰু হজৰত ছায়াদ ক বৰকৈ অনুৰুধ কৰিব ধৰিলে যে,বনু কোৰাইজাৰ বিৰুদ্ধে যেন আপোনাৰ ফয়চালা নাযায়।কিন্তু হজৰত ছায়াদ (ৰাঃ) সিহঁতৰ অনুৰুধৰ প্ৰতিউত্তৰে এই কলে, যাৰ ওপৰত বিচাৰৰ দায়িত্ব দিয়া হয় সি তেতিয়া বিশ্বস্ততা হয়।গতিকে তেওঁৰ উচিত সত্যতাৰ সৈতে ন্যায় বিচাৰ কৰা উচিত।মই নিশ্চয় সত্যতাৰ সৈতে ন্যায় বিচাৰ কৰিম।হজৰত ছায়াদ (ৰাঃ)য়ে যেতিয়া ইহুদী সকলৰ দুৰ্গৰ ওচৰ পাইছিল; তেতিয়া তাত বনু কোৰাইজাৰ লোকে আগৰে পৰাই দুৰ্গৰ প্ৰাচীৰৰ এফালে থিয় হৈ তেখেত (ৰাঃ)ৰ অপেক্ষাত ৰৈ আছিল আৰু আনফালে মুছলমান সকলে ৰৈ আছিল। হজৰত ছায়াদ (ৰাঃ)য়ে প্ৰথমে নিজৰ জাতিৰ ওচৰত সুধিলে,আপোনালোকে এই প্ৰতিশ্ৰুতি কৰিছেনে যে,মই যি ফয়চালা দিম তাকেই আপোনালোকে বিনা চৰ্তে মানি লব ?তেওঁলোকে প্ৰতিউত্তৰত কলে হয়।

আকৌ যি পিনে হজৰত মহম্মদ (ছাঃ) বহি আছিল, সেই পিনে ইঙ্গিত কৰি লজ্জা অৱনত মস্তকে আন পিনে দৃষ্টি কৰি কলে,সি পিনে যি সকলে বহি আছে তেওঁলোকেও এই প্ৰতিশ্ৰুতি কৰিছে নে ? হজৰত ৰছুলে কৰিম (ছাঃ)উত্তৰত কলে, হয়।তাৰ পাছত হজৰত ছায়াদ (ৰাঃ)য়ে বাইবেলৰ আদেশ অনুসৰি তেওঁৰ ফয়চালা প্ৰদান কৰিলে। বাইবেলত উল্লেখ আছে;

যেতিয়া তুমি যুদ্ধ কৰাৰ নিমিত্তে কোনো চহৰ বা নগৰৰ ওচৰত উপস্থিত হবা,তেতিয়া তাৰ ওচৰত নিজৰ সন্ধিৰ কথা ঘোষণা কৰিবা;যদি সি সন্ধিত সন্মত হৈ তোমাৰ বাবে দ্বাৰ মুকলি কৰি দিয়ে,তেনেহলে সেই নগৰ বা চহৰত যিসকল লোক পোৱা যাব,তেওঁলোকে তোমাক কৰ প্ৰদান কৰিব। আৰু তোমাৰ দাসত্ব বৰণ কৰিব।কিন্তু যদি সি সন্ধি নকৰি তোমাৰ লগত যুদ্ধ কৰে তেন্তে তুমি সেই নগৰক অৱৰোধ কৰিবা। পাছত তোমাৰ ঈশ্বৰ সদাপ্ৰভু তাক তোমাৰ হস্তগত কৰিলে,তুমি তাৰ সকলো পুৰুষক তৰোৱালেৰে আঘাত কৰিবা।কিন্তু স্ত্ৰী লোক বালক বালিকা,পশুপাল প্ৰভুতি নগৰৰ সকলো লুটৰ মাল নিজৰ বাবে লুটৰূপে গ্ৰহণ কৰিবা। আৰু তোমাৰ সদা প্ৰভু ঈশ্বৰ প্ৰদত্ত শত্ৰুৰ মাল ভোগ কৰিবা।এই ওচৰৰ জাতিসমুহৰ নগৰৰ বাহিৰে যিবিলাক নগৰ তোমাৰ পৰা দূৰত আছে। সিহঁতৰও প্ৰতি এইদৰে কৰিবা। কিন্তু সেই সমূহ জাতিৰ যি

সকল নগৰ তোমাৰ সদা প্ৰভু ঈশ্বৰ তোমাৰ অধিকাৰ্থে দিছে, সেই সকলৰ মাজত শ্বাস বিশিষ্ট কোনো প্ৰাণীক নাৰাখিবা। তুমি নিজ সদা প্ৰভু ঈশ্বৰৰ আজ্ঞানুসাৰে সিহঁতক যেনে হিত্তীয়,ইমোৰীয়,কানামীয়,পৰষীয়,হিব্বীয়,বিবুষীয়,সকলোকে নি:শেষ কৰি পেলাবা।পাছত তেওঁলোকে নিজৰ নিজৰ দেৱতাৰ উদ্দেশ্যে যিবোৰ ঘৃণনীয় কাম কৰে তদ্ৰূপ কৰিবলৈ তোমালোকক শিকায় আৰু পাছত তোমালোকে সদা প্ৰভু ঈশ্বৰৰ বিৰুদ্ধে পাপ কৰ্ম কৰা।(দ্বিতীয় বিৱৰণ ২০ঃ১০-১৮)

বাইবেলৰ এই ফয়চালা অনুসৰি স্পষ্ট বুজা যায় যে,যদি ইহুদী সকল জয় লাভ কৰিলেহেঁতেন আৰু হজৰত মহম্মদ (ছাঃ)পৰাজয় বৰণ কৰিলেহেঁতেন;তেন্তে বাইবেলৰ উক্ত ৰায় মতে সকলো মুছলমান নৰ নাৰী ল'ৰা-ছোৱালী নিৰ্বিশেষে সকলোকে হত্যা কৰা হ'লহেঁতেন।ইতিহাসৰ পৰাও জনা যায় যে,ইহুদী সকলৰ এয়ে প্ৰথা আছিল যে,তেওঁলোকে নাৰী পুৰুষ,ল'ৰা-ছোৱালী সকলোকে একেলগে হত্যা কৰিছিল।তেওঁলোকে যদিও খুব বেছি এটাক ৰেহাই দিছিল তথাপি সিহঁতে বাইবেলৰ উক্ত ফয়চালা অনুসৰি কেৱল দুৰৱৰ্তী দেশ সমূহৰ গোত্ৰবোৰৰ সৈতে যি আচৰণ কৰিছিল সেয়ে হ'ল,শত্ৰু পক্ষৰ সমূহ পুৰুষক হত্যা কৰিছিল,নাৰী আৰু শিশু সকলক কৃতদাস কৰি ৰাখিছিল।আৰু সকলো ধন সম্পদ লুট কৰি নিছিল।ছায়াদ (ৰাঃ) বনু কোৰাইজাৰ এজন মিত্ৰ আছিল।তেখেত (ৰাঃ)ৰ গোত্ৰ বনু কোৰাইজাৰ সৈতে শান্তি চুক্তিত আৱদ্ধ আছিল। যেতিয়া তেওঁ দেখিলে যে, ইহুদী সকলে ইছলামী চৰিয়ত অনুসৰি (অন্তত প্ৰাণ ৰক্ষা পালেহেঁতেন)হজৰত ৰছুলে কৰিম (ছাঃ)ৰ ফয়চালা মানিবলৈ সন্মত নহয়; তেতিয়া তেখেত (ৰাঃ)সেই ফয়চালাই ইহুদী সকলৰ বাবে দান কৰিলে যি হজৰত মুছা (আঃ)ৰ ইয়াৰ বহু পূৰ্বে এনে ক্ষেত্ৰত প্ৰয়োগ কৰাৰ বাবে দি ৰাখিছিল।গতিকে এই ফয়চালৰ দায়িত্ব কোনো প্ৰকাৰেই হজৰত মহম্মদ (ছাঃ)আৰু মুছলমান সকলৰ ওপৰত নপৰে।বৰং সেয়া বৰ্তায় কেৱল হজৰত মুছা (আঃ)ৰ ওপৰত,তৌৰাতৰ ওপৰত,আৰু ইহুদী সকলৰ ওপৰত যি সকলে হাজাৰ বছৰ ধৰি অন্যান্য জাতি সমূহৰ সৈতে এনে আচৰণ কৰি আহিছে আৰু যেতিয়া তেওঁলোকক হজৰত মহম্মদ (ছাঃ)ৰ কৰুণাৰ কথা কোৱা হৈছিল ,তেতিয়া তেওঁলোকে তাক প্ৰত্যাখান কৰিছিল আৰু কৈছিল,আমি মহম্মদৰ কথা মানিবলৈ প্ৰস্তুত নহয়।

আমি বৰঞ্চ ছায়াদৰ কথাই মানিবলৈ বাধ্য। হজৰত ছায়াদে হজৰত মুছা(আঃ)ৰ ফয়চালা অনুসৰি সেই ৰায় উত্থাপন কৰিছিল। অথচ বৰ্তমান খ্ৰীষ্টান জগতত এই চিঞৰ বাখৰ কৰিছে যে,হজৰত মহম্মদ (ছাঃ)য়ে নিৰ্যাতন কৰিছিল।

খ্ৰীষ্টান সকলে এইটো লক্ষ্য নকৰে যে,হজৰত মহম্মদ (ছাঃ) অনুৰূপ কোনো ক্ষেত্ৰতেই

কোনো নিৰ্যাতন কৰা নাছিল। এনেকুৱা বহুতো ঘটনা সংগঠিত হৈছে;যেতিয়া শত্ৰু সকলে দয়াৰ বাবে হজৰত মহম্মদ (ছাঃ)ৰ ওপৰত নিজকে সমৰ্পন কৰিছে যেতিয়া প্ৰত্যেক ক্ষেত্ৰতেই দয়াৰ নবী হজৰত মহম্মদ (ছাঃ)য়ে তেওঁলোকক ক্ষমা কৰি দিছে।এইটোৱেই একমাত্ৰ ঘটনা য'ত শত্ৰু সকলে জিদ ধৰিছিল যে, তেওঁলোকে হজৰত মহম্মদ (ছাঃ)ৰ ফয়চালা নামানিব।বৰঞ্চ তেওঁলোকে আন (অমুক) ব্যক্তিৰ ফয়চালেহে মানিব।সেই ব্যক্তি হজৰত মহম্মদ (ছাঃ)ৰ পৰাও এই প্ৰতিশ্ৰুতি লৈছিল যে, তেওঁৰ ফয়চালা তেখেত (ছাঃ)য়েও মানি ল'ব। তাৰ পিছত তেওঁ ফয়চালা কৰিছিল। কিন্তু এই ফয়চালা তেওঁৰ নিজৰ নাছিল। ই হজৰত মহম্মদ (ছাঃ)ৰ ফয়চালা আছিল তেওঁ মাত্ৰ ইয়াৰ পুনৰ প্ৰয়োগহে কৰিছিল।অথচ সেই মহম্মদ(ছাঃ)ৰ উম্মতৰ দাবীদাৰ আছিল সেই ইহুদী সকল। গতিকে কোনোবাই যদি নিৰ্যাতন কৰি থাকে তেন্তে সেয়া ইহুদীসকলে নিজেই নিজৰ ওপৰত কৰিছিল; যি সকলে মহম্মদ (ছাঃ)ৰ ফয়চালা মানিবলৈ অস্বীকাৰ কৰিছিল। যদি কোনোৱে নিৰ্যতিন কৰি থাকে, তেন্তে সেয়া হজৰত মুছা (আঃ)য়ে কৰিছিল; যি অৱৰুদ্ধ শত্ৰুৰ বাবে তৌৰাত গ্ৰন্থত খোদাৰ আদেশ পাই উপযুক্ত শিক্ষা দি গৈছে। এয়া যদি নিৰ্যতিন হয় তেন্তে, সেই খৃষ্টানলোক সকলৰ উচিত হ'ব যে, তেওঁলোক যেন হজৰত মুছা (আঃ)ক জালেম সাব্যস্ত কৰে। তেওঁলোকৰ উচিত, হজৰত মুছা (আঃ)ৰ খোদাকেই জালেম সাব্যস্ত কৰা যি খোদা এই শিক্ষা পৱিত্ৰ গ্ৰন্থ তৌৰাতত দি গৈছে।

(খন্দক) খালৰ যুদ্ধ শেষ হোৱাৰ পাছত হজৰত মহম্মদ (ছাঃ)য়ে কৈছে, এতিয়াৰ পৰা মুশ্বৰিক সকলে মুছলমান সকলৰ ওপৰত আৰু আক্ৰমণ নকৰিব। আৰু এতিয়া তাৰ পৰিবৰ্তে মুছলমান সকলে মুশ্বৰিক সকলৰ ওপৰত আক্ৰমণ কৰিব। ইছলাম নিজেই প্ৰতি উত্তৰ দিব সেই সকল জাতিক; যি সকলে আমাৰ ওপৰত আক্ৰমণ চালাইছিল।
(বুখাৰী: কিতাবুল মাগাজী, বাবু গায় ওৱাতুল খন্দক)

বাস্তৱত সেয়াই সংগঠিত হ'ল। খালৰ যুদ্ধত কাফেৰ সকলৰ ক্ষতি কিমান হৈছিল মাত্ৰ কেইজন লোকৰ মৃত্যুহে হৈছিল। তেওঁলোক পিছৰ বছৰ পুনৰ প্ৰস্তুতি লৈ আহিব পাৰিলেহেঁতেন। বিশ হাজাৰৰ পৰিৱৰ্তে চল্লিশ/পঞ্চাছ হাজাৰ সৈন্য লৈ আহিব পাৰিলেহেঁতেন। বৰঞ্চ তেওঁলোকে চেষ্টা কৰিলে তাতকৈ অধিক আনকি এক লাখৰ পৰা এক লাখ পঞ্চাছ হাজাৰ পৰ্য্যন্ত সৈন্য সংগ্ৰহ কৰা কোনো জটিল কাম নহ'লহেঁতেন। কিন্তু একৈশ (২১) বছৰ ধৰি ক্ৰমাগত ভাবে অপ্ৰাণ চেষ্টা চলোৱাৰ পাছত কাফেৰ (অবিশ্বাসী) সকলৰ মনত এই ধাৰণাই সৃষ্টি হৈছিল যে, খোদা হজৰত মহম্মদ (ছাঃ)ৰ

লগতহে আছে। তেওঁলোকৰ উপাস্য দেৱতা সমূহ মিছা আৰু বিশ্ব ভ্ৰহ্মাণ্ডৰ সৃষ্টি কৰ্তা খোদা এক মাত্ৰ এজন। তেওঁলোকৰ শৰীৰ সুস্থ আছিল কিন্তু হৃদয় ভাঙি চুৰমাৰ হৈছিল। বাহ্যিক ভাবে তেওঁলোকক দেৱতা সমূহৰ মূৰ্তি আগত সাষ্টাঙ্গে প্ৰণাম কৰা দেখা গলেও প্ৰকৃততে সিহঁতৰ হৃদয়ৰ পৰা যি ধ্বনি উচ্চাৰিত হৈছিল সেয়া হ'ল, **লা ইলাহা ইল্লাল্লাহু,** আল্লাহৰ বাহিৰে কোনো উপাস্য নাই।

## মুছলমান সকলৰ বিজয়ৰ সূচনা

খাল যুদ্ধৰ পাছৃত হজৰত মহম্মদ (ছাঃ) য়ে কৈছিল, এতিয়াৰ পৰা কাফেৰ (অবিশ্বাসী) সকলে আমাৰ ওপৰত আক্ৰমণ নকৰিব।

অৰ্থাৎ মুছলমান সকলৰ পৰীক্ষা চূৰান্ত সীমাত উপনীত হৈছে। এতিয়া তেওঁলোকৰ বিজয়ৰ যুগ সূচনা হৈছে। এতিয়ালৈকে যিমানবোৰ যুদ্ধ সংগঠিত হৈছে; তাৰ সকলো আছিল, হয় কাফেৰ সকলে মদিনা আক্ৰমণ কৰিবলৈ আহিছিল নতুবা তেওঁলোকৰ আক্ৰমণক প্ৰতিৰোধ কৰাৰ বাবে মুছলমান সকলে মদিনাৰ পৰা বাহিৰলৈ গৈছিল। কিন্তু কেতিয়াও মুছলমান সকলে যুদ্ধ চলাই যোৱাৰ চেষ্টা কৰা নাছিল। প্ৰকৃততে, যুদ্ধৰ নিয়ম অনুযায়ী যেতিয়া কোনো যুদ্ধ শেষ হয়, তেতিয়া তাৰ সমাপ্তি ঘটে যি ভাবে সেয়া হ'ল, হয়তো সন্ধি হৈ যায় নহয় এক পক্ষ আত্ম সমৰ্পন কৰে। কিন্তু পৰিতাপৰ বিষয় যে, এতিয়ালৈকে এনে এটা ঘটনাও ঘটা নাই য'ত সন্ধি কৰা হৈছে অথবা এক পক্ষই আত্মসমৰ্পন কৰিছে। গতিকে প্ৰাচীন কালৰ নিয়মনুযায়ী যুদ্ধ বিৰতি হৈছিল কিন্তু যুদ্ধ অব্যাহত ৰখাৰ যিমান প্ৰশ্ন আছিল, সেয়া ধাৰাবাহিক ভাবে চলিছিল। তাৰ শেষ হোৱা নাছিল। এই কাৰণে মুছলমান সকলৰ অধিকাৰ আছিল যে, ইচ্ছা কৰিলে যেতিয়া তেতিয়াই শত্ৰু সকলক অস্ত্ৰ ধাৰণ কৰাবলৈ আক্ৰমণ কৰি আহত কৰিব পাৰিলেহেঁতেন।কিন্তু মুছলমান সকলে তাক কৰা নাছিল। বৰঞ্চ বিৰতিৰ সময়ত মুছলমান সকলে মনে মনে থাকিছিল। মনে মনে থকাৰ উদ্দেশ্য আছিল যে, হয়তো কাফেৰ সকলৰ সৈতে শান্তি চুক্তি সম্ভৱ হ'ব যাৰ ফলত যুদ্ধৰ পৰিসমাপ্তি হ'ব। কিন্তু দীৰ্ঘ দিন অতিবাহিত হোৱাৰ পাছতো দেখা গ'ল যে, কাফেৰ সকলৰ পক্ষৰ পৰা শান্তি স্থাপনৰ অথবা আত্মসমৰ্পনৰ কোনো প্ৰস্তাৱেই অহা নাই বৰং তেওঁলোকৰ বিৰোধিতা আৰু অধিক তিব্ৰ হ'ব ধৰিলে; তেতিয়া যুদ্ধৰ এটা চূড়ান্ত নিষ্পত্তিৰ সময় উপস্থিত হ'ল। এতিয়া হয় উভয় পক্ষৰ মাজত সন্ধি স্থাপন হ'ব, নহয় কোনো এক পক্ষ আত্মসমৰ্পন কৰিব। ই অৱশ্যেই জনা কথা যে, আত্মসমৰ্পনৰ প্ৰশ্ন উত্থাপন হলে, কাফেৰ সকলেই আত্মসমৰ্পন কৰিব লাগিব। কাৰণ আল্লাহ তায়লাৰ পৰা ইছলামৰ বিজয়ৰ সংবাদ ইতিপূৰ্বে

পোৱা গৈছিল। আৰু মক্কী জীৱনতেই হজৰত মহম্মদ (ছাঃ)ৰ বিজয়ৰ ঘোষণা দিয়া হৈছিল। বাকী থাকিল সন্ধিৰ কথা। সন্ধিৰ ক্ষেত্ৰত এই কথা বুজা উচিত যে, বিজয়ী পক্ষৰ পৰা এই সন্ধি চুক্তিৰ প্ৰস্তাৱ কৰা হয়, নে পৰাজিত পক্ষৰ পৰা কৰা হয়? পৰাজিত পক্ষৰ পৰা যেতিয়া সন্ধিৰ বাবে আবেদন জনায়, তেতিয়া তাৰ অৰ্থ হয় যে, তেওঁলোকে দেশৰ কিয়দাংশ অথবা খাজনাৰ কিয়দাংশ স্থায়ীভাবে অথবা সাময়িক ভাবে বিজয়ী পক্ষক দি দিব। তদুপৰি বিজয়ী পক্ষৰ অন্যান্য চৰ্তাৱলী মানি ল'ব। বিপৰীতে বিজয়ী পক্ষৰ পৰা যেতিয়া সন্ধিৰ প্ৰস্তাৱ আহে; তেতিয়া ইয়াৰ তাৎপৰ্য্য এয়ে যে, তেওঁলোকে ক'ব বিচাৰে আমি তোমালোকক সম্পূৰ্ণৰূপে ধ্বংশ কৰিব নিবিচাৰো। যদি তোমালোকে বিশেষ বিশেষ ক্ষেত্ৰত আমাৰ অনুগত্য স্বীকাৰ কৰা, অথবা আমাৰ কথা মতে কাম কৰা; তেনেহলে আমি তোমালোকৰ স্বাধীনতাৰ অধিকাৰ সম্পূৰ্ণৰূপে অথবা আংশিকৰূপে মানি লম।

মক্কাৰ কাফেৰ আৰু হজৰত মহম্মদ (ছাঃ)ৰ মাজত যিবোৰ সংঘৰ্ষ সংগঠিত হৈছিল, সেইবোৰত বাৰে বাৰে কাফেৰ সকলৰ পৰাজয় হৈছিল। কিন্তু এই পৰাজয়ৰ অৰ্থ মাত্ৰ এয়ে আছিল যে, তেওঁলোকৰ আক্ৰমণ বাৰে বাৰে ব্যৰ্থ হৈছিল। সঁচা অৰ্থত পৰাজয় তাকেই কোৱা হয়, যেতিয়া প্ৰতিৰোধ কৰাৰ শক্তি নিঃশেষ হৈ যায়। আক্ৰমণ ব্যৰ্থ হোৱাৰ অৰ্থ এয়ে নহয় যে, সঁচাকৈয়ে পৰাজয় হৈছে। ইয়াৰ অৰ্থ কেৱল ইখিনিয়েই হ'ব পাৰে যে, আক্ৰমণকাৰীৰ আক্ৰমণ হে ব্যৰ্থ হৈছে। কিন্তু পুনৰ আক্ৰমণ কৰি তেওঁ তেওঁৰ উদ্দেশ্য সফল কৰিব পাৰে। গতিকে যুদ্ধ নীতি অনুসৰি মক্কা বাসী সকলে পৰাজিত হোৱা নাই। বৰং তেওঁলোকৰ অৱস্থা এয়ে হৈছে যে, তেওঁলোকে আক্ৰমাত্মক কাৰ্য্যৰ দ্বাৰা তেওঁলোকৰ উদ্দেশ্য তেতিয়ালৈকে অৰ্জন কৰিব পৰা নাই। আনহাতে, যুদ্ধৰ নিয়মানুসৰি মুছলমান সকলৰ প্ৰতিৰক্ষা শক্তি নিঃশেষ নহলেও দূৰ্বল বুলি গণ্য কৰিব লাগিব। কাৰণ, প্ৰথমতে তেওঁলোক এটা সৰু জমাত আছিল। দ্বিতীয়তে, তেওঁলোক তেতিয়ালৈকে কোনো আক্ৰমণাত্মক কাৰ্য্যপন্থা গঢ়ি তুলিবলৈ সক্ষম হোৱা নাই, অৰ্থাৎ কোনো আক্ৰমণেই তেওঁলোকে নিজৰ কৰিব পৰা নাই।

ইয়াৰ পৰা স্পষ্ট প্ৰতিয়মান হয় যে, বৰ্তমান তেওঁলোকে নিজকে কাফেৰ সকলৰ প্ৰভাৱৰ পৰা স্বাধীন বুলি ভাবিব পাৰে। এই অৱস্থাত মুছলমান সকলৰ পক্ষৰ পৰা সন্ধিৰ প্ৰস্তাৱ উত্থাপিত হলে, এইটো প্ৰমাণ হয় যে, এতিয়া তেওঁলোকৰ প্ৰতিৰক্ষা শক্তি ভাঙি পৰিছে। এতিয়া তেওঁলোকে কিছুৰ বিনিময়ত হলেও নিস্তাৰ পাব বিচাৰে। যি কোনো বুদ্ধিমান ব্যক্তিয়ে বুজিবলৈ সক্ষম হ'ব যে, এই অৱস্থাত যদি মুছলমান সকলে সন্ধিৰ প্ৰস্তাৱ উত্থাপন কৰিলেহেঁতেন, তেনেহলে তাৰ পৰিণাম বিৰাট বিপৰ্য্যয়কৰ

হলেহেঁতেন। তেওঁলোকৰ এই কাৰ্য্য তেওঁলোকৰ অস্তিত্ব বিলীন কৰি দিয়াৰ নামান্তৰ হ'লহেঁতেন। তেওঁলোকৰ নিজৰ (যাবতীয়) সমুহ আক্ৰমণাত্মক কলা কৌশল ব্যৰ্থ হোৱাৰ বাবে আৰবৰ কাফেৰ সকলৰ মাজত যি হতাশাৰ সৃষ্টি হৈছিল, সেয়া অনুৰূপ কোনো সন্ধিৰ প্ৰস্তাৱ পালে দ্ৰুত নতুন উৎসাহ উদ্দীপনালৈ ৰূপান্তৰিত হলেহেঁতেন। তেওঁলোকে ভাবিলেহেঁতেন যে, মুছলমান সকলে মদিনাক ধ্বংশৰ কৰাল গ্ৰাসৰ পৰা ৰক্ষা কৰিবলৈ সক্ষম হলেও অৱশেষত সফলতা লাভৰ ক্ষেত্ৰত নিৰাশ হৈ পৰিছে। গতিকে মুছলমান সকলৰ পক্ষৰ পৰা কোনো অৱস্থাতেই সন্ধিৰ প্ৰস্তাৱ কৰা সম্ভৱ নাছিল। যদি কোনো সন্ধিৰ প্ৰস্তাৱ উত্থাপন কৰা সম্ভৱ আছিল সেয়া কেৱল মক্কা বাসীৰ ফালৰ পৰাই সম্ভৱ আছিল।অথবা তৃতীয় কোনো নিষ্পত্তিকাৰীৰ পক্ষৰ পৰা তাক উত্থাপন কৰিব পাৰিলেহেঁতেন। কিন্তু আৰবত তেনেকুৱা কোনো তৃতীয়া পক্ষ নাছিল যিয়ে ইয়াক সু মীমাংসা কৰিব।ইপিনে আছিল মদিনা আৰু আনপিনে সমগ্ৰ আৰব।গতিকে প্ৰকৃততে কেৱল আৰব সকলেই এই সন্ধিৰ প্ৰস্তাৱ দিব পাৰিলেহেঁতেন। কিন্তু তেওঁলোকৰ পৰা কোনো সন্ধিৰ প্ৰস্তাৱ উত্থাপন হোৱা নাছিল।যদি এই অৱস্থাত শত বৰ্ষলৈকে অব্যাহত থাকিলেহেঁতেন। তেন্তে যুদ্ধৰ নীতি কৌশলৰ কাৰণে গৃহ যুদ্ধ আৰম্ভ হ'লহেঁতেন।যিহেতু মক্কাবাসী সকলৰ পৰা সন্ধিৰ প্ৰস্তাৱ উত্থাপন কৰা নাছিল আৰু মদিনাৰ মুছলমান সকলেও আৰবৰ কাফেৰ সকলৰ প্ৰভাৱ প্ৰতিপত্তি মানিবলৈ প্ৰস্তুত নাছিল;সেই হেতুকে মাত্ৰ এটাই বাট মুকলি আছিল সেয়া হ'ল আৰবৰ সন্মিলিত বাহিনীৰ আক্ৰমণ ব্যৰ্থ কৰি দিয়াৰ পিছত মদিনা বাসী সকলৰ পৰা প্ৰতি আক্ৰমণ পৰিচালনা কৰা আৰু আৰবৰ কাফেৰ সকলক বাধ্য কৰা যে, হয় তেওঁলোকে সিহঁতৰ প্ৰভুত্ব স্বীকাৰ কৰি ল'ব নহলে সন্ধি কৰিবলৈ সন্মত হ'ব।শেষত হজৰত মহম্মদ (ছাঃ)য়ে এই পন্থাই অৱলম্বন কৰিলে।যদিও বাহ্যিক দৃষ্টিত এই পন্থা যুদ্ধ আছিল তথাপি প্ৰকৃততে শান্তি স্থাপনৰ বাবে ইয়াৰ অবিহনে আন কোনো বাট নাছিল।হজৰত মহম্মদ (ছাঃ)য়ে যদি এইটো নকৰিলেহেঁতেন তেন্তে আশাঙ্খা আছিল যে, যুদ্ধ শত বৰ্ষ ব্যাপী চলি থাকিব।উদাহৰণ স্বৰূপে প্ৰাচীন কালত অনুৰূপ পৰিস্থিতিত শত বৰ্ষ ব্যাপী বহু যুদ্ধ বিগ্ৰহ চলিছিল।স্বয়ং আৰব দেশতেই কেইবাটও যুদ্ধ ত্ৰিশ/চল্লিশ বছৰ পৰ্যন্ত অব্যাহত আছিল।সেইবোৰ যুদ্ধ ধাৰাবাহিক ভাৱে চলি থকাৰ কাৰণ এয়ে আছিল যে, যুদ্ধ সমাপ্তি কৰাৰ কোনো প্ৰকাৰ উদ্যোগ গ্ৰহণ কৰা নাছিল।যেনেকুৱা মই উল্লেখ কৰি আহিছো যে, যুদ্ধ শেষ কৰাৰ উপায় হ'ল মাত্ৰ দুটা।হয় যুদ্ধত চুৰান্ত সিদ্ধান্ত হৈ যাব অৰ্থাৎ দুয়ো পক্ষৰ এক পক্ষ আত্মসমৰ্পন কৰিবলৈ বাধ্য হ'ব; অন্যথা প্ৰকাশ্যে সন্ধি স্থাপিত হ'ব।

হজৰত মহম্মদ (ছাঃ) নি:সন্দেহ এইটো কৰিব নোৱাৰিছিল যে তেখেত (ছাঃ)মদিনাত

বহি থাকিব আৰু নিজৰ পক্ষৰ পৰা কোনো আক্ৰমণ নচলাব। কিন্তু যিহেতু আৰবৰ কাফেৰ সকলে যুদ্ধাৱস্থা সাময়িক ভাৱে বন্ধ ৰাখিছিল; সেই কাৰণে তেখেত (ছাঃ)ৰ পক্ষে মনে মনে বহি থকাটোক ভৰা হৈছিল যে, হয়তো যুদ্ধ শেষেই হৈছে।অথচ যুদ্ধৰ সম্ভাৱনা সকলো সময়তেই আছিল। আৰবৰ কাফেৰ সকলে ইচ্ছা কৰিলে যে, কোনো কাৰণ নোহোৱাকৈয়ে মদিনাৰ ওপৰত আক্ৰমণ কৰিব পাৰিলেহেঁতেন। সেই সময়ৰ ৰীতি-নীতি অনুসৰি তাক ন্যায় বুলি ভৰা হৈছিল। কাৰণ সেই সময়ত যুদ্ধ বিৰতিৰ অৰ্থ এই নাছিল যে, যুদ্ধ শেষ হৈছে।বৰং বিৰতিকো তেতিয়া কৌশলগত কাৰণে যুদ্ধৰ অংশ হিচাপেই গণ্য কৰা হৈছিল। ইয়াত বহুতৰে মনত এই প্ৰশ্ন উদয় হ’ব পাৰে যে, সঁচাকৈয়ে ধৰ্মৰ বাবে যুদ্ধ কৰা বৈধ নে ?

## ইহুদী আৰু খ্ৰীষ্টান ধৰ্মত যুদ্ধনীতি

এই ক্ষেত্ৰত মই উল্লেখিত প্ৰশ্নটোৰো উত্তৰ দিয়াৰ প্ৰয়োজন বোধ কৰো।যুদ্ধ সম্পৰ্কীয় শিক্ষা আৰু নীতি নিয়মৰ ক্ষেত্ৰত বিভিন্ন ধৰ্মৰ মাজত পাৰ্থক্য পৰিলক্ষিত হয়। যুদ্ধ সম্পৰ্কে হজৰত মুছা (আঃ)ৰ শিক্ষাৰ কথা ইতিপূৰ্বে আলোচনা কৰা হৈছে।ইহুদী ধৰ্ম গ্ৰন্থ তৌৰাতত হজৰত মুছা (আঃ)ক আদেশ দিয়া হৈছিল যে,তেখেত (আঃ)যেন বলেৰে কানানত প্ৰৱেশ কৰে আৰু তাৰ গোত্ৰ সমূহক ব্যৰ্থ কৰি নিজৰ জাতিক স্থাপন কৰে।(দ্বি:বি: ২০:১০-১৮)

কিন্তু হজৰত মুছা (আঃ)য়ে এই শিক্ষা দিয়া সত্ত্বেও আৰু এই শিক্ষা ক্ৰমে ইউচা ,দাউদ (আঃ) আৰু অন্যান্য নবী সকলে মানি চলা সত্ত্বেও ইহুদী আৰু খ্ৰীষ্টান সকলে সিহঁতক খোদাৰ নবী আৰু তৌৰাতক খোদাৰ কিতাপ হিচাপে মান্য কৰে।হজৰত মুছা (আঃ)ছিলছিলাৰ অন্তিম পৰ্যায়ত হজৰত ঈছা (আঃ)ৰ আবিৰ্ভাৱ ঘটিছিল। তেখেত (আঃ)ৰ যুদ্ধ সম্পৰ্কে শিক্ষা আছিল  জালিম (অত্যাচাৰী) সকলক হকাবাধা নকৰিবা বৰঞ্চ কোনোবাই তোমাৰ সোঁ গালত  থাপ্পৰ মাৰিলে তাক তুমি তোমাৰ বাওঁ গালখন পাতি দিবা (মতি: ৫:৩৯)। সেই বাবে খ্ৰীষ্টান সকলে কয় যে, হজৰত মছীহ (আঃ) নিজৰ জাতি সমূহক যুদ্ধ কৰিবলৈ নিষেধ কৰি গৈছিল। কিন্তু আমি দেখিবলৈ পাই আছো ইঞ্জিলৰ এই শিক্ষাৰ পৰিপন্থী আন শিক্ষাও আছে। যেনে উল্লেখ আছে:

মই পৃথিৱীত শান্তি স্থাপন কৰিবলৈ আহিছো বুলি নাভাৱিবা। শান্তি স্থাপনৰ বাবে মই অহা নাই বৰং তৰোৱাল চলোৱাৰ বাবেহে আহিছো (মতি: ১০:৩৪) আৰু উল্লেখ আছে:

তাৰ পিছত সি তেওঁলোকক কলে, কিন্তু এতিয়া যাৰ পাত্ৰ আছে সি তাক গ্ৰহণ কৰক

আৰু সেই অনুসৰি সৰু মোনাও গ্ৰহণ কৰক। কিন্তু যাৰ কোনো পাত্ৰ নাই সি নিজৰ হলৌ চোলা বিক্ৰী কৰি তৰোৱাল ক্ৰয় কৰক (লুকা ২২:৩) শেষৰ এই শিক্ষা দুটা প্ৰথমটোৰ সম্পূৰ্ণ বিপৰীত। হজৰত মছীহ (আঃ) যদি যুদ্ধ কৰাৰ বাবে আহি থাকে তেন্তে এটা গালত থাপ্পৰ মাৰিলে আনটো গাল পাতি দিয়াৰ অৰ্থ কি ?গতিকে হয় এই উভয় শিক্ষাক পৰস্পৰ বিৰোধী বুলি গণ্য কৰিব লাগিব অন্যথায় উভয় প্ৰকাৰ শিক্ষাৰ কোনো বাহ্যিক অৰ্থ গ্ৰহণ নকৰি তাৰ আন কোনো তাৎপৰ্য আছে বুলি ভাৱিব লাগিব। মই এই বিতৰ্কত যাব বিচৰা নাই যে, এটি গালত প্ৰহাৰ খাই আনটো গাল পাতি দিয়া ঠিক হ'বনে নহ'ব। মই ইয়াত কেৱল ইখিনি ক'ব বিচাৰো যে,প্ৰথমত খ্ৰীষ্টান জগত সিহঁতৰ সমগ্ৰ ইতিহাসত যুদ্ধৰ পৰা কেতিয়াও বিৰত হোৱা নাছিল।পোন প্ৰথমে যেতিয়া খ্ৰীষ্টান ধৰ্ম ৰোমান সকলৰ ওপৰত বিজয় লাভ কৰিছিল তেতিয়া তেওঁলোকে অন্যান্য জাতি সমূহৰ সৈতে আত্মৰক্ষা আৰু আক্ৰমণাত্মক উভয় প্ৰকাৰ যুদ্ধত লিপ্ত হৈছিল। কিন্তু বৰ্তমানত খ্ৰীষ্টান সকলে পৃথিৱীত যেতিয়া বিজয় লাভ কৰিছে;তেতিয়া সিহঁতে আত্মৰক্ষাৰ্থে যুদ্ধ কৰা নাই বৰঞ্চ আক্ৰমণাৰ্থে হে যুদ্ধ কৰিছে। পাৰ্থক্য কেৱল এই যে, যুদ্ধত অংশগ্ৰহণকাৰী সকলৰ মাজত যি পক্ষই জয় লাভ কৰিছে তাৰ সম্পৰ্কে কোৱা হৈছে যে,সেই পক্ষ খ্ৰীষ্টান সভ্য তাৰেই ৰক্ষাকাৰী।এই যুগত খ্ৰীষ্টান সভ্যতা হ'ল প্ৰভাৰ বিস্তাৰ আৰু বিজয় অৰ্জনৰ আন এক নাম আৰু ইয়াৰ প্ৰকৃত অৰ্থ এয়ে যে,যেতিয়া কোনো দুটি খ্ৰীষ্টান জাতি যুদ্ধত লিপ্ত হয়;তেতিয়া উভয় জাতিয়ে এই দাবী কৰে যে,সিহঁত খ্ৰীষ্টান সভ্যতা ৰক্ষাৰ বাবেহে যুদ্ধ কৰিছে।যেতিয়া এটা পক্ষই বিজয় লাভ কৰে তেতিয়া কোৱা হয় যে,এই বিজয়ী জাতিয়েই হ'ল প্ৰকৃত খ্ৰীষ্টান সভ্যতাৰ প্ৰতিষ্ঠাকাৰী। যিয়েই নহওক এয়া সঠিক যে,যীশু খ্ৰীষ্টৰ যুগৰ পৰা আজিলৈকে খ্ৰীষ্টান জাতি সমূহে যুদ্ধ বিগ্ৰহ কৰিয়েই আছে।সিহঁতৰ অৱস্থা দেখি ধাৰণা হয় যে, সিহঁতে এই যুদ্ধ ক্ৰমাগত ভাৱে চলায়েই যাব।সেই কাৰণে খ্ৰীষ্টান জগত সম্পৰ্কে যিখিনি কোৱা যায় সেয়া হ'ল তুমি নিজৰ হলৌ চোলা বিক্ৰী কৰি তৰোৱাল ক্ৰয় কৰি লোৱা।আৰু মই শান্তি প্ৰতিষ্ঠা কৰাৰ বাবে নহয় বৰং তৰোৱাল চলাবলৈহে আহিছো। এয়াই হ'ল সিহঁতৰ আইন কানুন।আনহাতে তুমি এটা গালত প্ৰহাৰ খালে আনটো গাল পাতি দিয়া এই আইন অৱস্থাৰ পৰিপ্ৰেক্ষিতত বিশেষ সুবিধাৰ্থে প্ৰাথমিক যুগৰ বাবে কৰা হৈছিল।কাৰণ সেই সময়ত খ্ৰীষ্টান জগত পৃথিৱীত অতি দুৰ্বল আছিল। তদুপৰি কেৱল খ্ৰীষ্টান সকলৰ মাজতেই ব্যক্তিগত পৰ্যায়ত সীমাবদ্ধ আছিল। ৰাষ্ট্ৰীয় আৰু জাতীয় পৰ্যায়ত এই আইন চলাবলৈ কোৱা নাই। দ্বিতীয়তে যদি এইটো ধৰি লোৱা হয় যে,হজৰত মছীহ (আঃ)ৰ প্ৰকৃত শিক্ষা যুদ্ধৰ বাবে নাছিল, সেয়া শান্তিৰ বাবেহে আছিল। তথাপি এই শিক্ষাৰ পৰা এইটো বুজা নাযায় যে, যি ব্যক্তিয়ে এই শিক্ষা অনুসৰি কাম নকৰিব সি খোদাৰ মনোনয়ন লাভ কৰিব নোৱাৰিব।কাৰণ আজিলৈকে খ্ৰীষ্টান জগত ইউছা,মুছা আৰু

দাউদ (আঃ)ক খোদাৰ মনোনীত বুলিয়েই স্বীকাৰ কৰি থাকে।বৰঞ্চ স্বয়ং খ্ৰীষ্টান ধৰ্মৰ কৰ্মে বহু জাতিয় বীৰ, যি সকলে নিজৰ জাতিৰ হকে (অধীনত) নিজ জীৱন বিপদাপন্ন কৰি শত্ৰুৰ সৈতে যুদ্ধ কৰিছে, সিহঁত বিভিন্ন যুগত **পোপ** সকলৰ ফতোৱা অনুসৰি পাছত সিদ্ধ পুৰুষ হৈছে।

## যুদ্ধ সম্পৰ্কে ইছলামৰ শিক্ষা

ইছলামে উপৰোক্ত শিক্ষাদ্বয় (ইহুদী আৰু খ্ৰীষ্টান)ৰ মধ্যৱৰ্তী শিক্ষা দান কৰে।ইছলামৰ শিক্ষাই  হজৰত মুছা (আঃ)ৰ শিক্ষাৰ দৰে নকয় যে,তোমালোকে বলেৰে আন দেশত প্ৰৱেশ কৰা আৰু তাৰ জাতিক পৰাস্ত কৰি নিজ জাতিক স্থাপন কৰা। আনকি বৰ্তমান যুগৰ বিকৃত খ্ৰীষ্টান ধৰ্মৰ দৰেও নকয় যে, যদি তোমাক কোনোৱে এটা গালত হাতেৰে প্ৰহাৰ পৰে তেন্তে তুমি তেওঁক আনটো গাল পাতি দিবা।আকৌ নিজৰ বন্ধু-বান্ধৱ ফুচ-ফুচাই নকয় যে, তুমি নিজৰ হলৌ চোলা বিক্ৰী কৰি হলেও তৰোৱাল ক্ৰয় কৰি লোৱা। বৰঞ্চ ইছলামে সেই শিক্ষাই প্ৰদান কৰে,যি মানৱ প্ৰকৃতি সন্মত, শান্তি আৰু নিৰাপত্তা প্ৰতিষ্ঠাৰ বাবে প্ৰয়োজনীয়।সেয়া হ'ল তুমি কাৰো ওপৰত আক্ৰমণ নকৰিবা কিন্তু কোনোবাই যদি তোমাৰ ওপৰত আক্ৰমণ কৰে তাক প্ৰতিৰোধ কৰা নকৰা যদি কলহ বৃদ্ধিৰ কাৰণ হ'ব বুলি প্ৰতীয়মান হয় লগতে শান্তি আৰু ন্যায় নষ্ট হোৱাৰ আশঙ্কা দেখা দিয়ে;তেনেহলে তুমি তেওঁৰ আক্ৰমণৰ প্ৰতিউত্তৰ দিয়া।এয়াই হ'ল সেই শিক্ষা যাৰ অনুসৰণত পৃথিৱীত শান্তি আৰু নিৰাপত্তা হোৱা সম্ভৱ।হজৰত মহম্মদ (ছাঃ)য়ে এই শিক্ষাক অনুসৰণ কৰিছিল।তেখেত (ছাঃ)য়ে সকলো সময়তে মক্কাত দুঃখ কষ্ট আৰু যাতনা সহ্য কৰিছিল।তথাপি যুদ্ধ কৰিব বিচৰা নাছিল। কিন্তু যেতিয়া তেখেত (ছাঃ)য়ে হিজৰত কৰি মক্কাৰ পৰা মদিনালৈ পলায়ন কৰিছিল, তেতিয়াও শত্ৰুৱে  হজৰত মহম্মদ (ছাঃ)ৰ পিছা কৰিছিল।তেতিয়া খোদা তায়লা হজৰত মহম্মদ (ছাঃ)ক আদেশ দিলে, যিহেতু শত্ৰু সকলে আক্ৰমণাত্মক কাৰ্য্য চলাইয়ে আছে আৰু ইছলামক নিৰ্মুল কৰিব বিচাৰিছে।গতিকে ন্যায় আৰু সত্য প্ৰতিষ্ঠাৰে নিমিত্তে তোমালোকেও সিহঁতৰ সৈতে যুদ্ধ কৰা।এই সম্পৰ্কত যিবোৰ আদেশ পৱিত্ৰ গ্ৰন্থ আল কোৰাণত সন্নিৱিষ্ট  আছে সেয়া হ'ল।

أُذِنَ لِلَّذِيْنَ يُقٰتَلُوْنَ بِاَنَّهُمْ ظُلِمُوْا ۗ وَاِنَّ اللّٰهَ عَلٰى نَصْرِهِمْ لَقَدِيْرُ ۙ﴿٤٠﴾
الَّذِيْنَ اُخْرِجُوْا مِنْ دِيَارِهِمْ بِغَيْرِ حَقٍّ اِلَّآ اَنْ يَّقُوْلُوْا رَبُّنَا اللّٰهُ ۗ وَلَوْلَا دَفْعُ اللّٰهِ
النَّاسَ بَعْضَهُمْ بِبَعْضٍ لَّهُدِّمَتْ صَوَامِعُ وَبِيَعٌ وَّصَلَوٰتٌ وَّمَسٰجِدُ
يُذْكَرُ فِيْهَا اسْمُ اللّٰهِ كَثِيْرًا ۗ وَلَيَنْصُرَنَّ اللّٰهُ مَنْ يَّنْصُرُهٗ ۗ اِنَّ اللّٰهَ لَقَوِيٌّ عَزِيْزٌ ﴿٤١﴾
اَلَّذِيْنَ اِنْ مَّكَّنّٰهُمْ فِى الْاَرْضِ اَقَامُوا الصَّلٰوةَ وَاٰتَوُا الزَّكٰوةَ وَاَمَرُوْا
بِالْمَعْرُوْفِ وَنَهَوْا عَنِ الْمُنْكَرِ ۗ وَلِلّٰهِ عَاقِبَةُ الْاُمُوْرِ ﴿٤٢﴾ (22:40-42)

অৰ্থ ঃ যিবিলাকৰ বিৰুদ্ধে যুদ্ধ চলোৱা হৈছে সেইবিলাকক (আত্মৰক্ষা কৰিবলৈ) অনুমতি দিয়া হৈছে। কিয়নো তেওঁলোকৰ প্ৰতি (অবাধে) অত্যাচাৰ কৰা হৈছে আৰু ইয়াত কোনো সন্দেহ নাই তেওঁলোকক সহায় কৰিবলৈ আল্লাহৰ মহান ক্ষমতা আছে।আমাৰ প্ৰতিপালক আল্লাহ এইযাৰ কথা মাথোন কোৱাৰ বাবে একো ন্যায় সঙ্গত কাৰণ নোহোৱাকৈ তেওঁলোকক নিজৰ ঘৰৰ পৰা উলিয়াই দিয়া হৈছিল। আৰু আল্লাহই মানৱ জাতিৰ কিছুমানক (অন্যায় আচৰণৰ কাৰণে) আন কিছুমানৰ দ্বাৰা দমন কৰাৰ ব্যৱস্থা নকৰা হলে সন্ন্যাসী সকলৰ আশ্ৰয় সমূহ (খ্ৰীষ্টান সকলৰ) গিৰ্জাবিলাক (ইহুদী সকলৰ) ধৰ্ম মন্দিৰ সমূহ,(মুছলিমসকলৰ) মছজিদ সমূহ য'ত আল্লাহৰ নাম অধিককৈ লোৱা হয় সকলো ভূমিষ্ঠ হ'লহেঁতেন আৰু যিজন আল্লাহৰ কাৰ্য্যত সহায় কৰে, সেইজনক যে আল্লাহই সহায় কৰিব ই সুনিশ্চিত কথা। ইয়াত কোনো সন্দেহ নাই আল্লাহ শক্তিশালী পৰাক্ৰমশালী। (যিবিলাক আজি উৎপীড়িত) সেইবিলাকক ক্ষমতা দান কৰি যদি আমি পৃথিৱীত প্ৰতিষ্ঠিত কৰো,তেওঁলোকে নমাজ প্ৰতিষ্ঠা কৰিব আৰু জাকাত দানৰ সমুচিত নিয়ন্ত্ৰণ কৰিব আৰু সৎকাৰ্য কৰিবলৈ আদেশ দিব আৰু অসৎ কাৰ্য্য কৰিবলৈ নিষেধ কৰিব আৰু আল্লাহৰেই হাতত সকলো কাৰ্য্যৰ সামৰণি। (22:40-42)

উল্লেখিত বাক্য সমূহ যিবোৰ মুছলমান সকলক যুদ্ধ কৰাৰ অনুমতি দানৰ নিমিত্তে অৱতীৰ্ণ হৈছিল;সেই বাক্যবোৰত কোৱা হৈছে যে, ইছলামী শিক্ষা অনুসৰি যুদ্ধ কৰাৰ অনুমতি তেতিয়াই দিয়া হয় যেতিয়া কোনো জাতি আন কোনো জাতিৰ অত্যাচাৰ আৰু নিৰ্যাতনৰ চিকাৰ হয় আৰু সেয়া দীৰ্ঘদিন ধৰি চলি থাকে। জালিম (অত্যাচাৰী) জাতিয়ে বিনা কাৰণতেই মজলুম (নিৰ্যাতিত) জাতিৰ বিৰুদ্ধে যুদ্ধৰ ঘোষণা কৰে আৰু ধৰ্মৰ ক্ষেত্ৰত হস্তক্ষেপ কৰে।এই শ্ৰেণীৰ নিৰ্যাতিত (মজলুম) জাতিৰ এইটোৱেই কৰ্তব্য যে,যেতিয়া শক্তি সঞ্চয় হ'ব; তেতিয়া ধৰ্মীয় স্বাধীনতা ঘোষণা কৰিব আৰু এই কথাও বিশ্বাস ৰাখিব যে,যদি খোদা তায়লা সিহঁতক বিজয় দান কৰে তেন্তে সিহঁতে সকলোৰে ধৰ্মীয় নিৰাপত্তা দান কৰিব লগতে প্ৰত্যেক ধৰ্মৰ পৱিত্ৰ স্থান সমূহক সন্মানৰ চকুৰে চাব।সিহঁতৰ এই বিজয়ক যেন নিজৰ শক্তি আৰু প্ৰতাপ প্ৰতিপত্তি বিস্তাৰৰ সুযোগ বুলি নাভাৱে। বৰঞ্চ সিহঁত যেন দৰিদ্ৰ নিচলা ব্যক্তিৰ কল্যাণ সাধন কৰে, দেশৰ উন্নতি সাধন কৰে, কাজিয়া-বিবাদ, অপৰাধ আৰু দুষ্কৃতি নিবাৰণ কাৰ্য্যত নিজ শক্তিক নিয়োজিত কৰে।এই শিক্ষাই সংক্ষিপ্ত নিশ্চয়,কিন্তু ই সম্পূৰ্ণ। ইয়াত মুছলমান সকলক কি কাৰণত যুদ্ধ কৰাৰ অধিকাৰ দিয়া হৈছিল তাৰ বিষয়েও উল্লেখ আছে। যদিও সিহঁতে যুদ্ধ কৰে তেন্তে সেয়া বাধ্য হৈ কৰিব।কাৰণ আক্ৰমণাত্মক যুদ্ধ ইছলামত নিষিদ্ধ।আনকি প্ৰথমে এই কথাও কোৱা হৈছে যে, মুছলামন সকলৰ বিজয় অৱশ্যই হ'ব। কিন্তু সিহঁতে এই কথাও মনত ৰাখিব লাগিব যে,সিহঁতৰ বিজয়ৰ সময়ত ৰাষ্ট্ৰীয় প্ৰশাসন যেন কোনো

কাৰণতেই ব্যক্তি স্বাৰ্থত ব্যৱহাৰ নহয়। বৰঞ্চ সেয়া যেন কেৱল দেশৰ দৰিদ্ৰ দুৰীকৰণৰ বাবে আৰু শান্তি প্ৰতিষ্ঠাৰ্থে নিয়োজিত থাকে। দেশ আৰু জাতিৰ উন্নতি সাধন কৰাই সিহঁতৰ মুখ্য উদ্দেশ্য হয়। এই সম্পৰ্কে পৱিত্ৰ গ্ৰন্থ আল কোৰাণত সন্নিবিষ্ট আছে ঃ

وَقَاتِلُوْا فِيْ سَبِيْلِ اللّٰهِ الَّذِيْنَ يُقَاتِلُوْنَكُمْ وَلَا تَعْتَدُوْا ؕ اِنَّ اللّٰهَ لَا يُحِبُّ الْمُعْتَدِيْنَ ﴿١٩١﴾
وَاقْتُلُوْهُمْ حَيْثُ ثَقِفْتُمُوْهُمْ وَاَخْرِجُوْهُمْ مِّنْ حَيْثُ اَخْرَجُوْكُمْ
وَالْفِتْنَةُ اَشَدُّ مِنَ الْقَتْلِ ۚ وَلَا تُقٰتِلُوْهُمْ عِنْدَ الْمَسْجِدِ الْحَرَامِ حَتّٰى
يُقٰتِلُوْكُمْ فِيْهِ ۚ فَاِنْ قٰتَلُوْكُمْ فَاقْتُلُوْهُمْ ؕ كَذٰلِكَ جَزَآءُ الْكٰفِرِيْنَ ﴿١٩٢﴾
فَاِنِ انْتَهَوْا فَاِنَّ اللّٰهَ غَفُوْرٌ رَّحِيْمٌ ﴿١٩٣﴾ وَقٰتِلُوْهُمْ حَتّٰى لَا تَكُوْنَ فِتْنَةٌ وَّيَكُوْنَ
الدِّيْنُ لِلّٰهِ ؕ فَاِنِ انْتَهَوْا فَلَا عُدْوَانَ اِلَّا عَلَى الظّٰلِمِيْنَ ﴿١٩٤﴾

(2:191-194)

অৰ্থ ঃ আৰু যিবিলাকে তোমালোকৰ সৈতে যুদ্ধ কৰে সেইবিলাকৰ সৈতে তোমালোকে আল্লাহৰ পথত যুদ্ধ কৰা: কিন্তু সীমা লঙ্ঘন নকৰিবা; নিশ্চয় আল্লাই সীমা লঙ্ঘনকাৰী বিলাকক ভাল নাপায়। (2:191)

আৰু সিহঁতক যতে পাবা ততেই সিহঁতক বধ কৰিবা; আৰু যি ঠাইৰ পৰা সিহঁতে তোমালোকক উলিয়াই দিছিল, সেই ঠাইৰ পৰা সিহঁতক উলিয়াই দিবা; কাৰণ হত্যাতকৈ শান্তি ভঙ্গ গুৰুতৰ। কিন্তু সিহঁতে তোমালোকৰ সৈতে পৱিত্ৰ মছজিদৰ ভিতৰত যুদ্ধ নকৰে মানে ইয়াৰ ওচৰত তোমালোকে সিহঁতৰ সৈতে যুদ্ধ নকৰিবা। কিন্তু সিহঁতে যদি তোমালোকৰ সৈতে যুদ্ধ কৰে, সিহঁতক বধ কৰিবা; অবিশ্বাসী সকলৰ নিমিত্তে সেয়ে প্ৰতিফল। (2:192)

কিন্তু যদি সিহঁতে ক্ষান্ত হয়; তেন্তে আল্লাহ নিশ্চয় শ্ৰেষ্ঠ ক্ষমাশীল, পৰম দানশীল। (2:193)

আৰু অশান্তি আঁতৰ নোহোৱালৈকে আৰু ধৰ্ম কেৱল আল্লাহৰ নিমিত্তে প্ৰতিষ্ঠিত নোহোৱালৈকে  সিহঁতৰ সৈতে যুদ্ধ কৰিবা; কিন্তু যদি সিহঁতে ক্ষান্ত হয় সীমালঙ্ঘনকাৰী বিলাকৰ বাহিৰে (কাকো) আক্ৰমণ কৰা সঙ্গত নহয়। (2:194)

অৰ্থাৎ সেই সকল লোকৰ বিৰুদ্ধে তোমালোকেও আল্লাহৰ পথত যুদ্ধ কৰা; যি সকলে তোমালোকৰ সৈতে যুদ্ধ কৰিছে। কিন্তু এই ক্ষেত্ৰত যেন তোমালোকৰ ব্যক্তিগত ক্ৰোধ নিজস্য স্বাৰ্থ নিহিত নাথাকে। মনত ৰাখিবা যে, যুদ্ধৰ সময়তো কোনো প্ৰকাৰ

সীমা অতিক্ৰম কৰিব নোৱাৰিবা। কাৰণ আল্লাহ্ পাক কোনো কাৰণতেই সীমা লঙ্ঘনকাৰী সকলক পছন্দ নকৰে। যি ঠাইৰ পৰা নহওক কিয় তোমালোকে সিহঁতৰ মুখা-মুখি হলেহে যুদ্ধ কৰিবা অকলসৰে পাই কাকো আক্ৰমণ নকৰিবা। যিহেতু সিহঁতে তোমালোকক যুদ্ধ কৰাৰ বাবে বাধ্য কৰিছে; সেই হেতুকে তোমালোকেও সিহঁতক যুদ্ধৰ আহ্বান দিয়া। স্মৰণ ৰাখিবা যে, হত্যাকাণ্ড আৰু যুদ্ধৰ অজুহাত দেখুৱাই কাকো তেওঁৰ ধৰ্মৰ বাবে কষ্ট দিয়া ভয়ানক পাপ কৰ্ম।গতিকে তোমালোকে এনে কৰ্ম নকৰিবা। কাৰণ এয়া হ'ল ধৰ্মহীন লোকৰ কাম। তোমালোকৰ কৰ্ত্তব্য হ'ব মছজিদুল হাৰমৰ ওপৰত তেতিয়ালৈকে যুদ্ধ নকৰা যেতিয়ালৈকে সিহঁতে তাত যুদ্ধ আৰম্ভ নকৰে। কাৰণ ইয়াৰ বাবে হজ আৰু উমৰাহ পালনৰ ৰাস্তা বন্ধ হৈ যাব। কিন্তু যদি সিহঁতে নিজেই তাত এনে যুদ্ধ আৰম্ভ কৰি দিয়ে তেন্তে তোমালোকৰ ওপৰত বাধ্যতামূলক হ'ব যে, নিঃসন্দেহ সিহঁতক প্ৰতিৰোধ কৰাৰ বাবে যুদ্ধ কৰিব পাৰিবা। যি সকলে বিবেক বুদ্ধি আৰু ন্যায়ৰ নিৰ্দেশ লঙ্ঘন কৰে; সিহঁতৰ সৈতে অনুৰূপ আচৰণ কৰাই উচিত। কিন্তু যদি সিহঁতে নিজেই নিজৰ অন্যায় বুজিব পাৰে আৰু তেনেকুৱা কাৰ্য্যৰ পৰা বিৰত থাকে, তেন্তে নিশ্চয় আল্লাহ তায়লা পৰম ক্ষমাশীল আৰু পৰম দয়ালু। সেই গতিকে তোমালোকৰ উচিত হ'ব অনুৰূপ অৱস্থাত নিজকে চম্ভালি লোৱা। লগতে এই চিন্তাও পৰিহাৰ কৰিব লাগিব যে, সিহঁতে প্ৰথমে যুদ্ধ আৰম্ভ কৰিছিল বাবে যুদ্ধ চলাই যাব লাগিব। সিহঁতে প্ৰথমে যুদ্ধ আৰম্ভ কৰিছে বাবে তোমালোকে সেই সময় পৰ্য্যন্ত যুদ্ধ চলাই যাব পাৰিবা, যি সময় লৈকে সিহঁতে ধৰ্মৰ ওপৰত হস্তক্ষেপ বন্ধ নকৰে আৰু লগতে ধৰ্মীয় বিষয়াদিৰ সম্পৰ্ক কেৱল আল্লাহৰ সৈতে বুলি স্বীকাৰ নকৰে। এই ক্ষেত্ৰত বল প্ৰয়োগ কোনো মানুহৰ বাবে বৈধ নহয়। সিহঁতে যদি এই পথ অৱলম্বন কৰে আৰু ধৰ্মীয় ক্ষেত্ৰত হস্তক্ষেপৰ পৰা বিৰত হয়; তেন্তে লগে লগে যুদ্ধ বন্ধ কৰিব লাগিব। কাৰণ শাস্তি কেৱল জালিম সকলকহে দিয়া হয়। যদি সিহঁতে এনেকুৱা অত্যাচাৰীমূলক কাৰ্য্যৰ পৰা বিৰত হয়; তেন্তে সেই ক্ষেত্ৰত সিহঁতৰ লগত যুদ্ধ কৰা বৈধ (জায়েজ) নহ'ব। উক্ত বাক্য সমূহত কোৱা হৈছে যে,

**প্ৰথমতে ঃ** কেৱল আল্লাহৰ পথত হে যুদ্ধ হ'ব। অৰ্থাৎ কোনো ব্যক্তিগত লোভ-লালচ, স্বাৰ্থ, দেশ জয়ৰ বাসনা, নিজৰ প্ৰভাৱ প্ৰতিপত্তি বৃদ্ধিৰ (আকাঙ্খাত) কামনাত যুদ্ধ কৰা নাযাব।

**দ্বিতীয়তে ঃ** যুদ্ধ কেৱল তেওঁৰ বিৰুদ্ধ কৰা যাব যি প্ৰথমে আক্ৰমণ কৰিব।

**তৃতীয়তে ঃ** সিহঁতৰ বিৰুদ্ধে যুদ্ধ কৰা তোমালোকৰ বৈধ হ'ব; যিসকলে তোমালোকৰ বিৰুদ্ধে যুদ্ধ কৰিছে। কিন্তু যিসকলে নিয়মিত সৈন্য নহয় আৰু যুদ্ধত অংশ গ্ৰহণকাৰী নহয়; সিহঁতক হত্যা কৰা অথবা সিহঁতৰ বিৰুদ্ধে যুদ্ধ কৰা উভয় বৈধ নহয়।

**চতুৰ্থতে ঃ** শত্ৰুসকলে প্ৰথমতে আক্ৰমণ কৰিলেও, যুদ্ধক সেই সীমাৰ মাজত আৱদ্ধ ৰাখিব লাগিব যি সীমালৈকে শত্ৰুৱে যুদ্ধ কৰে। সেই সীমাক অঞ্চল অথবা অস্ত্ৰ-শস্ত্ৰৰ কোনো ক্ষেত্ৰতেই বৃদ্ধি কৰা নাযাব।

**পঞ্চমতে ঃ** যুদ্ধ কেৱল নিয়মিত সৈনিক সকলৰ সৈতে হ'ব লাগিব। শত্ৰুৰ এজন বা দুজন লোকৰ সৈতে সংঘৰ্ষত লিপ্ত হোৱা নাযাব।

**ষষ্ঠতে ঃ** যুদ্ধত এই বিষয়ৰ প্ৰতি দৃষ্টি ৰাখিব লাগিব যে, ধৰ্মীয় উপাসনা আৰু ধৰ্মীয় অনুষ্ঠান আদি পালনত যাতে কোনো প্ৰকাৰৰ বাধা-বিপত্তিৰ সৃষ্টি নহয়। শত্ৰুৱে যদি এনে কোনো স্থানত যুদ্ধাৱস্থাৰ সৃষ্টি নকৰে, য'ত কৰিলে সিহঁতৰ ধৰ্মীয় উপাসনাৰ বাধাৰ সৃষ্টি হয়, তেনেহলে মুছলমাসকলে তাত যুদ্ধ কৰিব নোৱাৰিব।

**সপ্তমতে ঃ** শত্ৰুৱে যদি নিজেই ধৰ্মীয় উপাসনা সমূহক যুদ্ধৰ বাবে ব্যৱহাৰ কৰে; তেন্তে বাধ্য হৈ তোমালোকেও তদ্ৰুপ কৰিব পাৰিবা অন্যথাত নোৱাৰিবা ! এই বাক্যত উপাসনাৰ স্থান সমূহৰ ওচৰে-পাজৰেও (আশে-পাশে) যুদ্ধ কৰা নচলিব বুলি ইঙ্গিত প্ৰদান কৰিছে। ধৰ্মীয় স্থানত আক্ৰমণ কৰা, সেইবোৰক ধ্বংস কৰা, অথবা সেইবোৰৰ কোনো ক্ষতি সাধন কৰা সম্পূৰ্ণৰূপে নিষিদ্ধ। যদি শত্ৰুৱে ধৰ্মীয় স্থানক যুদ্ধৰ বাবে ব্যৱহাৰ কৰে, তেন্তে তাৰ অৰ্থ হ'ব সেইবোৰৰ প্ৰতি আক্ৰমণৰ সুযোগ কৰি দিয়া। সেই ক্ষেত্ৰত ধৰ্মীয় স্থানৰ অনুৰূপ কোনো ক্ষতিৰ দায়িত্ব শত্ৰুৰ ওপৰতেই (বৰ্তাব) ন্যস্ত হ'ব; মুছলমান সকলৰ ওপৰত নহ'ব।

**অষ্টমতে ঃ** শত্ৰুৱে যদি ধৰ্মীয় স্থান বা প্ৰতিষ্ঠানৰ মাজত যুদ্ধ আৰম্ভ কৰাৰ পাছত তাৰ ভয়াবহ পৰিণতি সম্পৰ্কে উপলব্ধি কৰিব পাৰে সেই ধৰ্মীয় স্থান সমূহৰ পৰা আঁতৰি গৈ আন কোনো ঠাইত যুদ্ধ ক্ষেত্ৰ তৈয়াৰ কৰে, তেনেহলে মুছলমান সকলে সিহঁতৰ সেই ধৰ্মীয় স্থান বা প্ৰতিষ্ঠানক কোনো ক্ষতি কৰিব নোৱাৰিব। আনকি শত্ৰুৱে তাৰ পৰা প্ৰথমে যুদ্ধ আৰম্ভ কৰিছে বুলি কোনো ওজৰ-আপত্তি প্ৰদৰ্শন কৰিব নোৱাৰিব। বৰঞ্চ তৎক্ষণাত সেই স্থান সমূহৰ মৰ্য্যদা ৰক্ষাৰ্থে মুছলমান সকলেও যুদ্ধ ক্ষেত্ৰৰ স্থান পৰিবৰ্তন

কৰিব লাগিব।

**নৱমতে ঃ** যুদ্ধ তেতিয়ালৈকে অব্যাহত ৰাখিব লাগিব; যেতিয়ালৈকে ধৰ্মীয় ক্ষেত্ৰত হস্তক্ষেপ কৰা বন্ধ নহয় আৰু কেৱল ধৰ্মীয় বিষয় সমূহক একমাত্ৰ হৃদয়ৰ বিষয় ৰূপে স্বীকৃতি দিয়া নহয়। লগতে ৰাজনৈতিক বিষয় সমূহৰ ন্যায় ধৰ্মীয় ক্ষেত্ৰত অনুসন্ধান বন্ধ কৰা নহয়। শত্ৰু সকলে যদি এই বিষয়ৰ সপক্ষে ঘোষণা দিয়ে; তেন্তে তেওঁলোকে প্ৰথমে যুদ্ধ আৰম্ভ কৰিলেও সিহঁতৰ বিৰুদ্ধে বন্ধ কৰিব লাগিব।

আল্লাহ্ তায়লা পৱিত্ৰ গ্ৰন্থ কোৰ-আনত কৈছে,

قُلْ لِّلَّذِيْنَ كَفَرُوْٓا اِنْ يَّنْتَهُوْا يُغْفَرْ لَهُمْ مَّا قَدْ سَلَفَ ۚ وَاِنْ يَّعُوْدُوْا فَقَدْ مَضَتْ سُنَّتُ الْاَوَّلِيْنَ ۝٣٩ (8:39)

وَقَاتِلُوْهُمْ حَتّٰى لَا تَكُوْنَ فِتْنَةٌ وَّيَكُوْنَ الدِّيْنُ كُلُّهٗ لِلّٰهِ ۚ فَاِنِ انْتَهَوْا فَاِنَّ اللّٰهَ بِمَا يَعْمَلُوْنَ بَصِيْرٌ ۝٤٠ (8:40)

وَاِنْ تَوَلَّوْا فَاعْلَمُوْٓا اَنَّ اللّٰهَ مَوْلٰىكُمْ ۭ نِعْمَ الْمَوْلٰى وَنِعْمَ النَّصِيْرُ ۝٤١ (8:41)

অৰ্থঃ যিবিলাকে অবিশ্বাস কৰিছে সিহঁতক তুমি কোৱা, সিহঁত যদি (অন্যায় আচৰণৰ পৰা) বিৰত থাকে, যি অতীতত ঘটিছে তাৰ বাবে সিহঁতক ক্ষমা দান কৰা হ'ব; কিন্তু যদি সিহঁত পূৰ্বৰ আচৰণলৈ) উলটি আহে, তেন্তে (সিহঁতে জানিছেই) অতীতৰ দুৰাচাৰীবিলাকৰ সৈতে কি নিয়ম পালন কৰা হৈছিল।(8:39)

আৰু অশান্তি আঁতৰ নোহোৱালৈকে আৰু ধৰ্ম কেৱল আল্লাহৰ নিমিত্তে সম্পূৰ্ণৰূপে প্ৰতিষ্ঠিত নোহোৱালৈকে সিহঁতৰ সৈতে যুদ্ধ কৰিবা. কিন্তু যদি সিহঁত ক্ষান্ত হয়, তেন্তে সিহঁতে কৰা কাৰ্য্য আল্লাহৰ অগোচৰ নহয়। (8:40)

কিন্তু যদি সিহঁত পুনৰায় ঘূৰি যায়, তেন্তে তোমালোকে জানি থোৱা, তোমালোকৰ সংৰক্ষক আল্লাহ; কেনে উত্তম সংৰক্ষক তেওঁ আৰু কেনে শ্ৰেষ্ঠ সহায়কাৰী। (8:41)

উক্ত বাক্য সমূহত আল্লাহ পাক হজৰত মহম্মদ (ছাঃ)ক উদ্দেশ্য কৰি কৈছে, হে মহম্মদ! শত্ৰুৱে যুদ্ধ আৰম্ভ কৰি দিছে আৰু আল্লাহৰ আদেশ অনুসৰি সিহঁতৰ প্ৰতিৰোধ

কৰিব লাগিব। কিন্তু তুমি ঘোষণা কৰি দিয়া যে, যদি সিহঁতে এতিয়াও যুদ্ধৰ পৰা বিৰত হয়; তেন্তে সিহঁতে ইতিমধ্যে সংগঠিক কৰা অপৰাধক মাৰ্জনা কৰি দিয়া হ'ব। কিন্তু যদি সিহঁতে তাৰ পৰা বিৰত নহয়; বৰং বাৰে বাৰে আক্ৰমণ সংগঠিত কৰে; তেন্তে পূৰ্বৱৰ্তী নবীসকলৰ শত্ৰু গণৰ পৰিণতি সিহঁতৰ বাবে অপেক্ষা কৰি আছে। সিহঁতৰ পৰিণতি তদ্ৰূপেই হ'ব।হে মুছলমান সকল! সেই সময়লৈকে যুদ্ধ চলাই যোৱা যেতিয়ালৈকে ধৰ্মৰ বাবে কাকো কষ্ট দিয়া বন্ধ নহয় আৰু ধৰ্মক সম্পূৰ্ণ ৰূপে খোদা তায়লাৰ ওপৰত অৰ্পন কৰা নহয় লগতে মানুহে ধৰ্মৰ ক্ষেত্ৰত হস্তক্ষেপ কৰা পৰিহাৰ নকৰে।যদি সেই বিলাক মানুহে এই বিষয়াবোৰৰ পৰা বিৰত হৈ যায়,তেনেহলে সিহঁতৰ বিৰুদ্ধে কেৱল এই কাৰণেই যুদ্ধ কৰা নচলিব যে,সিহঁত এটা ভ্ৰান্ত ধৰ্মৰ অনুসৰী।কাৰণ আল্লাহ পাক নিশ্চয় সিহঁতৰ আমল সম্পৰ্কে অৱগত আছে। আল্লাহ পাক নিজ ইচ্ছা অনুসৰি সিহঁতৰ সৈতে ব্যৱহাৰ কৰিব। সিহঁতৰ সেই ভ্ৰান্ত ধৰ্মৰ ক্ষেত্ৰত তোমালোকক হস্তক্ষেপ কৰাৰ অধিকাৰ দিয়া হোৱা নাই। যদি তোমালোকৰ এই শান্তিৰ ঘটনাৰ পাছতো কোনোবাই যুদ্ধৰ পৰা বিৰত নহয় আৰু যুদ্ধ অব্যাহত ৰাখে; তেনেহলে সঁচাকৈয়ে জানি ৰাখিবা যে, তোমালোকৰ শক্তি কম হোৱা সত্বেও তোমালোকেই বিজয়ী হবা।

কাৰণ সেই সময়ত আল্লাহ তায়লা তোমালোকৰ সঙ্গী হ'ব।আল্লাহতকৈ উত্তম সঙ্গী আৰু সাহায্যকাৰী আৰু কোন হ'ব পাৰে ? পৱিত্ৰ কোৰাণ শ্বৰীফৰ এই (আয়াত) বাক্যত বদৰৰ যুদ্ধ সম্পৰ্কে উল্লেখ কৰা হৈছে; যি যুদ্ধ আৰবৰ কাফেৰ (অবিশ্বাসী) সকল আৰু মুছলমান সকলৰ মাজত হোৱা সৰ্বপ্ৰথম নিয়মিত যুদ্ধ আছিল।সেই সময়ত আৰবৰ কাফেৰ সকলে কোনো কাৰণ নোহোৱাকৈ মুছলমান সকলৰ ওপৰত আক্ৰমণ কৰা,মদিনাৰ চৌপাশে হাই-কাজিয়া আৰু উত্তেজনা সৃষ্টি কৰা সত্বেও কাফেৰ সকলৰ ডাঙৰ ডাঙৰ নেতা নিহত হোৱা সত্বেও আৰু মুছলমান সকলৰ জয় লাভ হোৱা সত্বেও পৱিত্ৰ কোৰাণ কৰিমত হজৰত মহম্মদ (ছাঃ)ৰ মাধ্যমত এই ঘোষণা প্ৰদান কৰিছে যে,এতিয়াও যদি তোমালোকে ক্ষান্ত নোহোৱা তেন্তে আমি যুদ্ধ বন্ধ কৰি দিম; আমি কেৱল এয়ে বিচাৰিছিলোঁ যে, বলেৰে ধৰ্মান্তাৰিত কৰা নাযায় আৰু ধৰ্মৰ ক্ষেত্ৰত কোনো হস্তক্ষেপ কৰাও নাযাব। আল্লাহ তায়লা পৱিত্ৰ গ্ৰন্থ কোৰাণত উল্লেখ কৰিছে ঃ

وَاِنۡ جَنَحُوۡا لِلسَّلۡمِ فَاجۡنَحۡ لَهَا وَ تَوَكَّلۡ عَلَى اللّٰهِ ؕ اِنَّهٗ هُوَ السَّمِيۡعُ الۡعَلِيۡمُ ﴿٦١﴾

وَاِنۡ يُّرِيۡدُوۡۤا اَنۡ يَّخۡدَعُوۡكَ فَاِنَّ حَسۡبَكَ اللّٰهُ ؕ هُوَ الَّذِىۡۤ اَيَّدَكَ بِنَصۡرِهٖ وَبِالۡمُؤۡمِنِيۡنَۙ ﴿٦٢﴾

(8:62,63)

অৰ্থঃ আৰু যদি সিহঁতে সন্ধি স্থাপন কৰিবলৈ ইচ্ছুক (আগ্ৰহী) হয় তুমিও সেই ফালে ঢাল লবা আৰু আল্লাহৰ ওপৰত নিৰ্ভৰ কৰিবা;ইয়াত কোনো সন্দেহ নাই তেওঁৱেই সৰ্ব

শ্ৰোতা সৰ্ব জ্ঞাতা।আৰু যদি সিহঁতে তোমাক প্ৰতাৰণা কৰিবলৈ ইচ্ছা কৰে তেন্তে (জানিবা) তোমাৰ কাৰণে আল্লাহই যথেষ্ট;সি নিজৰ ফালৰ পৰা সহায় দান কৰি আৰু বিশ্বাসী সকলৰ দল এটাৰে তোমাক শক্তি সম্পন্ন কৰিছে।(8:62,63)

উল্লেখিত আয়াত অনুসৰি যদি কোনো সময়ত কাফেৰ সকলে সন্ধি কৰিবলৈ আগ্ৰহী হয়;তেন্তে তৎক্ষণাত সিহঁতৰ প্ৰস্তাৱ মানিলৈ সিহঁতৰ সৈতে সন্ধি স্থাপন কৰিবা আৰু সিহঁতে প্ৰতাৰণা কৰিব পাৰে বুলি ধাৰণা নকৰিবা।বৰং আল্লাহৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰ কৰিবা। নিশ্চয় আল্লাহ প্ৰাৰ্থনা শ্ৰৱণকাৰী আৰু সৰ্বজ্ঞ।যদি তোমালোকৰ (ধাৰণা) সন্দেহ ঠিক হয় যে,সিহঁতে প্ৰতাৰণা কৰিব বিচাৰিছে আৰু প্ৰতাৰণা যদি সিহঁতৰ উদ্দেশ্য হয়;তেন্তে মনত ৰাখিবা যে,সিহঁতৰ প্ৰতাৰণাত তোমালোকৰ একো ক্ষতি নহ'ব।তোমালোকে কেৱল আল্লাহৰ সন্তুষ্টিৰ বাবেহে সাহায্য লভিছা আৰু তোমালোকৰ কাৰণে আল্লাহৰ সাহায্যই যথেষ্ট।অতীত কালত আল্লাহ পাক তোমালোকক প্ৰত্যক্ষ ভাবে সহায় কৰিছিল আৰু মোমিন সকলৰ জৰিয়তে সঙ্গ হয়তো দান কৰি আহিছে।

ইয়াত কোৱা হৈছে যে, যেতিয়া শত্ৰুৱে সন্ধি কৰিবলৈ আগ্ৰহ হয়, তেতিয়া মুছলমান সকলৰ উচিত সিহঁতৰ সৈতে সন্ধি স্থাপন কৰা।যদি সিহঁতে সন্ধিৰ চৰ্তাৱলী প্ৰকাশ্যে পালন কৰিবলৈ সন্মত হয়,কেৱল এই অজুহাতত সন্ধিৰ প্ৰস্তাৱ নাকচ নকৰিবা যে, শত্ৰুৰ উদ্দেশ্য ভাল নহয়, যথা সম্ভৱ সিহঁতে পুনৰ আক্ৰমণ কৰাৰ বাবে কোচ কাৱাচ কৰিছে। এই আয়াত সমূহত প্ৰকৃততে হুদায়বিয়াৰ সন্ধিৰ ভৰিষ্যতবাণী কৰা হৈছে। ইয়াত কোৱা হৈছে যে, এনে এক সময় আহিব যেতিয়া শত্ৰুৱে সন্ধি কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰিব।সেই সময়ত শত্ৰুৱে প্ৰৱঞ্চনা কৰিব পাৰে অথবা চুক্তি ভঙ্গ কৰিব পাৰে বুলি অজুহাত দেখুৱাই সন্ধি কৰোতে অস্বীকাৰ নকৰিবা।কাৰণ এয়েই পুণ্য কৰ্মৰ দাবী আৰু ইয়াতে তোমালোকৰ মঙ্গল নিহিত আছে।গতিকে সন্ধিৰ প্ৰস্তাৱ আহিলে তোমালোকে তাক অৱশ্যেই গ্ৰহণ কৰিবা।আল্লাহ তায়লা পবিত্ৰ গ্ৰন্থৰ আন এক স্থানত উল্লেখ কৰিছে:

يَا أَيُّهَا الَّذِينَ آمَنُوا إِذَا ضَرَبْتُمْ فِي سَبِيلِ اللهِ فَتَبَيَّنُوا
وَلَا تَقُولُوا لِمَنْ أَلْقَى إِلَيْكُمُ السَّلَامَ لَسْتَ مُؤْمِنًا تَبْتَغُونَ عَرَضَ الْحَيَاةِ
الدُّنْيَا فَعِندَ اللهِ مَغَانِمُ كَثِيرَةٌ ۚ كَذَٰلِكَ كُنتُم مِّن قَبْلُ فَمَنَّ اللهُ عَلَيْكُمْ
فَتَبَيَّنُوا ۚ إِنَّ اللهَ كَانَ بِمَا تَعْمَلُونَ خَبِيرًا (4:95)

অৰ্থঃ হে বিশ্বাসী সকল!যেতিয়া তোমালোকে আল্লাহৰ পথত (ঘৰৰ পৰা) ওলাই যোৱা

সকলো কথাৰ তদন্ত কৰিবা; আৰু যিজনে তোমালোকক (শান্তিৰ)সম্ভাষণ জনায় সিজনক নকবা তুমি বিশ্বাসী নোহোৱা;তোমালোকে পাৰ্থিৱ জীৱনৰ সম্বলৰ লোভত; কিন্তু উত্তম সম্পদ প্ৰচুৰ পৰিমাণে আছে আল্লাহৰ কাষত;অতীতত তোমালোকে এনেকুৱাই আছিলা;পিছত আল্লাই তোমালোকৰ প্ৰতি অনুগ্ৰহ বৰ্ষণ কৰিলে।গতিকে তোমালোকে উচিত মতে তদন্ত কৰি লবা; তোমালোকে যি কাৰ্যকে কৰা সেই সম্বন্ধে আল্লাহ সম্পূৰ্ণ ৰূপে অভিজ্ঞ।

অৰ্থাৎ তোমালোকে যদি এনেকুৱা কথা কোৱা তেন্তে বুজিব লাগিব যে,তোমালোকে আল্লাহৰ বাটত যুদ্ধ কৰালোক নহয় বৰঞ্চ পৃথিৱীৰ প্ৰত্যাশী।গতিকে এনে কাৰ্য নকৰিবা। কাৰণ যেনেকৈ খোদা তায়লাৰ ওচৰত দ্বীন আছে ঠিক তেনেকৈ পৃথিৱীৰ সকলো ধন সম্পদো সন্মুখত আছে। তোমালোকৰ মনত ৰখা উচিত যে,কোনো মানুহেই হত্যা কৰাটো আচল উদ্দেশ্য নহয়।তুমি এয়া জনা যে,হয়তো সি অহা কাইলৈ হিদায়ত প্ৰাপ্ত হ'ব কিন্তু তুমিওতো ইতিপূৰ্বে ইছলামৰ বহিৰ্ভূত আছিলা।পাছত আল্লাহ তায়লা কৃপা কৰি তোমাক এই ধৰ্ম গ্ৰহণ কৰাৰ তৌফিক দিছে।গতিকে হত্যা কৰাৰ ক্ষেত্ৰত খৰ-খেদা নকৰি প্ৰকৃত অৱস্থা জানিবৰ চেষ্টা কৰিবা। মনত ৰখা উচিত যে,তুমি যি কৰিছা সেয়া আল্লাহ তায়লা ভালকৈ অৱগত আছে।

পৱিত্ৰ কোৰাণত উক্ত আয়াতত কৈছে যে, যেতিয়া যুদ্ধ হৈ যাব তেতিয়া এই বিষয়ত ভালকৈ অৱগত হোৱাৰ চেষ্টা কৰিব যে,আচলতে শত্ৰুৱে আক্ৰমণাত্মক যুদ্ধ কৰিছে নে নাই কৰা ?কাৰণ এনেকুৱাও হ'ব পাৰে যে, শত্ৰুৱে আক্ৰমণাত্মক যুদ্ধ কৰিব বিচৰা নাই।বৰং সি কোনো কাৰণত ভয় পাইছে বুলিয়েই সামৰিক প্ৰস্তাৰ গ্ৰহণ কৰিছে।গতিকে পোনতে নিশ্চিত ৰূপে জানিব লাগিব যে, শত্ৰুৱে আচলতে আক্ৰমণাত্মক যুদ্ধ কৰিব বিচাৰিছে নে নাই ?যদি সেয়েই হয়, তেনেহলে তুমিও নিশ্চয় তাৰ বিৰুদ্ধে যুদ্ধত অৱতীৰ্ণ হ'ব পাৰিবা।কিন্তু যদি সি এই কথা কয়, যুদ্ধ কৰা আমাৰ উদ্দেশ্য নহয় আমি কেৱল ভয় পাই যুদ্ধৰ প্ৰস্তুতি লৈছিলোঁ।তেন্তে তোমালোকে এই কথা ক'ব নোৱাৰিবা যে, নহ'ব কাৰণ তোমালোকৰ প্ৰস্তুতিয়েই কৈ দিছে যে,তোমালোকে আমাৰ ওপৰত আক্ৰমণ কৰিব বিচাৰিছা।আমি কেনেকৈ জানিম যে, আমি তোমালোকৰ পৰা নিৰাপদ ? বৰং তোমালোকে সিহঁতৰ কথা বিশ্বাস কৰিবা আৰু মনত ৰাখিবা যিসকলে প্ৰথমে ইচ্ছা থকা সত্বেও আক্ৰমণৰ ইচ্ছা পৰিৱৰ্তন ঘটাইছে।কাৰণ তোমালোকে নিজেই সাক্ষী যে, মানুহৰ হৃদয়ৰ পৰিৱৰ্তন নিশ্চয় ঘটে।তোমালোকে বহুতেই ইতিপূৰ্বে ইছলামৰ শত্ৰু আছিলা, কিন্তু এতিয়া ইছলামৰ সৈনিক।

আকৌ শত্ৰুৰ সৈতে অঙ্গীকাৰ কৰা সম্পৰ্কে পৱিত্ৰ কোৰ-আনত উল্লেখ আছে;

اِلَّا الَّذِيۡنَ عٰهَدْتُّمۡ مِّنَ الۡمُشۡرِكِيۡنَ ثُمَّ
لَمۡ يَنۡقُصُوۡكُمۡ شَيۡـًٔا وَّلَمۡ يُظَاهِرُوۡا
عَلَيۡكُمۡ اَحَدًا فَاَتِمُّوۡۤا اِلَيۡهِمۡ عَهۡدَهُمۡ
اِلٰى مُدَّتِهِمۡ‌ؕ اِنَّ اللّٰهَ يُحِبُّ الۡمُتَّقِيۡنَ‏ ۝٤ (9:4)

অৰ্থ ঃ সেই অংশবাদী সকলৰ পৰা যিবিলাকে তোমালোকৰ সৈতে সন্ধিৰ চুক্তি কৰিছিল আৰু সেই চুক্তি পালন কৰা সিহঁতে অলপো ক্ৰটি কৰা নাছিল; আৰু তোমালোকৰ বিপক্ষে কোনো এটা দলক সহায়ো কৰা নাছিল; গতিকে সিহঁতৰ সৈতে কৰা চুক্তি, সিহঁতে নিৰূপিত কৰা সময়লৈকে, পূৰ্ণৰূপে পালন কৰিবা। কোনো সন্দেহ নাই ধৰ্ম পৰায়ণ সকলক আল্লাই ভাল পায়। (9:4)

যুদ্ধ চলি থকা অৱস্থাত যদি শত্ৰু সকলৰ মাজৰ পৰা কোনোৱে ইছলামৰ সত্যতা সম্পৰ্কে জানিব বিচাৰে তেন্তে সেই শ্ৰেণীৰ শত্ৰুৰ বিষয়ে পৱিত্ৰ কোৰ-আনত সন্নিবিষ্ট আছে;

وَاِنۡ اَحَدٌ مِّنَ الۡمُشۡرِكِيۡنَ اسۡتَجَارَكَ
فَاَجِرۡهُ حَتّٰى يَسۡمَعَ كَلٰمَ اللّٰهِ ثُمَّ اَبۡلِغۡهُ
مَاۡمَنَهٗ‌ ؕ ذٰلِكَ بِاَنَّهُمۡ قَوۡمٌ لَّا يَعۡلَمُوۡنَ‏ ۝٦ ع
(9:6)

অৰ্থ ঃ আৰু যদি অংশীবাদী বিলাকৰ অৰ্থাৎ মুশ্বৰীক সকলৰ মাজৰ কোনো এজনে তোমাৰ আশ্ৰয় বিচাৰে; তেন্তে সেইজনক আশ্ৰয় দিবা, যাতে সেইজনে আল্লাহৰ বাণী মন দি শুনিব পাৰে।পিছত সেইজনে আল্লাহৰ বাণী মন দি শুনিব পাৰে; পিছত সেইজনক যি ঠাই তাৰ নিমিত্তে নিৰাপদ তালৈ পঠাই দিবা ; ইয়াৰ কাৰণ এই সিহঁত এনে লোক যিবিলাকৰ (এতিয়ালৈকে আল্লাহৰ বাণীৰ গুৰুত্বৰ )জ্ঞান হোৱা নাই। (9:6)

যুদ্ধবন্দী সকলৰ সম্পৰ্কে পৱিত্ৰ কোৰ-আন শ্বৰীফত নিম্নোক্ত বাক্য উল্লেখ আছে;

مَا كَانَ لِنَبِىٍّ اَنۡ يَّكُوۡنَ لَهٗۤ اَسۡرٰى حَتّٰى يُثۡخِنَ فِى الۡاَرۡضِ‌ؕ
(8:68)

অৰ্থ ঃ কোনো নবীৰ মৰ্য্যদাৰ পক্ষে ই যথাযোগ্য নহয় যে, সি তাৰ শত্ৰুক একমাত্ৰ দেশৰ নিয়মিত যুদ্ধত অংশ গ্ৰহণ কৰি বন্ধী হোৱাৰ বাহিৰে বন্দী কৰি ৰাখিব পাৰে। (8:58)। অৰ্থাৎ সেই যুগত এই প্ৰথা প্ৰচলিত আছিল আৰু তাৰ পাছতো কেইবা শতাব্দি পৰ্য্যন্ত পৃথিৱীত এই প্ৰথা প্ৰচলিত আছিল যে, শত্ৰু পক্ষৰ লোকক যুদ্ধ নকৰাকৈ গ্ৰপ্তাৰ কৰি বন্দী কৰা বৈধ। কিন্তু ইছলামে তাক পছন্দ নকৰে। ইছলামৰ নিয়ম অনুসৰি কেৱল সেই সমূহ লোককেই যুদ্ধবন্দী কোৱা হ'ব; যি সকলে দেশৰ নিয়মিত যুদ্ধত অংশ গ্ৰহণ কৰিছিল আৰু যুদ্ধৰ সময়তেই বন্দী হৈছিল।

আকৌ, এই যুদ্ধবন্দী সকলৰ বাবে পৱিত্ৰ গ্ৰন্থত সন্নিবিষ্ট আছে যে,

فَاِمَّا مَنًّا بَعْدُ وَاِمَّا فِدَآءً (47:5)

অৰ্থ ঃ যেতিয়া যুদ্ধবন্দী সকলক গ্ৰেপ্তাৰ কৰা হ'ব; তেতিয়া হয় তেওঁলোকক দয়া কৰি এৰি দিয়া নতুবা মূল্যৰ (মুক্তিপণ) বিনিময়ত মুক্ত কৰি দিয়া। (47:5)

যদি কোনো যুদ্ধবন্দী এনেকুৱা থকে যে, তেওঁৰ পক্ষে মুক্তিপণ (মূল্য)দিয়াৰ বাবে কোনোৱেই নাই, নতুবা তেওঁৰ আত্মীয় স্বজন সকলেও তেওঁৰ ধন-সম্পদ আত্মসাৎ কৰাৰ নিমিত্তে এয়েই বিচাৰে যে, সি বন্দী অৱস্থাতেই থাকক। তেন্তে এই ধৰণৰ যুদ্ধ বন্দীৰ সম্পৰ্কে পৱিত্ৰ গ্ৰন্থত নিম্নোল্লেখিত বাক্যত নিৰ্দেশ আছে এনে ধৰণৰ;

وَالَّذِيْنَ يَبْتَغُوْنَ الْكِتٰبَ مِمَّا مَلَكَتْ اَيْمَانُكُمْ فَكَاتِبُوْهُمْ
اِنْ عَلِمْتُمْ فِيْهِمْ خَيْرًا ۖ وَّاٰتُوْهُمْ مِّنْ مَّالِ اللّٰهِ الَّذِيْٓ اٰتٰكُمْ ۗ

(24:34)

অৰ্থ ঃ আৰু যিসকলে তোমালোকৰ সোঁ হাতৰ অধীন, সেইসকলে যদি মুক্তি-পত্ৰ বিচাৰে তেন্তে সিহঁতক মুক্তি-পত্ৰ লিখি দিবা, যদি এনে কাৰ্য্য সিহঁতৰ পক্ষে মঙ্গলজনক বুলি তোমালোকে জানিব পৰা আৰু যি আল্লাহৰ ধন-সম্পদ তোমালোকক আল্লাই দান কৰিছে তাৰে পৰা সিহঁতক কিছু দিবা (প্ৰয়োজন মতে)। (24:34)। অৰ্থাৎ তোমালোকৰ যুদ্ধবন্দী সকলৰ মাজৰ পৰা যি সকলক তোমালোকে অনুগ্ৰহ (দয়া) কৰি মুক্ত (স্বাধীন) কৰিব নোৱাৰিবা, আৰু যি সকলৰ বাবে মুক্তিপণ (মূল্য)ৰ বিনিময়ত মুক্ত (স্বাধীন) কৰাবৰ কোনো লোক নাই; সিহঁতে যদি মুক্তি বিচাৰে এই বুলি যে, সিহঁতক মুক্ত (স্বাধীন) কৰি দিলে সিহঁতে নিজৰ নিজৰ জীৱিকা উপাৰ্জনত নিয়োজিত হৈ টকা-পইচা

উপার্জন কৰি সিহঁতৰ মুক্তিপণৰ মূল্য পৰিশোধ কৰিব আৰু যদি সিহঁতে উপার্জনৰ যোগ্যতা ৰাখে; তেনেহলে সিহঁতক অৱশ্যই মুক্ত (স্বাধীন) কৰি দিব লাগিব। আনকি নিজেও সিহঁতৰ কামত সহায় কৰিব লাগিব। খোদা তায়লা তোমালোকক যি ধন-সম্পদ দিছে তাৰ পৰা কিছু অংশ সিহঁতক দিব লাগিব; নতুবা যুদ্ধৰ খৰচ বাবদ সিহঁতৰ ওচৰত যি প্ৰাপ্য ধাৰ্য্য (নিৰ্দ্ধাৰণ) কৰা হৈছে; তাৰ পৰা সিহঁতক কিছু সিহঁতৰ মালিক (গৰাকী)য়ে মাৰ্জনা কৰি দিব লাগিব। অথবা অন্যান্য মুছলমান সকলৰ পৰা সাহায্য লৈ হলেও সিহঁতক সহায় কৰা উচিত আৰু অৱশেষত মুক্তি (স্বাধীন) কৰিব লাগিব।

এই সমূহ হ'ল সেই অৱস্থা যিবোৰে ইছলামত যুদ্ধৰ অনুমতি প্ৰদান কৰে। আৰু এইবোৰে হ'ল সেই নীতি-মালা, যাৰ অধীনত ইছলামে যুদ্ধৰ অনুমতি প্ৰদান কৰে। গতিকে পৱিত্ৰ কোৰাণ শ্বৰীফৰ উল্লেখিত বাক্য সমূহৰ আলোকত হজৰত মহম্মদ (ছাঃ)য়ে মুছলমান সকলক যি মৌলিক শিক্ষা প্ৰদান কৰিছিল সেয়া তলত উল্লেখ কৰা হ'ল।

(১) মুছলমান সকলে কোনো অৱস্থাতেই মৃতদেহ (শবদেহ) বিকৃত কৰিব নোৱাৰিব অৰ্থাৎ যুদ্ধত মুছলমান সকলৰ দ্বাৰা নিহত ব্যক্তিৰ শব দেহক লাঞ্ছিত কৰিব নোৱাৰিব। মৃত দেহৰ কোনো অংগ কাটিব নোৱাৰিব। (মুছলিম মিছাৰী: ২য় খণ্ড, পৃ: ৬২, কিতাবুল জিহাদ)

২) মুছলমান সকলে যুদ্ধত প্ৰতাৰণাৰ আশ্ৰয় ল'ব নোৱাৰিব।

৩) শিশু আৰু নাৰী (মহিলা) হত্যা কৰিব নোৱাৰিব।(মুছলিম মিছৰী: ২য় খণ্ড, পৃ:৬৫, কিতাবুল জিহাদ)

(৪) পাদ্ৰী, পুৰোহিত, প্ৰভৃতি ধৰ্মৰ সেৱাত নিয়োজিত কোনো ব্যক্তিক হত্যা কৰিব নোৱাৰিব।(তাহৰী)

(৫) মুছলমান সকলে কোনো বৃদ্ধ পুৰুষ বা মহিলাক হত্যা কৰিব নোৱাৰিব আৰু সকলো সময়তে শান্তি প্ৰতিষ্ঠা আৰু অনুকপা বা পুতৌ প্ৰদৰ্শনৰ প্ৰতি দৃষ্টি ৰাখিব লাগিব।(আবু দাউদ: ১ম খণ্ড, পৃঃ২৫২,কিতাবুল জিহাদ)

(৬) মুছলমান সকলে যেতিয়া যুদ্ধৰ উদ্দেশ্যত শত্ৰুৰ দেশত প্ৰৱেশ কৰিব; তেতিয়া ভয়-ভীতি আৰু আতংকৰ সৃষ্টি কৰিব নোৱাৰিব। সাধাৰণ মানুহৰ ওপৰত কোনো অত্যাচাৰ কৰিব নোৱাৰিব। (মুছলিম মিছাৰী: ২য় খণ্ড, পৃ:৬২ কিতাবুল জিহাদ)

(৭) যুদ্ধৰ উদ্দেশ্যত যাত্ৰা কৰি এনেকুৱা স্থানত শিবিৰ স্থাপন কৰিব নোৱাৰিব; য'ত মানুহৰ অসুবিধা হয়। আনকি এনেকুৱা মাৰ্চ কৰি অগ্ৰসৰ হ'ব নোৱাৰিব; যাতে সাধাৰণ মানুহৰ চলা-ফুৰা অসুবিধা হয়। দয়ালু নবী হজৰত মহম্মদ (ছাঃ)য়ে বিষয়টো কঠোৰ

বাবে নিষেধ কৰিছে যে, যি ব্যক্তিয়ে এই সমূহ আদেশ অমান্য কৰি যুদ্ধ কৰিব; তেওঁ নিজৰ প্ৰবৃত্তি বা নফচৰ বাবেহে যুদ্ধ কৰা হ'ব খোদাৰ বাবে নহ'ব। (আবু দাউদ: ১ম খণ্ড, পৃ: ৩৫৩, কিতাবুল জিহাদ)

(৮) যুদ্ধৰ সময়ত শত্ৰু সকলৰ মুখমণ্ডলত আঘাত কৰিব নোৱাৰিব। (বুখাৰী/মুছলিম)

(৯) যুদ্ধৰ সময়ত চেষ্টা কৰিব লাগিব যাতে যথা সম্ভৱ শত্ৰুৰ ক্ষতি কম হয়। (আবু দাউদ)

(১০) যিসকল গ্ৰেপ্তাৰ হ'ব; অৰ্থাৎ যুদ্ধবন্দী হ'ব, তেওঁলোকৰ মাজত ওচৰ সম্বন্ধীয় থাকিলে (ঘনিষ্ঠ আত্মীয়) সিহঁতক অন্যান্য সকলৰ পৰা পৃথক কৰা নাযাব। (আবু দাউদ: ২য় খণ্ড, পৃ: ২৯৭, কিতাবুল জিহাদ)

(১১) যুদ্ধবন্দী সকলৰ শান্তিৰ প্ৰতি নিজতকৈ বেছি লক্ষ্য ৰাখিব লাগিব। (তিৰমীজি)

(১২) গুপ্তচৰ সকল আৰু প্ৰতিনিধি সকলৰ প্ৰতি সন্মান আৰু শিষ্টাচাৰ অক্ষুন্ন (অটুট) ৰাখিব লাগিব। সিহঁতে ভুল অথবা শিষ্টাচাৰ বিৰোধী আচৰণ কৰিবলৈও তাক আওকাণ কৰিব লাগিব। (আবু দাউদ: কিতাবুল জিহাদ)

(১৩) যদি কোনোৱাই যুদ্ধবন্দী সকলৰ প্ৰতি অত্যাচাৰ কৰে তেন্তে সেই যুদ্ধবন্দীক বিনা মুক্তিপণত মুক্ত বা স্বাধীন কৰি দিব লাগিব।

(১৪) যি ব্যক্তিৰ ওচৰত কোনো যুদ্ধবন্দীক ৰখা হ'ব, তাক তেওঁ সেয়াই খাবলৈ দিব যি সি নিজে খায়। তাক সেই কাপোৰ পৰিধান কৰিব যি সি নিজে পৰিধান কৰে। (বুখাৰী)। হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)য়ে এই আদেশাৱলীৰ আলোকত এই সম্পৰ্কে আদেশও দিছে যে, গৃহ নিৰ্মাণ কোঠা ভাঙিব নোৱাৰিব; ফলবান বৃক্ষ কাটিব নোৱাৰিব। (মুয়াত্তা ইমাম মালেক মুজতাৰাঈ, কিতাবুল জিহাদ পৃ:৩৬৭)

(১৫) এই সমূহ আদেশ নিষেধৰ পৰা স্পষ্ট বুজা যায় যে, ইছলামে যুদ্ধ ৰহিত কৰাৰ বাবে কিমান উপযুক্ত পদক্ষেপ গ্ৰহণ কৰিছে। হজৰত মহম্মদ (ছাঃ)য়ে কিমান উৎকৃষ্ট ৰূপে এই সমূহ শিক্ষা অনুসৰণ কৰাৰ বাবে নিৰ্দেশ দি গৈছে। প্ৰত্যেকেই উপলব্ধি কৰিব পাৰিব যে, এই যুগত হজৰত মুছা (আঃ)ৰ শিক্ষাক সুবিচাৰৰ শিক্ষা হিচাপে গ্ৰহণ কৰাও নাযাব আনকি সেই শিক্ষাক অনুসৰণ কৰাও নচলিব। এই যুগত হজৰত মছীহ (আঃ)ৰ শিক্ষাক অনুসৰণ কৰা নাযাব। খ্ৰীষ্টান জগতে কেতিয়াও তাক অনুসৰণও কৰা নাই। এক মাত্ৰ ইছলামৰ শিক্ষাই অনুসৰণৰ যোগ্য, যাক পালন কৰি পৃথিৱীত শান্তি প্ৰতিষ্ঠা কৰা সম্ভৱ।

নিঃসন্দেহ মিঃ গান্ধীজী পৃথিৱীৰ বুকুত এই দৃষ্টান্ত স্থাপন কৰিব বিচাৰিছে যে, যুদ্ধৰ সময়তো অৰ্থাৎ যুদ্ধ সমাপ্তি হলেও যুদ্ধ কৰা অনুচিত। কিন্তু মিঃ গান্ধীজীয়ে যি

শিক্ষা প্ৰকাশ কৰিব বিচাৰিছিল; পৃথিৱীত সেই শিক্ষাৰ অনুসৰণ কেতিয়াও হোৱা নাই। যাৰ বাবে ইয়াৰ ভাল-বেয়া কোনোটোৱেই উপলব্ধি কৰা সম্ভৱ হোৱা নাই। মিঃ গান্ধীজীৰ জীৱন কালতেই ভাৰতৰ জাতীয় কংগ্ৰেছ ৰাষ্ট্ৰীয় ক্ষমতা লাভ কৰিছিল। আৰু কংগ্ৰেছ চৰকাৰে দেশৰ সেনা বাহিনী বিলোপ সাধন কৰা নাই। বৰঞ্চ তেওঁলোকে এই প্ৰস্তাৱ গ্ৰহণ কৰিছিল যে, Indian National Army সেই সকল কৰ্মচাৰী (officer), যি সকলক বৃটিছ চৰকাৰে বৰখাস্ত কৰিছিল; সিহঁতক পুনৰ সেনা বাহিনীত নিয়োগ কৰা হওঁক। বৰঞ্চ (হিন্দুস্থানত) ভাৰতবৰ্ষত কংগ্ৰেছ চৰকাৰ ক্ষমতাও অহাৰ সাত দিনৰ ভিতৰত উৰা জাহাজেদি বোমা বৰ্ষণ কৰিছিল।গান্ধীজীয়ে সেই নিজে সেই সমূহ যুদ্ধা পৰাধীক সহায় কৰাৰ বাবে আৰু মুক্তি দিয়া চৰকাৰৰ ওপৰত চাপ সৃষ্টি কৰিছিল।ইয়াৰ পৰা প্ৰমাণিত যে গান্ধীজি নতুবা তেওঁৰ অহিংসা আন্দোলনৰ কোনোটোৱেই অনুসৰণ কৰা সম্ভৱ নহয়। সি পৃথিৱীৰ বুকুত এনে কোনো দৃষ্টান্ত উপস্থাপন কৰিব পৰা নাই যে, যাৰ পৰা বুজা যায় যে, বিভিন্ন জাতি আৰু দেশৰ মাজত যুদ্ধ বিগ্ৰহে সেই সমূহ শিক্ষাৰ অনুসৰণ কৰা সম্ভৱ। বৰং এই শিক্ষা প্ৰচাৰ কৰাৰ সময়তো এই কথা কোৱা হৈছিল যে, বাস্তৱতে এই শিক্ষা (অহিংসা আন্দোলন) অনুসৰণ কৰা সম্ভৱ নহয়। গতিকে, আজিলৈকে পৃথিৱীত যি লক্ষ্য কৰা হৈছে আৰু মানুহৰ বুদ্ধি বিবেচনাত যি যোগ্য বুলি প্ৰতিভাত হৈছে তাত এয়াই প্ৰমাণিত হৈছে যে, হজৰত মহম্মদ (ছাঃ)ৰ প্ৰদত্ত শিক্ষা, প্ৰদৰ্শিত পদ্ধতি আৰু পন্থাই সঠিক আৰু সৰ্বোত্তম।

**আল্লাহুমা ছাল্লে আলা মুহাম্মদেও ত্তৱালা আলে মুহাম্মদ ইন্নাকা হামীদুম মাজীদ।**

## খন্দকৰ যুদ্ধৰ পাছত মুছলমান সকলৰ ওপৰত কাফেৰ সকলৰ (SPORADIC) আক্ৰমণ

খন্দকৰ যুদ্ধত যদিও কাফেৰ সকলৰ শক্তি বিনষ্ট হৈছিল আৰু তেওঁলোকে বৰকৈ নিৰুৎসাহিত হৈছিল, তথাপি যুদ্ধৰ পৰা উভতি অহাৰ পাছত সিহঁতৰ এই ধাৰণা থাকিয়ে গৈছিল যে, সিহঁত সংখ্যাত অধিক আৰু সেই তুলনাত মুছলমান সকল তেনেই কম।গতিকে সিহঁতে ভাবিলে যে, মুছলমান সকলক অকলশৰীয়া ভাবে যতেই পাব ততেই হত্যা কৰিব পাৰিব।এইদৰে যুদ্ধৰ বিপৰ্য্যয়ৰ কিছুদিন পাছতেই ওচৰ-পাজৰৰ গোত্ৰ সমূহে মুছলমান সকলৰ ওপৰত গুপ্ত আক্ৰমণ আৰম্ভ কৰি দিছিল। এই পৰ্য্যয়ত **ফাজৰা** গোত্ৰৰ কিছু সংখ্যক লোক এবাৰ উটৰ পিঠিত উঠি মদিনাৰ ওচৰৰ মুছলমান সকলৰ ওপৰত আক্ৰমণ কৰিছিল আৰু মুছলমান সকলৰ উট ৰক্ষীক হত্যা কৰি তাৰ স্ত্ৰীক বন্দী কৰি সকলো উট ধৰি লৈ গৈছিল। পিছত বন্দীনি স্ত্ৰী লোক জনী কোনোমতে

পলাই আহিছিল। কিন্তু আক্ৰমণকাৰী সকলে বহু সংখ্যক উট লৈ পলাই যাবলৈ সক্ষম হৈছিল। ইয়াৰ এমাহ পাছত উত্তৰ দিশৰ পৰা **গোৎফান** গোত্ৰৰ লোক সকলেও মুছলমান সকলৰ উটৰ পাল লুট কৰি লৈ যোৱাৰ চেষ্টা কৰিছিল। হজৰত মহম্মদ (ছাঃ)য়ে মুহাম্মদ বিন মুছাল্লামা (ৰাঃ)ক ১০ (দহ) জন আৰোহী সহ উক্ত ঘটনা তদন্ত কৰাৰ আৰু লগতে মুছলমান সকলৰ পশুপালবোৰক পহৰা দিয়াৰ বাবে প্ৰেৰণ কৰিছিল। কিন্তু শত্ৰুৱে সুযোগ পাই সিহঁতক হত্যা কৰে আৰু আহত অচেতন মুহাম্মদ বিন মুছাল্লামা (ৰাঃ)ক মৃত বুলি ভাবি পলাই থৈ গৈছিল। শত্ৰু সকল গুচি যোৱাৰ পাছত মুহাম্মদ বিন মুছাল্লামা (ৰাঃ)ৰ জ্ঞান আহে আৰু তেওঁ (ৰাঃ) মদিনালৈ উভতি আহি উক্ত ঘটনা বৰ্ণনা কৰিছিল। মুহাম্মদ বিন মুছাল্লামে কলে যে, তেওঁ (ৰাঃ)ৰ সকলো সঙ্গীক হত্যা কৰা হৈছে, এক মাত্ৰ তেওঁৱেঁই জীৱিত আছিল। তাৰ কিছুদিন পাছত হজৰত মহম্মদ (ছাঃ)ৰ এজন দূতৰ ওপৰত (যাক ৰোমান চৰকাৰৰ ওচৰত প্ৰেৰণ কৰা হৈছিল) **জুৰহাম** গোত্ৰৰ লোকে আক্ৰমণ চলায় আৰু তেওঁৰ সকলো বস্তু লুট-পাট কৰি লৈ যায়। ইয়াৰ প্ৰায় এমাহ পাছত **বনু কোৰাইজাৰ** লোক সকলে মুছলমান সকলৰ এটি কাফেলা (বাণিজ্যিক দল)ৰ ওপৰত আক্ৰমণ চলাইছিল আৰু সকলো ধন-সম্পদ লুট কৰি লৈছিল। এই আক্ৰমণ যথা সম্ভৱ কোনো ধৰ্মীয় শত্ৰুতাৰ বাবে হোৱা নাছিল। কাৰণ **বনু কোৰাইজা** গোত্ৰটো এক ডকাইত গোত্ৰ আছিল। যি সকলে সকলো গোত্ৰৰ মানুহক আক্ৰমণ কৰি ধন-সম্পদ লুট-পাট কৰি নিছিল আৰু সিহঁতক হত্যা কৰিছিল।

এই সময়ত **খায়বাৰৰ** ইহুদী সকলে, যি সকল খন্দকৰ যুদ্ধৰ আচল কাৰণ আছিল; তেওঁলোকেও সিহঁতৰ শোচনীয় পৰাজয়ৰ প্ৰতিশোধ গ্ৰহণ কৰাৰ উদ্দেশ্যত, ওচৰে-পাজৰে থকা গোত্ৰ সমূহক উচ্‌টনি দিব ধৰিছিল। সিহঁতে ৰোমান সাম্ৰাজ্যৰ সীমান্তত বসবাসকাৰী উপ-জাতীয় লোক সকলক আৰু ৰোমান কৰ্মকৰ্তা সকলকো মুছলমান সকলৰ বিৰুদ্ধে উত্তেজিত কৰি তুলিছিল। মুঠতে আৰবৰ কাফেৰ সকলৰ পক্ষে মদিনাৰ ওপৰত আক্ৰমণ চলোৱাৰ ক্ষমতা নাছিল। সেই হেতুকে সিহঁতে ইহুদীসকলৰ সৈতে ষড়যন্ত্ৰত লিপ্ত হৈছিল আৰু সমগ্ৰ আৰব দেশত মুছলমান সকলক দুঃখ-কষ্ট দিযাৰ বাবে, অপমাণিত আৰু লুণ্ঠন কৰাৰ বাবে কোচ-কাৱাচ আৰম্ভ কৰিছিল। কিন্তু তেতিয়ালৈকে হজৰত মহম্মদ (ছাঃ)ৰ কাফেৰ সকলৰ সৈতে চূড়ান্ত যুদ্ধত অৱতীৰ্ণ হোৱাৰ কোনো সিদ্ধান্তই নাছিল। তেখেত (ছাঃ)য়ে তেতিয়ালৈকে এই আশাই পোষণ কৰিছিল আৰু বাট চাই আছিল যে, হয়তো আৰবৰ নেতা (চৰ্দাৰ) সকলে সন্ধিৰ প্ৰস্তাৱ দিব; যাৰ ফলে এই গৃহ যুদ্ধৰ অৱসান ঘটিব বা পৰিসমাপ্তি হ’ব।

## পোন্ধৰ শ (১৫০০) চাহাবীসহ হজৰত ৰচুল কৰীম (ছাঃ)ৰ মক্কা অভিমুখে যাত্ৰা

ঠিক এই সময়ত হজৰত মহম্মদ (ছাঃ) এটি (ৰূইয়া) সত্য সপোন দেখিছিল; যাৰ বৰ্ণনা পৱিত্ৰ গ্ৰন্থ কোৰ-আনত এইদৰে সন্নিবিষ্ট আছে ;

لَقَدْ صَدَقَ اللّٰهُ رَسُوْلَهُ الرُّؤْيَا بِالْحَقِّ لَتَدْخُلُنَّ الْمَسْجِدَ

الْحَرَامَ إِنْ شَآءَ اللّٰهُ اٰمِنِيْنَ مُحَلِّقِيْنَ رُءُوْسَكُمْ وَمُقَصِّرِيْنَ لَا تَخَافُوْنَ فَعَلِمَ مَا

لَمْ تَعْلَمُوْا فَجَعَلَ مِنْ دُوْنِ ذٰلِكَ فَتْحًا قَرِيْبًا (48:28)

অৰ্থ ঃ তোমালোকে নিশ্চয়, যদি আল্লাহে ইচ্ছা কৰে, নিৰাপত্তাৰ সৈতে পৱিত্ৰ মছজিদত প্ৰৱেশ কৰিবা, তোমালোকৰ কিছুমানে মূৰৰ চুলি সম্পূৰ্ণ খুৰোৱা অৱস্থাত আৰু আন কিছুমানে চুটিকৈ কটা অৱস্থাত, তোমালোকৰ কোনো ভয়ৰ কাৰণ নেথাকিব। কিন্তু সেইজনাই জানিছিল যিটো তোমালোকে নেজানিছিলা। আল্লাহে সততে তোমালোকৰ কাৰণে বিধান নিৰূপন কৰি থৈছে, তাৰ উপৰিও এটা সদ্যহতে হবলগীয়া বিজয়। (48:28)

অৰ্থাৎ নিশ্চয় তুমি আল্লাহ তায়লাৰ সাহায্যত মছজিদুল হাৰম (পৱিত্ৰ কাবা শ্বৰীফ)ত নিৰাপত্তাৰ সৈতে প্ৰৱেশ কৰিবা। তোমালোকৰ মাজৰ পৰা কোনো কোনোৱে সম্পূৰ্ণ মূৰ খুৰোৱাই আকৌ কোনো কোনোৱে চুলি চুটিকৈ কাটি পেলাব। (হজৰ সময়ত প্ৰথা অনুসৰি মূৰ খুৰোৱা অথবা মূৰৰ চুলি চুটিকৈ কাটি পেলোৱা হয়) তুমি কাকো ভয় নকৰিবা। তুমি যি নাজানা তাক আল্লাহ তায়লা নিশ্চয় জানে।এই কাৰণে আল্লাহ তায়লা এই সত্য সপোন পূৰ্ণ হোৱাৰ পূৰ্বে (সততে) আন এক বিজয় নিৰ্ধাৰিত কৰি ৰাখিছিল যিটো সত্য সপোনত দেখুওৱা বিজয়ৰ পূৰ্বে অৰ্জিত হোৱাৰ কথা, অগ্ৰৱৰ্তী বিজয়ৰূপে।

প্ৰকৃততে সেই সত্য সপোনত যুদ্ধ নোহোৱাকৈ শান্তি আৰু নিৰাপদে মক্কা বিজয়ৰ সু-সংবাদ দিয়া হৈছিল। কিন্তু হজৰত মহম্মদ (ছাঃ)য়ে ৰুইয়াটিৰ (দিব্য দৰ্শনৰ) তাবীৰ বা ব্যাখ্যা এইদৰে কৰিছিল যে, আল্লাহ তায়লা অনতি পলমে তেখেত (ছাঃ)ক আৰু মুছলমান সকলক কাবা ঘৰক প্ৰদক্ষিণ (তাওয়াফ) কৰাৰ নিৰ্দেশ প্ৰদান কৰিছে আৰু যিহেতু এই ব্যাখ্যা ভুল হোৱা সত্বেও ইযাৰ মাজত আসন্ন আগন্তক বিজয়ৰ বিষয়টোৰ বিবৃত আছিল; সেই হেতুকে আল্লাহ তায়লা হজৰত ৰচুল কৰিম (ছাঃ)ক এই ক্ষেত্ৰত পূৰ্বৰে পৰা আৰু কিবা অৱগত কৰিব বিচৰা নাছিল। গতিকে তেখেত (ছাঃ)য়ে

বিষয়টো চাহাবী সকলৰ মাজত ঘোষণা কৰিয়েই দিছিল আৰু চাহাবী (ৰাঃ)সকলক তেখেত (ছাঃ)ৰ সৈতে যাবলৈ নিৰ্দেশ দিছিল। কিন্তু হজৰত মহম্মদ (ছাঃ)য়ে কৈছিল, আমি কেৱল কাবা গৃহ প্ৰদক্ষিণ কৰাৰ উদ্দেশ্যত যাম। আমি এনে কোনো সংঘৰ্ষ নকৰিম, যি শত্ৰু পক্ষৰ কোনো অসন্তুষ্টিৰ কাৰণ হ'ব পাৰে।

গতিকে, ৬২৮ খৃষ্টাব্দৰ ফেব্ৰুৱাৰী মাহৰ শেহৰ পিনে পোন্ধৰ শ (১৫০০) চাহাবীসহ হজৰত মহম্মদ (ছাঃ)য়ে মক্কা অভিমুখে যাত্ৰা কৰিলে। স্মৰণীয় এয়ে যে, খন্দকৰ যুদ্ধৰ এবছৰ পিছত পোন্ধৰ শ (১৫০০) লোক সহ যাত্ৰা কৰাৰ পৰা বুজা যায় যে, সেই (খন্দকৰ) যুদ্ধত মুছলিম সৈনিকৰ সংখ্যা এই যাত্ৰী সংখ্যাতকৈ কম আছিল। কাৰণ, এবছৰৰ ভিতৰত মুছলিম সৈন্যৰ সংখ্যা বৃদ্ধিহে হৈছিল; হ্ৰাস হোৱা নাছিল। গতিকে খন্দকৰ যুদ্ধত অংশ গ্ৰহণকাৰী মুছলিম সৈন্যৰ সংখ্যা যি সকল ঐতিহাসিকে তিনি হাজাৰ (৩০০০) বুলি উল্লেখ কৰিছে, সিহঁতৰ এই তথ্য ভুল। আচলতে সেই খন্দকৰ যুদ্ধৰ সৈন্য সংখ্যা বাৰ শ (১২০০) আছিল। এইটোৱে সঠিক সংখ্যা আছিল।হজৰ কাফেলাৰ কিছু দূৰ আগে আগে আগন্তক দল (কাফেলা)হিচাপে বিশ জনীয়া এটি আৰোহী দল গৈ আছিল। উদ্দেশ্য আছিল যে, যদি শত্ৰু সকলে মুছলমান সকলৰ কোনো ক্ষতি সাধন কৰিব বিচাৰে; তেন্তে সেয়া সময়মতে আগতীয়াকৈ জ্ঞাত হোৱা। যেতিয়া মক্কাবাসী সকলে হজৰত মহম্মদ (ছাঃ)ৰ এই যাত্ৰাৰ কথা গম পালে; তেতিয়া তেওঁলোকে মক্কা চহৰক এটি দূৰ্গত পৰিণত কৰিলে আৰু ওচৰ-পাজৰৰ গোত্ৰ সমূহকো সিহঁতৰ সাহায্যাৰ্থে আহ্বান জনালে। যদিও সিহঁতে এই ধৰ্ম বিশ্বাস পোষণ কৰিছিল যে, কাবা গৃহত প্ৰদক্ষিণ কৰাৰ সময়ত কাকো বাধা দিয়া নাযাব। আনকি মুছলমান সকলেও এই ঘোষণা কৰিছিল যে, সিহঁতে কেৱল কাবা গৃহ প্ৰদক্ষিণ কৰাৰ নিমিত্তেহে মক্কালৈ আহিছে। কোনো প্ৰকাৰ কাজিয়া বিবাদ কৰিবলৈ অহা নাই। যেতিয়া হজৰত মহম্মদ (ছাঃ)য়ে মক্কা চহৰৰ ওচৰা-ওচৰি স্থান পালে, তেতিয়া তেখেত (ছাঃ)য়ে জানিব পাৰিলে যে, কোৰাইশ্ব সকলে চিতা বাঘৰ ছাল পৰিধান কৰিছে আৰু নিজৰ নিজৰ স্ত্ৰী আৰু সন্তান সকলকো লগত লৈ আছে লগতে শপত খাইছে যে, সিহঁতে কোনো প্ৰকাৰেই হজৰত মহম্মদ (ছাঃ)ক মক্কা চহৰত প্ৰৱেশ কৰিব নিদিব। এয়া আৰবৰ এটা প্ৰথা আছিল। যেতিয়া কোনো গোত্ৰ মৃত্যুক হাৱটি লোৱাৰ বাবে প্ৰস্তুত হৈ যায়, তেতিয়া সিহঁতৰ নেতা (চৰ্দাৰ) চিতা বাঘৰ চামৰা পৰিধান কৰে। যাৰ অৰ্থ এয়েই যে, এতিয়া আন কোনো বুদ্ধি বিবেচনা বা ছল-চাতুৰিৰ অৱকাশ নাই। এতিয়া কেৱল আমি সাহসিকতা আৰু বীৰত্বৰ সৈতে জীৱন বিসৰ্জন দিম। এই সংবাদ প্ৰচাৰ হোৱাৰ কিছু সময় পাছতেই মক্কাৰ সেনাবাহিনীৰ এটা আগন্তক দলে মুছলমান সকলক বাধা দিয়াৰ বাবে মুখ-মুখী আহি থিয় হয়। এই অৱস্থাত মুছলমান সকলৰ সন্মুখত (আগবঢ়াৰ) অগ্ৰসৰ হোৱাৰ মাত্ৰ এটা পথ মুকলি থাকিল; সেয়া হ'ল যুদ্ধ

কৰি শত্ৰুক পৰাজিত কৰি অগ্ৰসৰ হোৱা। হজৰত মহম্মদ (ছাঃ)য়ে যিহেতু এই সিদ্ধান্ত গ্ৰহণ কৰি আহিছিল যে, যিকেই নহওক তেখেত (ছাঃ)য়ে আৰু যুদ্ধ নকৰে।সেই কাৰণে তেখেত (ছাঃ) মৰুভূমিৰ পথ সম্পৰ্কে অভিজ্ঞ এজন পথ-প্ৰদৰ্শকক দায়িত্ব দিছিল যে, তেওঁ যেন মৰুভূমিৰ মাজেৰে বিভিন্ন ৰাস্তাৰে মুছলমান সকলৰ কাফেলাক মক্কা পৰ্য্যন্ত লৈ যায়। সেই পথ প্ৰদৰ্শক জনে হজৰত মহম্মদ (ছাঃ) আৰু তেখেত (ছাঃ)ৰ চাহাবী সকলক লগত লৈ মক্কাৰ নিচেই ওচৰত হুদাইবিয়া নামৰ স্থানত উপস্থিত হয়। এই স্থানত হজৰত মহম্মদ (ছাঃ)ৰ উট থিয় হৈ যায় আৰু আগলৈ অগ্ৰসৰ হ'বলৈ ইচ্ছা নকৰিলে। চাহাবী (ৰাঃ) সকলে কলে, হে আল্লাহৰ ৰচুল ! আপোনাৰ উট ক্লান্ত হৈ পৰিছে গতিকে আপুনি আন এটা উটত আৰোহণ কৰক। কিন্তু ৰহমাতুল্লীল আলামীন খাতামান্নাবীঈন, নবী সম্ৰাট নবী ,বিশ্ব  দিশাৰী প্ৰাণ পুৰুষ হজৰত মহম্মদ (ছাঃ)য়ে কলে, নহয়, নহয় ই ক্লান্ত হোৱা নাই বৰঞ্চ ধাৰণা হয় যে, হয়তো খোদা তায়লা ইয়াকে বিচাৰে যে, আমি ইয়াতেই ৰৈ যাওঁ। গতিকে ইয়াৰ পৰাই মক্কাবাসী সকলৰ ওচৰত সকলো উপায়ে মোৰ অভিপ্ৰায় জ্ঞাত কৰাম, যাতে সিহঁতে আমাক হজ কৰাৰ সুযোগ কৰি দিয়ে। এই ক্ষেত্ৰত মই সিহঁতৰ যিকোনো চৰ্ত মানিবলৈ প্ৰস্তুত আছোঁ। ইতিমধ্যে মক্কাৰ সেনাবাহিনী মক্কাৰ পৰা বহু দূৰত অৱস্থান গ্ৰহণ কৰি মুছলমান সকলৰ আগমণৰ আশাত বাট চাই আছিল। গতিকে হজৰত মহম্মদ (ছাঃ)য়ে বিনা বাধাত মক্কাত প্ৰৱেশ কৰিব পাৰিলেহেঁতেন। কিন্তু যিহেতু তেখেত (ছাঃ)য়ে এই সিদ্ধান্ত গ্ৰহণ কৰিছিল যে, তেখেত (ছাঃ)য়ে সৰ্ব প্ৰথমে এই প্ৰচেষ্টা চলাব যাতে মক্কাবাসী সকলেই প্ৰথমে যুদ্ধ আৰম্ভ কৰে আৰু তেখেত (ছাঃ)ক যুদ্ধ কৰিবলৈ বাধ্য কৰায়। তেনেহলে তেখেত (ছাঃ)ও বাধ্য হৈ যুদ্ধয়েই কৰিব। গতিকে, মক্কা চহৰত প্ৰৱেশ পথ মুকলি থকা সত্বেও তেখেত (ছাঃ)য়ে হুদাইবিয়া নামৰ স্থানতেই তেখেত (ছাঃ)ৰ শিৱিৰ স্থাপন কৰিছিল। হুদায়বিয়াত তেখেত (ছাঃ)ৰ এই অৱস্থান গ্ৰহণৰ সংবাদ ততালিকে মক্কাৰ সেনাবাহিনীৰ ওচৰত গৈ পায়। আৰু সিহঁতে মক্কাৰ পৰা দ্ৰুত পিছ্-হুহুকি আহি মক্কাৰ ওচৰত অৱস্থান গ্ৰহণ কৰে। সিহঁতে হজৰত মহম্মদ (ছাঃ)ৰ সৈতে আলোচনা কৰাৰ বাবে প্ৰথমে বুদাইল নামৰ এজন চৰ্দাৰ (নেতা)ক প্ৰেৰণ কৰিলে। সি যেতিয়া হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত আহিল, তেতিয়া ৰচুল পাক (ছাঃ)য়ে কলে, মই তো কেৱল কাবা গৃহ প্ৰদক্ষিণ কৰাৰ বাবেহে আহিছোঁ। কিন্তু যদি মক্কাবাসী সকলে বাধ্য কৰে; তেনেহলে আমি যুদ্ধয়েই কৰিব লাগিব।ইয়াৰ পাছত মক্কাৰ সেনাবাহিনীৰ সেনাপতি আবু ছুফিয়ানৰ জোৱাই উৰুৱা আহিল। সি আহি হজৰত মহম্মদ (ছাঃ)ৰ সৈতে অতি ঘৃণনীয় (গৰ্হিত) আচৰণ কৰে আৰু কলে, আপুনি এই সমূহ ইহঁতৰ প্ৰাণী সদৃশ সৰু সৰু শিশু সকলক লৈ আহিছে। ইহঁতক মক্কাবাসী সকলে কেতিয়াও চহৰত প্ৰৱেশ কৰিব নিদিব। এইদৰে

এজনৰ পাছত এজন বাৰ্তা বাহক আহিব ধৰিলে। অৱশেষত মক্কাবাসীয়ে কৈ পঠালে, যিকেই নহওক, এই বছৰ আপোনাক আমি কাবা গৃহ প্ৰদক্ষিণ কৰিবলৈ নিদিও। কাৰণ ইয়াৰ বাবে আমি অপমানিত হম। কিন্তু আপুনি যদি অহা বছৰ আহে, তেনেহলে আমি আপোনাক অনুমতি দিম। ওচৰ-চুবুৰীয়া অঞ্চলৰ মানুহবোৰে মক্কাবাসী সকলৰ ওচৰত ক'ব ধৰিলে, এওঁলোক তো কেৱল প্ৰদক্ষিণ কৰাৰ বাবেহে আহিছে। আপোনালোকে এওঁলোকক কিয় বাধা প্ৰদান কৰিছে ? কিন্তু মক্কাবাসী সকলে তেওঁলোকৰ জেদ ত্যাগ নকৰিলে। এই ক্ষেত্ৰত বাহিৰৰ গোত্ৰ সমূহৰ মানুহে মক্কাবাসী সকলক ক'ব ধৰিলে, আপোনালোকৰ বিষয় চাই ধাৰণা হয় যে,হাই-কাজিয়া আপোনালোকৰ কাম্য শান্তি আপোনালোকৰ কাম্য নহয়।এনে অৱস্থাত আমি আপোনালোকৰ সৈতে থাকিবলৈ প্ৰস্তুত নহয়।এই কথাত মক্কাবাসী সকলে বৰকৈ ভয় পালে।ফলত তেওঁলোকে এই অভিমত প্ৰকাশ কৰিলে যে, তেওঁলোকে মুছলমান সকলৰ সৈতে মীমাংসা কৰাৰ চেষ্টা কৰিব।বিষয়টো যেতিয়া হজৰত মহম্মদ (ছাঃ)য়ে জানিব পাৰিলে তেতিয়া তেখেত (ছাঃ) য়ে হজৰত উচমান (ৰাঃ)ক যিজনে পৰৱৰ্তী কালত ইছলামৰ তৃতীয় খলিফা হৈছিল।তেখেত (ৰাঃ)ক মক্কাবাসী সকলৰ লগত আলোচনা কৰাৰ বাবে পঠিয়ালে।হজৰত উচমান গনি (ৰাঃ)য়ে যেতিয়া মক্কাত উপস্থিত হ'ল তেতিয়া মক্কাত থকা তেখেত (ৰাঃ)ৰ সকলো ডাঙৰ ডাঙৰ আত্মীয়-স্বজন আহি একগোট হ'ল আৰু হজৰত উচমান (ৰাঃ)ক কলে,আপুনি নি:সন্দেহ কাবা প্ৰদিক্ষণ কৰি লওঁক।কিন্তু হজৰত ওচমান (ৰাঃ)য়ে কলে, মই মোৰ নেতাক বাদ দি প্ৰদক্ষিণ কৰা সম্ভৱ নহ'ব।ইতিমধ্যে যিহেতু মক্কাৰ নেতা সকলৰ সৈতে হজৰত উচমান (ৰাঃ)ৰ আলোচনা দীৰ্ঘ সময় চলিছিল;সেই হেতুকে সুযোগ গ্ৰহণ কৰি মক্কাৰ আন আন লোকে চক্ৰান্ত কৰি এই উৰা বাতৰি প্ৰচাৰ কৰিছিল যে,হজৰত উচমান (ৰাঃ)ক হত্যা কৰা হৈছে।সেই উৰা বাতৰি সিঁচৰিত হৈ হজৰত মহম্মদ (ছাঃ)ৰ কৰ্ণ গোচৰ হৈছিল।হজৰত মহম্মদ (ছাঃ) লগে লগে চাহাবী (ৰাঃ)সকলক মাতি আনি সমবেত কৰি কলে,দূতৰ জীৱন প্ৰত্যেক জাতিৰ ওচৰত নিৰাপদ তোমালোকে হজৰত উচমান গনি (ৰাঃ)ক মক্কাবাসীয়ে হত্যা কৰা বুলি শ্ৰৱণ কৰি থাকিবনে ?যদি এই সংবাদ সঠিক হয়; তেন্তে আমি জোৰ প্ৰবল কৰি মক্কাত প্ৰৱেশ কৰিম।(অৰ্থাৎ যি পৰিস্থিতিত আমি শপত গ্ৰহণ কৰিছিলোঁ যে,আমি শান্তিৰে মক্কাত প্ৰৱেশ কৰিম। সেই পৰিস্থিতি যদি পৰিৱৰ্তন হয়,তেন্তে পৰৱৰ্তী অৱস্থাত আমাৰ বাবে সেই শপত পালন কৰা বাধ্যতামূলক নহব)যিসকলে এই প্ৰতিজ্ঞা কৰিবলৈ প্ৰস্তুত যে,যদি আমি অগ্ৰসৰ হ'ব লাগে তেনেহলে হয় আমি বিজয় অৰ্জন কৰিম নতুবা যুদ্ধ ক্ষেত্ৰত এজন এজনকৈ মৃত্যু বৰণ কৰিম। লগতে এই প্ৰতিজ্ঞাৰ বাবে সিহঁতে মোৰ হাতত বয়াত (দীক্ষা) গ্ৰহণ কৰিব লাগিব।আল্লাহৰ প্ৰিয় পুৰুষ হজৰত মহম্মদ (ছাঃ)য়ে এই ঘোষণা কৰাৰ লগে লগে তেখেত (ছাঃ)ৰ সৈতে আগমণকাৰী

পোন্ধৰ শ তীৰ্থ যাত্ৰী ৰূপান্তৰিত হ'ল পোন্ধৰ শ সৈনিকলৈ।সকলোৱে দেউলীয়াৰ নিচিনা হৈ এজনে আনজনৰ আগত হজৰত মহম্মদ (ছাঃ)ৰ হাতত বয়াত গ্ৰহণ কৰাৰ বাবে লৰা লৰি আৰাম্ভ কৰি দিলে।এই বয়াত (দীক্ষা) সমগ্ৰ ইতিহাসত এক অতি গুৰুত্বপূৰ্ণ ঘটনা আৰু উজ্জ্বল দৃষ্টান্ত স্বৰূপ যি ইতিহাসত জলজল পট্‌পটকৈ স্বৰ্ণ আখৰত লিপিবদ্ধ হৈ আছে।এই বয়াত বৃক্ষৰ বয়াত নামে প্ৰসিদ্ধ।কাৰণ যেতিয়া দ্বীনৰ নবী হজৰত মহম্মদ (ছাঃ)য়ে এই বয়াত গ্ৰহণ কৰিছিল তেতিয়া তেখেত (ছাঃ)য়ে এটা বৃক্ষৰ তলত বহি আছিল।এই বয়াতত অংশ গ্ৰহণকাৰী সকলৰ অৰ্থাৎ ১৫০০ ব্যক্তিৰ অন্তিম ব্যক্তি পৰ্য্যন্ত পৃথিৱীত যিমান দিনলৈ জীয়াই আছিল; সিমান দিনলৈকে এই বয়াতৰ কথা গৰ্বৰ সৈতে কৈ ফুৰিছিল। কাৰণ পোন্ধৰ শ লোকৰ মাজত এজনেও এই বয়াত গ্ৰহণ কৰিবলৈ কোনো প্ৰকাৰ দ্বিধা বোধ কৰা নাছিল। বৰঞ্চ তেওঁলোকে শপত লৈছিল যে, যদি শত্ৰুৱে ইছলামী দূতক হত্যা কৰি থাকে, তেন্তে তেওঁলোকে সন্ধিয়াৰ পূৰ্বেই মক্কা জয় কৰিব। নহলে, সন্ধিয়াৰ পূৰ্বেই যুদ্ধ ক্ষেত্ৰত তেওঁলোকে মৃত্যুবৰণ কৰিব। কিন্তু এই বয়াত গ্ৰহণ প্ৰক্ৰিয়া শেষ হোৱাৰ কিছু সময়ৰ ভিতৰতেই হজৰত ওচমান গনী (ৰাঃ) উভতি আহিছিল। তেওঁ (ৰাঃ) আহি কলে যে, মক্কাবাসী সকলে এই বছৰ ওমৰাহ কৰিব দিব নোৱাৰে, কিন্তু তেওঁলোকে অহা বছৰ অনুমতি দিবলৈ সন্মত আছে। গতিকে, এই ক্ষেত্ৰত এটা চুক্তি সমাদান কৰাৰ বাবে প্ৰতিনিধিও প্ৰেৰণ কৰিছে। হজৰত ওচমান গনী (ৰাঃ) উভতি অহাৰ কিছু সময় পাছতেই ছুহেল নামৰ মক্কাৰ এজন নেতা আহি হজৰত মহম্মদ (ছাঃ)ৰ আগত উপস্থিত হ'ল আৰু এটা **শপত নামা** লিখা হ'ল।

## হুদায়বিয়াৰ সন্ধিৰ চৰ্তাৱলী

পৰম কৰুণাময়,পৰম দানশীল আল্লাহৰ নামত আৰম্ভ কৰিছোঁ।
মহম্মদ ইবনে আব্দুল্লাহ অৰ্থাৎ পুত্ৰ মহম্মদ (ছাঃ)আৰু ছুহেল ইবনে উমৰু অৰ্থাৎ উমৰুৰ পুত্ৰ ছুহেল (মক্কা প্ৰশাসনৰ প্ৰতিনিধি)ৰ মাজত সম্পাদিত শান্তি চুক্তিৰ চৰ্তাৱলী তলত উল্লেখ কৰা হ'ল।

১) দহ (১০) বছৰৰ বাবে যুদ্ধ বন্ধ কৰা হ'ল।

২) কোনো ব্যক্তি হজৰত মহম্মদ (ছাঃ)ৰ সৈতে যোগ দিব বিচাৰিলে নাইবা তেখেত (ছাঃ)ৰ সৈতে কোনো চুক্তি কৰিব বিচাৰিলে বিনা দ্বিধায় কৰিব পাৰে।বিপৰীতে কোনো ব্যক্তি কোৰাইশ্ব সকলৰ সৈতে যোগ দিব বিচাৰিলে নাইবা সিহঁতৰ সৈতে কোনো চুক্তি কৰিব বিচাৰিলে নি:সন্দেহ কৰিব পাৰে।

৩) যদি কোনো নাবালক অথবা ডেকা শিশু যাৰ পিতৃ জীৱিত আছে তাৰ পিতৃ বা

অভিভাৱকৰ অনুমতি নোহোৱাকৈ হজৰত মহম্মদ (ছাঃ)ৰ সৈতে যোগ দিয়ে তেন্তে তাক নিজৰ পিতৃ বা অভিভাৱকৰ ওচৰলৈ ঘূৰাই পঠোৱা হ'ব।বিপৰীতে যদি হজৰত মহম্মদ (ছাঃ)ৰ কোনো সঙ্গী কোৰাইশ্ব সকলৰ লগত যোগ দিয়ে তেন্তে তেওঁক উভতাই পঠোৱাৰ প্ৰয়োজন নাই।

৪) হজৰত মহম্মদ (ছাঃ) এই বছৰ মক্কাত প্ৰৱেশ নকৰি উভতি যাব।কিন্তু অহা বছৰ হজৰত মহম্মদ (ছাঃ) আৰু তেখেত (ছাঃ)ৰ চাহাবী সকলে মক্কাত আহিব পাৰিব লগতে তিনি দিন মক্কাত অৱস্থান কৰি কাবা গৃহ প্ৰদক্ষিণ কৰিব পাৰিব।এই সময়ত কোৰাইশ্ব সকলে মক্কা চহৰ পৰিত্যাগ কৰি পাহাৰৰ ওপৰত গৈ অৱস্থান কৰিব।আনহাতে মক্কাত অৱস্থান কালে হজৰত মহম্মদ (ছাঃ) আৰু চাহাবী সকলে খাপ বন্ধ তৰোৱাল বিহীন আন কোনো অস্ত্ৰ লগত ৰাখি নোৱাৰিব; যাক আৰবৰ প্ৰথা অনুসৰি ভ্ৰমণকাৰী সকলে লগত ৰাখিব পাৰে।( ইবনে হিশাম, দ্বিতীয় খণ্ড,পৃঃ ১৮০, বুখাৰী কিতাবুশ শৰত)

এই চুক্তি সম্পাদনৰ সময়ত দুটা অদ্ভুত ঘটনা ঘটিছিল। সন্ধি চুক্তিৰ চৰ্তাৱলী আলোচনাৰ মাধ্যমত সঠিক সিদ্ধান্তত উপনীত হোৱাৰ পাছত যেতিয়া হজৰত মহম্মদ (ছাঃ)য়ে চুক্তি নামা লিখা আৰম্ভ কৰিছিল।তেতিয়া তেখেত (ছাঃ)য়ে কলে বিছমিল্লাহিৰ ৰহমানিৰ ৰাহিম।অৰ্থ পৰম কৰুণাময় পৰম দানশীল আল্লাহৰ নামত আৰম্ভ কৰিছোঁ।তেতিয়া ছুহেল এই ক্ষেত্ৰত আপত্তি জনাই কলে,আল্লাহক আমি অৱশ্যই জানো কিন্তু এই বিনা প্ৰাৰ্থনাত দানকাৰী আৰু বাৰে বাৰে দান কাৰী কোন ?তাক তো আমি নাজানো।এই **চুক্তি নামা** সম্পাদিত হৈ আছে আমাৰ আৰু আপোনালোকৰ মাজত।গতিকে ইয়াৰ মাজত উভয় পক্ষৰ ধৰ্মৰ বিশ্বাসৰ মৰ্যদা অটুট ৰাখিব লাগিব।এই প্ৰস্তাৱত হজৰত মহম্মদ (ছাঃ) সন্মত হ'ল আৰু কেৱল ইমানখিনি লিখিলে যে,আল্লাহৰ নামত আমি এই চুক্তি সম্পাদন কৰিছোঁ।

তাৰ পাছত হজৰত মহম্মদ (ছাঃ)য়ে লিখিলে,এই সন্ধিৰ চৰ্তাৱলী নিৰ্দ্ধাৰিত হৈছে মক্কাবাসী সকল আৰু হজৰত মহম্মদ (ছাঃ)ৰ মাজত।ইয়াতো ছুহেল আপত্তি প্ৰদৰ্শন কৰি কলে,আমি যদি আপোনাক আল্লাহৰ নবী বা ৰছুল স্বীকাৰ কৰিলোঁহেঁতেন তেনেহলে আপোনাৰ লগত কাজিয়া নকৰিলোঁহেঁতেন।হজৰত মহম্মদ (ছাঃ)য়ে ছুহেলৰ এই আপত্তি মানি ললে আৰু মহম্মদ (ছাঃ)ৰ স্থানত মহম্মদ ইবনে আব্দুল্লাহ লিখিলে।ইপিনে তেখেত (ছাঃ)য়ে যিহেতু মক্কাবাসী সকলৰ সকলো আপত্তি মানি লৈছিল;সেই কাৰণে চাহাবী সকলৰ মনত বৰকৈ ক্ষোভৰ সৃষ্টি হৈছিল আৰু ক্ৰোধত সিহঁতৰ শৰীৰত তেজ টগ বগ কৰিব ধৰিছিল।আনকি হজৰত ওমৰ ফাৰুক (ৰাঃ)য়ে হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত

গৈ কলে, يَا رَسُوْلَ الله আমি সত্য নহয়নে ? হজৰত মহম্মদ (ছাঃ)য়ে কলে হয় নিশ্চয়! হজৰত ওমৰ ফাৰুক (ৰাঃ) য়ে পুনৰ কলে, يَا رَسُوْلَ الله হে আল্লাহৰ ৰছুল! আল্লাহ পাক আপোনাক এই কথা কোৱা নাইনে যে,আমি কাবা গৃহ প্ৰদক্ষিণ কৰিম ? তেখেত (ছাঃ)য়ে কলে,হয় কৈছো। এই ক্ষেত্ৰত হজৰত ওমৰ ফাৰুক (ৰাঃ)য়ে কলে,তেন্তে আপুনি এই চুক্তি কিয় কৰিলে ? হজৰত মহম্মদ (ছাঃ)য়ে কলে, ওমৰ আল্লাহ পাক অৱশ্যে মোক ঠিকেই কৈছে যে,আমি শান্তিৰে কাবা গৃহ প্ৰদক্ষিণ কৰিম; কিন্তু আল্লাহ পাক এই কথা কোৱা নাছিল যে,আমি এই বছৰেই কাবা গৃহ প্ৰদক্ষিণ কৰিম।এয়া মোৰ নিজৰ ধাৰণা আছিল।একেদৰে কোনো কোনো চাহাবীয়ে এই আপত্তিও উত্থাপন কৰিছিল যে,এই প্ৰতিশ্ৰুতি কিয় কৰা হ'ল যে,মক্কাৰ কোনো যুৱক যদি মুছলমান হৈ গুচি আহে তেন্তে তেওঁক নিজৰ পিতৃ বা অভিভাৱকৰ ওচৰলৈ উভতাই পঠিওৱা হ'ব।অথচ যদি কোনো মুছলমান মক্কাবাসী সকলৰ ওচৰ যায়, তেন্তে তেওঁক উভতাই পঠাব নালাগিব ? হজৰত ৰছুলে কৰিম (ছাঃ)য়ে কলে, ইয়াত সন্দেহৰ কি অৱকাশ আছে ?যি ব্যক্তি মুছলমান হয় সি সত্যক জানি বুজিয়েই মুছলমান হয়। সি কোনো প্ৰথা অনুসৰি অথবা কোনো সংস্কাৰৰ বাবে মুছলমান নহয়।এওঁলোক যতেই যতেই নাথাকক কিয় ইছলামৰ (তবলিগ) প্ৰচাৰ নিশ্চয় কৰিব,মনে মনে কেতিয়াও থাকিব নোৱাৰিব।তেওঁৰেই হ'ব ইছলামৰ প্ৰচাৰ মাধ্যম।কিন্তু যিজন ব্যক্তি পৰিত্যাগ কৰি মুৰতাদ হ'ব তাক আমাৰ মাজত ৰাখি লাভ কি হ'ব ?যি ব্যক্তি আমাৰ ধৰ্মক মিছা বুলি ঠাৱৰ কৰে, সি আমাৰ কোন কামত আহিব ?হজৰত মহম্মদ (ছাঃ)ৰ এই প্ৰদত্ত উত্তৰৰ মাজত সেই সকল ভ্ৰান্ত মতালম্বীমুছলমান যি সকলে ধাৰণা কৰে যে,ইছলামত মুৰ্তাদ বা ধৰ্মত্যাগী সকলৰ শাস্তি একমাত্ৰ মৃত্যুদণ্ড, তেওঁলোকৰ উত্তৰো নিহিত আছে।ইছলামত ধৰ্মত্যাগী সকলৰ শাস্তি যদি মৃত্যুদণ্ড হ'লহেঁতেন তেন্তে হজৰত মহম্মদ (ছাঃ)য়ে এই কথাৰ ওপৰত জোৰ দিলেহেঁতেন যে,প্ৰত্যেক ধৰ্মত্যাগীক উভতাই অনা হওঁক যাতে সিহঁতক এই অপৰাধৰ বাবে শাস্তি দিয়া যায়।কিন্তু যেতিয়া চুক্তি পত্ৰ লিখা হৈছিল; ঠিক সেই সময়ত আল্লাহ তায়লাই এই চুক্তি পত্ৰৰ সত্যতা প্ৰমাণ কৰাৰ বাবে এটি উপলক্ষ্য সৃষ্টি কৰিছিল,সেয়া আছিল যে,মক্কাবাসী সকলৰ পক্ষৰ পৰা ছুহেলে চুক্তি সম্পাদন কৰিল।কিন্তু তেওঁৰ ল'ৰা ৰচীৰে হাত বন্ধা আৰু আঘাত প্ৰাপ্ত জখমেৰে জৰ্জৰিত অৱস্থাত ৰছুলে কৰিম (ছাঃ)ৰ সন্মুখত আহি তেখেত (ছাঃ)ৰ ভৰিত দীল দি পৰি কলে,হে আল্লাহৰ ৰছুল! মই প্ৰকৃততে বাহিৰত যিয়েই নহওঁক অন্তকৰণে মুছলমান হৈছো।কিন্তু ইছলাম ধৰ্ম গ্ৰহণ কৰাৰ বাবে মোৰ দেউতা মোৰ ওপৰত এনে অত্যাচাৰ চলাইছে।মোৰ পিতৃ ইয়ালৈ অহাত সুযোগ পাই মই আপোনাৰ ওচৰত আহিব পাৰিছোঁ। হজৰত ৰছুলে কৰিম কিছু কোৱাৰ পূৰ্বেই তেওঁৰ পিতৃ ছুহেলে কলে,এই মাত্ৰ এই চুক্তি সম্পাদিত

হ'ল।গতিকে এই নৱ যুৱক জন মোৰ সৈতে উভতি যাব লাগিব।সেই সময়ত মুছলমান সকল নিজৰ চকুৰ আগত আবু জান্দাল নামৰ যুৱকৰ করুণ দৃশ্য দেখিবলৈ পাইছিল। তেওঁলোকে এই নৱ মুছলিম ভাতৃৰ যিজনে তেওঁৰ নিজৰ পিতৃ হাতত অবৰ্ণনীয় অত্যাচাৰত জৰ্জৰিত হ'ব লাগিছিল, তেওঁক তেওঁৰ পিতৃৰ সৈতে উভতাই পঠোৱা সহ্য কৰিব নোৱাৰিছিল।মুছলমান ভাতৃ সকলে সিহঁতৰ তৰোৱাল সমূহ খাপৰ পৰা উলিয়াই উন্মুক্ত কৰিছিল আৰু এই শপত গ্ৰহণ কৰিছিল যে,তেওঁলোকে প্ৰয়োজনত মৃত্যু বৰণ কৰিব তথাপি তেওঁলোকৰ উক্ত ভাতৃক পুনৰ সেই অত্যাচাৰৰ মাজত উভতি যাবলৈ নিদিব। আবু জান্দালও স্বয়ং ৰছুলে কৰিম (ছাঃ)ৰ ওচৰত প্ৰাৰ্থনা জনালে হে আল্লাহৰ ৰছুল! আপুনি নিশ্চয় মোৰ এই করুণ অৱস্থা প্ৰত্যক্ষ কৰিছে।আপুনিয়েই মোৰ এই অৱস্থাৰ প্ৰত্যক্ষ সাক্ষী; তথাপি আপুনি পুনৰ মোক সেই অত্যাচাৰীৰ হাতত তুলি দিবনে ?তেনেহলে সিহঁতে মোৰ ওপৰত পূৰ্বতকৈ অধিক অত্যাচাৰ চলাব।জান্দালৰ এই করুণ বিননি শুনি হজৰত মহম্মদ (ছাঃ)য়ে কলে,আল্লাহৰ ৰছুল কেতিয়াও চুক্তি ভঙ্গ নকৰে।আবু জান্দাল মই ইতিমধ্যে চুক্তি সম্পাদন কৰিছোঁ।তুমি অলপ ধৈৰ্য্য ধাৰণ কৰা আৰু আল্লহৰ ওপৰত পূৰ্ণ নিৰ্ভৰ কৰা।নিশ্চয় আল্লাহ পাক তোমাক আৰু তোমাৰ দৰে অন্যান্য নৱ যুৱক সকলৰ ৰক্ষাৰ বাবে কিবা নহয় কিবা উপায় সৃষ্টি কৰিব।

এই চুক্তি সম্পাদনৰ পাছত হজৰত মহম্মদ (ছাঃ)য়ে মদিনালৈ উভতি আহিল। যেতিয়া তেখেত (ছাঃ)য়ে মদিনাত উপস্থিত হ'ল তেতিয়া আবু বছিৰ নামৰ মক্কাৰ এজন নৱ যুৱক হজৰত মহম্মদ (ছাঃ)ৰ পাছে পাছে দৌৰি আহি মদিনাত উপস্থিত হ'ল। কিন্তু চুক্তি অনুসৰি হজৰত মহম্মদ (ছাঃ)য়ে তাকো উভতি যাবলৈ বাধ্য কৰিলে।উভতি যোৱাৰ সময়ত বাটত যি সকলে বছিৰক ধৃত কৰি লৈ যাই আছিল; সিহঁতৰ সৈতে কাজিয়া হয় আৰু তেওঁ সিহঁতৰ এজনক হত্যা কৰি পলাই যাবলৈ সক্ষম হয়।মক্কাবাসী সকলে এই ঘটনাক লৈ হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত আহি অভিযোগ উত্থাপন কৰে।হজৰত মহম্মদ (ছাঃ)য়ে সিহঁতক কলে, মইতো তোমালোকৰ মানুহ তোমালোকলৈ উভতাই দিছো।আমি এই দায়িত্ব লোৱা নাই যে, সি যতেই যাব তাৰে পৰা ধৰি আনি পুনৰ তোমালোকৰ হাতত অৰ্পন কৰিম।এই ঘটনাৰ কিছুদিন পাছত এজনী মহিলা পলাই আহি মদিনাত উপস্থিত হয়।তাইৰ কুটুম সকলে মদিনালৈ আহি তাইক ওভোতাই দিবলৈ হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত আবেদন জনালে।কিন্তু হজৰত মহম্মদ (ছাঃ)য়ে সেই আত্মীয়-স্বজন (জাতি) সকলক কলে, চুক্তিৰ মাজত কেৱল পুৰুষৰ চৰ্তহে আছে কিন্তু কোনো মহিলাৰ চৰ্ত নাই। গতিকে আমি কোনো মহিলাক ওভোতাই পঠাবলৈ বাধ্য নহয়।

# ৰজা বাদশ্বাহ সকলৰ নামত পত্ৰ প্ৰেৰণ

হজৰত মহম্মদ (ছাঃ)য়ে হুদাইবিয়াৰ পৰা মদিনালৈ উভতি আহি তেখেত (ছাঃ)ৰ প্ৰচাৰ কাৰ্য্যৰ সংবাদ পৃথিৱীৰ কোণে কোণে প্ৰেৰণ কৰিবলৈ আন এক পৰিকল্পনা উদ্ভাৱন কৰিছিল।এই উদ্দেশ্যত তেখেত (ছাঃ)য়ে যেতিয়া চাহাবী (ৰাঃ)ৰ ওচৰত এই সিদ্ধান্তৰ কথা প্ৰকাশ কৰিছিল,তেতিয়া যি সকল চাহাবী (ৰাঃ) ৰাজ দৰবাৰৰ ৰীতি-নীতি সম্পৰ্কে অৱগত আছিল।সিহঁতে কলে,হে আল্লাহৰ ৰছুল! ৰজা বাদশ্বাহ সকলে মোহৰ অবিহনে চিঠি পত্ৰ গ্ৰহণ নকৰে।তেতিয়া আল্লাহৰ প্ৰিয় হজৰত মহম্মদ (ছাঃ)য়ে এখন মোহৰ তৈয়াৰ কৰিলে তাৰ মাজত খোদিত কৰি লিখা হৈছিল মহম্মাদুৰ ৰছুলুল্লাহ আৰু পৰম কৰুণাময় আল্লাহ তায়লাৰ প্ৰতি শ্ৰদ্ধা, ভক্তি আৰু শিষ্টাচাৰৰ প্ৰদৰ্শন কৰি আটাইতকৈ ওপৰত আল্লাহ, তাৰ তলত ৰছুল শেষত মহম্মদ লিখা আছিল।

৬২৮ খৃষ্টাব্দৰ মহৰম মাহত হজৰত ৰছুলে কৰিম (ছাঃ)ৰ পত্ৰলৈ বিভিন্ন কটকী সকলে বিভিন্ন দেশৰ ৰাজধানী সমূহলৈ যাত্ৰা কৰিছিল।এই পত্ৰ সমূহৰ ভিতৰত এটা পত্ৰ ৰোমান সম্প্ৰাটৰ নামত আছিল,এটা মিচৰৰ ৰজাৰ নামত আছিল;(সেই সময়ত মিচৰ কাইচাৰৰ অধীনস্থ আছিল)আন এটা পত্ৰ আছিল আবি ছিনিয়াৰ ৰজা নাজ্জাশিৰ নামত। ইয়াৰ বাহিৰেও তেখেত (ছাঃ)য়ে অন্যান্য আন বহুতো ৰজা বাদশ্বাহৰ নামত পত্ৰ প্ৰেৰণ কৰিছিল।

# ৰজা কাইছাৰ আৰু ৰোম সম্ৰাট হিৰাক্লিয়াচৰ নামত পত্ৰ (ৰোমৰ অধীনস্থ ৰাজ্য মিচৰৰ ৰজা আছিল কাইছাৰ)

ৰোমৰ অধিনস্থ ৰাজ্য মিচৰৰ ৰজা কাইছাৰৰ ওচৰত পত্ৰ লৈ গৈছিল চাহাবী দেহিয়া কালবী (ৰাঃ)য়ে। হজৰত মহম্মদ (ছাঃ)য়ে হজৰত দেহিয়া কালবী (ৰাঃ)ক নিৰ্দেশ দিছিল যে, তেখেত (ৰাঃ) যেন প্ৰথমে বছৰাৰ শাসনকৰ্ত্তাৰ সৈতে সাক্ষাৎ কৰি যায়। সেই শাসনকৰ্ত্তা জন আৰব বংশোদ্ভত আছিল। তেওঁৰ মাধ্যমতেই হজৰত মহম্মদ (ছাঃ)য়ে এই পত্ৰখন লৈ যোৱাৰ নিৰ্দেশ হজৰত কালবী (ৰাঃ)ক দিছিল। যেতিয়া হজৰত কালবী (ৰাঃ) এই পত্ৰখন লৈ বছৰাৰ শাসনকৰ্ত্তাৰ ওচৰত উপস্থিত হৈছিল, কাইছাৰ তেতিয়া ছিৰিয়া ভ্ৰমণত আহিছিল। গতিকে, শাসন কৰ্ত্তাজনে হজৰত দেহিয়া কালবী (ৰাঃ)ক সম্ৰাটৰ দৰবাৰত পঠাইছিল। হজৰত দেহিয়া কালবী (ৰাঃ) যেতিয়া বছৰাৰ শাসন কৰ্ত্তাৰ মাধ্যমত সম্ৰাট কাইছাৰৰ দৰবাৰত উপস্থিত হৈছিল; তেতিয়া দৰবাৰৰ কৰ্মকৰ্তা সকলে তেখেত (ৰাঃ)ক কৈছিল যে, সম্ৰাটৰ সন্মুখত উপস্থিত হলে

প্ৰত্যেক সাক্ষাৎ প্ৰাৰ্থীৰ বাবে এয়া বাধ্যতামূলক যে, সি সম্ৰাট কাইছাৰক সাষ্টাঙ্গে প্ৰণাম অৰ্থাৎ চিজদা কৰিব লাগিব। কিন্তু দেহিয়া কালবী (ৰাঃ)য়ে সাষ্টাঙ্গে প্ৰণাম কৰিবলৈ অস্বীকাৰ কৰিলে আৰু কলে, আমি মুছলমান; আমি কোনো মানুহক সাষ্টাঙ্গে প্ৰণাম নকৰোঁ।গতিকে হজৰত দেহিয়া কালবী (ৰাঃ) চিজদা নকৰিয়েই সম্ৰাট কাইছাৰৰ আগত উপস্থিত হ'ল আৰু তেওঁক হজৰত মহম্মদ (ছাঃ)ৰ পত্ৰখন দিলে। সম্ৰাটে অনুবাদকৰ দ্বাৰা পত্ৰ পাঠ কৰিছিল আৰু আদেশ দিছিল যে, কোনো আৰব কাফেলা আহি থাকিলে তেওঁলোকক ৰাজ দৰবাৰত হাজিৰ কৰা হওঁক; যাতে মই তেওঁলোকৰ পৰা সেই ব্যক্তিৰ অৱস্থা জানিব পাৰো। ঘটনাক্ৰমে আবু ছুফিয়ান সেই সময়ত এটি বাণিজ্যিক কাফেলা (দল) লৈ ছিৰিয়ালৈ গৈছিল। কৰ্মকৰ্তা সকলে আবু ছুফিয়ানক ৰাজ দৰবাৰত হাজিৰ কৰিলে। তেতিয়া সম্ৰাটে আবু ছুফিয়ানক সকলোৰে আগত থিয় হবলৈ আদেশ দিলে আৰু তেওঁৰ সঙ্গী সকলক তেওঁৰ পিছত থিয় হবলৈ কলে। লগতে সম্ৰাট এই নিৰ্দেশও দিলে যে, আবু ছুফিয়ান যদি কোনো মিছা কথা কয়, তেন্তে তেওঁৰ সঙ্গী সকলে যেন তাক লগে লগে সংশোধন কৰি দিয়ে। তাৰ পাছত সম্ৰাটে আবু ছুফিয়ানক প্ৰশ্ন কৰা আৰম্ভ কৰিলে। এই প্ৰশ্ন-উত্তৰ ইতিহাসত নিম্ন লিখিত ৰূপে সুৰক্ষিত আছে।

হিৰাক্লিয়াছ (প্ৰঃ)- যি ব্যক্তি নবুয়তৰ দাবী কৰিছে আৰু মোলৈ পত্ৰ প্ৰেৰণ কৰিছে তাক তুমি জানানে ? তুমি ক'ব পাৰানে তাৰ বংশ কি ?

আবু ছুফিয়ান (উঃ)- তেখেত এক সম্ভ্ৰান্ত বংশৰ লোক আৰু মোৰ আত্মীয়।

হিৰাক্লিয়াছ (প্ৰঃ)- ইতিপূৰ্বে আৰবত এই ধৰণৰ দাবী আন কোনোৱে কৰিছিলনে ?

আবু ছুফিয়ান (উঃ)- কৰা নাছিল।

হিৰাক্লিয়াছ (প্ৰঃ)- তেখেত দাবীৰ পূৰ্বে তোমালোকে কেতিয়াবা তেখেতৰ বিৰুদ্ধে কোনো মিছলীয়াৰ অভিযোগ উত্থাপন কৰিছিলা নে ?আবু ছুফিয়ান (উঃ)- নহয়, আমি কৰা নাছিলোঁ।

হিৰাক্লিয়াছ (প্ৰঃ)- তেখেতৰ পূৰ্ব পুৰুষ সকলৰ মাজত কোনো ৰজা-বাদশ্বাহ আছিল নে ?

আবু ছুফিয়ান (উঃ)- নহয়, নাছিল।

হিৰাক্লিয়াছ্ (প্রঃ)- তেখেতৰ বুদ্ধি-বিবেচনা আৰু বিচাৰ ক্ষমতা কেনেকুৱা ?

আবু ছুফিয়ান (উঃ)- আমি তেখেতৰ বুদ্ধি বিবেচনাত আৰু বিচাৰ ক্ষমতাত কোনো ত্রুটি কেতিয়াও দেখা নাই।

হিৰাক্লিয়াছ্ (প্রঃ)- তেখেতৰ জমাতত কোনো ধনী প্রভাৱশালী ব্যক্তি সকল অংশ গ্রহণ কৰে নে দৰিদ্র-নিচলা ব্যক্তি সকল ?

আবু ছুফিয়ান (উঃ)- দৰিদ্র, মিচকীন আৰু ডেকা সকলে অংশ গ্রহণ কৰে।

হিৰাক্লিয়াছ্ (প্রঃ)- তেখেতৰ জমাত হ্রাস হৈছে নে, বৃদ্ধি হৈছে ?

আবু ছুফিয়ান (উঃ)- ক্রমাগত বৃদ্ধি হৈয়ে আছে।

হিৰাক্লিয়াছ্ (প্রঃ)- এনেকুৱা কোনো ব্যক্তি আছেনে যি তেওঁৰ ধর্মক বেয়া বুলি জানি পৰিত্যাগ কৰিছে ?

আবু ছুফিয়ান (উঃ)- কৰা নাই।

হিৰাক্লিয়াছ্ (প্রঃ)- তেখেত কেতিয়াবা প্রতিশ্রুতি ভঙ্গ কৰিছেনে ?

আবু ছুফিয়ান (উঃ)- আজিলৈকে কোনো অঙ্গীকাৰ ভঙ্গ কৰা নাই। কিন্তু আমি তেওঁৰ সৈতে এটা চুক্তি কৰিছোঁ, এতিয়া দেখা যাব সি কি কৰে।

হিৰাক্লিয়াছ্ (প্রঃ)- তেখেতৰ সৈতে তোমাৰ কেতিয়াবা যুদ্ধ হৈছেনে ?

আবু ছুফিয়ান (উঃ)- অৱশ্যই যুদ্ধ হৈছে।

হিৰাক্লিয়াছ্ (প্রঃ)- সেই যুদ্ধ সমূহৰ ফলা-ফল কি ?

আবু ছুফিয়ান (উঃ)- চকাৰ ওপৰত ঢোলৰ দৰে। কেতিয়াবা ঢোল আমাৰ হাতত আহে

আকৌ কেতিয়াবা তেখেতৰ হাতত যায়। উদাহৰণস্বৰূপে বদৰৰ যুদ্ধৰ কথা উল্লেখ কৰিব পাৰি। সেই যুদ্ধত মই নাছিলোঁ বাবে সি জয়লাভ কৰিছিল। দ্বিতীয় বাৰ যুদ্ধ ওহোদত হৈছিল। এই যুদ্ধৰ প্ৰধান সেনাপতি মই আছিলোঁ। আমি সিহঁতৰ পেট, কাণ আৰু নাক কাটিছিলোঁ।

হিৰাক্লিয়াছ (প্ৰঃ)- তেখেত তোমালোকক কি কৰিবলৈ কয় ?

আবু ছুফিয়ান (উঃ)- তেখেত কয় যে, আল্লাহৰ এবাদত কৰা আৰু কাকো আল্লাহৰ অংশীদাৰ নকৰিবা। আমাৰ পূৰ্বপুৰুষ সকলে যিবোৰ মূৰ্তি পুজা কৰিছিল; সি সেইবোৰ কৰিবলৈ নিষেধ কৰে। আমাক এই আদেশ দিয়ে যে, আমি যেন আল্লাহৰ এবাদত কৰো সত্য কথা কওঁ আৰু ঘৃণনীয় কাৰ্য্য লগতে দূৰ্নীতিৰ পৰা সদায় আঁতৰত থাকো। তদুপৰি সি ইয়াকেও কয় যে, আমি যেন পৰস্পৰৰ প্ৰতি সৎ ব্যৱহাৰ কৰো, প্ৰতিজ্ঞা ভঙ্গ নকৰো, আৰু আমানত ৰক্ষা কৰো। (বুখাৰী: মুজতাৰায়ী ছাপাখানা, ১ম খণ্ড, পৃ:৪ বাব কায়ফা কানা বা'দাল ওহী)

## ৰোম সম্ৰাট কাইছাৰৰ সিদ্ধান্ত

**হজৰত মহম্মদ (ছাঃ) সত্য নবী।**

এইদৰে মনোৰঞ্জক প্ৰশ্ন উত্তৰ অনুষ্ঠান সমাধান হয়।তাৰ পাছত কাইছাৰ আবু ছুফিয়ানক কলে,শুনা পোন প্ৰথম মই তোমাক এই প্ৰশ্ন কৰিছিলোঁ যে,তেখেত (ছাঃ)ৰ বংশ কেনেকুৱা ? তুমি তাৰ উত্তৰ দিছিলা যে, তেখেত (ছাঃ) এজন উচ্চ বংশৰ আৰু সন্মানিত লোক নিশ্চয়।ইয়াত নি:সন্দেহ প্ৰমাণীত হয় যে,অৱতাৰ অৰ্থাৎ সংস্কাৰক সাধাৰণতে এনেকুৱাই হয়।পুনৰ মই তোমাক সুধিছিলোঁ যে,তেখেত (ছাঃ)ৰ পূৰ্বে আন কোনোবাই এনে ঘোষণা কৰিছিল নে ?তুমি উত্তৰ দিছিলা যে,নহয়, এনে ঘোষণা কোনেও কৰা নাছিল।এই প্ৰশ্ন মই তোমাক এই কাৰণেই কৰিছিলোঁ যদি কোনোবাই তেখেত (ছাঃ)ৰ পূৰ্বে এইদৰে দাবী কৰি থাকে তেন্তে এও সেই ব্যক্তিৰ অনুকৰণ কৰিছে নে নাই তাক প্ৰমাণ কৰাৰ বাবে।তাৰ পিছত মই তোমাক প্ৰশ্ন কৰিছিলোঁ যে,ইয়াৰ পূৰ্বে তোমালোকে তেখেত (ছাঃ)ক মিছলীয়া বুলি ভাৱিছালা নে ?তাতেও তুমি নহয় বুলি কৈছিলা,সেই কাৰণে মই বুজি পালো যে,যি ব্যক্তিয়ে মানৱ জাতিৰ সম্বন্ধে মিছা ক'ব নোৱাৰে, সি আল্লাহৰ বিষয়ে কেতিয়াও মিছা ক'ব নোৱাৰে।পুনৰ মই তোমাক প্ৰশ্ন কৰিছিলোঁ যে,তেখেত (ছাঃ)ৰ পূৰ্ব পুৰুষ সকলৰ মাজত কোনোবাৰ শাসন আছিলনে ?তুমি এই প্ৰশ্নৰ উত্তৰ নহয় বুলি কৈছিলা,মই বুজি পালো যে তেখেত (ছাঃ)ৰ দাবী এই অৰ্থে

নহয় যে,তেখেত (ছাঃ)ৰ পূৰ্ব পুৰুষ সকলৰ হেৰুৱা ৰাজ্য পুনৰ ধোকাবাজী (প্ৰতাৰণা বাজী)কৰি উদ্ধাৰ কৰিব বিচাৰে।তাৰ পিছত আকৌ মই তোমাক প্ৰশ্ন কৰিছিলোঁ যে,তেখেত (ছাঃ)ৰ জমাত ডাঙৰ ডাঙৰ বিত্তশালী লোক আৰু ক্ষমতা বান আতংক সৃষ্টিকাৰী শক্তিয়ে গ্ৰহণ কৰে নে দৰিদ্ৰ নিচলা আৰু অসহায় লোকে গ্ৰহণ কৰে? তুমি উত্তৰ দিছিলা যে, দৰিদ্ৰ নিচলা আৰু অসহায় লোকে তেখেত (ছাঃ)ৰ জমাত গ্ৰহণ কৰে।ইয়াৰ পৰা সূক্ষ্ম বিচাৰ আৰু বুদ্ধিৰে বুজিব পাৰিলোঁ যে, প্ৰত্যেক নবীৰ জমাতত বিশেষ কৰি দৰিদ্ৰ নিচলা আৰু অসহায় বিনয়ী স্বভাৱৰ লোকহে অংশ গ্ৰহণ কৰে। কিন্তু কোনো বিত্তশালী,ক্ষমতাবান আতংকবাদীৰ এই জমাত গ্ৰহণ কৰাৰ সৌভাগ্য হোৱা নাই।মই তোমাক পুনৰ সুধিছিলোঁ যে,তেখেত (ছাঃ)ৰ জমাত অথবা সহযোগীৰ সংখ্যা বৃদ্ধি হৈ আছে নে হ্ৰাস হৈ আছে? উত্তৰত তুমি কৈছিলা যে,তেখেত (ছাঃ)ৰ জমাত ক্ৰমে বৃদ্ধি হৈয়েই আছে।তেতিয়া মই বুজিলো যে, নবী সকলৰ জমাতৰ লক্ষণ এয়েই হয়।অৱতাৰ সকলৰ মান্যকাৰীৰ সংখ্যা ক্ৰমে বৃদ্ধি হৈয়েই থাকে ই কেতিয়াও হ্ৰাস নহয়।আনকি ই নবী সকলৰ চুড়ান্ত বিজয় অৰ্জন নোহোৱালৈকে অব্যাহত থাকিব। আকৌ মই জানিব বিচাৰিছিলোঁ যে,কোনো ব্যক্তি তেখেত (ছাঃ)ৰ ধৰ্ম গ্ৰহণ কৰি পুনৰ বেয়া বুলি পৰিত্যাগ কৰিছে,অৰ্থাৎ ধৰ্মত্যাগী হৈছেনে? উত্তৰত তুমি নহয় বুলি কৈছিলা, মই জানো যে, অৱতাৰ সকলক মান্যকাৰী সকল প্ৰভুভক্ত আৰু শ্ৰদ্ধাশীল হয়।এয়ে নবী সকলৰ জমাতৰ বিশেষ বৈশিষ্ট। তেওঁলোকৰ পতনৰ আন কোনো কাৰণ থাকিব পাৰে কিন্তু ধৰ্মীয় বিতৃষ্ণা কাৰণ হ'ব নোৱাৰে।মই আকৌ তোমাক প্ৰশ্ন কৰিছিলোঁ যে,তোমালোকৰ সৈতে তেখেত (ছাঃ)ৰ কোনো যুদ্ধ সংগঠিত হৈছিল নে?যদি হৈছিল তাৰ ফলাফল কি? উত্তৰত তুমি কৈছিলা যে, হয়,হৈছিল।কেতিয়াবা সি জিকিছে কেতিয়াবা তোমালোকে জিকিছা?চকাৰ ওপৰত ঢোল সদৃশ।জুৱা খেলৰ দৰে ভাগ্য পৰিৱৰ্তন কৰে।সকলো নবী বা অৱতাৰৰ ক্ষেত্ৰত এনেকুৱাই হয়।পোনতে তেওঁলোকৰ জমাত অথবা সহযোগী সকলৰ ওপৰত সংকট উপস্থিত হয় কিন্তু শেহত তেওঁলোকে বিজয় হয়।আকৌ মই তোমাক সুধিছিলোঁ, তেখেত (ছাঃ)য়ে তোমাক কি শিক্ষা দিয়ে? তুমি উত্তৰত কৈছিলা যে,তেখেত (ছাঃ)য়ে নমাজ পঢ়িবলৈ অথবা এক আল্লাহৰ এবাদত (উপাসনা)কৰিবলৈ কয়,সত্য কথা ক'বলৈ শিক্ষা (উপদেশ) দিয়ে,পৱিত্ৰ জীৱনৰ-যাপনৰ বাবে উপদেশ দিয়ে, অঙ্গীকাৰ (চুক্তি) পালন আৰু বিশ্বস্তা অৰ্থাৎ উপাৰ্জিত সম্পদ ৰক্ষা কৰাৰ শিক্ষা প্ৰদান কৰে।এই দৰে মই তোমাক আন এটা প্ৰশ্ন কৰিছিলোঁ যে,তেখেত (ছাঃ)য়ে কোনো প্ৰতাৰণা বা ফাঁকি বাজী কৰেনে? উত্তৰত তুমি নকৰে বুলি কৈছিলা।এয়াই হ'ল সত্যনিষ্ঠ পুৰুষ সকলৰ চিহ্ন আৰু পদ্ধতি। গতিকে মই বুজিব পাৰিছো যে, তেখেত (ছাঃ)অৱতাৰ হোৱাৰ দাবী সত্যৰ ওপৰত প্ৰতিষ্ঠিত আৰু মোৰ নিজৰো এই বিশ্বাস

আছিল যে, এই যুগতে সেই অৱতাৰ বা নবীৰ আগমণ হ'ব। কিন্তু মোৰ এই ধাৰণা নাছিল যে, তেখেত (ছাঃ) আৰব জাতিৰ মাজতেই আৱিৰ্ভুত হ'ব। আনহাতে যিবিলাক উত্তৰ তুমি মোক দিছা,সেয়া যদি সকলো সত্য হয়, তেনেহলে মই ক'ব পাৰো যে,এই সকলো ৰাজ্য তেখেত (ছাঃ)ৰ অধীনলৈ যাব (বুখাৰী)।

সম্রাট কাইছাৰৰ উল্লেখিত বাৰ্তালাপ বা কতোপকথনত দৰবাৰত উপস্থিত থকা সভাসদ সকলৰ মাজত উত্তেজনাৰ সৃষ্টি হয়। সকলো বিক্ষোপ প্ৰদৰ্শন কৰে।সিহঁতে কলে, আপুনি এজন খ্ৰীষ্টান হোৱা সত্ত্বেও আন জাতিৰ এজন লোকৰ সত্যতাৰ ঘোষণা দিছে।তেতিয়া ৰাজদৰবাৰত প্ৰতিবাদৰ ঢৌ ৰ এক বিদ্ৰোহৰ ধ্বনি উচ্চাৰিত হ'ব ধৰিলে।ফলত ৰাজদৰবাৰৰ কৰ্মচাৰী বৃন্দই লৰা-লৰি কৰি আবু ছুফিয়ান আৰু তেওঁৰ সঙ্গী সকলক দৰবাৰৰ পৰা বহিষ্কাৰ কৰি দিয়ে

হজৰত মহম্মদ (ছাঃ)য়ে সম্রাট হিৰাক্লিয়াছৰ নামত প্ৰেৰিত পত্ৰৰ আৰ্হি তলত উল্লেখ কৰা হ'ল।

بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ ۔مِنۡ مُّحَمَّدٍعَبۡدِاللّٰهِ وَ رَسُوۡلِهٖ اِلٰى هِرَقۡلَ
عَظِيۡمِ الرُّوۡمِ۔ سَلَامٌ عَلٰى مَنِ اتَّبَعَ الۡهُدٰى۔ اَمَّا بَعۡدُ فَاِنِّىۡ اَدۡعُوۡكَ بِدِعَايَةِ
الۡاِسۡلاَمِ اَسۡلِمۡ تَسۡلَمۡ يُؤۡتِكَ اللّٰهُ اَجۡرَكَ مَرَّتَيۡنِ فَاِنۡ تَوَلَّيۡتَ فَاِنَّ عَلَيۡكَ اِثۡمَ
الۡأَرِيۡسِيِّيۡنَ وَ يَااَهۡلَ الۡكِتٰبِ تَعَالَوۡا اِلٰى كَلِمَةٍ سَوَاءٍ بَيۡنَنَا وَبَيۡنَكُمۡ اَلَّانَعۡبُدَ
اِلَّااللّٰهَ وَلَانُشۡرِكَ بِهٖ شَيۡـًٔا وَلَايَتَّخِذَ بَعۡضُنَا بَعۡضًا اَرۡبَابًا مِّنۡ دُوۡنِ اللّٰهِ فَاِنۡ تَوَلَّوۡا
فَقُوۡلُوا اشۡهَدُوۡا بِاَنَّا مُسۡلِمُوۡنَ

অৰ্থঃ পৰম কৰুণাময়,পৰম দানশীল আল্লাহৰ নামত আৰম্ভ কৰিলোঁ।এই পত্ৰ আল্লাহৰ দাস বা ভৃত্য আৰু তাৰ প্ৰেৰিত পুৰুষ হজৰত মহম্মদ (ছাঃ)ৰ পক্ষৰ পৰা ৰোমৰ প্ৰধান সম্রাট হিৰা ক্লিয়াছৰ নামত লিখা হ'ল।যি ব্যক্তি খোদা তায়লাৰ হিদায়ত (আজ্ঞা) পালন কৰে,তেওঁৰ ওপৰত আল্লাহৰ ছালাম বৰ্ষিত হওঁক।ইয়াৰ পাছত,হে ৰোমৰ সম্রাট বাদশ্বাহ! মই আপোনাক ইছলামৰ আমন্ত্ৰণ জনাইছোঁ। এক আল্লাহ আৰু তাৰ ৰছুল হজৰত মহম্মদ (ছাঃ)ৰ ওপৰত ঈমান (বিশ্বাস) স্থাপন কৰাৰ বাবে। হে সম্রাট ! আপুনি মুছলমান হওঁক। তেনেহলে নিশ্চয় আল্লাহ পাক আপোনাক সকলো প্ৰকাৰ যাতনা (ফেৎনা) ৰ

পৰা ৰক্ষা কৰিব আৰু পুৰস্কাৰ দিব। (অৰ্থাৎ হজৰত ঈছা (আঃ)ৰ ওপৰত ঈমান আনাৰ বাবেও পুৰস্কাৰ দিব) কিন্তু যদি আপুনি এই কথা মানিবলৈ অস্বীকাৰ কৰে তেন্তে কেৱল আপোনাৰ নিজৰ পাপ আপোনাৰ ওপৰত ন্যস্ত নহ'ব; বৰঞ্চ আপোনাৰ প্ৰজা সকলে ঈমান গ্ৰহণ নকৰাৰ ফলত যি পাপ অৰ্জিত হ'ব সেয়াও আপোনাৰ ওপৰত ন্যস্ত হ'ব। পত্ৰৰ শেষত পৱিত্ৰ কোৰাণৰ এক বাক্য (আয়াত) উদ্ধৃত আছিল। তাৰ অৰ্থ হ'ল,হে আহলে কিতাব ! (ইহুদী আৰু খৃষ্টান সকলক উদ্দেশ্য কৰি) অৰ্থাৎ হে মোৰ প্ৰিয় আপোনজন সকল ! আহা আমি এই কথাত ঐক্যমত হৈ যাও যি তোমালোকৰ আৰু আমাৰ মাজত অভিন্ন। সেয়া হ'ল, আমি সকলোৱেই এক আল্লাহৰ বাহিৰে আন কাৰো এবাদত নকৰিম আৰু কোনো জীৱ অথবা জড় কাকো তাৰ সৈতে অংশীদাৰ নকৰিম। আল্লাহ অবিহনে আমি কোনো মানুহকেই ইমান অধিক মৰ্য্যদা প্ৰদান নকৰিম, যাতে সেই মানুহক আল্লাহৰ গুণৰ পূৰ্ণ অধিকাৰী বুলি ধাৰণা হয়। যদি আহলে কিতাব (ইহুদী আৰু খৃষ্টান) গ্ৰন্থধাৰী গণে এই আমন্ত্ৰণ পত্ৰ অস্বীকাৰ কৰে, তেনেহলে হে মুহাম্মাদুৰ ৰাচুল উল্লাহ আৰু তেখেত (ছাঃ)ৰ চাহাবী সকল ! তোমালোকে সিহঁতক কৈ দিয়া যে, আমি আল্লাহৰ ওচৰত আত্ম সৰ্ম্পৰ্নকাৰী (আদেশ পালনকাৰী)। (জুৰকানী)

কোনো কোনো ইতিহাসত উল্লেখ আছে যে, যেতিয়া পত্ৰখন সম্ৰাট কাইছাৰৰ সন্মুখত উপস্থাপন কৰা হৈছিল; তেতিয়া ৰাজ দৰবাৰত উপস্থিত থকা সভাসদ সকলৰ কোনো কোনোৱে কৈছিল যে, এই পত্ৰটো ছিঙি পেলোৱা উচিত। কাৰণ, ইয়াত সম্ৰাটক অপমানিত কৰা হৈছে। আৰু পত্ৰৰ ওপৰত ৰোমান সম্ৰাট লিখা হোৱা নাই। বৰঞ্চ লিখা হৈছে যে, চাহাবে-ৰুম-ৰুমৰ অভিভাৱক। কিন্তু সম্ৰাটে কৈছিল যে, পত্ৰ পাঠ কৰাৰ পূৰ্বে তাক ছিঙাটো হ'ল নিৰ্বুদ্ধিতাৰ পৰিচয় আৰু মোলৈ লিখা ৰোমৰ অভিভাৱক ঠিকেই আছে। প্ৰকৃত মালিক (গৰাকী) হ'ল স্বয়ং আল্লাহ। মইতো কেৱল অভিভাৱক হে। হজৰত মহম্মদ (ছাঃ)য়ে যেতিয়া এই ঘটনা জানিব পাৰিলে, তেতিয়া তেখেত (ছাঃ)য়ে কলে যে, ৰোমান সম্ৰাটে যি পন্থা অৱলম্বন কৰিছে, তাৰ বাবে তেওঁৰ ৰাজ্যত্ব ৰক্ষা পাব। আৰু তেওঁৰ বংশধৰ সকলে বহুদিন পৰ্য্যন্ত এই ৰাজত্ব চলাই থাকিব। বাস্তৱত সেয়াই হৈছিল। পৰৱৰ্তীকালে বহুতো যুদ্ধ বিগ্ৰহৰ ফলত যদিও বহু দেশ হজৰত ৰচুল কৰিম (ছাঃ)ৰ এটাৰ পাছত এটা ভৱিষ্যৎবাণী অনুসৰি ৰোম সম্ৰাটৰ হাতৰ পৰা মুক্ত হৈছিল; তথাপি উক্ত ঘটনাৰ পাছত ছয় শ (৬০০) বছৰ লৈকে সম্ৰাট হীৰাক্লিয়াছৰ বংশধৰ সকলে কনষ্টাণ্টিনোপলৰ শাসন ক্ষমতাত অধিষ্ঠিত আছিল। ৰোমৰ শাসন কালত বহু বছৰ ধৰি হজৰত মহম্মদ (ছাঃ)ৰ এই পত্ৰ সংৰক্ষিত আছিল। কোনো এক সময়ত মনছুৰ কালাবুন নামৰ এজন মুছলিম বাদশ্বাহৰ কিছু ৰাষ্ট্ৰদূত ৰোমৰ সম্ৰাটৰ

(বাদশ্বাহৰ) আদালতত গৈছিল। এবাৰ সিহঁতৰ এজনক দেখুৱাৰ বাবে এটা বাকচ আনি নথি পত্ৰ নিৰীক্ষণ কৰি কৈছিল, মোৰ এজন পূৰ্ব পুৰুষৰ নামত তোমালোক নবীৰ এখন পত্ৰ আহিছিল, যি এই বাকচত আজিলৈকে মোৰ ওচৰত সংৰক্ষিত আছে।

## পাৰস্য (ইৰাণ)সম্ৰাটৰ নামত পত্ৰ

সেই সময়ত ইৰাণ (পাৰস্য)সম্ৰাটৰ শাসক আছিল খচৰু। হজৰত মহম্মদ (ছাঃ)য়ে আব্দুল্লাহ বিন হুজাইফা (ৰাঃ)অৰ্থাৎ হুজাইফাৰ পুত্ৰ আব্দুল্লাহৰ জৰিয়তে নিম্ন লিখিত পত্ৰখন পাৰস্য (ইৰাণ)ৰ সম্ৰাট খচৰুৰ নামত প্ৰেৰণ কৰিছিল।

بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ ۔ مِنۡ مُّحَمَّدٍ رَسُوۡلِ اللّٰهِ اِلٰى كِسۡرىٰ عَظِيۡمِ الۡفَارِس ۔ سَلَامٌ عَلٰى مَنِ اتَّبَعَ الۡهُدٰى ۔ وَاٰمَنَ بِاللّٰهِ وَرَسُوۡلِهٖ وَشَهِدَ اَنۡ لَّاۤ اِلٰهَ اِلَّا اللّٰهُ وَحۡدَهٗ لَاشَرِيۡكَ لَهٗ ۔ وَاَنَّ مُحَمَّدًا عَبۡدُهٗ وَ رَسُوۡلُهٗ وَ اَدۡعُوۡكَ بِدِعَايَةِ اللّٰهِ عَزَّوَجَلَّ فَاِنِّىۡ اَنَا رَسُوۡلَ اللّٰهِ اِلَى النَّاسِ كَافَّةً ۔ لِاُنۡذِرَ مَنۡ كَانَ حَيًّا وَيَحِقَّ الۡقَوۡلُ عَلَى الۡكَافِرِيۡنَ اَسۡلِمۡ تَسۡلَمۡ فَاِنۡ اَبَيۡتَ فَعَلَيۡكَ اِثۡمُ الۡمَجُوۡسِ ۔

অৰ্থঃ পৰম কৰুণাময় পৰম দানশীল আল্লাহৰ নামত আৰম্ভ কৰিছোঁ,এই পত্ৰ হজৰত মহম্মদ (ছাঃ)য়ে পাৰস্যৰ সম্ৰাট আমিৰ খচৰুৰ নাম লিখিছে।যি ব্যক্তিয়ে পূৰ্ণ হিদায়তৰ অনুসৰণ কৰে আৰু আল্লাহ্ আৰু তাৰ ৰছুলৰ ওপৰত ঈমান স্থাপন কৰে লগতে সাক্ষ্য দান কৰে যে,আল্লাহ এক তাৰ কোনো অংশীদাৰ নাই আৰু হজৰত মহম্মদ (ছাঃ)তাৰ প্ৰেৰিত ভৃত্য আৰু ৰছুল। তেনেহলে তেওঁৰ কোনো ভয় নাই আৰু সি কেতিয়াও দুঃখিত নহ'ব।হে ইৰাণৰ বাদশ্বাহ! মই আপোনাক পৰম কৰুণাময় আল্লাহৰ আদেশত ইছলামৰ প্ৰতি আহ্বান কৰিছোঁ।কাৰণ মোক সমগ্ৰ মানৱৰ বাবে আল্লাহৰ পক্ষৰ পৰা ৰছুল কৰি প্ৰেৰণ কৰা হৈছে।যাতে মই প্ৰত্যেক জীৱিত মানুহক সতৰ্ক কৰো আৰু অবিশ্বাসী সকলৰ ওচৰত দলিল প্ৰমাণ সম্পূৰ্ণ ৰূপে দাঙি ধৰিব পাৰো।আপুনি ইছলাম গ্ৰহণ কৰক যাতে আপুনি প্ৰত্যেক বিপদৰ পৰা ৰক্ষা পায়।যদি আপুনি মোৰ এই আহ্বান অস্বীকাৰ কৰে তেন্তে আপোনাৰ সকলো প্ৰজাৰ পাপ আপোনাৰ ওপৰত ন্যস্ত হ'ব।(জুৰকাণী)

হজৰত আব্দুল্লাহ বিন হুজাইফা (ৰাঃ)য়ে কৈছে, মই যেতিয়া পত্ৰখন লৈ সম্রাট খচৰুৰ ৰাজ দৰবাৰত উপস্থিত হৈ ভিতৰত প্ৰৱেশ কৰাৰ অনুমতি প্ৰাৰ্থনা কৰিছিলোঁ, তেতিয়া মোক অনুমতি দিয়া হৈছিল।মই যেতিয়া আগুৱাই গৈ হজৰত ৰছুলে কৰিম (ছাঃ)ৰ পত্ৰখন সম্রাট খচৰুৰ হাতত দিছিলোঁ; তেতিয়া তেওঁ অনুবাদকাৰী সকলক পত্ৰখন পঢ়ি শুনাবলৈ কৈছিল। নিৰ্দেশ অনুসৰি অনুবাদকাৰীয়ে যেতিয়া পত্ৰখন পাঠ কৰি শুনাইছিল, তেতিয়া খচৰুৱে খংত জ্বলি উঠি সেই পত্ৰখন ছিঙি পেলাইছিল।হজৰত আব্দুল্লাহ (ৰাঃ)য়ে যেতিয়া এই সংবাদ হজৰত মহম্মদ (ছাঃ)ক আহি দিছিল;তেতিয়া তেখেত (ছাঃ)য়ে কলে,খচৰু আমাৰ পত্ৰৰ প্ৰতি যি আচৰণ প্ৰদৰ্শন কৰিছে,স্বয়ং আল্লাহ পাক তেওঁৰ ৰাজত্বৰ প্ৰতিও ঠিক তেনে আচৰণ কৰিব।খচৰুৰ উদুত্তৰ কাৰণ এয়ে আছিল যে,যি সকল ইহুদী ৰোমান সাম্রাজ্যৰ পৰা পলাই গৈ পাৰস্য সাম্রাজ্যত আশ্ৰয় গ্ৰহণ কৰিছিল,আৰু ৰোমান সম্রাটৰ বিৰুদ্ধে ষড়যন্ত্ৰত লিপ্ত হৈ ইৰাণী ৰাজদৰবাৰৰ প্ৰিয় পাত্ৰ হৈছিল।তেওঁলোকৰ মাধ্যমতেই আৰবৰ ইহুদী সকলে খচৰুক হজৰত মহম্মদ (ছাঃ)ৰ বিৰুদ্ধে উত্তেজিত কৰি তুলিছিল।তেওঁলোকে যিবোৰ অভিযোগ কৰিছিল;এই পত্ৰ পাই খচৰুৱে সেইবোৰ সঠিক বুলি ধৰি ললে। খচৰুৱে ভাৱিলে যে,নিশ্চয় এই ব্যক্তিৰ মোৰ ৰাজ্যৰ ওপৰত কু-দৃষ্টি পৰিছে।গতিকে খচৰুৱে লগে লগে ইয়ামেনৰ শাসন কৰ্তাৰ ওচৰত এখন পত্ৰ প্ৰেৰণ কৰে যাৰ বৰ্ণনা নিম্নত উল্লেখ কৰা হ’ল।

কোৰাইশ জাতিয়ে এজন ব্যক্তি নিজকে নবী (অৱতাৰ)হোৱাৰ দাবী কৰিছে,আৰু সেই ব্যক্তি দ্ৰুত অগ্ৰসৰ হ’ব ধৰিছে।তুমি অনতি পলমে তেওঁৰ ওচৰলৈ দুজন লোক প্ৰেৰণ কৰা; যাতে সিহঁতে তেওঁক গ্ৰেপ্তাৰ কৰি আনি মোৰ আগত উপস্থিত কৰে।সেই সময়ত খচৰুৰ অধীনস্থ ইয়ামিনৰ শাসন কৰ্তা বাজান আছিল।প্ৰত্ৰ অনুসৰি বাজানে (প্ৰধান সামৰিক বিষয়া ) এজনক এজন আশ্বাৰোহী সঙ্গী সহ হজৰত ৰছুল কৰিম (ছাঃ)ৰ ওচৰত পঠিয়ালে।বাজানে নিজৰ ফালৰ পৰাও এখন পত্ৰ হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত প্ৰেৰণ কৰিলে। পত্ৰত উল্লেখ কৰিলে যে, হজৰত মহম্মদ (ছাঃ) যেন এই পত্ৰ পোৱাৰ লগে লগে মই প্ৰেৰিত দুজন ব্যক্তিৰ সৈতে অতি সোনকালে খচৰুৰ (ইৰাণ শ্বাহৰ) ৰাজ দৰবাৰত উপস্থিত হয়। উক্ত সামৰিক বিষয়া মক্কা অভিমুখে যাত্ৰা কৰিলে। কিন্তু তায়েফৰ ওচৰত উপস্থিত হৈ সি জানিব পাৰিলে যে, হজৰত মহম্মদ (ছাঃ) মদিনাত থাকে। গতিকে সি আকৌ মদিনাৰ অভিমুখে যাত্ৰা কৰিলে। মদিনাত উপস্থিত হৈ সি হজৰত মহম্মদ (ছাঃ)ক কলে, ইৰাণৰ সম্রাট খচৰুৱে ইয়ামেনৰ শাসন কৰ্তা বাজানক আদেশ দিছে যে, তেওঁ যেন আপোনাক গ্ৰেপ্তাৰ কৰি লৈ ইৰাণ শ্বাহৰ ৰাজ দৰবাৰত হাজিৰ কৰে। আপুনি যদি এই আদেশ অমান্য কৰে, তেন্তে তেওঁ আপোনাক

আৰু আপোনাৰ জাতিক সমূহক ধ্বংস কৰি দিব। আনকি আপোনাৰ দেশৰ বিস্তাৰ ক্ষতি সাধন কৰিব। গতিকে আপুনি আমাৰ সৈতে বলক। বাৰ্তা বাহকৰ এই কথা শুনি হজৰত মহম্মদ (ছাঃ)য়ে কলে, হ'ব বাৰু, কাইলৈ তোমালোক দুজন মোৰ সৈতে পুনৰ দেখা কৰিবা। ৰাতি তেখেত (ছাঃ)য়ে আল্লাহ তায়লাৰ ওচৰত কাতৰ প্ৰাৰ্থনা জনালে আৰু সবশক্তিমান আল্লাহ্ তেখেত (ছাঃ)ক অৱগত কৰালে যে, ইৰাণ শ্বাহৰ (খচৰুৰ) অপৰাধৰ বাবে মই তেওঁৰ বিৰুদ্ধে তেওঁৰ পুত্ৰক থিয় কৰি দিছোঁ।সেই পুত্ৰই তেওঁক এই বছৰৰ জমাদিউল উল শুক্লপক্ষৰ ১০ তাৰিখে সোমবাৰে হত্যা কৰিব। কোনো কোনো বৰ্ণনাত আছে যে, হজৰত মহম্মদ (ছাঃ)য়ে কৈছে, আজি ৰাতিয়েই সি তাৰ পিতাক হত্যা কৰিব। যথা সম্ভৱ হ'ব পাৰে যে, সেই ৰাতিয়েই আছিল জমাদিউল উলাৰ ১০ তাৰিখ আৰু শুক্লপক্ষৰ দশমীও আছিল। হজৰত মহম্মদ (ছাঃ)য়ে পিছৰ দিন ৰাতি পুৱা সেই দুজন বাৰ্তা বাহকক মাতি পঠিয়ালে আৰু এই ভৱিষ্যৎ বাণীৰ বিষয় বস্তু সিহঁতক অৱগত কৰালে। তাৰ পাছত হজৰত মহম্মদ (ছাঃ)য়ে ইয়ামেনৰ শাসন কৰ্তা বাজানৰ নামত এখন পত্ৰ লিখি পঠালে। পত্ৰত তেখেত (ছাঃ)য়ে লিখিছিল, আল্লাহ মোক সংবাদ প্ৰেৰণ কৰিছে যে, কিচৰাক অমুক চনৰ অমুক তাৰিখত নিহত কৰা হ'ব। পত্ৰখন যেতিয়া ইয়ামেনৰ শাসন কৰ্তাৰ ওচৰ পালে হি , তেতিয়া ইয়ামেনৰ শাসন কৰ্তা বাজান কলে, এই ব্যক্তি যদি সত্য নবী হয়; তেন্তে এই ঘটনাও অৱশ্যই সংগঠিত হ'ব। অন্যথায় তেওঁ আৰু তেওঁৰ দেশৰ মঙ্গল নাই।

এই ঘটনাৰ কিছুদিন পিছত ইৰাণৰ এখন পানী জাহাজ ইয়ামেনৰ বন্দৰত আহি উপস্থিত হয়। এই জাহাজত লৈ অহা ইৰাণৰ সম্ৰাটৰ এখন পত্ৰ ইয়ামেনৰ শাসন কৰ্তাক দিয়া হয়। পত্ৰখনৰ মোহৰ দেখিয়ে ইয়ামেনৰ শাসন কৰ্তা বাজানে কলে, মদিনাৰ নবী সত্য কথা কৈছে। ইৰাণৰ শাসকৰ পতন ঘটিছে। কাৰণ, সেই পত্ৰত আন ৰজাৰ মোহৰ ব্যৱহাৰ কৰিছিল। তেওঁ পত্ৰ খন মেলিলে আৰু দেখিবলৈ পালে যে, পত্ৰত লিখা আছে, এই পত্ৰখন ইৰাণৰ কিছৰা শিৰোচে ইয়ামেনৰ শাসনকৰ্তা বাজানক লিখিছে। মই মোৰ পিতৃ খচৰুক হত্যা কৰিছোঁ। কাৰণ দেশত অৰাজকতা আৰু ৰক্তপাত দেখা দিছিল। দেশৰ সম্ভ্ৰান্ত লোকক হত্যা কৰিছিল আৰু প্ৰজাৰ ওপৰত অত্যাচাৰ চলিছিল। মোৰ এই পত্ৰ তোমাৰ ওচৰত যোৱা মাত্ৰ তুমি সকলো সামৰিক বিষয়ক মোৰ আনুগত্যৰ শপথ গ্ৰহণ কৰাবা। আনহাতে, ইতিপূৰ্বে মোৰ পিতৃ খচৰুৱে আৰবৰ এজন নবীৰ বিৰুদ্ধে যি গ্ৰেপ্তাৰী পৰওৱানা (বন্দীৰ আদেশ) প্ৰেৰণ কৰিছিল, সেয়া নাকচ বুলি গণ্য কৰিব। (তাবাৰী: ৩য় খণ্ড, পৃ: ১৫৭২-১৫৭৪, ছিৰাতুন্নবী, ইবনে হিশাম)

এই পত্ৰ পাঠ কৰি ইয়ামেনৰ শাসন কৰ্তা বাজানে ইমান বেছি প্ৰভাৱিত হৈছিল যে, সি আৰু তেওঁৰ কিছুসংখ্যাক সঙ্গী তৎক্ষণাৎ ইছলাম গ্ৰহণৰ কথা ঘোষণা কৰিছিল। বাজানৰ ইছলাম ধৰ্ম গ্ৰহণৰ সংবাদ আল্লাহৰ প্ৰিয় হাবিব হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত পঠিয়াইছিল।

## আবিছিনিয়াৰ বাদশ্বাহ নাজ্জাশীৰ নামত পত্ৰ

হজৰত মহম্মদ (ছাঃ)য়ে যি তৃতীয়খন পত্ৰ হজৰত আমৰ বিন উমাইয়া (ৰাঃ)ৰ দ্বাৰা আবিছিনিয়াৰ ৰজাৰ নামত প্ৰেৰণ কৰিছিল, সেয়া তলত উল্লেখ কৰা হ'ল।

بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِيۡمِ ۔ مِنۡ مُّحَمَّدٍ رَسُولِ اللّٰهِ اِلَى النَّجَاشِىِّ مَلِكِ
الۡحَبۡشَةَ سَلِمَ اَنۡتَ اَمَّا بَعۡدُ فَاِنِّىۡ اَحۡمَدُ اِلَيۡكَ اللّٰهَ الَّذِىۡ لَااِلٰهَ اِلاَّ هُوَ الۡمَلِكُ
الۡقُدُّوۡسُ السَّلَامُ الۡمُؤۡمِنُ الۡمُهَيۡمِنُ ۔ وَاَشۡهَدُاَنَّ عِيۡسَى ابۡنَ مَرۡيَمَ رُوۡحُ اللّٰهِ وَ
كَلِمَتُهٗ اَلۡقَاهَا اِلٰى مَرۡيَمَ الۡبَتُوۡلَ وَاِنِّىۡ اَدۡعُوۡكَ اِلَى اللّٰهِ وَحۡدَهٗ لَاشَرِيۡكَ لَهٗ
وَالۡمَوَالَاةَ عَلٰى طَاعَتِهٖ وَاِنۡ تَتَّبِعَنِىۡ وَتُؤۡمِنَ بِالَّذِىۡ جَاۤءَنِىۡ فَاِنِّىۡ رَسُوۡلُ اللّٰهِ وَاِنِّىۡ
اَدۡعُوۡكَ وَ جُنُوۡدَكَ اِلَى اللّٰهِ عَزَّوَجَلَّ وَقَدۡ بَلَّغۡتُ وَ نَصَحۡتُ فَاقۡبِلُوۡا نَصِيۡحَتِىۡ
سَلَامٌ عَلٰى مَنِ اتَّبَعَ الۡهُدٰى

(জুৰকানী: ৩য় খণ্ড, পৃ: ৩৪২ আছছিৰাতুল হালবিয়া: ৩য় খণ্ড, পৃ: ২৭৩)

অৰ্থ ঃ পৰম কৰুণাময় আল্লাহৰ নামত আৰম্ভ কৰিছোঁ যি প্ৰাৰ্থনাত দানকাৰী আৰু বাৰে বাৰে ৰহমকাৰী। হজৰত মহম্মদ (ছাঃ)য়ে এই পত্ৰ আবিছিনিয়াৰ বাদশ্বাহ নাজ্জাশীৰ নামত প্ৰেৰণ কৰিছে। হে বাদশ্বহ ! আপোনাৰ ওপৰত আল্লাহৰ ৰহমত বৰ্ষিত হৈ আছে। (কাৰণ এইজনেই হ'ল সেই বাদশ্বাহ যিয়ে মুছলমান সকলক আশ্ৰয় দান কৰিছিল। সেই

বাবে তেখেত (ছাঃ)য়ে তেওঁক সংবাদ দিছিল যে, আপোনাৰ এই কাৰ্য্য খোদাৰ ওচৰত গ্ৰহণ যোগ্য বিবেচিত হৈছে আৰু আপুনিও খোদাৰ হেফাজতৰ মাজত আছে।) মই সেই মহান আল্লাহৰ প্ৰশংসা মহত্ব আৰু গুণগান বৰ্ণনা কৰিছোঁ যি অবিহনে আন কোনো উপাস্য নাই। যি এই বিশ্বত সকলো ৰজাৰ ৰজা, বাদশ্বাহৰ বাদশ্বাহ। যি সকলো গুণৰ আৰু পৱিত্ৰ কৰ্মৰ অক্ষয় ভাণ্ডাৰ। যি সকলো প্ৰকাৰ দোষ-ক্ৰুটিৰ পৰা মুক্ত আৰু সৰ্ব প্ৰকাৰ ক্ষতিৰ পৰা পৰিত্ৰাণকাৰী লগতে আন পাপ কৰ্মৰ সংশোধনৰ সহায়কাৰী যি নিজৰ বান্দা বা প্ৰজাক শান্তি আৰু নিৰাপত্তাৰ দানকাৰী আৰু নিজ সৃষ্টিক ৰক্ষাকাৰী বা প্ৰতিপালক। মই সাক্ষ্য দিও যে, হজৰত মৰিয়ম পুত্ৰ হজৰত ঈছা (আঃ) আল্লাহৰ প্ৰেৰিত দূত আৰু পৃথিৱীত আল্লাহৰ বাণীৰ প্ৰচাৰকাৰী আছিল। তেখেত (আঃ) আল্লাহৰ সেই সমূহ প্ৰতিশ্ৰুতি পূৰ্ণকাৰী যিবোৰ আল্লাহ তায়লা হজৰত মৰিয়ম (আঃ)ৰ সৈতে কৰিছিল। হজৰত মৰিয়ম (আঃ) প্ৰথমৰ পৰাই নিজৰ জীৱন আল্লাহৰ চৰণত (ওৱাক্‌ফ) উৎসৰ্গ কৰিছিল। কুমাৰী মৰিয়মৰ প্ৰতি আল্লাহৰ যি সংকল্প সাধনৰ দায়িত্ব আছিল, সেয়া পূৰ্ণ আৰু পালন কৰাৰ বাবেই হজৰত ঈছা (আঃ)ৰ আবিৰ্ভাৱ হৈছিল। মই আপোনাক আহ্বান জনাইছোঁ যে, আপুনি মোৰ সৈতে মিলিত হৈ এক আৰু অদ্বিতীয় আল্লাহৰ সৈতে সংযোগ ৰক্ষা কৰক আৰু তাৰ আজ্ঞা পালন লগতে আনুগত্যৰ সুদৃঢ় অঙ্গীকাৰ ৰক্ষা কৰাৰ বাবে সচেষ্ট হওঁক। আপোনাক মই এই আহ্বান জনাও যে, আপুনি মোৰ আনুগত্য স্বীকাৰ কৰক আৰু সেই খোদাৰ ওপৰত বিশ্বাস স্থাপন কৰক; যিয়ে মোক অৱতাৰ হিচাবে প্ৰকাশিত কৰিছে। কাৰণ, মই আল্লাহৰ প্ৰেৰিত ৰছুল। মই আপোনাক আৰু আপোনাৰ সৈনিক সকলকো আহ্বান জনাও যে, সৰ্বশক্তিমান খোদা তায়লাৰ মনোনীত ধৰ্মত চামিল হওঁক আৰু এই বিশ্বাস হৃদয়ত স্থাপন কৰক যে, মোক আল্লাহৰ পৰা এজন অৱতাৰ ৰূপে প্ৰেৰণ কৰা হৈছে। মই মোৰ দায়িত্ব পালন কৰিলোঁ। আল্লাহৰ সংবাদ আপোনাৰ ওচৰত সত্য প্ৰকাশ কৰিলোঁ। গতিকে পূৰ্ণ শ্ৰদ্ধা সহকাৰে মোৰ এই আন্তৰিকতাৰ মৰ্যদা ৰক্ষা কৰক। যি ব্যক্তি আল্লাহৰ আদেশ পালন কৰে, আৰু তাৰ নবীৰ আনুগত্য স্বীকাৰ কৰে; তাৰ ওপৰত শান্তি বৰ্ষণ কৰে।

যেতিয়া এই পত্ৰ আবিছিনিয়াৰ বাদশ্বাহ নাজ্জাশীৰ হাতত পৰে; তেতিয়া তেওঁ পত্ৰখন অতি শ্ৰদ্ধাৰে দৃষ্টি নিক্ষেপ কৰে আৰু সিংহাসনৰ পৰা উঠি তলত আহি থিয় হৈ কলে, এটি হাতীৰ দাঁতৰ বাকচ অনা হওঁক। বাদশ্বাহৰ আদেশ অনুসৰি এটি হাতীৰ দাঁতৰ বাকচ অনা হ'ল। তেওঁ তেতিয়া পত্ৰখন যত্ন সহকাৰে সেই বাকচৰ ভিতৰত ৰাখিলে আৰু কলে, যিমান দিন লৈকে এই পত্ৰখন বাকচত সুৰক্ষিত থাকিব; সিমান দিনলৈকে আবিছিনিয়াৰ ৰাজত্বও সু-ৰক্ষিত অৱস্থাত থাকিব। বাস্তৱত আবিছিনিয়াৰ

বাদশ্বাহ নাজ্জাশীৰ এই কথা সত্য প্ৰমাণিত হৈছিল। আমি জানো যে, এক হাজাৰ বছৰ পৰ্য্যন্ত ইছলাম সমগ্ৰ পৃথিৱীত সমুদ্ৰৰ তৰংগৰ ন্যায় বিস্তাৰ লাভ কৰিছিল। আবিছিনিয়াৰ সোঁৱে বাওঁৱে ইছলামী সেনাবাহিনী হিচৰিত হৈ পৰিছিল। কিন্তু যি উপকাৰ প্ৰাথমিক যুগত আবিছিনিয়াৰ বাদশ্বাহ ইছলামী মুহাজিৰ অৰ্থাৎ শৰনাৰ্থী মুছলমান সকলৰ প্ৰতি কৰিছিল, সেই উপকাৰৰ বাবে আৰু হজৰত মহম্মদ (ছাঃ)ৰ পত্ৰৰ প্ৰতি যি সন্মান নাজ্জাশীয়ে প্ৰদৰ্শন কৰিছিল তাৰ বাবেও, ইছলামী সৈন্য বাহিনীয়ে আবিছিনিয়াৰ ওপৰত দৃষ্টি নিক্ষেপ কৰিও তাক নিয়ন্ত্ৰণত আনিছিল। কোনো দিন আবিছিনিয়াৰ প্ৰতি বেয়া দৃষ্টিৰে চোৱা নাছিল। কাৰণ, আবিছিনিয়াৰ বাদশ্বাহ সংকটৰ সময়ত নিপীড়িত, নিৰ্যাতিত আৰু অত্যাচাৰিত শৰণাৰ্থী মুছলমান সকলক আশ্ৰয় দান কৰিছিল। সেই মুছলমান সকল বিধৰ্মী সকলৰ অত্যাচাৰত নিজ মাতৃভূমি পৰিত্যাগ কৰি আবিছিনিয়াত গৈ শৰণাৰ্থী হৈছিল। ৰোমান সম্ৰাট কাইছাৰৰ সাম্ৰাজ্য খণ্ড বিখণ্ড হৈছিল। ইৰাণ শ্বাহ অৰ্থাৎ পাৰস্য সম্ৰাট খচৰু আৰু তেওঁৰ পুত্ৰ কিছ্ৰাৰ সাম্ৰাজ্য বিলুপ্ত হৈ গৈছিল। চীন আৰু হিন্দুস্থান (ভাৰতবৰ্ষ)ৰ বহু ৰাজ্য ওলট-পালট হৈছিল। কিন্তু তেতিয়া আবিছিনিয়াৰ দৰে এটি ক্ষুদ্ৰ ৰাজ্য অক্ষত আৰু সুৰক্ষিত আছিল। এই সুৰক্ষিত থকাৰ এক মাত্ৰ কাৰণ আছিল যে, নাজ্জাশীয়ে প্ৰথমে হজৰত মহম্মদ (ছাঃ)ৰ চাহাবী সকলৰ প্ৰতি সদ্ব্যৱহাৰ কৰিছিল, দ্বিতীয়তে তেখেত (ছাঃ)ৰ পত্ৰৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰিছিল।

এয়া আছিল সেই প্ৰতিদান যি মুছলমান সকলে উপকাৰৰ বিনিময়ত আবিছিনিয়াৰ অধিবাসী সকলক দিছিল। কিন্তু খৃষ্টান জাতি সমূহৰ যি সকলে, এক গালত থাপ্পৰ খালে আন গাল পাতি দিয়াৰ নীতি প্ৰচাৰ কৰে; সিহঁতে সিহঁতৰ স্বধৰ্মী সেই আবিছিনিয়াৰ বাদশ্বাহ আৰু তেওঁ জাতিৰ প্ৰতি সেই সময়ত যি ব্যৱহাৰ কৰিছিল; সেয়া পৃথিৱীবাসীৰ অজনা নাই। ইও পৃথিৱী বাসীৰ অজ্ঞাত নাই যে, কেনেকৈ আবিছিনিয়াৰ চহৰ সমূহক খৃষ্টান সকলে বোমা বৰ্ষণ কৰি উৰুৱাইছিল। স্বয়ং বাদশ্বাহ, সম্ৰাজ্ঞী আৰু সিহঁতৰ সন্তান-সন্ততিয়ে নিজ দেশ অৰ্থাৎ মাতৃভূমি ত্যাগ কৰি আন দেশৰ আশ্ৰয়ত বছৰৰ পৰ বছৰ ধৰি থকিবলৈ বাধ্য কৰিছিল। আবিছিনিয়াৰ প্ৰতি প্ৰদৰ্শন কৰা এই ধৰণৰ আচৰণৰ পৰা এজন মুছলমান আৰু এজন খৃষ্টানৰ মাজৰ পাৰ্থক্য স্পষ্ট নহয় নে; যি কেৱল হজৰত মহম্মদ (ছাঃ)ৰ পৰা লাভ কৰা সম্ভৱ আৰু আজিলৈকে ধৰ্মৰ পৰা ধৰ্মচ্যুত হোৱা স্বত্বেও মুছলমান সকলৰ ধ্যান-ধাৰণাক আকৃষ্ট কৰি আছে পুণ্যৰ প্ৰতি আৰু কল্যাণৰ প্ৰতি।

ইছলামৰ প্ৰৱৰ্তক হজৰত মহম্মদ (ছাঃ)ৰ শিক্ষা সৰ্বোৎকৃষ্ট আৰু সকলোৰে বাবে অনুকৰণীয়।এজন খৃষ্টান সম্ৰাটৰ উপকাৰৰ বিনিময়ত মুছলমান সকলে তেওঁৰ ৰাজ্যৰ

সকলোকে সন্মান প্ৰদৰ্শন কৰিছে।আনহাতে খৃষ্টান সকলে নাজ্জাশীৰ শাসিত খৃষ্টান ৰাজ্য আক্ৰমণ কৰিবলৈ কুণ্ঠাবোধ কৰা নাই তেওঁলোকে লালসাৰ বশতেই আক্ৰমণ কৰিছিল।পৰিণামত সৰ্বাত্মাক ধ্বংস। সম্ৰাট নাজ্জাশিৰ পৰিণাম ভৱিষ্যতৰ অন্ধকাৰ গহ্বৰত আছিল।বৰ্তমান সেয়া পূৰ্ণিমাৰ উজ্জ্বল জোনৰ সদৃশ ৰজনিক উদ্ভাসিত কৰি তুলিলে। আল্লাহ্ সৰ্বশক্তিমান,আল্লাহৰ অভিপ্ৰায় বোধ শক্তিৰ উৰ্দ্ধত। তাতেই আত্মসমৰ্পন হওঁক আমাৰ সাধনা আৰু অৰ্চনা।

## মিছৰৰ শাসনকৰ্তা মুকাউকিচৰ নামত পত্ৰ

হজৰত মহম্মদ (ছাঃ)য়ে চতুৰ্থ পত্ৰ প্ৰেৰণ কৰিছিল মিছৰৰ ৰজা মুকাউকিচৰ নামত।এই আবী বালতাৰ পুত্ৰ হজৰত হাতিব (ৰাঃ)ৰ দ্বাৰা প্ৰেৰণ কৰা হৈছিল।এই পত্ৰৰ বিষয় বস্তু ৰুমৰ বাদশ্বাহৰ পত্ৰৰ অনুৰূপ আছিল।পাৰ্থক্য মাত্ৰ এয়ে আছিল যে,সেই পত্ৰত ৰুমৰ বাদশ্বাহক কোৱা হৈছিল যে,যদি আপুনি এই ধৰ্ম (ইছলাম) গ্ৰহণ নকৰে; তেন্তে ৰুম সাম্ৰাজ্যৰ প্ৰজা সকলৰ পাপৰ বোজা আপোনাৰ ওপৰত ন্যস্ত হ’ব।কিন্তু ইজিপ্তৰ ৰজাৰ নামত লিখা পত্ৰত লিখা আছিল যে,ৰোমান সকলৰ পাপৰ বোজা আপোনাৰ ওপৰত ন্যস্ত হ’ব।উক্ত পত্ৰখন নিম্নৰূপ আছিল।

بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ - مِنْ مُّحَمَّدٍ رَسُوْلِ اللّٰهِ اِلَى الْمَقَوْقَسِ عَظِيْمِ
الْقِبْطِ سَلَامٌ عَلٰى مَنِ اتَّبَعَ الْهُدٰى - اَمَّا بَعْدُ فَاِنِّيْ اَدْعُوْكَ بِدِعَايَةِ الْاِسْلَامِ
اَسْلِمْ تَسْلَمْ يُؤْتِكَ اللّٰهُ اَجْرَكَ مَرَّتَيْنِ فَاِنْ تَوَلَّيْتَ فَاِنَّمَا عَلَيْكَ اِثْمُ الْقِبْطِ -
وَيَاۤاَهْلَ الْكِتٰبِ تَعَالَوْا اِلٰى كَلِمَةٍ سَوَآءٍ بَيْنَنَا وَ بَيْنَكُمْ اَنْ لَّا نَعْبُدَ اِلاَّ اللّٰهَ وَلَا
نُشْرِكَ بِهٖ شَيْئًا وَلَايَتَّخِذَ بَعْضُنَا بَعْضًا اَرْبَابًا مِّنْ دُوْنِ اللّٰهِ فَاِنْ تَوَلَّوْا فَقُوْلُوا
اشْهَدُوْا بِاَنَّا مُسْلِمُوْنَ

অৰ্থা ঃপৰম কৰুণাময় পৰম দানশীল আল্লাহৰ নামত আৰম্ভ কৰিছোঁ।আল্লাহৰ ৰছুল মহম্মদক কিবতেৰ ৰজা কৰ্তৃক ইজিপ্তৰ ৰজা মুকাউকিচৰৰ উদ্দেশ্যত লিখা হ’ল।সেই ব্যক্তিৰ ওপৰত আল্লাহৰ কল্যাণ বৰ্ষিত হয়; যিজন আল্লাহৰ নিৰ্দিষ্ট পথ অনুসৰণ কৰে।হে মহাৰাজ! মই আপোনাক ইছলাম ধৰ্ম গ্ৰহণৰ আমন্ত্ৰণ কৰিছোঁ।ইছলাম ধৰ্ম গ্ৰহণ কৰক যাতে আপুনি নিৰাপদ আৰু সুখী থাকিব পাৰে।ইয়াৰ পুৰস্কাৰ দুই গুণ। যদি আপুনি স্বীকাৰ নকৰে তেন্তে ৰুমান প্ৰজাসকলৰ পাপৰ বোজা আপোনাৰ ওপৰত ন্যস্ত হ’ব।

ইয়াৰ পাছত তেখেত (ছাঃ)য়ে পৱিত্ৰ কোৰাণৰ এটি আয়াত লিখে, যাৰ মূলভাৱ এই যে,হে আল্লাহৰ আত্মীয় বৰ্গ! যি সকলক ধৰ্মগ্ৰন্থ প্ৰদত্ত হৈছে, আহা আমি এই কথাত একমত হওঁ,যি তোমালোক আৰু মোৰ মাজত সমতুল্য আৰু সেয়া হ'ল, আমি এক আল্লাহৰ বাহিৰে আন কাৰো উপাসনা নকৰো বা আন কাকো আল্লাহৰ অংশীদাৰ নকৰো আৰু আল্লাহৰ বাহিৰে আনক এইৰূপ মান্য নকৰো যেন আল্লাহৰ পূৰ্ণ গুণাৱলী আনৰ মাজতো বিদ্যমান।কিন্তু যদি আপুনি এয়া মানিবলৈ ঘৃণাবোধ কৰে।তেনেহলে আল্লাহ কয় হে মহম্মদ! তেওঁক কৈ দিয়া, সি যেন সাক্ষী থাকে যে,তুমি একমাত্ৰ আল্লাহৰ আদেশ পালনকাৰী।(ছিৰাত হালবিয়া জুৰ্কানি)।

হজৰত হাতেব (ৰাঃ) যেতিয়া ইজিপ্তত উপস্থিত হৈছিল,তেতিয়া মিছৰৰ শাসনকৰ্তা মুকাউকিচ ৰাজধানীত নাছিল।তেওঁ সেই সময়ত আলেকজেন্দ্ৰিয়াত গৈছিল। হাতেব (ৰাঃ)ও আলেকজেন্দ্ৰিয়ালৈ গ'ল।ৰাজা মুকাউকিচে তাত সমুদ্ৰৰ ওপৰত জাহাজত এখন সভাৰ আয়োজন কৰিছিল। হজৰত হাতেব (ৰাঃ)য়ে এখন নাওৱেৰে সেই জাহাজৰ ওচৰ পাইছিল।কিন্তু যিহেতু তাত ওচৰে-পাজৰে তীক্ষ্ণ পহৰাৰ ব্যৱস্থা আছিল,সেই কাৰণে হজৰত হাতেব(ৰাঃ)দূৰৰ পৰাই উক্ত পত্ৰখন ৰজাক দেখুৱালে আৰু উচ্চ কণ্ঠেৰে সম্বোধন কৰিব ধৰিলে।শব্দ শুনি ৰজাই আদেশ দিলে যে, হজৰত হাতেব(ৰাঃ)ক সভালৈ অনা হওঁক। ৰজা মুকাউকিচৰ অনুমতি অনুসৰি হজৰত হাতেব (ৰাঃ)ক সভা স্থলিত হাজিৰ কৰা হ'ল। সভাস্থলিত উপস্থিত হৈ হজৰত হাতেব (ৰাঃ)য়ে পত্ৰখন ৰজাৰ হাতত দিলে। মুকাউকিচে পত্ৰ পঢ়ি হজৰত হাতেব (ৰাঃ)ক কলে, এই ব্যক্তি যদি সত্য নবী হয় তেন্তে সি নিজৰ শত্ৰুসকলক কিয় অভিশাপ দিয়া নাই,যাতে সিহঁতৰ সৰ্বনাশ হয় ? কথা শুনি হজৰত হাতিব (ৰাঃ)য়ে কলে,আপুনি তো নিশ্চয় হজৰত ঈছা মছীহ (আঃ) ৰ ওপৰত বিশ্বাস ৰাখে, কিন্তু এয়া কেনেকুৱা কথা আপুনি কৈছে ? হজৰত ঈছা ইবনে মৰিয়ম (আঃ)ক তেওঁৰ জাতিয়ে বিনা কাৰণত অসহনীয় কষ্ট দিছিল তথাপিতো হজৰত ঈছা (আঃ)য়ে সিহঁতক ধ্বংস হোৱাৰ বাবে অভিযোগ দিয়া নাছিল।এই কথা শুনি ৰজাই আকৌ কলে,নি:সন্দেহ তুমি এজন মহান পুৰুষৰ এজন জ্ঞানী দূত।তুমি অতি সন্তোষজনক উত্তৰ দিছা। তেতিয়া হজৰত হাতিব (ৰাঃ)য়ে কলে,হে মহাৰাজা! আপোনাৰ পূৰ্বে এজন বাদশ্বাহ আছিল,তেওঁ অতি অভিমানী,নিৰ্দয় আৰু অত্যাচাৰী আছিল। তেওঁ কৈছিল, মই আল্লাহ।অৰ্থাৎ সেইজনৰ নাম ফিৰাউন আছিল। তেওঁ হজৰত মুছা (আঃ)ক অত্যাধিক কষ্ট দিছিল। অৱশেষত আল্লাহ তায়লা তেওঁৰ ওপৰত শাস্তি অৱতীৰ্ণ কৰি ধ্বংস কৰিছিল। গতিকে হে মহাৰাজ! আপুনি অভিমান নকৰি মহান আল্লাহৰ ৰছুলৰ ওপৰত ঈমান আনাক। মই আল্লাহৰ শপত খাই কৈছো যে, হজৰত মুছা (আঃ)সম্পৰ্কে ইমান স্পষ্ট

ভৱিষ্যতবাণী কৰা নাছিল;যিমান হজৰত ঈছা(আঃ)য়ে হজৰত মহম্মদ (ছাঃ)ৰ সম্পৰ্কে স্পষ্ট ভৱিষ্যতবাণী কৰিছিল। সেইদৰে মই আপোনক হজৰত মহম্মদ (ছাঃ)ৰ ইছলাম ধৰ্মক স্বীকাৰ কৰাৰ বাবে আমন্ত্ৰণ জনাইছোঁ যেনেকৈ আপোনালোকে ইহুদী সকলক হজৰত ঈছা (আঃ)ক স্বীকাৰ কৰাৰ আমন্ত্ৰণ জনায়।প্ৰত্যেক পয়গম্বৰ বা নবীৰেই উম্মত বা অনুসাৰী থাকে।সেই উম্মতৰ মৌলিক কৰ্তব্য হ’ল,সিহঁতৰ নবীৰ আনুগত্য স্বীকাৰ কৰা।গতিকে আপোনালোকে যিহেতু এই মহান নবীৰ যুগক পাইছে,সেই বাবে আপোনালোকৰ প্ৰথম আৰু প্ৰধান কৰ্তব্য হ’ল,তেখেত (ছাঃ)ক স্বীকাৰ কৰা আৰু সকলো আদেশ পালন কৰা।উল্লেখযোগ্য যে,আমাৰ এই ধৰ্মত হজৰত ঈছা (আঃ)ক মানিবলৈ অস্বীকৃত নজনায়।বৰঞ্চ আমি আনকো শিক্ষা দিওঁ যে,হজৰত ঈছা (আঃ)ক মান্য কৰা আৰু তেখেত (আঃ)ৰ ওপৰত ঈমান স্থাপন কৰা।এইবোৰ শুনাৰ পিছত ৰজা মুকাউকিচে কলে,মই সেই নবীৰ সংবাদ পাইছোঁ।মই অনুভৱ কৰিব পাৰিছোঁ যে, তেখেত (ছাঃ)য়ে কোনো অসৎকৰ্মৰ আদেশ দিব নোৱাৰে আৰু কোনো সৎ কৰ্মত বাধাও দিব নিদিয়ে।আনকি মই এই কথাও বিশ্বাস কৰো যে,এই মান ব্যক্তিজন কোনো যাদুকৰ অথবা কোনো জ্যোতিষি নহয়।মই তেখেত (ছাঃ)ৰ বহু ভৱিষ্যতবাণী শ্ৰৱণ কৰিছোঁ যি আখৰে আখৰে পূৰ্ণ লাভ কৰিছে।

ইয়াৰ পিছত মুকাউকিচে এখন হাতীৰ দাঁতৰ বাকচ আনি সেই বাকচত হজৰত মহম্মদ (ছাঃ)ৰ প্ৰেৰিত পত্ৰ মোহৰ মাৰি এজনী দাসীৰ হাতত দি তাক সুৰক্ষিত ৰাখিবলৈ আদেশ দিলে।এই পত্ৰৰ উত্তৰত মুকাউকিচে হজৰত মহম্মদ (ছাঃ)লৈ এখন পত্ৰ লিখিছিল,সেই পত্ৰ নিম্ন ৰূপ আছিল।

### বিছমিল্লাহিৰ ৰহমানিৰ ৰাহিম

এই পত্ৰ মহম্মদ বিন আব্দুল্লাহ অৰ্থাৎ আব্দুল্লাহৰ পুত্ৰ হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত ৰোমান সাম্ৰাজ্যৰ ৰজা মুকাউকিচে লিখিছে যে, তেখেত (ছাঃ)ৰ ওপৰত শান্তি বৰ্ষিত হওঁক। ইয়াৰ পিছত মই ক’ব বিচাৰো যে, ধন্যবাদ।বিনীত নিবেদন এই যে,মই আপোনাৰ প্ৰেৰিত পত্ৰখন পাঠ কৰিলোঁ।পত্ৰত আপুনি যিবোৰ কথা উল্লেখ কৰিছে আৰু যিবোৰ বিষয়ৰ প্ৰতি আহ্বান জনাইছে,সেইবোৰৰ ওপৰত মই সূক্ষ্ম চিন্তা আৰু বিচাৰ কৰিছোঁ।মই বুজিব পাৰিছোঁ যে,প্ৰাচীন ইহুদীসকলৰ অৱতাৰৰ ভৱিষ্যবাণী অনুসৰি এজন নবীৰ আগমণৰ সময় আসন্ন।কিন্তু মোৰ এই ধাৰণা আছিল যে,সেই নবীৰ আগমণ ছিৰিয়া দেশত হ’ব।মই আপোনাৰ প্ৰেৰিত দূত জনক নিজৰ ওচৰতে সযত্নে ৰাখিছোঁ। মই তেওঁক এক সহস্ৰ মুদ্ৰা আৰু পাঁচ জোৰ মূল্যবান বস্ত্ৰ(জাৰকীয় পোছাক) উপহাৰ স্বৰূপ প্ৰদান কৰিছোঁ আৰু লগতে দুজনী মিচৰীয়া যুৱতীক আপোনাৰ চৰণত উপহাৰ দিছোঁ।কিবতী জাতি অৰ্থাৎ

মোৰ ৰোমান প্ৰজা সকলৰ ওচৰত এই যুৱতী দুগৰাকী অতি সন্মানিত।ইহঁতৰ এজনীৰ নাম মাৰিয়া আৰু আনজনীৰ নাম ছিৰীন।তদুপৰি মিছৰৰ তৈয়াৰী বিশ যোৰা উন্নত পোছাক আৰু এটি দুৰ্লভ প্ৰজাতিৰ খচ্চৰ আৰোহণৰ বাবে প্ৰেৰণ কৰিছোঁ।অৱশেষত মই পৰম কৰুণাময় আল্লাহৰ ওচৰত কাতৰ প্ৰাৰ্থনা জনাও যে,আপোনাৰ ওপৰত আল্লাহৰ শান্তি বৰ্ষিত হওঁক। (জুৰকানী ,৩য় খণ্ড,পৃঃ ৩৪৯-৩৫০; ৩য় খণ্ড পৃঃ ১৫৫৯)
উক্ত পত্ৰৰ পৰা বুজা যায় যে,ৰজা মুকাউকিচে যদিও হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত লিখিত ভাৱে সন্মান আৰু শিষ্টাচাৰ প্ৰদৰ্শন কৰিছিল,তথাপি তেওঁ ইছলাম ধৰ্ম গ্ৰহণ কৰা নাছিল।

## বাহ্‌ৰাইনৰ আমিৰৰ নামত পত্ৰ

হজৰত মহম্মদ (ছাঃ)য়ে পঞ্চম পত্ৰ বাহ্‌ৰাইনৰ আমিৰ মুনজিৰ তাইমীৰ নামত প্ৰেৰণ কৰে।এই পত্ৰ হজৰত আলা ইবনে হাজৰামী (ৰাঃ)অৰ্থাৎ হাজৰামীৰ পুত্ৰ হজৰত আলা (ৰাঃ)ৰ দ্বাৰা প্ৰেৰণ কৰিছিল।বৰ্তমান মূল পত্ৰ দুষ্প্ৰাপ্য অৰ্থাৎ এই পত্ৰৰ বিষয় বস্তু বৰ্তমান সংৰক্ষিত নাই।এই পত্ৰ বাহ্‌ৰাইনৰ আমিৰ মুনজিৰ চাহাবে পোৱাৰ লগে লগে ইছলাম ধৰ্ম গ্ৰহণ কৰে।তেওঁ হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত পত্ৰ লিখে যে,মই আৰু মোৰ বহু মিত্ৰ আপোনাৰ ওপৰত বিশ্বাস (ঈমান) আনিছো অৰ্থাৎ ইছলাম ধৰ্ম গ্ৰহণ কৰিছোঁ। কিন্তু এনে বহুতো লোক আছে,যিসকলে এতিয়াও ইছলাম ধৰ্ম গ্ৰহণ কৰা নাই।তেওঁ আৰু লিখে যে, মোৰ ৰাজ্যত কিছু সংখ্যক ইহুদী লোক আৰু কিছু সংখ্যক পাৰস্য দেশীয় পণ্ডিতবিলাক আছে।আপুনি আদেশ কৰক মই সিহঁতৰ সৈতে কেনে আচৰণ কৰিম ?

হজৰত মহম্মদ (ছাঃ)য়ে উক্ত পত্ৰ পাই নিম্নক্ত উত্তৰ লিখি বাহ্‌ৰাইনৰ আমিৰ মুনজিৰ চাহাবলৈ প্ৰেৰণ কৰে।মই বৰকৈ আনন্দিত যে,আপোনালোকে মোৰ পত্ৰ পাইয়ে ইছলাম ধৰ্ম গ্ৰহণ কৰিছে।এতিয়া মোৰ পৰা যিসকল দূত (প্ৰতিনিধি) আপোনাৰ ওচৰলৈ যাব আপুনি সিহঁতৰ নিৰ্দেশ মানি চলিব।কাৰণ যিয়ে সিহঁতৰ (আজ্ঞা) নিৰ্দেশ মানি চলিব, সি মোৰেই নিৰ্দেশ মানি চলিব।মোৰ যিজন দূত আপোনাৰ ওচৰত গৈছিল,সি মোৰ ওচৰত আপোনাৰ বৰ প্ৰশংসা কৰিছে আৰু মোক কৈছে যে,আপুনি শুদ্ধ হৃদয়ত ইছলাম ধৰ্ম গ্ৰহণ কৰিছে। মই মহান আল্লাহৰ ওচৰত আপোনাৰ আৰু আপোনাৰ জাতিৰ বাবে প্ৰাৰ্থনা কৰিছোঁ। গতিকে আপুনি নতুন মুছলামন সকলৰ মাজত ইছলামী শিক্ষা প্ৰচলন কৰাৰ বাবে প্ৰচেষ্টা কৰক।তেওঁলোকৰ সমূহ ধন-সম্পদৰ সুৰক্ষা

দিয়ক।কোনো ব্যক্তিক চাৰিজনতকৈ অধিক স্ত্ৰী গ্ৰহণ কৰাৰ অনুমতি যেন দিয়া নহয়। এয়াই ইছলামৰ বিধান বুলি জানিব। মুছলমান হোৱাৰ পূৰ্বে তেওঁলোকে যিবোৰ পাপ কৰিছিল,সেইবোৰ ক্ষমা কৰা হ'ব।যিমান দিন আপুনি পুণ্য কৰ্মৰ ওপৰত প্ৰতিষ্ঠিত থাকিব সিমান দিনলৈকে আপোনাক শাসন ক্ষমতাৰ পৰা অপসাৰিত কৰা নহ'ব আৰু আপোনাৰ ৰাজ্য বিপদমুক্ত থাকিব।

যি সকল ইহুদী আৰু পাৰস্য পণ্ডিত আপোনাৰ অধীনস্থ, তেওঁলোকৰ পৰা প্ৰাপ্যৰ অতিৰিক্ত কৰ যেন গ্ৰহণ কৰা নহয়।আপোনাৰ প্ৰজা সকলৰ মাজত যাৰ জীৱিকা নিৰ্বাহ কৰাৰ ক্ষমতা নাই,তেওঁলোকৰ প্ৰত্যেককে চাৰি দিৰহাম আৰু কিছু বস্ত্ৰ দি থাকিব। (জুৰকানী ৩য় খণ্ড ৩৫০ আৰু ছিৰাতুল হালবীয়া ৩য় খণ্ড, পৃঃ ২৭৮)

ইয়াৰ বাহিৰেও হজৰত মহম্মদ (ছাঃ)য়ে যি সকলৰ ওচৰলৈ পত্ৰ প্ৰেৰণ কৰিছিল; সিহঁতৰ মাজত ওমানৰ ৰজা ইয়ামামাৰ আমীৰ ঘাছানৰ ৰজা ইয়ামেনৰ এটি গোত্ৰ বনু নাহদৰ নেতা ইয়ামেনৰ আন গোত্ৰ হামাদানৰ নেতা,বনু আলীমৰ নেতা,আৰু হাদ্ৰামী গোত্ৰৰ নেতা আছিল।

উল্লেখিত পত্ৰ সমূহৰ পৰা স্পষ্ট পতিয়মান হয় যে, বিশ্ব নবী হজৰত মহম্মদ (ছাঃ)ৰ বিশ্ব ব্ৰহ্মাণ্ডৰ সৃষ্টিকৰ্তা পৰম কৰুণাময় আল্লাহৰ প্ৰতি কিমান পূৰ্ণ বিশ্বাস আছিল।তেখেত (ছাঃ)ৰ বিশ্বাস কিমান সুদৃঢ় আৰু গভীৰ আস্থাৰ আছিল।প্ৰথমৰ পৰাই তেখেত (ছাঃ)ৰ এই বিশ্বাস আছিল যে, তেখেত (ছাঃ)য়ে কোনো বিশেষ জাতি অথবা কোনো বিশেষ দেশৰ বাবে অৱতাৰ হৈ অহা নাই। প্ৰকৃততে তেখেত (ছাঃ)ক বিশ্বৰ সকলো জাতিৰ কাৰণে অৱতাৰ কৰি প্ৰেৰণ কৰা হৈছে। ইয়াত কোনো সন্দেহ নাই যে,তেখেত (ছাঃ)য়ে যি সকল ৰজা বাদশ্বাহ আৰু নেতা বৃন্দলৈ পত্ৰ লিখিছিল তাৰ অধিকাংশই ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল। বহুতে আকৌ ভক্তি আৰু শ্ৰদ্ধা সহকাৰে তেখেত (ছাঃ)ৰ প্ৰেৰিত পত্ৰ গ্ৰহণ কৰিছিল সঁচা কিন্তু ইছলাম গ্ৰহণ কৰা নাছিল।কোনোবাই আকৌ তেখেত (ছাঃ)ৰ পত্ৰক সাধাৰণ শিষ্টাচাৰ প্ৰদৰ্শন কৰিছিল।কিন্তু এনে কিছু লোকও আছিল,যি সকলে নিজৰ আত্ম অহঙ্কাৰ প্ৰকাশ কৰিছিল।অথচ নি:সন্দেহ বিশ্ব ইতিহাসে সাক্ষ্য দান কৰে যে,সেই সকল ৰজা,বাদশ্বাহ আমীৰ আৰু নেতৃবৃন্দৰ প্ৰত্যেকৰ সৈতে এনে ব্যৱহাৰ কৰা হৈছিল,যেনেকুৱা ব্যৱহাৰ সিহঁতৰ প্ৰত্যেকেই হজৰত ৰছুল কৰিম (ছাঃ)ৰ পত্ৰৰ সৈতে কৰিছিল।

## খায়বাৰৰ পতন

ইতিপূৰ্বে বৰ্ণনা কৰা হৈছে যে, ইহুদী আৰু আৰবৰ কাফেৰ সকলে মুছলমান সকলৰ

বিৰুদ্ধে ওচৰ-পাজৰৰ গোত্ৰ সমূহক উত্তেজিত কৰি তুলিছিল।কাৰণ তেওঁলোকে অনুমান কৰিছিল যে, আৰব বাসীৰ এনে কোনো শক্তি নাই যে,তেওঁলোকে মুছলমান সকলক ধ্বংস কৰিব পাৰে অথবা মদিনাৰ ওপৰত আক্ৰমণ চলাব পাৰে। তদুপৰি ইহুদী সকলে ৰোম সাম্ৰাজ্যৰ দক্ষিণ সীমান্তত বসবাসকাৰী আৰব গোত্ৰ সমূহক খৃষ্ট ধৰ্ম বিশ্বাসী লোক সকলক মুছলমান সকলৰ বিৰুদ্ধে উত্তেজিত কৰিবলৈ উচটনি দিছিল। আনহাতে তেওঁলোকে ইৰাকৰ বাসিন্দা স্বধৰ্মী সকললৈ হজৰত মহম্মদ (ছাঃ)ৰ বিৰুদ্ধে চিঠি পত্ৰ লিখা আৰম্ভ কৰিছিল। উদ্দেশ্য আছিল,তেওঁলোকেও যেন পাৰস্যৰ (ইৰাণৰ)ৰজা খচৰুক মুছলমান সকলৰ বিৰুদ্ধে উত্তেজিত কৰি তুলে। ওপৰত এই কথাও উল্লেখ কৰা হৈছে যে,সেই সমূহ চক্ৰান্ত্ৰৰ ফলত খচৰু মুছলমান সকলৰ বিৰুদ্ধে বৰকৈ উত্তেজিত হৈ উঠিছিল।যাৰ বাবে খচৰুৱে হজৰত মহম্মদ (ছাঃ)ক গ্ৰেপ্তাৰ কৰাৰ কাৰণে ইয়ামিনৰ শাসন কৰ্তাক নিৰ্দেশ দিছিল।কিন্তু আল্লাহ পাক নিজৰ বিশেষ কৃপাত হজৰত মহম্মদ (ছাঃ)ক সুৰক্ষিত ৰাখে আৰু ইৰাণৰ সম্ৰাট খচৰু আৰু ইহুদী সকলৰ সমূহ প্ৰচেষ্টা আৰু ষড়যন্ত্ৰ ব্যৰ্থ কৰি দিয়ে।ইয়াৰ দ্বাৰা স্পষ্ট বুজা যায় যে,যদি খোদা তায়লাৰ বিশেষ কৃপা নাথাকিলেহেঁতেন,তেন্তে হজৰত মহম্মদ (ছাঃ)এনে কোনো পাৰ্থিৱ শক্তি নাছিল,যাৰ জৰিয়তে তেখেত (ছাঃ) ৰোম আৰু ইৰাণৰ শাসক বৃন্দৰ গঠিত সৈন্যৰ সৈতে যুদ্ধত লিপ্ত হ'ব পাৰিলেহেঁতেন। হজৰত মহম্মদ (ছাঃ)ৰ সৈতে এক মাত্ৰ আল্লাহ পাকেই আছিল,যিয়ে ইৰাণৰ সম্ৰাট খচৰুক হত্যা কৰিছিল আৰু তেওঁৰ পুত্ৰৰ দ্বাৰা এই নিষেধাজ্ঞা জাৰি কৰা হৈছিল যে,হজৰত মহম্মদ (ছাঃ)ৰ বিষয়ত যেন কোনো প্ৰকাৰ অনিষ্টিক ব্যৱস্থা গ্ৰহণ কৰা নহয়। এই অলৌকিক নিদৰ্শন প্ৰত্যক্ষ কৰিয়েই ইয়ামিনৰ শাসনকৰ্তা আৰু অন্যান্য কৰ্মকৰ্তা সকলেও ইছলাম গ্ৰহণ কৰিছিল।ইয়াৰ ফলত কোনো যুদ্ধ-বিগ্ৰহ নোহোৱাকৈ ইয়ামিন স্ব-ইচ্ছাই মুছলিম সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত হয়।এই বিলাক ক্ষেত্ৰত ইহুদী সকলে চক্ৰান্তৰ দ্বাৰা যি পৰিস্থিতিৰ সৃষ্টি কৰিছিল,তাৰ বাবে সিহঁতক মদিনাৰ পৰা বহিস্কাৰ কৰি দূৰৱৰ্তী কোনো স্থানলৈ স্থানান্তৰ কৰা অত্যাৱশ্যক হৈ পৰিছিল।কাৰণ যদি ইহুদী সকলে মদিনাৰ ওচৰা-ওচৰি থাকিলেহেঁতেন তেনেহলে নিশ্চয় পূৰ্বতকৈ অধিক ৰক্তপাত,সন্ত্ৰাস,আতংক,ষড়যন্ত্ৰ মুঠ কথা অশান্তি আৰম্ভ হ'লহেঁতেন। সেই কাৰণে হজৰত মহম্মদ (ছাঃ)য়ে হুদাইবিয়াৰ সন্ধিৰ পৰা উভতি অহাৰ প্ৰায় পাঁচ মাহ পাছত এই সিদ্ধান্ত গ্ৰহণ কৰিলে যে, ইহুদী সকলক খায়বাৰৰ পৰা বহিস্কাৰ কৰি দিয়া হ'ব।কাৰণ খায়বাৰ নামৰ স্থানটি মদিনাৰ পৰা কিছু নিলগত আছিল বাবেই তাৰ পৰা ইহুদী সকলে অতি সহজে মদিনাৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰিব পাৰিছিল।গতিকে হজৰত মহম্মদ (ছাঃ)য়ে ৬২৮ খৃষ্টাব্দত আগষ্ট মাহত ১৬০০(যোল্ল শ) চাহাবী সহ খায়বাৰৰ অভিমুখে যাত্ৰা কৰিলে। খায়বাৰ এটি দুৰ্গৰ দ্বাৰ পৰিবেষ্টিত চহৰ আছিল যাৰ চাৰিওফালে টিলাৰ উপৰত দুৰ্গ নিৰ্মাণ কৰা হৈছিল।এনে সুৰক্ষিত চহৰ অধিকাৰ কৰা অলপ

সংখ্যক চিপাহী লৈ দখল কৰা সহজ কাম নাছিল।গতিকে চহৰ খনৰ চৌপাশৰ সৰু সৰু সৈন্য ঘাটি সমূহ অধিকাৰ কৰাৰ পাছত চহৰখনৰ কেন্দ্ৰীয় দুৰ্গ য'ত ইহুদী সকলে নিৰাপদে অৱস্থান কৰিছিল,তাক অধিকাৰ কৰাৰ বাবে সকলো পৰিকল্পনা ৰচনা কৰা হৈছিল। কিছু সৰু সৰু যুদ্ধত জয় লাভ কৰা সম্ভৱ হ'ল সঁচা কিন্তু ইহুদী সকলে যেতিয়া চহৰৰ মাজত সিহঁতৰ কেন্দ্ৰীয় দুৰ্গত একগোট হ'ল; তেতিয়া সিহঁতৰ বিৰুদ্ধে পৰিচালিত হোৱা সমূহ আক্ৰমণ ব্যৰ্থ হ'ব ধৰিলে।

এদিনাখন হজৰত মহম্মদ (ছাঃ)ক আল্লাহ পাক ঐশী বাণীৰ দ্বাৰা অৱগত কৰিলে যে,এই চহৰখনৰ পতন হজৰত আলী (ৰাঃ)ৰ হাতত হ'ব। অৰ্থাৎ হজৰত আলী (ৰাঃ)ৰ দ্বাৰাহে এই চহৰখনক অধিকাৰ কৰা একমাত্ৰ সম্ভৱ হ'ব।হজৰত মহম্মদ (ছাঃ)য়ে এদিন ৰাতিপুৱা ঘোষণা কৰিলে যে,মই আজি ইছলামৰ কৃষ্ণ পতাকা এনে এক ব্যক্তিৰ হাতত অৰ্পন কৰিম,যাক আল্লাহ তায়লাৰ ৰছুল আৰু অন্যান্য ভক্তপ্ৰাণ মুছলমান সকলে ভাল পায়। স্বয়ং আল্লাহ পাক এই দুৰ্গৰ পতন ঘটাই ইছলামৰ বিজয় তেওঁৰ হাতত নিৰ্দ্ধাৰিণ কৰি ৰাখিছে।তাৰ পাছত দ্বিতীয় দিন হজৰত মহম্মদ (ছাঃ)য়ে হজৰত আলী (ৰাঃ)ক মাতি পঠালে আৰু তেখেত (ৰাঃ)ৰ হাতত উক্ত পতাকাখন তুলি দিলে।হজৰত আলী (ৰাঃ)য়ে চাহাবা সকলৰ এটি দল লগত লৈ উল্লেখিত দুৰ্গখনক আক্ৰমণ কৰে।আমি জানো যে,ইহুদী সকল সুৰক্ষিত অৱস্থাত দুৰ্গৰ ভিতৰত অৱস্থান কৰিছিল।হয়তো ক'ব পাৰো ইহুদী সকল সুৰক্ষিত অথবা নিৰাপদ আশ্ৰয়ত আছিল।কিন্তু ৰণ নীতিৰ কুট-কৌশল তেখেত (ৰাঃ)ৰ উৎকৰ্ষত প্ৰায় অসম্ভৱ,সম্ভৱ হৈ উঠিছিল।ঠিক এয়েই খায়বাৰৰ কেন্দ্ৰীয় দুৰ্গ অৱৰোধ কাললৈ ঘটিছিল।অতি মানৱ শক্তিৰ অধিকাৰী,বিশ্ব পথ-প্ৰদৰ্শক আল্লাহ তায়লাৰ প্ৰেৰিত পুৰুষ হজৰত মহম্মদ (ছাঃ)ৰ অসাধাৰণ ৰণ কৌশলত খায়বাৰ প্ৰচুৰ কঠিন কেন্দ্ৰীয় দুৰ্গৰ ভাগ্যৰবি অস্তমিত হ'ল।সেই সময়ত স্থাৱৰ, অস্থাৱৰ সকলো আনকি প্ৰাণীকুলো মৃত্যুৰ ভয়ত কম্পিত হৈ উঠিছিল। ধাৰণা হৈছিল যেন এক যাদুমন্ত্ৰৰ বলত আত্ম উৎসৰ্গাকাৰী সেই যোল্ল শ (১৬০০) সৈন্যই কোনো মানৱীয় বা দানবীয় নহয়,কেৱল মাত্ৰ অতুলনীয় ঐশ্বৰিক শক্তি আৰু অনুপ্ৰেৰণাতহে সেই কেন্দ্ৰীয় দুৰ্গৰ ওপৰত জপিয়াই পৰিছিল।সেই সময়ত উৎসৰ্গাকাৰী চিপাহী সকলৰ ৰণ হুংকাৰে ইহুদী সৈন্য সকলৰ ক্ষন্তেকৰ বাবে স্পন্দন স্তব্ধ হৈ পৰিছিল। ধন্য আলী (ৰাঃ) ধন্য তোমাৰ বীৰত্ব।ধন্য তোমাৰ সৌভাগ্য যে,তুমি সাধাৰণ নৰদেহত অন্তৰ আত্মাৰ কৰুণ বিননী শ্ৰৱণ কৰিব পাৰিছিল।সাৰ্থক হওঁক তোমাৰ জন্ম।আনহাতে হজৰত মহম্মদ (ছাঃ)ক পাই যি কৃতকাৰ্য্য সেয়া কোৱা বাহুল্য।

ইহুদী সকল দুৰ্গত সুৰক্ষিত থকা সত্বেও আল্লাহ পাক সেই দিন হজৰত আলী (ৰাঃ)আৰু

অন্যান্য চাহাবী (ৰাঃ) সকলক এনে শক্তি আৰু সাহস দান কৰিছিল যে,সন্ধিয়াৰ পূৰ্বেই ইহুদী সকলৰ কেন্দ্ৰীয় দুৰ্গ দখল কৰিছিল।

অৱশেষত এখন চুক্তি সম্পাদিত হ'ল।চুক্তি মতে ইহুদী সকল তেওঁলোকৰ স্ত্ৰী আৰু সন্তান-সন্ততি সকলক লগতলৈ খায়বাৰ পৰিত্যাগ কৰি মদিনাৰ পৰা বহু দূৰৰ কোনো স্থানলৈ গুচি যাব, আৰু তেওঁলোকৰ উপাৰ্জিত ধন-সম্পত্তি সমূহ মুছলমান সকলৰ অধীনত আহিব।কোনো ব্যক্তি যদি এই যুক্তি অমান্য কৰে অথবা মিছা তালিকা প্ৰকাশ কৰে তাৰ ধন সম্পত্তি গোপন কৰাৰ চেষ্টা কৰে; তেনেহলে তেওঁ নিৰাপত্তাৰ অন্তৰ্ভুক্ত নাথাকিব বৰঞ্চ তেওঁক ৰাজদ্ৰোহী গণ্য কৰা হ'ব আৰু তাৰ বাবে তেওঁ বিশ্বাস ঘাতকতাৰ শাস্তি পাব লাগিব।

## তিনিটা বিষ্ময়কৰ ঘটনা

খায়বাৰৰ এই যুদ্ধত তিনিটা বিষ্ময়কৰ ঘটনা সংগঠিত হৈছিল।ইয়াৰ মাজত এটা আল্লাহ তায়লাৰ নিদৰ্শন সম্পৰ্কে আছিল।আন দুটা ঘটনাৰ দ্বাৰা হজৰত মহম্মদ (ছাঃ)ৰ উচ্চ আদৰ্শ আৰু মহান চৰিত্ৰ প্ৰকাশিত হৈছিল।

১) প্ৰথম বিষ্ময়কৰ ঘটনা এয়ে আছিল যে,এই যুদ্ধৰ পাছত খায়বাৰৰ নেতা কেনানাৰ স্ত্ৰী ছাফিয়াৰ সৈতে যেতিয়া হজৰত মহম্মদ (ছাঃ)ৰ বিয়া হৈছিল;তেতিয়া তেখেত (ছাঃ)য়ে হজৰত ছাফিয়া (ৰাঃ)ৰ মুখমণ্ডলত দীঘল দীঘল দাগ (আঁচ) দেখিবলৈ পাইছিল।হজৰত মহম্মদ (ছাঃ) য়ে হজৰত ছাফিয়া (ৰাঃ)ক সুধিছিল, ছাফিয়া তোমাৰ মুখমণ্ডলত এই দাগবোৰ কেনেকৈ হ'ল ? প্ৰতিউত্তৰত হজৰত ছাফিয়া (ৰাঃ)য়ে কলে,হে আল্লাহৰ ৰছুল! মই এদিনাখন সপোনত দেখা পালো যে,আকাশৰ জোন আহি মোৰ কোলত পৰিছে। পিছদিনা মই এই সপোনৰ কথা মোৰ স্বামীৰ ওচৰত কওঁ।মোৰ স্বামীয়ে মোক কয় যে,ই এটি বিষ্ময়কৰ সপোন।তোমাৰ দেউতা এজন ডাঙৰ আলিম, তেওঁৰ ওচৰত এই সপোনৰ কথা কোৱা প্ৰয়োজন। গতিকে মই মোৰ দেউতাকৰ ওচৰত সপোনৰ কথা কলো। সপোনৰ বৃত্তান্ত শুনি মোৰ দেউতাকে জোৰেৰে মোৰ মুখত এটি চৰ (থাপ্পৰ) মাৰে আৰু কয়,দু:সাহসিকা। তুমি আৰবৰ ৰজাক বিয়া কৰিব বিচৰানে ?(আল ছীৰাতুল হালবীয়া :৩য় খণ্ড,পৃঃ ৫০)

ইবনে হিশামৰ মতে হজৰত ছাফিয়া (ৰাঃ)ৰ গালত তাইৰ স্বামীয়ে থাপ্পৰ মাৰিছিল।হজৰত ছাফিয়া (ৰাঃ)ৰ দেউতাকে উক্ত কথা কোৱাৰ কাৰণ আছিল এই যে,চন্দ্ৰ আৰবৰ ৰাষ্ট্ৰীয় প্ৰতীক আছিল।যদি কোনো ব্যক্তিয়ে সপোনত দেখে যে, চন্দ্ৰ তেওঁৰ কোলত আহিছে;তেনেহলে তাৰ ব্যাখ্যা বা তাবীৰ এই হয় যে,আৰবৰ ৰজাৰ সৈতে সেই ব্যক্তিৰ সম্পৰ্ক স্থাপন হৈছে।আন হাতে যদি কোনোৱে সপোনত দেখে যে, আকাশৰ চন্দ্ৰ ফাটি গৈছে নতুবা মাটিত খহি পৰিছে,তেন্তে তাৰ তাবীৰ হয় যে,আৰবৰ শাসন ক্ষমতাৰ বিভাজন গঠিছে নতুবা ধ্বংস হৈ গৈছে।

হজৰত ছাফিয়া (ৰাঃ)ৰ এই সপোন হজৰত মহম্মদ (ছাঃ)ৰ সত্যতা তথা দুৰদৰ্শীতাৰ এক উজ্জ্বল নিদৰ্শন আছিল।ইয়াৰ পৰা প্ৰমাণিত হয় যে,আল্লাহ পাক তাৰ নিজৰ ভক্ত সকলক অৰ্থাৎ প্ৰিয় ভৃত্য সকলক গায়েবৰ সংবাদ গোপনে অৱগত কৰি থাকে।অৱশ্যে সেয়া বিশ্বাসী সকলৰ ক্ষেত্ৰত বেছি আৰু অবিশ্বাসী সকলৰ ক্ষেত্ৰত কম হয়।বিধৰ্মী সকলতকৈ ধৰ্মনিষ্ঠ সকল যে অধিক স্বচ্ছ আৰু শুদ্ধ সেৱা প্ৰমাণিত।হজৰত ছাফিয়া (ৰাঃ)এজনী ইহুদী মহিলা হোৱা সত্বেও আল্লাহ তায়লা তাই (ৰাঃ)ক গায়েবৰ পৰা সেই সংবাদ স্পষ্ট ভাৱে দিছিল।ফল স্বৰূপে হজৰত ছাফিয়া (ৰাঃ)ৰ স্বামীৰ খায়বাৰৰ অৱৰোধ কালে মৃত্যু হৈছিল,যি অৱৰোধ ইহুদী সকলৰ চুক্তিৰ ভঙ্গৰ অপৰাধে অৰ্থাৎ মুছলমান সকলৰ সৈতে বিশ্বাসঘাতকতা কৰাৰ অপৰাধে সংগঠিত হৈছিল।হজৰত ছাফিয়া (ৰাঃ)ক বন্দী কৰি এজনী চাহাবীৰ তত্ত্বাৱধানত ৰখা হয়।কাৰণ তাই (ৰাঃ) এজনী অভিজাত বংশৰ মহিলা আৰু চহৰ প্ৰধানৰ ধৰ্ম পত্নী আছিল।সেই বাবে হজৰত মহম্মদ (ছাঃ) আৰু চাহাবী সকলে স্থিৰ কৰিছিল যে,তাই (ৰাঃ)ৰ কোনো প্ৰকাৰ অনাদৰ হ'বলৈ নিদিব।এই ঘটনাৰ পাছত চাহাবী (ৰাঃ)সকলৰ অনুৰুধ ক্ৰমে হজৰত মহম্মদ (ছাঃ)য়ে হজৰত ছাফিয়া (ৰাঃ)ৰ সৈতে বিবাহ পাকত আৱদ্ধ হয় আৰু এয়াই বাঞ্ছনীয় আছিল।এই ভাৱে হজৰত ছাফিয়াৰ সপোন পূৰ্ণ হৈছিল অৰ্থাৎ গায়েবৰ সংবাদ বাস্তৱত ৰূপায়িত হৈছিল।

২) দ্বিতীয় বিষ্ময়কৰ ঘটনা এয়ে আছিল যে,খায়বাৰ অৱৰোধ কালে আক্ৰমণ কৰাৰ পাছত ইহুদী নেতাৰ এজন ৰখীয়া, যিয়ে তেওঁৰ গৰাকীৰ ভেড়া -ছাগলী চৰাইছিল; তেওঁ মুছলমান হৈছিল।মুছলমান হোৱাৰ পাছত তেওঁ কলে,হে আল্লাহৰ ৰছুল! মইতো এতিয়া সেই সম্প্ৰদায়ৰ গৃহত উভতি যাব নোৱাৰো।কিন্তু এই ভেড়া-ছাগলীবোৰ সেই ইহুদী চৰ্দাৰে মোৰ তত্ত্বাৱধানত ৰাখিছে।এতিয়া মই এইবোৰক লৈ কি কৰিব পাৰো ? হজৰত মহম্মদ (ছাঃ)য়ে কলে, তুমি এই ভেড়া-ছাগলীবোৰৰ গতি খায়বাৰৰ পিনে ঘূৰাই দিয়া আৰু সেইবোৰক খেদি দিয়া।চাবা নিশ্চয় আল্লাহ তায়লা নিজ গৰাকীৰ ওচৰত লৈ যাব।গতিকে ভেড়া লগৰীয়া জনে তাকেই কৰিলে আৰু সেই ভেড়া-ছাগলীবোৰ খায়বাৰৰ

দুৰ্গৰ ওচৰ পাইছিল।তাৰ পৰা দুৰ্গৰ মানুহে সেইবোৰক ভিতৰলৈ লৈ গৈছিল। ( আছ ছিৰাতুল হালবীয়া :৩য় খণ্ড, পৃঃ ৪৪)

এই ঘটনাৰ পৰা স্পষ্ট বুজা যায় যে, হজৰত মহম্মদ (ছাঃ)এজন ন্যায়পৰায়ণ ব্যক্তি আছিল। তেখেত (ছাঃ)য়ে কিমান সূক্ষ্ম আৰু সতৰ্কতাৰে আমানতৰ নিয়ম-নীতি আৰু গৰাকীৰ অধিকাৰৰ প্ৰতি দৃষ্টি ৰাখিছিল।তেখেত (ছাঃ)য়ে এই নীতি অনুসৰি নিজে যেনেকৈ আনৰ ন্যস্ত ধন ঘূৰাই দিছিল ঠিক তেনেকৈ আনকো এই নীতি মানি চলিবলৈ আদেশ দিছিল। যুদ্ধত অংশ গ্ৰহণকাৰী সকলৰ ধন-সম্পত্তি নিজৰ অধীনলৈ আনা আজিৰ দিনতো বৈধ বুলি গণ্য কৰা হয়।কিন্তু এনে ঘটনা আজিৰ এই সভ্যতাৰ যুগত কোনোৱে মানি ল’বনে ? কোনোবাই ক’ব পাৰিবনে যে,শত্ৰু পক্ষৰ পশু পালন অথবা অন্য সামগ্ৰী নিজৰ অধীনলৈ অহাৰ পাছত সেইবোৰক শত্ৰু পক্ষক পুনৰ উভতাই দিয়া হৈছে ?সেই ভেড়া-ছাগলীৰ পাল ইছলামীৰ বিৰোধী পক্ষৰ আছিল; যি শত্ৰুৰ সৈতে যুদ্ধ চলিছিল।এই পশু পাল উভতি গলে শত্ৰু পক্ষৰ কেইমাহৰ খাদ্য বস্তু সংগ্ৰহ হ’ব। ফলত তেওঁলোকে দীৰ্ঘ দিন মুছলমান সকলৰ বিৰোধীতা কৰাৰ সামৰ্থ লাভ কৰিব।তথাপি হজৰত মহম্মদ (ছাঃ)য়ে ভেড়া-ছাগলীৰ পাল শত্ৰুৰ দুৰ্গৰ পিনে পঠাই দিবলৈ কৈছিল; যাতে নৱ দীক্ষিত মুছলমান সকলৰ আমানতৰ দায়িত্ব পালনত কোনো ত্ৰুটি নহয়।যি সকলৰ হাতত সেই পশু পাল অৰ্পন কৰা হৈছিল। ইছলামে আমানতকাৰীৰ (অধীনত ৰখা বস্তু বাহিনী) নিয়ম ভঙ্গ কৰাৰ আদেশ কেতিয়াও নিদিয়ে।

৩) তৃতীয় বিষ্ময়কৰ ঘটনা এয়ে আছিল যে,এজনী ইহুদী মহিলা হজৰত মহম্মদ (ছাঃ)ৰ এজন সহানুভাৱ চাহাবী (ৰাঃ)ক সুধিছিল যে,ৰছুলে কৰিম (ছাঃ)য়ে পশুৰ কোন অংশ মাংস খাবলৈ বেছি পছন্দ কৰে ? চাহাবা (ৰাঃ)য়ে কলে,তেখেত (ছাঃ)য়ে ডিঙিৰ মাংস বেছি পছন্দ কৰে।তাৰ পাছত সেই ইহুদী মহিলা জনীয়ে এটা ছাগলী জবাহ কৰে আৰু তাৰ মাংসৰে তপ্ত শিলৰ ওপৰত কাবাব (থুকুচি ভজা মাংস)তৈয়াৰ কৰি তাত তীব্ৰ বিষ মিহলি কৰে।বিশেষ কৰি সেই কাবাব ডিঙিৰ মাংসৰে তৈয়াৰ কৰা হৈছিল যাক হজৰত মহম্মদ (ছাঃ)য়ে বেছি পছন্দ কৰিছিল।সূৰ্যাস্থৰ পাছত যেতিয়া হজৰত মহম্মদ (ছাঃ)য়ে মগৰিবৰ নমাজ আদায় কৰি নিজৰ তম্বুত উভতি আহিছিল।তেতিয়া তেখেত (ছাঃ)য়ে দেখিবলৈ পালে যে,তেখেত (ছাঃ) অহাৰ আগতে এজনী মহিলা বহি আছে।তেখেত (ছাঃ)য়ে সেই মহিলাজনীক সুধিলে,তুমি কিয় বহি আছা ?তাই উত্তৰত কলে, আবুল কাছেম! মই আপোনাৰ বাবে কিছু উপহাৰ লৈ আহিছোঁ।দয়া কৰি গ্ৰহণ কৰক।হজৰত ৰছুলে কৰিম (ছাঃ)য়ে এজন চাহাবা (ৰাঃ)ক আদেশ দিলে, মহিলা জনী যি লৈ আহিছে সেয়া গ্ৰহণ কৰা। তাৰ পাছত যেতিয়া হজৰত মহম্মদ (ছাঃ)য়ে খাবলৈ বহিছিল,তেতিয়া আহাৰৰ লগত সেই বিষ মিশ্ৰিত মাংসৰ কাবাব ৰখা হয়।হজৰত মহম্মদ (ছাঃ)য়ে তাৰ

পৰা এটুকুৰা মাংস মুখত দিলে আৰু এজন চাহাবী (ৰাঃ)ৰ পুত্ৰ বৰাও এটুকুৰা খালে।উপস্থিত অন্যান্য চাহাবী (ৰাঃ) সকলেও উক্ত মাংস খোৱাৰ বাবে হাত আগ বঢ়ায়।কিন্তু তৎক্ষণাত আল্লাহৰ প্ৰিয় হজৰত ৰছুলে কৰিম (ছাঃ) য়ে সিহঁতক খাবলৈ নিষেধ কৰে। তেখেত(ছাঃ) য়ে কলে,এই মাংসত বিষ মিশ্ৰিত আছে।মোৰ এই হাতে ধৰিব পাৰিছে। ইয়াৰ অৰ্থ এয়ে নহয় যে,এই বিষয়ে তেখেত (ছাঃ)ৰ প্ৰতি ইলহাম (ঐশী বাণী) হৈছিল। বৰঞ্চ ই এটা আৰবী প্ৰবচন যাৰ অৰ্থ হ'ল,মাংস মুখত দিয়েই মই বুজিব পাৰিছোঁ যে,ইয়াত বিষ মিশ্ৰিত আছে।সেই সময়ত চাহাবী (ৰাঃ)ৰ পুত্ৰ বৰা কলে,মোৰও সেয়াই অনুমান হয়।মই মাংসৰ টুকুৰা পেলাই দিব বিচাৰিছিলোঁ কিন্তু চিন্তা কৰিলোঁ যে মোৰ এই কাৰ্য্য আপোনাৰ অপ্ৰিয় হ'ব পাৰে।আপুনি মাংস টুকুৰা খাই পেলোৱা বাবে মইয়ো তাক অনুসৰণ কৰিলোঁ।মোৰ হৃদয়ে কৈছিল যে, আল্লাহ তায়লা যেন আপোনাক মাংস খাবলৈ নিদিয়ে।ইয়াৰ পাছত চাহাবী বছিৰ (ৰাঃ)ৰ পুত্ৰ বৰা মাংস খাই অসুস্থ হৈ পৰিছিল। কোনো কোনোৱে কয়, সেই স্থানতেই লগে লগে বৰাৰ মৃত্যু হৈছিল। আকৌ কিছুমানে কয় যে, দীৰ্ঘকাল অসুস্থ থকাৰ পাছত তেওঁৰ মৃত্যু হৈছিল।যিকেই নহওঁক, ইয়াৰ পাছত হজৰত মহম্মদ য়ে সেই মাংসৰ কিছু অংশ এটা কুকুৰৰ সন্মুখত পেলাই দিছিল আৰু কুকুৰটোৱে মাংস খাই মৰিছিল।তেতিয়া আল্লাহৰ প্ৰিয় হজৰত মহম্মদ (ছাঃ)য়ে সেই মহিলা জনীকমাতি আনি সুধিলে,তুমি এই মাংসত বিষ মিহলাইছানে? মহিলাজনীয়ে উত্তৰ দিলে,এই কথা আপোনাক কোনে কলে, ?তেখেত (ছাঃ)য়ে কলে,এই হাতখনে মোক এই কথা কৈছে।মহিলা জনীয়ে বুজিব পাৰিলে যে,তাইৰ কু-অভিপ্ৰায় ধৰা পৰিছে। গতিকে তাই স্বীকাৰ কৰিলে যে, তাই বিষ মিহলি কৰিছিল। তেতিয়া হজৰত মহম্মদ (ছাঃ)য়ে সুধিলে,কিহৰ কাৰণে তুমি এনে জঘন্য কাম কৰিছা ? মহিলাজনীয়ে নিৰ্ভিক চিত্তে উত্তৰ দিলে,মোৰ জাতিৰ লগত আপোনাৰ যুদ্ধ হৈছে আৰু সেই যুদ্ধত মোৰ সকলো বন্ধু-বান্ধৱ আত্মীয়-স্বজন নিহত হৈছে। সেই বাবে মই স্থিৰ কৰিছিলোঁ যে, মই আপোনাক বিষ খুওৱাম।যদি আপোনাৰ কাৰ্য্যকলাপ লৌকিক হয়, তেন্তে নিশ্চয় আপুনি মৃত্যু বৰণ কৰিব আৰু আমি মুক্তি লাভ কৰিম। আনহাতে যদি আপুনি সত্য নবী হয়;তেনেহলে আল্লাহ তায়লা আপোনাক নিশ্চয় ৰক্ষা কৰিব। সেই মহিলাৰ স্পষ্ট উত্তৰ শ্ৰৱণ কৰি হজৰত মহম্মদ (ছাঃ)য়ে তাইক ক্ষমা কৰি দিলে।এনে কাৰ্য্যৰ বাবে মৃত্যু দণ্ডই তাইৰ একমাত্ৰ প্ৰাপ্য আছিল;কিন্তু দয়ালু নবী (ছাঃ)য়ে সেয়া কৰা নাছিল;( আছ ছিৰাতুল হালবিয়া ৩য় খণ্ড, পৃঃ ৬১)

ইয়াৰ পৰা স্পষ্ট পতিয়মান হয় যে,হজৰত ৰছুলে কৰিম (ছাঃ) কেৱল নিজৰ ক্ষেত্ৰতেই নহয় বৰং চাহাবী (ৰাঃ) সকলোকো হত্যা কৰাৰ চেষ্টাৰ অপৰাধে, অপৰাধী শত্ৰুকো ক্ষমা কৰি দিছিল।

অৱশ্যে তেখেত (ছাঃ)য়ে শাস্তিও দিছিল। যেতিয়া তেখেত (ছাঃ)য়ে দেখিছিল যে,এনে গুৰুতৰ অপৰাধীক জীয়াই ৰাখিলে ভৱিষ্যতে তেওঁৰ দ্বাৰা অধিক ফেৎনা সৃষ্টি আৰু ক্ষতি হোৱাৰ সম্ভাৱনা। অৰ্থাৎ তেখেত (ছাঃ)য়ে সেই সময়লৈকে কোনো ব্যক্তিক শাস্তি দিয়া নাছিল; যেতিয়ালৈকে কোনোৱে নিজ কাৰ্য্য কলাপৰ দ্বাৰা প্ৰমাণ নকৰে যে,তেওঁ জীৱিত থকা মানেই ভৱিষ্যৎ মানৱ জাতিৰ বাবে অধিক ক্ষতিকাৰক।

## কাবাৰ প্ৰদক্ষিণ (তওৱাফ)

হিজৰতৰ সপ্তম বছৰে ৬২৯ খ্ৰী:ৰ ফেব্ৰুৱাৰী মাহত হুদায়বিয়াৰ সন্ধিৰ চৰ্ত অনুসৰি ইছলামৰ পয়গম্বৰ হজৰত মহম্মদ (ছাঃ)ৰ **কাবা** প্ৰদক্ষিণ কৰাৰ কথা আছিল।সেই বাবে যেতিয়া সময় আহিল (যথা সময়ত) তেতিয়া ইছলামৰ পয়গম্বৰ হজৰত মহম্মদ (ছাঃ)য়ে দুই হাজাৰ শিষ্য সহ **কাবা** প্ৰদক্ষিণ কৰাৰ উদ্দেশ্যত মদিনাৰ পৰা মক্কালৈ যাত্ৰা কৰিলে।তেতিয়া তেখেত (ছাঃ)য়ে **মাৰ-আল-জাহাবান** নামৰ স্থানত উপস্থিত হ'ল।এই স্থানটি মক্কাৰ ওচৰৰ এটা বিশ্ৰাম স্থন আছিল। তাত উপস্থিত হৈ চুক্তি অনুসৰি তেখেত (ছাঃ)য়ে নিজৰ শিষ্য সকলক গধুৰ অস্ত্ৰ-শস্ত্ৰ তাত নমাই ৰাখিবলৈ আদেশ দিলে। তাৰ পাছত অনুচৰ সকলক লগত লৈ প্ৰতিজ্ঞানুসাৰে কেৱল খাপৰদ্ধ তৰোৱাল লৈ পৱিত্ৰ হাৰাম শ্বৰীফত প্ৰৱেশ কৰিলে। সাত বছৰ নিৰ্বাসনৰ পাছত মুহাজিৰ সকলৰ মক্কাত প্ৰৱেশ কৰা কোনো সাধাৰণ ঘটনা নাছিল।ইপিনে মক্কাৰ সেই অতীতৰ মৰ্মান্তিক অত্যাচাৰৰ ঘটনা স্মৰণ কৰি তেওঁলোকৰ শৰীৰত তেজ টগ-বগ কৰিছিল। আনফালে সেই কৰুণাময় আল্লাহৰ অপৰিসীম কৃপাৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰিছিল এইবুলি যে,আল্লাহ ৰহমানিৰ ৰাহিম।তেওঁলোকক পুনৰ মক্কাত প্ৰৱেশ কৰিবলৈ দিয়াত হৃদয় আনন্দত টগ-বগ কৰিছিল।মক্কাবাসী সকলে তেতিয়া চহৰৰ পৰা ওলাই গৈ পাহাৰৰ টিংত থিয় হৈ মুছলমান সকলক প্ৰত্যক্ষ কৰি আছিল। মুছলমান সকলৰ অভিপ্ৰায় আছিল যে, তেওঁলোকে আজি মক্কাবাসীক দেখুৱাব বিচাৰে যে, মহান কৰুণাময় আল্লাহ তেওঁলোকক পুনৰ মক্কাত প্ৰৱেশ কৰাৰ সামৰ্থ প্ৰদান কৰিছে নে নাই ? আনকি উত্তেজিত হজৰত আব্দুল্লাহ বিন ৰাবাহা (ৰাঃ)সেই সময়ত যুদ্ধ সঙ্গীত গাবলৈ আৰম্ভ কৰিছিল। কিন্তু হজৰত মহম্মদ (ছাঃ)য়ে তেখেত (ৰাঃ)ক নিষেধ কৰি কলে, এতিয়া এনে কবিতা আবৃত্তি নকৰিবা। বৰঞ্চ আল্লাহৰ গুণগান গোৱা। এই কথা কোৱা যে, আল্লাহৰ বাহিৰে কোনো উপাস্য নাই আৰু স্বয়ং আল্লাহই তেখেত (ছাঃ)ক সহায় কৰিছে। একমাত্ৰ আল্লাহ পাকেই শত্ৰু সকলক পৰাস্ত কৰিছে আৰু মোমিন সকলক অমৰ্য্যদাৰ স্থানৰ পৰা উদ্ধাৰ কৰি মৰ্য্যদাৰ উচ্চ আসনত বহাইছে।( আছ ছিৰাতুল হালবিয়া ৩য় খণ্ড, পৃঃ৫১)

পৱিত্ৰ কাবা প্ৰদক্ষিণ কৰাৰ পাছত চাফা আৰু মাৰৱা নামৰ দুখন উল্লেখ যোগ্য পাহাৰৰ মধ্যৱৰ্তী স্থান দৌৰি সম্পন্ন কৰাৰ পাছত, হজৰত মহম্মদ (ছাঃ)য়ে চাহাবী সকলক লগতলৈ তিনি দিন মক্কাত অৱস্থান কৰে। হজৰত আব্বাছ (ৰাঃ)ৰ এজনী খুল শালী মায়মুনা বহু দিন ধৰি বিধৱা অৱস্থাত মক্কাত অৱস্থান কৰিছিল।সেই সময়ত হজৰত আব্বাছ (ৰাঃ)য়ে হজৰত মহম্মদ (ছাঃ)ক খুল শালী হজৰত মায়মুনা (ৰাঃ)ক পত্নীৰূপে গ্ৰহণ কৰাৰ বাবে প্ৰস্তাৱ আগ বঢ়ায়।ইছলামৰ পয়গম্বৰ দয়ালু হজৰত ৰছুল কৰিম (ছাঃ)য়ে উক্ত প্ৰস্তাৱ গ্ৰহণ কৰে। চতুৰ্থ দিন মক্কাবাসী সকলে আবেদন জনালে যে,আপুনি আপোনাৰ অনুচৰ সহ চুক্তি মতে মক্কা ত্যাগ কৰিব লাগে। হজৰত মহম্মদ (ছাঃ)য়ে তৎক্ষনাত মক্কা এৰি মদিনালৈ যাত্ৰা কৰাৰ নিৰ্দেশ দিলে। তেখেত (ছাঃ)য়ে মক্কাবাসী সকলৰ ভয়-ভীতি আৰু দুঃচিন্তাৰ কথা ভাবি মক্কা এৰি গুচি আহে। আল্লাহৰ প্ৰিয় হাবিব ইছলামৰ পয়গম্বৰ হজৰত মহম্মদ (ছাঃ)য়ে নৱ বিবাহিতা পত্নী হজৰত মায়মুনাক মক্কাতেই থাকিবলৈ কলে, আৰু বস্তু বাহিনীৰ বাহনত পাছত আহিবলৈ নিৰ্দেশ দি আহিল।ইয়াৰ পাছত তেখেত (ছাঃ)য়ে উটক দৌৰাই নি পৱিত্ৰ হাৰাম শ্বৰীফৰ সীমা যেতিয়া অতিক্ৰম কৰিছিল; তেতিয়া সূৰ্য্য অস্তাৱস্থা আছিল। সন্ধিয়াৰ সময়ত তাতেই তেখেত (ছাঃ)ৰ ধৰ্ম্ম পত্নী হজৰত মায়মুনা (ৰাঃ)ক আনি দিয়া হ'ল। আৰু সেই মৰুভূমিৰ মাজতেই হজৰত মায়মুনা (ৰাঃ)য়ে হজৰত মহম্মদ (ছাঃ)ৰ খেদমতত উপস্থিত হ'ল।

## হজৰত মহম্মদ (ছাঃ)ৰ বহু বিবাহৰ বিৰুদ্ধে আপত্তিৰ এটি উত্তৰ

হজৰত মহম্মদ (ছাঃ)ৰ বহু বিবাহ এনে এক বিষ্ময়কৰ আৰু তাৎপৰ্য পূৰ্ণ বিষয়; যাক এই ধৰণৰ সংক্ষিপ্ত জীৱনী গ্ৰন্থত বিস্তাৰিত ভাৱে আলোচনা কৰা সম্ভৱ নহয়।তথাপি বিষয়টো ইমান গুৰুত্বপূৰ্ণ যে, ইয়াৰ এটি অংশৰ ওপৰত আলোকপাত কৰি কিছু লিখিবলৈ মই একান্ত প্ৰয়োজন বোধ কৰো। বহুতে ইছলামৰ পয়গম্বৰ হজৰত মহম্মদ (ছাঃ)ৰ একাধিক পত্নী গ্ৰহণত আপত্তি উত্থাপন কৰি কয় যে, হজৰত ৰছুল কৰিম (ছাঃ)য়ে বহু বিবাহ কেৱল ব্যক্তিগত কামনা বাসনা চৰিতাৰ্থ কৰাৰ বাবেহে কৰিছিল।(নাউজুবিল্লাহ মিন জালিক)।ইয়াৰ দ্বাৰা বুজা যায় যে,তেখেত (ছাঃ)ৰ প্ৰবৃত্তি ভোগ বিলাসৰ প্ৰতি আসক্তি আছিল।কিন্তু তেখেত (ছাঃ)ৰ ধৰ্ম্ম পত্নী সকলৰ প্ৰতি ব্যৱহাৰৰ কথা বিচাৰ কৰিলে এই কথা অৱশ্যেই মানিবলৈ বাধ্য যে,সেই সম্পৰ্ক ইমান পৱিত্ৰ আৰু নি:স্বাৰ্থ আছিল যে, তেনে সম্পৰ্ক স্থাপন কৰা আন কোন পুৰুষ স্ত্ৰীৰ বাবে মুঠেই সম্ভৱ নহয়। স্ত্ৰী সকলৰ সৈতে তেখেত (ছাঃ)ৰ সম্পৰ্ক আছিল কামনা-বাসনা

শূন্য এক আধ্যাত্মিক সম্পৰ্ক। যদি হজৰত মহম্মদ (ছাঃ)ৰ সৈতে স্ত্ৰী সকলৰ সম্পৰ্ক কামনা-বাসনা হ'লহেঁতেন তেনেহলে তাৰ পৰিণতি এয়ে হ'লহেঁতেন যে, তেখেত (ছাঃ)ৰ স্ত্ৰী সকলৰ হৃদয় কেতিয়াও আধ্যাত্মিক প্ৰেৰণাৰ প্ৰভাৱত ইমান বেছি প্ৰভাবান্বিত নহ'লহেঁতেন। কিন্তু স্ত্ৰী সকলৰ হৃদয়ত হজতৰ ৰছুলে কৰিম (ছাঃ)ৰ প্ৰতি যি প্ৰেম আছিল আৰু সিহঁতে তেখেত (ছাঃ)ৰ পৰা যি পুণ্যময় প্ৰভাৱ অৰ্জন কৰিছিল।সেয়া একমাত্ৰ তেখেত (ছাঃ)ৰ মৃত্যুৰ পিছত ইতিহাসৰ বহু ঘটনাৰ পৰা জনা যায়।ইতিহাসত হজৰত মহম্মদ (ছাঃ)ৰ স্ত্ৰী সকলৰ সম্পৰ্কে এনে বহু ঘটনা বৰ্ণিত হৈছে। উদাহৰণ স্বৰূপ সামান্য এটি ঘটনাৰ কথা উল্লেখ কৰিব পাৰি। হজৰত মায়মুনা (ৰাঃ)য়ে হাৰাম শ্বৰীফৰ বাহিৰত এটি তম্বুত হজৰত ৰছুলে (ছাঃ)ৰ সৈতে মিলিত হয়। যদি তাই (ৰাঃ)ৰ সৈতে তেখেত (ছাঃ)ৰ সম্পৰ্ক কেৱল দৈহিক হ'লহেঁতেন আৰু যদি তেখেত (ছাঃ)য়ে কোনো কোনো স্ত্ৰীক আন স্ত্ৰীতকৈ প্ৰাধান্য বেছি দিলেহেঁতেন,হজৰত মায়মুনা (ৰাঃ)য়ে এই ঘটনাক তাই (ৰাঃ)ৰ জীৱনৰ কোনো গুৰুত্ব পূৰ্ণ ঘটনা হিচাপে মনত নাৰাখিলেহেঁতেন। বৰঞ্চ সেই ঘটনাক দিনক দিনে পাহৰি যোৱাৰ চেষ্টা কৰিলেহেঁতেন।

হজৰত মহম্মদ (ছাঃ) ৰ মৃত্যুৰ পিছত হজৰত মায়মুনা (ৰাঃ) ৫০ (পঞ্চাচ) বছৰ জীৱিত আছিল। তাই (ৰাঃ) ৮০ বছৰ বয়সত মৃত্যু বৰণ কৰে। তাই (ৰাঃ)য়ে পৱিত্ৰ সম্পৰ্কৰ স্মৃতি আজীৱণ স্মৰণ কৰি ৰাখিছিল। ৮০ বছৰ বয়সত তাই (ৰাঃ)ৰ যৌৱনৰ সকলো উদ্দীপনা আৰু অতীতৰ সকলো সুখ-শান্তি শিথিল হৈ যোৱাটো স্বাভাৱিক। হজৰত ৰছুলে কৰিম (ছাঃ)ৰ মৃত্যুৰ সুদীৰ্ঘ ৫০ (পঞ্চাচ) বছৰ পিছত হজৰত মায়মুনা (ৰাঃ)ৰ মৃত্যু হয়।অন্তিম কালে মৃত্যু শয্যাৰে কাষত উপস্থিত থকা ব্যক্তি সকলক মিনতি কৰি কৈছিল যে, তাই (ৰাঃ)ৰ মৃত্যুৰ পিছত তাই (ৰাঃ)ৰ সমাধিস্থান যেন মক্কাৰ এক যোজন দূৰত সেই তম্বু (শিবিৰ)ৰ ওচৰত তৈয়াৰ কৰা হয়। যি ঠাইত (তম্বুত) তাই (ৰাঃ)য়ে পোনপ্ৰথমে হজৰত মহম্মদ (ছাঃ)ৰ চৰণত স্থান পোৱা সৌভাগ্য অৰ্জন কৰিছিল।

পৃথিৱীত বহুতো সত্য ঘটনা আৰু গল্প কাহিনী ৰচিত হৈ থাকে কিন্তু সেই সত্য ঘটনাৰ পৰাই হওঁক অথবা কাহিনীৰ পৰাই হওঁক,এই ঘটনা সদৃশ হৃদয় গ্ৰাহী আৰু গভীৰ প্ৰেমৰ কোনো কাহিনী কোনোৱে শুনাব পাৰিবনে ?

## খালিদ বিন অলীদ আৰু উমৰ ইবনুল আছৰৰ ইছলাম গ্ৰহণ

কাবা প্ৰদক্ষিণ কৰি উভতি অহাৰ পাছত এনে দুজন ব্যক্তি ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল,যি

দুজনে ইছলামী যুদ্ধবোৰৰ আৰম্ভণিৰ পৰা সেই মুহূর্ত পর্যন্ত কাফেৰ সকলৰ ডাঙৰ ডাঙৰ সেনা পতিৰ অন্তর্ভুক্ত আছিল। কিন্তু ইছলাম গ্ৰহণ কৰাৰ পাছত এনে প্ৰসিদ্ধ সেনাপতি হিচাপে খ্যাতি লাভ কৰিছিল, যাক ইছলামৰ ইতিহাসৰ পৰা কোনো প্ৰকাৰেই নোহোৱা কৰা সম্ভৱ নহয়।এই দুজনৰ এজন খালিদ বিন অলীদ আছিল;যিয়ে পৰৱৰ্তী কালে ৰোমান সাম্ৰাজ্যৰ ভিত্তি ওলট-পালট কৰি ইছলামী শাসনৰ অধীনত আনিছিল।আন জন ব্যক্তি আছিল আছৰ পুত্ৰ উমৰ (উমৰ ইবনুল আছ) যিয়ে মিছৰ ৰাজ্য জয়কৰি ইছলামী শাসনৰ অধীনলৈ আনিছিল।

## মুতাৰ যুদ্ধ (The Battle of Muta)

ইছলামৰ পয়গম্বৰ হজৰত মহম্মদ (ছাঃ)য়ে কাবা প্ৰদক্ষিণ সমাপ্ত কৰি মদিনাত উভতি আহিছিল।উভতি আহি তেখেত (ছাঃ)য়ে জানিব পাৰিলে যে, ছিৰিয়া (শাম) দেশৰ সীমান্তত বসবাসকাৰী খ্ৰীষ্টান সকলক ইহুদী আৰু বিধৰ্মী সকলে মদিনা আক্ৰমণ কৰিবলৈ উচটনি দি আছে লগতে আক্ৰমণৰ প্ৰস্তুতিও চলিছে। সেই বাবে হজৰত মহম্মদ (ছাঃ)য়ে উক্ত উৰাবাতৰিটো কিমান দূৰ সত্য তাক জনাৰ বাবে পোন্ধৰ জনীয়া এটি দল ছিৰিয়াৰ সীমান্তত প্ৰেৰণ কৰিলে। এই পোন্ধৰ জনীয়া মুছলিম দলটোৱে ছিৰিয়াৰ সীমান্তত উপস্থিত হৈ দেখিলে যে,ঘটনাটো অৱশ্যই সঁচা। তাত সৈন্য বাহিনীৰ এটা সমাৱেশ হৈছে। সেই সময়ত মুছলমান সকলৰ মাজত (তবলিগ) প্ৰচাৰ কাৰ্য্যৰ প্ৰেৰণা অধিক প্ৰবল আছিল। সেই কাৰণে উক্ত মুছলিম দলটোৱে হজৰত ৰছুল কৰিম (ছাঃ)ক উভতি আহি সংবাদ দিয়াৰ পৰিৱৰ্তে সাহসিকতাৰে অগ্ৰসৰ হৈ তেওঁলোকক ইছলামৰ আমন্ত্ৰণ দিবলৈ আৰম্ভ কৰিলে। মুছলমান সকলে অতি উৎসাহৰে ইছলামৰ প্ৰচাৰ কাৰ্য্যত লিপ্ত হ'ল।কিন্তু যি সকলে শত্ৰু পক্ষৰ প্ৰেৰণা পাই সিহঁতৰ সৈতে ঐক্যৱদ্ধতা হৈ হজৰত মহম্মদ (ছাঃ)ৰ দেশ আৰু মুছলমান সকলক আক্ৰমণ কৰি নিজৰ অধিনস্থ কৰিব বিচাৰিছিল; তেওঁলোকৰ ওপৰত তৌহিদ অৰ্থাৎ এক ঈশ্বৰ বাদী শিক্ষা আৰু উপদেশে কিমান দূৰ প্ৰভাৱ বিস্তাৰ কৰিব পাৰে ? যেতিয়াই মুছলিম দলটোৰ সদস্য সকলে ইছলামৰ বাণী তেওঁলোকক শুনাবলৈ আৰম্ভ কৰিলে, তেতিয়াই চাৰিওফালৰ পৰা শত্ৰু সৈন্য সকলে মুছলমান সকলৰ ওপৰত তীৰ-ধনু লৈ আক্ৰমণ আৰম্ভ কৰি দিলে। যেতিয়া মুছলমান সকলে দেখিলে যে, সিহঁতৰ (তবলিগ) প্ৰচাৰ কাৰ্য্যৰ উত্তৰত শত্ৰু সকলে কোনো দলীল প্ৰমাণ উত্থাপন কৰাৰ পৰিৱৰ্তে (তীৰ) কাঁড় নিক্ষেপ আৰম্ভ কৰিছে; তেতিয়াও মুছলমান সকলে প্ৰাণ ৰক্ষাৰ বাবে পশ্চাৎপদ হোৱা নাছিল। বৰঞ্চ প্ৰকৃতি মুছলিমৰ নিচিনা সেই হাজাৰ হাজাৰ যুঁজাৰু সকলৰ সৈতে মুখা-মুখি যুদ্ধ কৰাৰ

বাবে দৃঢ় ভাৱে থিয় দিছে আৰু যুদ্ধ অৱস্থাত বীৰত্বৰ সৈতে প্ৰাণ বিসৰ্জন দিয়ে। এই দু:সংবাদ যেতিয়া হজৰত মহম্মদ (ছাঃ)য়ে পালে তেতিয়া তেখেত (ছাঃ) য়ে আন এটি মুছলিম সৈন্যৰ দল পঠাই সেই অমানসিক অত্যাচাৰৰ উপযুক্ত শাস্তি বিহাৰ সিদ্ধান্ত কৰে। কিন্তু ইতিমধ্যে হজৰত মহম্মদ (ছাঃ)য়ে সংবাদ পালে যে,সেই সেনা বাহিনী যি সকলে তাত সমৱেত হৈছিল;তেওঁলোকে তাৰ পৰা পলায়ন কৰি ইফাল সিফাল সিঁচৰিত হৈ গৈছে। গতিকে তেখেত (ছাঃ)ৰ উক্ত সিদ্ধান্ত কিছু দিনৰ বাবে সাময়িক ভাৱে স্থগিত ৰাখে।

ইছলামৰ পয়গম্বৰ হজৰত মহম্মদ (ছাঃ)য়ে এই সময় ছোৱাত ৰোম সম্ৰাটৰ অধীনস্থ বুছৰাৰ শাসনকৰ্তা ঘাচান গোত্ৰৰ নেতাৰ ওচৰত এখন পত্ৰ লিখিলে।নাইবা স্বয়ং ৰোমান সম্ৰাট কাইছাৰৰ ওচৰতেই এখন পত্ৰ লিখিলে। এই পত্ৰত হজৰত ৰছুলে কৰিম (ছাঃ) য়ে যথা সম্ভৱ উল্লেখিত ঘটনাৰ বিশ্লেষণ উত্থাপন কৰি অভিযোগ কৰিছিল যে, ছিৰিয়াৰ কোনো কোনো গোত্ৰই মুছলমান সীমান্তত আক্ৰমণ কৰাৰ বাবে প্ৰস্তুতি গ্ৰহণ কৰিছে আৰু তেওঁলোকে কোনো কাৰণ নোহোৱাকৈয়ে ১৫ (পোন্ধৰ)জন মুছলমানক হত্যা কৰিছে।এই পত্ৰখন **হজৰত আল হাৰচ** (ৰাঃ)নামৰ এজন চাহাবীৰ হতুৱাই প্ৰেৰণ কৰা হৈছিল। ছিৰিয়া অভিমুখে যাত্ৰা অৱস্থাত এই চাহাবী হজৰত হাৰচ(ৰাঃ) ৰ সৈতে মুতা নামৰ স্থানত ঘাচান গোত্ৰৰ এজন প্ৰধান ব্যক্তি (নেতা)ছুৰাহাবিলৰ সৈতে সাক্ষাৎ হয়। ছুৰাহাবিল ৰোমান সম্ৰাট কাইচাৰৰ দ্বাৰা নিয়োজিত শাসক সকলৰ এজন আছিল।তেওঁ হজৰত আল হাৰচ (ৰাঃ)ক সুধিলে, তুমি কলৈ যাবা ? ধাৰণা তুমি হজৰত মহম্মদ (ছা)ৰ প্ৰেৰিত এজন দূত নহয়নে ?হজৰত আল হাৰচ (ৰাঃ)য়ে উত্তৰত কলে হয়।ইয়াৰ পিছত ছুৰাহাবিল তেখেত (ৰাঃ)ক বন্দী কৰে আৰু ৰচীৰে বান্ধি নিৰ্দয় ভাৱে প্ৰহাৰ কৰে।ফলত তাতেই তেখেত (ৰাঃ)ৰ মৃত্যু হয়।যদিও এই ঘটনা সম্পৰ্কে ইতিহাসত কোনো সঠিক বিস্তাৰিত বৰ্ণনা পোৱা নাযায়,তথাপি এই ঘটনাই সহজে প্ৰমাণ কৰে যে,যি সেনা বাহিনীয়ে মাত্ৰ পোন্ধৰ জন চাহাবীৰ এটা দলক নিৰ্মম ভাৱে হত্যা কৰিব পাৰে;তেওঁলোকৰ নেতাৰ পক্ষে এজন চাহাবীক হত্যা কৰা কোনো কঠিন কাৰ্য্য নাছিল।কাৰণ এওঁ উপৰোক্ত পোন্ধৰ জন মুছলমানক হত্যা কৰা সেনা বাহিনীৰ নায়ক আছিল।তদুপৰি তেওঁৰ যি প্ৰশ্ন, ধাৰণা হয় তুমি হজৰত মহম্মদ (ছাঃ)ৰ এজন দূত।ইয়াৰ পৰা স্পষ্ট বুজা যায় যে, তেওঁ ভয় পাইছিল যে,হজৰত মহম্মদ (ছাঃ)য়ে ৰোমান সম্ৰাট কাইচাৰৰ ওচৰত এই বুলি অভিযোগ কৰিব পাৰে যে,তোমাৰ অঞ্চলৰ মানুহে মোৰ অঞ্চলৰ মানুহৰ ওপৰত আক্ৰমণ চলাইছে।যথা সম্ভৱ তেওঁৰ এই ভয়ো আছিল যে, এই কাৰণত সম্ৰাট তেওঁৰ পৰা যথোচিত হৈ উত্তৰ বিচাৰিব।সেই বাবে তেওঁ ভাৱিছিল যে, উক্ত দূত জনক হত্যা কৰিব পাৰিলেই সম্ৰাটৰ ওচৰত কোনো সংবাদ যাব নোৱাৰিব। ফলত একো নহ’ব।কিন্তু আলিমুল গায়েব মহান

আল্লাহ পাক তেওঁৰ এই চক্ৰান্তক সফল হ'ব দিয়া নাছিল। বৰঞ্চ হজৰত মহম্মদ (ছাঃ)ক ঐশীক বাণীৰ মাধ্যমত হজৰত আল হাৰচ (ৰাঃ)ৰ মৃত্যুৰ সংবাদ অৱগত কৰা হৈছিল।হজৰত মহম্মদ (ছাঃ)য়ে তেতিয়া পূৰ্বৱৰ্তীৰ ঘটনা আৰু এই দ্বিতীয় ঘটনাৰ পৰিপেক্ষিততে শাস্তিৰ বাবে হজৰত জায়েদ (ৰাঃ)ৰ নেতৃত্বত তিনি হাজাৰ সৈন্যৰ এটা বাহিনী গঠন কৰি ছিৰিয়া অভিমুখে প্ৰেৰণ কৰিলে।হজৰত জায়েদ (ৰাঃ)য়ে হজৰত ৰছুলে কৰিম (ছাঃ)ৰ মুক্তি প্ৰাপ্ত কৃতদাস আছিল।যাৰ বিষয়ে হজৰত মহম্মদ (ছাঃ)ৰ মক্কী জীৱনৰ আলোচনা প্ৰসঙ্গত উল্লেখ কৰা হৈছে, হজৰত মহম্মদ (ছাঃ)য়ে তেখেত (ৰাঃ)ক আদেশ দিলে,হজৰত জায়েদ (ৰাঃ) এই বাহিনীৰ সেনাপতি হ'ব।কিন্তু যদি যুদ্ধ ক্ষেত্ৰত তেখেত (ৰাঃ)ৰ মৃত্যু হয় তেন্তে তাৰ পৰিৱৰ্তে আবু তালিবৰ পুত্ৰ জাফৰ এই বাহিনীৰ সেনাপতি হ'ব। আৰু যদি জাফৰও নিহত হয়;তেন্তে তাৰ স্থানত ৰাৱাহাৰ পুত্ৰ আব্দুল্লাহ নায়ক (সেনাপতি) হ'ব।যদি আব্দুল্লাও নিহত হয়।তেনেহলে মুছলমান সকলে তেতিয়া নিজৰ মাজৰ পৰা কোনো এজনক সেনাপতি মনোনীত কৰি ল'ব।এই সময়ত আলোচনা সভাত এজন ইহুদী বহি আছিল। সেই ইহুদী জনে কলে, হে আবুল কাছিম! যদি আপুনি প্ৰকৃত পক্ষে এজন আল্লাহৰ ৰছুল হয়; তেনেহলে এই তিনি জন সেনাপতি যুদ্ধ ক্ষেত্ৰত অৱশ্যই নিহত হ'ব।কাৰণ আল্লাহ তায়লা তাৰ নবী (ৰছুল) সকলৰ মুখৰ পৰা ওলোৱা বাণী নিশ্চয় পূৰ্ণ কৰি থাকে। এই কথা কৈ সেই ইহুদী ব্যক্তিয়ে হজৰত জায়েদ (ৰাঃ)ক সম্বোধন কৰি কলে, মই তোমাক সঁচাকৈয়ে কৈছো যে, যদি হজৰত মহম্মদ (ছাঃ)এজন সত্য নবী হয়;তেন্তে তুমি কেতিয়াও জীৱিত অৱস্থাত উভতি আহিব নোৱাৰিবা। প্ৰতি উত্তৰত হজৰত জায়েদ (ৰাঃ)কলে, মই উভতি আহো বা নাহো, কিন্তু হজৰত মহম্মদ (ছাঃ) এজন আল্লাহৰ সত্য নবী।এই বিষয়ে কোনো সন্দেহ নাই।

(ধন্য সত্য প্ৰিয় হজৰত জায়েদ (ৰাঃ) তোমাক শত সহস্ৰ ধন্যবাদ)

পিছদিনা ৰাতিপুৱা মুছলমান সকলৰ এই বৃহৎ সৈন্য বাহিনীৰ দল দীৰ্ঘ যাত্ৰা পথৰ উদ্দেশ্যত ওলাই পৰিল। হজৰত মহম্মদ (ছাঃ) আৰু চাহাবা (ৰাঃ) সকলে তেওঁলোকক বিদায় অভিনন্দন জনাবলৈ আহিল। হজৰত মহম্মদ (ছাঃ)ৰ জীৱনত ইমান বৃহৎ সেনা বাহিনীৰ দল তেখেত (ছাঃ)ৰ নেতৃত্ব অবিহনে আন কোনো সেনা পতিৰ নেতৃত্বত প্ৰেৰণ কৰা নাছিল। হজৰত ৰছুলে কৰিম (ছাঃ)য়ে এই সেনা বাহিনীৰ লগত খোজ কাঢ়ি গৈছিল আৰু তেওঁলোকক উপদেশ দি আছিল।মদিনাৰ পৰা কিছু নিলগত সেই স্থানত তেখেত (ছাঃ)য়ে উপস্থিত হৈছিল, যি স্থানৰ পৰা তেখেত (ছাঃ) য়ে প্ৰথমে মদিনাত প্ৰৱেশ কৰিছিল। উক্ত স্থানৰ পৰা সাধাৰণতে মদিনা বাসী সকলে অতিথি অথবা মিত্ৰ সকলক বিদায় সম্ভাষণ জনায়।এয়া এক সামাজিক প্ৰথা আছিল। সেই বাবে তেখেত (ছাঃ)য়ে উক্ত স্থানত ৰৈ গ'ল আৰু হজৰত জায়েদ (ৰাঃ)ক কলে, মই তোমালোকক উপদেশ দিছো যে,আল্লাহৰ প্ৰতি অনুৰাগৰ ভীতি যেন তোমালোকৰ কদমত (খোজত)

বিৰাজ কৰে। তোমাৰ লগত যিমান মুছলমান আছে তেওঁলোকৰ প্ৰত্যেকৰ লগত সৎ ব্যৱহাৰ কৰিবা।সকলো সময়ত আল্লাহৰ নাম লৈ যুদ্ধ কৰিবা।ছিৰিয়াত তোমাৰ আৰু আল্লাহৰ যিবিলাক শত্ৰু আছে তেওঁলোকৰ বিৰুদ্ধেহে যুদ্ধ কৰিবা। যেতিয়া তুমি ছিৰিয়াত উপস্থিত হবা;তেতিয়া তাত তুমি এনে কিছুমান লোক দেখিবলৈ পাবা যি সকলে পৱিত্ৰ স্থানত (বহি) উপবেশন কৰি এক আল্লাহৰ উপাসনা কৰি আছে।তেওঁলোকৰ সৈতে কদাপি যুদ্ধ নকৰিবা। সাৱধান থাকিবা যাতে তেওঁলোকৰ প্ৰতি কোনো ধৰণৰ ক্ষতি সাধন নহয়।তেওঁলোকক কোনো কষ্ট নিদিবা।শত্ৰুৰ দেশত কোনো স্ত্ৰীলোক শিশু, বৃদ্ধ আৰু অন্ধ লোকক হত্যা নকৰিবা। কোনো বৃক্ষ নাকাটিবা আৰু কোনো জন বসতি অট্টালিকা ধ্বংস নকৰিবা।(ছিৰাতে হালবিয়া ৩য় খণ্ড)

এই বিলাক উপদেশ দি হজৰত মহম্মদ (ছাঃ)য়ে তাৰ পৰা উভতি আহে আৰু ইছলামী সৈন্য বাহিনী ছিৰিয়া অভিমুখে যাত্ৰা কৰে এয়েই আছিল খ্ৰীষ্টানৰ বিৰুদ্ধে যুদ্ধ কৰাৰ নিমিত্তে অগ্ৰসৰ হোৱা প্ৰথম মুছলিম সেনা বাহিনী।এই সেনা বাহিনী যেতিয়া ছিৰিয়াৰ সীমান্তত উপস্থিত হ'ল; তেতিয়া তেওঁলোকে জানিব পাৰিলে যে,ৰোমান সম্ৰাট কাইছাৰো এক লাখ স-শস্ত্ৰ ৰুমী সৈন্য লৈ পূৰ্বৰে পৰা তাত উপস্থিত হৈ আছে।তদুপৰি আৰু প্ৰায় এক লাখ আৰবৰ খ্ৰীষ্টান গোত্ৰ আৰু অন্যান্য গোত্ৰ সমূহৰ নৱ যুৱক সকল সিহঁতৰ সৈতে মিলিত হৈছে। এই কাৰণে মুছলমান সকলে স্থিৰ কৰিলে যে,তেওঁলোক অগ্ৰসৰ নহৈ মধ্য বাটত তেওঁলোকৰ শিবিৰ স্থাপন কৰিব আৰু হজৰত ৰছুলে কৰিম (ছাঃ)ৰ ওচৰত সংবাদ প্ৰেৰণ কৰিব যে,প্ৰয়োজন হোৱাত তেখেত (ছাঃ)য়ে যেন সৈন্য পঠাই দিয়ে।ইয়াৰ বাহিৰে তেখেত (ছাঃ)য়ে যদি কোনো নিৰ্দেশ দিব বিচাৰে তেন্তে সেয়া যেন পঠাই দিয়ে।যেতিয়াই এই পৰামৰ্শ কৰা হৈছিল,তেতিয়া ৰাৱাহৰ পুত্ৰ হজৰত আব্দুল্লাহ (ৰাঃ)উল্লাসৰে থিয় হৈ কলে,হে বন্ধু সকল! হে মোৰ জাতি! তোমালোকে নিজৰ নিজৰ গৃহৰ পৰা আল্লাহৰ পথত শ্বহীদ হোৱাৰ উদ্দেশ্যত ওলাই আহিছা ; অথচ তাৰেই বাবে আকৌ ভয় পাই আছা। আমি কেতিয়াও নিজৰ সংখ্যা শক্তি আৰু যোগ্যতাৰ বলত যুদ্ধ নকৰো। আমি কেৱল সেই ধৰ্মৰ সাহায্যাৰ্থে শত্ৰুৰ সৈতে যুদ্ধ কৰো যাক খোদা তায়লা কৃপা কৰি আমাৰ বাবে অৱতীৰ্ণ কৰিছে। শত্ৰুৰ সংখ্যা যদি আমাতকৈ বহু গুণে বেছি, তেন্তে হওঁক।পৰিণামত আমি দুটা পুণ্য কৰ্মৰ এটা অৱশ্যই অৰ্জন কৰিম।হয় আমি যুদ্ধত জয়লাভ কৰিম নতুবা আল্লাহৰ বাটত শ্বহীদৰ শ্ৰেণী অৰ্জন কৰিম।

তেওঁৰ কথা শুনি সকলোৱে কলে,ৰাৱাহৰ পুত্ৰ হজৰত আব্দুল্লাহ (ৰাঃ)য়ে সম্পূৰ্ণ

সঁচা কথা কৈছে। তাৰ পিছত সেনা বাহিনীক অগ্ৰসৰ হ'বলৈ আদেশ দিলে।যেতিয়া তেওঁলোকে মাৰ্চ কৰি আগুৱাই যাব ধৰিলে, তেতিয়া দেখিবলৈ পালে যে, ৰোমান সৈন্য বাহিনীয়েও তেওঁলোকৰ পিনে আগুৱাই আহি আছে।তৎক্ষনাত মুছলমান সৈন্য সকলে মুতা নামৰ স্থানত শাৰীৱদ্ধ ভাৱে থিয় দিলে আৰু উভয় পক্ষৰ মাজত তুমুল যুদ্ধ আৰম্ভ হ'ল। কিছু সময় পাছতেই ইছলামী সেনা বাহিনীৰ প্ৰথম সেনা পতি হজৰত জায়েদ (ৰাঃ)যুদ্ধত নিহত হয়। তেতিয়া ইছলামী পতাকা হজৰত মহম্মদ (ছাঃ)ৰ দাদায়েক, আবু তালিবৰ পুতেক হজৰত জাফৰ (ৰাঃ)য়ে হাতত তুলি ললে আৰু সেনাবাহিনীৰ নেতৃত্ব গ্ৰহণ কৰি সৈন্য পৰিচালনা কৰিব ধৰিলে। তেখেত (ৰাঃ)য়ে যেতিয়া দেখিলে যে, শত্ৰু পক্ষৰ সৈন্যৰ চাপ ক্ৰমে বৃদ্ধি হ'ব ধৰিছে আৰু মুছলমান সৈন্যৰ সংখ্যা স্বল্প হোৱা বাবে আক্ৰমণৰ তীব্ৰতা প্ৰতিৰুধ কৰিব পৰা নাই; তেতিয়া তেখেত (ৰাঃ)য়ে নিজৰ ঘোঁৰাৰ পিঠিৰ পৰা নামি তাৰ ঠেং কাটি পেলায়। ইয়াৰ অৰ্থ আছিল, মই কোনো অৱস্থাতেই যুদ্ধ ক্ষেত্ৰৰ পৰা পলায়ন নকৰো। বৰঞ্চ মই প্ৰয়োজনে যুদ্ধ ক্ষেত্ৰতেই মৃত্যু বৰণ কৰিম তথাপি পশ্চাৎ গমণ কৰা উচিত নহ'ব। ই আৰবী ৰীতি আছিল। আৰবী ৰীতি অনুসৰি ঘোঁৰাৰ ঠেং এই কাৰণেই কটা হৈছিল, যাতে বাহন বিহীন হৈ আৰোহণকাৰীয়ে, ইফালে- সিফালে পলাই পতং দিব নোৱাৰে। যাৰ ফলত সৈন্য সকলৰ মাজত বিশৃংখল অৱস্থাৰ সৃষ্টি হ'ব পাৰে। যুদ্ধ চলি থাকিল। কিছু সময় অতিবাহিত হৈছে। এনেতে হজৰত জাফৰ (ৰাঃ)ৰ সোঁ হাতখন কাটি পেলালে। তেতিয়া তেখেত (ৰাঃ)য়ে পতাকাখন বাওঁ হাতে ধৰিলে। ইয়াৰ পাছত বাওঁ হাতখনো কটা গ'ল। অৱশেষত তেখেত (ৰাঃ)য়ে উভয় অৰ্ধাংশ বাহু দুখনেৰে প্ৰাণ প্ৰিয় পতাকাখন বুকুত সাবটি ধৰিলে। আৰু যুদ্ধ ক্ষেত্ৰত অলৰ অচৰ হৈ থিয় দি থাকিল। কিন্তু শেষ পৰ্য্যন্ত তেখেত (ৰাঃ)ও নিহত হ'ল। ইয়াৰ পাছত ৰাৱাহাৰ পুত্ৰ হজৰত আব্দুল্লাহ (ৰাঃ)য়ে হজৰত ৰছুলে কৰিম (ছাঃ)ৰ নিৰ্দেশ অনুসৰি ইছলামৰ পতাকা নিজৰ হাতত তুলি ললে। কিন্তু তেখেত (ৰাঃ)য়েও শত্ৰু সৈন্যৰ সৈতে প্ৰাণ টাকি যুদ্ধ কৰোঁতে কৰোঁতে শেষত শ্বহীদ হয়। সেই সময়ত মুছলমান সকলৰ মাজত পৰামৰ্শ কৰি নেতা নিৰ্বাচন কৰাৰ দৰে অৱস্থা নাছিল।আনকি পৰিস্থিতি এনেকুৱা ৰূপ ধাৰণ কৰিছিল যে, শত্ৰু সৈন্য সংখ্যাধিক হোৱা হেতুকে মুছলমান সকলে অৱস্থান কৰা অঞ্চলত প্ৰৱেশ কৰাৰ উপক্ৰম হৈছিল আৰু মুছলমান সকলে যুদ্ধ ক্ষেত্ৰ এৰি পলায়ন কৰাৰ (মনস্থ) সিদ্ধান্ত কৰিছিল। ঠিক সেই সময়ত খালিদ বিন অলীদে তেওঁৰ এজন বন্ধুৰ পৰামৰ্শ মতে ইছলামৰ পতাকা হাতত তুলি ললে। তেওঁ সন্ধিয়ালৈকে শত্ৰুৰ সৈতে মৃত্যু পণ কৰি যুদ্ধ কৰি থাকিল।

পিছদিনা অৰ্থাৎ দ্বিতীয় দিনাখন খালিদ বিন অলীদে ক্লান্ত আৰু আহত সৈন্যবোৰক

লগত লৈ শত্ৰুৰ সৈতে পুনৰ যুদ্ধ কৰাৰ নিমিত্তে ওলাই পৰিল। তেওঁ এই সময়ত এক অপূৰ্ব বুদ্ধিমানৰ পৰিচয় দি সন্মুখৰ সৈন্য পিছত আৰু পিছৰ সৈন্যক সন্মুখত, সোঁ ফালৰ সৈন্য বাওঁফালে আৰু বাওঁফালৰ সৈন্য সোঁ ফালে, নিয়োগ কৰিলে আৰু এনেভাৱে তকবীৰ আৰু শ্লোগান দি আগ বাঢ়ি যাব ধৰিলে যে, শত্ৰু সকলে, মুছলমান সৈন্যক সহায় কৰাৰ বাবে নতুনকৈ সৈন্য আহিছে বুলি ভাবিলে। সেই কাৰণে,শত্ৰু পক্ষই পিছুৱাবলৈ বাধ্য হ'ল আৰু খালিদ বিন অলীদেও মুছলিম সৈন্য বাহিনীক ৰক্ষা কৰি নিজ শিবিৰলৈ উভতি আহিল।
(আছ ছীৰাতুল হালবিয়া: ৩য় খণ্ড, পৃ: ৪৫)

এই ঘটনাৰ সংবাদ হজৰত মহম্মদ (ছাঃ)ক আলীমুল গায়েব পৰম কৰুণাময় আল্লাহ্ পাক সেই দিনাই (ওহীৰ মাধ্যমত) অৱগত কৰে। তেখেত (ছাঃ)য়ে সেই সময়ত এটি ঘোষণাৰ দ্বাৰা মদিনাৰ সকলো মুছলমান সকলক মছজিদত একত্ৰিত কৰি তেখেত (ছাঃ)য়ে এটি (মেম্বাৰ) বেদীৰ ওপৰত উঠিল আৰু তেখেত (ছাঃ)ৰ চকুৰ পৰা অশ্ৰু নিৰ্গত হোৱা পৰিলক্ষিত হ'ল। তেখেত (ছাঃ)য়ে মুছলমান সকলক সম্বোধন কৰি কলে, হে উপস্থিত জনমণ্ডলী ! মই তোমালোকক ছিৰিয়া সীমান্তত অৱস্থিত মুছলমান সৈন্য সকলৰ সম্পৰ্কে কিছু ক'ব বিচাৰোঁ। সেয়া এই যে, যুদ্ধত গমণকাৰী সেনাবাহিনী ইয়াৰ পৰা যোৱাৰ লগে লগে শত্ৰু পক্ষৰ সৈতে যুদ্ধ হয় আৰু লগে লগে হজৰত জায়েদ (ৰাঃ) শ্বহীদ হয়। গতিকে তোমালোকে হজৰত জায়েদ (ৰাঃ)ৰ বাবে মহান আল্লাহৰ ওচৰত প্ৰাৰ্থনা কৰা। তাৰ পাছত হজৰত জাফৰ (ৰাঃ) পতাকা গ্ৰহণ কৰে আৰু শত্ৰুৰ ওপৰত আক্ৰমণ চলায়। যুদ্ধ কৰি কৰি তেওঁ (ৰাঃ)য়েও শ্বহীদ হয়। তোমালোকে তেওঁ (ৰাঃ)ৰ বাবেও প্ৰাৰ্থনা কৰা। তাৰ পিছত আব্দুল্লাহ বিন ৰাৱাহা পতাকা তুলি লয় আৰু অসীম বীৰত্বৰে যুদ্ধ কৰি শেষত সিওঁ শ্বহীদ হয়। তোমালোকে তেওঁ (ৰাঃ)ৰ বাবেও আল্লাহৰ ওচৰত বিনীত প্ৰাৰ্থনা কৰা। ইয়াৰ পাছত ইছলামৰ পতাকা খালিদ বিন অলীদে গ্ৰহণ কৰে। কিন্তু মই তেওঁক সেনাপতি নিযুক্ত কৰা নাছিলোঁ। তেওঁ নিজক নিজেই সেনাপতি নিযুক্ত কৰিছে। কিন্তু স্মৰণ ৰাখিবা সি হ'ল খোদা তায়লাৰ তৰোৱাল সমূহৰ মাজত এটি তৰোৱাল। সেই বাবে তেওঁ আল্লাহৰ সাহায্যত ইছলামী সৈন্য বাহিনীক সু-ৰক্ষিত অৱস্থাত শিবিৰলৈ উভতাই অনাৰ সক্ষম হয়। হজৰত মহম্মদ (ছাঃ)ৰ এই মৰ্মান্তিক ভাষণৰ পিছত মুছলমান সকলৰ মাজত খালিদ **ছাইফুল্লাহ** (আল্লাহৰ তৰোৱাল) নামে খ্যাতি লাভ কৰে।
(জাদল মাদ খণ্ড-১)

যিহেতু খালিদ বহুদিন পাছত ইছলাম ধৰ্ম গ্ৰহণ কৰি মুছলমান হৈছিল; সেই হেতুকে বহুতো মুছলমানে তেওঁৰ সৈতে কৃত্ৰিম উপহাস কৰিছে। মাজে-সময়ে কাজিয়া পেচালৰ বাবে তেওঁক তিৰস্কাৰ কৰিছিল। এসময়ত কোনো এক বিষয়ে তেওঁৰ লগত হজৰত আব্দুৰ ৰহমান বিন আউফৰ তৰ্ক সংগঠিত হয়। হজৰত আব্দুৰ ৰহমান (ৰাঃ)য়ে এই বিষয়ে হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত অভিযোগ উত্থাপন কৰে। দয়ালু নবী হজৰত মহম্মদ (ছাঃ)য়ে কলে, খালিদ ! তুমি এনেকুৱা ব্যক্তিক কিয় দুঃখ দিয়া যি জনে বদৰ যুদ্ধৰৰ সময়ৰ পৰা ইছলামৰ যথেষ্ট সেৱা কৰি আহিছে। যদি তুমি উহুদ পৰ্বতৰ সমান সেনা ইছলামৰ সেৱাৰ বাবে নিয়োগ কাৰ, তথাপি তেওঁৰ সমতুল পুৰস্কাৰ তুমি খোদা তায়লাৰ ওচৰত নাপাবা। তেতিয়া খালিদে কলে, হে আল্লাহৰ ৰচুল! তেওঁ মোক সদায় তুচ্ছ তাচ্ছিল্ল কৰি উপহাস কৰে। গতিকে মইও তেওঁৰ হাঁহি তামচাৰ প্ৰতি উত্তৰ দিওঁ। হজৰত মহম্মদ (ছাঃ)য়ে কলে, তোমালোকে খালিদৰ হৃদয়ত কেতিয়াও কষ্ট নিদিবা। কাৰণ তেওঁ আল্লাহৰ তৰোৱাল সমূহৰ মাজত এনে এক তৰোৱাল; যাক স্বয়ং আল্লাহ তায়লা কাফেৰ সকলক নিধন কৰাৰ হকে উত্তলন কৰিছে।

(আছ ছীৰাতুল হালবিয়া: ৩য় খণ্ড, পৃ: ৭৭)

হজৰত মহম্মদ (ছাঃ)ৰ এই ভৱিষ্যৎবাণী কেই বছৰ পাছতেই আখৰে আখৰে পূৰ্ণ হৈছিল। যুদ্ধ বিৰতিকালে যেতিয়া হজৰত খালিদ (ৰাঃ)য়ে মুছলমান সেনা বাহিনীক লগত লৈ যুদ্ধক্ষেত্ৰৰ পৰা উভতি আহিছিল; তেতিয়া মদিনাৰ চাহাবী সকলে যি সকলে যুদ্ধত অংশ গ্ৰহণ কৰা নাছিল; তেওঁলোকে উক্ত সেনাবাহিনীক যুদ্ধ পলাতক পৰাজয়কাৰী বুলি মাতিছিল। তেওঁলোকে ক'ব বিচাৰিছিল যে, তোমালোকৰ যুদ্ধ ক্ষেত্ৰত মৃত্যুবৰণ কৰা উচিত আছিল। তোমালোক যুদ্ধ ক্ষেত্ৰৰ পৰা উভতি অহা উচিত হোৱা নাই। এই কথা শুনি হজৰত ৰছুলে কৰিম (ছাঃ)য়ে কলে, এওঁলোক পৰাজয় বৰণকাৰী নহয়, বৰং কোৱা, পলাতক হলেও বাৰে বাৰে শত্ৰুক আক্ৰমণকাৰী চিপাহী। এই উক্তিৰ দ্বাৰা তেখেত (ছাঃ)য়ে ভৱিষ্যৎৰ সেই সমূহ যুদ্ধ সম্পৰ্কে ভৱিষ্যৎবাণী কৰিছিল; যি যুদ্ধ মুছলমান সকলে ছিৰিয়াৰ বিৰুদ্ধে কৰিছিল।

## মক্কা বিজয়

অষ্টম হিজৰীৰ ৰমজান মাহত, ৬২৯ খ্ৰীষ্টাব্দৰ ডিচেম্বৰ মাহত হজৰত মহম্মদ (ছাঃ)য়ে সেই চুড়ান্ত যুদ্ধৰ বাবে প্ৰস্তুত হৈছিল; যি যুদ্ধই আৰবত ইছলামৰ দৃঢ়তা স্থাপিত কৰিছিল। এই যুদ্ধৰ ঘটনা যি ভাৱে সংগঠিত হৈছিল সেয়া তলত উল্লেখ কৰা

হ'ল।

হুদায়বিয়াৰ সন্ধিত এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল যে, আৰবৰ গোত্ৰ সমূহৰ পৰা যাৰ ইচ্ছা মক্কাবাসীসকলৰ সৈতে যোগ দিব পাৰে আৰু যি সকলৰ ইচ্ছা হজৰত মহম্মদ (ছাঃ)ৰ লগত মিলিত হ'ব পাৰে। তদুপৰি আন এটা গুৰুত্ব পূৰ্ণ চৰ্ত এয়ে আছিল যে, দহ (১০) বছৰৰ ভিতৰত কোনোৱে কাৰো বিৰুদ্ধে যুদ্ধ নকৰিব। কিন্তু যদি কোনো পক্ষই আক্ৰমণ কৰি সন্ধিৰ চুক্তি ভঙ্গ কৰে; তেনেহলে উক্ত চৰ্ত কাৰ্য্যকাৰী নহ'ব। এই চুক্তি অনুসৰি আৰবৰ **বনু বকৰ** নামৰ এটি গোত্ৰ মক্কাবাসীৰ লগত যোগ দিয়ে। আৰু **খোজাআ** নামৰ গোত্ৰ টি ইছলামৰ নবী হজৰত মহম্মদ (ছাঃ)ৰ সৈতে মিলিত হয়। আৰবৰ কাফেৰ সকলে (বিধৰ্মী অবিশ্বাসী সকল) কোনো চুক্তি ৰক্ষাৰ ক্ষেত্ৰত বৰ গুৰত্ব দিয়া নাছিল। বিশেষকৈ মুছলমান সকলৰ সৈতে যি চুক্তি কৰা হৈছিল। ইপিনে **বনু বকৰ** গোত্ৰৰ লগত **খোজাআ** গোত্ৰৰ বিৰোধীতা বহু দিন ধৰি চলিছিল। হুদায়বিয়া সন্ধিৰ কিছুদিন পাছত **বনু বকৰ** গোত্ৰই মক্কাবাসী সকলৰ সৈতে পৰামৰ্শ কৰিলে যে, **খোজাআ** গোত্ৰ উক্ত সন্ধিৰ চুক্তি মতে বৰকৈ সন্তুষ্ট আৰু নিৰাপদে আছে। গতিকে এতিয়া তেওঁলোকৰ বিৰুদ্ধে আমি এই সুযোগত প্ৰতিশোধ লোৱাৰ সময় আহি পৰিছে। এই উদ্দেশ্য আগত ৰাখি মক্কাৰ **কোৰাইশ্ব** আৰু **বনু বকৰ** গোত্ৰ ঐক্য বদ্ধ হৈ বনু **খোজাআ** গোত্ৰৰ ওপৰত ৰাতিৰ অন্ধকাৰত গোপনে আক্ৰমণ কৰি তেওঁলোকৰ বহু সংখ্যক লোক নিৰ্মম ভাৱে হত্যা কৰে। যেতিয়া **খোজাআ** গোত্ৰ লোকে জানিব পাৰিলে যে, **কোৰাইশ্ব** গোত্ৰৰ লোক সকলে **বনু বক্কৰ** গোত্ৰৰ সৈতে মিলিত হৈ একেলগে আক্ৰমণ কৰিছে; তেতিয়া তেওঁলোকে চুক্তি ভঙ্গৰ এই সংবাদ তৎক্ষণাত দ্ৰুতগামী উটত উপবিষ্ট চল্লিছ জন ব্যক্তিৰ দ্বাৰা মদিনালৈ প্ৰেৰণ কৰে। তেওঁলোক মদিনাত গৈ হজৰত মহম্মদ (ছাঃ)ক এই বিশ্বাস ঘাতকতাৰ সংবাদ অৱগত কৰায় আৰু আবেদন কৰে যে, চুক্তি অনুসৰি এতিয়া আপোনাৰ কৰ্ত্তব্য আপুনি মক্কা আক্ৰমণ কৰি এই অন্যায়ৰ প্ৰতিশোধ গ্ৰহণ কৰক। উক্ত দাবী লৈ উটৰ আৰোহণকাৰী এই চল্লিছ জনীয়া দলটো যেতিয়া হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত উপস্থিত হ'ল, তেতিয়া তেখেত (ছাঃ)য়ে কলে, তোমালোকৰ দুঃখত মই বৰকৈ দুঃখিত। মই মোৰ প্ৰতিজ্ঞাত অটল আছোঁ। পুনৰ তেখেত (ছাঃ) মেঘৰ পিনে ইংগিত কৰি কলে, চোৱা ! এই যে এতিয়া বৰষুণ হৈ আছে (সেই সময়ত বৰষুণ হৈ আছিল) আৰু যিদৰে মেঘৰ পৰা ধাৰাসাৰ বৰষুণ বৰ্ষিত হৈছে ঠিক সেইদৰে ইছলামী সৈন্য বাহিনীও তোমালোকৰ সাহায্যৰ বাবে দ্ৰুত বেগে মক্কাত উপস্থিত হ'ব। ইপিনে মক্কাবাসী সকলে **খোজাআ** গোত্ৰৰ এই চল্লিছ জনীয়া প্ৰতিনিধি দল মদিনাত উপস্থিত সংবাদ শুনি বৰ চিন্তিত হৈ পৰে আৰু তেওঁলোকে আবু ছুফিয়ানক মদিনালৈ প্ৰেৰণ কৰে, যাতে তেওঁ মুছলমান সকলক যিকোনো উপায়ে

আক্রমণৰ পৰা বিৰত থাকিবলৈ বাধ্য কৰে। আবু ছুফিয়ান মদিনাত উপস্থিত হৈ হজৰত মহম্মদ (ছাঃ)ক এই অনুৰুধ কৰিলে যে, যিহেতু মই হুদায়বিয়াৰ সন্ধিৰ সময়ত উপস্থিত নাছিলোঁ, গতিকে সন্ধি চুক্তিখন পুনৰ নতুন কৈ লিখা উচিত। কিন্তু ইছলামৰ নবী হজৰত ৰছুল কৰিম (ছাঃ)য়ে তেওঁৰ এই প্রস্তাৱৰ কোনো উত্তৰ নিদিলে। কাৰণ হজৰত মহম্মদ (ছাঃ)য়ে জানিছিল যে, উত্তৰ দিলেই বিষয়টো ৰহস্য জনক ভাৱে আলোচনা আৰম্ভ হ'ব। তেতিয়া আবু ছুফিয়ান নিৰাশ হৈ মছজিদত থিয় হৈ ঘোষণা কৰিলে, হে লোক সকল ! মক্কাবাসীৰ পক্ষৰ পৰা হৈ আপোনালোকৰ বাবে নতুনকৈ শান্তিৰ ঘোষণা কৰিছোঁ। আবু ছুফিয়ানৰ এই ঘোষণা শুনি মুছলমান সকলে তেওঁৰ এই মৰ্মতাৰ বাবে হাঁহিবলৈ ধৰে। হজৰত মহম্মদ (ছাঃ)য়ে কলে, আবু ছুফিয়ান তুমি এই কথা এক তৰফীয়াকৈ কৈছা। মইতো তোমালোকৰ লগত কোনো চুক্তি কৰা নাই। ইয়াৰ পাছত হজৰত মহম্মদ (ছাঃ)য়ে চাৰিওফালে থকা মুছলিম গোত্র সমূহৰ ওচৰলৈ বাৰ্তা প্রেৰণ কৰিলে। যেতিয়া দূতৰ দ্বাৰা এই বাৰ্তা আহি পালে যে,মুছলমান সৈন্য সকল প্রস্তুত হৈছে আৰু তেওঁলোকে প্রত্যেকেই মাৰ্চ কৰি আহি মক্কা অভিমুখে যোৱাৰ বাটত হজৰত ৰছুলে কৰিম (ছাঃ)ৰ সৈতে মিলিত হ'ব।তেতিয়া তেখেত (ছাঃ)য়ে মদিনা বাসী সকলকো অস্ত্র-সজ্জিত হৈ প্রস্তুত হ'বলৈ আদেশ দিলে।

ইতিহাস সাক্ষ্য যে,৬৩০ খ্রীষ্টাব্দৰ ১ম জানুৱাৰীত এই সৈন্য বাহিনী মদিনাৰ পৰা মক্কা অভিমুখে যাত্রা কৰিলে। পথৰ চাৰিওফালৰ পৰা মুছলমান গোত্র সমূহ আহি মূল সৈন্য বাহিনীৰ লগত চামিল হ'ব ধৰে।কিছু দূৰ অতিক্রম কৰাৰ পাছত এই বৃহৎ সৈন্য বাহিনীৰ দল আহি ফাৰান মৰুভূমি খনত প্রৱেশ কৰে।সেই সময়ত মুছলমান সৈন্যৰ সংখ্যা হজৰত চুলেইমান পয়গম্বৰৰ ভৱিষ্যতবানী অনুসৰি দহ হাজাৰলৈ উন্নীত হৈছিল। এফালে এই সৈন্য বাহিনী যিমানেই মক্কাৰ ওচৰ চাপি আহিছিল;সিমানেই মক্কা বাসী সকলৰ হৃদয়ত আতংকৰ সঞ্চাৰ (সৃষ্টি) হৈছিল। অৱশেষত তেওঁলোকে পৰামৰ্শ কৰি আবু ছুফিয়ানক পুনৰ মক্কাৰ বাহিৰত গৈ মুছলমান সকলৰ আগমনৰ উদ্দেশ্য বুজ ল'বলৈ কলে, আবু ছুফিয়ান তেওঁলোকৰ কথা মতে মক্কাৰ পৰা এদিনৰ পথ(যোল্ল মাইল) অতিক্রম কৰি সন্ধিয়াৰ সময়ত এটি সৰু বনৰ ওচৰত উপস্থিত হৈ প্রত্যক্ষ কৰে যে,সমগ্র হাবিত জুই জ্বলি আছে আৰু সেই জুইৰ পোহৰত মৰুভূমি আলোকিত হৈ উঠিছে। হজৰত মহম্মদ (ছাঃ)য়ে আদেশ দিছিল যে, সকলো শিবিৰ (তম্বুৰ) সন্মুখত যেন জুই জ্বলাই ৰখা হয়।মৰুভূমিৰ বননিত দহ হাজাৰ সৈন্যৰ সকলো তম্বুৰ সন্মুখত প্রজ্বলিত এনে অগ্নিকুণ্ড এক ভয়ানক দৃশ্যৰ অৱতাৰণা কৰিছিল।আবু ছুফিয়ান তেওঁৰ সঙ্গী সকলক সুধিলে, বিষয়টো কি ? আকাশৰ পৰা সৈন্য বাহিনী অৱতাৰণা কৰিছে

নে ?কাৰণ আৰব কোনো জাতিৰ ইমান বৃহৎ সৈন্য বাহিনী নাই।তেওঁৰ সঙ্গী সকলে বিভিন্ন গোত্ৰৰ কথা কলে, কিন্তু আবু ছুফিয়ান কলে, নহয়, ই কেতিয়াও হ’ব নোৱাৰে। ইমান বিশাল সেনা বাহিনী আৰবৰ কোনো গোত্ৰৰেই হ’ব নোৱাৰে। যেতিয়া তেওঁলোকে এই ধৰণৰ কথা বতৰা পাতিছিল; সেই সময়ত অন্ধকাৰ বিদীৰ্ণ কৰি শব্দ আহিল,আবু হানজিলা।(আবু ছুফিয়ানৰ আন এক নাম)।আবু ছুফিয়ান তেতিয়া আশ্চৰ্য্য হৈ কলে,আববাছ! তুমি ক’ত আছা ?আববাছ কলে,ইছলামৰ পয়গম্বৰ সৈন্য বাহিনীয়ে সন্মুখতেই শিবিৰ স্থাপন কৰিছে।যদি তোমালোকে অতি সোনকালে কোনো উপায় অৱলম্বন নকৰা, তেন্তে তোমালোকৰ বাবে পৰাজয় আৰু লাঞ্ছনা অনিবাৰ্য্য।হজৰত আববাছ (ৰাঃ) আবু ছুফিয়ানৰ পুৰণি বন্ধু আছিল।সেই কাৰণে এইসমূহ আলোচনাৰ পাছত হজৰত আববাছ (ৰাঃ)আগ্ৰহৰে আবু ছুফিয়ানক কলে, মোৰ সৈতে উটৰ পিঠিত আৰোহণ কৰি হজৰত মহম্মদ (ছাঃ)ৰ ওচৰলৈ বলা।হজৰত আববাছ (ৰাঃ)য়ে আবু ছুফিয়ানৰ হাতত ধৰি টানি উটৰ পিঠিত নিজৰ কাষতে বহালে আৰু শেষত উটৰ ভৰিত প্ৰহাৰ কৰি দ্ৰুত ইছলামৰ পয়গম্বৰ হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত উপস্থিত হ’ল।হজৰত আববাছ (ৰাঃ)য়ে ভয় কৰিছিল যে তেখেত (ৰাঃ)ৰ সৈতে পহৰাত নিযুক্ত হজৰত ওমৰ (ৰাঃ) হয়তো আবু ছুফিয়ানক হত্যা কৰি পেলাব। কিন্তু ইছলামৰ পয়গম্বৰ দয়ালু নবী হজৰত মহম্মদ (ছাঃ) য়ে আগতেই কৈ দিছিল যে যদি তোমালোকৰ কাৰো লগত আবু ছুফিয়ানৰ সাক্ষাৎ হয়।তেন্তে তেওঁক বধ নকৰিবা।আবু ছুফিয়ানক হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত উপস্থিত কৰা হ’ল।তেখেত (ছাঃ)ৰ সৌহাৰ্দ পূৰ্ণ ব্যৱহাৰত আবু ছুফিয়ান বৰকৈ মুগ্ধ হয়।ইছলামৰ অদ্ভুতপূৰ্ব উন্নতি দেখি তেওঁ বিষ্মিত হয়। তেওঁ দেখিছিল যে, মাত্ৰ কেই বছৰ আগতেই মহম্মদ (ছাঃ)এজন শিষ্য সহ মক্কাৰ পৰা বহিষ্কাৰ কৰা হৈছিল। কিন্তু সাত বছৰৰ ভিতৰতেই তেখেত (ছাঃ) দহ হাজাৰ শিষ্য লৈ বিনা অত্যাচাৰত মক্কাত প্ৰৱেশ কৰিছে অথচ মক্কাবাসীৰ এনে কোনো শক্তি নাই যিয়ে তেখেত (ছাঃ)ক প্ৰতিৰোধ কৰিব পাৰে।

হজৰত মহম্মদ (ছাঃ)ৰ সংস্পৰ্শলৈ আহিয়েই চিন্তা আৰু ভয় ভীতিৰ কাৰণে আবু ছুফিয়ান অত্যন্ত কিংকৰ্ত্তব্য বুমূঢ় আৰু একেবাৰে নিৰাশ হৈ পৰিছিল। হজৰত ৰছুলে কৰিম (ছাঃ)য়ে তেওঁৰ এই উদ্বিগ্ন আৰু উৎকণ্ঠিত হোৱা দেখি কলে, আববাছ! আবু ছুফিয়ানক তুমি নিজৰ লগত লৈ যোৱা আৰু ৰাতি তোমাৰ ওচৰলৈ ৰাখিবা। কালি ৰাতিপুৱা ফজৰৰ নমাজৰ সময়ত তুমি তেওঁক মোৰ ওচৰলৈ লৈ আহিবা। হজৰত ৰছুলে কৰিম (ছাঃ)ৰ নিৰ্দেশ অনুসৰি ৰাতি আবু ছুফিয়ান হজৰত আববাছ (ৰাঃ)ৰ লগতেই থাকিল।ৰাতিপুৱা সময়ত যেতিয়া তেওঁক হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত উপস্থিত কৰা হ’ল;তেতিয়া ফজৰৰ নমাজৰ সময় আছিল।মক্কাৰ লোক সকলে ফজৰৰ

নমাজ সম্পৰ্কে একো নাজানিছিল।আবু ছুফিয়ান প্ৰত্যক্ষ কৰিলে যে,ফজৰৰ সময়ত মুছলমান সকলে পানীৰ লোটা লৈ ইফালে সিফালে অহা যোৱা কৰি আছে। কোনোবাই ওজু কৰিছে আকৌ কোনোবাই নমাজৰ বাবে শাৰী চিধা কৰিছে। তেতিয়া আবু ছুফিয়ান শংকিত হৈ অনুমান কৰিলে যে, তেওঁৰ বাবে হয়তো কোনো নতুন শাস্তিৰ ব্যৱস্থা কৰি আছে সেই কাৰণে তেওঁ ভীত হৈ হজৰত আববাছ (ৰাঃ)ক সুধিলে, আববাছ! এই মানুহবিলাকে দোক-মোকালিত উঠি কি কৰিছে? হজৰত আববাছ (ৰাঃ)য়ে উত্তৰ দিলে, তোমাৰ ভয়ৰ কোনো কাৰণ নাই।এওঁলোকে নমাজ পঢ়ি আছে।আবু ছুফিয়ান নিজ চকুৰে দেখিবলৈ পালে যে,হাজাৰ হাজাৰ মুছলমান হজৰত মহম্মদ (ছাঃ)ৰ পিছত শাৰীবদ্ধ হৈ থিয় হৈছে আৰু যেতিয়া তেখেত (ছাঃ)য়ে ৰুকু কৰিছে,তেতিয়া সকলোৱে অনুৰূপ ভাৱে ৰুকু কৰিছে। যেতিয়া তেখেত (ছাঃ)সাষ্টাঙ্গে প্ৰণিপাত কৰিছে; তেতিয়া পিছৰ সকলোৱে অনুৰূপ চিজদা কৰিছে।হজৰত আববাছ (ৰাঃ)য়ে যিহেতু পহৰাত নিযুক্ত আছিল; সেই কাৰণে তেওঁ নমাজত চামিল (অংশ গ্ৰহণ) কৰিব পৰা নাই। তেখেত (ৰাঃ)ক আবু ছুফিয়ানে সুধিলে,এতিয়া এওঁলোক কি কৰিছে?মই দেখিছো হজৰত মহম্মদ (ছাঃ) য়ে যি কৰিছে এওঁলোকেও তাকেই সম্পাদন কৰিছে।হজৰত আববাছ (ৰাঃ)য়ে কলে,আপুনি অযথা চিন্তা কৰিছে?এওঁলোক অৱশ্যই নমাজ আদায় কৰিছে। কিন্তু ইছলামৰ পয়গম্বৰ হজৰত মহম্মদ (ছাঃ)য়ে যদি এওঁলোকক খোৱা লোৱা পৰিত্যাগ কৰিবলৈ আদেশ দিয়ে তেন্তে তেওঁলোকে তাকেই কৰিব। আবু ছুফিয়ানে কলে,মই নিশ্চয় ৰোম সম্ৰাট কাইছাৰৰ দৰবাৰ দেখিছোঁ আৰু ইৰাণৰ বাদশ্বাহ কিচৰাৰ ৰাজ দৰবাৰো নিজ চকুৰে প্ৰত্যক্ষ কৰিছোঁ।কিন্তু এই কাৰো অনুসাৰী সকলৰ মাজত অৰ্থাৎ সিহঁতৰ জাতি সমূহৰ মাজত ইমান ভক্তি ভাৱ প্ৰত্যক্ষ কৰা নাই; যিমান ভক্তি আৰু শ্ৰদ্ধা ভাৱ হজৰত মহম্মদ (ছাঃ)ৰ অনুসাৰী সকলৰ মাজত দেখিবলৈ পাইছোঁ। (আছ ছিৰাতুল হালবিয়া, ৩য় খণ্ড, পৃঃ ৯১)

আবু ছুফিয়ান হজৰত আববাছ (ৰাঃ)ক পুনৰ সুধিলে,তুমি নিজেই হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত তেখেত (ছাঃ)ৰ জাতিৰ প্ৰতি ক্ষমাশীল ব্যৱহাৰৰ বাবে আবেদন কৰিব নোৱাৰানে?তেতিয়া হজৰত আববাছ (ৰাঃ) য়ে নমাজ পঢ়াৰ শেষত আবু ছুফিয়ানক লগত লৈ হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত উপস্থিত হ'ল।সিহঁতক দেখি হজৰত মহম্মদ (ছাঃ)য়ে কলে,আবু ছুফিয়ান! এতিয়ালৈকে তোমাৰ ওচৰত সেই সত্য প্ৰকাশিত হোৱা নাইনে যে, আল্লাহ এক আৰু অদ্বিতীয়? আল্লাহৰ বাহিৰে কোনো উপাস্য নাই । উত্তৰত আবু ছুফিয়ানে কলে, মোৰ পিতৃ-মাতৃ আপোনাৰ বাবে কুৰবান হওঁক আপুনি অতি বিনয়ী অতি সম্ভ্ৰান্ত অতি শান্ত স্বভাৱ সমান্ন, অতি সহানুভুতিশীল,অতি প্ৰিয়, দানশীল আৰু ক্ষমাশীল।মই এতিয়া নিশ্চয় বুজিব পাৰিছোঁ যে, যদি আল্লাহৰ বাহিৰে

আন কোনো উপাস্য থাকিলেহেঁতেন তেনেহলে তেওঁ আমাক অলপ হলেও সহায় কৰিলেহেঁতেন। তাৰ পিছত হজৰত মহম্মদ (ছাঃ)য়ে কলে, হে আবু ছুফিয়ান! এতিয়া তোমাৰ উপলব্ধি কৰাৰ সময় হোৱা নাই নে যে মই আল্লাহৰ ৰছুল ? আবু ছুফিয়ান প্ৰতি উত্তৰত কলে,মোৰ পিতৃ-মাতৃ আপোনাৰ নামত উৎসৰ্গীত হওঁক। এই বিষয়ে এতিয়াও কিছু সন্দেহ আছে।কিন্তু আবু ছুফিয়ানৰ হৃদয় সন্দেহ জনক থকা সত্বেও তেওঁৰ লগত মুছলমান সকলৰ গতিবিধিৰ খোজ লোৱাৰ বাবে অহা দুজন ব্যক্তিয়ে উভয়ে মুছলমান হৈ গ'ল। তাৰ পাছত ঘটনা ক্ৰমে আবু ছুফিয়ানো ইছলাম ধৰ্ম গ্ৰহণ কৰে। যিকেই নহওঁক যথা সম্ভৱ মক্কা বিজয়ৰ পূৰ্বে তেওঁৰ এক ঈশ্বৰ বাদৰ প্ৰতি পূৰ্ণ বিশ্বাস হোৱা নাছিল।কিন্তু মক্কা বিজয়ৰ পিছত তেওঁৰ হৃদয় সম্পূৰ্ণ মুকলি হয় আৰু এক ঈশ্বৰবাদত পূৰ্ণ বিশ্বাস স্থাপন কৰে।যি দুজন ব্যক্তি (তেওঁৰ লগত অহা) মুছলমান হৈছিল; সিহঁতৰ এজনৰ নাম হাকিম বিন হিজাম আছিল।মুছলমান হোৱাৰ পাছত হাকিম বিন হিজাম কলে,হে আল্লাহৰ ৰছুল! আপুনি এই সৈন্য বাহিনীক নিজ জাতিক ধ্বংস কৰাৰ নিমিত্তে গঠন কৰিছেনে ?হজৰত মহম্মদ (ছাঃ)য়ে কলে, মক্কাবাসী সকলে অতি নিষ্ঠুৰ।তেওঁলোকে মুছলমান সকলৰ ওপৰত বৰকৈ অত্যাচাৰ কৰিছে আৰু পাপ কৰিছে। তেওঁলোকে হুদায়বিয়াৰ সন্ধি চুক্তি ভঙ্গ কৰিছে আৰু **খোজাআ** গোত্ৰৰ বিৰুদ্ধে নিৰ্দয় ভাৱে যুদ্ধ কৰিছে। তেওঁলোকে আল্লাহৰ নিষিদ্ধ পৱিত্ৰ স্থানতো যুদ্ধ কৰিছে, যি স্থানত আল্লাহ পাক শান্তি স্থাপন কৰিছে। হাকিম কলে, হে আল্লাহৰ প্ৰিয় হাবিব! এই সকলো কথা সঁচা। আমাৰ জাতি অৱশ্যই আপোনাৰ আৰু আপোনাৰ অনুচৰ সকলৰ সৈতে এনেকুৱা আচৰণ কৰিছে।কিন্তু আপোনাৰ মক্কা আক্ৰমণ কৰাৰ পৰিৱৰ্তে **হাৱাজিন** গোত্ৰৰ ওপৰত আক্ৰমণ কৰা উচিত আছিল। হজৰত মহম্মদ (ছাঃ)য়ে উত্তৰ দিলে,নিশ্চয় জানো তেওঁলোকেও অত্যাচাৰী জাতি। কিন্তু মোৰ বিশ্বাস যে, আল্লাহ পাক মক্কা বিজয় কৰোতে **হাৱাজিন** গোত্ৰ নিঃশেষ কৰোতে আৰু ইছলামৰ প্ৰভুত্ব স্থাপনৰ বাবে একমাত্ৰ যোগ্য ব্যক্তি ৰূপে মোকেই মনোনীত কৰিছে। মোৰ দ্বাৰা এই সমূহ কাৰ্য্য নিশ্চয় সম্পাদন হ'ব। আবু ছুফিয়ান কলে, হে আল্লাহৰ প্ৰিয় ৰছুল! যদি মক্কাবাসীয়ে মুখা-মুখি হোৱাৰ বাবে নিজ হাতে অস্ত্ৰ ধাৰণ নকৰে,তেনেহলে তেওঁলোকে নিৰাপত্তা পাবনে ? উত্তৰত আল্লাহৰ প্ৰিয় ৰছুল হজৰত মহম্মদ (ছাঃ)য়ে কলে, নিশ্চয়। যি সকল ব্যক্তিয়ে নিজৰ গৃহৰ দৰ্জা বন্ধ কৰি ৰাখিব,তেওঁলোক প্ৰত্যেকেই নিৰাপত্তা পাব।সেই সময়ত হজৰত আববাছ (ৰাঃ)য়ে কলে, হে আল্লাহৰ ৰছুল! আবু ছুফিয়ান এজন প্ৰতিষ্ঠাবান সম্ৰান্ত পৰিয়ালৰ লোক।তেওঁ নিজৰ সম্পৰ্কে অতি শংকিত। তেওঁৰ ইচ্ছা এয়ে যে,মক্কাবাসীৰ সন্মুখত যেন তেওঁৰ মান সন্মান অটুট থাকে।এই কথা শ্ৰৱণ কৰি হজৰত মহম্মদ (ছাঃ)য়ে কলে,বৰ ভাল কথা। যি ব্যক্তি আবু ছুফিয়ানৰ গৃহত আশ্ৰয় ল'ব,তেওঁক নিশ্চয় নিৰাপত্তা দান কৰা হ'ব।যি ব্যক্তি হাকিম বিন হিজামৰ গৃহত আশ্ৰয় ল'ব,তেওঁকো

নিৰাপত্তা দান কৰা হ'ব।যি ব্যক্তি মছজিদুল হাৰাম (কাবা) ত প্ৰৱেশ কৰিব তেওঁৰো শান্তিত নিৰাপদ থাকিব।তেওঁৰ বাবে মোৰ আশ্বাস থাকিল।ইয়াৰ পিছত আবু ৰুৱাইহা (ৰাঃ) যাক হজৰত মহম্মদ (ছাঃ)য়ে আবি ছিনিয়াৰ দাস হজৰত বিলাল (ৰাঃ)ৰ ভাতৃ কৰিছিল; তেওঁক মাতিলে আৰু ইছলামৰ বিজয়ৰ পতাকা তেওঁৰ হাতত দি কলে,মই এতিয়া আবু ৰুৱাইহাৰ হাতত ইছলামৰ বিজয় পতাকা তুলি দিলোঁ।যি জনে এই ৰুৱাইহাৰ পতাকাৰ তলত আশ্ৰয় গ্ৰহণ কৰিব;তেওঁৰ কোনো ক্ষতি কৰা নহ'ব।আনহাতে হজৰত বিলাল (ৰাঃ)য়ে কলে, তুমি আবু ৰুৱাইহাৰ লগত খোজ কাঢ়ি গৈ থাকা আৰু ঘোষণা কৰি থাকা যে,যি জন ব্যক্তি তেওঁৰ পতাকাৰ তলত আশ্ৰয় ল'ব তেওঁক নিৰাপত্তা দিয়া হ'ব।( আছ ছিৰাতুল হালবিয়া: ৩য় খণ্ড, পৃঃ ৯১)

উক্ত আদেশৰ মাজতে সূক্ষ্ম আৰু সুন্দৰ হিকমত নিহিত আছিল; মক্কাবাসীয়ে হজৰত বিলাল (ৰাঃ)ৰ ভৰিত ৰচী বান্ধি মক্কাৰ প্ৰতিটো গলিত চোঁচৰাই নিছিল।মক্কাৰ অলি গলিত,স্থলত,জলত কতো হজৰত বিলাল (ৰাঃ)ৰ বাবে নিৰাপদ ঠাই নাছিল।অথচ কেৱল দুঃখ কষ্ট,যন্ত্ৰণা,অত্যাচাৰ,নিৰ্যাতিন আৰু অপমানহে কৰিছিল। সেই বাবে হজৰত মহম্মদ (ছাঃ)য়ে ভাৱিলে হয়তো হজৰত বিলাল (ৰাঃ)ৰ হৃদয় আজি বিৰোধী কাফেৰ সকলৰ বিৰুদ্ধে প্ৰতিশোধ লোৱাৰ বাবে অধীৰ (উদগ্ৰীৱ) হৈ আছে।গতিকে এই একনিষ্ঠ প্ৰিয় শিষ্য জনক আজি সন্তুষ্ট কৰা নিশ্চয় প্ৰয়োজন।কিন্তু ইওঁ সঁচা যে,আমাৰ প্ৰতিশোধ কেৱল ইছলামী মৰ্যদাৰে সঙ্গতিপূৰ্ণ হোৱা আৱশ্যক।সেই কাৰণে হজৰত মহম্মদ (ছাঃ)য়ে হজৰত বিলাল (ৰাঃ)ক তৰোৱালৰ দ্বাৰা প্ৰতিশোধ লোৱা নিষেধ কৰিলে।লগতে তেখেত (ৰাঃ)ৰ ডাঙৰ ভাই আবু ৰুৱাইহাৰ হাতত ইছলামৰ বিজয় পতাকা তুলি তেখেত (ৰাঃ) ক ঘোষণা কৰিবলৈ কলে যে,যদি কোনো ব্যক্তি তেওঁৰ ভাতৃৰ পতাকাৰ তলত আশ্ৰয় লয়; তেন্তে তেওঁক নিৰাপত্তা দিয়া হ'ব।কিমান যে বিচিত্ৰ,মধুৰ আৰু মহীয়ান প্ৰতিশোধ ব্যৱস্থা আছিল।এই প্ৰতিশোধ ব্যৱস্থাত প্ৰত্যক্ষ ভাৱে কোনো তৰোৱালৰ দ্বাৰা শত্ৰুৰ ডিঙি কাটি লোৱা হোৱা নাছিল। যেতিয়া হজৰত বিলাল (ৰাঃ)য়ে উচ্চ কণ্ঠে ঘোষণা কৰিব ধৰিলে, হে মক্কাৰ অধিবাসী সকল! তোমালোকে মোৰ ভাই আবু ৰুৱাইহাৰ পতাকাৰ তলত আশ্ৰয় গ্ৰহণ কৰা। তোমালোকক নিৰাপত্তা দান কৰাৰ অভয় দিয়া হৈছে। সেই সময়ত নিশ্চয় তেখেত (ৰাঃ)ৰ হৃদয়ৰ পৰা প্ৰতিশোধৰ স্পৃহা বিনষ্ট হৈছিল। তেখেত (ৰাঃ)য়ে উপলব্ধি কৰিছিল যে,হজৰত মহম্মদ (ছাঃ)য়ে মোৰ বাবে প্ৰতিশোধৰ যি পন্থা নিৰ্দ্ধাৰণ কৰিছিল তাতকৈ মৰ্য্যদাপূৰ্ণ আৰু উত্তম প্ৰতিশোধৰ ব্যৱস্থা আন একো হ'ব নোৱাৰে।

সৈন্য বাহিনীয়ে যেতিয়া মক্কা অভিমুখে যাত্ৰা আৰম্ভ কৰিলে;তেতিয়া হজৰত

মহম্মদ (ছাঃ)য়ে হজৰত আববাছ (ৰাঃ)ক আদেশ দিলে, তুমি পথৰ কাষত আবু ছুফিয়ান আৰু তেওঁৰ সঙ্গী সকলক লগত লৈ এনেদৰে থিয় হৈ থাকা যাতে সিহঁতে ইছলামী সৈন্য বাহিনীৰ প্ৰভু ভক্তি,অনুকৰণ আৰু আন্তৰিকতা প্ৰত্যক্ষ কৰিব পাৰে। হজৰত আববাছ (ৰাঃ)য়ে হজৰত মহম্মদ (ছাঃ)ৰ আদেশ অনুসৰি তাকেই কৰিলে। আবু ছুফিয়ান আৰু তাৰ সঙ্গী সকলৰ সন্মুখেৰে আৰবৰ সমূহ গোত্ৰ এটাৰ পাছত এটাকৈ বাট অতিক্ৰম কৰি যাব ধৰিলে। এসময়ত মক্কাবাসীয়ে যিসকলৰ সাহায্যৰ বাবে আশঙ্কা কৰিছিল আৰু তেওঁলোকৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰ কৰিছিল; আজি তেওঁলোকৰ হাতত কুফৰী পতাকা অৰ্থাৎ ইছলামৰ বিৰুদ্ধে বিদ্ৰোহৰ পতাকা নাই। বৰঞ্চ তেওঁলোকৰ হাতত আজি ইছলামৰ বিজয় পতাকা উৰিছে আৰু তেওঁলোকৰ মূখৰ পৰা সৰ্বশক্তিমান আল্লাহৰ একত্ব বাদৰ ঘোষণা উচ্চাৰিত হৈ আছে। আজি ঘোষণা হৈ আছে **এক মেবা-দ্বিতীয়মৰ** বিজয়। আজি তেওঁলোকে আল্লাহৰ প্ৰিয় ৰছুলে কৰিম (ছাঃ)ৰ প্ৰাণ নাশৰ বাবে অগ্ৰহৰ হোৱা নাই; যাৰ আশাত মক্কা বাসীয়ে আগ্ৰহেৰে বাট চাই আছিল। কিন্তু তেওঁলোক আজি হজৰত মহম্মদ (ছাঃ)ৰ বাবে দেহৰ শেষ বিন্দু তেজ পৰ্য্যন্ত বিসৰ্জন দিয়াৰ কাৰণে প্ৰস্তুত হৈ আহিছে।তেওঁলোকে আজি নিজৰ প্ৰাণ উৎসৰ্গ কৰিবলৈ কোনো কুন্ঠাবোধ নকৰে। তেওঁলোকৰ জীৱনৰ অন্তিম ইচ্ছা এয়ে আছিল যে, এক আল্লাহৰ তৌহিদ (একত্ববাদ) আৰু প্ৰচাৰ কাৰ্য্যক পৃথিৱীৰ প্ৰতিটো প্ৰান্তত স্থাপন নিশ্চয় কৰিব। এটাৰ পিছত এটাকৈ ইছলামী সৈন্য শৃংখলাৱদ্ধ ভাৱে আগ বাঢ়িবলৈ ধৰিছিল। কি বিচিত্ৰ মনোৰম দৃশ্য এয়া আছিল; ইয়াৰ লগত **আশ্বজা** গোত্ৰৰ সৈন্যবাহিনীও আছিল। আবু ছুফিয়ানৰ সন্মুখেৰে এই **আশ্বজা** গোত্ৰৰ লোক শ্লোগান দি আগ বাঢ়ি গৈ আছিল। ইছলামৰ প্ৰতি শ্ৰদ্ধা ভক্তি আৰু আত্মবিসৰ্জনৰ উৎসাহ সিহঁতৰ মুখাকৃতি আৰু শ্লোগানৰ পৰাই স্পষ্ট নিৰ্গত হৈছিল। তাকে দেখি আবু ছুফিয়ানে কলে, আববাছ এওঁলোক কোন ? হজৰত আববাছ (ৰাঃ)য়ে উত্তৰ দিলে, এওঁলোক **আশ্বজা** গোত্ৰৰ মানুহ (যুদ্ধা)। আবু ছুফিয়ান বিস্মিত হৈ হজৰত আববাছ (ৰাঃ)ৰ মুখৰ পিনে চাই কলে, কি কলা ! এসময়ত সমগ্ৰ আৰব দেশত ইহঁতকৈ কঠোৰ বিৰোধী হজৰত মহম্মদৰ ৰছুলুল্লাহ (ছাঃ)ৰ আন কোনো নাছিল। তেতিয়া হজৰত আববাছ (ৰাঃ)য়ে কলে, এই সমূহ এক আল্লাহৰ কৃপা। সেই মহান সৃষ্টি কৰ্তাই সিহঁতৰ হৃদয় ইছলামৰ গভীৰ প্ৰেম আৰু ভক্তিৰ অনুভূতিৰে পৰিপূৰ্ণ কৰি দিছে। অৱশেষত, সকলোৰে পিছত হজৰত মহম্মদ (ছাঃ), ইছলামৰ পয়গাম্বৰ, নবীৰ মোহৰ নবীয়ে মুহাজিৰ (মক্কাত্যাগী) আৰু আনছাৰ (মদিনাৰ সাহায্যকাৰী মুছলমান) সকলোৰে গঠিত সৈন্য বাহিনী লৈ অতিক্ৰম কৰি যায়। এই সৈন্য বাহিনীৰ সংখ্যা প্ৰায় দুই হাজাৰ (২০০০) আছিল। তেওঁলোক প্ৰত্যেকেই ভৰিৰ পৰা মূৰ লৈকে সম্পূৰ্ণ যুদ্ধ সাজে অস্ত্ৰ সহ সজ্জিত আছিল। হজৰত ওমৰ (ৰাঃ) তেওঁলোকক শাৰীৱদ্ধ ভাৱে শৃংখলাৱদ্ধ হৈ

অগ্ৰসৰ হ'বলৈ নিৰ্দেশ দিছিল আৰু কৈছিল, ঠিক মতে মাৰ্চ কৰা,শাৰী যেন পোন থাকে। সেই দীৰ্ঘ দিনৰ ইছলামৰ প্ৰতি ভক্তি, দৃঢ়চিত্তা আৰু উৎসাহ সিহঁতৰ পৰা বিচ্ছুৰিত হৈছিল। এই পুৰণি সেৱক সকলৰ উৎসাহ, ধৈৰ্য্য আৰু অগাধ শ্ৰদ্ধা দেখি আবু ছুফিয়ানৰ হৃদয় আবেগত কম্পিত হৈ উঠিছিল।তেওঁ সুধিলে, আববাছ ইহঁত কোন ? হজৰত আববাছ উত্তৰ দিলে, হজৰত ৰছুল কৰিম (ছাঃ)ৰ সৈতে অহা এওঁলোক মুহাজিৰ আৰু আনছাৰ। তেতিয়া আবু ছুফিয়ান কৈ উঠিলে, বিশ্বত এনে কোনো নাই, যিয়ে এই সৈন্য বাহিনীৰ প্ৰতিৰোধ কৰিব পাৰে। আকৌ তেওঁ হজৰত আববাছ (ৰাঃ)ক সম্বোধন কৰি কলে, আববাছ ! তোমাৰ ভতিজা আজি পৃথিৱীৰ আটাইতকৈ ডাঙৰ বাদশ্বাহ। হজৰত আববাছ (ৰাঃ)য়ে উত্তৰ দিলে, আবু ছুফিয়ান ! এতিয়ালৈকে তোমাৰ অন্তঃদৃষ্টি মেল খোৱা নাই। এখেত ৰজা বা সম্ৰাট নহয়। এখেত হ'ল অৱতাৰ সত্তা, আল্লাহৰ প্ৰিয় ৰছুল। ইয়াকে শুনি আবু ছুফিয়ান কলে, হ'ব বাৰু, তোমাৰ কথাকেই মানিলোঁ। নবী কেতিয়াও ৰজা নহয়। এই সৈন্য বাহিনী আবু ছুফিয়ানৰ সন্মুখেৰে অতিক্ৰম কৰা সময়ত আনছাৰ সকলৰ সেনাপতি ছাদ বিন উবাদা আবু ছুফিয়ানক প্ৰত্যক্ষ কৰিছিল। তেওঁ কলে, আজি আমি তৰোৱালৰ বলত মক্কাত প্ৰৱেশ কৰিছোঁ। আজি আমি কোৰাইশ্ব সকলক দৰ্পচূৰ্ণ কৰিহে এৰিম।

হজৰত মহম্মদ (ছাঃ) যেতিয়া আবু ছুফিয়ানৰ ওচৰেৰে অগ্ৰসৰ হৈ আছিল; তেতিয়া তেওঁ উচ্চস্বৰে ক'ব ধৰিলে, হে আল্লাহৰ ৰছুল ! আপুনি আজি আপোনাৰ জাতিক সৰ্বনাশ কৰাৰ আদেশ দিছেনে ? এই মাত্ৰ আনছাৰ চৰ্দাৰ ছাদ বিন উবাদা আৰু তেওঁৰ সঙ্গীসকলে এই কথা কৈ গ'ল। তেওঁলোকে কলে যে , আজি নিশ্চয় যুদ্ধ হ'ব। মক্কাৰ পৱিত্ৰতাই আজি তেওঁলোকক যুদ্ধ কৰাৰ পৰা বিৰত ৰাখিব নোৱাৰে। মক্কাৰ মৰ্য্যদা আজি বাধা হ'ব নোৱাৰে। আজি তেওঁলোকে কোৰাইশ্ব সকলৰ দৰ্পচূৰ্ণ কৰিহে এৰিব। হে আল্লাহৰ ৰছুল ! আপুনি বিশ্বৰ সৰ্বশ্ৰেষ্ঠ দয়ালু আৰু নিজ আত্মীয়-স্বজনৰ পক্ষে স্নেহশীল স্বৰূপ। আপোনাৰ জাতিৰ সেই নিৰ্মম অত্যাচাৰ, প্ৰহাৰ, নিৰ্যাতন আৰু অপব্যৱহাৰ আপুনি পাহৰি সিহঁতক ক্ষমা কৰিব নোৱাৰে নে ? আবু ছুফিয়ানৰ এই কাতৰ প্ৰাৰ্থনা ফলপ্ৰসূ হ'ল। তেওঁৰ কৰুণা প্ৰাৰ্থনাত মুহাজিৰ সকলৰ হৃদয়ত কৰুণাৰ সঞ্চাৰ হ'ল। যদিও মুহাজিৰ সকলক এটা সময়ত মক্কাৰ প্ৰতিটো বাটে পথে (অলিতে-গলিতে) নিৰ্মম ভাৱে প্ৰহাৰ কৰা হৈছিল; অত্যাচাৰ কৰা হৈছিল, নিৰ্যাতন কৰা হৈছিল, অশ্লীল ভাষাৰে গালি-শপনি পাৰিছিল, ধন সম্পদ সকলো কাৰি লোৱা হৈছিল আনকি তেওঁলোকক গৃহৰ পৰা বেদখল কৰি বহিষ্কাৰ কৰা হৈছিল; তথাপি আজি তেওঁলোকৰ হৃদয়ত মক্কাবাসীৰ প্ৰতি দয়াৰ উদ্ৰেক হ'ল। তেওঁলোকে কলে, হে আল্লাহৰ ৰছুল !

আনছাৰ সকলে মক্কাবাসীৰ যিবোৰ অত্যাচাৰৰ কাহিনী স্বৰণ কৰিছে; তাৰ পৰিণতিত নাজানো তেওঁলোকে আজি সিহঁতৰ সৈতে কেনে ব্যৱহাৰ কৰিব। ইছলামৰ পয়গাম্বৰ দয়ালু নবী হজৰত মহম্মদ (ছাঃ)য়ে কলে, আবু ছুফিয়ান ! ছাদ বিন উবাদা যি কৈছে, সেয়া সঁচা নহয়। আজি প্ৰতিশোধ গ্ৰহণ কৰাৰ দিন নহয় বৰং আজি ক্ষমাৰ দিনহে। আজি মহা মিলন প্ৰাপ্তিৰ দিন। আজি নিশ্চয় মহান আল্লাহ পাক পৱিত্ৰ মক্কা আৰু মক্কাবাসীক যথোচিত সন্মানে বিভূষিত কৰিব। ইয়াৰ পিছত হজৰত মহম্মদ (ছাঃ)য়ে হজৰত ছাদ (ৰাঃ)ক মাতি আনি কলে, তোমাৰ পতাকা তোমাৰ পুত্ৰ কাইছৰ হাতত দিয়া। এতিয়াৰ পৰা তোমাৰ সলনি তেওঁৰেই আনছাৰ সকলৰ সেনাপতি হ'ব।
(ছিৰাতুল হালবিয়া: ৩য় খণ্ড, পৃ: ৯৩)

এইদৰে তেখেত (ছাঃ)য়ে মক্কাবাসীক শাস্তি আৰু আনছাৰ সকলক নিৰাশা হোৱাৰ পৰা ৰক্ষা কৰে। কাইছৰ ওপৰত হজৰত মহম্মদ (ছাঃ)ৰ পূৰ্ণ আস্থা আছিল। কাৰণ, কাইছ এজন অতি ধৰ্মনিষ্ঠ আৰু ভদ্ৰ যুৱক আছিল। তেওঁৰ বিষয়ে ইতিহাসত উল্লেখ আছে যে, যেতিয়া তেওঁৰ মৃত্যুৰ সময় উপস্থিত হৈছিল; তেতিয়া কাইছৰৰ কিছু আত্মীয়-স্বজন তেওঁৰ সেৱা শ্ৰদ্ধাৰ বাবে আহিছিল আৰু কিছু সংখ্যক অহা নাছিল। তেওঁ বন্ধু সকলক সুধিছিল যে, ঘটনাটো কি ? অন্যান্য সকল মোৰ সৈতে অন্তিম সাক্ষাৎ কৰিবলৈ নাহিল কিয় ? বন্ধু সকলৰ মাজৰ পৰা কোনো এজনে উত্তৰ দিছিল, আপুনি নিশ্চয় বৰ উদাৰ প্ৰকৃতিৰ মানুহ আৰু প্ৰচুৰ আপোনাৰ দান দক্ষিণা। বহু মানুহ দুঃখ কষ্ট আৰু অভাৱত আপোনাৰ যথেষ্ট আৰ্থিক সহায় লাভ কৰিছিল। চহৰৰ বহুত লোক আপোনাৰ ওচৰত ঋণ। তেওঁলোক আপোনাৰ সেৱা-যত্নৰ বাবে নহাৰ কাৰণ হয়তো এই মৃত্যু শয্যাত পৰি থকা অৱস্থাত আপোনাৰ টকা-পইচাৰ প্ৰয়োজন হ'ব পাৰে আৰু আপুনি নিশ্চয় সেই টকা-পইচা সিহঁতৰ পৰা বিচাৰিব পাৰে। এই কথা শ্ৰৱণ কৰি কাইছ চাহাবে কলে, হায় ! হায় ! তেন্তে মই নিশ্চয় মোৰ বন্ধুসকল আৰু মিতিৰ কুটুম্বৰক আঁতৰত ৰখাৰ এক মাত্ৰ কাৰণ।নিশ্চয় মই মোৰ প্ৰিয় বন্ধু আৰু আত্মীয় স্বজনক বিনা কাৰণত হৃদয়ত কষ্ট দিছোঁ। তোমালোকে যোৱা মোৰ হৈ এই সমগ্ৰ চহৰত ঘোষণা কৰি দিয়া যে, যিসকল ব্যক্তি কাইছৰৰ ওচৰত ঋণী; তেওঁলোক সকলোকে ঋণ মুক্ত কৰি দিয়া হৈছে। উক্ত ঘোষণাৰ পাছত তেওঁৰ সৈতে সাক্ষাৰ্থী আলহীৰ সমাগম অন্তিম দিনলৈকে ইমান বৃদ্ধি হৈছিল যে, তেওঁৰ ঘৰৰ জখলা ভাঙি যোৱাৰ উপক্ৰম হৈছিল।

যিকেই নহওঁক, এতিয়া পূৰ্বৰ কথালৈ আহোঁ। যেতিয়া ইছলামী সৈন্য বাহিনী

কিছু দূৰ অগ্রসৰ হৈছিল; তেতিয়া হজৰত আববাছ (ৰাঃ)য়ে আবু ছুফিয়ানক কলে, এতিয়া তুমি তোমাৰ বাহন ঘোঁৰা লৈ অতি সোনকালে মক্কালৈ যোৱা আৰু তাত গৈ মক্কাবাসীক সাৱধান কৰি কোৱা যে, ইছলামৰ পয়গাম্বৰ হজৰত মুহাম্মাদুৰ ৰাছুলুল্লাহ (ছাঃ) মক্কালৈ আহি আছে আৰু কৈ দিয়া যে, উপযুক্ত চৰ্ত সাপেক্ষে তোমালোকক অভয় দান কৰা হৈছে। আবু ছুফিয়ান এই কথা শুনি মনে মনে বৰকৈ আনন্দিত হৈছিল; তেওঁ শান্তিৰ বাৰ্তা লৈ মক্কাত উপস্থিত হৈ ঘোষণা কৰিলে যে, হয়তো তেওঁ মক্কাবাসীৰ পৰিত্ৰাণৰ এটা উপায় নিশ্চয় উলিয়াব পাৰিছে। কিন্তু তেওঁৰ পত্নী হিন্দা ইছলামৰ প্ৰাথমিক যুগৰ পৰাই মুছলমানৰ বিৰুদ্ধে মক্কাবাসীৰ হৃদয়ত ঘৃণা আৰু বিদ্বেষৰ বীজ বপন কৰি আহিছিল। তাই সকলোৰে হৃদয়ত বিষাক্ত উচ্‌টনি ঢালি দিছিল। তাই এজনী কাফেৰ মহিলা হোৱা সত্ত্বেও প্ৰকৃততে এজনী নিৰ্ভীক বীৰাঙ্গানাও আছিল। তাই অগ্রসৰ হৈ নিজ স্বামীৰ দাড়ী ধৰিলে আৰু মক্কাবাসীক উদ্দেশ্য কৰি চিঞৰি ক’ব ধৰিলে, তোমালোক সকলোৱে আহা আৰু এই নিৰ্বোধ বুঢ়াজনক (স্বামীক) হত্যা কৰি পেলোৱা। কাৰণ তেওঁৰ কৰ্তব্য আছিল মক্কাবাসীক উপদেশ দিয়া, যাতে মক্কাবাসীয়ে নিজৰ প্ৰাণ আহুতি দি হলেও মক্কা চহৰখনৰ সন্মান ৰক্ষা কৰিব পাৰে। তাৰ পৰিবৰ্তে তেওঁ তোমালোকক নিৰাপত্তাৰ অভয় দান ঘোষণা কৰিছে। আবু ছুফিয়ান নিজৰ স্ত্রী হিন্দাৰ এনে অপচেষ্টা দেখি কলে, হে মূৰ্খ মহিলা; এতিয়া এইবোৰ কথা কোৱাৰ সময় নহয়। মঙ্গল কামনা কৰা যদি নিজ গৃহত গৈ আত্মগোপন কৰি থকা। মই নিজে মুছলমান সকলৰ বৃহৎ সৈন্য বাহিনীৰ দল প্ৰত্যক্ষ কৰি আহিছোঁ। সেই সৈন্য বাহিনীক সমগ্ৰ আৰব জাতিয়েও আজি প্ৰতিৰোধ কৰিব নোৱাৰিব। তাৰ পিছত আবু ছুফিয়ান উচ্চস্বৰে নিৰাপত্তা দানৰ চৰ্ত সমূহ ঘোষণা কৰিব ধৰিলে। চৰ্ত সমূহ শ্ৰৱণ কৰি মক্কাবাসীয়ে চাৰিওফালৰ পৰা জ্ঞান শূন্য হৈ সেই স্থানৰ পিনে দৌৰিব ধৰিলে, যি স্থানৰ কথা হজৰত ৰছুল কৰিম (ছাঃ)য়ে ইস্তেহাৰত (বিজ্ঞাপনত) উল্লেখ কৰিছিল। যি সকলৰ ক্ষেত্ৰত এই নিৰাপত্তা প্ৰযোজ্য নাছিল, তেওঁলোকৰ সংখ্যা পুৰুষ এঘাৰ জন আৰু মহিলা চাৰি জনী আছিল। এই পোন্ধৰজনৰ বিৰুদ্ধে হজৰত ৰছুল কৰিম (ছাঃ)ৰ আদেশ আছিল প্ৰাণদণ্ডৰ। এওঁলোক প্ৰত্যেকেই যুদ্ধ অপৰাধী আছিল কিন্তু অবিশ্বাসৰ বাবে হাই কাজিয়াৰ অপৰাধী নাছিল।

এই সুযোগতেই ইছলামৰ পয়গাম্বৰ হজৰত মহম্মদ (ছাঃ)য়ে হজৰত খালিদ বিন অলীদ (ৰাঃ)ক কঠোৰ ভাৱে আদেশ দিছিল যে, যেতিয়ালৈকে কোনো ব্যক্তি যুদ্ধ নকৰে, তেতিয়ালৈকে তুমিও যুদ্ধ নকৰিবা। আনকি কোনো মুছলমান সৈন্যক যাতে কোনো মক্কাবাসী কাফেৰৰ ওপৰত প্ৰথমে আক্ৰমণ কৰিবলৈ আদেশ দিয়া নহয়। কিন্তু পৰিতাপৰ বিষয় এই যে, যি দিশেৰে হজৰত খালিদ (ৰাঃ) মক্কাত প্ৰৱেশ কৰিছিল; সেই

অঞ্চলৰ মানুহে তেতিয়ালৈকে ইস্তেহাৰৰ (বিজ্ঞাপনৰ) চৰ্তসমূহ শ্ৰৱণ কৰা নাছিল।সেই কাৰণে সেই অঞ্চলৰ সৈন্যবোৰে হজৰত খালিদ (ৰাঃ)ৰ সৈতে যুদ্ধ কৰিবলৈ আগুৱাই আহে। ফলত দুয়ো পক্ষৰ মাজত সংঘৰ্ষ হয়। এই সংঘৰ্ষত চৌবিশ (২৪)জন মুছলমান সৈন্য নিহত হয়। কোনো কোনো বৰ্ণনা এই নিহতৰ সংখ্যা বাৰ/তেৰ (১২/১৩) জন আছিল। ( ইবনে হিশাম)

যিহেতু হজৰত খালিদ (ৰাঃ)এজন উগ্ৰ প্ৰকৃতিৰ ব্যক্তি আছিল।সেই বাবে এজন ব্যক্তি দৌৰি গৈ হজৰত মহম্মদ (ছাঃ)ক সংবাদ দিলে আৰু হজৰত খালিদ (ৰাঃ)ক নিয়ন্ত্ৰণ কৰিবলৈ আবেদন জনালে। অন্যথায় তেখেত (ৰাঃ)য়ে নিশ্চয় আজি বহু মক্কাবাসীক হত্যা কৰি পেলাব। সংবাদ পাই হজৰত মহম্মদ (ছাঃ)য়ে হজৰত খালিদ (ৰাঃ)ক মাতি পঠালে।হজৰত খালিদ (ৰাঃ)অহাৰ পিছত হজৰত মহম্মদ (ছাঃ)য়ে তেখেত (ৰাঃ)ক কলে,খালিদ! মই তোমাক যুদ্ধ কৰিবলৈ নিষেধ কৰা নাই নে? উত্তৰত হজৰত খালিদ (ৰাঃ) য়ে কলে,হে আল্লাহৰ ৰছুল! আপুনি নিশ্চয় যুদ্ধ কৰিবলৈ নিষেধ কৰিছিল।কিন্তু সিহঁতেই প্ৰথমে আমাৰ ওপৰত আক্ৰমণ কৰে আৰু আমাৰ ওপৰত ভীষণ ভাৱে বাণ নিক্ষেপ কৰিবলৈ ধৰে মই কিছু সময় অপেক্ষা কৰিছিলোঁ আৰু সিহঁতক কৈছিলোঁ যে,আমি তোমালোকৰ সৈতে যুদ্ধ কৰিবলৈ অহা নাই।তোমালোকে অযথা বাণ নিক্ষেপ নকৰিবা।তথাপি তেওঁলোকে কাঁড় নিক্ষেপৰ পৰা বিৰত নহ’ল। উপায়হীন হৈ তেওঁলোকৰ সৈতে যুদ্ধ কৰিব লগা হ’ল।ফলত মহান কৰুণাময় আল্লাহ তায়লা তেওঁলোকক পৰাজিত কৰিছে। হজৰত মহম্মদ (ছাঃ)য়ে মক্কাত প্ৰৱেশ কৰাৰ সময়ত কেৱল মাত্ৰ এটি দুৰ্ঘটনা সংগঠিত হৈছিল।ইয়াৰ বাহিৰে আন কোনো দুৰ্ঘটনা সংগঠিত হোৱা নাছিল। সম্পূৰ্ণ মক্কা চহৰ হজৰত মহম্মদ (ছাঃ)ৰ অধীনলৈ আহিছিল।

যেতিয়া ইছলামৰ পয়গাম্বৰ দয়ালু নবী হজৰত মহম্মদ (ছাঃ)য়ে মক্কাত প্ৰৱেশ কৰিছিল; তেতিয়া সমগ্ৰ চহৰৰ মানুহে তেখেত (ছাঃ)ক সুধিলে, হে আল্লাহৰ ৰছুল ! আপুনি নিজ গৃহত অৱস্থান কৰিবনে? তেখেত (ছাঃ)য়ে কলে, আকিল মোৰ বাবে কোনো গৃহ ৰাখিছে নে? (আকিল হজৰত ৰছুল কৰিম (ছাঃ)ৰ দদায়েক অৰ্থাৎ খুৰাৰ পুতেক আছিল)। তোমালোকে নজানা যে মোৰ অনুপস্থিতিত মোৰ আত্মীয়-স্বজন সকলে মোৰ সকলো সম্পত্তি বিক্ৰী কৰিছে। গতিকে এতিয়া মক্কাত অৱস্থান কৰাৰ বাবে মোৰ কোনো স্থান নাই। তাৰ পিছত হজৰত মহম্মদ (ছাঃ)য়ে কলে, মই খাইফ বনী কিনানাত অৱস্থান কৰিম। কাৰণ, ই হ’ল মক্কাৰ এটি বিশাল পথাৰ। এই পথাৰত কোৰাইশ্ব আৰু কিনানা গোত্ৰৰ লোকে একত্ৰিত হৈ শপত গ্ৰহণ কৰিছিল যে, যিমান দিন লৈকে, বনু হাশিম আৰু বনু আব্দুল মুত্তালিব হজৰত মহম্মদ (ছাঃ)ক ধৰি আনি তেওঁলোকৰ হাতত

অৰ্পন নকৰিব, সিমান দিনলৈকে তেওঁলোকে পৰস্পৰ দুয়ো গোত্ৰৰ সৈতে কোনো আপোচ নকৰিব। আনকি কোনো ক্ৰয়-বিক্ৰয় বা আদান-প্ৰদানও তেওঁলোকৰ মাজত নহ'ব। আজি হজৰত মহম্মদ (ছাঃ) উক্ত পথাৰতেই আহি উপস্থিত হৈছে আৰু মক্কাবাসীক উদ্দেশ্য কৰি কৈছে, তোমালোকে যি ঠাইত মোক বিচাৰিছিলা মই আজি ঠিক সেই ঠাইতে আহি উপস্থিত হৈছোঁ।কিন্তু সঁচাকৈ কোৱাচোঁন যে, আজি তোমালোকৰ সেই শক্তি আছেনে; যাৰ বলত তোমালোকে আজি মোক সেই নিৰ্মম অত্যাচাৰ আৰু নিৰ্যাতনৰ লক্ষ্য হিচাপে স্থিৰ কৰিব পাৰা ? এয়া হ'ল সেই স্থান য'ত তোমালোকে মোক লাঞ্ছিত কৰি ঘৃণনীয় দৃষ্টিত কুৎসিত আকৃতিত চাব বিচাৰিছিলা। আনকি মোৰ গোত্ৰৰ লোকে মোক ধৰি আনি (ধৃত কৰি) তোমালোকৰ হাতত অৰ্পণ কৰি দিয়াটো বিচাৰিছিলা। সেই ঠাইত মই আজি এনে অৱস্থাত আহিছোঁ যে, কেৱল মোৰ গোত্ৰই নহয় বৰং সমগ্ৰ আৰব জাতি আজি মোৰ লগত আছে। মোৰ জাতি আজি মোক তোমালোকৰ হাতত অৰ্পন কৰা নাই বৰং মোৰ জাতিয়ে আজি তোমালোকক মোৰ হাতত ন্যস্ত কৰিছে। তোমালোকে মোক বন্দী হিচাপে বিচাৰিছিলা কিন্তু আজি মই তোমালোকৰ শাসক হিচাপে আহিছোঁ। ই সেই স্থান যাৰ পৰা তোমালোকে মোক ধ্বংশ কৰিবৰ নিমিত্তে পৰিকল্পনা ৰচিছিলা। কি বিচিত্ৰ বিষয়! তোমালোকে বিচাৰিছিলা যে, মোৰ আত্মীয়-স্বজনে মোক ধৃত কৰি তোমালোকৰ হাতত তুলি দিব। কিন্তু তেওঁলোকে আজি তোমালোকক মোৰ হাতত ন্যস্ত কৰিছে।

পৰম কৰুণাময় আল্লাহৰ অসীম মহিমা যে, সেই বিজয় দিৱসটো সোমবাৰ আছিল। এই সোমবাৰতেই হজৰত মহম্মদ (ছাঃ)য়ে হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ক লগত লৈ চৌৰ গিৰি গুহাৰ পৰা মদিনালৈ হিজৰত কৰিছিল আৰু একে সোবাৰতেই তেখেত (ছাঃ)য়ে চৌৰ গিৰি গুহাৰ পৰা মক্কা অভিমুখে দৃষ্টি নিক্ষেপ কৰি কৈছিল; হে মক্কা ! তুমি মোৰ ওচৰত পৃথিৱীৰ সকলো স্থানতকৈ অতি প্ৰিয়। কিন্তু তোমাৰ অধিবাসী সকলে মোক ইয়াত থাকিব দিয়া নাই।

মক্কা প্ৰৱেশৰ সময়ত হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ) হজৰত মহম্মদ (ছাঃ)ৰ উটৰ ৰেকাৰ (পাদানী) ধৰি তেখেত (ছাঃ)ৰ সৈতে কথা বতৰা পাতি পাতি অগ্ৰসৰ হৈ আছিল আৰু **চুৰা ফাতাহ** যাৰ মাজত মক্কা বিজয়ৰ সু-সংবাদ দিয়া হৈছিল; সেয়া পাঠ কৰি আছিল। হজৰত মহম্মদ (ছাঃ) পোনে পোনে কাবা গৃহৰ পিনে আগবাঢ়ি গৈ উটৰ পিঠিত আৰোহণ অৱস্থাতেই সাতবাৰ কাবা গৃহ প্ৰদক্ষিণ কৰিছিল। এই সময়ত তেখেত (ছাঃ)ৰ হাতত এটি ছুৰি আছিল। কাবা গৃহ হজৰত ইব্ৰাহিম (আঃ) আৰু তেখেত

(আঃ)ৰ প্ৰিয় পুত্ৰ হজৰত ইছমাইল (আঃ)য়ে নতুনকৈ নিৰ্মাণ কৰিছিল এক আল্লাহৰ এবাদতৰ বাবে। হজৰত মহম্মদ (ছাঃ)য়ে কাবা গৃহত প্ৰৱেশ কৰিছিল আৰু কাবাৰ ভিতৰত থকা ৩৬০ (তিনিশ ষাটি) দেৱতাৰ মূৰ্তিক এটাকৈ এটাকৈ অস্ত্ৰৰে আঘাত কৰি প্ৰদক্ষিণ কাৰ্য্য কৰিছিল লগতে কৈছিল;

جَآءَ الْحَقُّ وَزَهَقَ الْبَاطِلُ ۚ إِنَّ الْبَاطِلَ كَانَ زَهُوقًا (17:82)

অৰ্থঃ এতিয়া সত্যৰ আগমন হ’ল আৰু অসত্য বিলুপ্ত হ’ল। নিশ্চয় অসত্য অনতি পলমে আঁতৰি যাব। (17:82)

পৱিত্ৰ কোৰাণত বনি ইস্ৰাইলৰ এই আয়াত হজৰত মহম্মদ (ছাঃ)ৰ ওপৰত হিজৰতৰ পূৰ্বে অৱতীৰ্ণ হৈছিল। চুৰা বনি ইস্ৰাইলত হিজৰত আৰু মক্কা বিজয়ৰ সু-সংবাদ দিয়া হৈছিল। ইউৰোপীলোক সকলেও এই বিষয়ত ঐক্যমত যে, এই চুৰা হিজৰতৰ পূৰ্বৰ আৰু ইয়াতে উক্ত ঘোষণাৰ আয়াতসমূহ হিজৰতৰ পূৰ্বে সন্নিবিষ্ট কৰা হৈছিল। উক্ত আয়াত (বাক্য) সমূহ হ’ল;

وَقُلْ رَّبِّ اَدْخِلْنِىْ مُدْخَلَ صِدْقٍ
وَّ اَخْرِجْنِىْ مُخْرَجَ صِدْقٍ وَّ اجْعَلْ
لِّىْ مِنْ لَّدُنْكَ سُلْطٰنًا نَّصِيْرًا ۝٨١ ( 17:81)
وَقُلْ جَآءَ الْحَقُّ وَزَهَقَ الْبَاطِلُ ۚ اِنَّ
الْبَاطِلَ كَانَ زَهُوْقًا ۝٨٢ (17:82)

অৰ্থ ঃ আৰু প্ৰাৰ্থনা কৰিবা, হে মোৰ প্ৰভু, যেতিয়া তুমি মোক এই চহৰ (মক্কা)ত প্ৰৱেশ কৰিবলৈ দিয়া, তেতিয়া যেন (হিজৰতৰ পাছত) মঙ্গলেৰে বিজয় আৰু প্ৰধান্য দিয়া আৰু যি ঠাইৰ পৰা মোক ওলাই আহিবলৈ দিয়া, হিজৰতৰ সময়ত মই যেন সত্যৰ সৈতে ওলাব পাৰোঁ। আৰু তুমি নিজ সন্নিধানৰ পৰা এনে শক্তি মোক প্ৰদান কৰা যি (সকলো অৱস্থাতে) মোক সকলো প্ৰয়োজনীয় প্ৰধান্য আৰু সাহায্যৰ সামগ্ৰী প্ৰেৰণ কৰে। ( 17:81)

আৰু তুমি ঘোষণা কৰা, এতিয়া সত্যৰ আগমন হ’ল আৰু অসত্য (অংশীবাদিতা) পৰাজিত হৈ বিলুপ্ত হ’ল; নিশ্চয় অসত্য অনতি পলমে আঁতৰি যাব। (17:82)

উক্ত ভৱিষ্যতবাণী আখৰে আখৰে পূৰ্ণ হোৱা দেখি, লগতে হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ক উক্ত বাণী সমূহ পাঠ কৰা দেখি; সেই সময়ৰ কাফেৰ আৰু মুছলমান সকলৰ হৃদয়ত যি অৱস্থা সৃষ্টি হৈছিল সেয়া ভাষাৰে প্ৰকাশ কৰা সম্ভৱ নহয়। প্ৰকৃততে সেই দিনাখনেই আদি পুৰুষ হজৰত ইব্ৰাহিম (আঃ) আৰু তেখেত (আঃ)ৰ প্ৰিয় পুত্ৰ হজৰত ইছমাইল (আঃ)ৰ দ্বাৰা নিৰ্মিত পৱিত্ৰ গৃহক পুনৰ এক আল্লাহৰ উপাসনাৰ বাবে নিৰ্দিষ্ট কৰি দিয়া হৈছিল। যেতিয়া হজৰত মহম্মদ (ছাঃ)য়ে **হোবল** দেৱতাৰ মূৰ্তিৰ ওপৰত ছুৰিৰে আঘাত কৰিলে, লগে লগে মূৰ্তিটো ভাঙি পৰিছিল। আৰু হজৰত জুবায়েৰ (ৰাঃ)আবু ছুফিয়ানৰ মুখৰ পিনে চাই মিচিকিয়া হাঁহি মাৰি কলে, আবু ছুফিয়ান তোমাৰ মনত আছেনে, উহুদৰ যুদ্ধৰ সময়ত যেতিয়া মুছলমান সৈন্যবোৰে জখম অৱস্থাত আহত হৈ যুদ্ধ ক্ষেত্ৰৰ একাষত থিয় হৈ আছিল; সেই সময়ত তুমি নিজৰ অহঙ্কাৰত হোবলৰ জয় হওঁক, হোবলৰ জয় হওঁক বুলি শ্লোগান দিছিলা; সেই দিন তুমি হোবলক মুছলমান সকলৰ ওপৰত বিজয় বুলি ঘোষণা কৰিছিলা। আজি তুমি নিজৰ চকুৰে প্ৰত্যক্ষ কৰিব পাৰিছানে সেই হোবল খণ্ড বিখণ্ড হৈ তোমাৰ সন্মুখত মাটিত পৰি আছে। প্ৰতি উত্তৰত আবু ছুফিয়ান কলে, জুবায়েৰ, বাদ দিয়া এইবোৰ কথা।মই নিশ্চয় দেখিবলৈ পাইছোঁ যে, যদি হজৰত মুহাম্মাদুৰ ৰাছুলুল্লাহ (ছাঃ)ৰ এক আল্লাহৰ বাহিৰে আন কোনো আল্লাহ থাকিলেহেঁতেন; তেন্তে আজিৰ এই ঘটনা মই স্ব-চকুৰে প্ৰত্যক্ষ নকৰিলোঁহেঁতেন।

ইয়াৰ পিছত হজৰত মহম্মদ (ছাঃ)য়ে পৱিত্ৰ কাবা গৃহৰ ভিতৰত থকা হজৰত ইব্ৰাহিম (আঃ) আৰু অন্যান্য নবী সকলৰ ছবিবোৰ মচি পেলাবলৈ আদেশ দিলে আৰু কাবা ঘৰৰ ভিতৰতেই আল্লাহৰ প্ৰতিশ্ৰুতি পূৰ্ণ হোৱাৰ বাবে দুই ৰাকাত নামাজ পঢ়িলে। তাৰ পিছত বাহিৰলৈ ওলাই আহিল আৰু বাহিৰতো আকৌ দুই ৰাকাত নমাজ আদায় কৰিলে। কাবা গৃহৰ ভিতৰত থকা ছবিবোৰ মচি পেলোৱাৰ বাবে হজৰত ৰছুলে কৰিম (ছাঃ)য়ে হজৰত ওমৰ ফাৰুক (ৰাঃ)ক নিয়োজিত কৰিছিল। কিন্তু হজৰত ওমৰ ফাৰুক (ৰাঃ)য়ে হজৰত ইব্ৰাহিম (আঃ)ক নবী মান্য কৰাৰ ধাৰণাৰ বশৱৰ্তী হৈ তেখেত (আঃ)ৰ ছবিখন মচি পেলোৱা নাছিল। হজৰত মহম্মদ (ছাঃ)য়ে যেতিয়া এই ঘটনা দেখিবলৈ পালে যে, হজৰত ইব্ৰাহিম (আঃ)ৰ ছবিখন যথা স্থানতেই আছে; তেতিয়া তেখেত (ছাঃ)য়ে কলে, ওমৰ ! তুমি এইটো কি কৰিছা ? আল্লাহ তায়লা এই কথা কোৱা নাই নে ?

مَا كَانَ اِبْرٰهِيْمُ يَهُوْدِيًّا وَّلَا نَصْرَانِيًّا وَّلٰكِنْ كَانَ حَنِيْفًا مُّسْلِمًا ؕ وَمَا كَانَ مِنَ الْمُشْرِكِيْنَ ۝٦٨ (3:68)

অৰ্থ ঃ ইব্ৰাহিম ইহুদিও নাছিল, খ্ৰীষ্টিয়ানো নাছিল; কিন্তু তেওঁ একমাত্ৰ আল্লাহৰ একনিষ্ঠ সেৱক আত্ম সমৰ্পণকাৰী (মুছলিম) আছিল আৰু তেওঁ বহু ঈশ্বৰবাদী নাছিল। অথচ আজি হজৰত মহম্মদ (ছাঃ)ৰ নিৰ্দেশ অনুসৰি সেই ইব্ৰাহিম (আঃ)ৰ ছবিখনো মচি পেলোৱা হ'ল। কাৰণ, কাবা গৃহত হজৰত ইব্ৰাহিম (আঃ)ৰ ছবিখন অংকিত থকাৰ একমাত্ৰ উদ্দেশ্য আছিল যে তাত তেখেত (আঃ)ৰ পূজা অৰ্চনা কৰা হ'ব। কিন্তু ইছলামৰ পয়গাম্বৰ হজৰত মহম্মদ (ছাঃ)ৰ প্ৰত্যক্ষৰ প্ৰভাৱ আছিল যে, হজৰত ইব্ৰাহিম (আঃ) কেৱল মাত্ৰ পৰম কৰুণাময় সত্তাৰ প্ৰচাৰকাৰীহে। ই এক স্মৰণীয় দিন আছিল। আল্লাহৰ কুদৰত সমূহ প্ৰচুৰ ভাৱে প্ৰকাশ পাব ধৰিছিল। আল্লাহৰ নিদৰ্শনাৱলী দেখি সেই দিনাখন মুছলমান সকলৰ হৃদয় এনে ভাৱে সম্পূৰ্ণ হৈ উঠিছিল আৰু হজৰত মহম্মদ (ছাঃ)ৰ প্ৰতি সিহঁতৰ ঈমান (বিশ্বাস) বৃদ্ধি পাইছিল যে, যেতিয়া হজৰত মহম্মদ (ছাঃ)য়ে, **যমযম** কুঁৱাৰ পানী বিচাৰিলে আৰু সেই পানীৰ কিছু অংশ পান কৰি বাকী অংশৰে ওজু কৰিলে। তেতিয়া তেখেত (ছাঃ)ৰ মুখ মণ্ডল আৰু আন অংগ সমূহৰ পৰা এক বিন্দু পানীও মাটিত পৰাৰ সুযোগ পোৱা নাছিল। মুছলমান সকলে লগে লগে সেই পানী কল্যাণ স্বৰূপ হাতেৰে মচি লৈ নিজ নিজ মুখমণ্ডল আৰু সৰ্ব শৰীৰত লগাইছিল। এই দৃশ্য দেখি (মুশ্বৰিক) অংশীবাদী সকলে আলোচনা কৰিছিল যে, আমি পৃথিৱীত এনে কোনো বাদশ্বাহ বা সম্ৰাট দেখা নাই যাৰ প্ৰতি তাৰ প্ৰজা আৰু অনুচৰ সকলে ইমান বেছি প্ৰেম আৰু শ্ৰদ্ধা ৰাখে। (হালবিয়া ৩য় খণ্ড পৃ:৯৯)

**বিশেষ দ্ৰষ্টাব্য** ঃ যমযম কুঁৱা হ'ল সেই প্ৰস্ৰৱণ যাক হজৰত ইব্ৰাহিম (আঃ)ৰ প্ৰিয় পুত্ৰ হজৰত ইছমাইল (আঃ)ৰ বাবে আল্লাহ তায়লা এক নিদৰ্শন স্বৰূপ সৃষ্টি কৰিছিল।

## ইছলামৰ পয়গাম্বৰ হজৰত মহম্মদ (ছাঃ)ৰ শত্ৰু সকলক ক্ষমাদান

সকলো কাম সমাপ্তিৰ পাছত যেতিয়া মক্কাবাসীক হজৰত মহম্মদ (ছাঃ)ৰ আগত উপস্থিত কৰা হ'ল; তেতিয়া তেখেত (ছাঃ)য়ে কলে, হে মক্কাবাসী গণ ! তোমালোকে নিশ্চয় প্ৰত্যক্ষ কৰিছা যে, পৰম কৰুণাময় আল্লাহৰ নিদৰ্শন কেনেকৈ আখৰে আখৰে পূৰ্ণতা লাভ কৰিছে। এতিয়া তোমালোকে কোৱা যে তোমালোকৰ সেই নিৰ্মম অত্যাচাৰ, অপমান, নিৰ্যাতন আৰু দুষ্কৃতি; যি তোমালোকে এক আল্লাহৰ এবাদতকাৰী আৰু তাৰ নিচলা ভৃত্যৰ প্ৰতি কৰিছিলা; তাৰ প্ৰতিশোধ কি হোৱা উচিত ? প্ৰতি উত্তৰত মক্কাবাসীয়ে

কলে, আমি আপোনাৰ ওচৰত সেই ব্যৱহাৰ আশা কৰো; যি ব্যৱহাৰ হজৰত ইউছুফ (আঃ)য়ে নিজৰ ভাতৃগণৰ সৈতে কৰিছিল। এয়া স্বয়ং আল্লাহৰ এক কুদৰত আছিল যে, মক্কাবাসী সকলৰ মুখৰ পৰাই সেই কথা ওলাইছিল; যাৰ ভৱিষ্যৎবাণী আল্লাহ তায়লা চুৰা ইউছুফত কৰিছিল। মক্কা বিজয়ৰ দহ (১০) বছৰ পূৰ্বে আল্লাহ পাক হজৰত মহম্মদ (ছাঃ)ক কৈছিল যে, তুমি মক্কাবাসী সকলৰ সৈতে ঠিক তেনেকুৱা ব্যৱহাৰ কৰিবা যেনেকুৱা ব্যৱহাৰ হজৰত ইউছুফ (আঃ)য়ে নিজৰ ভাতৃ সকলৰ লগত কৰিছিল। গতিকে, যেতিয়া মক্কাবাসী সকলৰ মুখেৰে তাৰ সত্যায়ন কৰা হ'ল যে হজৰত মহম্মদ (ছাঃ) হজৰত ইউছুফ (আঃ)ৰ সদৃশ নবী, লগতে আল্লাহ তায়লা হজৰত ইউছুফ (আঃ)ৰ দৰে তেখেত (ছাঃ)কো নিজ ভাতৃ সকলৰ ওপৰত (মক্কাবাসীৰ) বিজয় দান কৰিলে; তেতিয়া তেখেত (ছাঃ)য়ে ঘোষণা কৰিলে,

(12:93) لَا تَثْرِيبَ عَلَيْكُمُ الْيَوْمَ

আল্লাহৰ শপত! আজি তোমালোকক কোনো শাস্তিও দিয়া নহ'ব,আৰু তোমালোকৰ বিৰুদ্ধে কোনো প্ৰতিশোধও গ্ৰহণ কৰা নহ'ব।(১২: ৯৩)

যেতিয়া হজৰত মহম্মদ (ছাঃ)য়ে কাবা গৃহত আল্লাহৰ প্ৰতি শলাগ সূচক এবাদতত মগ্ন হৈছিল আৰু স্ব-জাতিৰ প্ৰতি ক্ষমাৰ বাণী প্ৰচাৰ কৰিছিল,লগতে দয়া প্ৰদৰ্শন কৰিছিল;তেতিয়া আনছাৰ সকলৰ মনত এজনে আনজনৰ পিনে চাই ইঙ্গিত কৰি কৈছিল যে, যথা সম্ভৱ আজি আমি আমাৰ প্ৰিয় নবীক আমাৰ পৰা পৃথক কৰি আছো।কাৰণ তেখেত (ছাঃ)ৰ প্ৰিয় মাতৃভূমি মক্কা চহৰৰ বিজয় আল্লাহ পাক তেখেত (ছাঃ)ৰ হাততেই সম্পন্ন কৰিছে আৰু লগতে নিজৰ জাতিয়েও তেখেত (ছাঃ)ৰ ওপৰত ঈমান আনিছে। ঠিক সেই সময়ত আল্লাহ তায়লা ওহীৰ মাধ্যমত হজৰত মহম্মদ (ছাঃ)ক আনছাৰ সকলৰ এই সন্দেহ সম্পৰ্কে অৱগত কৰে।হজৰত মহম্মদ (ছাঃ) তেতিয়া বস্তুক তুলি আনছাৰ সকলৰ পিনে লক্ষ্য কৰি কলে, হে আনছাৰ সকল! তোমালোকে ভাৱিছা যে,হজৰত মহম্মদ (ছাঃ)য়ে এই চহৰৰ স্নেহত অভিভূত হৈ পৰিছে আৰু তেখেত (ছাঃ)ৰ স্ব-জাতিৰ প্ৰেমত তেখেত (ছাঃ)ৰ হৃদয় আপ্লুত কৰি পেলাইছে।এই কথা শুনি আনছাৰ সকলে কলে,হে আল্লাহৰ ৰছুল! হয় আপুনি ঠিকেই কৈছে;সঁচাকৈয়ে আমাৰ মনত এনেকুৱা ধাৰণাৰ উদ্ৰেক হৈছে।তেতিয়া হজৰত ৰছুলে কৰিম (ছাঃ)য়ে কলে, তোমালোকে নাজানে নে? মই কোন? মই আল্লাহৰ ভৃত্য আৰু তাৰ প্ৰেৰিত ৰছুল।তেনেহলে এয়া কেনেকৈ সম্ভৱ হ'ব পাৰে যে,ইছলামৰ দুৰাৱস্থাৰ সময়ত যি সকলে নিজ নিজ জীৱন উৎসৰ্গা কৰিছিল। সেই সকলক এৰি মই আন কোনো ঠাইত গুচি যাম ?তেখেত (ছাঃ)য়ে আৰু কলে, হে আনছাৰ সকল! ই কেতিয়াও সম্ভৱ হ'ব নোৱাৰে। মই নিশ্চয় আল্লাহৰ দাস আৰু প্ৰিয় ৰছুল। মই সেই মহান আল্লাহৰ নিমিত্তে

নিজ মাতৃভূমি পৰিত্যাগ কৰিছিলোঁ। গতিকে মই কোনো কাৰণতেই সেই মাতৃভূমি মক্কালৈ উভতি আহিব নোৱাৰো। মোৰ এই জীৱন আৰু তোমালোকৰ জীৱনৰ সৈতে আৰু মোৰ মৃত্যুও তোমালোকৰ মৃত্যুৰ সৈতে একে লগে গাঁথা আছে। হজৰত মহম্মদ (ছাঃ)ৰ উক্ত ভাষণ শ্ৰৱণ কৰি মদিনাৰ আনছাৰ সকল আনন্দত উৎফুল্লিত হৈ উঠে। তেখেত (ছাঃ)ৰ প্ৰেম আৰু কৃতজ্ঞতা দেখি সিহঁতে কান্দি কান্দি আগবাঢ়ি আহি কলে, হে আল্লাহৰ ৰছুল! আল্লাহৰ শপত; আমি আল্লাহ আৰু তাৰ প্ৰিয় ৰছুলৰ ওপৰত কু-ধাৰণা পোষণ কৰিছোঁ।আচলতে আমাৰ হৃদয় সহ্য কৰিব পৰা নাই যে, আল্লাহৰ ৰছুল আমাক আৰু আমাৰ চহৰ পৰিত্যাগ কৰি অন্য কোনো ঠাইলৈ যাওঁক।তেতিয়া হজৰত ৰছুলে কৰিম (ছাঃ) য়ে কলে, আল্লাহ আৰু তাৰ প্ৰিয় ৰছুল তোমালোকক নিৰ্দোষ বুলি সাব্যস্ত কৰিছে আৰু তোমালোকৰ ভক্তি আৰু প্ৰেমৰ সম্পাদান কৰিছে।

যেতিয়া হজৰত মহম্মদ (ছাঃ) আৰু মদিনাৰ লোক সকলৰ (আনছাৰ সকলৰ) মাজত এনে প্ৰেমপূৰ্ণ কথা বতৰাৰ আদান-প্ৰদান হৈছিল; তেতিয়া মক্কাবাসী সকলৰ চকুৰ পৰা বাহ্যিক অশ্ৰু নিৰ্গত হৈছিল;তেতিয়া সকলোৰে চকুৰ পৰা বাহ্যিক অশ্ৰু নিৰ্গত নহলেও আভ্যন্তৰিণ হৃদয়ৰ অশ্ৰু অৱশ্যই নিৰ্গত হৈছিল।কাৰণ সেই দুৰ্লভ ৰত্ন যাৰ অবিহনে পৃথিৱীত আন কোনো মূল্যবান বস্তু হ'ব নোৱাৰে; পৰম কৰুণাময় আল্লাহ সেই মূল্যবান ৰত্ন সিহঁতক দিছিল। কিন্তু পৰিতাপৰ বিষয়,দুৰ্ভাগ্যবশত তেওঁলোকে তেখেত (ছাঃ) ক নিজ গৃহৰ পৰা বাহিৰ কৰি দূৰলৈ নিক্ষেপ কৰিছিল। আল্লাহৰ অসিম কৃপা আৰু সাহায্যত দ্বিতীয়বাৰ মক্কাত আহিছিল। কিন্তু নিজৰ শলাগৰ প্ৰতিশ্ৰুতিৰ বাবে স্ব ইচ্ছাত আৰু উল্লাসৰে মক্কা এৰি মদিনালৈ উভতি গ'ল।পুনৰ মক্কাৰ পৰা মদিনালৈ গমন, আল্লাহৰ এই কাৰ্য্য আমাৰ অজ্ঞাত আৰু চিৰ ৰহস্যময়।

## ইকৰামাৰ ইছলাম ধৰ্ম গ্ৰহণ

অমানুষিক অতাচাৰৰ কাৰণে মক্কাবাসী সকলৰ কিছু ব্যক্তিৰ ওপৰত মৃত্যুদণ্ডৰ আদেশ দিয়া হৈছিল। যি কেইজন ব্যক্তি সম্পৰ্কে হজৰত মহম্মদ (ছাঃ)য়ে ৰায় দিছিল যে,সিহঁতৰ অত্যাচাৰ মুলক হত্যাকাণ্ড আৰু নানা ধৰণৰ নিৰ্যাতন, প্ৰহাৰ,অমানৱীয় কাণ্ড আদিৰ বাবে মৃত্যু দণ্ড দিব লাগিব।( জুৰকানী ২য় খণ্ড, ছিৰাতুল হালবিয়া ,৩য় খণ্ড)

তেওঁলোকৰ বহুতক তেখেত (ছাঃ)য়ে মুছলমান সকলৰ অনুৰুধত ক্ষমা কৰি দিছিল।ক্ষমাপ্ৰাপ্ত সকলৰ মাজত এজন আবু জেহেলৰ পুত্ৰ ইকৰামা আছিল। ইকৰামাৰ স্ত্ৰী সবান্তকৰণে ইছলাম ধৰ্ম গ্ৰহণ কৰি মুছলমান হৈছিল। তাই আহি হজৰত ৰছুলে কৰিম (ছাঃ)ৰ ওচৰত আবেদন কৰিলে, হে আল্লাহৰ ৰছুল! আপুনি ইকৰামাকো ক্ষমা

কৰি দিছেনে ? উত্তৰত  হজৰত মহম্মদ (ছাঃ)য়ে কলে,হয়; মই নিশ্চয় তেওঁক ক্ষমা কৰি দিছোঁ। উক্ত ঘটনাটো আছিল নিম্ন ৰূপেঃ

ইকৰামা মক্কাৰ পৰা আবিছিনিয়ালৈ পলাই গৈ আছিল।ইপিনে তেওঁৰ স্ত্ৰী তেওঁৰ প্ৰতি মৰম থকাৰ বাবে পিছে পিছে তেওঁৰ সন্ধানত ওলায় ?যেতিয়া ইকৰামা সমুদ্ৰগামী জাহাজত উঠি চিৰদিনৰ বাবে নিজ জন্ম ভূমি মক্কা পৰিত্যাগ কৰাৰ সংকল্প কৰিছিল;তেতিয়া সেই পলাতক চৰ্দাৰৰ স্ত্ৰীৰ হিয়া ব্যাকুল হৈ অতি ক্লান্ত অৱস্থাত তাত উপস্থিত হৈ কলে,হে মোৰ খুৰাৰ পুত্ৰ(আৰবৰ স্ত্ৰী লোকে স্বামীক খুৰাৰ পুত্ৰ বুলি সম্বোধন কৰি মাতে) তুমি হজৰত মহম্মদ (ছাঃ)ৰ দৰে দয়ালু আৰু অমায়িক ব্যক্তিক এৰি সঁচাকৈয়ে গুচি যাবানে ?এই মহান মানুহজন পৰিত্যাগ কৰি কলৈ যাবা ?স্ত্ৰীৰ মুখৰ পৰা এই কথা শুনি ইকৰামা আশ্চৰ্য হৈ তাইক সুধিলে,কি ? মোৰ ইমান শত্ৰুতাৰ পাছতো হজৰত মহম্মদ (ছাঃ)য়ে সঁচাকৈয়ে মোক সকলো অপৰাধ ক্ষমা কৰি দিবনে ? ইকৰামাৰ স্ত্ৰী উত্তৰত কলে,হয় নিশ্চয়, মই তাৰ স্বীকৃতি লৈছোঁ।তেখেত (ছাঃ)য়ে তোমাক ক্ষমা কৰি দিছে।ইকৰামা তেতিয়া পলাই যোৱাৰ সংকল্প ত্যাগ কৰি উভতি আহে আৰু হজৰত মহম্মদ (ছাঃ)ৰ সন্মুখত উপস্থিত হৈ কলে,হে আল্লাহৰ ৰছুল! মোৰ স্ত্ৰী মোক কৈছে যে,আপুনি মোৰ সকলো অপৰাধ ক্ষমা কৰিছে। মোৰ দৰে এনে জঘন্য অপৰাধীক সঁচাকৈয়ে ক্ষমা কৰি দিছেনে ? হজৰত মহম্মদ (ছাঃ)য়ে কলে, তোমাৰ স্ত্ৰী তোমাক সঁচা কথাই কৈছে।মই নিশ্চয় তোমাক ক্ষমা কৰিছোঁ। ইকৰামা মনে মনে স্থিৰ কৰিলে যে,যি ব্যক্তি নিজৰ ঘোৰ শত্ৰুক ক্ষমা কৰিব পাৰে; তেওঁ কেতিয়াও মিছলীয়া হ’ব নোৱাৰে।তেওঁ হজৰত মহম্মদ (ছাঃ)ক কলে,মই সাক্ষী দিওঁ যে,আল্লাহ এক আৰু অদ্বিতীয়,তাৰ কোনো অংশীদাৰ নাই। মই আৰু সাক্ষী দিওঁ যে, হে মহম্মদ তুমি আল্লাহৰ দাস আৰু প্ৰেৰিত ৰছুল।এই বুলি সি বিগত কাৰ্য্যৱলী স্মৰণ কৰি লাজত তলমূৰ কৰিলে। হজৰত মহম্মদ (ছাঃ)য়ে তেওঁৰ অৱস্থা বুজি পাই সান্তনা দি কলে,ইকৰামা মই কেৱল তোমাক ক্ষমাই কৰা নাই বৰং আজি তুমি মোৰ ওচৰত যি বিচৰা তাকেই দিম; যদি সেয়া মোৰ দিয়াৰ ক্ষমতা থাকে।তেতিয়া ইকৰামা আবেদন কৰিলে, হে আল্লাহ ৰছুল! ইয়াতকৈ অধিক মই কি বিচৰাব পাৰো ?আপুনি মোৰ বাবে আল্লাহৰ ওচৰত প্ৰাৰ্থনা কৰক যাতে মহান আল্লাহ পাক মোৰ পূৰ্বৰ সকলো অপৰাধ ক্ষমা কৰি দিয়ে। তাৰ পিছত হজৰত ৰছুলে কৰিম (ছাঃ)য়ে মহান কৰুণাময় আল্লাহ তায়লাক সম্বোধন কৰি কলে, হে মোৰ দয়াময়! ইকৰামা মোৰ বিৰুদ্ধে যিমান অপৰাধ কৰিছিল আৰু যিবোৰ অশ্লীল বাক্য প্ৰয়োগ কৰিছিল; সেই সমূহ পাপৰ পৰা তেওঁক মুক্তি দিয়া।

ইয়াৰ পিছত হজৰত মহম্মদ (ছাঃ)য়ে উঠি থিয় হয় আৰু নিজৰ গাৰ চাদৰেৰে ইকৰামাক শৰীৰত মেৰিয়াই দি অতি আবেগপূৰ্ণ কণ্ঠে কলে,যেতিয়া কোনো ব্যক্তি মহান কৰুণাময় আল্লাহৰ প্ৰতি ঈমান আনি মোৰ ওচৰলৈ আহে;তেতিয়া মোৰ ঘৰ তেওঁৰেই ঘৰ হৈ যায় আৰু মোৰ স্থান তেওঁৰ হয় লগতে তেওঁ আমাৰ এজন হয়। ইকৰামাৰ বিষয়ে ইছলাম গ্ৰহণ কৰাৰ যি ভৱিষ্যতবাণী আছিল। সেয়া আজি ইমান দিনত পুৰ্ণপ্ৰাপ্ত হ'ল। যি ভৱিষ্যতবাণী হজৰত মহম্মদ (ছাঃ) চাহাবা সকলক কেইবা বছৰ পূৰ্বে শুনাইছিল।তেখেত (ছাঃ)য়ে চাহাবা সকলক সম্বোধন কৰি কৈছিল,মই দিব্য দৰ্শনত দেখিছিলোঁ যে,মই বেহেস্তত আছো। সেই স্বৰ্গত মই এথোপা আঙ্গুৰ দেখিছিলোঁ আৰু মানুহবিলাকক সুধিছিলোঁ যে,এই আঙ্গুৰ কাৰ বাবে ?সিহঁতৰ মাজৰ পৰা কোনো এজন ব্যক্তিয়ে উত্তৰ দিছিল,এয়া আবু জেহেলৰ বাবে।সেই ব্যক্তিৰ উত্তৰত মই বৰ আচৰিত মানিছিলোঁ।কাৰণ মই কলো,স্বৰ্গত কেৱল মোমিন ব্যক্তি সকলৰ বাহিৰে আন কোনো প্ৰৱেশ কৰিব নোৱাৰে। তেন্তে আবু জেহেল বিশ্বাসী সকলৰ চৰম শত্ৰু হোৱা সত্বেও স্বৰ্গত কেনেকৈ প্ৰৱেশ কৰা সম্ভৱ আৰু তেওঁৰ বাবে আঙ্গুৰৰ থোপা কিয় ?কিন্তু ইকৰামা ইছলাম ধৰ্মত দীক্ষিত হৈ মুছলমান হোৱাত আজি সেই দিব্য দৰ্শনৰ সত্যতা প্ৰমাণিত হয়। হজৰত মহম্মদ (ছাঃ)যে দিব্য দৰ্শনৰ তাৎপৰ্য ব্যাখ্যা কৰি কলে,প্ৰকৃততে সেই আঙ্গুৰ থোপা ইকৰামাৰ বাবে আছিল।বিশ্ব ব্ৰহ্মাণ্ডৰ অধিকাৰী পৰম কৰুণাময় আল্লাহ পাক পুতেকৰ সলনি দেউতাকৰ নাম প্ৰকাশ কৰিছিল।সপোন তথা দিব্য দৰ্শনত সাধাৰণতে বহু ঘটনাক এইদৰে প্ৰকাশ কৰা হয়।

আমি জানো যে, যি সকল ব্যক্তিৰ ওপৰত প্ৰাণ দণ্ডৰ আদেশ আছিল;সিহঁতৰ মাজত হজৰত মহম্মদ (ছাঃ)ৰ মৰমৰ কন্যা হজৰত জয়নব (ৰাঃ)ৰ মৰ্মান্তিক মৃত্যুৰ বাবে (দায়ী) কাজিয়া কৰা ব্যক্তিও আছিল। সেই হত্যাকাৰীৰ নাম হাববাৰ আছিল।সেই হত্যাকাৰীয়ে হজৰত জয়নব (ৰাঃ) উটৰ পিঠিত বহি থকা আসন পেট্টি কাটি দিয়াৰ ফলত হজৰত জয়নব (ৰাঃ) উটৰ পিঠিৰ পৰা মাটিত বাগৰি পৰে। ফলত তাই (ৰাঃ)ৰ ঘটনা স্থলিতেই গৰ্ভপাত ঘটে। উক্ত ঘটনাৰ কিছুদিন পিছত হজৰত জয়নব (ৰাঃ)ইহঁলীলা সম্বৰণ কৰে। ই এনেকুৱা এক অপৰাধ আছিল যাৰ বাবে তেওঁৰ মৃত্যু দণ্ডই প্ৰাপ্য আছিল।তথাপি এই ব্যক্তিও হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত আহি আবেদন জনালে যে, হে আল্লাহৰ নবী! হে দয়াৰ সাগৰ ৰহমাতুল্লিল আলামিন! মই আপোনাৰ ভয়ত আবিছিনিয়াৰ পিনে গৈ আছিলো।কিন্তু মই বিবেচনা কৰি দেখিলোঁ যে আল্লাহ তায়লা নবীৰ দ্বাৰা মোৰ আধ্যাত্মিক সংশোধন কৰিছে আৰু মোক আধ্যাত্মিক মৃত্যুৰ পৰা ৰক্ষা কৰি চিৰক মুক্ত কৰিছে। আপুনিয়েই মোৰ পৰম আশ্ৰয় স্থল। মই ভাৱিলোঁ আন দেশৰ মানুহৰ ওচৰত যোৱাতকৈ আপোনাৰ ওচৰলৈ নাহো কিয় ? আৰু নিজৰ সকলো বিলাক পাপ

স্বীকাৰ কৰি ক্ষমা নিবিচাৰো কিয় ? গতিকে হে ইছলামৰ পয়গম্বৰ মোক ক্ষমা কৰি দিয়ক। হাববাৰ উক্ত আবেদন শুনি হজৰত ৰছুলে কৰিম (ছাঃ)য়ে কলে,স্বয়ং আল্লাহ যিহেতু তোমাৰ হৃদয়ত ইছলামৰ প্ৰতি প্ৰেম সৃষ্টি কৰি দিছে; গতিকে মই কিয় অপৰাধ ক্ষমা নকৰিম ? আজি মই তোমাৰ সকলো প্ৰকাৰ পাপ ক্ষমা কৰি দিলোঁ।

কাল আৰু স্থানৰ অভাৱত এই বিষয় বিস্তাৰিত বৰ্ণনা কৰা অসম্ভৱ। নহলে এনেবোৰ ভয়ানক অপৰাধীক হজৰত মহম্মদ (ছাঃ)য়ে অতি সামান্য বিনিময়ে ক্ষমা কৰি দিলে;যাৰ অপৰাধৰ ঘটনা বৰ্ণনা তীত আৰু হৃদয় বিদাৰক আছিল। যিবিলাক মানুহে ইছলাম ধৰ্ম আৰু মুছলমান সকলৰ বিৰুদ্ধে অমানুষিক অত্যাচাৰ,পাশৱিক ব্যৱহাৰ কৰিছিল; তাৰ তুলনা নাই। কিন্তু দয়ালু নবী হজৰত মহম্মদ (ছাঃ)য়ে তেওঁলোকৰ সকলোকে ক্ষমা কৰি দিছিল। তেখেতৰ এনে উদাৰ আৰু ক্ষমাশীল স্বভাৱৰ ফলস্বৰূপে যি ব্যক্তি তেখেত (ছাঃ)ৰ ঘোৰ বিৰোধী আছিল সিও অন্যান্য ভক্তৰ নিচিনা হৈছিল।

## হুনাইনৰ যুদ্ধ

ইছলামৰ পয়গম্বৰ হজৰত মহম্মদ (ছাঃ)য়ে আকষ্মিক ভাৱে মক্কাত প্ৰৱেশ কৰিছিল।মক্কাৰ পৰা নাতী-দূৰত থকা গোত্ৰ সমূহে (বিশেষকৈ দক্ষিণ দিশত থকা) মুছলমান সকলৰ আগমনৰ সংবাদ তেতিয়াহে পায়; যেতিয়া তেওঁলোকে মক্কাত প্ৰৱেশ কৰিছিল।এই সংবাদ শুনাৰ লগে লগে কাফেৰ সকলে এক বৃহৎ সৈন্য বাহিনী গঠন কৰি মুছলমান সকলক আক্ৰমণ কৰাৰ বাবে উদ্যত হয়। এই সময়ত আৰবৰ দুই গোত্ৰ হাওৱাজিন আৰু চকীফ যি সকলে নিজকে বৰ শক্তিশালী বুলি ভাৱিছিল;তেওঁলোকে মালিক বিন আউফ নামৰ এজন ব্যক্তিক সৰ্ব সন্মতি ক্ৰমে সেনা নায়ক মনোনীত কৰি ওচৰৰ গোত্ৰ সমূহকো তেওঁলোকৰ সৈতে যোগ দিবলৈ আহ্বান জনালে।এই গোত্ৰ সমূহৰ মাজত বনু ছাদ নামৰ গোত্ৰটি অন্যতম আছিল। হজৰত মহম্মদ (ছাঃ)ৰ শৈশৱ কালৰ ধাত্ৰী হজৰত হালিমা এই গোত্ৰৰ মহিলা আছিল। হজৰত মহম্মদ (ছাঃ) এই বনু ছাদ গোত্ৰৰ মাজত শৈশৱ কাল অতিবাহিত কৰিছিল।এই গোত্ৰবোৰও সু-সংগঠিত ভাৱে মক্কা অভিমুখে যাত্ৰা কৰিছিল।তেওঁলোকৰ সৈতে নিজ নিজ ধন সম্পদ স্ত্ৰী আৰু পুত্ৰ কন্যা সকলো লৈছিল।তেওঁলোকৰ চৰ্দাৰক কোৱা হৈছিল,আমি এই কাৰণে এনেকুৱা কৰিছোঁ যে,যদি আমাৰ মাজৰ পৰা কোনো যুঁজাৰু ইচ্ছা কৰি যুদ্ধ ক্ষেত্ৰ পৰিত্যাগ কৰি পলায়ন কৰিব খোজে তেন্তে হঠাৎ সিহঁতৰ মনত পৰিব যে,সিহঁতৰ স্ত্ৰী পুত্ৰ কন্যা সকলো মুছলমান সকলৰ হাতত বন্দী হ'ব আৰু সিহঁতৰ উপাৰ্জিত সকলো ধন সম্পদ লুট কৰি লৈ যাব।ইয়াৰ দ্বাৰা প্ৰমাণ হয় যে,মুছলমান সকলক ধ্বংস কৰাৰ নিমিত্তে তেওঁলোকে কিমান দৃঢ় প্ৰতিজ্ঞা হৈ ওলাই

আহিছিল।

অৱশেষত এই সৈন্য বাহিনী আউচ নামৰ উপত্যকাত উপস্থিত হৈছিল।এই উপত্যকাখন যুদ্ধৰ বাবে উপযোগী আছিল।কাৰণ এই স্থানটি জীৱন ধাৰণৰ বাবে উৎকৃষ্ট আছিল। পশুবোৰৰ বাবে পানী আৰু চৰণীয়া পথাৰ পৰ্যাপ্ত আছিল। আৰু মানুহৰ বাবে খাদ্য-সামগ্ৰী উভৈ নদী আছিল। ঘোঁৰা দৌৰৰ উপযোগী বিশাল পথাৰও আছিল।হজৰত মহম্মদ (ছাঃ)য়ে যেতিয়া এই সংবাদ পালে, তেতিয়া তেখেত (ছাঃ)য়ে হজৰত আব্দুল্লাহ বিন আবি হাৰজ নামৰ এজন চাহাবীক প্ৰকৃত ঘটনাৰ বুজ ল'বলৈ প্ৰেৰণ কৰে।হজৰত আব্দুল্লাহ (ৰাঃ)য়ে তাৰ পৰা উভতি আহি জনালে যে,সঁচাকৈয়ে তেওঁলোকে সৈন্য বাহিনী তাত সমৱেত কৰিছে লগতে তেওঁলোকে মৃত্যু পণ কৰি যুদ্ধৰ বাবে সাজু হৈ আহিছে। সেই গোত্ৰটো বিদ্যাত বৰ পাৰদৰ্শী আছিল।যি স্থানত তেওঁলোকে শিবিৰ স্থাপন কৰিছিল; সেই স্থানটি যুদ্ধৰ বাবে উপযোগী আৰু তাৰ পৰা পোনে পোনে বান নিক্ষেপ কৰা যুদ্ধৰ অতি সহজ আছিল। হজৰত মহম্মদ (ছাঃ)য়ে যুদ্ধৰ বাবে মক্কাৰ এজন ধনী ব্যৱসায় চৰ্দাৰ চাফৱানৰ ওচৰত কিছু টকা পইচা আৰু অস্ত্ৰ-শস্ত্ৰ ধাৰ বিচাৰিলে। চাফৱান কলে, হে মহম্মদ ! আপুনি নিজৰ শাসন ক্ষমতাৰ জৰিয়তে বলপূৰ্বক মোৰ ধন সম্পত্তি কাৰি ল'ব বিচাৰিছিনে ?তেতিয়া হজৰত মহম্মদ (ছাঃ)য়ে কলে,মই কাৰি ল'ব বিচৰা নাই।ঋণ স্বৰূপ বিচাৰিছোঁ। ইয়াৰ বাবে মই জামিন দিবলৈও প্ৰস্তুত আছোঁ। এই কথা শুনি চাফৱানে কলে, তেনেহলে সন্দেহৰ কোনো কাৰণ নাই। মই ইয়াত কোনো আপত্তি নকৰো। আপুনি মোৰ পৰা এই যুদ্ধ সামগ্ৰী সমূহ লৈ যাওঁক। চাফৱানে হজৰত মহম্মদ (ছাঃ)ক প্ৰয়োজনীয় সকলো অস্ত্ৰ-শস্ত্ৰ (১০০০) যোগান ধৰিলে আৰু লগতে তিনি হাজাৰ দিনাৰ ধাৰে দিলে। সেইদৰে তেখেত (ছাঃ)য়ে নওফিল বিন হাৰিচৰ পৰাও তিনি হাজাৰ বল্লম (যাঠি) ধৰি ললে।এই সেনা বাহিনী যেতিয়া হাওৱাজিন গোত্ৰৰ পিনে যাত্ৰা কৰিলে,তেতিয়া মক্কাবাসীয়ে ক'বলৈ ধৰে যে,যদিও আমি মুছলমান নহয় তথাপি ইছলামী শাসনৰ অধীনস্ত।গতিকে আমাকও যুদ্ধত অংশ গ্ৰহণ কৰাৰ সুযোগ দিয়া হওঁক। এই বুলি মক্কাবাসীৰ ২০০০ (দুই হাজাৰ )লোক মুছলমান সকলৰ সৈতে মিলিত হৈ যাত্ৰা কৰিলে।বাটত আৰবৰ এটা প্ৰসিদ্ধ পুণ্য স্থান জাত আনৱাত সন্মুখত পৰে। এই (জাত আনৱাত)ক জিয়াৰৎগাহ কোৱা হৈছিল। ইয়াত এটা অতি প্ৰাচীন বগৰি গছ আছিল। এই গছজোপাক আৰবৰ মানুহে অতি পৱিত্ৰ বুলি মান্য কৰিছিল। আৰবৰ কোনো বীৰ যুদ্ধা যদি অস্ত্ৰ ক্ৰয় কৰিছিল তেন্তে সি সৰ্বপ্ৰথমে জাত আনৱাতত গৈ সেই অস্ত্ৰটিক বগৰি গছজোপাত ওলোমাই দিছিল যাতে অস্ত্ৰটি পৱিত্ৰ হয়। মুছলমান সকলে যেতিয়া ইয়াৰ ওচৰেদি অতিক্ৰম কৰি আছিল; তেতিয়া তেওঁলোকৰ মাজৰ পৰা কোনো কোনোৱে কৈছিল, হে আল্লাহৰ

ৰছুল! আমাৰ বাবেও আপুনি এটি জাত আনৱাত নির্দ্ধাৰণ কৰি দিওঁক। হজৰত মহম্মদ (ছাঃ)য়ে তেওঁলোকৰ এই ইচ্ছাৰ প্ৰতি অনীহা প্ৰকাশ কৰি কলে, আল্লাহ্ সর্বশ্রেষ্ঠ। তোমালোকৰ এই ইচ্ছা হজৰত মুছা (আঃ)ৰ অনুসাৰী সকলৰ দৰে।কাৰণ তেওঁলোকে যেতিয়া কেনানৰ পিনে যাত্ৰা কৰিছিল; তেতিয়া বাটত মানুহক মূর্তি পূজা কৰা দেখি হজৰত মুছা (আঃ)ক কৈছিল; يٰمُوۡسَى اجۡعَلۡ لَّنَاۤ اِلٰهًا كَمَا لَهُمۡ اٰلِهَةٌ

অৰ্থ ঃসিহঁতে কলে, হে মুছা! সিহঁতৰ যেনে উপাস্যবিলাক আছে তেনে এটি উপাস্য আমাৰ কাৰণেও সাজি দিয়া। (7:139))

হজৰত মহম্মদ (ছাঃ) য়ে আৰু কলে,এয়া তো অজ্ঞতাৰ বাহিৰে আন একো নহয়।মোৰ সন্দেহ এনে অবাঞ্ছনীয় ইচ্ছাৰ ফলত তোমালোকৰ মাজৰ পৰা এটা দলে পিছত এনেবোৰ অপকর্ম কৰিববলৈ আৰম্ভ কৰি দিব পাৰে।তোমালোকে সকলো সময়তে এক আল্লাহক স্মৰণ কৰা। যিয়ে সৰ্বব্যাপী আৰু সৰ্ব শক্তিমান। তাৰ ওচৰত প্ৰাৰ্থনা কৰা যাতে সেইজনাই তোমালোকৰ পূৰ্ব পুৰুষ সকলৰ কু-সংস্কাৰৰ পৰা তোমালোকক মুক্ত কৰে।

ইয়াৰ পিছত এই সেনা বাহিনী হুনাইন নামৰ স্থানত উপস্থিত হয়।হাওৱাজিন আৰু তাৰ মিত্ৰ গোত্ৰ সমূহে মুছলমান সকলৰ ওপৰত আতংকিত ভাৱে আক্ৰমণ পৰিচালনাৰ সুবিধাৰ্থে সেই ঠাইত কিছু গুপ্ত ঘাঁটি তৈয়াৰ কৰি ৰাখে লগতে আধুনিক যুদ্ধৰ অনুৰূপ ভুৱা গোলান্দাজ সেনা প্ৰস্তুত কৰি ৰাখে। তেওঁলোকে সেই গোপন ঘাঁটিৰ সন্মুখত সৰু সৰু প্ৰাচীৰ তৈয়াৰ কৰি তাৰ পিছত লুকাই থাকে। সেই প্ৰাচীৰবোৰৰ মাজত মাত্ৰ এটি পথ শত্ৰু সকলৰ যাতায়তৰ বাবে মুকলি কৰি ৰাখে। তেওঁলোকৰ অধিকাংশ সৈন্য উক্ত কৌশল অৱলম্বন কৰি আৰত লুকাই থাকে আৰু বাকী সৈন্যবোৰে উট আৰু ঘোঁৰাৰ সন্মুখত শাৰীবদ্ধ ভাৱে থিয় হৈ থাকে। মুছলমান সৈন্য বাহিনীয়ে কেৱল সন্মুখত অৱস্থান গ্ৰহণ কৰা সেনাবাহিনীক দেখি সামান্য সংখ্যক বুলি ভাবি সিহঁতৰ ওপৰত আক্ৰমণ কৰাৰ উদ্দেশ্যে আগবাঢ়ি গ'ল।মুছলমান সকলৰ অগ্ৰসৰ হোৱাত প্ৰাচীৰৰ আঁৰত লুকাই থকা যুঁজাৰু সকলৰ আত্ম বিশ্বাস হ'ল যে,এতিয়া সিহঁতে অতি সহজে মুছলমান সকলৰ ওপৰত আক্ৰমণ কৰিব পাৰিব।সেই মুহূৰ্তত সন্মুখত থকা সৈন্যবিলাকে আক্ৰমণ কৰিলে আৰু চাৰিওফালৰ পৰা ধনুধাৰী সৈন্যসকলে অজস্ৰ তীৰ বৰ্ষণ আৰম্ভ কৰিলে।মক্কাৰ যি সকল লোকে এই বুলি ভাৱি যুদ্ধত অংশ গ্ৰহণ কৰিছিল যে,এইবাৰ সিহঁতেও সুযোগ মতে সিহঁতৰ নিপুনতা প্ৰদৰ্শন কৰিব।সিহঁতে এনে দ্বিমুখী আক্ৰমণ সহ্য কৰিব নোৱাৰিলে।ফল স্বৰূপে সিহঁতে মক্কা অভিমুখে পলাবলৈ আৰম্ভ কৰিলে।কিন্তু মুছলমান সকলে এনে ধৰণৰ বহু কষ্ট বিপদ আদি সহ্য কৰাৰ অভ্যাস পূৰ্বৰে পৰা

আছিল।তথাপি যেতিয়া মক্কাবাসীৰ ২০০০(দুই হাজাৰ) লোক উট আৰু ঘোঁৰা সহ শাৰী বিছিন্ন কৰি বিশৃংখলা ভাৱে দ্রুত বেগত পলায়ন কৰিব ধৰিলে,তেতিয়া মুছলমান সকলৰ উট আৰু ঘোঁৰা বোৰেও ভয়ত আতংকিত হয় আৰু পশ্চাৎমুখী হৈ বিশৃংখল ভাৱে দৌৰিব ধৰে।তিনি দিশৰ আক্রমণৰ বাবে অধিকাংশ সেনাই যুদ্ধ ক্ষেত্র এৰি পলায়ন কৰে। কেৱল মাত্র ২০০ জনৰ সমান ৰণক্ষেত্রত আছিল।এওঁলোক হজৰত মহম্মদ (ছাঃ)ৰ পৰা কিছু আঁতৰত আছিল। তেখেত (ছাঃ)ৰ ওচৰত কেৱল মাত্র ১২ জন সেনা উপস্থিত আছিল। উক্ত ঘটনা বৰ্ণনা কৰিবলৈ গৈ এজন চাহাবীয়ে উল্লেখ কৰে,

মই আৰু মোৰ বন্ধু এজনে আমাৰ উট আৰু ঘোঁৰাক পুনৰ যুদ্ধ ক্ষেত্রত উভতাই অনাৰ বাবে অপ্রাণ চেষ্টা কৰিছিলোঁ। কিন্তু ২০০ (দুই শ) উট আৰু ঘোঁৰাৰ সৈতে সৈন্যৰ পলায়ন পৰিস্থিতিত আমাৰ উট আৰু ঘোঁৰাৰ ইমান আতংকিত হৈছিল যে, (লাগাম) পাচ কঁকাল টানি টানি আমাৰ হাত কাটি জখম হৈছিল, তথাপি কোনো উপায়েই সেই উট আৰু ঘোঁৰাবোৰক ঘূৰাব নোৱাৰিছিলোঁ। কেতিয়াবা কেতিয়াবা আমি পাচ কঁকাল ইমান টানিছিলোঁ যে, বাহন উট আৰু ঘোঁৰাৰ মূৰ উলটি আহি সিহঁতৰ নেজ পাইছিল। কিন্তু যিমানেই আমি সিহঁতক আগলৈ খেদিছিলোঁ সিমানেই সিহঁতে যুদ্ধ ক্ষেত্রৰ পিনে অগ্রসৰ হোৱাৰ পৰিৱৰ্তে পিছ ফালে বেছি জোৰে দৌৰিছিল। তেতিয়া আমাৰ হৃদয় এই ভয়ত শংকিত হৈছিল যে,নাজানো পিছফালে হজৰত মহম্মদ (ছাঃ)ৰ কি অৱস্থা হৈছে।আমি নিৰাশ হৈ পৰিছিলোঁ।যাৰ বাবে একো কৰিব নোৱাৰিছিলোঁ।এফালে মুছলমান সকলৰ এই অৱস্থা আনফালে হজৰত মহম্মদ (ছাঃ)মাত্র কেইজন মান সৈন্য লৈ যুদ্ধ ক্ষেত্রত থিয় হৈ আছিল।তেওঁলোকৰ সোঁ ফালে বাওঁফালে আৰু পিছফালে তিনিও ফালৰ পৰা তীৰ বৰ্ষণ হৈছিল।আনকি পিছফাল মাত্র এটি সৰু বাট আছিল; যাৰ মাজেৰে মাত্র কেইবাজন একেলগে যাব পাৰে।ইয়াৰ বাহিৰে আন কোনো বিকল্প বাট নাছিল যাৰ মাজেৰে পলাই যোৱা সম্ভৱ। সেই সময়ত হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)য়ে নিজৰ বাহনৰ পৰা নামি আহি হজৰত মহম্মদ (ছাঃ)ৰ খচ্চৰৰ পাচ কঁকাল টানি ধৰি আবেদন কৰিলে যে, হে আল্লাহৰ ৰছুল! অলপ সময়ৰ বাবে পিছুৱাই আহঁক। তেতিয়ালৈকে ইছলামী সৈন্য বাহিনী সকলে পুনৰ সমৱেত হওঁক।হজৰত মহম্মদ (ছাঃ)য়ে কলে, হে আবু বক্কৰ! মোৰ খচ্ছৰৰ পাচ কঁকাল এৰি দিয়া। এই কথা কৈ তেখেত (ছাঃ)য়ে নিজৰ খচ্চৰক গোড়ালিৰে আঘাত কৰি সেই সঙ্কীৰ্ণ বাটৰ পিনে আগুৱাই যাব ধৰিলে। তেতিয়া পূৰ্বে বৰ্ণিত প্রাচীৰৰ অন্তৰালত লুকাই থকা শত্রু সৈন্যবিলাকে সোঁফালে বাওঁফালে সকলো ফালৰ পৰা ধাৰাসাৰে তীৰ নিক্ষেপ কৰিব ধৰিলে,তেখেত (ছাঃ)য়ে ঘোষণা কৰিব ধৰিলে,

اَنَا النَّبِىُّ لاَ كَذِبْ اَنَا ابْنُ عَبْدِ الْمُطَّلِبْ

অৰ্থঃ নিশ্চয় মই এজন নবী,মিছলীয়া নহয়।মই আব্দুল মুত্তালিবৰ নাতি ল’ৰা। (বুখাৰী) কিন্তু এই কথাও স্মৰণ ৰাখিবা যে,এই সময়ত মই শত্ৰু সৈন্যবিলাৰ আক্ৰমণৰ মাজত থাকিও সুৰক্ষিত আছোঁ।ইয়াৰ অৰ্থ এয়ে নহয় যে,মোৰ মাজত কোনো ঐশ্বৰিক শক্তি নিহিত আছে। বৰঞ্চ মই এজন সাধাৰণ মানুহ আৰু আব্দুল মুত্তালিবৰ নাতি ল’ৰা। তাৰ পিছত তেখেত (ছাঃ) য়ে হজৰত আববাছ (ৰাঃ)যাৰ কণ্ঠস্বৰ অতি জৰুলা আছিল।তেওঁক মাতি আনি কলে, আববাছ উচ্চ কণ্ঠে অৰ্থাৎ চিঞৰি চিঞৰি কোৱা, হে সহচৰ সকল! যি সকলে হুদাইবিয়া সেই বৃক্ষৰ তলত প্ৰতিজ্ঞা কৰিছিলা আৰু যি সকলে চুৰা বাকাৰা অৱতীৰ্ণৰ সময়ৰ পৰা মুছলমান হৈছা, তেওঁলোকক আল্লাহৰ ৰছুল আহ্বান কৰিছে। হজৰত আববাছ (ৰাঃ)য়ে যেতিয়া চিঞৰি চিঞৰি হজৰত মহম্মদ (ছাঃ)ৰ এই সংবাদ ঘোষণা কৰিলে; তেতিয়া সকলো চাহাবা (ৰাঃ)ৰ যি অৱস্থা সৃষ্টি হয় সেয়া কেৱল চাহাবা সকলৰ মুখৰ পৰা শুনিলেই অনুমান কৰা সম্ভৱ। সেই সকল চাহাবী (ৰাঃ) যি সকলে সেই সময়ত উপস্থিত আছিল,তেওঁলোকৰ উক্তি যে,আমি আমাৰ উট আৰু ঘোঁৰাবোৰক পুনৰ যুদ্ধ ক্ষেত্ৰত উভতাই অনাৰ ভাৱে অপ্ৰাণ চেষ্টা কৰিছিলোঁ। যেতিয়া হজৰত আববাছ (ৰাঃ)ৰ উচ্চস্বৰ আমাৰ কৰ্ণত প্ৰৱেশ কৰে;তেতিয়া আমি যেন ইহলোকত নাই বুলি ধাৰণা উপজিছিল।ই যেন এক মহা প্ৰলয়ৰ দিন আৰু আমি যেন স্বয়ং আল্লাহৰ সন্মুখত থিয় আমাৰ কৃত কৰ্মৰ হিচাপ দিছোঁ।স্বৰ্গৰ ফিৰিস্তা সকলে যেন আমাক আজি হিচাপ লোৱাৰ বাবে আহ্বান কৰি আছে। তেতিয়া আমাৰ মাজৰ পৰা কোনো কোনোৱে ঢাল তৰোৱাল হাতত লৈ উটৰ পিঠিৰ পৰা জপিয়াই নামি আহে আৰু উটবিলাক এৰি দিয়ে।কিছু সংখ্যক লোকে নিজৰ তৰোৱালেৰে নিজৰ ঘোঁৰা আৰু উটবিলাকৰ শিৰচ্ছেদ কৰি হজৰত ৰছুলে কৰিম (ছাঃ)ৰ সমীপত উপস্থিত হয়।এই সমূহ সহানুভূতি চাহাবা (ৰাঃ) সকলে আৰু কলে, সেই দিন মদিনাৰ মুছলমান সকলে হজৰত ৰছুলে কৰিম (ছাঃ)ৰ ওচৰলৈ দলে দলে এনেভাৱে আহি উপস্থিত হৈছিল; যেনেকৈ মাইকী উট আৰু গাই গৰুৱে নিজৰ পোৱালীৰ মাত শুনি দৌৰি তাৰ ওচৰলৈ যায়।ক্ষন্তেকৰ ভিতৰতে চাহাবা (ৰাঃ) বিশেষ কৰি আনছাৰ সকল হজৰত মহম্মদ (ছাঃ)ৰ চৌপাশত সমবেত হৈছিল আৰু শত্ৰু পৰাজিত হৈছিল।

কি যে আশ্চৰ্য ? সেই দিন স্বয়ং আবু ছুফিয়ান হজৰত মহম্মদ (ছাঃ)ৰ সঙ্গী হোৱা,আল্লাহৰ এক অদ্ভুত ব্যৱস্থা আছিল। আন পিনে হজৰত মহম্মদ (ছাঃ) পৱিত্ৰ শক্তিৰ এক উজ্জ্বল দৃষ্টান্ত এই যে,উক্ত আবু ছুফিয়ান কিছু দিন পূৰ্বে ইছলামৰ নবী হজৰত মহম্মদ (ছাঃ)ৰ প্ৰাণ হৰণৰ অভিলাষী আছিল আৰু মুছলমান সকলৰ সৰ্বনাশ কৰাৰ মানসেৰে বিধৰ্মী কাফেৰ সকলৰ সেনা বাহিনীৰ সেনাপতি হৈ নেতৃত্ব গ্ৰহণ কৰিছিল। তেওঁ আজি হুনাইন পথাৰত হজৰত ৰছুলে (ছাঃ)ৰ মিত্ৰ আৰু পৰম শিষ্য ৰূপে তেখেত (ছাঃ)ৰ খচ্চৰৰ ডিঙি ধৰি থিয় হৈ আছিল। যেতিয়া মক্কাৰ কাফেৰ সকলৰ উট আৰু ঘোঁৰাবোৰে যুদ্ধ

ক্ষেত্ৰ এৰি পলায়ন কৰিব ধৰে; তেতিয়া আবু ছুফিয়ান যি এজন অভিজ্ঞ সেনা নায়ক আৰু বিচক্ষণ বুদ্ধি সম্পন্ন ব্যক্তি আছিল; তেওঁ উপলব্ধি কৰিছিল যে, তেওঁৰ ঘোঁৰাও ভয়ত আতংকিত হৈ পলায়ন কৰিব পাৰে। গতিকে তেওঁ তৎক্ষণাত ঘোঁৰাৰ পৰা নামি হজৰত ৰছুলে কৰিম (ছাঃ)ৰ খচ্চৰৰ ডিঙি ধৰি খোজ কাঢ়ি যাব ধৰিলে।

আবু ছুফিয়ানৰ উক্তিঃ সেই সময়ত মোৰ হাতত উন্মুক্ত তৰোৱাল আছিল।সেই আল্লাহৰ শপত! যিয়ে অন্তৰৰ গোপন কথা জানে।মই এই দৃঢ় সঙ্কল্প লৈ প্ৰিয় নবী হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত খচ্চৰৰ ডিঙি ধৰিছিলোঁ যে, মোক হত্যা নকৰাকৈ কোনো শক্তিয়েই হজৰত ৰছুলে কৰিম (ছাঃ)ৰ কাষ চাপিবলৈ সাধ্য নাছিল। ঠিক সেই সময়ত হজৰত মহম্মদ (ছাঃ)য়ে মোৰ পিনে বিষ্ময়কৰ দৃষ্টিত লক্ষ্য কৰি আছিল। তেখেত (ছাঃ)য়ে সৰ্ব শক্তিমান আল্লাহৰ ধন্যবাদ জ্ঞাপন কৰিব ধৰে। তেখেত (ছাঃ) য়ে ভাবিছিল যে,আজিৰ পৰা মাত্ৰ ১০/১৫ দিন পূৰ্বে এই ব্যক্তিয়েই মোক হত্যা কৰাৰ নিমিত্তে মক্কাৰ পৰা সেনা বাহিনী লৈ ওলাই আহিছিল। কিন্তু পৰম কৰুণাময় আল্লাহৰ অসীম কৃপা যে, মাত্ৰ কিছু দিনৰ ভিতৰতেই তেওঁৰ হৃদয়ত এনে পৰিৱৰ্তন সংগঠিত হৈছিল যে, মক্কাৰ সেই সেনাপতি আজি এজন সাধাৰণ সৈনিকৰ দৰে মোৰ বাহনৰ ৰচী ধৰি থিয় হৈ আছে। তেওঁৰ মুখাকৃতিয়েই সাক্ষ্য দিয়ে যে, আজি প্ৰাণ আহুতি দি তেওঁ পূৰ্বৰ অপৰাধৰ প্ৰায়শ্চিত্ত কৰিব বিচাৰে। হজৰত আববাছ (ৰাঃ)য়ে যেতিয়া প্ৰত্যক্ষ কৰিলে যে, হজৰত মহম্মদ (ছাঃ)য়ে আবু ছুফিয়ানৰ পিনে বিষ্ময়কৰ দৃষ্টিত চাই আছে; তেতিয়া তেখেত (ৰাঃ)য়ে কলে, হে আল্লাহৰ ৰছুল ! এওঁতো আবু ছুফিয়ান, আপোনাৰ খুৰাৰ পুতেক; তেওঁ আপোনাৰ দদায়েক। আজিতো আপুনি তেওঁৰ ওপৰত সন্তোষ্ট হ'ব। প্ৰতি উত্তৰত হজৰত মহম্মদ (ছাঃ)য়ে কলে, হয়, মই নিশ্চয় সন্তোষ্ট। মই আল্লাহৰ ওচৰত প্ৰাৰ্থনা কৰিছোঁ যে, কৰুণাময় আল্লাহ পাক যেন তেওঁৰ সকলো অপৰাধ ক্ষমা কৰি দিয়ে। যি অপৰাধ তেওঁ মোৰ আৰু মুছলমান সকলৰ সৈতে কৰিছে।

আবু ছুফিয়ান উল্লেখ কৰিছে; যেতিয়া ইছলামৰ নবী হজৰত মহম্মদ (ছাঃ)য়ে মোক সম্বোধন কৰি কলে, হে মোৰ ভাই ! তেতিয়া মই মোৰ স্নেহ আৰু আবেগেৰে তেখেত (ছাঃ)ৰ যিখন ভৰি খচ্চৰৰ জীৱন ৰেকাৰীত আছিল; তাত চুমা খালো।

হুনাইনৰ বিজয়ৰ পাছত হজৰত মহম্মদ (ছাঃ)য়ে ধাৰলৈ অনা সকলো যুদ্ধ সামগ্ৰী তাৰ মালিকক ঘূৰাই দিছিল। লগতে তেওঁলোকক বহু পুৰস্কাৰও দিছিল। তেতিয়া সেই লোকবোৰৰ ধাৰণা উপজিছিল যে, এই ব্যক্তি নিশ্চয় কোনো সাধাৰণ মানুহ নহয়। আনকি তেখেত (ছাঃ)ৰ স্নেহশীলতা আৰু শিষ্টাচাৰত প্ৰভাৱিত হৈ চাফৱান ইছলাম ধৰ্ম গ্ৰহণ কৰি মুছলমান হৈ যায়।

## ছাইবাৰ ইছলাম ধৰ্ম গ্ৰহণ

উল্লেখিত যুদ্ধৰ এটি বিস্ময়কৰ ঘটনাৰ বৰ্ণনা ইতিহাস পাঠৰ পৰা জনা যায়। ছাইবা নামৰ এজন মক্কাৰ স্থায়ী বাসিন্দা পৱিত্ৰ কাবা গৃহৰ খাদেম হিচাপে নিযুক্ত আছিল। তেওঁ উল্লেখ কৰিছে, মইও এই হুনাইনৰ যুদ্ধত অংশ গ্ৰহণ কৰিছিলোঁ। কিন্তু মোৰ উদ্দেশ্য আছিল, যেতিয়া উভয় পক্ষৰ সেনা বাহিনী যুদ্ধত লিপ্ত হ'ব; তেতিয়া সুযোগ লৈ হজৰত মহম্মদ (ছাঃ)ক হত্যা কৰি পেলাম। এই দৃঢ় সংকল্প মই গ্ৰহণ কৰিছিলোঁ যে, যদিও সমগ্ৰ আৰব অথবা অনাৰব লোক আনকি, সমগ্ৰ বিশ্বৰ লোকও যদি হজৰত মহম্মদ (ছাঃ)ৰ ধৰ্ম গ্ৰহণ কৰে; তথাপি মই কেতিয়াও ইছলাম ধৰ্ম গ্ৰহণ নকৰোঁ। বৰঞ্চ ইছলামৰ বিৰোধীতাহে কৰি যাম। যেতিয়া তীব্ৰ যুদ্ধ আৰম্ভ হয় আৰু এক পক্ষই আন পক্ষক ভীষণ আক্ৰমণ কৰে; আৰু যুদ্ধ ক্ষেত্ৰত সমূহ লোক ছেদেলি-ভেদলি হৈ পৰে; ঠিক সেই সময়ত মই উন্মুক্ত তৰোৱাল হাতত লৈ হজৰত মহম্মদ (ছাঃ)ৰ পিনে আগুৱাই যাব ধৰোঁ।সেই সময়ত মোৰ মনত ধাৰণা হ'ল যে, হজৰত ৰছুল কৰিম (ছাঃ) আৰু মধ্যৱৰ্তী স্থানত এক প্ৰচণ্ড অগ্নিশিখা যেন জ্বলি উঠিছে যিয়ে মোক ক্ষন্তেকতেই ভষ্মীভূত কৰি পেলাব। তেনেতে হজৰত মহমম্মদ (ছাঃ)ৰ সু-মধুৰ কন্ঠ ধ্বনি মোৰ কৰ্ণ-গোচৰ হ'ল, ছাইবা, মোৰ ওচৰলৈ আহা। এই শব্দ শুনা মাত্ৰ মই তেতিয়া তেখেত (ছাঃ)ৰ ওচৰলৈ যাওঁ। যেতিয়া মই তেখেত (ছাঃ)ৰ ওচৰলৈ গলো; তেতিয়া হজৰত মহম্মদ (ছাঃ)য়ে মোৰ বুকুত হাত ৰাখি কলে, হে আল্লাহ ! ছাইবাক চয়তানী চিন্তা অৰ্থাৎ হৃদয়ৰ অপৱিত্ৰ কল্পনাৰ পৰা স্বচ্ছ কৰি দিয়া। ছাইবাৰ মতে, হজৰত মহম্মদ (ছাঃ)ৰ পৱিত্ৰ হস্ত মোৰ বুকুত ৰখাৰ লগে লগে মোৰ হৃদয়ৰ পৰা সমূহ শত্ৰুতা আৰু বিদ্বেষ ভাৱ বিলুপ্ত হৈ যায়। তেতিয়াৰ পৰা হজৰত মহম্মদ (ছাঃ) মোৰ ওচৰত অতি প্ৰিয় পাত্ৰ হয়। তেখেত (ছাঃ)য়ে মোক কলে, ছাইবা আগ বাঢ়ি যোৱা আৰু যুদ্ধ কৰা। এই কথা শুনি মই যুদ্ধ ক্ষেত্ৰলৈ আগ বাঢ়ি গলো। সেই সময়ত মোৰ এক মাত্ৰ ইচ্ছা আছিল যে, মই নিজৰ প্ৰাণ উৎসৰ্গ কৰি হলেও হজৰত মহম্মদ (ছাঃ)ৰ প্ৰাণ ৰক্ষা কৰিম। যদি সময়ত মোৰ পিতৃ জীৱিত থাকিলেহেঁতেন আৰু যুদ্ধ ক্ষেত্ৰত মোৰ সন্মুখত পৰিলেহেঁতেন তেন্তে মই নিজৰ তৰোৱালেৰে তেওঁক হত্যা কৰিবলৈও সংকোচ বোধ নকৰিলোঁহেঁতেন। (ছিৰাত ইবনে হিশাম: ৩য় খণ্ড পৃ: ৯)

অৱশেষত হজৰত মহম্মদ (ছাঃ)য়ে তাইফ অভিমুখে যাত্ৰা কৰে। তাইফ হ'ল সেই চহৰ যাৰ লোক সকলে হজৰত মহম্মদ (ছাঃ)ৰ ওপৰত শিল বৰ্ষণ কৰি চহৰখনৰ পৰা বহিষ্কাৰ কৰি দিছিল। এই চহৰখনক তেখেত (ছাঃ)য়ে কিছু সময়ৰ বাবে অৱৰোধ কৰি ৰাখিছিল। কিন্তু মুছলমান সকলে পৰামৰ্শ দিলে যে,এতিয়া এই চহৰখনক অৱৰোধ কৰিলে সময় নষ্ট কৰা হ'ব।এতিয়া সমগ্ৰ আৰব চহৰত মাত্ৰ এই এখন চহৰে কি কৰিব

পাৰিব ? গতিকে তেখেত (ছাঃ)অৱৰোধ তুলি লৈ উভতি আহিল।ইয়াৰ কিছুদিন পাছত চহৰৰ লোকেও ইছলাম ধৰ্ম গ্ৰহণ কৰি মুছলমান হয়।

## মক্কা আৰু হুনাইনৰ বিজয়ৰ পৰৱৰ্তী অৱস্থা

মক্কা আৰু হুনাইনৰ বিজয়ৰ পিছত পৰাজিত শত্ৰু পক্ষৰ পৰা মুক্তিপণ হিচাপে যিবোৰ ধন সম্পদ প্ৰাপ্ত হৈছিল আৰু যি সামগ্ৰী হজৰত মহম্মদ (ছাঃ)ৰ হস্তগত হৈছিল;সেইবোৰ সকলোৰে মাজত সম বিতৰণৰ ব্যৱস্থা কৰিছিল।আনহাতে সেই সমূহ ধন-সম্পদ আৰু প্ৰাপ্য সামগ্ৰী কেৱল সৈন্যবোৰৰ মাজতহে বিতৰণ কৰা সমীচিন আছিল।কিন্তু দয়ালু নবী হজৰত মহম্মদ (ছাঃ)য়ে সেইবোৰৰ কিছু অংশ মুছলিম সৈন্য সকলৰ মাজত আৰু কিছু অংশ মক্কাবাসীৰ মাজত আৰু বাকী অংশ পাৰ্শ্বৱৰ্তী অঞ্চলৰ লোক সকলৰ মাজত বিতৰণ কৰিছিল। সেই সমূহ লোকৰ মাজত তেতিয়াও ইছলামৰ প্ৰতি শ্ৰদ্ধা জন্মা নাছিল।আনকি বহু লোক তেতিয়াও অবিশ্বাসী আছিল। আৰু যি সকল লোক নতুনকৈ মুছলমান হৈছিল; তেওঁলোকে তেতিয়ালৈকে ইছলামী শিক্ষাৰ পূৰ্ণ ঈমান লাভ কৰা নাছিল।গতিকে যুদ্ধৰ সামগ্ৰী বিতৰণ ব্যৱস্থা তেওঁলোকৰ বাবে এক অদ্ভুত ঘটনা আছিল।এটা জাতিয়ে নিজৰ ধন-সম্পদ আন এক জাতিৰ লোকৰ মাজত সম বিতৰণ দেখি সিহঁতে আল্লাহক ধন্যবাদ জ্ঞাপন কৰা উচিত আছিল। কিন্তু তাকে নকৰি সিহঁতে স্বাৰ্থ পৰতা আৰু লোভৰ বশীৰ্ভূত হৈ পৰিছিল।তেওঁলোকে হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত অধিক প্ৰাপ্তীৰ লোভত প্ৰচণ্ড ভীৰ কৰিছিল।বাৰে বাৰে বস্তু বিচাৰি ইমান অতিষ্ঠ কৰি তুলিছিল যে, ভীৰৰ মাজত ঠেলি ঠেলি তেওঁলোকে হজৰত মহম্মদ (ছাঃ)ক এখন গছৰ তলত লৈ গৈছিল। এজন অচিনাকী ব্যক্তিয়ে হজৰত মহম্মদ (ছাঃ)ৰ কান্ধৰ চাদৰ ধৰি এনেকৈ টানিছিল যে, তেখেত (ছাঃ)ৰ শ্বাস ৰুদ্ধ হৈ যোৱাৰ উপক্ৰম হৈছিল। তেতিয়া তেখেত (ছাঃ)য়ে তেওঁলোকক উদ্দেশ্য কৰি কৈছিল, হে উপস্থিত জনসাধাৰণ! যদি মোৰ ওচৰত ধন থাকিলেহেঁতেন, তেন্তে মই সেইবোৰও তোমালোকৰ মাজত বিতৰণ কৰি দিলোঁহেঁতেন। এতিয়া মোৰ ওচৰত কোনো অৱশিষ্ট ধন নাই। মই সঙ্কীৰ্ণ মনস্কৰ অথবা কৃপন স্বভাৱৰ লোক নহয়।(বুখাৰী)

এই কথা কৈ তেখেত (ছাঃ)য়ে নিজৰ বাহন উটৰ ওচৰলৈ যায় আৰু তাৰ এটা নোম ছিঙি লৈ উৰ্দ্ধে তুলি ধৰি কলে, হে ৰাইজ সকল! তোমালোকৰ এই ধন সম্পদৰ প্ৰতি মোৰ এই নোমৰ সমান প্ৰয়োজনও নাই। কিন্তু এইটো সঁচা যে,আৰবীয় বিধান অনুসৰি অৱশ্যই ইয়াৰ এক পঞ্চমাংশ ৰাজ কোষত সংৰক্ষিত থাকিব। সেয়া আকৌ মোৰ কামৰ বাবে খৰচ কৰা নহ'ব বৰঞ্চ তোমালোকৰ কামৰ বাবেহে খৰচ কৰা

হ’ব। স্মৰণ ৰখা উচিত যে,জাতীয় ধনৰ অসৎ ব্যৱহাৰকাৰী বিশ্বাসঘাতকতা কিয়ামতৰ দিন আল্লাহৰ ওচৰত অপমানিত হ’ব।( আছ্ ছিৰাতুল হালবিয়া ;৩য় খণ্ড, পৃঃ ১৩৫।

সেই সময়ত কিছুমান অজ্ঞলোকে হজৰত ৰছুলে কৰিম (ছাঃ)ৰ বাবে অনুতাপ প্ৰকাশ কৰি কয় যে, হয়তো তেখেত (ছাঃ) ৰাজত্বৰ অভিলাষী আছিল।কিন্তু সূক্ষ্ম দৃষ্টিৰে বিচাৰ কৰি চালে উক্ত আৰোপিত অভিযোগ প্ৰমাণিত নহয়। কাৰণ উপৰোক্ত ঘটনাৰ পৰা প্ৰমাণ হয় যে, ৰজা আৰু প্ৰজাৰ মাজত এনে দু:সাহস হয়নে যে, ৰজাক ঠেলি লৈ যায় আৰু তেখেতৰ কান্ধত কাপোৰ মেৰিয়াই পাক দিয়ে ? একমাত্ৰ আল্লাহৰ ৰছুল আৰু তাৰ প্ৰিয় ভক্তৰ অবিহনে কোনে এনে দৃষ্টান্ত স্থাপন কৰিব পাৰে ? কেৱল এইৰূপ আদৰ্শ আৰু নিষ্ঠাবান ব্যক্তিয়েই সকলো ধন-সম্পদ আনৰ মাজত বিতৰণ কৰিব পাৰে। সকলো ধন-সম্পদ নিচলা লোকসকলৰ মাজত বিতৰণ কৰা সত্ত্বেও তাত এনেকুৰা লোভীয়া আৰু সঙ্কীৰ্ণ চিত্তৰ ব্যক্তিও উপস্থিত আছিল, যি সকলে হজৰত মহম্মদ (ছাঃ)ৰ এনে মহান কাৰ্য্যক অনুচিত বুলি ভাবিছিল। তেওঁলোকৰ মতে হজৰত মহম্মদ (ছাঃ)এই বিতৰণ ন্যায় সঙ্গত হোৱা নাছিল।আনকি জুলখুৱাইচিৰা নামৰ ব্যক্তি হজৰত মহম্মদ (ছাঃ)ৰ ওচৰলৈ আহি কলে,হে আল্লাহৰ ৰছুল! আজি আপুনি কি কৰিলে,সেয়া মই দেখিলোঁ। আল্লাহৰ প্ৰিয় হাবিব কলে,তুমি কি দেখিবলৈ পালা ?তেওঁ কলে, মই দেখিলোঁ যে,আপুনি আজি ন্যায় কাম কৰা নাই। প্ৰতিউত্তৰত আল্লাহৰ ৰছুল কলে,তোমাৰ বাবে পৰিতাপৰ বিষয়।যদি মই আজি সুবিচাৰ নকৰি থাকো; তেন্তে পৃথিৱীৰ কোনো মানুহেই ন্যায় বিচাৰ কৰিব নোৱাৰিব। (মুছলিম)

আল্লাহৰ নবীৰ প্ৰতি এনে দুৰ্ব্যৱহাৰ দেখি চাহাবা (ৰাঃ) সকলে ক্ৰোধত জ্বলা জুইত ঘি ঢালি দি থিয় হৈ উঠিল। যেতিয়া দুৰ্ব্যৱহাৰকাৰী ব্যক্তি জন সভা পৰিত্যাগ কৰি বাহিৰলৈ ওলায় আহিল; তেতিয়া এজন চাহাবা (ৰাঃ) য়ে কলে, হে আল্লাহৰ ৰছুল! এই ব্যক্তি মৃত্যু দণ্ডৰ যোগ্য। আপুনি আমাক অনুমতি দিয়ক আমি তেওঁক হত্যা কৰি পেলাম। আল্লাহৰ ৰছুল কলে,এনে কাম নকৰিবা। যদি এই ব্যক্তি আইনৰ প্ৰতি আনুগত্য স্বীকাৰ কৰি মোৰ নিৰ্দেশ পালন কাৰী হয় আৰু প্ৰত্যক্ষ ৰূপে কোনো অপৰাধ নকৰে; তেন্তে আমি তাক হত্যা কৰিব নোৱাৰো। চাহাব (ৰাঃ) সকলে কলে, হে আল্লাহৰ ৰছুল! যদি কোনো ব্যক্তিয়ে বাহ্যিক ৰূপে এটা কৰি আভ্যন্তৰিণ ৰূপে আন এটা ভাবি থাকে; তেনেহলে সি শাস্তিৰ যোগ্য নহ’বনে ? তেতিয়া ইছলামৰ পয়গম্বৰ দয়ালু নবী হজৰত মহম্মদ (ছাঃ)য়ে কলে, মহান আল্লাহ পাক মোক এনেকুৱা আদেশ দিয়া নাই যে, মানুহৰ লগত সিহঁতৰ হৃদয়ৰ চিন্তা-ভাৱনা অনুসৰি আচৰণ কৰো। বৰঞ্চ আল্লাহ তায়লা মোক এই আদেশ দিছে যে,মই যেন মানুহৰ প্ৰকাশ্য আচৰণ অনুসৰি আচৰণ কৰো। সিহঁতে

যি কথা কয় আৰু যি কাৰ্য্য কৰে; সেইমতে সিহঁতৰ সৈতে ব্যৱহাৰ কৰিবলৈ মোক কোৱা হৈছে।তেখেত (ছাঃ)য়ে আৰু কলে, উক্ত ব্যক্তি আৰু তেওঁৰ সঙ্গী সকলে নিশ্চয় এদিন মুছলমানৰ বিৰুদ্ধে বিদ্ৰোহ কৰিব।কাৰণ তেওঁৰ কাৰ্য্যকলাপেই বাস্তৱ প্ৰমাণ।

হজৰত মহম্মদ (ছাঃ)ৰ এই ভৱিষ্যতবাণী সত্য প্ৰমাণীত হৈছিল।হজৰত আলী (ৰাঃ)যি জন ইছলামৰ চতুৰ্থ খলিফা (প্ৰতিনিধি) আছিল।তেখেত (ৰাঃ)ৰ সময়ত বাস্তৱতে সেই ব্যক্তি আৰু তাৰ জাতিৰ লোক সকলে সেই সমূহ বিদ্ৰোহীৰ নেতৃত্ব দিছিল; যি সকলে হজৰত আলী (ৰাঃ)ৰ বিৰুদ্ধে বিদ্ৰোহ কৰিছিল। ইতিহাসত আজি লৈকে তেওঁলোক খাওৱাবিজ নামে কুখ্যাত হৈ আছে।

**হাওৱাজিন** সমস্যা সমাধানৰ পাছত হজৰত মহম্মদ (ছাঃ) মদিনালৈ উভতি আহে। এই দিনটো মদিনা বাসীৰ বাবে এক গৌৰৱময় দিৱস আছিল। এদিন এনেকুৱা আছিল যি দিনাখন আল্লাহৰ ৰছুল মক্কাবাসী সকলৰ অত্যাচাৰ ,উৎপীড়ন আৰু নিৰ্যাতনৰ বলি হৈ শৰণাৰ্থী ৰূপে মদিনাত প্ৰৱেশ কৰিছিল।আকৌ এনে দিন আহিল, যেতিয়া আল্লাহৰ ৰছুল মক্কা বিজয়ৰ পাছত উল্লাসেৰে নিজৰ প্ৰতিশ্ৰুতি ৰক্ষাৰ নিমিত্তে পুনৰ মদিনাত প্ৰৱেশ কৰে।

## তবুকৰ যুদ্ধ

হজৰত মহম্মদ (ছাঃ) মক্কা বিজয়ৰ পিছত মদিনালৈ উভতি আহিছিল।সেই সময়ত মদিনাত খাজৰাজ গোত্ৰৰ আবু আমীৰ মাদানি নামৰ এজন ব্যক্তি বাস কৰিছিল। তেওঁ খ্ৰীষ্টান আৰু ইহুদী সকলৰ সৈতে উঠা-বহা কৰাৰ কাৰণে এক প্ৰকাৰ সাধনাৰ অভ্যাস গঢ়ি তুলিছিল। ফলত তেওঁক তপস্বী বা সন্ন্যাসী বুলি ভবিছিল। তেওঁ খ্ৰীষ্টান ধৰ্মৰ লোক নাছিল; তথাপি সি হজৰত মহম্মদ (ছাঃ) মদিনাত উপস্থিত হোৱাৰ পিছত মক্কালৈ পলাই গৈছিল। তেতিয়া মক্কা বিজয় সম্পন্ন হৈছিল। গতিকে তেওঁ চিন্তা কৰিলে যে, এতিয়া সি ইছলামৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰাৰ বাবে কোনো এক নতুন কৌশল অৱলম্বন কৰিব লাগিব। সেই উদ্দেশ্যত সি নিজৰ নাম সলনি কৰিলে আৰু পৰিধান কৰা পোছাক পৰিচ্ছদও পৰিৱৰ্তন কৰিলে। তেওঁ মদিনাৰ বাহিৰত **কুবা** নামৰ এটি গাঁৱত বাস কৰিবলৈ আৰম্ভ কৰিলে। বহু বছৰ মদিনাৰ বাহিৰত থকা বাবে আৰু নাম লগতে বস্ত্ৰ পৰিৱৰ্তন কৰা হেতুকে, মদিনাৰ সাধাৰণ লোক সকলে তাক চিনিব নোৱাৰিছিল। কিন্তু কিছু সংখ্যক (মুনাফেক) কপটাচাৰী ব্যক্তিয়ে তেওঁক চিনিব পাৰিছিল। যি সকল

কপটাচাৰী ব্যক্তিৰ লগত তাৰ যোগাযোগ আছিল। তেওঁ মদিনাৰ কপটচাৰী (মুনাফেক) সকলৰ সৈতে একেলগে এটি দ্বিমুখী পৰিকল্পনা গ্ৰহণ কৰিছিল আৰু সেই পৰিকল্পনা তেওঁ নিম্নৰূপে বৰ্ণনা কৰিছিল।

মই ছিৰিয়ালৈ (শামদেশ) গৈ খ্ৰীষ্টান শাসক সকলক আৰু আৰবৰ খ্ৰীষ্টান গোত্ৰ সমূহক উত্তেজিত কৰি থাকিম। তেওঁলোকক আক্ৰমণ কৰাৰ বাবে উচটনি দি থাকিম। ইপিনে তোমালোকে (কপটচাৰীসকলে) প্ৰচাৰ কৰি থাকিবা যে, ছিৰিয়াৰ সেনাবাহিনীয়ে মদিনা আক্ৰমণ কৰিবলৈ আহি আছে। যদি মোৰ এই পৰিকল্পনা সফল হয়; তেন্তে নিশ্চয় উভয় পক্ষৰ মাজত যুদ্ধ সংগঠিত হ'ব। আনহাতে যদি পৰিকল্পনা সফল নহয়, তথাপি মুছলমান সকলে নিজেই গৈ ছিৰিয়া আক্ৰমণ কৰিব। ফলস্বৰূপে কাইছাৰৰ সৈতে তেওঁ লোকৰ যুদ্ধ সংগঠিত হ'ব। আৰু আমাৰ কাৰ্য্য সিদ্ধি হ'ব। ইয়াৰ পিছত আবু আমীৰ মাদানী ছিৰিয়ালৈ গুচি গৈছিল। ইফালে মদিনাৰ মুনাফেক সকলে নিতৌ এই উৰা বাতৰি (গুজৰ) প্ৰচাৰ কৰিব ধৰিলে যে, আমাৰ সৈতে অমুক কাফেলাৰ দেখা হৈছিল। তেওঁলোকে কলে, ছিৰিয়াৰ সেনাবাহিনীয়ে মদিনা আক্ৰমণ কৰাৰ সকলো প্ৰস্তুতি গ্ৰহণ কৰিছে। পিছৰ দিন সিহঁতে আকৌ কলে, আমাৰ সৈতে অমুক কাফেলাৰ দেখা হৈছিল; সিহঁতে আমাক কৈ গ'ল যে, ছিৰিয়াৰ সেনাবাহিনীয়ে মদিনা আক্ৰমণ কৰিবলৈ আহি আছে। এই উৰা বাতৰি সমূহ এনে ব্যাপক হাৰত বিস্তাৰ হৈছিল যে, হজৰত মহম্মদ (ছাঃ)য়ে সিদ্ধান্ত ললে যে, ইছলামী সেনাবাহিনীক অনতি পলমে ছিৰিয়াৰ সৈন্য বাহিনীৰ মুখা-মুখী কৰাৰ বাবে প্ৰেৰণ কৰিব লাগিব। কিন্তু সেই সময়ত মুছলমান সকলে অতি কষ্টেৰে দিন অতিবাহিত কৰি আছিল। কাৰণ দেশত তেতিয়া দুৰ্ভিক্ষ হৈছিল। যোৱা বছৰত খাদ্য শস্য আৰু ফল-মূল আদিৰ তেনে উৎপাদন হোৱা নাছিল। এই বছৰ এতিয়াও শস্য চপা নাই। সময় চেপ্তেম্বৰ মাহৰ শেষ অথবা অক্টোবৰ মাহৰ প্ৰথম আছিল। হজৰত মহম্মদ (ছাঃ)যুদ্ধৰ বাবে যাত্ৰা কৰিলে। মুনাফেক সকলে জানিছিল যে, এই সকলো সিহঁতৰ মিছা চক্ৰান্ত আছিল। সিহঁতে এয়াও জানিছিল যে, এইবোৰ চক্ৰান্ত সিহঁতে এই কাৰণে কৰিছে যে, যদি ছিৰিয়াৰ সৈন্য বাহিনীয়ে আক্ৰমণ কৰিবলৈ নাহেও, তথাপি মুছলমান সকলে নিজে গৈ ছিৰিয়া আক্ৰমণ কৰিব। এই ভাবে সিহঁত ধ্বংস হৈ যাব। গতিকে যুদ্ধৰ পৰিণতি সিহঁতে ভালকৈ জানিছিল।

সেই সময়ত মুছলমান সকলে ইমান বিশাল সৈন্য বাহিনীৰ সৈতে যুদ্ধ কৰিব লাগিছিল যে, তেওঁলোকে বহু লোকচান স্বীকাৰ কৰি কোনো মতে ৰক্ষা পাই আহিছিল। পুনৰ মুনাফেক সকলে দ্বিতীয় তামচা চোৱাৰ বাবে আগ্ৰহী হৈ উঠিল। য'ত হজৰত মহম্মদ (ছাঃ) নিজে (নাউজুবিল্লাহ) শ্বহীদ হৈ যাব। গতিকে মুনাফেক সকলে দ্ৰুত এই গুজৰ বিস্তাৰ কৰিব ধৰিলে যে, অমুক অমুক উপায়ে আমি সংবাদ পাইছোঁ যে, শত্ৰুৱে

আক্ৰমণ কৰিবলৈ আহিলেই। অমুক মাধ্যমত আমি এই সংবাদও পাইছোঁ যে, ছিৰিয়াৰ সৈন্যবাহিনী অতি দ্ৰুত বেগত অগ্ৰসৰ হৈ আহি আছে। আনকি তেওঁলোকে মানুহৰ আগত এই কথাও কৈ ফুৰিছিল যে, ইমান বৃহৎ সেনা বাহিনীৰ লগত যুদ্ধ কৰা কোনো সাধাৰণ কথা নহয়। গতিকে মুছলমান সকলৰ উচিত হ'ব যুদ্ধত যোগদান নকৰা। মুনাফেক সকলৰ মুখ্য উদ্দেশ্য আছিল যে, যদি মুছলমান সকলে ছিৰিয়া আক্ৰমণ কৰিবলৈ যায়; তেন্তে যাওঁক; যাতে তেওঁলোকে যুদ্ধত শোচনীয় ভাবে পৰাজয় বৰণ কৰে। কিন্তু আল্লাহৰ প্ৰিয় হাবিব হজৰত মহম্মদ (ছাঃ)য়ে যেতিয়া ঘোষণা কৰিলে যে, আমি ছিৰিয়া অভিমুখে যুদ্ধ যাত্ৰা কৰিব লাগিব। তেতিয়া মুছলমান সকলে একনিষ্ঠ আনুগত্য আৰু প্ৰেৰণাত উদ্ধত হৈ বৃহৎ স্বাৰ্থত্যাগ আৰু আত্ম বলিদান দিয়াৰ বাবে প্ৰস্তুত হ'ল। কিন্তু পৰিতাপৰ বিষয় দৰিদ্ৰ মুছলমান সকলৰ ওচৰত যুদ্ধৰ সৰঞ্জাম ক'ত আছিল ? ৰাষ্ট্ৰীয় কোষাগাৰও শূন্য আছিল। তেওঁলোকৰ যিসকল ভাই সম্পদশালী আছিল কেৱল তেওঁলোকহে সিহঁতৰ সাহায্যৰ বাবে আগ বাঢ়ি আহিব পাৰে। এনে অৱস্থাত দেখা গ'ল যে, প্ৰত্যেক মুছলমানে কুৰবানী কৰাৰ হকে এজনে আনজনৰ সৈতে প্ৰতিদ্বন্দ্বিতা আৰম্ভ কৰিলে। হজৰত ওচমান গনি (ৰাঃ)য়ে সেইদিন নিজৰ উপাৰ্জিত সমূহ সম্পদৰ অধিকাংশ লৈ আহি হজৰত মহম্মদ (ছাঃ)ৰ খেদমতত হাজিৰ কৰিলে; যাৰ পৰিমাণ এক হাজাৰ সোণৰ দীনাৰ আছিল। আন আন চাহাবা (ৰাঃ) সকলেও নিজ নিজ সামৰ্থ অনুসৰি চান্দা (বৰঙনি) দিব ধৰিলে। আৰু দৰিদ্ৰ মুছলমান সকলৰ বাবে বাহন উট, ঘোঁৰা আৰু খাপযুক্ত তৰোৱাল ইত্যাদি সংগ্ৰহ কৰি দিব ধৰিলে। চাহাবা (ৰাঃ) সকলৰ মাজত কুৰবানী কৰাৰ প্ৰেৰণা ইমান তীব্ৰ হৈছিল যে, ইয়ামিনৰ কিছু সংখ্যক লোক, যি সকলে ইছলাম গ্ৰহণ কৰি মদিনালৈ হিজৰত কৰি আহিছিল; আৰু অতি নিচলা অৱস্থাত দিন অতিবাহিত কৰি আছিল; তেওঁলোকৰ কেইজনমান লোক হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত উপস্থিত হৈ কলে, হে আল্লাহৰ ৰছুল ! আমাকও আপোনাৰ সৈতে লৈ যাওঁক। আমি আপোনাৰ পৰা তেনে একো নিবিচাৰোঁ। কেৱল মাত্ৰ ইখিনি হলেই যথেষ্ট যে, আমাক তাত উপস্থিত হোৱাৰ ব্যৱস্থা কৰি দিয়ক। পৱিত্ৰ কোৰাণত এওঁলোকৰ সম্পৰ্কে উল্লেখ কৰা হৈছে যে,

وَّلَا عَلَى الَّذِيْنَ اِذَا مَآ اَتَوْكَ لِتَحْمِلَهُمْ قُلْتَ لَآ اَجِدُ مَآ اَحْمِلُكُمْ عَلَيْهِ ۠
تَوَلَّوْا وَّاَعْيُنُهُمْ تَفِيْضُ مِنَ الدَّمْعِ حَزَنًا اَلَّا يَجِدُوْا مَا يُنْفِقُوْنَ ﴿٩٢﴾ (9:92)

অৰ্থঃ আৰু সেইসকলৰো কোনো দোষ নাই যিসকলে যেতিয়া তোমাৰ ওচৰলৈ এই অভিপ্ৰায়েৰে আহিছিল যাতে তুমি সিহঁতৰ নিমিত্তে (তোমাৰ লগতে ওলাবলৈ) যান-

বাহনৰ ব্যৱস্থা কৰা,তুমি কৈছিলা, তোমালোকৰ নিমিত্তে এনে যান-বাহনৰ আয়োজন কৰিব নোৱাৰো; যাৰ ওপৰত তোমালোকক তুলি দিব পাৰো।সিহঁতে যেতিয়া উভতি গ'ল আৰু যুদ্ধৰ কাৰণে ব্যয় কৰিবলৈ সিহঁতৰ একোকে নথকাৰ শোকত সিহঁতৰ চকুবোৰ অশ্রুৰে উপচি পৰিছিল।(9:92)

উক্ত কোৰাণৰ আয়াত অনুসৰি এই যুদ্ধত অংশ গ্রহণ নকৰাৰ বাবে উক্ত নৱ মুছলিম সকলৰ কোনো অপৰাধ হোৱা নাছিল।কাৰণ তেওঁলোকে তোমাৰ (হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত কেৱল তালৈ যোৱাৰ বন্ধৱস্ত বিচাৰি আছিল। কিন্তু তুমি সিহঁতক কোনো ধৰণৰ ব্যৱস্থা নাই বুলি কৈছিলা।তেতিয়া সিহঁতে ভগ্ন হৃদয়ে তোমাৰ মজলিচ(বৈঠকৰ)পৰা উঠি গুচি গৈছিল, আৰু শোকত অশ্রু নিৰ্গত কৰি কৈছিল, হায়! আমাৰ হাতত এনে কোনো ধন সম্পদ নাই; যাকে নিজে হাতে ব্যয় কৰি আজি আমি ইছলামৰ খিদমত কৰিব পাৰো।সিহঁতৰ হৃদয় অনুতাপত জৰ্জৰিত হৈছিল।এই ব্যক্তি সকলৰ চৰ্দাৰ আবু মুছা আছিল। যেতিয়া আবু মুছাক এই সম্পৰ্কে প্ৰশ্ন কৰা হৈছিল যে,আপুনি হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত কি বিচাৰিছিল ? তেতিয়া আবু মুছা প্ৰতিউত্তৰত কৈছিল, আল্লাহৰ শপত! আমি কোনো বাহন উট অথবা কোনো বাহন ঘোঁৰাও বিচৰা নাছিলোঁ।আমি কেৱল এই কথা কৈছিলোঁ যে, আমিতো খালি ভৰিত থাকো গতিকে এই দীৰ্ঘ বাট খালি ভৰিৰে ভ্ৰমণ কৰি অতিক্ৰম কৰা আমাৰ বাবে অসম্ভৱ।যদি আমাক কেৱল এযোৰকৈ জোতা দিয়া হয়, তেনেহলে আমি নিশ্চয় সেই জোতা পিন্ধি দৌৰি গৈ আমাৰ ভ্ৰাতৃ সকলৰ সৈতে মিলিত হৈ যুদ্ধত অংশ গ্ৰহণ কৰিব পাৰিম।

যিহেতু সেনা বাহিনীয়ে ছিৰিয়া অভিমুখে যাত্ৰা কৰিব লাগিব। মুতাৰ যুদ্ধৰ পৰিণতি ও মুছলমান সকলৰ দৃষ্টি পটত বাহি উঠিছিল; গতিকে প্ৰত্যেক মুছলমানৰ হৃদয়ত আন চিন্তাতকৈ কেৱল মাত্ৰ হজৰত মহম্মদ (ছাঃ)ৰ (হিফাজত) সুৰক্ষাৰ চিন্তা প্ৰবল হৈ উঠিছিল। এই বিপদৰ আশাঙ্খাত মহিলা সকলেও বৰকৈ উদ্বিগ্ন হৈ পৰিছিল। সিহঁতেও নিজ নিজ স্বামী আৰু সন্তান সকলক যুদ্ধ ক্ষেত্ৰলৈ যোৱাৰ বাবে উদ্ধত কৰিছিল।সেই মহিলা সকল আন্তৰিকতা আৰু প্ৰেৰণা উপলব্ধিৰ বাবে ইয়াত মাত্ৰ এটি ঘটনাৰ উল্লেখ কৰাই সমীচিত বুলি ভাবো। ঘটনাটি আছিল এনে ধৰণৰ।

এজন চাহাবী (ৰাঃ) বিয়া কৰাৰ ঠিক পিছতেই কোনো কামৰ বাবে বাহিৰলৈ গৈছিল।সেই চাহাবী (ৰাঃ) যেতিয়া নিজ গৃহত উভতি আহিছিল তেতিয়া হজৰত মহম্মদ (ছাঃ)য়ে সৈন্য বাহিনী লৈ মদিনা এৰি ছিৰিয়া অভিমুখে যাত্ৰা কৰিছিল। উক্ত চাহাবী

(ৰাঃ) জনে বহু দিন বাহিৰত থকা বাবে এই মনোভাৱ লৈ গৃহত উভতিছিল যে, গৃহত তেওঁ নিশ্চয় তেখেত (ৰাঃ)ৰ প্ৰিয়তমা স্ত্ৰীৰ সাক্ষাৎ পাব আৰু তাৰ ব্যাকুল হিয়া আনন্দ লাভ কৰিব। কিন্তু নিজ গৃহত উপস্থিত হৈ চাহাবী (ৰাঃ) জনে দেখিবলৈ পালে যে, তেওঁৰ মৰমৰ পত্নী ঘৰৰ চোতালত মন মাৰি বহি আছে। তেখেত (ৰাঃ)নৰ পত্নীৰ প্ৰেমত আপ্লুত হৈ তপ্ত হৃদয়ক শান্ত কৰাৰ মানসেৰে পত্নীৰ পিনে আগুৱাই গৈছিল।তেখেত (ৰাঃ)য়ে যেতিয়া আহলাদ কৰাৰ নিমিত্তে পত্নীৰ একেবাৰে ওচৰ চাপিছিল; তেতিয়া তেখেত (ৰাঃ)ৰ স্ত্ৰীয়ে তাৰ দুই হাত ধৰি হেঁচা মাৰি আঁতৰাই দিছিল। চাহাবী (ৰাঃ)জনে নিজ পত্নীৰ এনে ব্যৱহাৰত বিষ্মিত হৈ তাইৰ পিনে দৃষ্টি নিক্ষেপ কৰিছিল আৰু কৈছিল,ইমান দিন পাছত ঘৰলৈ আহিলোঁ অথচ ই তোমাৰ কেনে ব্যৱহাৰ ? তেতিয়া তেখেত (ৰাঃ)ৰ স্ত্ৰীয়ে কৈছিল, কিয় তোমাৰ কোনো লাজ নাই নে ? আল্লাহৰ নবী সেই বিপদজনক স্থানত গৈ আছে আৰু তুমি ব্যগ্ৰহ হৈ নিজ পত্নীৰ সৈতে প্ৰেম কৰিবলৈ আহিছা নে ? পোন প্ৰথমে যোৱা নিজৰ কৰ্তব্য পালন কৰা,পাছত এইবোৰ প্ৰেমালাপ হ’ব।এই কথা শ্ৰৱণ কৰাৰ লগে লগে উক্ত চাহাবী (ৰাঃ)জনে তৎক্ষনাত নিজৰ গৃহৰ পৰা ওলাই পৰিছিল আৰু চোৱাৰীৰ ওপৰত পেটী বান্ধিছিল। তেখেত (ৰাঃ)য়ে তিনি দিনৰ বাট অতিক্ৰম কৰি হজৰত মহম্মদ (ছাঃ)ৰ লগত একলগ হৈছিল।

ইপিনে কাফেৰ (অবিশ্বাসী) সকলে ভাবিছিল যে,হজৰত ৰছুলে কৰিম (ছাঃ)য়ে সিহঁতৰ উৰা বাতৰিৰ প্ৰভাৱত কোনো চিন্তা-ভাৱনা নকৰিয়েই ছিৰিয়া (শ্বাম)ৰ সৈন্য বাহিনীৰ ওপৰত আক্ৰমণ কৰিব।কিন্তু ইছলামৰ পয়গম্বৰ আল্লাহৰ প্ৰিয় হাবিব হজৰত মহম্মদ (ছাঃ)য়ে উত্তম চৰিত্ৰৰ দৃষ্টান্ত স্থাপনকাৰী আছিল।যেতিয়া তেখেত (ছাঃ)য়ে ছিৰিয়াৰ নিকটৱৰ্তী তাবুক নামৰ স্থানত উপস্থিত হৈছিল;তেতিয়া তেখেত (ছাঃ)য়ে ইফালে সিফালে সঠিক সংবাদ গ্ৰহণ কৰাৰ নিমিত্তে লোক প্ৰেৰণ কৰিছিল।এই গুপ্তচৰ সকলে নিশ্চিত সংবাদ এয়ে লৈ আহিছিল যে, বৰ্তমান ছিৰিয়াৰ কোনো সেনা বাহিনী কোনো ঠাইত সমৱেত হোৱা নাই। ইয়াৰ পিছত হজৰত মহম্মদ (ছাঃ)য়ে সেই স্থানত কিছুদিন অৱস্থান কৰে আৰু ওচৰ-পাজৰৰ সীমান্তৱৰ্তী গোত্ৰবোৰৰ সৈতে শান্তি চুক্তি সম্পাদন কৰি কোনো প্ৰকাৰৰ যুদ্ধ নকৰিয়েই গুচি আহিছিল।

হজৰত মহম্মদ (ছাঃ)ৰ এই ভ্ৰমণ দুই আঢ়ৈ মাহৰ আছিল।যেতিয়া মদিনাৰ মুনাফেক (কপটাচাৰী) সকলে জানিব পাৰিলে যে,কোনো যুদ্ধ বিগ্ৰহ হোৱা নাই আৰু হজৰত মহম্মদ (ছাঃ)য়ে সুস্ত আৰু কৌশলে মদিনালৈ উভতি আহিছে, তেতিয়া তেওঁলোকে বুজিব পাৰিলে যে, হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত সিহঁতৰ কু-চক্ৰান্ত ধৰা পৰিছে।এতিয়া

সিহঁতৰ শাস্তিৰ পৰা নিস্তাৰ নাই। তেতিয়া তেওঁলোকে মদিনাৰ পৰা নাতী দূৰত এখন বাটৰ কাষত কিছু সংখ্যক লোক লুকাই ৰাখিলে। উক্ত বাটটি বৰ সঙ্কীৰ্ণ আছিল।সেই বাটেৰে মাত্ৰ এটা উট আৰু এটা ঘোঁৰা লৈহে পাৰ হোৱা সম্ভৱ আছিল। যেতিয়া হজৰত মহম্মদ (ছাঃ)য়ে সেই স্থানৰ নিকটৱৰ্তী হৈছিল; তেতিয়া আল্লাহ তায়লা তেখেত (ছাঃ)ক ওহীৰ মাধ্যমত অৱগত কৰিছিল যে,শত্ৰু সকলে সন্মুখত বাটৰ দুয়ো পাৰ্শ্বে খুপনি পুতি বহি আছে। তেখেত (ছাঃ)য়ে তৎক্ষনাত এজন চাহাবী (ৰাঃ)ক উক্ত ঘটনাৰ বুজ ল'বলৈ আদেশ দিলে। চাহাবী (ৰাঃ)যে দ্ৰুত বেগত উটৰ মাধ্যমত ঘটনাস্থলত উপস্থিত হৈ প্ৰত্যক্ষ কৰিছিল যে,তাত কিছু সংখ্যক লোকে সঁচাকৈয়ে এনে ভাৱে খুপনি পুতি বহি আছে যে,সিহঁতক দেখিয়েই তেখেত (ৰাঃ)ৰ এনে ভাৱ হৈছিল যে,সিহঁতে নিশ্চয় কাৰো ওপৰত আক্ৰমণ চলাব। তেখেত (ৰাঃ) তাত উপস্থিত হোৱাৰ লগে লগে সিহঁতে তাৰ পৰা পলাই পতং হৈছিল। কিন্তু দয়ালু নবী হজৰত মহম্মদ (ছাঃ)য়ে সিহঁতৰ পশ্চাদ্ধাৱন কৰা সমীচীন নহ'ব বুলি ভাৱিছিল।হজৰত মহম্মদ (ছাঃ) য়ে যেতিয়া মদিনাত উপস্থিত হৈছিল।তেতিয়া যিসকল কপটাচাৰী যুদ্ধলৈ যোৱা নাছিল;সিহঁতে বিভিন্ন ধৰণৰ ওজৰ আপত্তি দেখুৱাব ধৰিলে। দয়ালু নবী হজৰত মহম্মদ (ছাঃ)য়ে সিহঁতৰ প্ৰত্যেকৰ সকলো আপত্তি মানি লৈছিল।কিন্তু তেতিয়া মুছলমান সকলৰ আগত কপটাচাৰী সকলৰ মুখ-খুলি পেলোৱাৰ সময় উপস্থিত হৈছিল। গতিকে পৰম কৰুণাময় আল্লাহ্ তায়লা ঐশী বাণীৰ মাধ্যমত হজৰত মহম্মদ (ছাঃ)ক অৱগত কৰালে যে,কপটাচাৰী সকলে **কুবাত** নিৰ্মাণ কৰা মছজিদ য'ত সিহঁতে নমাজ পঢ়াৰ ছলেৰে সমৱেত হৈ ইছলামৰ বিৰুদ্ধে য়ড়যন্ত্ৰ কৰিছিল; সেই মছজিদ খন ভাঙি পেলাব লাগিব। আনহাতে কপটাচাৰী সকলক মুছলমান সকলৰ বিভিন্ন মছজিদত নমাজ পঢ়িবলৈ বাধ্য কৰিব লাগিব। কিন্তু ইমান ডাঙৰ চক্ৰান্তৰ অপৰাধত সিহঁতক কোনো দৈহিক অথবা আৰ্থিক শাস্তি দিয়া হোৱা নাছিল।

তাবুকৰ পৰা উভতি অহাৰ পিছত তাইফ চহৰৰ লোক সকলে ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল। আৰব দেশৰ অন্যান্য গোত্ৰবোৰে এটাৰ পিছত এটাকৈ ইছলামী শাসনৰ অধীনত থকাৰ বাবে হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত অনুমতিৰ প্ৰাৰ্থনা কৰিছিল। কিছু সময়ৰ ভিতৰতেই সমগ্ৰ আৰব দেশত ইছলামৰ পতাকা জ্বল জ্বল পট্ পট্কৈ মুকলি আকাশৰ তলত উৰিছিল।

## বিদায় হজ আৰু আঁহজৰত (ছাঃ)ৰ এটা খোতবা (ভাষণ)

হিজৰী নৱম বৰ্ষত ইছলামৰ পয়গম্বৰ হজৰত মহম্মদ (ছাঃ) আল্লাহৰ প্ৰিয় হাবিব ৰহমাতুল্লিল আলামিন খাতামিন নাবিয়িন নবী সকলৰ চৰ্দাৰ হজ কৰাৰ উদ্দেশ্যে মদিনাৰ

পৰা মক্কালৈ যাত্রা কৰিছিল,সেই দিন তেখেত (ছাঃ)ৰ ওপৰত পৱিত্র কোৰাণ শ্বৰীফৰ নিম্ন লিখিত সুপ্রসিদ্ধ আয়াত অৱতীর্ণ হৈছিল।

اَلْيَوْمَ اَكْمَلْتُ لَكُمْ دِيْنَكُمْ وَاَتْمَمْتُ عَلَيْكُمْ
نِعْمَتِيْ وَرَضِيْتُ لَكُمُ الْاِسْلَامَ دِيْنًا (5:4)

অর্থ ঃ মই আজি তোমালোকৰ নিমিত্তে তোমালোকৰ ধর্ম সম্পূর্ণ কৰিলোঁ আৰু তোমালোকৰ প্রতি মোৰ অনুগ্রহ সমাপন কৰিলোঁ আৰু ইছলামকেই তোমালোকৰ ধর্ম মনোনীত কৰিলোঁ। (5:4)

উক্ত আয়াত হজৰত মহম্মদ (ছাঃ)য়ে মুজদালিফাৰ উপত্যকাত হজ উপলক্ষে সমৱেত সকলো লোকৰ সন্মুখত উচ্চ স্বৰে পাঠ কৰি শুনাইছিল। মুজদালিফাৰ পৰা উভতি অহাৰ পিছত হজৰ নিয়ম অনুসৰি তেখেত (ছাঃ)য়ে মদিনাত অৱস্থান কৰিছিল আৰু তেখেত (ছাঃ)য়ে ১১ জিলহজ তাৰিখত সমৱেত সকলো মুছলমান সকলৰ আগত থিয় হৈ এটি ভাষণ প্রদান কৰিছিল। উক্ত ভাষণত হজৰত মহম্মদ (ছাঃ)য়ে কৈছিল, হে মোৰ প্রিয় দেশ বাসী আৰু উপস্থিত সন্মানীত জন সাধাৰণ! মোৰ কথা মনোযোগ সহকাৰে শ্রৱণ কৰা। কাৰণ মই নাজানো যে,এই বছৰৰ পিছত মই পুনৰ এই পথাৰত তোমালোকৰ সৈতে থিয় হৈ আকৌ কোনো ভাষণ প্রদান কৰাৰ সুযোগ পাম নে নাই। মহান কৰুণাময় আল্লাহ তায়লা তোমালোকৰ জীৱন আৰু ধন-সম্পদ কিয়ামত পর্যন্ত আনৰ ক্ষতিৰ পৰা পৱিত্র আৰু নিৰাপদ কৰি দিছে। আনকি প্রত্যেক ব্যক্তিৰ উত্তৰাধিকাৰৰ অংশও নির্দ্ধাৰণ কৰি দিছে।এনে কোনো উইল নামা (অন্তিম পত্র) বৈধ নহ'ব যি কোনো বৈধ উত্তৰাধিকাৰীৰ ক্ষতিৰ কাৰণ হ'ব। যাৰ ঘৰত যি সন্তান জন্ম হ'ব। সি তেওঁৰেই সন্তান হ'ব। কোনোৰে যদি সন্তানৰ পিতৃত্বৰ ওপৰত (মিছা) দাবী উত্থাপন কৰে; তেন্তে সি চৰিয়ত অনুসৰি প্রাপ্য শাস্তি ভোগ কৰিব লাগিব।যি জনে আনক নিজৰ পিতৃ বুলি দাবী কৰিব নতুবা নিজৰ মালিক বুলি মিছা দাবী কৰিব তেওঁৰ ওপৰত স্বয়ং আল্লাহৰ ফিৰিস্তা সকলৰ আৰু মানৱ জাতিৰ অভিশাপ বর্ষিত হ'ব। হে মানৱ মণ্ডলী! তোমালোকৰ যিদৰে নিজ নিজ স্ত্রীৰ ওপৰত অধিকাৰ আছে; ঠিক তদ্রূপ স্ত্রী সকলৰও তোমালোকৰ ওপৰত অধিকাৰ আছে। সিহঁতৰ ওপৰত তোমালোকৰ অধিকাৰ হ'ল যে, সিহঁতে যেন সতীত্বৰ সৈতে জীৱন যাপন কৰে আৰু এনে কার্য্য নকৰে; যাৰ বাবে নিজ স্বামীৰ সন্মানৰ লাঘৱ হয়। আনকি নিজ আত্মীয়-স্বজন আৰু আন মানুহৰ আগত সন্মানৰ হানি নঘটে। যদি সিহঁতে এনে জীৱন যাপন কৰিব নোৱাৰে; তেনেহলে তোমালোকে সিহঁতক পৱিত্র কোৰাণৰ নির্দেশ অনুসৰি যাচাই কৰি শাস্তি দিয়াৰ অধিকাৰ আছে। কিন্তু সাৱধান!

কোনো নিষ্ঠুৰতাৰ আশ্ৰয় গ্ৰহণ নকৰিবা। আনহাতে যদি সিহঁতে সতীত্বৰ সৈতে জীৱন যাপন কৰে;তেনেহলে তোমালোকৰ কৰ্তব্য যে, নিজৰ সমৰ্থ অনুসৰি সিহঁতৰ মৌলিক চাহিদাৰ (খাদ্য,বস্ত্ৰ, বাসস্থান) নিশ্চয় ব্যৱস্থা কৰিবা। স্মৰণ ৰাখিবা,সকলো সময়ত নিজৰ স্ত্ৰীৰ সৈতে সৎ আৰু নমনীয়া ব্যৱহাৰ কৰিবা।কাৰণ আল্লাহ তায়লা কৈছে যে,সিহঁতক ৰক্ষা কৰা হ'ল তোমালোকৰ ধৰ্ম আৰু চোৰা চিতা কৰা হ'ল এক মাত্ৰ দায়িত্ব। স্বাভাৱিকতে স্ত্ৰী জাতি ভয়াতুৰ আৰু দুৰ্বল। সিহঁতে নিজৰ অধিকাৰ ৰক্ষাৰ ক্ষমতা ৰাখিব নোৱাৰে। গতিকে যেতিয়া তোমালোকৰ সৈতে সিহঁতৰ বিয়া হয়; আল্লাহ পাক নিশ্চয় তোমালোকক সিহঁতৰ অধিকাৰৰ ৰক্ষক হিচাপে নিযুক্ত কৰে। আল্লাহক সাক্ষী কৰি চৰিয়ত অনুসৰি তোমালোকে সিহঁতক নিজ গৃহলৈ লৈ যোৱা। গতিকে তোমালোকে আল্লাহৰ উক্ত জামিন আৰু সাক্ষীৰ অৱমাননা কেতিয়াও নকৰিবা। সিহঁতৰ অধিকাৰ নিশ্চয় ৰক্ষা কৰিবা। হে ৰাইজ সকল মোৰ অতি আপোন জন! তোমালোকৰ অধীনত এতিয়াও কিছু সংখ্যক যুদ্ধ কায়দী আছে। মই তোমালোকক সিহঁতৰ উদ্দেশ্যে এই উপদেশ দিছোঁ যে, তোমালোকে যি খাবা সিহঁতক সেই খাদ্য খোৱাবা।তোমালোকে নিজে যি বস্ত্ৰ পৰিধান কৰিবা, সিহঁতকো সেই একে বস্ত্ৰ পৰিধান কৰাবা।যদি সিহঁতে কোনো অপৰাধ কৰে আৰু তোমালোকে সেই অপৰাধ ক্ষমা কৰিব নোৱাৰা;তেনেহলে সিহঁতক আনৰ হাতত অৰ্পন কৰিবা। কাৰণ সিহঁতেও নিশ্চয় আল্লাহৰ সৃষ্ট জীৱ। সিহঁতক কোনো কষ্ট দিলে, তোমালোকক কেতিয়াও ক্ষমা কৰা নহ'ব।

হে মোৰ প্ৰিয় জন! মই তোমালোকক যি উপদেশ দিছোঁ, মনোযোগেৰে শ্ৰৱণ কৰা আৰু ভালকৈ মনত ৰাখিবা। এজন মুছলমান আন এজন মুছলমানৰ ভাতৃ। তোমালোক সকলোৰে সমান।প্ৰত্যেক মানুহ সি যি জাতিৰ অথবা যি ধৰ্মৰেই হওঁক আনকি যি কোনো বিষয়ত শ্ৰেষ্ঠতৰ চৰম অধিকাৰী নহওঁক কিয় কিন্তু মানুষ্যত্বৰ কাৰণে সকলোৰে এক আৰু সমান। এই কথা কোৱাৰ সময়ত তেখেত (ছাঃ) নিজৰ হাত দুখন ওপৰলৈ তুলি এখন হাতৰ আঙুলিবোৰ আন এখন আঙুলিৰ লগত মিলাই কলে যে,যেনেকৈ দুখন হাতৰ আঙুলিবোৰ পৰস্পৰ সমান তেনেকৈ সকলো মানুহ পৰস্পৰ সমান।তোমালোকৰ এজনে আনজনৰ ওপৰত শ্ৰেষ্ঠত্বৰ দাবী কৰাৰ কোনো অধিকাৰ নাই।কাৰণ তোমালোকে পৰস্পৰে ভাই ভাই সদৃশ। তেখেত (ছাঃ)য়ে আকৌ কলে,তোমালোকে জানানে এইটো কোন মাহ ?আমি বৰ্তমান কোন দেশত আছো ?আৰু তোমালোকে জানানে আজি কোন দিন ? উপস্থিত লোক সকলে উত্তৰ দিলে, নিশ্চয় এতিয়া পৱিত্ৰ মাহ,আমি বৰ্তমান পুণ্য ভূমি মক্কাত আছো। আৰু এয়া হ'ল পৱিত্ৰ হজৰ সময়। ইয়াৰ পিছত হজৰত ৰছুলে কৰিম (ছাঃ)য়ে কলে,যিদৰে এই মাহ পৱিত্ৰ, এই ভূমি পৱিত্ৰ আৰু এই দিন শুভ, ঠিক

সেই দৰে মহান কৰুণাময় আল্লাহ তায়লা প্ৰত্যেকৰ জীৱন আৰু উপাৰ্জিত ধন-সম্পত্তি বোৰক পৱিত্ৰ নিৰ্দ্ধপন কৰিছে। কোনো পুৰুষৰ জীৱন অথবা তাৰ ধন সম্পত্তি কাৰি লোৱা নাইবা তাৰ সন্মানৰ হানি কৰা যিদৰে অন্যায় কাম; তেনেকৈ এই পৱিত্ৰ মাহ, পৱিত্ৰ ভূমি মক্কা আৰু এই মহান দিনৰ অসন্মান কৰাও নিশ্চয় অন্যায় কাম। মোৰ এই উপদেশ কেৱল আজিৰ বাবে নহয় বৰং চিৰকালৰ বাবে প্ৰযোজ্য। মই আশা কৰো যে,তোমালোকে এই উপদেশ স্মৰণ ৰাখিবা আৰু আজীৱন পালন কৰিবা। তেখেত (ছাঃ)য়ে আৰু কলে, মোৰ এই উপদেশবাণী যি মই তোমালোকক উদ্দেশ্য কৰি আজি কৈছো, সেয়া তোমালোকে পৃথিৱীৰ চাৰিওফালে প্ৰেৰণ কৰি দিয়া। কাৰণ যিসকল লোকে আজি মোৰ এই উপদেশ বাণী শ্ৰৱণ কৰা নাই; তেওঁলোক অধিক কৰ্তব্য পৰায়ণ হ'ব পাৰে।( তিবৰী হিশাম খমীচ )

ইছলামৰ পয়গম্বৰ আল্লাহৰ প্ৰিয় হাবিব হজৰত মহম্মদ (ছাঃ)ৰ এই সংক্ষিপ্ত ভাষণ হ'ল ইছলামী শিক্ষাৰ মূল সাৰাংশ। এই ভাষণৰ দ্বাৰা স্পষ্ট প্ৰতিয়মান হয় যে, মানৱ জাতিৰ প্ৰতি তেখেত (ছাঃ)ৰ কিমান গভীৰ প্ৰেম আছিল। তেখেত (ছাঃ) য়ে মানৱ জাতিৰ মঙ্গল, বিশ্ব শান্তি আৰু নিৰাপত্তাৰ বাবে চৰম আৰু পৰম কামনা কৰিছিল। তেখেত (ছাঃ)য়ে মহিলা জাতিৰ আৰু দুৰ্বল জাতিৰ অধিকাৰ ৰক্ষাৰ প্ৰতি বৰ উদ্বিগ্ন আৰু সচেষ্ট আছিল। হজৰত মহম্মদ (ছাঃ)য়ে অনুভৱ কৰিব পাৰিছিল যে, তেখেত (ছাঃ)ৰ ইহলীলা শেষ হ'ব ধৰিছে।যথা সম্ভৱ মহা প্ৰয়াণৰ সংকেত আল্লাহ তায়লা তেখেত (ছাঃ)ক দিছিল।সেই কাৰণে তেখেত (ছাঃ)য়ে এই কথা বিশেষ প্ৰয়োজন বুলি ভাৰিছিল যে, যি নাৰী জাতিক মানৱ প্ৰজন্মৰ আদিৰ পৰাই পুৰুষ সকলৰ দাসী কৰি ৰাখিছিল; সেই জাতিক তেখেত (ছাঃ)ৰ ইহলীলা ত্যাগ কৰাৰ পূৰ্বেই সকলো অধিকাৰ প্ৰতিষ্ঠা কৰাৰ উপদেশ দিছিল। তেখেত (ছাঃ)য়ে বিচাৰিছিল যে, কৃতদাস আখ্যা দিয়া সেই যুদ্ধ বন্দী সকল, যি সকলৰ ওপৰত নানা প্ৰকাৰ অত্যাচাৰ চলি থাকে, সিহঁতৰ অধিকাৰ সু-ৰক্ষিত কৰাৰ পিছতহে ইহকাল সংসাৰ ত্যাগ কৰি পৰলোক গমণ কৰিব। তেখেত (ছাঃ)য়ে বিচৰা নাছিল যে, মানুহৰ মাজত যি পাৰ্থক্য আৰু ভেদাভেদ সৃষ্টি হৈছিল, যাৰ বাবে কোনোবাক আকাশত তুলা হৈছিল আৰু কোনোবাক পাতালত নিক্ষেপ কৰা হৈছিল; তাক পৃথিৱীৰ পৰা নিৰ্মূল কৰাৰ পূৰ্বে পৃথিৱীৰ পৰা বিদায় ল'ব। তেখেত (ছাঃ) বিচৰা নাছিল যে, যিবিলাকৰ কাৰণে জাতিয়ে জাতিয়ে, দেশে-দেশে, মত বিৰোধ দেখা দিয়ে আৰু যুদ্ধ বিগ্ৰহৰ সৃষ্টি হয়, সেয়া নিৰ্মূল কৰাৰ পূৰ্বে পৃথিৱী এৰি যোৱা। এজনে আনজনৰ অধিকাৰ খৰ্ব কৰা সদায় বৰ্বৰ যুগৰ এক অভিশাপ বুলি গণ্য কৰা হয়। সেই অশুভ বাসনাক যেতিয়ালৈকে হত্যা কৰা নহয়; তেতিয়ালৈকে তেখেত (ছাঃ)য়ে এই পৃথিৱী এৰি যাব বিচৰা নাছিল।

যেতিয়ালৈকে মানুহৰ জীৱন, ধন-সম্পদ সমূহক সেই পৱিত্ৰতা আৰু নিৰাপত্তা দান কৰা নহয়, যাক আল্লাহৰ পৱিত্ৰ মাহ সমূহক আৰু কল্যাণমণ্ডিত স্থান সমূহক দান কৰা হৈছিল, তেতিয়ালৈকে হজৰত মহম্মদ (ছাঃ)য়ে এই সংসাৰ ত্যাগ কৰিব বিচৰা নাছিল। তেখেত (ছাঃ)য়ে জানিছিল যে, যেতিয়ালৈকে এই সমূহ অন্ধবিশ্বাস, কু-সংস্কাৰ আৰু কু-প্ৰথা সমূহ নষ্ট কৰা নহ'ব; তেতিয়ালৈকে বিশ্বত স্বাভাৱিক শান্তি প্ৰতিষ্ঠা কৰা অসম্ভৱ।

নাৰী জাতিক পুৰুষৰ সম মৰ্যদা দান কৰা, সকলো জাতিৰ বাবে নিৰাপত্তা আৰু শান্তি স্থাপন কৰা, মানৱ জাতিৰ মাজত সাম্য প্ৰতিষ্ঠা কৰা আৰু বিশ্ব স্থাপনৰ হকে প্ৰৱল হেপাহ যিদৰে হজৰত মহম্মদ (ছাঃ)ৰ হৃদয়ত বিদ্যমান আছিল; সেইদৰে হেপাহ পৃথিৱীৰ আন কোনো ব্যক্তিৰ মাজত আছিল নে নাই সন্দেহ। সামাজিক কু-প্ৰথা সমূহ দূৰীভূত কৰাৰ কাৰণে তেখেত (ছাঃ) অতিশয় প্ৰযত্নশীল আছিল। হজৰত আদম (আঃ)ৰ পৰা আজিলৈকে মানৱ জাতিৰ বাবে ইমান বেছি প্ৰেম, আকুলতা আৰু দৃঢ় সংকল্প আন কোনো মানুহৰ মাজত কেতিয়াবা দেখা গৈছে নে ? ইয়াৰ ফলস্বৰূপে আজিও ইছলামত মহিলা সকলে নিজৰ ধন-সম্পত্তিৰ মালিক। যি মালিকীস্বত্ব ইউৰোপ মহাদেশে ইছলামৰ ১৩০০ (তেৰ শ) বছৰ পিছত অৰ্জন কৰিছিল। আজি প্ৰায় কিছু বছৰ ধৰি পাশ্চাত্যৰ লোক সকলে ইছলামৰ এই শিক্ষাৰ মহত্ব অনুভৱ কৰিব পাৰিছে। গতিকে, যি ব্যক্তি ইছলমাৰ মূল শিক্ষাত প্ৰৱেশ কৰিব, তেওঁক আন মুছলমানৰ দৰে গণ্য কৰা হ'ব। সি যিমান ক্ষুদ্ৰ আৰু নগণ্য নিম্ন জাতিৰ নহওঁক কিয়। স্বতন্ত্ৰতা আৰু সমতা ই কেৱল ইছলামৰ বৈশিষ্ট, যাৰ দ্বিতীয় উদাহৰণ পৃথিৱীৰ আন কোনো জাতিয়ে আজিলৈকে উপস্থাপন কৰিব পৰা নাই। মুছলমান সকল মছজিদত ৰজা, সম্ৰাট, ধৰ্মীয় নেতা, ৰাজনৈতিক নেতা, উচ্চ, নীচ আৰু সাধাৰণ শ্ৰেণীৰ সকলোৰে বাবে একেই আসন। এক জাতি, এক ধৰ্ম, এক প্ৰাণ, ইহঁতৰ মাজত কোনো পাৰ্থক্য নাই। কিন্তু আন জাতিৰ ধৰ্মীয় উপাসনালয়ত উচ্চ-নীচ ভেদা-ভেদ আজিও বিদ্যমান আছে। তথাপি তেওঁলোকে দাবী কৰে যে, স্বাধীনতা আৰু সমতাৰ ক্ষেত্ৰত তেওঁলোকেই অগ্ৰগণী।

## আঁহজৰত (ছাঃ)ৰ (ওফাত) মৃত্যুৰ সংকেত

হজৰ পৰা উভতি অহাৰ বাটত হজৰত মহম্মদ (ছাঃ)য়ে চাহাবী (ৰাঃ) সকলৰ ওচৰত তেখেত (ছাঃ)ৰ মৃত্যুৰ সংবাদ দিছিল। তেখেত (ছাঃ) কলে, হে মোৰ প্ৰিয়

সহচৰগণ ! মইয়ো তোমালোকৰ দৰে এজন মানুহ। আল্লাহৰ আহ্বানৰ সময় অতি সন্নিকট আৰু নিশ্চয় আল্লাহৰ প্ৰেৰিত ফিৰিস্তা মোৰ প্ৰাণ নাশৰ নিমিত্তে পৰোৱানলৈ অতি সোনকালে উপস্থিত হ'ব। মই অৱশ্যই তাৰ মাতত যাব লাগিব। তেখেত (ছাঃ)য়ে কলে, হে মোৰ স্নেহশীল অনুসাৰীসকল ! মোৰ সৃষ্টিকৰ্তা সদা প্ৰভু আল্লাহ পাক মোক সংবাদ দিছে যে, এজন নবী (অৱতাৰ) তাৰ পূৰ্বৱৰ্তী নবীতকৈ আধা আয়ু প্ৰাপ্ত হয়। অৰ্থাৎ হজৰত পয়গাম্বৰে ইছলাম হজৰত মহম্মদ (ছাঃ)ক আল্লাহ পাক অৱগত কৰিছিল যে, হজৰত ঈছা (আঃ)ৰ আয়ু ১২০ বছৰ আছিল। সেয়ে তেখেত (ছাঃ)য়ে অনুমান কৰিছিল যে, তেখেত (ছাঃ)ৰ আয়ু ৬০-৬৩ বছৰৰ মাজত হ'ব পাৰে। সেই সময়ত তেখেত (ছাঃ)ৰ বয়স ৬২/৬৩ বছৰ হৈছিল। গতিকে তেখেত (ছাঃ)য়ে এই সংকেত দিছিল যে, তেখেত (ছাঃ)ৰ আয়ু শেষ হৈ আহিছে। কিন্তু ইয়াৰ প্ৰকৃত অৰ্থ এয়ে নহয় যে, প্ৰত্যেক নবী তাৰ পূৰ্বৱৰ্তী নবীৰ অৰ্ধ আয়ু লাভ কৰে। (এই হাদীছত হজৰত নবী কৰিম (ছাঃ)য়ে কেৱল হজৰত ঈছা (আঃ)ৰ বয়সৰ কথাহে উল্লেখ কৰিছিল। সেয়ে কেৱল তেখেত (ছাঃ)য়ে নিজৰ বয়সৰ ধাৰণা দিয়াৰ বাবেহে উল্লেখ কৰিছিল।) গতিকে মোৰ অনুমান হয় যে, অতি সোনকালে মোৰ চমন জাৰি হ'ব আৰু মোৰ তাৰ সান্নিধ্যত যাব লাগিব। হে মোৰ আত্মাৰ আত্মীয়গণ ! মোকও শেষ বিচাৰৰ দিন (কিয়ামতৰ দিন) আল্লাহৰ ওচৰত নিজ কৃত কৰ্মৰ বাবে প্ৰশ্নৰ সন্মুখীন হ'ব লাগিব আৰু তোমালোকৰও নিজ নিজ কৰ্মৰ বাবে আল্লাহৰ ওচৰত প্ৰশ্নৰ সন্মুখীন হ'ব লাগিব। তেতিয়া তোমালোকে কি উত্তৰ দিবা ? চাহাবী (ৰাঃ) সকলে কলে, হে আল্লাহৰ ৰছুল ! আমি কম যে, আপুনি ইছলামৰ তবলীগ (প্ৰচাৰ কাৰ্য্য) অতি উত্তমৰূপে আৰু যথোচিত ভাৱে সম্পাদন কৰিছে আৰু আল্লাহৰ মনোনীত ধৰ্মৰ বাবে আপোনাৰ সমগ্ৰ জীৱন আপুনি সম্পূৰ্ণ ৰূপে নিয়োজিত কৰিছিল। আপুনি মানৱ জাতিৰ কল্যাণ সাধনক পৰিপূৰ্ণতা প্ৰদান কৰিছে। নিশ্চয় আপোনাৰ মানৱ জাতিৰ প্ৰতি অসীম কৰুণা আৰু হৃদয় ভৰা প্ৰেম। হে কৰুণাময় আল্লাহ ! তুমি তেখেত (ছাঃ)ক সৰ্বোত্তম পুৰস্কাৰেৰে ভূষিত কৰা। তেতিয়া হজৰত মহম্মদ (ছাঃ)য়ে কলে, তোমালোকে এই কথাৰ সাক্ষ্যদান নকৰা যে, আল্লাহ এক আৰু হজৰত মহম্মদ (ছাঃ) তাৰ প্ৰিয় ৰছুল আৰু ভৃত্য, বেহেস্ত আৰু (দোজখ) নৰক সত্য, নিশ্চয় প্ৰত্যেক মানুহৰ বাবে মৃত্যু আহে, মৃত্যুৰ পাছত প্ৰত্যেক মানুহে জীৱন লাভ কৰিব, (কিয়ামত) শেষ বিচাৰ দিনও নিশ্চয় আহিব, আৰু সকলো মানৱ সন্তানক আল্লাহ তায়লা কবৰৰ পৰা পুনৰ জীৱিত কৰি একেলগ কৰিব ? চাহাবা (ৰাঃ) সকলে প্ৰতি উত্তৰত কলে, হয়, হে আল্লাহৰ ৰছুল! আমি নিশ্চয় এই সকলো কথাৰ সাক্ষ্যদান কৰো। ইয়াৰ পাছত মহম্মদ (ছাঃ) আল্লাহক সম্বোধন কৰি কলে, হে মোৰ প্ৰভু ! তুমিও সাক্ষী থাকিবা যে, মই ইহঁতৰ ওচৰত ইছলামৰ সু-সংবাদ ইয়াৰ নীতি নিয়ম সকলো

সবিস্তাৰ দিব পাৰিছোঁ।

হজৰত মহম্মদ (ছাঃ)ৰ চাহাবা (ৰাঃ) সকলৰ সেই সময়ৰ যি করুণ অৱস্থা আছিল,সেই অৱস্থাৰ ছবি কোনে অংকণ কৰিব ? তেওঁলোকৰ প্ৰিয় আৰু প্ৰশিংসিত নবী ইহঁকালৰ সঠিক বাটৰ পথ-প্ৰদৰ্শক আজি ইমান দিন পিছত সিহঁতক এৰি যোৱাৰ কথা কৈছে। সিহঁত এতিয়া শোক গ্ৰস্ত।অশ্ৰু নিৰ্গত টল-মল নয়ন। হজৰত মহম্মদ (ছাঃ)ৰ প্ৰতি করুণ দৃষ্টিৰে কান্দি কান্দি কলে, আমিও নিশ্চয় আল্লাহৰ ওচৰত কাতৰ প্ৰাৰ্থনা কৰো যে,তেওঁ যেন আপোনাক অতি উত্তম আৰু মহান পুৰস্কাৰ প্ৰদান কৰে। ইছ্লামৰ পয়গম্বৰ,হজৰত মহম্মদ (ছাঃ)ও উক্ত করুণ দৃশ্য প্ৰত্যক্ষ বৰকৈ মৰ্মাহত হৈছিল। সেই বাবে বেদনাৰে জৰ্জিত ভগ্ন হৃদয়ে চাহাবা (ৰাঃ) সকলক ওপৰত উল্লেখিত ইছ্লামৰ মূল মন্ত্ৰ পাঠ কৰি শেষ বাৰৰ কাৰণে স্মৰণ কৰি দিছিল।(অনুবাদক) হজৰত মহম্মদ (ছাঃ)য়ে এই হজৰ পৰা উভতি আহি মুছলমান সকলক (শিক্ষা প্ৰশিক্ষণ) সৎ চৰিত্ৰ গঠন কৰ্ম আৰু আচৰণ সংশোধনৰ কামত আত্ম নিয়োগ কৰিছিল। আসন্ন ভৱিষ্যতে তেখেত (ছাঃ)ৰ হ'ব লগীয়া মৃত্যুৰ দিন সম্পৰ্কে আলোচনা কৰি মুছলমান সকলক ধৈৰ্য্য ধাৰণ কৰিবলৈ উপদেশ দিছিল। এদিনাখন তেখেত (ছাঃ)য়ে উপদেশ দিয়াৰ উদ্দেশ্যে থিয় হৈ কলে,আজি মোৰ প্ৰতি আল্লাহৰ পৰা এই ওহী (ঐশীক বাণী) অৱতীৰ্ণ হৈছে যে,

اِذَا جَآءَ نَصۡرُ اللّٰهِ وَالۡفَتۡحُ ۝٢

وَرَاَيۡتَ النَّاسَ يَدۡخُلُوۡنَ فِىۡ

دِيۡنِ اللّٰهِ اَفۡوَاجًا ۝٣

فَسَبِّحۡ بِحَمۡدِ رَبِّكَ وَاسۡتَغۡفِرۡهُ ؕ

اِنَّهٗ كَانَ تَوَّابًا ۝٤

(110:2-4)

অৰ্থ ঃযেতিয়া আল্লাহৰ সহায় আহে আৰু বিজয় আৰু তোমালোকে দেখিবলৈ পোৱা মানুহক আল্লাহৰ ধৰ্মত দলে দলে প্ৰৱেশ কৰা। তোমালোকৰ প্ৰভুক সেইজনাৰ প্ৰশংসাৰে গৌৰান্বিত কৰা আৰু সেই জনাৰ ক্ষমা বিচৰা। নিশ্চয় সেইজনা করুণাৰ সৈতে সঘনে ঘূৰি আহে। (110:2-4)

অৰ্থাৎ সেই দিনৰ কথা স্মৰণ কৰা,যেতিয়া আল্লাহৰ পৰা সাহায্য আৰু বিজয় অতীতকৈ অধিক হাৰত আহিব আৰু প্ৰত্যেক জাতি জনগোষ্ঠী সম্প্ৰদায়ৰ লোক সকলে ইছ্লামত

দলে দলে প্ৰৱেশ কৰিবলৈ আৰম্ভ কৰিব। গতিকে হে মহম্মদ (ছাঃ)! তুমি তোমাৰ খোদা তায়লাৰ প্ৰশংসা কৰি থাকা আৰু সেইজনাৰ ওচৰত প্ৰাৰ্থনা কৰা যে,ধৰ্মৰ যি বুনিয়াদী তুমি স্থাপন কৰিছা,তাৰ মাজৰ পৰা যেন সেইজনাই সকলো প্ৰকাৰৰ দুৰ্বলতা,অভাৱ আদি আঁতৰাই দিয়ে।যদি তুমি এই প্ৰাৰ্থনা কৰি থাকা; তেন্তে নিশ্চয় খোদা তায়লা তোমাৰ এই প্ৰাৰ্থনা শ্ৰৱণ কৰিব আৰু গ্ৰহণ কৰিব।পুনৰ উদাহৰণ স্বৰূপ হজৰত মহম্মদ (ছাঃ)য়ে এটা ঘটনাৰ কথা উল্লেখ কৰি কলে,এদিনাখন খোদা তায়লা তাৰ এজন ভৃত্যক কৈছিল যে, যদি তুমি ইচ্ছা কৰা তেন্তে মোৰ ওচৰলৈ আহিব পাৰা নাইবা এই পৃথিৱীৰ সংশোধনৰ কামৰ বাবে আৰু কিছু দিন থাকিব পাৰা। প্ৰতিউত্তৰত আল্লাহৰ সেই প্ৰিয় ভক্তজনে কৈছিল,হে আল্লাহ ! মোৰ সকলো কামনা বাসনাতো আপুনি অৱগত।মই আপোনাৰ ওচৰত যোৱা বেছি পছন্দ কৰো।

এই কথা যেতিয়া হজৰত মহম্মদ (ছাঃ)য়ে উপস্থিত চাহাবা সকলৰ ওচৰত কৈছিল, তেতিয়া হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ) ক্ৰন্দনত একেবাৰে ভাঙি পৰিছিল।ফলত অন্যান্য চাহাবা সকলেও আশ্চৰ্য্য হৈ ভাবিছিল যে, হজৰত ৰছুল কৰিম (ছাঃ)তো ইছলামৰ পূৰ্ণ বিজয়ৰ শুভ সূচনা দিছে কিন্তু হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ) ক্ৰন্দন কৰিছে কিয় ? হজৰত ওমৰ (ৰাঃ)য়ে ইতিমধ্যে কৈয়ে পেলালে, এই বৃদ্ধ জনৰ কি হ'ল ? আনন্দৰ সংবাদ শুনি কিয় ক্ৰন্দন কৰিছে ? কিন্তু আল্লাহৰ প্ৰিয় হাবিব হজৰত মহম্মদ (ছাঃ)য়ে জানিছিল যে, কেৱল আবু বক্কৰ ছিদ্দিক (ৰাঃ) য়েই তেখেত (ছাঃ)ৰ প্ৰকৃত কথাৰ অৰ্থ অনুধাৱন কৰিব পাৰিছে আৰু তেখেত (ৰাঃ) অৱশ্যই বুজিব পাৰিছে যে,পৱিত্ৰ কোৰাণ শ্বৰীফৰ উক্ত আয়াত সমূহত ইছলামৰ বিজয়ৰ সৈতে মোৰ মৃত্যুৰ পুৰ্বাবাস দিয়া হৈছে। সেই বাবে তেখেত (ছাঃ) য়ে উচ্চ স্বৰে কলে,হজৰত আবু বক্কৰ মোৰ ওচৰত অতি প্ৰিয়। যদি আল্লাহৰ অবিহনে আন কাকো সীমাহীন ভাল পোৱা নিষেধ নহ'লহেঁতেন তেনেহলে মই নিশ্চয় হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ক সেয়াই কৰিলোঁহেঁতেন। হে উপস্থিত জন সাধাৰণ! আজিৰ পৰাই হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ৰ বাহিৰে বাকী সকলোৰে বাবে মছজিদৰ দৰ্জা বন্ধ কৰি দিয়া হওঁক।( বুখাৰী কিতাবুল মুনাকিব বাব কাওলে নবী (ছাঃ) ছুদ্দুল আবৱাব)

হজৰত মহম্মদ (ছাঃ)ৰ উক্ত কথাৰ মাজত এই ভৱিষ্যতবাণী নিহিত আছিল যে,তেখেত (ছাঃ)ৰ মৃত্যুৰ পিছত হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)খলিফা হ'ব। ইছলামৰ প্ৰথম খলিফা (প্ৰতিনিধি) আৰু দিন ৰাতিৰ ভিতৰত পাঁচ ওৱাক্ত নমাজ পঢ়াৰ উদ্দেশ্যত তেখেত (ৰাঃ) য়েই মছজিদৰ উক্ত দৰ্জাৰে প্ৰৱেশ কৰিব।ইয়াৰ কিছু বছৰ পিছত হজৰত ওমৰ (ৰাঃ)ৰ খিলাফতৰ সময়ত এদিনাখন তেখেত (ৰাঃ) এখন সভাত উপবিষ্ট

হৈ কলে,কোৰাণ শ্বৰীফৰ চুৰা আন-নাছ্‌ৰৰ মাজত তোমালোকে কি সংকেত পালা ? তেখেত (ৰাঃ)য়ে উপস্থিত মুছলমান সকলৰ বুদ্ধিৰ পৰীক্ষা লোৱাৰ বাবে এই প্ৰশ্ন উত্থাপন কৰিছিল।কিন্তু বহুতেই এই চুৰাৰ তাৎপৰ্য্য অৱতীৰ্ণৰ সময়ত বুজিবলৈ অসমৰ্থ আছিল।যেতিয়া হজৰত ৰছুলে কৰিম (ছাঃ)য়ে উক্ত আয়াত সমূহ পাঠ কৰিছিল; তেতিয়া হজৰত আববাছ (ৰাঃ)ৰ পুত্ৰ আব্দুল্লাৰ বয়স ১০/১১ বছৰ আছিল। বৰ্তমান তেওঁ ১৭/১৮ বছৰ বয়সৰ যুৱক। হজৰত ওমৰ (ৰাঃ)ৰ প্ৰশ্নৰ উত্তৰ সভাত উপস্থিত থকা কোনেও দিব নোৱাৰিছিল। হজৰত আববাছ (ৰাঃ)ৰ পুত্ৰ আব্দুল্লাহ কলে, হে আমিৰুল মোমিনিন! (মোমিন মুছলমান সকলৰ চৰ্দাৰ) এই চুৰাত হজৰত মহম্মদ (ছাঃ)ৰ মৃত্যুৰ ভৱিষ্যতবাণী কৰা হৈছিল। কাৰণ কোনো অৱতাৰ (নবী) য়ে যেতিয়া নিজৰ নিৰ্দ্ধাৰিত কাৰ্য্য সম্পন্ন কৰে; তেতিয়া তেখেত সংসাৰত থাকিব নিবিচাৰে। হজৰত ওমৰ (ৰাঃ)য়ে কলে,তুমি ঠিকেই কৈছা। মই তোমাৰ বুদ্ধিৰ বাবে ধন্যবাদ জ্ঞাপন নকৰি থাকিব নোৱাৰিলোঁ। এই আয়াত সমূহ অৱতীৰ্ণ হোৱাৰ সময়ত এক মাত্ৰ হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ) ইয়াৰ মূল অৰ্থ বুজিব পাৰিছিল। কিন্তু আমি কোনেও ইয়াক অনুধাৱন কৰিব পৰা নাছিলোঁ।

অৱশেষত হজৰত মহম্মদ (ছাঃ) ৰ মৃত্যুৰ নিৰ্দ্ধাৰিত দিন নিচেই ওচৰ চাপি আহিল। যিদৰে প্ৰত্যেক মানুহৰ জীৱনত আহে। তেখেত (ছাঃ)য়ে এই সংসাৰতেই নিজৰ কৰ্ত্তব্য সম্পাদন কৰিছিল। পৃথিৱীৰ ধৰ্মীয় আৰু সাংসাৰিক মঙ্গলৰ নিমিত্তে আল্লাহৰ পৱিত্ৰ বাণী সমূহৰ পূৰ্ণতা সম্পাদন কৰিছিল। হজৰত মহম্মদ (ছাঃ)ৰ পৱিত্ৰকৰণ শক্তিৰ দ্বাৰা এটি নতুন জাতি নতুন সমাজ,নতুন আকাশ আৰু এক নতুন জমিনৰ বুনিয়াদ স্থাপন কৰিছিল। অনুৰ্বৰ মাটিত হাল চলাই নতুন শস্যৰ বীজ বপন কৰিছিল আৰু শস্য উৎপাদন কৰিছিল।কিন্তু সেই শস্যৰ জলসিঞ্চন ব্যৱস্থা, শস্য চপোৱা আৰু সংৰক্ষণৰ দায়িত্ব তেখেত (ছাঃ)ৰ নাছিল।তেখেত (ছাঃ) মাথো এজন শ্ৰমিক সদৃশ আছিল। শ্ৰমিকৰ দৰেই কৰ্তাৰ ইচ্ছাত এই সংসাৰ এৰি গুচি যাব লাগিব। কাৰণ তেখেত (ছাঃ)ৰ এই শ্ৰমৰ পুৰস্কাৰ পাৰ্থিৱ কোনো বস্তু নহয়।তেখেত (ছাঃ)ৰ প্ৰকৃত পুৰস্কাৰ হ'ল স্ৰষ্টাৰ সন্তুষ্টি লাভ। যেতিয়া শস্য চপোৱাৰ সময় ওচৰ চাপি আহিল, তেতিয়া তেখেত (ছাঃ)য়ে নিজ প্ৰভুৰ সান্নিধ্যত ইহঁ সংসাৰৰ পৰা আঁতৰি যোৱাৰ কামনা কৰিলে আৰু শস্য চপোৱাৰ দায়িত্ব পৰৱৰ্তী প্ৰজন্মক এৰি দিয়ে।

এদিনাখন হজৰত মহম্মদ (ছাঃ) হঠাৎ অসুস্থ হৈ পৰে।অসুস্থ থকা অৱস্থাতো তেখেত (ছাঃ)য়ে অতি কষ্টেৰে মছজিদত নমাজ পঢ়িবলৈ আহে। কিন্তু শেহত মছজিদলৈ অহাৰ শক্তিও তেখেত (ছাঃ)য়ে হেৰুৱায়। তেখেত (ছাঃ)য়ে চাহাবা (ৰাঃ) সকলক

বাৰে বাৰে নিজৰ আসন্ন মৃত্যুৰ সংবাদ দিয়া সত্ত্বেও সিহঁতে কেতিয়াও ভাবিব নোৱাৰিছিল যে, হজৰত ৰছুলে কৰিম (ছাঃ) ইহঁলোক ত্যাগ কৰিব। এদিনাখন চাহাবা (ৰাঃ) সকলে বহি থকা অৱস্থাত হজৰত মহম্মদ (ছাঃ)য়ে কলে,যদি কোনো পুৰুষৰ কোনো ভুল হয়;তেন্তে তাৰ প্ৰতিকাৰৰ বিধান হ'ল সি যেন ইহঁলোকত সেই অপৰাধ সংশোধনৰ উপায় বিচাৰে যাতে খোদাৰ ওচৰত তেওঁ লজ্জিত হ'ব নালাগে। যদি মোৰ দ্বাৰা অজ্ঞাতে কেতিয়াবা কোনো ব্যক্তিৰ ক্ষতি হৈ থাকে; তেন্তে সি এতিয়া সেয়া পূৰণ কৰি লওঁক।নতুবা মই যদি কোনো ব্যক্তিক নুবুজি কোনো কষ্ট দি থাকো; তেন্তে সি আজি তাৰ পুটক তুলক। কাৰণ খোদা তায়লাৰ সন্মুখত লজ্জিত হ'ব নিবিচাৰো। এই কথা শ্ৰৱণ কৰাৰ লগে লগে চাহাবা (ৰাঃ) সকলে বিচলিত হৈ পৰিল আৰু ভাবিব ধৰিলে যে, হায়! হজৰত মহম্মদ (ছাঃ)য়ে কিমান যে কষ্ট কৰি সিহঁতক আৰামত ৰখাৰ বাবে অপ্ৰাণ চেষ্টা কৰিছিল। কেনেকৈ তেখেত (ছাঃ)য়ে নিজে নেখাই সিহঁতক খোৱাইছিল, নিজৰ কাপোৰত তালি লগাই সিহঁতক কাপোৰ পিন্ধাইছিল। তথাপি তেখেত (ছাঃ)য়ে আজি কৈছে যে,যদি তেখেত (ছাঃ)য়ে কেতিয়াবা নুবুজি কোনো ব্যক্তিৰ ক্ষতি কৰি থাকে অথবা কোনো ব্যক্তিৰ হৃদয়ত কষ্ট দি থাকে; তেন্তে সি যেন আজি তাৰ প্ৰতিশোধ গ্ৰহণ কৰে। কিন্তু দেখা গ'ল যে,এজন চাহাবা (ৰাঃ) আগবাঢ়ি আহি কলে,হে আল্লাহৰ ৰছুল! এসময়ত আপোনাৰ দ্বাৰা মোক কষ্ট দিয়া হৈছিল। মই যুদ্ধলৈ যোৱাৰ বাবে শাৰীৱদ্ধ হৈ সৈন্য সকলৰ মাজত থিয় হৈ আছিলো। শাৰীৰ মাজ ভাগ অতিক্ৰম কৰাৰ সময়ত আপোনাৰ কিলাকুটি মোৰ শৰীৰত লাগিছিল। যদিও সেয়া অনিচ্ছা পুৰ্বক লাগিছিল, তথাপি যিহেতু আপুনি আদেশ দিছে যে, যদিও নেজানি কোনো ব্যক্তিৰ হৃদয়ত কষ্ট দি থাকো তেনেহলে তাৰ প্ৰতিশোধ এই পৃথিৱীত লৈ লোৱা।সেই কাৰণে মই মোৰ সেই কষ্টৰ প্ৰতিশোধ ল'ব বিচাৰো।

উপস্থিত চাহাবা (ৰাঃ)সকল যিসকলে শোক সাগৰত নিমগ্ন আছিল।তৎক্ষণাত সিহঁতৰ মানসিক অৱস্থাৰ পৰিৱৰ্তন ঘটিল।খংত সিহঁতৰ চকু ৰক্তবৰ্ণ হৈ উঠিল। প্ৰত্যেকেই ভাবিছিল যে, নিশ্চয় মানুহজনৰ এয়া নিৰ্বোধিতা আৰু দম্ভালি।মানুহজনৰ নিশ্চয় সময়ৰ মূল্যবোধ জ্ঞান নাই।তেওঁ হজৰত মহম্মদ (ছাঃ)ৰ ভাষণৰ পৰা কোনো শিক্ষাই গ্ৰহণ কৰা নাই।যাৰ বাবে তেওঁ এই সময়ত এনে অসংগত কথা বতৰা ক'ব পাৰিছে। নিশ্চয় এই ব্যক্তি চৰম দণ্ডৰ অধিকাৰী। অথচ উক্ত ব্যক্তিজনে এই সম্পৰ্কত ভাল বেয়া চিন্তাই কৰা নাছিল বৰং নিজৰ দাবীত তেওঁ অটল থাকিল।

দয়ালু নবী হজৰত মহম্মদ (ছাঃ)য়ে কলে,তুমি সঁচা কথা কৈছা।তোমাৰ নিশ্চয় অধিকাৰ আছে। আহা তুমি মোৰ ওপৰত তোমাৰ প্ৰতিশোধ গ্ৰহণ কৰা।এই কথা কৈ তেখেত (ছাঃ)য়ে মানুহজনৰ পিনে পিঠি ঘূৰাই দি কলে,মই যিদৰে তোমাক আঘাত কৰিছিলোঁ ঠিক তেনেকৈ তুমি মোক আঘাত কৰা। তেতিয়া উক্ত সহচৰজনে কলে, হে আল্লাহৰ

ৰছুল! যেতিয়া আপোনাৰ কিলাকুটি মোৰ পিঠিত লাগিছিল।তেতিয়া মোৰ শৰীৰ উলঙ্গা আছিল। কাৰণ সেই সময়ত মোৰ পৰিধান কৰা কোনো বস্ত্ৰ নাছিল। হজৰত মহম্মদ (ছাঃ)য়ে কলে,হ'ব বাৰু তুমি মোৰ গাৰ কাপোৰ উঠাই লৈ উলঙ্গা শৰীৰত কিলাকুটি মাৰি তোমাৰ প্ৰতিশোধ গ্ৰহণ কৰা। সেই চাহাবা(ৰাঃ) জনে হজৰত মহম্মদ (ছাঃ)ৰ গাৰ কাপোৰ উঠাই দিলে আৰু অশ্ৰু নিৰ্গত নয়নেৰে কঁপি কঁপি নীচা হৈ ওঠ দুখনেৰে তেখেত (ছাঃ)ৰ উলঙ্গা পিঠিত চুম্বন কৰিলে। হজৰত মহম্মদ (ছাঃ)য়ে তেওঁক সুধিলে, তুমি এয়া কি কৰিছা ? চাহাবা (ৰাঃ)জনে উত্তৰত কলে,হে আল্লাহৰ ৰছুল! আপুনি যদি পৰলোক গমন কৰে,তেন্তে আপোনাৰ এই পৱিত্ৰ শৰীৰ স্পৰ্শ লাভ লগতে আপোনাক ভক্তি কৰাৰ সুযোগ মোৰ কেতিয়া হ'ব ? ইয়াত কোনো সন্দেহ নাই যে,যুদ্ধৰ সময়ত নিশ্চয় আপোনাৰ কিলাকুটি মোৰ শৰীৰত লাগিছিল। কিন্তু সেই বুলি কাৰ ইমান দুঃসাহস আছে তাৰ প্ৰতিশোধ গ্ৰহণ কৰাৰ ? মই ভাবিলো যিহেতু আল্লাহৰ প্ৰিয় হাবিব নিজৰ ভাষণত প্ৰতিশোধ লোৱাৰ অনুমতি প্ৰদান কৰিছে; তেন্তে মই এই সুযোগত চাতুৰি কৰি আপোনাক আন্তৰিক শ্ৰদ্ধা আৰু স্পৰ্শ কিয় নকৰো ? (বুখাৰি)

ইমান সময় যি সকল চাহাবা (ৰাঃ) তেওঁৰ ওপৰত খংত অগ্নিশৰ্মা হৈছিল; তেওঁলোকে এতিয়া উক্ত চাহাবা (ৰাঃ)ৰ শ্ৰদ্ধা আৰু ভক্তি পূৰ্ণ কথা আৰু আচৰণ প্ৰত্যক্ষ লগতে শ্ৰৱণ কৰি অনুতাপ কৰিব ধৰিলে।হায়! হায়! এই সুযোগ আমাৰ কিয় হোৱা নাই ?

হজৰত মহম্মদ (ছাঃ)ৰ অসুখ ক্ৰমে বৃদ্ধি পাব ধৰিলে। মৃত্যুৰ সময় নিচেই ওচৰ চাপি আহিল।মদিনাত পূৰ্বৰ সদৃশ সূৰ্য্য উদয় হৈ পোহৰ বিলাইছিল। কিন্তু চাহাবা (ৰাঃ) সকলৰ হৃদয়ত শোকত কলা মেঘৰ ঘন অন্ধকাৰে আৱৰি ধৰিছিল।সূৰ্য্য প্ৰতিদিন উদয় হৈ পৃথিৱী জ্যোতিৰ্ময় কৰিছিল, কিন্তু চাহাবা (ৰাঃ) সকলৰ চকুত দিৱসৰ জ্যোতি নোহোৱা হৈ ঘোৰ এন্ধাৰৰ পৰ্দা নামি আহিছিল। প্ৰকৃত কথা হ'ল সেই সময় নিচেই ওচৰ চাপি আহিছিল। যেতিয়া হজৰত মহম্মদ (ছাঃ)ৰ আত্মা এই ভৌতিক শৰীৰ ত্যাগ কৰি মহান আল্লাহৰ সান্নিধ্যত যাব।অৱশেষত হজৰত ৰছুলে কৰিম (ছাঃ)ৰ শ্বাস প্ৰশ্বাস লাহে লাহে বন্ধ হ'ব ধৰিলে।এনেতে তেখেত (ছাঃ)য়ে হজৰত আয়েশ্বা ছিদ্দিকা (ৰাঃ)ক কলে, মোৰ মূৰটো তোমাৰ বুকুৰ ওপৰত উঠাই লোৱা। কাৰণ মোৰ শ্বাস প্ৰশ্বাস লোৱাত বৰ কষ্ট হৈ আছে।শুই থাকি উশাহ নিশাহ ল'ব পৰা নাই। হজৰত আয়েশ্বা ছিদ্দিকা (ৰাঃ)য়ে তেখেত (ছাঃ)ৰ মূৰ তুলি লৈ নিজৰ বুকুত সাবটি ধৰি হেলনীয়া হৈ বহি থাকিল। মৃত্যুৰ যন্ত্ৰণা হজৰত মহম্মদ (ছাঃ)ৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিছিল। দৃশ্যটো

আছিল যেন সাক্ষাৎ শোকৰ স্তব্ধ অচল প্ৰাণহীন প্ৰতিমাৰা বুকুখন তাই (ৰাঃ)ৰ মাজে সময়ে ভূমি কম্পৰ নিচিনা কম্পিত হৈ উঠিছিল।চকুযোৰৰ মন্দাকিণী অশ্ৰু ধাৰা যেন হঠাৎ শুকাই গৈছিল সদ্য প্ৰস্ফুটিত পাৰিজাত বজ্ৰৰ আঘাতত গৌৰৱ লুপ্ত। তাই (ৰাঃ)ৰ স্বৰ্গ তুল্য দেৱতা যেন আজি চিৰদিনৰ বাবে লুপ্ত প্ৰায় অৱস্থা। হায় কামনা! তুমি কেৱল মোহকাৰী কল্পনা । নহলে আয়েশ্বা ছিদ্দিকা (ৰাঃ)ৰ সুখৰ সপোন ইমান সোনকালে ভাঙি যাব কিয় ?

বিশ্ব মানৱ হিতৈষী মহামানৱ হজৰত মহম্মদ (ছাঃ)মৃত্যুৰ যন্ত্ৰণাত অস্থিৰ হৈ ইফালে সিফালে মূৰ লৰচৰ কৰিব ধৰিছিল। তেখেত (ছাঃ)য়ে বাৰে বাৰে কৈছিল,ইহুদী আৰু খ্ৰীষ্টান সকলৰ ওপৰত আল্লাহৰ অভিশাপ বৰ্ষিত হওঁক। কাৰণ তেওঁলোকে তেওঁলোকৰ নবী সকলৰ মৃত্যুৰ পিছত সিহঁতৰ সমাধিস্থলক পূজাৰ স্থানত পৰিণত কৰিছে।( বুখাৰী কিতাবুল মাগমী)

মৃত্যু শয্যাৰ পৰা হজৰত মহম্মদ (ছাঃ)ৰ এয়া আছিল উম্মতৰ বাবে অন্তিম উপদেশ বাণী। তেখেত (ছাঃ) য়ে নিজৰ অনুসাৰী সকলৰ (উম্মতৰ) বাবে শেষ উপদেশ হিচাপে কৈছিল,তোমালোকে মোক সকলো নবীতকৈ অধিক মৰ্য্যদাত দেখিবলৈ পাবা আৰু সকলোতকৈ অধিক সফলকামী হিচাপে দেখিবলৈ পাবা। কিন্তু সাৱধান! তোমালোকে কেতিয়াও পাহৰি নাযাবা যে, এই এজন আল্লাহৰ ভৃত্য। মনত ৰাখিবা যে, খোদাৰ কাৰ্য্য একমাত্ৰ খোদা নিজেই সম্পন্ন কৰে। ভুলতে মোৰ সমাধিস্থলক পূজাৰ স্থলত পৰিণত নকৰিবা। মোৰ সমাধিস্থল যেন সাধাৰণ সমাধিস্থলৰ দৰেই থাকে।অন্যান্য নবী অনুসাৰী সকলে সিহঁতৰ নবী সকলৰ কবৰস্থানক মছজিদ অথবা আন উপাসনালয় সাজি তাত চিল্লা কৰে আৰু উপঢোকন দিয়ে।কিন্তু তোমালোকে এনে কাৰ্য্য কেতিয়াও নকৰিবা। অন্যান্য নবীৰ অনুসাৰী সকলে সিহঁতৰ নবীৰ কবৰস্থানত মন্দিৰ সাজি পূজা অৰ্চনা কৰে আৰু তীৰ্থস্থানত পৰিণত কৰে আৰু উপঢৌকন দি প্ৰাৰ্থনা কৰে। কিন্তু তোমালোকে এনে কাৰ্য্য কৰাৰ পৰা সদায় বিৰত থাকিবা। তোমালোকৰ এক মাত্ৰ উদ্দেশ্য হ'ব আল্লাহৰ উপাসনা কৰা।

উক্ত উপদেশ বাণী কোৱাৰ সময়ত হজৰত মহম্মদ (ছাঃ)ৰ চকুযোৰি বন্ধ হৈ আহিল আৰু বাৰে বাৰে এই শব্দবোৰ উচ্চাৰণ কৰিব ধৰিলে,

اِلَى الرَّفِيْقِ الْاَعْلٰى اِلَى الرَّفِيْقِ الْاَعْلٰى

অৰ্থাৎ মই মোৰ পৰম প্ৰিয় মহান সৃষ্টি কৰ্তা কৰুণাময় সেই দয়ালু বন্ধুৰ ওচৰলৈ গৈ আছো। এই কথা কৈ তেখেত (ছাঃ)য়ে নশ্বৰ দেহ ত্যাগ কৰি নিজৰ প্ৰভুৰ সান্নিধ্যত আঁতৰি গ'ল।

# আঁহজৰত (ছাঃ)ৰ মৃত্যুত চাহাবা সকলৰ অৱস্থা

চাহাবা (ৰাঃ) সকলে নিজ নিজ কাৰ্য্য এৰি প্ৰায় সকলোৱে মছজিদৰ ভিতৰত হজৰত মহম্মদ (ছাঃ)ৰ স্বাস্থ্যৰ ভাল খবৰ শুনাৰ বাবে বাট চাই আছিল।

যেতিয়া হজৰত মহম্মদ (ছাঃ)ৰ মৃত্যুৰ সংবাদ মছজিদৰ ভিতৰত থকা চাহাবা (ৰাঃ) সকলে শুনিবলৈ পালে, তেতিয়া সিহঁতৰ ওপৰত যেন শোকৰ পাহাৰ ভাঙি পৰিল।হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ) কিছু সময়ৰ বাবে বাহিৰলৈ গৈছিল। সেই সময়ত হজৰত ওমৰ ফাৰুক (ৰাঃ) মছজিদত উপস্থিত আছিল।তেখেত (ৰাঃ) যেতিয়া হজৰত ৰছুলে কৰিম (ছাঃ)ৰ মৃত্যুৰ সংবাদ মানুহৰ মুখত কোৱা শুনিবলৈ পালে, তেতিয়া তেখেত (ৰাঃ)য়ে খাপৰ পৰা তৰোৱাল বাহিৰ কৰি কলে,আল্লাহৰ শপত! যিজনে এই কথা ক'ব যে, হজৰত ৰছুলে কৰিম (ছাঃ)ৰ মৃত্যু হৈছে, মই তেওঁৰ শিৰাচ্ছেদ কৰি নিমিষতে এই উন্মুক্ত তৰোৱালেৰে উৰুৱাই দিম। এতিয়ালৈ পৃথিৱীত কপটাচাৰী সকল অৱস্থিত আছে। আল্লাহ আৰু তাৰ ৰছুলৰ বহু কৰ্ত্তব্য এতিয়াও অৱশিষ্ট আছে। গতিকে হজৰত ৰছুলে কৰিম (ছাঃ)কেতিয়াও মৃত্যু হ'ব নোৱাৰে। যদিও তেখেত (ছাঃ)ৰ আত্মা দেহৰ পৰা পৃথক হৈ থাকে,সেয়া কেৱল হজৰত মুছা (আঃ)ৰ সদৃশ আল্লাহৰ সৈতে সাক্ষাৎ কৰিবলৈহে গৈছে।আকৌ সেয়া উভতি আহিব।পৃথিৱীৰ সকলো কপটাচাৰী সকলৰ শিৰচ্ছেদ কৰিহে এৰিব।তেখেত (ৰাঃ) উন্মুক্ত তৰোৱাল হাতত লৈ সেই মৰ্মান্তিক সংবাদৰ আঘাতত পাগলৰ নিচিনা ইফাল সিফাল দুলি থাকিব ধৰিলে আৰু কৈ থাকিল যে, যদি কোনোৱে কয় যে,হজৰত মহম্মদ (ছাঃ)ৰ মৃত্যু হৈছে তেন্তে মই নিশ্চয় তাক হত্যা কৰিম। চাহাবা (ৰাঃ) সকলে কলে যে,যেতিয়া আমি হজৰত ওমৰ ফাৰুক (ৰাঃ)ৰ এই অৱস্থা দেখিবলৈ পালো তেতিয়া আমাৰ মনত সংশয়ৰ সৃষ্টি হৈছিল আৰু আমিও ক'বলৈ বাধ্য হৈছিলো যে,হজৰত ওমৰ ফাৰুক (ৰাঃ) অৱশ্য ঠিকেই কৈছে।হজৰত মহম্মদ (ছাঃ) নিশ্চয় এতিয়াও মৃত্যু হোৱা নাই।মানুহে নিশ্চয় ভুল কৰিছে। হজৰত ওমৰ (ৰাঃ)ৰ কথাত পতিয়ন গৈ আমিও মনে মনে শান্তনা লভিবলৈ চেষ্টা কৰিছিলোঁ। কিন্তু এই সময়ত কিছু সংখ্যক লোক দৌৰি গৈ হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ক এই সংবাদ অৱগত কৰালে।সংবাদ পাই হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)য়ে মছজিদত আহে।কিন্তু কাৰো লগত কোনো কথা নকৈ পুনে পুনে হজৰত আয়েশ্বা ছিদ্দিকা (ৰাঃ)ৰ ঘৰৰ পিনে আগবাঢ়ি যায় আৰু তাই (ৰাঃ)ক সুধিলে,হজৰত মহম্মদ (ছাঃ)ৰ মৃত্যু বৰণ হৈছেনে ? উত্তৰত হজৰত আয়েশ্বা ছিদ্দিকা (ৰাঃ)য়ে কলে,হয়! ইয়াৰ পিছত তেখেত (ৰাঃ) হজৰত মহম্মদ (ছাঃ)ৰ শৱদেহৰ ওচৰলৈ গৈ তেখেত (ছাঃ)ৰ মুখৰ কাপোৰ তুলি মস্তকত চুম্বন কৰিলে। প্ৰেমাশ্ৰুৰ ধাৰা তেখেত (ৰাঃ)ৰ চকুৰ পৰা নিৰ্গত হ'ব ধৰিলে।

তেখেত (ৰাঃ)য়ে কলে,আল্লাহৰ শপত! আপোনাৰ মৃত্যু দ্বিতীয় বাৰ নহ'ব।(অৰ্থাৎ ই কেতিয়াও হ'ব নোৱাৰে যে, ইপিনে আপুনি দৈহিক ভাৱে মৃত্যু বৰণ কৰিব আৰু আনপিনে আপোনাৰ জমাত ভুল বিশ্বাসৰ বশীভূত হৈ দ্বিতীয় মৃত্যুৰ অপেক্ষাত থাকিব)।

এই কথাৰ সাৰমৰ্ম হজৰত ওমৰ (ৰাঃ)ৰ ভ্ৰম আঁতৰ কৰাৰ নিমিত্তে আছিল। হজৰত মহম্মদ (ছাঃ)ৰ দৈহিক মৃত্যু এবাৰ হৈ গ'ল। যি প্ৰত্যেক প্ৰাণীৰ ক্ষেত্ৰতেই হৈ থাকে। কিন্তু তেখেত (ছাঃ)ৰ দ্বিতীয় মৃত্যু কেতিয়াও নহ'ব। কিন্তু তেখেত (ছাঃ)ৰ আধ্যাত্মিক মৃত্যু নাই। তেখেত (ৰাঃ)য়ে আৰু কলে যে,ইকেতিয়াও সম্ভৱ নহয় যে,তেখেত (ছাঃ)ৰ অনুসাৰী সকলে কোনো মন্তব্য বা অশুভ বিবেচনাত লিপ্ত হৈ তেখেত (ছাঃ)ৰ দ্বাৰা প্ৰতিষ্ঠিত সত্য ধৰ্ম পৃথিৱীৰ বুকুৰ পৰা লোপ কৰিব। এই কথা কৈ হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ) বাহিৰলৈ ওলাই আহিল আৰু চাহাবা (ৰাঃ)ৰ ভীৰ ভেদ কৰি পোনে পোনে বক্তৃতা কৰা মণ্ডপৰ ওপৰত উঠিল।যেতিয়া তেখেত (ৰাঃ) মণ্ডপৰ ওপৰত থিয় হ'ল।তেতিয়াও হজৰত ওমৰ (ৰাঃ) উন্মুক্ত তৰোৱাল হাতত লৈ কাষত থিয় হৈ থাকিল। হজৰত ওমৰ ফাৰুক (ৰাঃ)ৰ উদ্দেশ্যে আছিল যদি হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ও কয় যে হজৰত মহম্মদ (ছাঃ) মৃত্যু বৰণ কৰিছে, তেওঁকো হত্যা কৰা হ'ব। যেতিয়া হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)য়ে নিজৰ বক্তব্য আৰম্ভ কৰিলে, হজৰত ওমৰ ফাৰুক (ৰাঃ)য়ে তাৰ পৰিধান কৰা বস্ত্ৰ ধৰি টানি তেওঁক কথা কোৱা বন্ধ কৰিবলৈ চেষ্টা কৰিলে। কিন্তু হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ) টান মাৰি কাপোৰ এৰাই পৱিত্ৰ কোৰাণ শ্বৰীফৰ নিম্নোক্ত আয়াত পাঠ কৰে।

وَمَا مُحَمَّدٌ اِلَّا رَسُوْلٌ ۚ قَدْ خَلَتْ مِنْ
قَبْلِهِ الرُّسُلُ ؕ اَفَاۡئِنْ مَّاتَ اَوْ قُتِلَ
انْقَلَبْتُمْ عَلٰۤى اَعْقَابِكُمْ ؕ

(3:145)

অৰ্থঃ আৰু মহম্মদ এজন ৰছুল মাথোন, তেওঁৰ পূৰ্বে বহুত ৰছুল (সংসাৰ) এৰি গৈছে।এতেকে যদি তেওঁৰ মৃত্যু ঘটে বা তেওঁক হত্যা কৰা হয়, তেন্তে তোমালোকে পিছ হোঁহোকিবানে ? (3:145)

প্ৰকৃত কথা হ'ল হজৰত মহম্মদ (ছাঃ)এজন আল্লাহৰ প্ৰিয় ভৃত্য আছিল আৰু আল্লাহৰ পৰা বাৰ্তা লৈ আহিছিল। এইদৰে পূৰ্বেও আল্লাহৰ পৰা বাৰ্তা বাহক সকলোৱে এই পৃথিৱীৰ পৰা পৰলোক গমন কৰিছে। যদি হজৰত মহম্মদ (ছাঃ)ৰ পৰলোক প্ৰাপ্তি

হয়; তেনেহলে তোমালোকে তেখেত (ছাঃ)ৰ প্ৰদৰ্শিত পথৰ পৰা বিচলিত হৈ পূৰ্বৰ অৱস্থাত উভতি যাবানে ?ধৰ্ম হজৰত মহম্মদ (ছাঃ)ৰ নহয়। ধৰ্ম হ'ল এক আল্লাহৰ। ধৰ্মই কেৱল মানুহক শুদ্ধ বাটৰ সন্ধান দিয়ে।

আমি জানো যে, উক্ত আয়াতটি উহুদৰ যুদ্ধৰ সময়ত অৱতীৰ্ণ হৈছিল। যুদ্ধৰ সময়ত যেতিয়া হজৰত ৰছুলে কৰিম (ছাঃ)ৰ মৃত্যুৰ সংবাদ চাৰিওফালে বিয়পি পৰিছিল; তেতিয়া বহু ব্যক্তি হতাশ গ্ৰস্ত হৈ যুদ্ধ ক্ষেত্ৰ এৰিছিল। উক্ত আয়াতটি পাঠ কৰাৰ পূৰ্বে হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)য়ে মুছলমান সকলক সম্বোধন কৰি কৈছিল,

مَنْ كَانَ يَعْبُدُاللّٰهَ فَإِنَّ اللّٰهَ حَيٌّ لَا يَمُوْتُ مَنْ كَانَ مِنْكُمْ يَعْبُدُ مُحَمَّدًا فَإِنَّ مُحَمَّدًا قَدْمَاتَ

অৰ্থাৎ তোমালোকৰ মাজত যিসকলে আল্লাহৰ উপাসনাত লিপ্ত আছা; তেওঁলোকে স্মৰণ ৰখা উচিত যে, আল্লাহ তায়লা চিৰঞ্জীৱ তেওঁ অমৰ আৰু যি সকলে হজৰত মহম্মদ (ছাঃ)ৰ উপাসনাত মগ্ন তেওঁলোকে আজি মোৰ মুখৰ পৰা শুনি লোৱা যে,তেখেত (ছাঃ) নিশ্চয় মৃত্যু বৰণ কৰিছে। (বুখাৰী)

হজৰত ওমৰ ফাৰুক (ৰাঃ)ৰ উক্তি যে, যেতিয়া হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)য়ে পৱিত্ৰ কোৰাণ শ্বৰীফৰ উক্ত আয়াতটি পাঠ কৰা আৰম্ভ কৰে, তেতিয়া মোৰ চেতনা ঘূৰি আহে আৰু আধ্যাত্মিক চকু মেল খাই পৰে। মই বুজিব পাৰিলোঁ যে সঁচাকৈয়ে হজৰত মহম্মদ (ছাঃ) মৃত্যু বৰণ কৰিছে। তেতিয়া মোৰ ভৰি দুখন কপিব ধৰে আৰু হতবিম্ব হৈ মাটিত বাগৰি পৰো। যি ব্যক্তিয়ে এদিন হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ক হত্যা কৰাৰ পৰিকল্পনা কৰিছিল; সেই ব্যক্তি নিজেই আজি হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ৰ সত্যনিষ্ঠ শব্দবোৰৰ দ্বাৰা নিজেই হত্যা হ'ল। চাহাবা (ৰাঃ)ৰ উক্তি এই যে,সেই সময়ত আমাৰ অৱস্থা ইমান শোচনীয়া হৈছিল যে,শোকৰ আঘাতত সেই পৱিত্ৰ কোৰাণৰ আয়াতটি আমি একেবাৰে পাহৰিছিলোঁ। ঠিক সেই সময়ত হাছান বিন ছাবিত নামৰ মদিনাৰ এজন প্ৰসিদ্ধ কবিয়ে তাৰ কবিতাৰ ছন্দত কলে,

كُنْتَ السَّوَادَ لِنَاظِرِيْ فَعَمِيَ عَلَيَّ النَّاظِرُ
مَنْ شَاءَ بَعْدَكَ فَلْيَمُتْ فَعَلَيْكَ كُنْتُ اُحَاذِرُ

অৰ্থ ঃ হে মহম্মদ ৰছুলুল্লাহ (ছাঃ)! আপুনি মোৰ চকুৰ মণি। কিন্তু এতিয়া আপোনাৰ মৃত্যুত মোৰ চকু অন্ধ হৈ গ'ল। এতিয়া মোৰ কোনো আপোনজনৰ মৃত্যুত কোনো দুঃখ

নাই।কেৱল মাত্র আপোনজনতকৈ অধিক আপোনাৰ মৃত্যুৰ বাবে মোৰ অতি ভয় আছিল। এই কবিতাটি প্রতিজন মুছলমানৰ প্রাণৰ ধ্বনি আছিল। ইয়াৰ পিছত বহু দিনলৈকে মুছলমান নাৰী,পুৰুষ,ল'ৰা-ছোৱালী সকলোৱে মদিনাৰ বাটে পথে এই কবিতা আবৃত্তি কৰি ফুৰিছিল।

আল্লাহুম্মা ছাল্লে আলা মুহাম্মদিন ওৱা আলা আলে মুহাম্মাদিন ওৱা বাৰিক ওৱা ছাল্লিম ইন্নাকা হামীদুম মাজীদ।

অৰ্থাৎ বিশ্ব দিশাৰী প্রাণ পুৰুষ হজৰত মহম্মদ (ছাঃ)ৰ ওপৰত আল্লাহৰ কল্যাণ, শান্তি অজস্র ধাৰাত বৰ্ষিত হওঁক। বিশ্ব বাসীৰ কণ্ঠত বিশ্ব নবীৰ জয় ধ্বনি বাজি উঠক।

# দ্বিতীয় অধ্যায়

## হজৰত মহম্মদ (ছাঃ)ৰ জীৱনী

## মানৱতাৰ সৰ্ব্বোত্তম আদৰ্শ হজৰত মহম্মদ (ছাঃ)

সাধাৰণ মানৱ চৰিত্ৰৰ উৰ্দ্ধে যি সকলৰ অৱস্থান, সিহঁতক আমি মহামানৱ বুলি কওঁ। তেওঁলোকৰ চৰিত্ৰৰ বৈশিষ্ট সমূহ বুদ্ধি আৰু যুক্তিৰে বহু সময়ত আমি বিশ্লেষণ কৰিব নোৱাৰো।হজৰত মহম্মদ (ছাঃ)ৰ জীৱনীত আমি দেখিলো যে,তেখেত (ছাঃ) নিশ্চয় এজন মহামানৱ আছিল। তেখেত (ছাঃ)ৰ আৱিৰ্ভাবত চাৰিও ফালে ৰোমাঞ্চক হৈ উঠিছিল। সকলোতে এক আনন্দৰ লহৰ বৈছিল। নৰলোকত জয় ধ্বনি বাজি উঠিছিল।এনে মহামানৱৰ চৰিত্ৰ চিত্ৰাংকণ কৰিবলৈ প্ৰচেষ্টা কৰা নিঃসন্দেহ দুঃসাহসিক কাম। মানৱতাৰ পথ-প্ৰদৰ্শক আধ্যাত্মিক জগতৰ প্ৰাণ পুৰুষ সেই হজৰত মহম্মদ (ছাঃ)ৰ চৰিত্ৰ আলোচনা সহজ কাম নহয়। তেখেত (ছাঃ)ৰ চৰিত্ৰ চিত্ৰাংকণৰ উদ্দেশ্যত হৃদয়ৰ ভক্তি ভৰা নিবেদন মোৰ।

হজৰত মহম্মদ (ছাঃ)ৰ পৱিত্ৰ জীৱনী বৰ্ণনা কৰাৰ পিছত এতিয়া মই তেখেত (ছাঃ)ৰ পৱিত্ৰ চৰিত্ৰ সম্পৰ্কে চমু আলোকপাত বিশ্লেষণ কৰিব বিচাৰো। তেখেত (ছাঃ)ৰ চৰিত্ৰ সম্পৰ্কে নবুয়তৰ পূৰ্বে তেখেত (ছাঃ)ৰ জাতিয়ে **আখালাকে হাচানা** অৰ্থাৎ সুন্দৰ চৰিত্ৰৰ অধিকাৰী হিচাপে হজৰত মহম্মদ (ছাঃ)ক আমীন আৰু ছিদ্দিক উপাধিত ভূষিত কৰিছিল। এয়াই তেখেত (ছাঃ)ৰ পৱিত্ৰ চৰিত্ৰৰ জলন্ত প্ৰমাণ আছিল। (ছিৰাত ইবনে হিশাম ১ম খণ্ড)

পৃথিৱীত এনে কিছুমান ব্যক্তি আছে, যি সকলৰ সম্বন্ধে কোনো প্ৰকাৰ বেইমানী অথবা অসাধুতাৰ প্ৰমাণ পোৱা নাযায়। আনহাতে পৃথিৱীত এনে কিছুমান লোক আছে যি সকলৰ কোনো কঠিন পৰীক্ষাৰ সন্মুখীন তেওঁলোকে নিশ্চয় হ'ব নালাগে। কিন্তু সাধাৰণ পৰীক্ষাৰ সন্মুখীন তেওঁলোকে নিশ্চয় হ'ব লাগে। তথাপি তেওঁলোকৰ সাধুতা সত্যতা আৰু পৰোপকাৰীতা গুণ অটল থাকে।সেই বুলি সিহঁতৰ জাতিয়ে সিহঁতক কোনো উপাধিৰে ভূষিত নকৰে। এই উপাধি যেতিয়া কোনো ব্যক্তিয়ে বিশেষ কোনো গুণৰ ক্ষেত্ৰত আন সকলোতকৈ উৰ্দ্ধত উন্নীত হয়; তেতিয়াহে তেওঁক দিয়া হয়। কাৰণ তেওঁ অসাধাৰণ গুণ সম্পন্নৰ অধিকাৰী হয়। যুদ্ধ ক্ষেত্ৰত প্ৰত্যেক সৈনিক নিজৰ প্ৰাণ লৈ বিপদৰ সন্মুখীন হয়। সেই বাবে বৃটিছ চৰকাৰে সকলো সৈনিকক **ভিক্টৌৰিয়া ক্ৰুছ** প্ৰদান আৰু জাৰ্মানী সকলে প্ৰত্যেক চিপাহীক **আয়ৰণ ক্ৰুছ** প্ৰদান

কৰে নে ? আনহাতে ফ্ৰান্সত লাখ লাখ বুদ্ধিজীৱি আছে, কিন্তু প্ৰত্যেক বিদ্ধানক লিজন অফ অনাৰ (প্ৰাচীন ৰূমৰ আশ্বাৰোহী সৈনিকৰ পদৱী) সন্মানেৰে ভূষিত কৰা নহয়। গতিকে কোনো ব্যক্তিৰ কেৱল মাত্ৰ ঈমানদাৰী আৰু সত্যবাদীতা গুণ থাকিলেই তেওঁৰ মহত্ব প্ৰকাশিত নহয়। বৰং যেতিয়া কোনো জাতিৰ লোকে ঐক্যবদ্ধ হৈ কোনো ব্যক্তিক আমীন আৰু ছিদ্দিক উপাধিত ভূষিত কৰে; তেতিয়া নিশ্চয় এইটো প্ৰমাণ হয় যে, এয়া সেই ব্যক্তিৰ অসাধাৰণ গুণৰ পৰিচয় মাথো।যদি মক্কাবাসীয়ে তেওঁলোকৰ প্ৰত্যেক প্ৰজন্মৰ মাজতো এজন এজনকৈ ব্যক্তিক আমিন আৰু ছিদ্দিক উপাধিৰে ভূষিত কৰি আহিলেহেঁতেন তথাপি অনুৰূপ খ্যাতি অৰ্জন কাৰী ব্যক্তিক জাতিয় শ্ৰেষ্ঠ ব্যক্তি ৰূপে গন্য কৰা হ'লহেঁতেন। কিন্তু আৰবৰ ইতিহাসে সাক্ষ্য দিয়ে যে,আৰব বাসীয়ে ইতিপূৰ্বে সিহঁতৰ প্ৰজন্মৰ মাজত এনে ধৰণৰ কোনো উপাধি কোনো ব্যক্তিক কেতিয়াও দিয়া নাছিল।এই ধৰণৰ প্ৰথা সিহঁতৰ মাজত কোনো দিনেই নাছিল। বৰং আৰব সকলৰ হাজাৰ হাজাৰ বছৰৰ ইতিহাসত এই ধৰণৰ দৃষ্টান্ত মাত্ৰ এজন মানুহৰ, সেই জনাই হ'ল আল্লাহৰ প্ৰিয় হাবিব হজৰত মহম্মদ (ছাঃ)। এক মাত্ৰ তেখেত (ছাঃ)কেই আৰব বাসীয়ে আমীন আৰু ছিদ্দিক উপাধিৰে ভূষিত কৰিছিল।এয়া এক জ্বলন্ত উদাহৰণ যাৰ তুলনা আৰব জাতিৰ মাজত আন কোনো নাছিল। গতিকে হাজাৰ হাজাৰ বছৰ ধৰি আৰব ইতিহাসত জাতীয় ভাবে এজন ব্যক্তিক আমীন আৰু ছিদ্দিক উপাধি দান কৰাটোৰেই প্ৰমাণ কৰে যে, হজৰত মহম্মদ (ছাঃ)ৰ বিশ্বস্ততা আৰু সত্যবাদিতা ইমান উচ্চ স্তৰৰ মৰ্য্যদা সম্পন্ন আছিল; যাৰ কোনো উপমা আৰব বাসীয়ে কেতিয়াও জনা নাছিল। আনকি অনুৰূপ কোনো ব্যক্তিৰ কথা তেওঁলোকে শুনাও নাছিল। আৰব সকল তীক্ষ্ণ বুদ্ধি আৰু স্মৃতি শক্তিৰ বাবে পৃথিৱী বিখ্যাত আছিল। এনে ব্যক্তি সকল পৃথিৱীত বিৰল আৰু অদ্বিতীয়। গতিকে তেওঁলোকে যি বস্তুক মূল্যবান অথবা দুৰ্লভ বুলি ঘোষিত কৰিছিল; সেয়া অৱশ্যই মূল্যবান আৰু দুৰ্লভ বুলি গন্য কৰা হৈছিল।

আল্লাহ পাক যি সময়ত হজৰত মহম্মদ (ছাঃ)ক পৃথিৱীৰ সংস্কাৰৰ বাবে নিযুক্ত কৰিছিল; সেই সময়ত তেখেত (ছাঃ)ৰ ধৰ্ম পত্নী হজৰত খাদিজাতুল কুবৰা (ৰাঃ) তেখেত (ছাঃ)ৰ চৰিত্ৰ সম্পৰ্কে এক উজ্বল সাক্ষ্য দিছিল যাক ইতিপূৰ্বে উল্লেখ কৰা হৈছে। ইয়াত এতিয়া মই তেখেত (ছাঃ)ৰ চৰিত্ৰ সম্পৰ্কে এনে কিছুমান উদাহৰণ উপস্থাপন কৰিব বিচাৰো, যাতে তেখেত (ছাঃ)ৰ চৰিত্ৰৰ বহল অংশই প্ৰকাশিত হয় আৰু চৰিত্ৰৰ কোনো নজনা বিষয়ৰ প্ৰতি পাঠক বৃন্দৰ দৃষ্টি আকৰ্ষিত হয়।

# আঁহজৰত (ছাঃ)ৰ প্ৰকাশ্য আৰু গোপন (দেহ আৰু মনৰ) পৱিত্ৰতা

হজৰত মহম্মদ (ছাঃ)ৰ বিষয়ে (পৰিষ্কাৰ) স্পষ্ট জনা যায় যে,তেখেত (ছাঃ)য়ে কেতিয়াও অপ্ৰিয় কথা উচ্চাৰণ কৰা নাছিল আনকি কেতিয়াও কোনো অযথা শপত কৰা নাছিল। (বুখাৰী), আৰবৰ দৰে দেশ এখনত বাস কৰি তাৰ লোক সকলৰ সংস্পৰ্শত থাকি এনে চৰিত্ৰ অৰ্জন কৰা নিঃসন্দেহ এক অসাধাৰণ গুণ আছিল। কিন্তু ইয়াৰ অৰ্থ এয়ে নহয় যে,সেই সময়ত আৰব বাসী সকলৰ স্বভাৱত অশ্লীলতা বিৰাজ কৰিছিল। তেওঁলোকে অভ্যাসগত ভাবে নিলাজ কথা বতৰা কোৱা নাছিল। কিন্তু ইয়াত সন্দেহ নাই যে, আৰব বাসী সকলে শপত গ্ৰহণৰ ক্ষেত্ৰত বৰকৈ অভ্যস্থ আছিল। আজিলৈকে আৰব বাসী সকলৰ মাজত শপত খোৱাৰ প্ৰথা ব্যপক হাৰে প্ৰচলন আছে। কিন্তু হজৰত মহম্মদ (ছাঃ)য়ে আল্লাহৰ প্ৰতি ইমান বেছি শিষ্টাচাৰ ৰক্ষা কৰি চলিছিল যে,অযথা খোদাৰ নাম উচ্চাৰণ কৰাও পছন্দ কৰা নাছিল। তেখেত (ছাঃ)য়ে সদায় অতি যত্ন আৰু শ্ৰদ্ধা ভক্তিৰে আল্লাহৰ নাম লৈছিল।

পাক পৱিত্ৰতাৰ প্ৰতি তেখেত (ছাঃ)য়ে বিশেষ মনোনীবেশ কৰিছিল আৰু সদায় পৰিষ্কাৰ পৰিছন্নতাৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰিছিল। তেখেত (ছাঃ)য়ে দিনত অনেকবাৰ দন্ত (মাজন) বুৰুজ কৰিছিল। দাঁত আৰু মুখ পৰিষ্কাৰ ৰখাৰ ক্ষেত্ৰত ইমান গুৰুত্ব দিছিল যে,কেতিয়াবা কেতিয়াবা কৈছিল, যদি মই এই ভয় নকৰিলোঁহেঁতেন যে,মুছলমান সকলে কষ্ট পাব। তেনেহলে মই প্ৰত্যেক নমাজ পঢ়াৰ পূৰ্বে দন্ত মাজন কৰিবলৈ আদেশ দিলোঁহেঁতেন।(মিশকাত)

আহাৰ খোৱাৰ পূৰ্বে আৰু পিছত তেখেত (ছাঃ)য়ে হাত মুখ পৰিষ্কাৰকৈ ধুইছিল আৰু কুলকুলিয়াইছিল। কুলকুলিয়া কৰা অবিহনে নমাজ পঢ়া পছন্দ কৰা নাছিল।(বুখাৰী)

মছজিদ মুছলমান সকলৰ সমাৱেশ স্থলী। ইয়াৰ পৰিষ্কাৰ পৰিচ্ছন্নতাৰ প্ৰতি তেখেত (ছাঃ)য়ে বিশেষ ভাৱে দৃষ্টি ৰাখিছিল।মুছলমান সকলক বাৰে বাৰে এই কথা স্মৰণ কৰাই দিছিল যে,সমৱেত হোৱা বিশেষ দিনবোৰত (জুমাৰ দিন) মছজিদ সমূহ পৰিষ্কাৰ পৰিচ্ছন্নতা কৰি ৰাখিবা।আৰু সুগন্ধী দ্ৰব্যাদি জ্বলাবা, যাতে বায়ু বিশুদ্ধ হয়। (মিশকাত)

সেই ভাবে হজৰত মহম্মদ (ছাঃ) য়ে চাহাবা (ৰাঃ)সকলক উপদেশ দিছিল যে,মছজিদত একত্ৰিত হোৱাৰ সময়ত কোনেও যেন দুৰ্গন্ধযুক্ত কোনো বস্তু (পিয়াজ,নহৰু,প্ৰভৃতি) খাই মছজিদত প্ৰৱেশ নকৰে। (বুখাৰী)

ৰাস্তা-ঘাট পৰিষ্কাৰ ৰখাৰ বাবে হজৰত মহম্মদ (ছাঃ)য়ে সকলো সময়ত দৃষ্টি নিবদ্ধ

ৰাখিছিল। যদি ৰাস্তাৰ ওপৰত কোনো জাবৰ-যোথৰ,শিলগুটি,ইট অথবা কোনো আৱৰ্জনা পৰি থকা দেখিছিল,তেনেহলে তেখেত (ছাঃ)য়ে স্বয়ং কৈছিল যে, যি ব্যক্তিয়ে ৰাস্তা-ঘাটৰ পৰিচ্ছন্নতাৰ ওপৰত দৃষ্টি দিয়ে, তাৰ প্ৰতি খোদা তায়লা প্ৰসন্ন (আনন্দিত) হয় আৰু তেওঁক এই মহান কাৰ্য্যৰ নিমিত্তে পুৰস্কাৰ দান কৰে। (হাদীছ মুছলিম শ্বৰীফ)

তেখেত (ছাঃ)য়ে আৰু কৈছিল যে,সাৰ্বজনীন ৰাস্তাত এনে ভাৱে যাতায়ত কৰিবা যাতে আনৰ বাবে অসুবিধা সৃষ্টি নহয়। ৰাস্তাৰ ওপৰত বহি থকা,ৰাস্তাৰ ওপৰত কোনো বস্তু পেলাই থৈ বাটৰুৱাক কষ্ট দিয়া নাইবা ৰাস্তাৰ ওপৰত মল-মুত্ৰ ত্যাগ কৰি মানুহৰ হৃদয়ত আঘাত দিয়া কাৰ্য্য আল্লাহৰ দৃষ্টিত (অপ্ৰিয়) অপছন্দনীয় কাম।(হাদীছ মিশকাত) পানী পৰিষ্কাৰ ৰখাৰ ক্ষেত্ৰত হজৰত মহম্মদ (ছাঃ)য়ে বিশেষ ভাবে লক্ষ্য ৰাখিছিল। তেখেত (ছাঃ)য়ে সকলো সময়তে চাহাবা (ৰাঃ) সকলক এই উপদেশ দিছিল যে,আৱদ্ধ পানীত (পুখুৰী,খাল-বিল, জলাশয়)ত যেন কেতিয়াও কোনো লেতেৰা বস্তু নাইবা মৃত জীৱ জন্তু আদি পেলোৱা নহয়। ঠিক সেইদৰে বন্ধ পানীত পেচাব-পায়খানা কৰা কঠোৰ বাবে নিষিদ্ধ ঘোষণা কৰিছিল।(হাদীছ বুখাৰী)

ভাবিলে বিস্ময় লাগে যে,আজিৰ পৰা প্ৰায় (১৫০০)পোন্ধৰ শ বছৰ পুৰ্বে আমাৰ প্ৰাণ পুৰুষ আল্লাহৰ প্ৰিয় হাবিব হজৰত মহম্মদ (ছাঃ)য়ে সাধাৰণ স্বাস্থ্য বিজ্ঞানৰ প্ৰতি কিমান গভীৰ আৰু নিষ্ঠা ধ্যান ধাৰণাৰে মানুহক সু-স্বাস্থ্যৰ প্ৰতি সজাগ কৰি তুলিবলৈ উদ্গনি যোগাইছিল।

## খোৱা লোৱাত সৰলতা আৰু খোদা ভীৰুতা (তাকৱা)

হজৰত মহম্মদ (ছাঃ) খোৱা লোৱাৰ ক্ষেত্ৰত অতি সহজ সৰল আছিল। ৰন্ধন খাদ্য বস্তু বেয়াকৈ প্ৰস্তুত নাইবা অৰুচি ৰান্ধা হলে অথবা ৰন্ধন বস্তুত নিমখ জলকীয়া আদি হ্ৰাস বা বৃদ্ধি হলেও কেতিয়াও তেখেত (ছাঃ)য়ে কোনো অসন্তোষ প্ৰকাশ কৰা নাছিল। এনে অৰুচিকৰ খাদ্য খাই তেখেত (ছাঃ)য়ে, ৰান্ধনিৰ মনত কষ্ট দিব বিচৰা নাছিল; যিমান সম্ভৱ খাই লৈছিল। কাৰণ, ৰান্ধনিয়ে যাতে উদ্যম নেহেৰুৱায়। কিন্তু যদি একেবাৰে অযোগ্য বা খাদ্য উপযোগী নহৈছিল; তেনেহলে তেখেত (ছাঃ)য়ে নিজৰ হাত খাদ্যৰ পৰা লাহেকৈ আঁতৰাই নিছিল আৰু কাকো ঘটনাটো বুজিব দিয়া নাছিল যে, তেখেত (ছাঃ)ৰ খোৱাত ব্যাঘাত জন্মিছে। (হাদীচ: বুখাৰী)

আহাৰ খোৱাৰ সময়ত ৰছুল কৰিম (ছাঃ)য়ে কোনো বস্তুত হেলনীয়া হৈ বহা পছন্দ

কৰা নাছিল। কাৰণ, তেনেকৈ বহা আত্মভিমান সূচক আৰু খাদ্য দ্ৰব্যৰ প্ৰতি অসন্মান প্ৰদৰ্শন কৰা সূচায়। তেখেত (ছাঃ)য়ে যেতিয়া আহাৰ খোৱা আৰম্ভ কৰিছিল, তেতিয়া খাদ্যৰ প্ৰতি অতি মনোযোগ নিৱদ্ধ কৰি খাইছিল আৰু কৈছিল যে, মোৰ খোৱাৰ সময়ত এনে অভদ্ৰ আচৰণ পছন্দ নহয় যে, বহুতে খোৱাৰ সময়ত এই বিষয়ত একো গুৰুত্ব নিদিয়ে। (হাদীচ:বুখাৰী)

কোনো খাদ্য বস্তু তেখেত (ছাঃ)ক উপহাৰ স্বৰূপ প্ৰদান কৰিলে, সেই খাদ্য বস্তু চাহাবা (ৰাঃ)সকলৰ মাজত সম বিতৰণ কৰি নিজে খাইছিল। এদিন কোনো ব্যক্তিয়ে তেখেত (ছাঃ)ক কিছু খেজুৰ উপহাৰ দিছিল। তেখেত (ছাঃ)য়ে সভাত উপস্থিত থকা চাহাবা (ৰাঃ) সকলক গণনা কৰি দেখিলে যে, প্ৰতিজনৰ ভাগত সাতটাকৈ খেজুৰ পৰিব; তেতিয়া তেখেত (ছাঃ)য়ে সিহঁতৰ প্ৰত্যেকক সাতটাকৈ খেজুৰ ভগাই দিলে।(হাদীছ বুখাৰী)

এই বিষয়ে হজৰত আবু হুৰাইৰা (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে,হজৰত মহম্মদ (ছাঃ)কেতিয়াও যবধানৰ ৰুটি পেট ভৰি খোৱা নাছিল।(হাদিছ বুখাৰী)

এদিনৰ কথা, এদিন হজৰত মহম্মদ (ছাঃ) ৰাস্তাৰে গৈ আছিল।এনেতে কিছু সংখ্যক লোকে ছাগলী জবাহ্ কৰি তাৰ মাংস ভাজি ভোজ ভাতৰ আয়োজন কৰা দেখা পাইছিল।যেতিয়া মানুহবিলাকে হজৰত মহম্মদ (ছাঃ)ক দেখা পালে, তেওঁলোকে তেখেত (ছাঃ)ক নিমন্ত্ৰণ কৰিলে। কিন্তু তেখেত (ছাঃ)য়ে এই নিমন্ত্ৰণ গ্ৰহণ কৰা নাছিল। (হাদীছ বুখাৰী)

হজৰত মহম্মদ (ছাঃ)ৰ এই নিমন্ত্ৰণ গ্ৰহণ নকৰাৰ কাৰণ এয়ে নাছিল যে,তেখেত (ছাঃ)য়ে ছাগলীৰ ভজা মাংস পছন্দ নাছিল। বৰং তেখেত (ছাঃ)ৰ অপছন্দৰ কাৰণ এয়ে আছিল যে,ওচৰ পাজৰৰ দৰিদ্ৰ, নিচলা লোক সকলে চলা-ফুৰা কৰিব আৰু সিহঁতে তেওঁলোকৰ আগত মুকলি ভাৱে ছাগলীৰ ভজা মাংসৰে ভোজ ভাত খাব। সেয়া নহলে অন্যান্য হাদীছৰ পৰা প্ৰমাণ পোৱা যায় যে, হজৰত মহম্মদ (ছাঃ)য়ে ভজা মাংস খাইছিল।হজৰত আয়েশা ছিদ্দিকা (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে,হজৰত মহম্মদ (ছাঃ)য়ে কেতিয়াও একেৰাহে তিনি দিন পেট ভৰি খাদ্য খোৱা নাছিল। এই অৱস্থা তেখেত (ছাঃ)মৃত্যুৰ আগলৈকে চলিছিল।(হাদীছ বুখাৰী)

খোৱা লোৱাৰ ক্ষেত্ৰত তেখেত (ছাঃ)য়ে এটা বিষয়ত বিশেষকৈ লক্ষ্য ৰাখিছিল যে কোনেও যেন নিমন্ত্ৰণ নোহোৱাকৈ আনৰ ঘৰত খাবলৈ কেতিয়াও নাযায়। এদিনাখন এজন মুছলমান হজৰত মহম্মদ (ছাঃ)ক নিমন্ত্ৰণ কৰি এই আবেদন জনালে যে,তেখেত (ছাঃ) যেন লগত মাত্ৰ চাৰিজনক লৈ নিমন্ত্ৰণ ৰক্ষা কৰে। হজৰত মহম্মদ (ছাঃ)য়ে যেতিয়া সেই নিমন্ত্ৰণকাৰী ব্যক্তিৰ ঘৰৰ ওচৰ পালে; তেতিয়া আন এজন ব্যক্তি আহি

তেখেত (ছাঃ)ৰ সৈতে যোগ দিয়ে।হজৰত মহম্মদ (ছাঃ)য়ে যেতিয়া সেই নিমন্ত্ৰণকাৰী ব্যক্তিৰ ঘৰত উপস্থিত হয়,তেতিয়া তেখেত (ছাঃ)য়ে বুজিব পাৰে যে,তেখেত (ছাঃ)ৰ লগত পঞ্চম ব্যক্তিও আছে নিমন্ত্ৰণ কাৰী ব্যক্তি যেতিয়া তেখেত (ছাঃ)ক স্বাগত জনাবলৈ গৃহৰ পৰা বাহিৰলৈ ওলাই আহিল, তেতিয়া হজৰত মহম্মদ (ছাঃ)য়ে তাক কলে,আপুনি মোৰ সৈতে পাঁচজনক নিমন্ত্ৰণ কৰিছিল। এতিয়া আপোনাৰ ইচ্ছা, হয় এই ষষ্ঠ ব্যক্তিক নিমন্ত্ৰণ গ্ৰহণ কৰক নাইবা তেওঁক বিদায় দিব পাৰে।নিমন্ত্ৰণকাৰী ব্যক্তিয়ে কলে,মই এইজনকো নিমন্ত্ৰণ কৰিছোঁ। গতিকে তেওঁক লৈ নিশ্চয় আপোনালোকে ভিতৰলৈ আহঁক( হাদীছ বুখাৰী)

হজৰত মহম্মদ (ছাঃ)য়ে যেতিয়া আহাৰ খাইছিল; বিছমিল্লাহিৰ ৰহমানিৰ ৰাহিম (আল্লাহৰ নামত আৰম্ভ কৰিছোঁ)কৈ খোৱা আৰম্ভ কৰিছিল।খোৱা শেষ হলে তেখেত (ছাঃ)য়ে নিম্নৰূপে আল্লাহৰ প্ৰশংসা কৰিছিল।

সকলো প্ৰশংসা সেই আল্লাহৰ যিয়ে আমাক ভোজন সামগ্ৰী প্ৰদান কৰিছে। অত্যাধিক প্ৰশংসা,শ্ৰদ্ধাপূৰ্ণ প্ৰশংসা, বিশুদ্ধ প্ৰশংসা সদায় অগ্ৰসৰগামী প্ৰশংসা, এনে প্ৰশংসা নহয়, যাতে মানুহে বুজিব পাৰে যে, মই যথেষ্ট প্ৰশংসা কৰিছোঁ এনে প্ৰশংসা যি কেতিয়াও শেষ নহ'ব। বৰং মানুহে এয়ে ভাবিব যে,আল্লাহৰ প্ৰত্যেক কাৰ্য্য প্ৰশংসনীয়। হে আল্লাহ! মোৰ হৃদয়ক পৱিত্ৰ ভাব ধাৰাৰে পৰিপূৰ্ণ কৰি দিয়া। কেতিয়াবা কেতিয়াবা তেখেত (ছাঃ)য়ে এই প্ৰাৰ্থনাও কৰিছিল যে,সকলো প্ৰশংসা আল্লাহৰ,যিয়ে মোক উপবাসৰ পৰা ৰক্ষা কৰিছে। মোৰ মন যেন তেওঁৰ প্ৰশংসাত শিথিল নহয় আৰু মই যেন অকৃতজ্ঞ নহওঁ। (হাদীছ বুখাৰী)

হজৰত মহম্মদ (ছাঃ)য়ে চাহাবা (ৰাঃ) সকলক সদায় এই উপদেশ দিছিল যে,উদৰপূৰ্ণ হোৱাৰ পূৰ্বেই খোৱা পৰিহাৰ কৰা উচিত লগতে কৈছিল যে,এজনৰ খাদ্য দুইজনৰ বাবে যথেষ্ট হোৱা বাঞ্ছনীয়। (হাদীছ বুখাৰী)

কেতিয়াবা তেখেত (ছাঃ)ৰ গৃহত বিশেষ কোনো খাদ্য প্ৰস্তুত হলে,তেখেত (ছাঃ)য়ে গৃহবাসী সকলোকে প্ৰতিবেশীৰ প্ৰতি লক্ষ্য ৰাখিবলৈ উপদেশ দিছিল। এইদৰে প্ৰতিবেশী সকলৰ ঘৰত ভোজন সামগ্ৰী অথবা আন বস্তু উপহাৰ স্বৰূপ তেখেত (ছাঃ) নিজেই পঠাই দিছিল।(হাদীছ মুছলিম আৰু বুখাৰী)

হজৰত মহম্মদ (ছাঃ)য়ে চাহাবা (ৰাঃ) সকলৰ মুখ্যকৃতি প্ৰত্যেক্ষ কৰিয়েই উপলব্দি

কৰিব পাৰিছিল যে,তেওঁলোকে আহাৰ কৰিছে নে নাই। হজৰত আবু হুৰাইৰা (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে, এবাৰ তেওঁ কেইবাদিন অনাহাৰে আছিল। তিনিদিন অনাহাৰে থকাৰ পিছত অস্থিৰ হৈ তেওঁ মছজিদৰ দৰ্জাৰ সন্মুখত উপস্থিত হয়। সেই সময়ত সৌভাগ্য বশত হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)মছজিদৰ পৰা ওলাই আহিছিল। মই তেখেত (ৰাঃ)ক পৱিত্ৰ কোৰাণ শ্বৰীফৰ এটি আয়াতৰ অৰ্থ সুধিলোঁ যি আয়াত অনাহাৰী সকলক আহাৰ দিয়াৰ আদেশ আছে। হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)য়ে ভাবিলে হয়তো মই এই আয়াতৰ অৰ্থ নাজানো।সেই কাৰণে তেখেত (ৰাঃ)য়ে উক্ত আয়াতৰ অৰ্থ কৈ গুচি গ'ল। তেতিয়া মই উপস্থিত হৈ লোক সকলৰ সন্মুখত উক্ত ঘটনা বৰ্ণনা কৰি খংঙেৰে কলো যে, হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ) মোতকৈ কোৰাণ শ্বৰীফ অধিক জানেনে ? মই এই কাৰণে তেখেত (ৰাঃ)ক উক্ত আয়াতৰ অৰ্থ সুধিছিলোঁ যাতে তেখেত (ৰাঃ)সেই আয়াতৰ অৰ্থ উপলব্ধি কৰি মোৰ বাবে ভোজনৰ ব্যৱস্থা কৰে। তাৰ পিছত  হজৰত ওমৰ ফাৰুক (ৰাঃ) তাত আহি উপস্থিত হয়। মই তেখেত (ৰাঃ)কো সেই একে প্ৰশ্ন কৰো। হজৰত ওমৰ (ৰাঃ)ও আয়াতটিৰ অৰ্থ কৈ গুচি গ'ল। চাহাবা (ৰাঃ) সকলে  সাধাৰণতে  কাৰো ওচৰত কোনো বস্তু বিচৰা পছন্দ কৰা নাছিল। হজৰত আবু হুৰাইৰা (ৰাঃ)য়ে দেখিলে যে, আনৰ ওচৰত বিচৰা অবিহনে অহাৰ পোৱাৰ সম্ভৱনা নাই। তেখেত (ৰাঃ)য়ে কলে,মই দুৰ্বলতাৰ হেতুকে পৰি যাব ধৰিলোঁ। কাৰণ ভোকৰ যন্ত্ৰণাত অত্যন্ত দুৰ্বল হৈ পৰিছিলোঁ। থিয় হৈ থকা মোৰ সমৰ্থৰ বাহিৰত আছিল। কিন্তু যেতিয়া মই দৰ্জাৰ পৰা মুখ ঘূৰাই ল'ব বিচাৰিছিলোঁ ঠিক সেই সময়ত এক প্ৰেম পূৰ্ণ মধুৰ স্বৰ মোৰ কৰ্ণ গোচৰ হয়। কোনোবাই যেন মোক আবু হুৰাইৰা! আবু হুৰাইৰা! বুলি মাতিছিল।স্নেহশীল শব্দ শুনি মই নিজৰ মুখ ঘূৰাই দেখিলো যে, হজৰত মহম্মদ (ছাঃ) নিজৰ ঘৰৰ খিৰিকী খুলি থিয় হৈ মিচিকিয়া হাঁহি আছে। মোক দেখা পাই তেখেত (ছাঃ) য়ে কলে, আবু হুৰাইৰা তোমাৰ ভোক লাগিছে নে ? মই উত্তৰত কলো, হয় আল্লাহৰ ৰছুল! মোৰ নিশ্চয় ভোক লাগিছে। তেতিয়া দয়ালু নবী হজৰত মহম্মদ (ছাঃ)য়ে কলে, মোৰ ঘৰতো কোনো খোৱা বস্তু নাছিল। কিন্তু এই মাত্ৰ এজন ব্যক্তিয়ে এবাটি গাখীৰ পঠাই দিছে। তুমি মছজিদলৈ গৈ চোৱা হয়তো তাত তোমাৰ দৰে আৰু কোনো মুছলমান থাকিব পাৰে; যি সকলৰ খোৱাৰ প্ৰয়োজন আছে। হজৰত আবু হুৰাইৰা বৰ্ণনা কৰে, মই ভাবিলো যে,এই বাটিত যিমান খিনি গাখীৰ আছে; সেয়া কেৱল ভোকেই নিবাৰণ কৰিব নোৱাৰিব অথচ হজৰত ৰছুলে কৰিম (ছাঃ)য়ে আৰু ভোকাতুৰক নিমন্ত্ৰণ কৰিছে। তেন্তে মোৰ ভাগ্যত যিমান খিনি গাখীৰ পৰিব সেয়া নথকাৰ সমান। কিন্তু কি কৰিম! এয়া হজৰত মহম্মদ (ছাঃ)ৰ আদেশ, অমান্য কৰাৰ কোনো উপায় নাই। নিৰুপায় হৈ মই মছজিদৰ ভিতৰত প্ৰৱেশ

কৰিলোঁ। তাত দেখিলোঁ যে মোৰ দৰে ভোকাতুৰ ছয়জন ব্যক্তি বহি আছে। মই সিহঁতক লগত লৈ হজৰত মহম্মদ (ছাঃ)ৰ ঘৰৰ দৰ্জাত উপস্থিত হলো। সৰ্ব প্ৰথমে হজৰত ৰছুল কৰিম (ছাঃ) সেই গাখীৰৰ বাটি ছয়জন ব্যক্তিৰ এজনৰ হাতত দি কলে, খোৱা। যেতিয়া সি গাখীৰ পান কৰি বাটিৰ পৰা মুখ তুলিলে; তেতিয়া তেখেত (ছাঃ)য়ে আকৌ কলে, আৰু খোৱা। তৃতীয়বাৰ তেখেত (ছাঃ)য়ে সেই ব্যক্তিক জোৰ কৰি গাখীৰ পান কৰালে।এইদৰে হজৰত ৰছুল কৰিম (ছাঃ)য়ে প্ৰতিজনক তিনিবাৰকৈ ক্ৰমে গাখীৰ পান কৰাৰ আদেশ দিলে। হজৰত আবু হুৰাইৰা (ৰাঃ) বৰ্ণনা কৰিছে; এই ভাবে গাখীৰ পান কৰা দেখি প্ৰতিবাৰেই মই মনে-মনে ভাবিছিলোঁ যে, মোৰ কাম শেষ, মোৰ বাবে একো নাথাকিল। মই আজি নিশ্চয় ভোকাতুৰ হৈ মৰিব লাগিব। কিন্তু যেতিয়া ষষ্ঠ ব্যক্তি গাখীৰ পান কৰা শেষ হ'ল; তেতিয়া হজৰত মুহাম্মাদুৰ ৰাছুলুল্লাহ (ছাঃ)য়ে গাখীৰৰ বাটিখন মোৰ হাতত দিলে। মই দেখিলোঁ যে তেতিয়াও বাটিখনত অনেক গাখীৰ অৱশিষ্ট আছে। যেতিয়া মই গাখীৰ পান কৰিলোঁ, তেতিয়া তেখেত (ছাঃ)য়ে মোকও কলে, আৰু খোৱা। একেদৰে তেখেত (ছাঃ)য়ে মোকও তিনিবাৰ গাখীৰ খোৱালে আৰু শেষত অৱশিষ্ট থকা গাখীৰ তেখেত (ছাঃ)য়ে নিজে পান কৰিলে। অৱশেষত খোদা তায়লাৰ কৃতজ্ঞতা প্ৰকাশ কৰাৰ নিমিত্তে নিজৰ ঘৰৰ ভিতৰত প্ৰৱেশ কৰি দৰ্জা বন্ধ কৰি দিলে। (হাদীছ: বুখাৰী)

যথাসম্ভৱঃ হজৰত মহম্মদ (ছাঃ)য়ে আবু হুৰাইৰা (ৰাঃ)ক সকলোৰে শেহত গাখীৰ পান কৰিবলৈ দিছিল এই শিক্ষা দিয়াৰ বাবে যে, তেখেত (ৰাঃ) যেন খোদা তায়লাৰ ওপৰত ভৰসা ৰাখি অনাহাৰে বহি থাকে আৰু সংকেতেৰেও কাকো একো নকয়।

হজৰত মহম্মদ (ছাঃ) সকলো সময়ত সোঁ হাতেৰে আহাৰ খাইছিল আৰু সোঁ হাতেৰে পানী পান কৰিছিল। পানী পান কৰাৰ সময়ত তিনিবাৰ শ্বাস লৈছিল। ইয়াৰ মাজত এক স্বাস্থ্য সন্মত ৰহস্য আছিল। কাৰণ, যদি পানী এক নিঃশ্বাসত (দমত) খোৱা হয়; তেনেহলে অধিক পৰিমাণে পানী খাব পৰা যায়। ফলত হজম প্ৰক্ৰিয়াত ওলট-পালট দেখা দিয়ে। ভোজনৰ ক্ষেত্ৰত নিয়ম আছিল যে, যি খাদ্য পৱিত্ৰ আৰু পৰিমিত তেনে খাদ্যই খোৱা উচিত। কিন্তু কোনো দুখীয়াৰ হক যেন বঞ্চিত কৰা নহয় নাইবা কোনো মানুহ যেন খকুৱা স্বভাৱৰ নহয়। সাধাৰণতে হজৰত মহম্মদ (ছাঃ)ৰ ভোজন সামগ্ৰী অতি স্বাভাৱিক আছিল। তথাপি, কোনো ব্যক্তি যদি কোনো খাদ্য উপহাৰ স্বৰূপ লৈ আহিছিল; তেন্তে তেখেত (ছাঃ)য়ে সেই খাদ্য খাবলৈ অস্বীকাৰ কৰা নাছিল। কিন্তু খোৱা-লোৱাৰ ক্ষেত্ৰত তেখেত (ছাঃ)য়ে উত্তম খাদ্য সংগ্ৰহৰ চেষ্টা কেতিয়াও কৰা

নাছিল। খেজুৰ তেখেত (ছাঃ)ৰ অতি প্ৰিয় আছিল। তেখেত (ছাঃ)য়ে কৈছিল যে, খেজুৰ গছ্ আৰু মুছলমান সকলৰ মাজত এক ঘনিষ্ঠ সম্পৰ্ক আছে। কাৰণ, খেজুৰৰ পাত, বাকলি, কেঁচা ফল, পকা ফল আৰু তাৰ বীজ সকলো উপকাৰী। ইয়াৰ কোনো অংশ অনাৱশ্যক নহয়। এজন প্ৰকৃত মুছলমান যি পূৰ্ণ শ্ৰদ্ধাৱান আৰু মোমিন সাধাৰণতে খেজুৰ সদৃশ হয়। তেওঁৰ কোনো কাম ব্যৰ্থ নহয়। বৰং তেওঁৰ প্ৰত্যেক কৰ্মই মানৱ জাতিৰ কল্যাণৰ নিমিত্তে হে থাকে। (হাদীছ: বুখাৰী)

## পোছাক আৰু গহণা-পাতি (অলংকাৰ)ৰ ক্ষেত্ৰত সৰলতা আৰু খোদা-ভীৰুতা (তাক্ওৱা)

বেশভূষণ অৰ্থাৎ সাজ -পোছাকৰ ক্ষেত্ৰত হজৰত মহম্মদ (ছাঃ)য়ে অতি আজলা ব্যৱস্থা পছন্দ কৰিছিল। সাধাৰণতে তেখেত (ছাঃ)য়ে লুঙ্গী আৰু পাঞ্জাবী অথবা পায়জামা আৰু পাঞ্জাবী পৰিধান কৰিছিল। তেখেত (ছাঃ)য়ে লুঙ্গী বা পায়জামা আঁঠুৰ তলত ভৰিৰ গাঁঠিৰ ওপৰলৈকে পৰিধান কৰিছিল। আঁঠুৰ ওপৰৰ কোনো অংশ উলঙ্গ হোৱা তেখেত (ছাঃ)য়ে কেতিয়াও পছন্দ কৰা নাছিল। বিশেষ অসুবিধা অবিহনে ডাঙৰ ডাঙৰ চিত্ৰ অংকিত বস্ত্ৰ বা মূৰ্তি পূজাৰ সূচক পৰিধান কৰিবলৈ বা পৰ্দা তৈয়াৰ কৰিবলৈ তেখেত (ছাঃ)য়ে আদেশ দিয়া নাছিল। তেখেত (ছাঃ)য়ে অংশীবাদীতাৰ ইঙ্গিত সহ ছাপযুক্ত কাপোৰ ব্যৱহাৰ কৰাৰ অনুমতি কেতিয়াও দিয়া নাছিল। এদিনাখন তেখেত (ছাঃ)ৰ নিজ বাস গৃহত এনে চিত্ৰ অঙ্কিত পৰ্দা আৰি থোৱা দেখি লগে লগে তাক খুলি পেলোৱাৰ আদেশ দিছিল। (হাদীছ: বুখাৰী)

কিন্তু সৰু সৰু চিত্ৰ অঙ্কিত যাক ফুলাম বুলি কোৱা হয়; তেনে কাপোৰ ব্যৱহাৰৰ ক্ষেত্ৰত কোনো নিষেধ কৰা নাছিল। কাৰণ, এনে কাপোৰৰ মাজত (চিৰক) অংশীবাদীতাৰ প্ৰতি মনোযোগ আকৰ্ষণ কৰাৰ ইঙ্গিত নাছিল। তেখেত (ছাঃ)য়ে কেতিয়াও ৰেচমী বা পাট কাপোৰ পৰিধান কৰা নাছিল আৰু আন পুৰুষ সকলকো ৰেচমী বা পাট কাপোৰ পিন্ধাৰ অনুমতি দিয়া নাছিল।

হজৰত মহম্মদ (ছাঃ)য়ে ৰজা-বাদশ্বাহৰ ওচৰলৈ প্ৰেৰিত চিঠি পত্ৰত ব্যৱহাৰ কৰাৰ বাবে মোহৰৰ ছাপযুক্ত এটি আঙুঠি তৈয়াৰ কৰিছিল।কিন্তু নিৰ্দেশ দিয়া হৈছিল যাতে আঙুঠিটি সোণৰ নহৈ ৰূপৰ হে হয়। কাৰণ, খোদা তায়লা মোৰ উম্মতৰ পুৰুষ সকলৰ বাবে সোণ পৰিধান কৰা নিষিদ্ধ কৰিছে। কিন্তু মহিলা সকলৰ বাবে ৰেচমী বা পাট কাপোৰ পিন্ধাৰ অনুমতি আৰু সোণৰ গহণা পৰিধান কৰাৰো অনুমতি আছে। এই ক্ষেত্ৰত তেখেত (ছাঃ)য়ে উপদেশ দিছিল যে, ইয়াৰ অপব্যৱহাৰ আৰু মৰ্যদা হানি যেন নঘটে। এনে কাৰ্য্যত নিষেধ কৰা হৈছিল।(হাদীছ: বুখাৰী)

এদিনাখন হজৰত মহম্মদ (ছাঃ) (নিৰ্ধন) দুখীয়া নিচলা সকলৰ সাহাযাৰ্থে কিছু অৰ্থ সংগ্ৰহৰ আহ্বান জনাইছিল। লগে লগে এজনী মহিলা তাইৰ হাতৰ এটি সোণৰ খাৰু ওলাই আনি হজৰত ৰছুল কৰিম (ছাঃ)ৰ আগত ৰাখিলে। তেখেত (ছাঃ)য়ে কলে, তুমি নিজৰ আনখন হাত দোজখৰ (নৰকৰ) অগ্নিৰ পৰা ৰক্ষা কৰিব নিবিচাৰে নে? মহিলা জনীয়ে এই কথা শুনাৰ লগে লগে আনখন হাতৰ খাৰুপাতো দুখীয়া সকলৰ নিমিত্তে উপহাৰ দিছিল। হজৰত মহম্মদ (ছাঃ)ৰ স্ত্ৰী সকলৰ (পত্নী গণৰ) কোনো মূল্যৱান অলংকাৰ নাছিল। অন্যান্য মুছলিম মহিলা সকলেও সিহঁতৰ শিক্ষা অনুসৰণ কৰি গহণা পাতি তৈয়াৰ কৰাৰ পৰা বিৰত থাকিছিল। তেখেত (ছাঃ)য়ে পৱিত্ৰ গ্ৰন্থ আল কোৰাণৰ শিক্ষা অনুসৰি কৈছিল যে, ধন-সম্পদ সঞ্চয় কৰি ৰাখিলে সেয়া দুখীয়া নিচলা সকলৰ (হক) অধিকাৰ খৰ্ব কৰা হয়। এই কাৰণে, সোণ, ৰূপ প্ৰভৃতি মূল্যৱান ধাতু ঘৰত জমা কৰি ৰাখিলে, সেয়া জাতীয় অৰ্থনৈতিক ব্যৱস্থাক  ধ্বংস কৰি পেলায় আৰু সেয়া নিশ্চয় এক  পাপ।

মানৱ সমাজৰ যি সকল লোক সৰ্বহাৰা। যি সকল লোক আটাইতকৈ পিছ পৰা আৰু নিম্ন শ্ৰেণীৰ,তেওঁলোকৰ বাবে সৰ্বব্যাপী সহানুভূতি আছিল। নিম্ন বৰ্ণিত ঘটনা বোৰত তাৰ চিত্তাকৰ্ষক প্ৰমাণ পোৱা যায়।

এদিনাখন হজৰত ওমৰ ফাৰুক (ৰাঃ) হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত বিনীত নিবেদন কৰি কলে,এতিয়া আপোনাৰ সৈতে সাক্ষাৎ কৰাৰ নিমিত্তে ডাঙৰ ডাঙৰ ৰজা বাদশ্বাহৰ পৰা ৰাষ্ট্ৰদুত সকল আহি আছে। সিহঁত নিশ্চয় অভিজাত ধনবন্ত। গতিকে আপুনি সিহঁতৰ লগত সাক্ষাৎ কৰাৰ বাবে মূল্যবান পোচাক তৈয়াৰ কৰক। আপোনাৰ নিশ্চয় এটি দামী জুববাৰ  অৰ্থাৎ গা ঢকা ঢিলা চোলাৰ আৱশ্যক। হজৰত ওমৰ (ৰাঃ)ৰ এই কথা শুনি হজৰত মহম্মদ (ছাঃ) অপ্ৰসন্ন হৈ কৈছিল, খোদা তায়লা মোক এই কাৰণে সৃষ্টি কৰা নাই।এইবিলাক তোমালোকৰ  কথা। মই পৃথিৱীৰ সকলোৰে সৈতে সাধাৰণ পোচাক পৰিধান কৰি সাক্ষাৎ কৰিম।

এদিনাখন এটি ৰেছমী বা পাটৰ গা ঢকা ঢিলা চোলা তেখেত (ছাঃ)ক উপহাৰ দিয়া হৈছিল। তেখেত (ছাঃ) সেই পোচাকখন হজৰত ওমৰ (ৰাঃ)ক উপহাৰ (তোহফা) স্বৰূপ দিছিল। পিছদিনা তেখেত (ছাঃ)য়ে দেখিবলৈ পালে যে, হজৰত ওমৰ (ৰাঃ) সেই বস্ত্ৰ পৰিধান কৰি চলা ফুৰা কৰিছে। তেতিয়া তেখেত (ছাঃ) অসন্তুষ্টি প্ৰকাশ কৰে। হজৰত ওমৰ (ৰাঃ)য়ে কলে, হে আল্লাহৰ ৰছুল! এই ৰেছমী চোলা আপুনিয়েই মোক

উপহাৰ দিছে, এতিয়া মই ইয়াক লৈ কি কৰিম? হজৰত মহম্মদ (ছাঃ)য়ে কলে, প্ৰত্যেক বস্তু নিজৰ ব্যৱহাৰৰ বাবে হ'ব নোৱাৰে। যিহেতু উক্ত (জুব্বা) গা ঢকা ঢিলা চোলাটি ৰেচমৰ বা পাটৰ আছিল; সেই হেতুকে আপুনি চোলাটো নিজৰ স্ত্ৰী নাইবা ছোৱালীক দিব পাৰিলেহেঁতেন নতুবা আন কোনো প্ৰকাৰে ...ব্যৱহাৰ কৰিব পাৰিলেহেঁতেন। (হাদীছ বুখাৰী)

## বিছনা বা শয্যাৰ ক্ষেত্ৰত সৰলতা

হজৰত মহম্মদ (ছাঃ)ৰ শয্যা বৰ সাধাৰণ আছিল। তেখেত (ছাঃ)য়ে কেতিয়াও ভাল শয্যাত শয়ন কৰা নাছিল। তেখেত (ছাঃ)য়ে কেতিয়াও শয়নৰ বাবে খাট অথবা বহুৱা ব্যৱহাৰ কৰা নাছিল। সদায় মাটিৰ ওপৰত শয়ন কৰিছিল। তেখেত (ছাঃ)ৰ বিছনাখন এটি চামৰা নাইবা উটৰ নোমেৰে তৈয়াৰী আছিল। হজৰত আয়েশা ছিদ্দিকা (ৰাঃ)ৰ উক্তি এই ক্ষেত্ৰত উল্লেখযোগ্য। তাই (ৰাঃ) কৈছে আমাৰ বিছনাখন ইমান সৰু আছিল যে, যেতিয়া হজৰত মহম্মদ (ছাঃ)য়ে ৰজনিত তাহাজ্জুদ (এক বিশেষ নফল এবাদত) নমাজৰ বাবে থিয় হৈছিল; তেতিয়া মই বিছনাৰ এফালে আঁতৰি গৈ কোচ খাই থাকিছিলোঁ আৰু ভৰি দুখন (মাজে সময়ে) পোন কৰি ৰাখিছিলোঁ ইয়াৰ কাৰণ এয়ে আছিল যে,বিছনাখন অতি সৰু আছিল।যেতিয়া তেখেত (ছাঃ)য়ে নমাজৰ বাবে থিয় হৈছিল;তেতিয়া মই ভৰি দুখন দীঘলকৈ পাৰিছিলোঁ আৰু যেতিয়া তেখেত (ছাঃ)য়ে (ছিজদা) দীঘলীয়া কৰিছিল; তেতিয়া মই ভৰি দুখন পুনৰ ভাঁজ কৰিছিলোঁ (হাদীছ বুখাৰী,মুছলিম, তিৰমিজী)

## বাসস্থানৰ ক্ষেত্ৰত সৰলতা

হজৰত মহম্মদ (ছাঃ)ৰ বাস গৃহ অতি সাধাৰণ আছিল। সাধাৰণতে তেখেত (ছাঃ)ৰ বাস গৃহ এক কোঠা বিশিষ্ট আৰু এখন সৰু চোতাল বিশিষ্ট আছিল। উক্ত কোঠালীৰ মাজ ভাগত এটি ৰচী আঁৰি থোৱা আছিল। ৰচীৰ ওপৰত কাপোৰ টানি দি তেখেত (ছাঃ)য়ে পৃথক অংশত সাক্ষাত পাৰ্থী সকলৰ সৈতে কথা-বতৰা পাতিছিল। আন অংশত তেখেত (ছাঃ)ৰ ধৰ্ম পত্নী থাকিছিল। হজৰত মহম্মদ (ছাঃ) জীৱন-যাপনৰ ক্ষেত্ৰত ইমান বেছি সহজ সৰল আছিল যে, তেখেত (ছাঃ)ৰ পৰলোক গমনৰ পিছত হজৰত আয়শা ছিদ্দিকা (ৰাঃ) য়ে কৈছিল যে, হজৰত মহম্মদ (ছাঃ)ৰ জীৱিত কালত আমি কেইবাবাৰো কেৱল পানী আৰু খেজুৰ খাই দিন অতিবাহিত কৰিছিলোঁ। আনকি যিদিনা

তেখেত (ছাঃ)ৰ মৃত্যু হয়; সিদিনাও আমাৰ ঘৰত পানী আৰু খেজুৰ অবিহনে আন একো নাছিল। (হাদীছ বুখাৰী)

## খোদা তায়লাৰ প্ৰতি ঐকান্তিক প্ৰেম আৰু পূৰ্ণ এবাদাত

হজৰত মহম্মদ (ছাঃ)ৰ সমগ্ৰ জীৱন ব্যাপী দৃষ্টি নিক্ষেপ কৰিলে দৃষ্টি গোচৰ হয় যে, তেখেত (ছাঃ)ৰ জীৱন বিশ্ব প্ৰভুৰ প্ৰেমত নিমজ্জিত আছিল। যাক **ইশকে ইলাহী** অৰ্থাৎঐশী প্ৰেমত বিভোৰ বুলি জনা যায়। মুছলিম জমাত বৃহৎ গুৰু দায়িত্ব সম্পাদন কৰা সত্ত্বেও দিনে ৰাতিয়ে এক আল্লাহৰ উপাসনা আৰু প্ৰশংসাত নিমগ্ন থাকিছিল।অৰ্ধ ৰজনি অতিক্ৰম কৰাৰ পিছতেই তেখেত (ছা)য়ে খোদা তায়লাৰ এবাদতৰ বাবে শয্যা ত্যাগ কৰিছিল। আৰু সূৰ্য্য উদয় পৰ্য্যন্ত এক আল্লাহৰ উপাসনাত নিমগ্ন থাকিছিল। কেতিয়াবা কেতিয়াবা দীৰ্ঘ সময় এবাদতৰ বাবে থিয় হৈ থকাৰ কাৰণে পদযুগল ফুলি উঠিছিল। তেখেত (ছাঃ)ৰ এনে অৱস্থা দেখি তেখেত (ছাঃ)ৰ প্ৰতি মানুহৰ দয়া উপজিছিল। তেখেত (ছাঃ)ৰ পত্নী অৰ্থাৎ সহধৰ্মীনি হজৰত আয়েশা ছিদ্দিকা (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে,এদিন হজৰত আয়শা (ৰাঃ)য়ে তেখেত (ছাঃ)ৰ এনে অৱস্থা দেখি কৈছিল, হে আল্লাহৰ ৰছুল! আপুনিতো খোদা তায়লাৰ সান্নিধ্য আৰু সন্ধান লাভ কৰিছে। আপুনি আল্লাহৰ অতি প্ৰিয় ভক্ত তথাপি আপুনি কিয় নিজকে ইমান কষ্ট দি আহুকালত পেলাইছে? উত্তৰত হজৰত মহম্মদ (ছাঃ)য়ে কৈছিল, হে আয়েশা! **আফালা আকুন আবদান শাকুৰা।** অৰ্থাৎ আল্লাহৰ স্নেহৰ বাবে মোৰ কৃতজ্ঞতা প্ৰকাশ কৰা উচিত নহয় নে? এই কথা সত্য যে, মই আল্লাহৰ নৈকাট্য লাভ কৰিছোঁ আৰু তাৰ লগত মোৰ ঘনিষ্ঠ সম্পৰ্ক আছে। কিন্তু মোৰ আল্লাহৰ প্ৰতি যথা সাধ্য ধন্যবাদ জ্ঞাপন কৰা কৰ্ত্তব্য নহয়নে? পৰম কৰুণাময় আল্লাহৰ আৰু অসীম কৃপাৰ পৰিৱৰ্তে ধন্যবাদ জ্ঞাপন কৰা উচিত। (হাদিছ বুখাৰী) সঁচাকৈয়ে মানুহে ইয়াৰ অতিৰিক্ত আৰু কি আল্লাহক দিব পাৰে?

হজৰত মহম্মদ (ছাঃ)য়ে আল্লাহৰ প্ৰত্যক্ষ অনুমতি অবিহনে কোনো কামেই কৰা নাছিল। সেই কাৰণে তেখেত (ছাঃ) সম্পৰ্কে লিখিত আছে যে, মক্কাবাসী সকলৰ নিৰ্মম অত্যাচাৰ,প্ৰহাৰ,নিৰ্যাতন আৰু অশ্লীল গালি শপনিৰ সত্ত্বেও তেখেত (ছাঃ)য়ে তেতিয়ালৈকে নিজ মাতৃ ভূমি পৰিত্যাগ কৰা নাছিল, যেতিয়ালৈকে আল্লাহৰ পৰা ওহী অৰ্থাৎ ঐশী বাণী অৱতীৰ্ণ হোৱা নাছিল, আৰু সেই ঐশী বাণীৰ মাধ্যমত যেতিয়ালৈকে তেখেত (ছাঃ)ক পৱিত্ৰ মক্কা পৰিত্যাগ কৰিবলৈ আদেশ দিয়া নাছিল। মক্কাবাসী সকলৰ অত্যাচাৰ যেতিয়া তেখেত (ছাঃ)ৰ ওপৰত দিনক দিনে ক্ৰমে বৃদ্ধি হ’ব ধৰিছিল তেতিয়া দয়ালু নবী চাহাবা

সকলক হাবশাৰ ফালে হিজৰত কৰিবলৈ আদেশ দিছিল। কিন্তু যেতিয়া চাহাবা সকলে নিজ নিজ অভিপ্ৰায় ব্যক্ত কৰি কলে যে, আপুনিও আমাৰ লগত প্ৰস্থান কৰক। তেতিয়া হজৰত মহম্মদ (ছাঃ)য়ে কলে,মইতো এতিয়ালৈকে আল্লাহৰ পৰা কোনো অনুমতি পোৱা নাই। সাধাৰণতে সংকটৰ সময়ত মানুহে নিজৰ বন্ধু-বান্ধৱ,আত্মীয়-স্বজনক নিজৰ ওচৰলৈ আনে আৰু সকলোৱে একেলগে থাকে। কিন্তু তেখেত (ছাঃ)য়ে নিজৰ অনুসাৰী সকলক অৰ্থাৎ জমাতৰ মুছলমান সকলক হাবশাৰ ফালে হিজৰত কৰিবলৈ উপদেশ দিলে আৰু নিজে অকলশৰে মক্কাত থাকি গ'ল। ইয়াৰ কাৰণ তেতিয়াও তেখেত (ছাঃ)ক আল্লাহ তায়লা হিজৰত কৰাৰ আদেশ দিয়া নাছিল।

হজৰত মহম্মদ (ছাঃ)য়ে যেতিয়া কোনো লোকৰ মুখত আল্লাহৰ কালাম (বাণী) আল কোৰাণ পাঠ কৰা শুনিছিল; তেতিয়া তেখেত (ছাঃ)ৰ আবেগত চকু যোৰিৰ পৰা অশ্ৰু ধাৰা প্ৰবাহিত হৈছিল। বিশেষকৈ সেই সমূহ আয়াত পাঠ কৰিলে; যিবোৰ আয়াত তেখেত (ছাঃ)ক নিজৰ দায়িত্ব সম্পৰ্কে সজাগ থাকিবলৈ আদেশ দিয়া হৈছিল। হজৰত আব্দুল্লাহ বিন মাছুদ (ৰাঃ)য়ে বৰ্ণনা কৰিছে, এদিনাখন হজৰত মহম্মদ (ছাঃ)য়ে কৈছিল,মোক পৰিত্ৰ কোৰাণৰ কিছু আয়াত পাঠ কৰি শুনোৱা। মই কলো হে আল্লাহৰ ৰছুল! পৰিত্ৰ কোৰাণ শ্বৰীফ আপোনাৰ ওপৰত অৱতীৰ্ণ হৈছে।মই আপোনাক কি পাঠ কৰি শুনাম ? তেখেত (ছাঃ)য়ে কলে, মই আনৰ মুখৰ পৰা কোৰাণ শ্বৰীফ পাঠ কৰা শ্ৰৱণ কৰি বৰ ভাল পাওঁ। তেতিয়া মই হজৰত মহম্মদ (ছাঃ)ক চুৰা আন নিছা পাঠ কৰি শুনাব ধৰিলোঁ। পঢ়োতে পঢ়োতে মই যেতিয়া নিম্ন লিখিত আয়াত পাঠ কৰো,

فَكَيْفَ إِذَا جِئْنَا مِنْ كُلِّ أُمَّةٍ بِشَهِيدٍ
وَجِئْنَا بِكَ عَلَىٰ هَٰؤُلَاءِ شَهِيدًا ﴿٤٢﴾

(4:42)

অৰ্থ ঃ সেই সময়ত সিহঁতৰ কি অৱস্থা হ'ব যেতিয়া আমি প্ৰত্যেক সম্প্ৰদায়ৰ পৰা একোজন সাক্ষী আনিম আৰু সিহঁতৰ সম্বন্ধে তোমাক (হে মহম্মদ) সাক্ষী স্বৰূপে সন্মুখীন কৰিম। (4:42)

তেতিয়া হজৰত মহম্মদ (ছাঃ)য়ে কলে,হ'ব এতিয়া ৰবা। হজৰত আব্দুল্লাহ বিন মাছুদ (ৰাঃ)য়ে কলে মই তেখেত (ছাঃ)ৰ পিনে লক্ষ্য কৰিলোঁ আৰু প্ৰত্যক্ষ কৰিলোঁ যে তেখেত (ছাঃ)ৰ চকু যোৰিৰ পৰা টপ্ টপ্কৈ অশ্ৰু নিৰ্গত হৈছে। (হাদীছ বুখাৰী)

নিয়মিত যথা সময়ত নমাজ পঢ়াৰ প্ৰতি হজৰত মহম্মদ (ছাঃ)ৰ ইমান আগ্ৰহ আছিল যে, কঠিন অসুখৰ অৱস্থাত নিজ গৃহত নমাজ পঢ়াৰ আৰু শুই শুই নমাজ পঢ়াৰ অনুমতি থকা সত্ত্বেও তেখেত (ছাঃ)য়ে আনৰ সহায়ত মছজিদলৈ নমাজ পঢ়িবলৈ গৈছিল। এদিনাখন তেখেত (ছাঃ)য়ে নমাজৰ বাবে মছজিদলৈ যাব নোৱাৰাত হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ক নমাজ পঢ়োৱাৰ আদেশ দি পঠাইছিল। কিন্তু কিছু সময় পিছত শৰীৰটো ভাল লগাত তেখেত (ছাঃ)য়ে তৎক্ষণাত দুজন মানুহৰ কান্ধত ভৰ কৰি মছজিদলৈ যাত্ৰা কৰিছিল।অথচ তেখেত (ছাঃ) ইমান দুৰ্বল হৈ পৰিছিল যে,হজৰত আয়েশা ছিদ্দিকা (ৰাঃ)ৰ মতে তেখেত (ছাঃ)ৰ ভৰি দুখন মাটিত চোঁচৰাই গৈছিল। (হাদীছ বুখাৰী)

পৃথিৱীৰ সকলো ঠাইত শলাগ জনোৱাৰ বাবে আৰু মনোযোগ আকৰ্ষণৰ বাবে হাত চাপৰি বজোৱা হয়। আৰববাসী সকলৰ মাজতো কোনো উৎসৱ উপলক্ষে প্ৰসন্নতা প্ৰকট কৰাৰ বাবে হাত চাপৰি বজোৱা প্ৰথা প্ৰচলিত আছিল। কিন্তু হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত আল্লাহৰ স্মৰণ আৰু তাৰ জিকিৰ ইমান বেছি পছন্দনীয় আছিল যে, তেনে উৎসৱ সমূহত আল্লাহৰ প্ৰশংসা সূচক শব্দ (জিকিৰ ইলাহি) উচ্চাৰণ কৰাৰ আদেশ দিছিল।উদাহৰণ স্বৰূপ হজৰত মহম্মদ (ছাঃ)য়ে এদিন কোনো এটা কামত লিপ্ত আছিল, এনেতে নমাজৰ সময় হৈছিল। তেখেত (ছাঃ)য়ে হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ক নমাজ পঢ়াৰ নিৰ্দেশ দিছিল,ঠিক সেই সময়ত তেখেত (ছাঃ)ৰ কাম সম্পূৰ্ণ হোৱাত লৰালৰিকৈ তেখেত (ছাঃ)য়ে মছজিদলৈ গৈছিল। মছজিদৰ ভিতৰত উপস্থিত থকা লোক সকলে যেতিয়া জানিব পাৰিলে যে,হজৰত মহম্মদ (ছাঃ)য়ে মছজিদত প্ৰৱেশ কৰিছে,তেতিয়া সিহঁতে উল্লাসত হাত চাপৰি দিবলৈ আৰম্ভ কৰে।এই কাৰ্য্য কলাপে এফালে হজৰত মহম্মদ (ছাঃ)ৰ উপস্থিতিত প্ৰসন্নতা প্ৰমাণ হৈছিল আনফালে হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)নমাজৰ নেতৃত্বৰ অৱসান ঘটা প্ৰমাণিত হৈছিল। তেখেত (ৰাঃ)য়ে অৱগত কৰিব বিচাৰিছিল যে,এতিয়া তেখেত (ৰাঃ)য়ে ইমামতি এৰি দিব লাগিব। কাৰণ হজৰত মহম্মদ (ছাঃ)স্বয়ং আহি উপস্থিত হৈছে। সেই বাবে হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)য়ে আঁতৰি আহি হজৰত মহম্মদ (ছাঃ)ক ইমামতিৰ স্থান এৰি দিলে। নমাজ সমাপ্ত কৰি হজৰত মহম্মদ (ছাঃ)য়ে হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ক কলে, আবু বক্কৰ! মই তোমাক নমাজ পঢ়োৱাৰ আদেশ দিছিলোঁ কিন্তু তুমি কিয় ইমামতিৰ স্থান ত্যাগ কৰি পিছলৈ আঁতৰি আহিছিলা ? উত্তৰত হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)য়ে কলে, হে আল্লাহৰ ৰছুল! আল্লাহৰ অৱতাৰৰ উপস্থিতিত আবু কাহাফৰ পুত্ৰ অৰ্থাৎ হজৰত আবু বক্কৰ ছিদ্দিকৰ নমাজ পঢ়োৱাৰ অধিকাৰ আছেনে ? তাৰ পিছত হজৰত মহম্মদ (ছাঃ)য়ে চাহাবা (ৰাঃ) সকলৰ পিনে লক্ষ্য কৰি সুধিলে,তোমালোকৰ হাত

চাপৰি বজোৱাৰ অভিপ্ৰায় কি আছিল? য'ত আল্লাহৰ নাম লোৱা উচিত সেই ঠাইত তোমালোকৰ হাত চাপৰি দিয়া অনুচিত। নমাজৰ সময়ত যদি এনেকুৱা কোনো অৱস্থাৰ সৃষ্টি হয় যে, মনোযোগ আকৰ্ষণ কৰাৰ প্ৰয়োজন,তেনেহলে হাত চাপৰি বজোৱাৰ সলনি উচ্চ স্বৰে আল্লাহৰ নাম লোৱা উচিত। এনে কৰিলে নিশ্চয় আনৰ দৃষ্টি আপোনা আপুনি সেই পিনে আকৃষ্ট হ'ব। (হাদিছ বুখাৰি))

কিন্তু হজৰত মহম্মদ (ছাঃ)য়ে অতি কষ্টৰ সৈতে আল্লাহৰ উপাসনা কৰাক পছন্দ কৰা নাছিল। এদিনাখন কোনো কাৰণত তেখেত (ছাঃ) য়ে ঘৰৰ ভিতৰত গৈ দেখিছিল যে, দুখন খুঁটিৰ মাজত এখন ৰচী ওলমি আছে। ইয়াক দেখি তেখেত (ছাঃ)য়ে সুধিলে,এই ৰচীখন ইয়াত কিয় ওলমি ৰখা হৈছে? কোনো কোনোৱে কৈছিল যে, এই ৰচীখন হজৰত জয়নব (ৰাঃ)ৰ। যেতিয়াই তাই (ৰাঃ)য়ে নমাজত অধিক সময় থিয় হৈ থাকে তেতিয়া ক্লান্তি বোধ কৰে। সেই বাবে তাই (ৰাঃ) য়ে এই ৰচীৰ সহায় গ্ৰহণ কৰে। এই কথা শুনি হজৰত মহম্মদ (ছাঃ)য়ে কলে, এনে কৰা অনুচিত। ৰচীখন খুলি পেলোৱা। নমাজত তেতিযালৈকে থিয় হৈ থাকা উচিত যেতিয়ালৈকে হৃদয় স্বাভাৱিক আৰু প্ৰফুল্ল থাকে। যেতিয়া ক্লান্তি বোধ হয়; তেতিয়া বহা উচিত। এই ধৰণৰ কষ্টদায়ক উপাসনাত কোনো লাভ নাই।( হাদিছ বুখাৰী)

সকলোৰে মূল হ'ল বিশ্ব ব্ৰহ্মাণ্ডৰ সৃষ্টি কৰ্তা এক আল্লাহ। আল্লাহৰ অস্তিত্বৰ বাহিৰে তাৰ গুণাৱলীৰ সদৃশ আন কোনো বস্তুৰ অথবা ব্যক্তিক মান্য কৰা হজৰত মহম্মদ (ছাঃ)য়ে বৰকৈ ঘৃণা কৰিছিল। যেতিয়া হজৰত মহম্মদ (ছাঃ)ৰ মৃত্যুৰ সময় নিচেই ওচৰ চাপি আহিছিল আৰু মৃত্যুৰ যন্ত্ৰণাত ইফাল সিফাল হৈ আছিল তেতিয়া কৈছিল,লাঞ্চিত সেই সকল ইহুদী আৰু খ্ৰীষ্টান জাতিৰ যিসকলে নিজ নিজ অৱতাৰ সকলৰ কবৰত উপাসনালয় তৈয়াৰ কৰে। (বুখাৰী কিতাবুল জানাইজ বাব মা জাআ ফি কবৰে নবী (ছাঃ))

কবৰৰ ওপৰত সাষ্টাঙ্গে প্ৰণিপাত কৰে আৰু প্ৰাৰ্থনা কৰে। তেখেত (ছাঃ)ৰ উদ্দেশ্য এয়াই আছিল যে,যদি তেখেত (ছাঃ)ৰ মৃত্যুৰ পিছত মুছলমান সকলে উক্ত কু-সংস্কাৰ আৰু কু-প্ৰথা সমূহ পালন কৰাত অভ্যস্ত হয়। তেনেহলে স্মৰণ ৰখা উচিত যে,তেওঁলোকে হজৰত মহম্মদ (ছাঃ)ৰ দোৱাৰ পাত্ৰ নহ'ব আৰু তেখেত (ছাঃ)ৰ সৈতে তেওঁলোকৰ কোনো সম্পৰ্ক নাথাকিব বৰং তেখেত (ছাঃ) বৰকৈ অসুন্তুষ্ট হ'ব। আল্লাহৰ প্ৰতি তেখেত (ছাঃ)ৰ অপৰিসীম প্ৰেমৰ ইতিপূৰ্বে তেখেত (ছাঃ)ৰ জীৱনীত বৰ্ণনা কৰা হৈছে। হজৰত মহম্মদ (ছাঃ)য়ে যাতে মূৰ্তি পূজাৰ বিৰুদ্ধে একো নকয় তাৰ বাবে

মক্কাবাসী সকলে তেখেত (ছাঃ)ক বিভিন্ন ধৰণৰ প্ৰলোভন দিবলৈ চেষ্টা কৰিছিল।আনকি তেখেত (ছাঃ)ৰ খুৰা আবু তালিবেও তেখেত (ছাঃ)ক কৈছিল, তুমি যদি মূৰ্তি পূজাৰ বিৰুদ্ধাচৰণ ত্যাগ কৰিবলৈ অস্বীকাৰ কৰা আৰু মই যদি আপোনাক ত্যাগ নকৰোঁ,তেনেহ'লে মোৰ জাতি বৰ্গই মোক পৰিত্যাগ কৰিবলৈ বাধ্য হ'ব।এই কথাত হজৰত মহম্মদ (ছাঃ)য়ে স্পষ্টকৈ উত্তৰ দিছিল যে হে মোৰ খুৰাদেউ! এওঁলোক যদি সূৰ্য্যটোক মোৰ সোঁফালে আৰু চন্দ্ৰটোক মোৰ বাওঁফালে আনি দিয়ে তথাপিও মই আল্লাহৰ একত্ববাদৰ প্ৰচাৰৰ পৰা বিৰত নহম। ঠিক সেইদৰে আন এদিনাখনৰ কথা, উহুদৰ যুদ্ধৰ সময়ত যেতিয়া মুছলমান সকলে আহত আৰু বিপৰ্যস্ত অৱস্থাত পাহাৰৰ তলত পুনৰ সমৱেত হৈছিল তেতিয়া শত্ৰু সকলে আনন্দৰে অস্ত্ৰ-শস্ত্ৰৰে সজ্জিত হৈ জয় ধ্বনিৰ শ্লোগান দিবলৈ ধৰিছিল যে,আমি মুছলিম সৈন্য বাহিনীক ছেদেলী-ভেদেলী কৰি সিহঁতৰ শক্তি চুৰ্ণ-বিচুৰ্ণ কৰিব পাৰিছোঁ।আনকি তেওঁলোকৰ সেনাপতি আবু ছুফিয়ানো উচ্চ স্বৰে শ্লোগান দিছিল, اُعْلُ هُبَل-اُعْلُ هُبَل

জয় হুবুলৰ জয়,জয় হুবুলৰ জয়, এই জয়ধ্বনি শুনাৰ লগে লগে হজৰত মহম্মদ (ছাঃ)য়ে ইমান পৰ শত্ৰু সকলৰ অগোচৰ থকা চাহাবা (ৰাঃ)সকলক সেই হুবুলৰ জয় ধ্বনিৰ প্ৰতিউত্তৰ দিবলৈ আদেশ দিছিল; তেখেত (ছাঃ)য়ে কয়,

اَللّٰهُ اَعْلٰى وَاَجَلُّ   اَللّٰهُ اَعْلٰى وَاَجَل

অৰ্থাৎ আল্লাহ আটাইতকৈ মহান শক্তিশালী,প্ৰতাপশীল আৰু বিজয়ৰ অধিকাৰী শ্লোগান দিবলৈ চাহাবা (ৰাঃ)সকলক কৈছিল।(হাদীছ বুখাৰী)

হজৰত মহম্মদ (ছাঃ)ৰ আল্লাহৰ প্ৰতি যে অসীম প্ৰেম আছিল,তাৰ প্ৰমাণ তেখেত (ছাঃ)ৰ জীৱনীৰ আন এক গৌৰৱ উজ্জ্বল দৃষ্টান্তৰ পৰা উল্লেখ কৰিব পাৰো। ইছলাম ধৰ্মৰ আবিৰ্ভাৱৰ পূৰ্বে সাধাৰণতে বিভিন্ন ধৰ্মৰ মাজত এই অন্ধ বিশ্বাস প্ৰচলিত আছিল যে,নবী বা অৱতাৰ সকলৰ সুখ দুঃখৰ প্ৰতিচ্ছবি হিচাপে আকাশ আৰু পৃথিৱী অস্বাভাৱিক পৰিৱৰ্তন সমূহ সংগঠিত হয়।আনকি আকাশৰ গ্ৰহ নক্ষত্ৰ সমূহৰ নিয়ন্ত্ৰনো সিহঁতৰ অধীনত। কাৰণ বিশ্ব ব্ৰহ্মাণ্ডৰ প্ৰতিটো ক্ৰিয়া কলাপত সিহঁতৰ প্ৰভাৱ আছে। লোকৰ বিশ্বাস মতে এজন নবী সম্পৰ্কে এনে কথা কোৱা হৈছিল যে,তেওঁ সূৰ্য্যক একে স্থানত স্থিৰ থাকিবলৈ আদেশ দিছিল আৰু সূৰ্য্যটো বোলে স্থিৰ হৈ গৈছিল। আন এজন অৱতাৰ বা ঋষি সম্পৰ্কে কোৱা হৈছিল যে, তেওঁ চন্দ্ৰৰ গতি ৰোধ কৰিছিল। আৰু এজন অৱতাৰে বোলে পানীৰ স্ৰোত স্থিৰ কৰিছিল। কিন্তু ইছলামে এই ধৰণৰ ধ্যান ধাৰণাক ভ্ৰম প্ৰকাশ কৰি দিছিল। ইছলামে কৈছিল, এই সমূহ উক্তি প্ৰকৃততে একোটা ৰূপক বৰ্ণনা আছিল। এই সমূহ উক্তিৰ দ্বাৰা

মানুহ সাধাৰণতে লাভবান নহে কল্পনা আৰু বিভ্ৰান্তিত পৰিছিল। তথাপি এই কু-সংস্কাৰ আৰু ভ্ৰান্ত বিশ্বাস সমূহ খণ্ডন কৰা সত্ত্বেও কোনো কোনো মানুহৰ হৃদয়ত তেনে ধাৰণাৰ প্ৰভাৱ থাকিয়েই গৈছিল। আজিলৈকে কিছু সংখ্যক মানুহৰ মনৰ পৰা তেনেকুৱা অন্ধ বিশ্বাস আৰু কু-সংস্কাৰ আঁতৰ হোৱা নাই।

ঘটনা ক্ৰমে হজৰত মহম্মদ (ছাঃ)ৰ শেষ বয়সৰ এক মাত্ৰ পুত্ৰ সন্তান চাহেব জাদা ইব্ৰাহিমৰ যেতিয়া মৃত্যু হৈছিল; সেই সময়ত সূৰ্য্য গ্ৰহণ লাগিছিল। সেই দিনা মদিনাৰ কিছু সংখ্যক লোকৰ প্ৰচাৰ আৰম্ভ কৰিছিল যে, চোৱা ! হজৰত ৰছুল কৰিম (ছাঃ)ৰ পুত্ৰৰ মৃত্যুত সূৰ্য্য অন্ধকাৰ হৈ গৈছে। এই কথা শ্ৰৱণ কৰি হজৰত মহম্মদ (ছাঃ)য়ে বৰকৈ অসন্তুষ্টি প্ৰকাশ কৰিছিল। কিন্তু তেখেত (ছাঃ)য়ে নিৰৱে থকা নাছিল। বৰং তেখেত (ছাঃ)য়ে সেই কথা কঠোৰ ভাবে প্ৰত্যাখ্যান কৰিছিল। তেখেত (ছাঃ)য়ে কৈছিল, চন্দ্ৰ আৰু সূৰ্য্য কেৱল খোদা তায়লাৰ নিৰ্ধাৰিত নিয়মাৱলীৰ প্ৰকাশকাৰী আৰু অনুসৰণকাৰীৰ অস্তিত্ব। মানুহ সৰুৱেই হওঁক অথবা ডাঙৰেই হওঁক, সিহঁতৰ মৃত্যুৰ সৈতে চন্দ্ৰ, সূৰ্য্যৰ কি সম্পৰ্ক আছে ? (হাদীছ: বুখাৰী)

যদি কোনো ব্যক্তিয়ে আৰবৰ প্ৰচলিত প্ৰথা অনুসৰি কৈছিল যে, অমুক নক্ষত্ৰ আকাশৰ অমুক স্থানত অহাৰ বাবে বৰষুণ হ'ল, তেতিয়া হজৰত মহম্মদ (ছাঃ)ৰ মূখাকৃতিৰ পৰিৱৰ্তন দেখা দিছিল আৰু তেখেত (ছাঃ) য়ে কৈছিল, হে আৰবৰ লোক সকল ! আল্লাহৰ নিয়ামত সমূহক তোমালোকে কিয় আন বস্তুৰ প্ৰতি অৰোপ কৰিছা ? মেঘ, বৰষুণ এই সকলো কোনো দেৱতা বা আধ্যাত্মিক শক্তিৰ কৃপাত নাইবা সিহঁতৰ কোনো পুৰস্কাৰ দানৰ বাবে অৱতীৰ্ণ নহয় (হাদীছ: মুছলিম)

## খোদা তায়লাৰ প্ৰতি আস্থা (বিশ্বাস) আৰু ভৰসা (নিৰ্ভৰ)

হজৰত মহম্মদ (ছাঃ)ৰ জীৱন আলোক পাত কৰি আমি লক্ষ্য কৰিলোঁ যে, তেখেত (ছাঃ)য়ে পাৰ্থিৱ জগতৰ প্ৰতিটো ঘটনাৰ সৈতে মহান সৃষ্টি কৰ্তা আল্লাহকেই প্ৰধান হিচাপে দৃঢ়ভাবে জানিছিল আৰু সকলো কাৰ্য্যৰ মূলতে আল্লাহক দেখিছিল।

**আল্লাহৰ প্ৰতি আস্থা (বিশ্বাস)** ঃ পৰম কৰুণাময় আৰু মহান সৃষ্টি কৰ্তা আল্লাহৰ প্ৰতি হজৰত মহম্মদ (ছাঃ)ৰ ইমান দৃঢ় বিশ্বাস আছিল যে, এসময়ত এজন শত্ৰুৱে তেখেত (ছাঃ)ক অকলশৰে আৰু অৰক্ষিত অৱস্থাত পাই তৰোৱাল দাঙি ধৰি কৈছিল, এতিয়া তোমাক ৰক্ষা কৰাৰ বাবে কোন আছে সোনকালে কোৱা ? সেই সময়ত তেখেত (ছাঃ)য়ে

নিৰস্ত্ৰ অৱস্থাত শুই থকা বাবে প্ৰতিৰুধৰ কোনো উপায় বিচাৰি পোৱা নাছিল। তেতিয়া আল্লাহৰ প্ৰিয় হাবিব হজৰত মহম্মদ (ছাঃ)য়ে অতি গভীৰ আৰু দৃঢ়ভাবে উত্তৰ দিছিল, আল্লাহ; এই শব্দত ইমান বেছি বিশ্বাস আৰু আন্তৰিকতা পূৰ্ণ আছিল যে, সেই শত্ৰুজনৰ হৃদয়ক প্ৰভাৱিত কৰিছিল। তেওঁ হতাশগ্ৰস্ত হৈ পৰিছিল। তেওঁৰ হাতৰ উন্মুক্ত তৰোৱাল মাটিত খহি পৰিছিল। তেতিয়া তেওঁ অনুতপ্ত হৈ অপৰাধী ৰূপে হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত দয়া প্ৰাৰ্থীৰ ন্যায় থিয় হৈ থাকিছিল।

**আল্লাহৰ প্ৰতি ভৰসা বা নিৰ্ভৰশীল** ঃ হজৰত মহম্মদ (ছাঃ)ৰ আল্লাহৰ ওচৰত বিনয় আৰু দীনতা ইমান প্ৰকট আছিল যে, এসময়ত কোনো এজন লোকে তেখে (ছাঃ)ক প্ৰশ্ন কৰিছিল, হে আল্লাহৰ ৰছুল ! আপুনি নিশ্চয় আপোনাৰ (আমল) পুণ্য কৰ্মৰ দ্বাৰা আল্লাহৰ ফজল, অনুগ্ৰহ আৰু কৃপা লাভ কৰি মুক্তি প্ৰাপ্ত হ'ব। কিন্তু যি সকলে আপোনাৰ দৰে পুণ্য কৰ্ম অৰ্জনকাৰী নহয়, তেওঁলোকৰ অৱস্থা কি হ'ব? উত্তৰত হজৰত মহম্মদ (ছাঃ)য়ে কৈছিল, নহয়,মই যেনেকৈ আল্লাহৰ অনুগ্ৰহৰ কল্যাণত মুক্তি লাভ কৰিম, তেনেকৈ তোমালোকেও নাজাত বা মুক্তি লাভ কৰিবা। এই প্ৰসঙ্গত হজৰত আবু হুৰাইৰা (ৰাঃ)য়ে বৰ্ণনা কৰি কৈছিল, এদিনাখন মই হজৰত ৰছুল কৰিম (ছাঃ)ক কোৱা শুনিছিলোঁ যে, কোনো ব্যক্তিয়েই নিজৰ আমল অৰ্থাৎ সৎ কৰ্মৰ দ্বাৰা জান্নাতত প্ৰৱেশ কৰিব নোৱাৰিব অৰ্থাৎ মুক্তি লাভ কৰিব নোৱাৰিব। তেতিয়া মই তেখেত (ছাঃ)ক প্ৰশ্ন কৰিছিলোঁ, হে আল্লাহৰ ৰছুল ! আপুনিও নিজ কৰ্মৰ ফলত জান্নাতত প্ৰৱেশ কৰিব নোৱাৰিব নে? হজৰত মহম্মদ (ছাঃ)য়ে কৈছিল, নহয়, মই কেতিয়াও নিজৰ আমলৰ জোৰে জান্নাত (স্বৰ্গ)ত প্ৰৱেশ কৰিব নোৱাৰিম। কিন্তু আল্লাহৰ ৰহমত আৰু কৃপায় যদি মোক উদ্ধাৰ কৰে, তেনেহলে এটি উপায় হ'ব পাৰে। (হাদীছ: বুখাৰী)

হজৰত মহম্মদ (ছাঃ)য়ে কৈছিল, নিজ কৰ্মত পুণ্য অৱলম্বন কৰিবা আৰু আল্লাহৰ নৈকট্যৰ পথ অনুসৰণ কৰিবা। তোমালোকৰ মাজৰ কোনেও যেন মৃত্যুৰ কামনা নকৰে। কাৰণ সি যদি সৎ ব্যক্তি হয়; তেন্তে জীৱিত থাকিলে আৰু অধিক সৎকৰ্ম কৰিব পাৰিব। আনহাতে যদি সি অসৎ হয়; তেন্তে জীৱিত থাকিলে তেওঁৰ পাপ কৰ্মৰ বাবে অধিক (তৌবা) অনুপাত কৰাৰ সুযোগ তেওঁ পাব। (হাদীছ: বুখাৰী)

হজৰত মহম্মদ (ছাঃ)ৰ আল্লাহৰ প্ৰতি প্ৰেম ইমান গভীৰ আছিল যে সকলো সময়ত আল্লাহৰ প্ৰতি শ্ৰদ্ধা আৰু আত্ম বিশ্বাসেৰে পৰিপূৰ্ণ হৈ থাকিছিল। এসময়ত বহুদিন খৰাং

বতৰৰ পিছত যেতিয়া প্ৰথম টোপাল বৰষুণ পৃথিৱীলৈ নামিছিল; তেতিয়া তেখেত (ছাঃ) য়ে, নিজৰ জিভাখন উলিয়াই বৰষুণৰ টোপাল লৈছিল আৰু কৈছিল, চোৱা ! মোৰ প্ৰতিপালকৰ নতুন অনুগ্ৰহ আৰু আৰ্শীবাদ। তেখেত (ছাঃ)য়ে যেতিয়া কোনো মজলিচ অথবা সভা-সমিতিত বহিছিল, তেতিয়া ইস্তেগফাৰ (ক্ষমা প্ৰাৰ্থনা) কৰিছিল। আচলতে তেখেত(ছাঃ) সকলো সময়ত ইস্তেগফাৰ পাঠ কৰিছিল। সভাতে থকা কালীন তেখেত (ছাঃ)য়ে আল্লাহৰ স্মৰণ কৰিছিল আৰু আৰ্শীবাদৰ সৈতে ক্ষমা প্ৰাৰ্থনাও কৰিছিল। যাতে তেখেত (ছাঃ)ৰ সৈতে সম্পৰ্কশীল সকলোৰে আৰু নিজৰ উম্মত (অনুসাৰী) সকল আল্লাহৰ প্ৰকোপ (গজব)ৰ ৰক্ষা পায় আৰু তেওঁৰ ক্ষমাৰ বা কৃপাৰ অধিকাৰী হয়। (হাদীছ: মুছলিম আৰু বুখাৰী)

হজৰত মহম্মদ (ছাঃ)য়ে সদায় খোদা তায়লাৰ সম্মুখত উপস্থিত থকাৰ কথা স্মৰণ ৰাখিছিল। আনকি যেতিয়া তেখেত (ছাঃ)য়ে শুবলৈ গৈছিল, তেতিয়াও নিম্ন উল্লেখিত প্ৰাৰ্থনা পাঠ কৰিছিল; بِاسْمِكَ اَللّٰهُمَّ اَمُوْتُ وَاَحْیٰ

হে মোৰ প্ৰভু ? তোমাৰ নাম লৈয়েই নিদ্ৰা মগ্ন হওঁ আৰু তোমাৰ নাম তপ্-জপ্ কৰিয়েই নিদ্ৰাছন্ন কালৰ পৰা সাৰ পাই উঠো আৰু শুৱা বিছনা ত্যাগ কৰোঁ। আকৌ বিছনাৰ পৰা উঠিয়েই প্ৰাতঃ প্ৰাৰ্থনা কৰিছিল, اَلْحَمْدُ لِلّٰهِ الَّذِیْ اَحْیَانَا بَعْدَ مَا اَمَاتَنَا وَاِلَیْهِ النُّشُوْرُ

সকলো প্ৰশংসা আল্লাহৰ বাবে, যিয়ে আমাক মৃত্যুৰ পৰা জীৱিত কৰে অথবা নিদ্ৰাছন্নৰ পৰা জাগৰিত কৰে আৰু পুনৰ আমি সকলোৰেই এদিন আল্লাহৰ সন্মুখত হাজিৰ হ'ব লাগিব অৰ্থাৎ আমি নিশ্চয় প্ৰত্যাৱৰ্তনকাৰী। (হাদীছ: বুখাৰী)

হজৰত মহম্মদ (ছাঃ)ৰ খোদা প্ৰাপ্তিৰ হেঁপাহ ইমান প্ৰবল আছিল যে, তেখেত (ছাঃ)য়ে সদায় এই প্ৰাৰ্থনা কৰিছে,

اَللّٰهُمَّ اجْعَلْ فِیْ قَلْبِیْ نُوْرًا وَّ فِیْ بَصَرِیْ نُوْرًا وَّ فِیْ سَمْعِیْ نُوْرًا وَّعَنْ یَمِیْنِیْ نُوْرًا
وَّعَنْ یَسَارِیْ نُوْرًا وَّفَوْقِیْ نُوْرًا وَّتَحْتِیْ نُوْرًا وَّ اَمَامِیْ نُوْرًا وَّخَلْفِیْ نُوْرًا وَّاجْعَلْ لِّیْ نُوْرًا

হে মোৰ প্ৰভু ! তুমি মোৰ হৃদয়ক তোমাৰ (নুৰ) জ্যোতিৰে পূৰ্ণ কৰি দিয়া। মোৰ চকু যোৰিত তোমাৰ জ্যেতিৰে আলোকময় কৰি তোলা। মোৰ কৰ্ণদ্বয়ো তোমাৰ পোহৰে ভৰপুৰ কৰি দিয়া। মোৰ উৰ্দ্ধ আৰু নিম্ন সোঁৰে আৰু বাওঁৰে সন্মুখে আৰু পিছফালে

আদি সকলোতে তোমাৰ জ্যেতিৰে জ্যোতিৰময় কৰি তোলা। হে মোৰ আল্লাহ্ ! মোৰ শৰীৰৰ কোনো অংগ-প্ৰতংগ তোমাৰ পোহৰৰ দ্বাৰা আলোকিত কৰি দিয়া। (হাদীছ বুখাৰী)

ইয়াতকৈ পৰম প্ৰাৰ্থনা আৰু কি হ'ব পাৰে? হজৰত ইবনে আববাছ (ৰাঃ) ৰ বৰ্ণনা অনুসৰি হজৰত মহম্মদ (ছাঃ) মৃত্যুৰ কিছু দিন পূৰ্বে মুছাইলিমা নামৰ এজন (কাজ্জাব) মিছলীয়া নবীৰ দাবী কৰিছিল মদিনাত আহি। মুছালিমা কাজ্জাবে কৈছিল,যদি হজৰত মহম্মদ (ছাঃ)য়ে তেখেতৰ মৃত্যুৰ পিছত মোক শাসনকৰ্তা নিয়োগ কৰি যায় তেনেহলে মই তেখেত (ছাঃ)ৰ আনুগত্য স্বীকাৰ কৰি লম। সেই সময়ত মুছাইলিমাৰ লগত তেওঁৰ অনুচৰ বৰ্গৰ এটি দল উপস্থিত আছিল। যি গোত্ৰৰ সৈতে তেওঁৰ সম্পৰ্ক আছিল। সেই গোত্ৰটো সমগ্ৰ আৰব গোত্ৰৰ মাজত সংখ্যা গৰিষ্ঠ সৰ্ব বৃহৎ দল আছিল। হজৰত মহম্মদ (ছাঃ) উক্ত ব্যক্তিৰ মদিনা আগমনৰ সংবাদ পাই তেওঁৰ ওচৰলৈ গৈছিল। তেতিয়া ছাবিত বিন কাইচ বিন ছামচ তেখেত (ছাঃ)ৰ লগত আছিল। হজৰত ৰছুল কৰিম (ছাঃ)ৰ হাতত এটা খেজুৰৰ ডাল আছিল। তেখেত (ছাঃ)য়ে সেই দলটোৰ ওচৰলৈ গৈছিল আৰু মুছাইলিমাৰ সন্মুখত থিয় হৈছিল। এই পৰিস্থিতিত অন্যান্য চাহাবা (ৰাঃ) সকলেও তাত আহি উপস্থিত হৈছিল। হজৰত ৰছুলে কৰিম (ছাঃ)সম্বোধন কৰি কৈছিল, মই শুনিছোঁ যে তুমি কৈছা, যদি মই তোমাক মোৰ উত্তৰাধিকাৰী (খলিফা) নিযুক্ত কৰো তেন্তে তুমি মোৰ অনুসৰণকাৰী হ'বলৈ প্ৰস্তুত। মই আল্লাহৰ আদেশ অবিহনে তোমাক খেজুৰৰ শুকান ডালৰ এটি অংশ দিবলৈ প্ৰস্তুত নহও। তোমাৰ পৰিণতি সেয়াই হ'ব যাক আল্লাহ্ পাক তোমাৰ বাবে নিশ্চিত কৰি ৰাখিছে। যদি তুমি অবজ্ঞা কৰি উভতি যোৱা তেন্তে নিশ্চয় আল্লাহ তোমাৰ সৰ্বনাশ কৰিব। মই স্পষ্ট দেখিবলৈ পাইছোঁ যে, আল্লাহ্ পাক তোমাৰ সম্পৰ্কে মোক যি অৱগত কৰিছে, সেয়া এতিয়া নিশ্চয় তোমাৰ ওপৰত সংগঠিত হ'ব। আকৌ তেখেত (ছাঃ)য়ে কলে, এতিয়া মই আহো। যদি তোমাৰ কোনো কথা ক'বলৈ আছে তেন্তে মোৰ প্ৰতিনিধি ছাবিত বিন কাইচ বিন ছামচক ক'ব পাৰা। এই কথা কৈ তেখেত (ছাঃ)তাৰ পৰা উভতি আহে। বাটত এজন ব্যক্তিয়ে হজৰত ৰছুলে কৰিম (ছাঃ)ক সুধিছিল, হে আল্লাহৰ ৰছুল ! আপুনি এয়া কি কলে? আল্লাহ মোক তোমাৰ সম্পৰ্কে যি অৱগত কৰিছে, সেয়াই নিশ্চয় তোমাৰ ওপৰত সংগঠিত হ'ব। ইয়াৰ অৰ্থ কি ? তেতিয়া হজৰত মহম্মদ (ছাঃ)য়ে কৈছিল, মই সপোনত দেখিছিলোঁ যে, মোৰ হাতত দুটি সোণৰ খাৰু আছে। ঠিক সেই সময়তেই মহান আল্লাহ ঐশী বাণীৰ মাধ্যমত সপোনোতেই মোক জনাইছিল। যাতে মই উক্ত সোণৰ খাৰু দুটিৰ

ওপৰত ফুঁ দিওঁ মই ফুঁ দিয়াৰ লগে লগে খাৰু দুডাল অদৃশ্য হৈছিল। মই ইয়াৰ অৰ্থ উপলব্ধি কৰিব পাৰিছোঁ যে,মোৰ বৰ্তমানত দুজন মিছা (নবীৰ) দাবী কাৰক আহিব। (হাদীছ বুখাৰী) সঁচাকৈয়ে হজৰত মহম্মদ (ছাঃ)ৰ অন্তিম দিনবোৰত উক্ত ঘটনা ঘটিছিল আৰু তেখেত (ছাঃ)ৰ কথা আখৰে আখৰে পূৰ্ণ হৈছিল।

আৰবৰ আটাইতকৈ বৃহৎ আৰু প্ৰভাৱশালী সম্প্ৰদায় ইছলাম ধৰ্ম গ্ৰহণ কৰাৰ বাবে প্ৰস্তুত হৈছিল। কিন্তু তেওঁলোকৰ চৰ্ত আছিল যে, হজৰত মহম্মদ (ছাঃ)ৰ অনুপস্থিতিত কেৱল তেওঁলোকৰ চৰ্দাৰক খলিফা (উত্তৰাধিকাৰী) নিযুক্ত কৰিব লাগিব। হজৰত মহম্মদ (ছাঃ)ৰ যদি সংখ্যা গৰিষ্ঠৰ প্ৰতি গুৰুত্ব আৰু ব্যক্তিগত শ্ৰেষ্ঠত্বৰ প্ৰতি হৃদয়ত কোনো ধাৰণা পোষণ কৰিলেহেঁতেন, তেন্তে এই সুযোগত যেতিয়া তেখেত (ছাঃ)ৰ কোনো পুত্ৰ সন্তানেই জীৱিত নাছিল। তেতিয়া সেই চৰ্ত মানি লোৱাৰ কোনো অসুবিধাই নাছিল। আনহাতে যদি তেখেত (ছাঃ)য়ে আৰবৰ আটাইতকৈ বৃহৎ আৰু প্ৰভাৱশালী সম্প্ৰদায়ৰ শ্ৰেষ্ঠ ব্যক্তিক নিজৰ উত্তৰাধিকৰী নিযুক্ত দিলেহেঁতেন, তেন্তে সমগ্ৰ আৰবত ইছলামী সংগঠনৰ বাট মুকলি হ'লহেঁতেন। কিন্তু হজৰত মহম্মদ (ছাঃ)য়ে লঘু গুৰু কোনো বস্তুকেই নিজৰ আজ্ঞাধীন বুলি ভাবা নাছিল। তেনেহলে তেখেত (ছাঃ)য়ে ইছলামী প্ৰশাসনক নিজৰ ৰাজত্ব বুলি কেনেকৈ ভাবিব পাৰে ? তেখেত (ছাঃ)ৰ ওচৰত ইছলামী প্ৰশাসন অৰ্থাৎ উত্তৰাধিকৰী সত্ত্ব আল্লাহৰ আমানত আছিল। আৰু সেই আমানতক হুবহু অৱস্থাত আল্লাহৰ ওচৰত উৎসৰ্গা কৰাটোৱেই তেখেত (ছাঃ)ৰ এক মাত্ৰ কৰ্ত্তব্য আছিল। আল্লাহ সেই আমানত যাকে ইচ্ছা তাৰ হাতত তুলি দিব পাৰে। এয়াই তেখেত (ছাঃ)ৰ একমাত্ৰ বিশ্বাস আছিল। সেই কাৰণে তেখেত (ছাঃ)য়ে মুছলিমাৰ উক্ত প্ৰস্তাৱ ঘৃণাৰ সৈতে প্ৰত্যাখ্যান কৰিছিল। তেখেত (ছাঃ)য়ে কৈছিল যে, উত্তৰাধিকাৰী কৰাতো দূৰৰ কথা আল্লাহৰ আদেশ নোহোৱাকৈ মই এই শুকান খেজুৰৰ এটা ডালো তোমাক দিবলৈ প্ৰস্তুত নহয়।

হজৰত মহম্মদ (ছাঃ)য়ে যেতিয়া আল্লাহ তায়লাৰ নাম লৈছিল, তেতিয়া তেখেত (ছাঃ)য়ে আবেগত আপ্লুত হৈ উঠিছিল। ধাৰণা হৈছিল যে, তেখেত (ছাঃ)ৰ দেহৰ বাহিৰ আৰু ভিতৰৰ সকলো অস্তিত্ব সম্পূৰ্ণ ৰূপে প্ৰেমত ওতপ্ৰোত সম্পৰ্কযুক্ত। আল্লাহৰ এবাদত কৰাৰ ক্ষেত্ৰত তেখেত (ছাঃ)য়ে সৰলতাক অধিক পছন্দ কৰিছিল। মছজিদৰ মজিয়া পকা নথকা, কোনো বিছনা নথকা অৱস্থাত নমাজ পঢ়িবলৈ তেখেত (ছাঃ)য়ে কোনো অসুবিধা বোধ কৰা নাছিল। আনকি আনকো সেই অৱস্থাত নমাজ পঢ়িবলৈ আদেশ দিছিল। কেইবাবাৰ এনেকুৱাও হৈছিল যে,বৰষুণৰ বাবে ঘৰৰ ছাতৰ পৰা পানী

নিগি পৰি তেখেত (ছাঃ)ৰ গোটেই শৰীৰ আৰু পৰিধান বস্ত্ৰ তিতি গৈছিল। তথাপি তেখেত (ছাঃ)য়ে এবাদতত মগ্ন থাকিছিল। আৰু মনত সামান্যও চিন্তাৰ উদ্ৰেক হোৱা নাছিল। তেখেত (ছাঃ)য়ে নিজৰ শৰীৰ, কাপোৰ বচোৱাৰ বাবে সেই সময়ত নমাজ পৰিহাৰ কৰি অথবা সাময়িক ভাবে স্থগিত ৰাখি আন ঠাইত বা অন্য সময়ত নমাজ পঢ়া নাছিল। (হাদীছ বুখাৰী)

হজৰত মহম্মদ (ছাঃ)য়ে চাহাবা (ৰাঃ) সকলৰ উপাসনাৰ প্ৰতিও বিশেষ লক্ষ্য ৰাখিছিল। হজৰত আব্দুল্লাহ বিন ওমৰ এজন অতি পৱিত্ৰ আৰু সৎ স্বভাৱ বিশিষ্ট ধাৰ্মিক লোক আছিল। হজৰত মহম্মদ (ছাঃ)য়ে তেওঁৰ বিষয়ে কৈছিল, হজৰত আব্দুল্লাহ বিন ওমৰ কিমান যে উন্নত আৰু পৱিত্ৰ চৰিত্ৰৰ অধিকাৰী মানুহ হ'লহেঁতেন। যদি তেখেত (ৰাঃ) তাহাজ্জুদ অৰ্থাৎ ৰাতিৰ অন্তিম প্ৰহৰৰ নমাজও নিয়মিত পঢ়িলেহেঁতেন। (হাদীছ বুখাৰি, মুছলিম)

হজৰত আব্দুল্লাহ বিন ওমৰ এই কথা শুনি সেই দিনাৰ পৰাই নিয়মিত ভাবে তাহাজ্জুদৰ নমাজ পঢ়া আৰম্ভ কৰিছিল। এনেকৈ এদিনাখন হজৰত মহম্মদ (ছাঃ) য়ে ৰাত্ৰি যোগে নিজৰ জোৱাই হজৰত আলী (ৰাঃ) আৰু স্নেহৰ কন্যা হজৰত ফাতিমা (ৰাঃ)ৰ ঘৰত গৈ প্ৰশ্ন কৰিছিল, তোমালোকে তাহাজ্জুদ নমাজ পঢ়ানে ? হজৰত আলী (ৰাঃ)য়ে উত্তৰ দিছিল, হে আল্লাহৰ ৰছুল! তাহাজ্জুদ নমাজ পঢ়াৰ বাবে নিশ্চয় চেষ্টা কৰো কিন্তু সেই সময়ত টোপোনীৰ পৰা সাৰ নোপোৱা বাবে তাহাজ্জুদ নমাজ পঢ়া নহয়। তেখেত (ছাঃ)য়ে কৈছিল,তাহাজ্জুদৰ নমাজ পঢ়ি থাকিবা। এই কথা কৈ তেখেত (ছাঃ)য়ে তাৰ পৰা উঠি নিজ গৃহৰ পিনে যাত্ৰা কৰিছিল আৰু ৰাস্তাৰে যোৱাৰ সময়ত নিম্নোক্ত শ্লোগানটি আবৃত্তি কৰিব ধৰিছিল।

পৱিত্ৰ কোৰাণ শ্বৰীফৰ উক্ত আয়াতটিৰ অৰ্থ হ'ল বহু সময়ত মানুহে নিজৰ ভুল ত্ৰুটিৰ বাবে বিচলিত হৈ পৰে। ফলত নানা অজুহাত ওজৰ-আপত্তি প্ৰদৰ্শন কৰি নিজৰ অপৰাধ গোপন কৰাৰ চেষ্টা কৰে। এই কথা কোৱাৰ উদ্দেশ্য আছিল যে, হজৰত আলী (ৰাঃ) আৰু মৰমৰ ফাতিমা (ৰাঃ)ৰ স্বীকাৰ কৰা উচিত আছিল যে, কেতিয়াবা কেতিয়াবা সিহঁতৰ নিশ্চয় ভুল হয়। তাকে নকৈ আল্লাহৰ ইচ্ছাত এনে হয় বুলি কৈ আল্লাহৰ ওপৰত দোষাৰোপ কৰা উচিত নহয়। জাক জমককৈ নমাজ পঢ়াও তেখেত (ছাঃ)য়ে অতি বিৰক্তি বোধ কৰিছিল।

কিন্তু আল্লাহ তায়লাৰ প্ৰতি এনেকুৱা শ্ৰদ্ধা ভক্তি আৰু প্ৰেম থকা সত্ত্বেও তেখেত (ছাঃ) য়ে কেতিয়াও মানুহক দেখুওৱা এবাদত নাইবা কষ্টকৰ এবাদতৰ প্ৰতি তীব্ৰ ঘৃণা

কৰিছিল। তেখেত (ছাঃ)ৰ নীতি এয়াই আছিল যে, খোদা তায়লা মানুহৰ মাজত যিসমূহ স্বাভাৱিক শক্তি সৃষ্টি কৰি দিছে, সেইবোৰৰ যথা যথ ব্যৱহাৰেই হ'ল প্ৰকৃত এবাদত। চকু থকা অৱস্থাত তাক বন্ধ কৰি ৰখা নাইবা তাক উঠাই পেলোৱা এবাদত হ'ব নোৱাৰে বৰং ই এক জঘন্য অপৰাধ। কিন্তু চকুৰ অপব্যৱহাৰ নিশ্চয় এক পাপ। সেইদৰে কৰ্ণৰ শ্ৰৱণ শক্তি যদি কোনো অস্ত্ৰোপচাৰৰ মাধ্যমত নষ্ট কৰি দিয়া হয়, তেন্তে সেয়া আল্লাহৰ দৃষ্টিত গুৰুতৰ অপৰাধ হ'ব। অথচ পৰ নিন্দা,পৰ চৰ্চা শ্ৰৱণ কৰা আৰু গোৱা উভয় পাপ।মানুহৰ আহাৰ হ'ল এক মৌলিক প্ৰয়োজন। এই আহাৰ খোৱা পৰিত্যাগ কৰা যেনেকৈ নিজৰ স্বাস্থ্য আৰু শৰীৰৰ প্ৰতি নিৰ্যাতন, তেনেকৈ খোদাৰ ওচৰতো অপৰাধ। কিন্তু অত্যাধিক ভোজন অবৈধ আৰু অবাঞ্চিত খাদ্য খোৱা পাপ।

উল্লেখিত সমগ্ৰ বিষয় একো একোটা অতি মহান শিক্ষা যাক হজৰত মহম্মদ (ছাঃ)য়ে পৃথিৱীৰ বুকুত উপস্থাপন কৰিছিল। তেখেত (ছাঃ)ৰ পূৰ্বে কোনো নবী বা অৱতাৰেই ইয়াক উপস্থাপন কৰা নাছিল। স্বাভাৱিক শক্তি সমূহৰ সঠিক ব্যৱহাৰেই হ'ল সদাচাৰ বা উত্তম চৰিত্ৰ। এই শক্তি সমূহ নষ্ট কৰি পেলোৱা মূৰ্খতাৰ পৰিচয়। আনহাতে এই শক্তি সমূহক অনৈতিক বা অবৈধ কামত ব্যৱহাৰ কৰাৰ নামেই হ'ল অপকৰ্ম বা দুৰাচাৰ। এই শক্তি সমূহৰ যথাৰ্থ ৰূপে ব্যৱহাৰ কৰাকে প্ৰকৃত পুণ্যকৰ্ম বুলি কোৱা হয়। এয়াই আছিল হজৰত মহম্মদ (ছাঃ)ৰ জীৱনাদৰ্শ আৰু তেখেত (ছাঃ)ৰ শিক্ষাৰ মূল ভাৱ।

হজৰত মহম্মদ (ছাঃ)ৰ জীৱন চৰিত্ৰ সম্পৰ্কে সহ ধৰ্মীনি হজৰত আয়েশা ছিদ্দিকা (ৰাঃ)ৰ বৰ্ণনাঃ

مَاخُيِّرَ رَسُوْلُ اللهِ ﷺ بَيْنَ اَمْرَيْنِ اِلَّا اَخَذَ اَيْسَرَ هُمَا مَالَمْ يَكُنْ اِثْمًا فَاِنْ كَان
اِثْمًا كَانَ اَبْعَدَ النَّاسِ مِنْهُ

অৰ্থঃ হজৰত মহম্মদ (ছাঃ)ৰ সমগ্ৰ জীৱনত এই নিয়ম আছিল যে, কোনো দ্বিধাৰ সন্মুখীন হলে তেখেত (ছাঃ)য়ে সেই পথ গ্ৰহণ কৰিছিল, যি সুগম আৰু গ্ৰহণ কৰিলে পাপৰ সম্ভাৱনা নাই। সেয়াই তেখেত (ছাঃ)ৰ পক্ষে শ্ৰেয় আছিল। যদি সেই পথ অৱলম্বনত সামান্য পাপৰ অংশও থকাৰ অৱকাশ থাকিছিল, তেনেহলে তেখেত (ছাঃ)য়ে সেই পথ অৱলম্বনত আটাইতকৈ অধিক ঘৃণা কৰিছিল আৰু সেই পথৰ পৰা সকলো মানুহতকৈ অধিক আঁতৰত থাকিছিল। হজৰত মহম্মদ (ছাঃ)ৰ জীৱন চৰিত্ৰ কিমান উচ্চমানৰ আৰু প্ৰশংসনীয় আছিল। তেখেত (ছাঃ) কিমান মহৎ আৰু উৎকৃষ্ট আদৰ্শৰ পথ প্ৰদৰ্শক আছিল। (হাদীছ মুছলিম)

পৃথিৱীক ফাঁকি দিয়াৰ বাবে মানুহে কিমান যে, অযথা নিজক নিজে দুঃখ কষ্টত পেলায়, দুৰ্ভোগ দুৰ্দশাত পেলায়। ফলত বহু মানুহ নিজক নিজেই এনে দুঃখ কষ্টৰ চিকাৰত পৰিণত হয়। অথচ মানুহে এনে অকাৰণত নিজকে দুঃখ কষ্টত পেলোৱা আল্লাহ কেতিয়াও প্ৰসন্ন নহয়। কাৰণ মানুহৰ এনে কাৰ্য্য আল্লাহৰ নিমিত্তে সংগঠিত নহয়। খোদা তায়লাৰ বাবে অযথা কোনো কাম কল্পনাও কৰা নাযায়। সিহঁতৰ এই দুঃখ কষ্টৰ মাজত পৰা এক মাত্ৰ মানুহক প্ৰতাৰণা কৰাৰ বাবে ৰটি থাকে। সিহঁতৰ প্ৰকৃত পুণ্য যিহেতু অতি কম থাকে সেই হেতুকে সিহঁতে তেনে মিছা পুণ্য কৰ্মৰ দ্বাৰা মানুহক প্ৰভাৱিত কৰিব বিচাৰে। আনকি নিজৰ দোষ ত্ৰুটি ঢাকি ৰাখিবৰ বাবে মানুহৰ চকুত ধূলি দিয়ে। কিন্তু হজৰত মহম্মদ (ছাঃ)ৰ উদ্দেশ্য আছিল খোদা তায়লাৰ সন্তুষ্টি অৰ্জন কৰা আৰু প্ৰকৃত পুণ্য কাৰ্য্য সম্পাদন কৰা। মানুহক দেখুৱাৰ বাবে আৰু মনগঢ়া পুণ্য কাৰ্য্য তেখেত (ছাঃ)ৰ কোনো প্ৰয়োজন নাছিল। সংসাৰত মানুহে তেখেত (ছাঃ)ক সৎ বুলি ভাবিলে নাইবা অসৎ বুলি ভাবিলেও তেখেত (ছাঃ)য়ে কোনো ভ্ৰূক্ষেপ কৰা নাছিল। তেখেত (ছাঃ)ৰ একমাত্ৰ লক্ষ্য এয়ে আছিল যে, খোদা তায়লা তেখেত (ছাঃ)ক কিমান উপলব্ধি কৰিছে আৰু নিজৰ অন্তৰাত্মাই নিজকে কিমান উপলব্ধি কৰিব পাৰিছে। খোদা আৰু নিজৰ প্ৰাণৰ সাক্ষ্যৰ পিছত যদি কোনো মানুহে সত্য সাক্ষ্য দান দিছিল, তেন্তে তেখেত (ছাঃ)য়ে সিহঁতক কৃতজ্ঞতা জ্ঞাপন কৰিছিল। কিন্তু যদি সিহঁতে পাপ পুণ্য দৃষ্টিত তেখেত (ছাঃ)ক দেখিছিল অৰ্থাৎ আৰু চকুৰ দৃষ্টিত চাইছিল; তেন্তে তেখেত (ছাঃ) সিহঁতৰ মতামতৰ কোনো ভয় কৰা নাছিল; তথাপি তেখেত (ছাঃ) য়ে সিহঁতৰ এনে ভ্ৰমাত্মক দৃষ্টিত দুঃখ প্ৰকাশ কৰিছিল।

## নিজৰ ধৰ্ম পত্নী (ৰাঃ) সকলৰ প্ৰতি হজৰত মহম্মদ (ছাঃ)ৰ আচৰণ

হজৰত মহম্মদ (ছাঃ)ৰ ধৰ্ম পত্নী (ৰাঃ) সকলৰ সৈতে ব্যৱহাৰ অতি নম্ৰ,ন্যায় ভিত্তিক আৰু প্ৰেমময় আছিল। যদি স্ত্ৰী সকলৰ মাজৰ পৰা মাজে সময়ে কোনো পত্নীয়ে তেখেত (ছাঃ)ৰ লগত অশুভ আৰু কঠোৰ আচৰণ প্ৰদৰ্শন কৰিছিল,তথাপিও তেখেত (ছাঃ)য়ে তাই (ৰাঃ)ক একো নকৈ হাঁহি উৰুৱাইছিল। এদিনাখন তেখেত (ছাঃ)য়ে হজৰত আয়েশা ছিদ্দিকা (ৰাঃ)ক কৈছিল, প্ৰিয় আয়েশা ! তুমি মোৰ ওপৰত অপ্ৰসন্ন হলে অৰ্থাৎ মোৰ প্ৰতি অভিমান কৰিলে,মই নিশ্চয় বুজি পাওঁ। হজৰত আয়েশা ছিদ্দিকা (ৰাঃ)য়ে সুধিছিল, হে আল্লাহৰ ৰছুল! সেয়া আপুনি কোনেকৈ উপলব্ধি কৰিব পাৰে ? তেতিয়া হজৰত মহম্মদ (ছাঃ)য়ে কলে, তুমি মোৰ ওপৰত প্ৰসন্ন বা তুষ্ট থকা অৱস্থাত শপতৰ প্ৰয়োজন হলে কোৱা, মহম্মদ খোদাৰ শপত আনহাতে মোৰ ওপৰত

অপ্রসন্ন থকা অৱস্থাত শপত লোৱাৰ প্রয়োজন হলে, তুমি কোৱা ইব্রাহিমৰ খোদাৰ শপত। ইয়াৰ পৰা মই ভালকৈ বুজিব পাৰো। হজৰত আয়েশা ছিদ্দিকা (ৰাঃ) উক্ত কথা শুনি হাঁহি কলে, এই কথা নিশ্চয় সঁচা; আপুনি ঠিকেই ধৰিছে। (হাদীছ বুখাৰী)

হজৰত খাদিজা (ৰাঃ)য়ে হজৰত মহম্মদ (ছাঃ)ৰ প্রথম আৰু জেষ্ঠ স্ত্রী আছিল। হজৰত খাদিজাতুল কুবৰা (ৰাঃ) হজৰত মহম্মদ (ছাঃ)ৰ সেৱা একনিষ্ঠ ভাৱে কৰিছিল আৰু ডাঙৰ ডাঙৰ কুৰবাণীও কৰিছিল। তাই (ৰাঃ)ৰ মৃত্যুৰ পিছত হজৰত ৰছুলে কৰিম (ছাঃ)য়ে কেইবাটাও বিয়া কৰিছিল। এই যুৱতী স্ত্রী সকলে তেখেত (ছাঃ)ক সেৱা শুশ্রূষা কৰিছিল। এনে যুৱতী স্ত্রী (ৰাঃ) সকল থকা সত্ত্বেও তেখেত (ছাঃ)য়ে কেতিয়াও হজৰত খাদিজাতুল কুবৰা (ৰাঃ)ৰ সৈতে থকা মধুৰ সম্পৰ্কৰ কথা পাহৰিব নোৱাৰিছিল। হজৰত খাদিজা (ৰাঃ)ৰ বান্ধৱী সকল যেতিয়া আহিছিল; তেতিয়া হজৰত ৰছুলে কৰিম (ছাঃ)য়ে সিহঁতক অভ্যৰ্থনা জনোৱাৰ বাবে থিয় হৈছিল। (হাদীছ মুছলিম)

হজৰত খাদিজা (ৰাঃ)ৰ হাতৰ বস্তু কোনো খাদ্য যদি তেখেত (ছাঃ)ৰ সন্মুখত আহিছিল;তেতিয়া তেখেত (ছাঃ)ৰ চকু যোৰি অশ্রুজলাত উভৈনদী হৈ পৰিছিল।

বদৰৰ যুদ্ধৰ সময়ত হজৰত মহম্মদ (ছাঃ)ৰ এজন জোৱাইক যুদ্ধ বন্দী হিচাপে আহিছিল মুক্তিপন পৰিশোধ কৰা কোনো সম্পদ তেওঁৰ ওচৰত নাছিল। তেওঁৰ স্ত্রী হজৰত খাদিজাতুল কুবৰা (ৰাঃ)ৰ গৰ্ভজাত সন্তান আৰু হজৰত ৰছুলে কৰিম (ছাঃ)ৰ ঔৰসজাত হজৰত জয়নব (ৰাঃ)আছিল। তাৰ ধৰ্ম পত্নী হজৰত জয়নব (ৰাঃ)ক হজৰত খাদিজা (ৰাঃ)য়ে দিয়া এটি গলপতা (কণ্ঠহাৰ) আছিল। এয়া তাই (ৰাঃ)ৰ মাকৰ অন্তিম স্মৃতি চিহ্ন আছিল। হজৰত জয়নব (ৰাঃ) উপায় নাপাই সেই অন্তিম স্মৃতি চিহ্নটোক মুক্তিপন পৰিশোধৰ বাবে মদিনালৈ প্রেৰণ কৰিছিল। হজৰত মহম্মদ (ছাঃ)ৰ সন্মুখত যেতিয়া এই কণ্ঠ্যহাৰটি অনা হৈছিল; তেতিয়া তেখেত (ছাঃ)য়ে উক্ত গলপাতিটিক চিনি পাইছিল আৰু লগে লগে চকুৰ পৰা অশ্রু নিৰ্গত হৈছিল। তেতিয়া হজৰত মহম্মদ (ছাঃ)য়ে চাহাব (ৰাঃ)সকলক কলে, আপোনালোকে ভাবি চাওঁক। আপোনালোকৰ দৰে সহানুভাৱ ব্যক্তি সকলক আদেশ দিয়াৰ ক্ষমতা মোৰ নাই। কাৰণ এই বিষয়ে কোৱাৰ মোৰ কোনো অধিকাৰেই নাই। কিন্তু মই জানো যে,এই কণ্ঠহাৰটি মোৰ স্নেহৰ কন্যা হজৰত জয়নব (ৰাঃ)ৰ ওচৰত থকা মাকৰ একমাত্র স্মৃতি চিহ্ন স্বৰূপ। যদি আপোনালোকে ইচ্ছাকৃত ভাৱে অনুমতি প্রদান কৰে, তেন্তে মই দিহা দিছোঁ যে, উক্ত স্মৃতি চিহ্নটিক হজৰত জয়নবলৈ ঘূৰাই পঠোৱাৰ আদেশ দিয়ক। চাহাবা সকলে কলে,

হে আল্লাহৰ ৰছুল! আমাৰ বাবে ইয়াতকৈ আৰু আনন্দৰ বিষয় আৰু কি হ'ব পাৰে? ইয়াৰ পিছত তেওঁলোকে উক্ত স্মৃতি চিহ্নটিক হজৰত জয়নব (ৰাঃ)ৰ ওচৰলৈ ঘূৰাই পঠাইছিল। (হালবিয়া)

হজৰত খাদিজাতুল কুবৰা (ৰাঃ)ৰ আত্মত্যাগ (কোৰবানী) ৰ প্ৰভাৱ হজৰত মহম্মদ (ছাঃ)ৰ হৃদয়ত ইমান বেছি পৰিছিল যে, তেখেত (ছাঃ)য়ে প্ৰায়েই অন্যান্য স্ত্ৰী সকলৰ আগত তাই (ৰাঃ)ৰ কিবা নহয় কিবা এনে পুণ্য কৰ্ম বৰ্ণনা কৰিছিল। তেখেত (ছাঃ)য়ে সদায় হজৰত খাদিজা (ৰাঃ)ৰ সৎগুণৰ অনুধাৱন কৰিছিল। এদিনাখন তেখেত (ছাঃ) হজৰত খাদিজা (ৰাঃ)ৰ কোনো এক পুণ্য কৰ্মৰ বৰ্ণনা দি আছিল। এনেতে হজৰত আয়েশা ছিদ্দিকা (ৰাঃ)য়ে খং কৰি কৈছে, হে আল্লাহৰ ৰছুল! আপুনি এতিয়া এই বৃদ্ধ মহিলাৰ স্মৃতি পাহৰি যাওঁক। আল্লাহ পাক নিশ্চয় তাই (ৰাঃ)তকৈ অধিক উত্তম,ৰূপৱৰ্তী,গুণৱৰ্তী আৰু যুৱতী সুন্দৰী স্ত্ৰী আপোনাক দান কৰিছে। এই কথা শ্ৰৱণ কৰি হজৰত ৰছুলে কৰিম (ছাঃ)ৰ চকু যোৰি অশ্ৰুত টল্ মল্ কৰিছিল আৰু আবেগত উত্তেজিত হৈ কৈছিল, হে আয়েশা! তুমি ধাৰণাই কৰিব নোৱাৰিবা যে, হজৰত খাদিজাতুল কুবৰা (ৰাঃ) মোৰ বাবে কিমান অমূল্য সেৱা আগ বঢ়াইছে। ( হাদীছ বুখাৰী)

## উত্তম চৰিত্ৰ (High Moral Qualities)

হজৰত মহম্মদ (ছাঃ)ৰ চৰিত্ৰ অতি সহজ সৰল আছিল। তেখেত (ছাঃ)য়ে কেতিয়াও কোনো দুঃখ কষ্টত নিৰাশ হোৱা নাছিল।কেতিয়াও কোনো মনোৰথৰ বাবে সীমাতিৰিক্ত বাঞ্ছা কৰা নাছিল।তেখেত (ছাঃ)ৰ জীৱনীত উল্লেখ কৰা হৈছে যে, তেখেত (ছাঃ)ৰ জন্মৰ পূৰ্বে পিতৃ হজৰত আব্দুল্লাহ আৰু শৈশৱ কালতেই মাতৃ হজৰত আমিনা পৰলোক গমন কৰিছিল।সেই কাৰণে ৮ বছৰ পৰ্যন্ত তেখেত (ছাঃ)ৰ ককা আব্দুল মুত্তালিবৰ তত্ত্বাৱধানত আছিল। ককা আব্দুল মুত্তালিবৰ মৃত্যুৰ পিছত খুৰা আবু তালিব তেখেত (ছাঃ)ৰ লালন-পালন কৰাৰ দায়িত্ব লৈছিল।খুৰা আবু তালিবৰ সৈতে ৰক্ত সম্পৰ্ক থকাৰ উপৰিও ককা আব্দুল মুত্তালিবৰ মৃত্যু শয্যাত হজৰত মহম্মদ (ছাঃ)ৰ ৰক্ষণা-বেক্ষণৰ বিশেষ দায়িত্ব হজৰত আবু তালিবক দি গৈছিল। সেই কাৰণে হজৰত আবু তালিব ভাতিজা হজৰত মহম্মদ (ছাঃ)ক বৰকৈ মৰম কৰিছিল। কিন্তু তেখেত (ছাঃ)ৰ খুৰী মাকৰ তেখেত (ছাঃ)ৰ প্ৰতি তেনেকুৱা মৰম স্নেহ বংশগত দায়িত্ব বোধ নাছিল। হজৰত মহম্মদ (ছাঃ)ৰ প্ৰতি লালন-পালন যে, তাইৰ পাৰিবাৰিক দায়িত্ব সেয়া তাই কেতিয়াও হৃদয়ত মানি লোৱা নাছিল।ঘৰত কোনো সু খাদ্য আনিলে তাই প্ৰায়েই নিজৰ সন্তান সকলক দি দিছিল। অথচ হজৰত মহম্মদ (ছাঃ)ৰ প্ৰতি কোনো লক্ষ্য ৰখা

নাছিল।আবু  তালিব কোনো ঠাইৰ পৰা ঘৰত উভতি আহি দেখিছিল যে,তেওঁৰ সন্তানসকলে কিবা খাইছে  আৰু ভাতিজা হজৰত ৰছুলে কৰিম (ছাঃ)য়ে হাত গোটাই কোনো এককাষত নিস্পুহ ভাৱে বহি আছে।কণমানি ভাতিজাটিক কেতিয়াও চিঞৰ-বাখৰ উদ্ভঞ্জালি কৰা তেওঁ দেখা নাছিল। খুৰা দেউৰ স্নেহ আৰু বংশৰ দায়িত্ব তেওঁৰ চকুৰ আগত বাহি উঠিছিল। তেওঁ দৌৰি গৈ নিজৰ কণমানি ভাতিজাক সাৱটি ধৰি কোলত তুলি লৈছিল আৰু হৃদয়ত বেদনা চাপি ধৰি কৈছিল, মোৰ এই শিশুটিৰ প্ৰতি অলপ লক্ষ্য ৰাখিবা, মোৰ এই শিশুটিৰ প্ৰতি অলপ লক্ষ্য ৰাখিবা। এনেকুৱা ঘটনা প্ৰায়েই সংগঠিত হৈছিল। কিন্তু যি সকলে এইবোৰ ঘটনা প্ৰত্যক্ষ কৰিছিল; তেওঁলোকে কৈছিল যে, হজৰত মহম্মদ (ছাঃ)য়ে কেতিয়াও কোনো অভিযোগ কৰা নাছিল। কেতিয়াও মুখ ফুটি কোনো প্ৰকাৰ দুঃখ প্ৰকাশ কৰা নাছিল। তেখেত (ছাঃ)য়ে কেতিয়াও অনুৰাগ,বিষন্নতা,দদাইয়েকৰ সৈতে মনক্ষুন্ন ভাৱ প্ৰকাশ কৰা নাছিল। বৰং তেখেত (ছাঃ)ৰ জীৱনীৰ পৰা জানিব পাৰো যে, ভৱিষ্যত পৰিৱৰ্তিত পৰিস্থিত কি ধুনীয়া ব্যৱস্থাপনাত তেখেত (ছাঃ)য়ে নিজৰ দদায়েক হজৰত আলী (ৰাঃ) আৰু হজৰত জাফৰ (ৰাঃ)ক মানৱ কৰাৰ দায়িত্ব গ্ৰহণ কৰিছিল।আমি জানো যে, তেখেত (ছাঃ)য়ে সিহঁতৰ ভৰণ-পোষণৰ দায়িত্বত কোনো অৱহেলা কৰা নাছিল। তেখেত (ছাঃ)য়ে সিহঁতক উত্তম শিক্ষা দান কৰিছিল আৰু লালন-পালন কৰিছিল।

হজৰত মহম্মদ (ছাঃ)ৰ পাৰ্থিৱ জগত বহু ঘাত-প্ৰতিঘাত আৰু দুঃখ কষ্টৰ মাজেৰে অতিবাহিত হৈছিল।যেনে জন্মৰ পূৰ্বে পিতৃৰ বিয়োগ আৰু জন্মৰ পিছত মাতৃ আৰু ককাৰ বিয়োগ। বিবাহৰ পিছত এটাৰ পিছত এটাকৈ বহু কেইজন সন্তানৰ মৃত্যু হয়।তদুপৰি কেইজন মান স্ত্ৰীও পৰলোক গমন কৰিছিল।পৰলোক গমনকাৰী স্ত্ৰী সকলৰ মাজত স্বামী ভক্ত মহিলা হজৰত খাদিজাতুল কুবৰা (ৰাঃ)ৰ নাম অন্যতম আছিল। তাই (ৰাঃ) এজনী পৱিত্ৰ আজ্ঞা পালন কাৰী আৰু সেৱা পৰায়ণ স্ত্ৰী আছিল। কিন্তু এই সকলো দুঃখ-বেদনা তেখেত (ছাঃ)য়ে আনন্দ চিত্তে সহ্য কৰিছিল আৰু এইবোৰে তেখেত (ছাঃ)ক ভাগি পেলাব নোৱাৰিছিল। আনকি প্ৰফুল্ল চিত্ত মুকলি মনৰ ওপৰত কোনো প্ৰভাৱো পেলাব নোৱাৰিছিল। চকুত তেখেত (ছাঃ)ৰ আহত হৃদয়ৰ ছাঁ প্ৰতিফলিত হোৱা নাছিল। তেখেত (ছাঃ)য়ে সদায় প্ৰফুল্ল হৈ থাকিছিল। মিচিকিয়া হাঁহিৰে তেখেত (ছাঃ)ৰ মুখমণ্ডল সদায় উদ্ভাসিত হৈ থাকিছিল। কদাচিৎ কোনো উপলক্ষ্য হৃদয়ৰ অন্তনিহিত ব্যাথা তেখেত (ছাঃ)য়ে প্ৰকাশ কৰা নাছিল। এদিনাখন এজনী মহিলা যাৰ পুত্ৰৰ মৃত্যু হৈছিল; তাই তাইৰ পুত্ৰৰ কবৰৰ কাষত বহি ক্ৰন্দন কৰি আছিল। হজৰত মহম্মদ (ছাঃ)য়ে কলে, হে মোৰ প্ৰিয়তম!  তুমি ধৈৰ্য্য ধাৰণ কৰা। বিধাতাৰ ইচ্ছা সৰ্বত্ৰ

প্ৰবল হয়। সেই স্ত্ৰীলোকটি হজৰত ৰছুলে কৰিম (ছাঃ)ক চিনিব নোৱাৰি কলে,যেনেকৈ মোৰ সন্তান মৰিছে,তেনেকৈ তোমাৰ সন্তানো মৰিলে বুজিব পাৰিলাহেঁতেন ধৈৰ্য্য কাক কয়, তেখেত (ছাঃ)য়ে কলে, মোৰ এজন নহয়, সাত জন পুত্ৰৰ মৃত্যু হৈছে। তোমাৰ মাত্ৰ সেই এটি সন্তানহে মৰিছে।আবু দাউদ তেখেত (ছাঃ)ৰ আন এক পৰিচয় এয়ে আছিল যে, তেখেত (ছাঃয়ে কেতিয়াও পৰোপকাৰত বিঘ্ন ঘটিব দিয়া নাছিল। বৰং তেখেত (ছাঃ)য়ে সিহঁতক সাহায্য দান কৰিছিল, আৰু সদায় প্ৰসন্ন চিত্তৰ কোনো পৰিৱৰ্তন ঘটিব দিয়া নাই।

## সহিষ্ণুতা

হজৰত মহম্মদ (ছাঃ)ৰ স্বভাৱত সহিষ্ণুতা গুণ ইমান অধিক আছিল যে,আল্লাহ তায়লা তেখেত (ছাঃ)ক সাম্ৰাজ্য প্ৰদান কৰা সত্ত্বেও প্ৰত্যেক ব্যক্তিৰ বক্তব্য ধৈৰ্য্য সহকাৰে শ্ৰৱণ কৰিছিল। কোনো ব্যক্তিয়ে অপ্ৰিয় কথা কলে,নাইবা কঠোৰ আচৰণ প্ৰকাশ কৰিলেও তেখেত (ছাঃ)য়ে উত্তেজিত হৈ অপ্ৰিয় ভাষণ অথবা কঠোৰতাৰ বিৰুদ্ধে কঠোৰতা প্ৰদৰ্শন কৰা নাছিল। মুছলমান সকলে তেখেত (ছাঃ)ক নাম ধৰি মাতাৰ সলনি আধ্যাত্মিক মৰ্য্যাদা হজৰত ৰছুলে কৰিম (ছাঃ) বুলি সম্বোধন কৰিছিল। অৰ্থাৎ ইয়া ৰছুলুল্লাহ, হে আল্লাহৰ ৰছুল বুলি মাতিছিল। অন্যান্য ধৰ্মৰ লোক সকলে খ্ৰীষ্টান ধৰ্মৰ নীতি অনুসৰি তেখেত (ছাঃ)ৰ প্ৰতি শিষ্টাচাৰ আৰু সন্মান প্ৰদৰ্শনৰ বাবে আবুল কাছিম, অৰ্থাৎ কাছিমৰ পিতা নামে মাতিছিল। এদিনাখন এজন ইহুদী মদিনাত আহি হজৰত মহম্মদ (ছাঃ)ৰ সৈতে তৰ্ক যুদ্ধত লিপ্ত হৈছিল। তৰ্ক বিতৰ্ক চলা সময়ত ইহুদী জনে বাৰে বাৰে হে মহম্মদ, হে মহম্মদ,বুলি কৈছিল, কিন্তু হজৰত মহম্মদ (ছাঃ)য়ে তেওঁৰ কথাত ভ্ৰূক্ষেপ নকৰাকৈ নিৰ্ভিক ভাবে উত্তৰ দি গৈছিল। চাহাবা সকলে মানুহজনৰ দুষ্টতা দেখি উত্তেজিত হৈ উঠিছিল। শেষত এজন চাহাবা (ৰাঃ)য়ে সহ্য কৰিব নোৱাৰি সেই ইহুদী জনক কলে,সাৱধান! তেখেত (ছাঃ)ৰ নাম ধৰি সম্বোধন নকৰিবা। যদি তুমি আল্লাহৰ ৰছুল বুলি কোৱা টান পোৱা,তেন্তে কম পক্ষে আবুল কাছিম বুলি সম্বোধন কৰা। তেতিয়া সেই ইহুদী জনে কলে, মইতো সেই নাম ধৰি সম্বোধন কৰিছোঁ যি নাম তেখেত (ছাঃ)ৰ পিতৃ-মাতৃয়ে ৰাখিছিল। এই কথা শুনি হজৰত মহম্মদ (ছাঃ)য়ে মিচিকিয়া হাঁহি মাৰি চাহাবা (ৰাঃ) সকলক কলে, চোৱা! এওঁ সঁচা কথা কৈছে। মোৰ পিতৃ-মাতৃয়ে মহম্মদেই ৰাখিছে। গতিকে সি যি নামেৰে মোক সম্বোধন কৰিছে কৰিব দিয়া তেওঁৰ লগত খং নকৰিবা।

হজৰত মহম্মদ (ছাঃ)য়ে যেতিয়া কামৰ বাবে বাহিৰলৈ যাত্ৰা কৰিছিল;তেতিয়া যাত্ৰা

পথত দুখীয়া নিচলা লোক সকলে তেখেত (ছাঃ)ৰ ওচৰলৈ আহি তেখেত (ছাঃ)ক আগুৰি ধৰি নিজ নিজ প্ৰয়োজনৰ বাবে প্ৰাৰ্থনা জনাইছিল। যেতিয়ালৈকে তেওঁলোকৰ প্ৰয়োজনৰ কথা শেষ হোৱা নাছিল। তেতিয়ালৈকে তেখেত (ছাঃ)য়ে তেওঁলোকৰ প্ৰাৰ্থনা শুনিছিল। তেওঁলোকৰ কোৱা শেষ হলে, তেখেত (ছাঃ)য়ে পুনৰ যাত্ৰা কৰিছিল। মাজে সময়ে কোনো কোনো ব্যক্তি  হাত মুচাফা কৰাৰ সময়ত অযথা বহু সময়লৈ তেখেত (ছাঃ)ৰ হাত ধৰি ৰাখিছিল। যদিও এয়া অনুচিত আৰু কামত বাধাৰ সৃষ্টি কৰে; তথাপি হজৰত মহম্মদ (ছাঃয়ে কেতিয়াও সিহঁতৰ হাতৰ পৰা নিজৰ হাতখন আঁতৰাই অনা নাছিল।বৰং উক্ত মুছাফাকাৰী জনে হাত ধৰি থকা লৈকে ধৈৰ্য্য সহকাৰে তেখেত (ছাঃ)য়ে অপেক্ষা কৰিছিল।

কেতিয়াবা কেতিয়াবা অভাৱগ্ৰস্ত লোকে হজৰত মহম্মদ (ছাঃ)ৰ ওচৰলৈ আহি নিজৰ নিজৰ অভাৱ অভিযোগ সম্পৰ্কে অৱগত কৰিছিল। মাজে সময়ে অভাৱ গ্ৰস্ত প্ৰাৰ্থীৰ প্ৰয়োজন অনুসৰি তেখেত (ছাঃ)য়ে তেওঁক কিছু দিও দিছিল। আকৌ যদি কোনো ব্যক্তিয়ে অধিক লোভ লালসা কৰিছিল। তেন্তে তেখেত (ছাঃ)য়ে তাকো বঞ্চিত কৰা নাছিল। কেতিয়াবা আকৌ এনে হৈছিল যে, মানুহে বাৰে বাৰে খুজিছিল আৰু তেখেত (ছাঃ) য়ে প্ৰতিবাৰতেই কিবা নহয় কিবা দান কৰিছিল। কিন্তু যি ব্যক্তি সৎ বুলি ধাৰণা হৈছিল; তেওঁক কিবা বস্তু দি কৈছিল, তোমালোকে যদি আল্লাহৰ ওপৰত ভৰসা ৰাখিলাহেঁতেন, তেন্তে কিমান যে উত্তম হলাহেঁতেন।

এদিনাখন এজন সৎ ব্যক্তি যি এজন নিষ্ঠাবান আৰু শ্ৰদ্ধাশীল আছিল; তেওঁ আগ্ৰহৰে নিজৰ প্ৰয়োজন পুৰণৰ বাবে হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত কিছু টকা পইচা বিচাৰিছিল। হজৰত ৰছুলে কৰিম (ছাঃ)য়ে তেওঁৰ চাহিদা পুৰণ কৰিছিল; কিন্তু শেষত কৈছিল যে,আটাইতকৈ  উত্তম সেয়াই যে, যেতিয়া মানুহে  খোদাৰ ওপৰত ভৰসা কৰে। মানুহে যেন সদায় আল্লাহৰ আশ্ৰয় গ্ৰহণ কৰে। কোনো অৱস্থাতেই কাৰো ওপৰত হাত নাপাতা সৰ্বোত্তম পন্থা। সেই চাহাবা (ৰাঃ) এজন শ্ৰদ্ধাৱান আৰু নিষ্ঠাবান ব্যক্তি আছিল। তেওঁৰ মাজত যথেষ্ঠ আন্তৰিকতাও আছিল। হজৰত মহম্মদ ৰছুলুল্লাহ (ছাঃ)ৰ প্ৰতি তেওঁৰ অগাধ প্ৰেম আৰু শ্ৰদ্ধা আছিল।সি যি কিছু গ্ৰহণ কৰিছিল সেয়া আদব আৰু শিষ্টাচাৰৰ বাবে ঘূৰাই নিদি তেখেত (ছাঃ)য়ে কৈছিল,হে আল্লাহৰ ৰছুল! এয়া মোৰ অন্তিম বিচৰা। আজিৰ পৰা মই কেতিয়াও আল্লাহৰ বাহিৰে কাৰো ওচৰত একো নিবিচাৰো।

এসময়ত যুদ্ধ হৈ আছিল আৰু যুদ্ধ ক্ষেত্ৰত ভয়ংকৰ অৱস্থা বিৰাজ কৰিছিল। যুদ্ধত তীৰ,তৰোৱাল,বল্লম আদি নিক্ষেপ হৈছিল। চিপাহীৰ ওপৰত চিপাহী জিপিয়াই পৰিছিল।

এনে পৰিস্থিতিত সেই চাহাবা (ৰাঃ)ৰ হাতৰ পৰা ঘোঁৰাৰ চাবুক পৰি যায় তেওঁৰ ওচৰত থকা পদাতিক সৈন্য এজনে ভাৱিলে যে, যদি উক্ত ব্যক্তিজন ঘোঁৰাৰ পৰা নামি চাবুক তুলিবলৈ যায়, তেন্তে তেওঁৰ বৰকৈ ক্ষতি হ'ব পাৰে। গতিকে সি থাপ মাৰি চাবুকখন উঠাই তেওঁৰ হাতত দিবলৈ চেষ্টা কৰিছিল। উক্ত আশ্বাৰোহী মুছলমান জনে পদাতিক সৈন্যৰ এই প্ৰচেষ্টা দেখিবলৈ পাই কলে, হে মোৰ ভাই! তোমাক আল্লাহৰ শপত ! চাবুকত হাত নিদিবা। এই কথা কৈ আৰোহী জনে ঘোঁৰাৰ পিঠিৰ পৰা জপিয়াই নামি চাবুকটি তুলি লৈছিল। আৰু সেই সঙ্গী জনক কৈছিল, মই হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত প্ৰতিজ্ঞা কৰিছোঁ যে, কেতিয়াও কাৰো পৰা কোনো বস্তু বা সাহায্য মই নিবিচাৰিম। যদি মই উক্ত চাবুকটি তোমাক উঠাবলৈ দিলোঁহেঁতেন, কিন্তু তুমি কোৱাচোন, পৰক্ষ ভাৱে ই সহায় বিচৰা নহয়নে ? এয়া কৰিলে মই নিশ্চয় প্ৰতিজ্ঞা ভঙ্গকাৰী হলোঁহেঁতেন। যদিও ই যুদ্ধক্ষেত্ৰ আৰু ইয়াত কোনো অপৰাধো নহয়; তথাপি মই নিজৰ কাম নিজেই কৰিম।

## ইনছাফ বা সুবিচাৰ (ন্যায় পৰায়ণতা)

হজৰত মহম্মদ (ছাঃ)ৰ মাজত সুবিচাৰ আৰু ন্যায় পৰায়ণ গুণ ইমান বেছি আছিল যে,তাৰ দৃষ্টান্ত পৃথিৱীৰ আন কোনো ঠাই বা দেশত পোৱা নাযায়। আৰববাসী সকলৰ মাজত গোত্ৰগত টান আৰু সুবিচাৰ দানৰ পৰামৰ্শ গ্ৰহণ কৰাৰ অপৰাধ অত্যাধিক আছিল। আৰব দেশত স্বজন প্ৰীতি আৰু অনুৰুধ গ্ৰহণ কৰা এক প্ৰকাৰ সংক্ৰমাক ব্যাধি আছিল। লক্ষণীয় বিষয় এয়া যে,কেৱল আৰব দেশতেই নহয়, বৰ্তমান সভ্যতাৰ মুখা পিন্ধা দেশবোৰতো এই ব্যাধি দেখিবলৈ পোৱা যায়। উদাহৰণ স্বৰূপ সমাজৰ উচ্চ শ্ৰেণীৰ লোকৰ দণ্ডদানত সামান্য সংকোচ বোধ নকৰে। এদিনাখন এটা অভিযোগ হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত আহিছিল। অভিযোগটো আছিল যে, এটি সম্ভ্ৰান্ত বংশৰ এজনী মহিলা আনৰ ধন চুৰি কৰিছিল। চুৰিৰ ৰহস্য ফাদিল হোৱাত কিছু সংখ্যক লোকে বৰকৈ উত্তেজিত হৈছিল। কাৰণ সাধাৰণ শাস্তি দিলেও সেই সম্ভ্ৰান্ত বংশৰ সন্মান হানি হ'ব। সেই কাৰণে কিছু সংখ্যক লোক হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত উক্ত মহিলা গৰাকীৰ হৈ অনুৰুধ কৰিব বিচাৰিছিল। অৱশেষত সেই অনুৰুধ কৰিবলৈ কাৰো সাহস হোৱা নাছিল। উপায় নাপায় সিহঁতে মহিলা জনীক ক্ষমা কৰাৰ বাবে অনুৰুধ কৰিবলৈ ওচামা বিন জায়েদক নিৰ্ধাৰণ কৰিছিল। ওচামা বিন জায়েদ যেতিয়া এই প্ৰসঙ্গত হজৰত ৰছুলে কৰিম (ছাঃ)ৰ সৈতে কথা-বতৰা পাতিছিল; তেতিয়াই তেখেত (ছাঃ)য়ে এই বিষয়ত অপ্ৰসন্ন হৈ কৈছিল, ওচামা ! এয়া তুমি কি কৰিছা ? তোমালোকৰ পূৰ্ব পুৰুষ সকলৰ এই কাৰণেই বিনাশ ঘটিছিল যে,সিহঁতে উচ্চ শ্ৰেণীৰ ব্যক্তিৰ পক্ষ

অৱলম্বন কৰিছিল আৰু নিম্ন শ্ৰেণীৰ লোকৰ সৈতে অন্যায় ব্যৱহাৰ কৰিছিল। ইছলাম ইয়াৰ সম্পূৰ্ণ বিৰোধী। মই কেতিযাও এইটো কৰিব নোৱাৰিম। মোৰ ঘনিষ্ঠ জীয়েক হজৰত ফাতিমা (ৰাঃ)য়ো যদি এই অপৰাধ কৰিলেহেঁতেন; তেন্তে মই তাইক নিশ্চয় শাস্তি দিলোঁহেঁতেন। অৱশ্যেই তাই মোৰ শাস্তিৰ পৰা ৰক্ষা নাপালেহেঁতেন।(হাদীছ বুখাৰী)

হজৰত মহম্মদ (ছাঃ)ৰ ন্যায়পৰায়ণতা সম্পৰ্কে আন এটি দৃষ্টান্ত ইতি পূৰ্বে তেখেত (ছাঃ)ৰ জীৱনী গ্ৰন্থত উল্লেখ কৰা হৈছে যে, বদৰৰ যুদ্ধত তেখেত (ছাঃ)ৰ খুৰাদেউ হজৰত আববাছ (ৰাঃ)ক অন্যান্য যুদ্ধ বন্ধী সকলৰ সৈতে বন্ধী হৈ আহিছিল।তেখেত (ৰাঃ)কো আন আন কয়েদীৰ দৰে ৰচীৰে বান্ধি ৰখা হৈছিল। বন্ধী অৱস্থাত যেতিয়া তেখেত (ৰাঃ)য়ে কষ্টত ছট্ ফট্ কৰিছিল, তেতিয়া হজৰত মহম্মদ (ছাঃ)য়ে মনে মনে হৃদয়ত বৰ কষ্ট অনুভৱ কৰিছিল।ফলত তেখেত (ছাঃ) সমগ্ৰ ৰাতি শয্যাত শয়ন কৰিব নোৱাৰিছিল। চাহাবা (ৰাঃ) সকলে তেখেত (ছাঃ)ৰ মনোকষ্ট উপলব্ধি কৰিব পাৰি হজৰত আববাছ (ৰাঃ)ৰ বন্ধন খুলি দিছিল। হজৰত মহম্মদ (ছাঃ)য়ে যেতিয়া এই ঘটনা বুজিব পাৰিছিল, তেতিয়া তেখেত (ছাঃ)য়ে কৈছিল,মোৰ আত্মীয় যেনেকুৱা আনৰ আত্মীয় ও ঠিক তেনেকুৱা। হয় মোৰ খুৰাদেউৰ হাত পুনৰ বান্ধা নহয় সকলো বন্দীৰ হাতৰ বন্ধন খুলি মুক্ত কৰি দিয়া। যিহেতু চাহাবা (ৰাঃ) সকলে হজৰত মহম্মদ (ছাঃ)ৰ মানসিক অৱস্থা অনুভৱ কৰিব পাৰিছিল, সেই হেতুকে সিহঁতে কলে,হে আল্লাহৰ ৰছুল! আমি সতৰ্কতাৰে তীক্ষ্ণ পহৰা দিছোঁ। এই বুলি কৈ সিহঁতে সকলো যুদ্ধ বন্দীৰ হাতৰ বন্ধন খুলি দিছিল।

হজৰত মহম্মদ (ছাঃ)ৰ ন্যায় পৰায়ণতাৰ আন এক উদাহৰণ হ'ল তেখেত (ছাঃ)য়ে যুদ্ধৰ সময়তো সুবিচাৰ কৰাৰ প্ৰতি লক্ষ্য ৰাখিছিল। এসময়ত তেখেত (ছাঃ)য়ে পাৰিপাৰ্শ্বিক অঞ্চলৰ সংবাদ সংগ্ৰহৰ বাবে কিছু সংখ্যক চাহাবা (ৰাঃ)ক মদিনাৰ বাহিৰলৈ প্ৰেৰণ কৰিছিল। ৰাস্তাত শত্ৰু পক্ষৰ কিছু সংখ্যক লোকৰ সৈতে তেওঁলোকৰ সাক্ষাৎ হৈছিল। সেই দিনটো পৱিত্ৰ ৰজব মাহৰ শেষ তাৰিখ আছিল। প্ৰেৰিত চাহাবা (ৰাঃ) সকলে স্থিৰ কৰিলে যে, যদি শত্ৰু সকলক এৰি দিয়া হয় তেন্তে সিহঁতে উভতি গৈ মক্কাবাসী সকলক আমাৰ আগমনৰ সংবাদ নিশ্চয় জনাব। ফলত আমি নিশ্চয় মৰিব লাগিব। গতিকে চাহাবা (ৰাঃ) সকলে শত্ৰু পক্ষৰ ওপৰত আক্ৰমণ কৰিছিল। ফলত মুছলমান সকলৰ আক্ৰমণত শত্ৰু পক্ষৰ এজন ব্যক্তি নিহত হৈছিল। যেতিয়া এই সংবাদ সংগ্ৰহ কাৰী দলটি মদিনালৈ উভতি আহিছিল; সিহঁতৰ পিছে পিছে মক্কাবাসীৰ এটা প্ৰতিনিধি দল এই অভিযোগ লৈ উপস্থিত হৈছিল যে, মুছলমান সকলে পৱিত্ৰ মাহত তেওঁলোকৰ দুজন ব্যক্তিক হত্যা কৰিছে। তেওঁলোকে আহি এই অভিযোগ হজৰত ৰছুলুল্লাহ (ছাঃ)ৰ ওচৰত কৰিছিল।

অথচ এই লোক সকলেই সময়তে সকলো পৱিত্ৰ মাহত হজৰত মহম্মদ (ছাঃ)ৰ ওপৰত নিৰ্মম অত্যাচাৰ,নিৰ্যাতিন, প্ৰহাৰ আদি ক্ৰমাগত ভাৱে চলাইছিল। গতিকে তেওঁলোকে যথা সম্ভৱ এই উত্তৰ দিয়া উচিত আছিল যে, তোমালোকে কেতিয়াবা মক্কাৰ পৱিত্ৰতাৰ প্ৰতি লক্ষ্য ৰাখিছিলা নে যি পৱিত্ৰতাৰ বাবে তোমালোকে আজি মোৰ ওচৰলৈ আহিছা ?কিন্তু কি বিস্ময়কৰ ! হজৰত মহম্মদ (ছাঃ)য়ে এই উত্তৰ নিদি পৰিৱৰ্তে কৈছিল। হয় অন্যায় হৈছে। কাৰণ তেওঁলোকে ভাবিছিল যে,এই পৱিত্ৰ মাহত সিহঁত আক্ৰান্ত নহ'ব। গতিকে আত্মৰক্ষাৰ বাবে তেওঁলোকে চেষ্টাও কৰা নাছিল। ফলস্বৰূপে ৰক্তপাত ঘটনা সংগঠিত হৈছে। সি যিকেই নহওঁক হজৰত মহম্মদ (ছাঃ) আৰবৰ প্ৰথা অনুসৰি সেই মৃত ব্যক্তি দুগৰাকীৰ উত্তৰাধিকাৰী সকলক ফিদিয়া অৰ্থাৎ মৃত্যুৰ বাবে অৰ্থদণ্ড পৰিশোধ কৰিছিল।

# আবেগ অনুভূতিৰ প্ৰতি শ্ৰদ্ধা

পৃথিৱীৰ সকলো মানুহে নিজ নিজ মিতিৰ বা কুটুম সকলৰ আবেগ অনুভূতিৰ প্ৰতি সাধাৰণতে শ্ৰদ্ধা প্ৰদৰ্শন কৰে। কিন্তু বিশ্ব পথ-প্ৰদৰ্শক প্ৰাণ পুৰুষ হজৰত মহম্মদ (ছাঃ)য়ে আনৰ আবেগ অনুভূতিৰ প্ৰতিও যথেষ্ট শ্ৰদ্ধা আৰু সন্মান প্ৰদৰ্শন কৰিছিল। তেখেত (ছাঃ)য়ে নিজৰ কুটুম সকলৰ নিচিনা শত্ৰু সকলোকো সমান দৃষ্টিৰে দেখিছিল। এদিনাখন এজন ইহুদী হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত আহি অভিযোগ কৰিছিল যে,হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)য়ে তেওঁক দুঃখ দি কৈছিল যে, হজৰত মহম্মদ (ছাঃ)হজৰত মুছা (আঃ)তকৈ অধিক প্ৰশংসনীয়। তেখেত (ছাঃ)য়ে কয়,হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ৰ এই কথা শুনি মই বৰকৈ আঘাত পাইছোঁ। ইহুদী জনৰ এই অভিযোগ শুনি হজৰত মহম্মদ (ছাঃ)য়ে তৎক্ষণাত হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ক মাতি আনি সুধিছিল, হে আবু বক্কৰ! ই কেনেকুৱা কথা ? উত্তৰত হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)য়ে কৈছিল যে, হে আল্লাহৰ ৰছুল! এই ব্যক্তি জনেই প্ৰথমে কৈছিল যে,মই হজৰত মুছা (আঃ)ৰ শপত কৰি কৈছো যে, আল্লাহ পাক নিশ্চয় তেখেত (আঃ)ক সমগ্ৰ মানৱ জাতিৰ মাজত অধিক প্ৰশংসনীয় কৰিছে। তেতিয়া মইয়ো কলো মই হজৰত মহম্মদ (ছাঃ)ৰ শপত কৰি কৈছো যে, তেখেত (ছাঃ)ক নিশ্চয় খোদা তায়লা হজৰত মুছা (আঃ)তকৈ অধিক শ্ৰেষ্ঠত্ব দান কৰিছে। এই কথা শুনি হজৰত মহম্মদ (ছাঃ)য়ে হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ক কৈছিল, আপোনাৰ এইদৰে কোৱা উচিত হোৱা নাই। সদায় আনৰ আবেগ অনুভূতিৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰা উচিত। মোক কেতিয়াও হজৰত মুছা (আঃ)ৰ ওপৰত শ্ৰেষ্ঠত্ব প্ৰদান নকৰিবা।(হাদীছ বুখাৰী)

ইয়াৰ অৰ্থ অৱশ্যেই এয়া নাছিল যে, হজৰত মহম্মদ (ছাঃ)নিজকে হজৰত মুছা (আঃ)তকৈ শ্ৰেষ্ঠ বুলি নাজিনিছিল। বৰং ইয়াৰ অৰ্থ এয়ে আছিল যে, হজৰত মহম্মদ (ছাঃ)ক খোদা তায়লা হজৰত মুছা (আঃ)তকৈ শ্ৰষ্ঠত্ব কৰিছিল বুলি কলে ইহুদী জনৰ হৃদয়ত কষ্ট পায়। গতিকে এই কথাটো তেওঁৰ ওপৰত এনেকৈ নোকোৱাই ভাল।

## দৰিদ্ৰ নিচলা সকলৰ প্ৰতি সন্মান কৰা আৰু সিহঁতৰ আবেগ অনুভূতিৰ প্ৰতি শ্ৰদ্ধা প্ৰদৰ্শন

হজৰত মহম্মদ (ছাঃ) সকলো সময়ত দৰিদ্ৰ নিচলা লোক সকলৰ আৰ্থিক অৱস্থা সুচল কৰাৰ বাবে প্ৰচেষ্টা চলাইছিল আৰু সমাজত তেওঁলোকক উপযুক্ত স্থানত বহাবৰ কাৰণে অপ্ৰাণ চেষ্টা চলাই গৈছিল। এদিন হজৰত মহম্মদ (ছাঃ) কোনো এখন ঠাইত বহি আছিল আৰু ঠিক সেই সময়ত এজনী ধনী ব্যক্তি তেখেত (ছাঃ)ৰ সন্মুখৰে পাৰ হৈ গৈছিল। তেতিয়া তেখেত (ছাঃ)য়ে এজন চাহাবা (ৰাঃ)ৰ পৰা মানুহজনৰ বিষয়ে জানিব বিচৰাত চাহাবা (ৰাঃ)য়ে কৈছিল, মানুহজন এজন সন্মানীয় আৰু প্ৰতিষ্ঠাবান ধনী ব্যক্তি। তেওঁ যদি কোনো ছোৱালীক বিয়া কৰিব বিচাৰে;তেনেহলে তেওঁৰ সেই প্ৰস্তাৱ গ্ৰহণ কৰা হয়। আনকি তেওঁ যদি কোনো ব্যক্তিৰ কাৰণে অনুৰুধ কৰে;তেনেহলে তেওঁৰ সেই অনুৰুধও মানি লোৱা হয়। চাহাবা (ৰাঃ)ৰ এই কথা শ্ৰৱণ কৰি হজৰত মহম্মদ (ছাঃ) নিৰৱ হৈ থাকিল। ইয়াৰ কিছু সময় পিছত সেই ৰাস্তাৰে আন এজন ব্যক্তিক অতিক্ৰম কৰি গৈ আছিল। মানুহজন চাই ধাৰণা হৈছিল যে, তেওঁ এজন সাধাৰণ শ্ৰেণীৰ দৰিদ্ৰ আৰু একেবাৰে নগণ্য লোক আছিল। উক্ত মানুহজনক দেখি হজৰত মহম্মদ (ছাঃ)য়ে সেই চাহাবা (ৰাঃ)ক পুনৰ সুধিছিল, এই মানুহজনৰ সম্পৰ্কে তোমাৰ ধাৰণা কি ? তেতিয়া উক্ত চাহাবা (ৰাঃ) জনে কৈছিল, হে আল্লাহৰ ৰছুল! ই সমাজৰ এজন দৰিদ্ৰ নিচলা আৰু অসহায় লোক। এওঁ যদি সমাজৰ কোনো ছোৱালীক বিয়া কৰিব বিচাৰে, তেনেহলে, এওঁৰ প্ৰস্তাৱ নাকচ কৰা হয়।আনহাতে তেওঁ যদি কোনো লোকৰ বাবে মধ্যস্থকাৰী হৈ অনুৰুধ কৰে তেন্তে তাৰ অনুৰুধ গৃহীত নহয়। আনকি মানুহজন যদি কোনো সমাজৰ কোনো ব্যক্তিৰ সৈতে কথা ক'ব বিচাৰে তেনেহলে তেওঁৰ সেই কথা কোনেও শুনিব নিবিচাৰে। এই কথা শুনি হজৰত মহম্মদ (ছাঃ)য়ে কলে,এই দৰিদ্ৰ মানুহজনৰ মূল্য সমগ্ৰ সোণেৰে ভৰি দিয়াতকৈ অধিক। (হাদীছ বুখাৰী) কিতাবুৰ ৰিকাবা) উক্ত হাদীছটিৰ জৰিয়তে হজৰত মহম্মদ (ছাঃ)য়ে এই শিক্ষা দিব বিচাৰিছিল যে, ধন সম্পত্তিতকৈ মানুহৰ মূল্য অধিক।

আন এদিনাখনৰ কথা, এজনী দৰিদ্ৰ মহিলা মছজিদ প্ৰাঙ্গণৰ চাফাই কাম কৰিছিল। হজৰত মহম্মদ (ছাঃ)য়ে একেৰাহে কেইবাদিন তাইক দেখা পোৱা নাছিল। তেতিয়া তেখেত (ছাঃ)য়ে মহিলাৰ বিষয়ে সুধাত কোনো এজন ব্যক্তিয়ে কৈছিল যে, তাইৰ মৃত্যু হৈছে। হজৰত মহম্মদ (ছাঃ)য়ে কৈছিল, তাইৰ মৃত্যু হৈছে, অথচ তোমালোকে মোক খবৰ দিয়া নাই কিয় ? মইয়ো নিশ্চয় তাইৰ জানাজাত অংশ গ্ৰহণ কৰিব পাৰিলোঁহেঁতেন। দয়ালু নবী (ছাঃ)য়ে আকৌ কলে,তোমালোকে তাইক দৰিদ্ৰ নিচলা বুলি জ্ঞান কৰিছে। মোক কোৱা তাইৰ কবৰখন ক'ত আছে ? ইয়াৰ পিছত তেখেত (ছাঃ)য়ে মহিলাৰ কবৰৰ ওচৰত গৈ তাইৰ আত্মাৰ চিৰ শান্তিৰ বাবে প্ৰাৰ্থনা কৰিছিল।(হাদীছ বুখাৰী)

সেৱামূলক কোনো কৰ্মই সৰু নহয় যি কোনো সৎকৰ্মই মানুহক সন্মান আৰু শ্ৰদ্ধাৰ আসনত স্থান দিব পাৰে,এয়াই আছিল হজৰত মহম্মদ (ছাঃ)ৰ অন্যতম শিক্ষা।

হজৰত মহম্মদ (ছাঃ)য়ে কৈছিল যে,বহু সময়ত এনে কিছুমান লোক আছে যি সকলৰ মূৰৰ চুলি অপৰিষ্কাৰ আৰু আউলীয়া বা জোঁটপোট থকা শৰীৰত ধূলি মাটি লাগি থকা, তেওঁ যদি কোনো ব্যক্তিৰ সৈতে আলিঙ্গন কৰিব বিচাৰে তেনেহলে প্ৰায়েই মানুহে সিহঁতৰ ঘৰৰ দৰ্জা বন্ধ কৰি দিয়ে। কিন্তু এই সকল দৰিদ্ৰ নিচলা লোকে যদি আল্লাহৰ নামত শপত কৰি কয় যে, অমুক বিষয়ত এই হ'ব বিচাৰে; তেনেহলে উক্ত ব্যক্তিৰ সন্মান আল্লাহৰ ওচৰত ইমান বেছি হয় যে, তেওঁলোকৰ শপত অৱশ্যই আল্লাহ পুৰণ কৰে। অৰ্থাৎ হজৰত মহম্মদ (ছাঃ)ৰ বক্তব্যৰ উদ্দেশ্যে এয়ে আছিল যে, মানুহৰ বাহ্যিক অৱস্থা চাই আভ্যন্তৰিণ মানসিক অৱস্থাৰ বিচাৰ কৰা উচিত নহয়। (হাদীছ বুখাৰী ২য় খণ্ড)

এদিনাখন হজৰত মহম্মদ (ছাঃ)ৰ কিছু সংখ্যক সঙ্গী যি সকল দৰিদ্ৰ আৰু এসময়ত গোলাম আছিল। তেওঁলোকে একেলগে বহি ইছলামৰ সম্পৰ্কে আলোচনা কৰি আছিল। সেই সময়ত আবু ছুফিয়ান সিহঁতৰ সন্মুখেৰে গৈ আছিল। উক্ত মানুহবিলাকে তেওঁৰ সৈতে ইছলামৰ বিজয় সম্পৰ্কে কিছু কথা আলোচনা কৰি আছিল। এই কথোপকথন হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)য়ে শুনিছিল। কিন্তু এই কথা হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ৰ ভাল লগা নাছিল। কাৰণ উক্ত আলোচনাত কুৰাইশ্ব চৰ্দাৰৰ অপমানৰ কথা নিহিত আছিল। তেখেত (ৰাঃ)য়ে সিহঁতক কৈছিল, তোমালোকে কুৰাইশ্ব নেতা আৰু সিহঁতৰ শাসন কৰ্তাক হেয় প্ৰতিপন্ন কৰিছা। তেখেত (ৰাঃ)য়ে সিহঁতক ভৎসনা কৰি হজৰত ৰছুলে কৰিম (ছাঃ)ৰ ওচৰত গৈ ঘটনাটি যথাযথ অভিযোগ আকাৰে উত্থাপন কৰিছিল। তেতিয়া আল্লাহৰ প্ৰিয় হাবিব দয়ালু নবী হজৰত মহম্মদ (ছাঃ)য়ে কৈছিল, হে

আবু বক্কৰ! তুমি নিশ্চয় আল্লাহৰ প্ৰকৃত ভৃত্যক অসন্তুষ্ট কৰিছা। যদি সেয়াই হয়, তেন্তে স্মৰণ ৰাখিবা তোমাৰ আল্লাহও নিশ্চয় তোমাৰ প্ৰতি বিতুষ্ট হ'ব। হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)য়ে তৎক্ষণাত উঠি সেই মানুহবিলাকৰ ওচৰলৈ গৈ কলে, হে মোৰ প্ৰিয় ভাই সকল! তোমালোকে মোৰ কথাত বিতুষ্ট হৈছানে? সেই গোলাম সকলে উত্তৰত হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ক সম্বোধন কৰি কলে, হে প্ৰিয় ভাই! আমি আপোনাৰ কথাত বিতুষ্ট হোৱা নাই। আল্লাহ আপোনাৰ ত্ৰুটি মাৰ্জনা কৰক।(হাদীছ মুছলিম, কিতাবুল ফাজায়েল) সঁচাকৈয়ে কোনো মানুহৰ হৃদয়ত আঘাত দিলে,সেই আঘাত স্বয়ং আল্লাহকেই দিয়া হয়।

কিন্তু যেতিয়া হজৰত মহম্মদ (ছাঃ)য়ে দৰিদ্ৰ নিচলা আৰু অসহায় লোক সকলক সন্মান,সহায় আৰু চাহিদা পুৰণ কৰিছিল; তেতিয়া তেওঁলোকক আত্ম সন্মান বোধৰো শিক্ষা দিছিল। কোনো ব্যক্তিৰ দয়াৰ পাত্ৰ হ'বলৈ নিষেধ কৰিছিল। তেখেত (ছাঃ)য়ে উপদেশ দিছিল, কেতিয়াও অনুগ্ৰহৰ ভিক্ষাৰী নহবা, সদায় সন্তুষ্টিৰে জীৱন-যাপন অতিবাহিত কৰিবা; দৰিদ্ৰ বা মিচকীন সেইজন নহয়,যিয়ে এটা বা দুটা খেজুৰ খাই তৃপ্তি লাভ কৰে। নতুবা এক লোকমা খাদ্য খাই সন্তুষ্টি অৰ্জন কৰে।বৰং প্ৰকৃত মিচকীন হ'ল সেই ব্যক্তি যিয়ে আত্যাধিক দুঃখ কষ্টৰ মাজত থকা সত্ত্বেও আনৰ ওচৰত হাত নাপাতে। (হাদীছ বুখাৰী)

উক্ত হাদীছৰ পৰা স্পষ্ট প্ৰতিয়ণ হয় যে,হজৰত ৰছুলে কৰিম (ছাঃ)য়ে হীন মান্যতাৰ নিন্দা কৰিছে। তেখেত (ছাঃ)য়ে নিজৰ জমাত তথা অনুসাৰী সকলক সকলো সময়ত এই উপদেশ দিছিল যে,সেই নিমন্ত্ৰণৰ ভোজন নিকৃষ্ট যি ভোজৰ বাবে দৰিদ্ৰ,নিচলা আৰু অসহায় লোকক নিমন্ত্ৰন কৰা নহয়। (হাদীছ বুখাৰী কিতাবুন নিকাহ)

হজৰত আয়েশা ছিদ্দিকা (ৰাঃ)ৰ বৰ্ণনা মতে এদিনাখন এজনী দৰিদ্ৰ মহিলা তাইৰ দুজনী কন্যা সহ মোৰ ওচৰলৈ আহিছিল। সেই দিন মোৰ ঘৰত খেজুৰৰ বাহিৰে আন একো খাদ্য বস্তু নাছিল। মই তেতিয়া সেই খেজুৰবোৰ উক্ত মহিলা জনীক দিছিলোঁ। তাই খেজুৰবোৰ সমানে দুভাগ কৰি কন্যা দুজনীক দি তাৰ পৰা উঠি গুচি গৈছিল। যেতিয়া হজৰত মহম্মদ (ছাঃ) ঘৰত আহিছিল, তেতিয়া মই তেখেত (ছাঃ)ক উক্ত ঘটনাটি কৈছিলো, ঘটনাটি শুনি তেখেত (ছাঃ)য়ে কৈছিল,যি সকল দৰিদ্ৰ লোকৰ ঘৰত ছোৱালী সন্তান আছে, সেই সকল লোকৰ সৈতে সৎ ব্যৱহাৰ কৰিলে আল্লাহ নৰক যন্ত্ৰণাৰ পৰা সুৰক্ষিত ৰাখে। তেখেত (ছাঃ)য়ে আকৌ কলে, পৰম কৰুণাময় আল্লাহ সেই মহিলা গৰাকীক নিজৰ ছোৱালী সকলৰ সৈতে এনে সৎ ব্যৱহাৰৰ বাবে স্বৰ্গত অৰ্থাৎ জান্নাতত স্থান দিব। (হাদীছ বুখাৰী ২য় খণ্ড)

আন এদিন হজৰত মহম্মদ (ছাঃ)য়ে জানিব পাৰিছিল যে,ছায়েদ নামৰ এজন ধনী চাহাবা মানুহৰ আগত নিজৰ ধন সম্পত্তিৰ গৰ্ব কৰি আছিল। তেখেত (ছাঃ)য়ে তেতিয়া তেওঁক মাতি আনি কৈছিল, তোমাৰ অহঙ্কাৰ কৰা উচিত হোৱা নাই। যি ধন-সম্পত্তি এতিয়া তোমাৰ ওচৰত আছে সেইবোৰ তোমালোকৰ সকলোৰে পৰিশ্ৰমৰ ফল। কেতিয়াও এই ধন সম্পত্তি তোমাৰ অকলে নহয়। তোমালোকৰ সকলো ধন সম্পত্তি দুখীয়া নিচলা আৰু অসহায় লোক সকলৰ মাধ্যমত উপাৰ্জিত হয়। তুমি তোমাৰ এই ধন সম্পদ, বাহু বল সমৰ্থনৰ দ্বাৰা কি লাভ কৰিছা? এনে কেতিয়াও নকৰিবা। তেখেত (ছাঃ)সকলো সময়ত আল্লাহৰ ওচৰত প্ৰাৰ্থনা কৰিছিল, হে পৰম কৰুণাময় বিশ্ব ব্ৰহ্মাণ্ডৰ মালিক! মোক মিচকীন অৱস্থাত জীৱিত ৰাখা,মিচকীন অৱস্থাত মৃত্যু দিয়া আৰু মিচকীন অৱস্থাতেই কিয়ামতৰ (শেষ বিচাৰৰ) দিন পুনৰ উত্থাপন কৰিবা। (হাদীছ তিৰমিজী)

গ্ৰীষ্ম কালত এদিন হজৰত মহম্মদ (ছাঃ) কোনো এক বজাৰৰ পিনে গৈ আছিল। সেই বজাৰৰ ওচৰত এজন চাহাবা (ৰাঃ)যি এজন অতি দৰিদ্ৰ আৰু দেখাত কুৎচিত আছিল; তেওঁ গধুৰ বোজা বহন কৰি এঠাইৰ পৰা আন ঠাইলৈ স্থানান্তৰিত হৈ আছিল। তেওঁৰ গাত ঘাম আৰু ধূলি বালি থকাৰ বাবে অদ্ভুদ দেখা গৈছিল। তেওঁৰ মুখত হতাশাৰ ভাৱ বিৰাজ কৰিছিল। ঠিক সেই সময়ত হজৰত মহম্মদ (ছাঃ) উক্ত চাহাবাৰ খোজ কাঢ়ি যোৱা অৱস্থা দেখিবলৈ পাইছিল। তেতিয়া তেখেত (ছাঃ)য়ে মনে মনে তেওঁ (ৰাঃ)ৰ পিছ লৈছিল। শিশু সকলে লুকাভাকু খেলাৰ দৰে যেনেকৈ পিছ ফালৰ পৰা আহি চকু যোৰি হাতেৰে বন্ধ কৰি ধৰি লৈ কয়, কোৱাচোন মই কোন? ঠিক সেই কৌশলেৰে তেখেত (ছাঃ)য়ে উক্ত চাহাবা (ৰাঃ)ৰ চকু দুখন হাতেৰে চেপি ধৰিছিল। আৰু তেখেত (ৰাঃ)যেন অনুমান কৰি কয় যে, কোনে মোৰ চকু বন্ধ কৰিছে তাৰ বাবে অপেক্ষা কৰি আছিল? তেতিয়া সেই চাহাবা (ৰাঃ)জনে নিজৰ হাতৰ দ্বাৰা তেখেত (ছাঃ)ৰ বাহু আৰু শৰীৰ স্পৰ্শ কৰিয়েই বুজিব পাৰিছিল যে,তেখেত হজৰত মহম্মদ (ছাঃ)। চাহাবা জনে এই কথাও জানিছিল যে,তেওঁৰ দৰে এনে দুখীয়া, সামাজিক মৰ্য্যাদাহীন,আৰু কুৎচিত মানুহজনৰ সৈতে একমাত্ৰ আল্লাহৰ প্ৰিয় হজৰত মহম্মদ (ছাঃ)ৰ বাহিৰে আন কোনেও ইমান স্নেহ মৰম কৰিব নোৱাৰে। এই ভাবি তেখেত (ৰাঃ)য়ে নিজৰ ধূলি আৰু ঘাম পূৰ্ণ শৰীৰ হজৰত মহম্মদ (ছাঃ)ৰ পৰিধান কৰা বস্ত্ৰত ঘহিব ধৰিলে।তেখেত (ৰাঃ)য়ে দেখিব বিচাৰিছিল যে,হজৰত মহম্মদ (ছাঃ)ৰ প্ৰেম আৰু দৰিদ্ৰ বন্ধুৰ প্ৰতি সহিষ্ণুতা কিমান গভীৰ। তেতিয়া হজৰত মহম্মদ (ছাঃ)য়ে মিচিকিয়া হাঁহিছিল আৰু তেখেত (ৰাঃ)ক তেনে কৰাত কোনো নিষেধ কৰা নাছিল। কাৰণ তেখেত (ছাঃ)য়ে তেওঁৰ তেনে আচৰণ ভাল পাইছিল। তেখেত (ৰাঃ)ৰ উদ্দেশ্যে

আছিল তেখেত (ছাঃ)পৰিধান বস্ত্ৰ লেতেৰা কৰাৰ কিন্তু তেখেত (ৰাঃ)ৰ মুখমণ্ডল প্ৰসন্নতাত ভৰি উঠিল। ই যেন তেখেত (ৰাঃ)ৰ বিনীত কৃতজ্ঞতাৰ বহি প্ৰকাশ আছিল। তেতিয়া দয়ালু নবী হজৰত মহম্মদ (ছাঃ) তামচা কৰি ওচৰতে থকা মানুহ সকলক উদ্দেশ্যে কৰি কৈছিল,মোৰ ওচৰত এজন দাস আছে, তাক তোমালোকৰ কোনোবাই ক্ৰয় কৰিবানে? এই কথা শুনি উক্ত চাহাবা (ৰাঃ) যেন আকাশৰ পৰা মাটিত সৰি পৰিছিল। চাহাবা (ৰাঃ)জনে উপলব্ধি কৰিব পাৰিছিল যে, হজৰত মহম্মদ (ছাঃ)ৰ বাহিৰে কোনে তেখেত (ৰাঃ)ক ইমান মৰম কৰিব পাৰে? কাৰ ইমান যোগ্যতা আছে যে,তেওঁক এজন দাস হিচাপে ক্ৰয় কৰিব পাৰে? তেওঁ হতাশগ্ৰস্ত হৈ কলে,হে আল্লাহৰ ৰছুল! এই পৃথিৱীত মোক ক্ৰয় কৰাৰ কোনেও নাই। দয়ালু নবী হজৰত মহম্মদ (ছাঃ)য়ে কৈছিল, এনে কথা কেতিয়াও নকবা। তোমাৰ মূল্য আল্লাহৰ দৃষ্টিত অসীম। (হাদীছ মিশকাত)

হজৰত মহম্মদ (ছাঃ) কেৱল নিজেই দৰিদ্ৰ নিচলা আৰু অসহায় লোকৰ প্ৰতি লক্ষ্য ৰখা নাছিল; বৰং নিজৰ জমাতৰ সকলো মুছলমান সকলক সিহঁতৰ প্ৰতি লক্ষ্য ৰাখিবলৈ সকলো সময়ত উপদেশ দিছিল।

হজৰত মুছা আশ্বআৰি (ৰাঃ)ৰ বৰ্ণনা মতে, যেতিয়া কোনো দৰিদ্ৰ লোক হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত আহি আবেদন জনাইছিল; তেতিয়া তেখেত (ছাঃ)য়ে তাত উপস্থিত থকা সকলোকে কৈছিল, তোমালোকে এই ব্যক্তিৰ হৈ মোৰ ওচৰত কিছু অনুৰুধ কৰা;যাতে তোমালোকেও এটা ভাল কামৰ অনুৰুধ কৰি পুণ্যৰ অংশীদাৰ হ’ব পাৰা।(হাদীছ বুখাৰী ১ম খণ্ড)

হজৰত মহম্মদ (ছাঃ) এনেকৈ কোৱাৰ অভিপ্ৰায় এয়ে আছিল যে, যাতে জমাতৰ সকলো মুছলমানৰ হৃদয়ত দৰিদ্ৰ, নিচলা আৰু অসহায় লোকৰ প্ৰতি সাহায্য কৰাৰ প্ৰবৃত্তি আৰু প্ৰেৰণা জাগ্ৰত হয় আৰু আনফালে দৰিদ,নিচলা আৰু অসহায় লোক সকলেও যেন অনুভৱ কৰে যে, প্ৰেম আৰু ভ্ৰাতৃত্ববোধ বিদ্যমান।

## দৰিদ্ৰ লোক সকলৰ ধন সম্পত্তিৰ সংৰক্ষণ

ইছলাম বিজয়ৰ পিছত আৰব ভূমিৰ অধিকাংশ অঞ্চলত ইছলাম ধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰ লাভ কৰাত প্ৰচুৰ ধন সম্পদ হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত আহিব ধৰিছিল। তেখেত (ছাঃ)য়ে লগে লগে সেই ধন সম্পদ সমাজৰ দৰিদ্ৰ,নিচলা আৰু অসহায় লোকৰ মাজত সম বিতৰণ কৰি দিছিল। এদিনাখন বিপুল ধন সম্পদ তেখেত (ছাঃ)ৰ ওচৰত আহিছিল। এনেতে তেখেত (ছাঃ)ৰ মৰমৰ কন্যা হজৰত ফাতিমা (ৰাঃ) হজৰত

মহম্মদ (ছাঃ)ৰ ওচৰলৈ আহি কৈছিল, হে আল্লাহৰ ৰছুল! হে মোৰ পিতা! চক্কি পিছি (শস্য পিহা যঁতন ঘূৰাই) মোৰ হাত দুখন জখম হৈ গৈছে। আপুনি যদি এই সমূহ ধন সম্পত্তিৰ পৰা মোৰ বাবে এজনী দাসী নিযুক্ত কৰি দিয়ে; তেনেহলে নিশ্চয় মোৰ গৃহ কার্য্যত তাই সহায় কৰিব পাৰিব আৰু মোৰ হাত দুখন ৰেহাই পাব। এই কথা শুনি আল্লাহৰ প্ৰিয় হজৰত মহম্মদ (ছাঃ)য়ে কলে,হে মোৰ প্ৰিয় কন্যা! হে মোৰ স্নেহৰ ছোৱালী ফাতিমা! মই তোমাক এনে এটি কথা কওঁ যি গোলাম বা সেৱিকাতকৈ অধিক মূল্যবান আৰু মঙ্গলজনক। সেয়া হ'ল ৰাতি শুৱাৰ সময়ত তেত্রিশ বাৰ তেত্রিশ বাৰ سُبْحَانَ الله তেত্রিশ বাৰ اَلْحَمْدُ لِلّٰه চৌত্ৰিশ বাৰ اَللهُ اَكْبَر এই পুণ্যময় শব্দ সমূহ পাঠ কৰিবা। কাৰণ এয়াই তোমাৰ বাবে গোলাম বা সেৱিকা ৰখাতকৈ উত্তম। (হাদীছ বুখাৰী,কিতাবুত দাওৱাত)

আন এদিন হজৰত মহম্মদ (ছাঃ) দৰিদ্ৰ সকলৰ মাজত টকা পইচা বিতৰণ কৰি থকা সময়ত এটি মুদ্ৰা তেখেত (ছাঃ)ৰ হাতৰ পৰা হঠাৎ পৰি গৈ বাগৰি অদৃশ্য হৈছিল। তেখেত (ছাঃ)য়ে সেই মুদ্ৰা (দীনাৰ) টি তুলিবলৈ পাহৰি গৈছিল। বিতৰণ শেষ কৰি তেখেত (ছাঃ)য়ে মছজিদত গৈ নমাজ পঢ়াইছিল। তেখেত (ছাঃ)ৰ নমাজ অন্তে কিছু সময় বহি ধ্যান মগ্ন থকা অভ্যাস আছিল আৰু সেই সময়ত মানুহে তেখেত (ছাঃ)ক ধর্ম সম্বন্ধীয় বিভিন্ন প্ৰশ্ন কৰিছিল। বিভিন্ন মচলা মচায়েল সম্পর্কে আলোচনা হৈছিল। কিন্তু সেই দিন বিভিন্ন প্ৰশ্ন, মচলা মচায়েল আৰু জিকিৰ ইলাহিৰ পৰিৱৰ্তে তেখেত (ছাঃ)নমাজ সমাপ্ত হোৱাৰ লগে লগে ঘৰলৈ উভতি আহিছিল। কোনো কোনো চাহাবা (ৰাঃ)ৰ মতে তেখেত (ছাঃ)য়ে ইমান দ্ৰুত উঠি ঘৰলৈ গৈছিল যে,চাহাবা (ৰাঃ) সকলৰ কান্ধৰ পার্শ্ব দি অতিক্ৰম কৰি গৈছিল। ঘৰলৈ গৈ পৰি যোৱা সেই মুদ্ৰাটি বিচাৰিব ধৰিছিল। মুদ্ৰাটি বিচাৰি পাই মছজিদলৈ উভতি আহিছিল আৰু উক্ত মুদ্ৰাটি এজন দৰিদ্ৰ ব্যক্তিক দিওঁতে কৈছিল,এই মুদ্ৰাটি মোৰ হাতৰ পৰা পৰি গৈছিল আৰু মই পাহৰি গৈছিলোঁ। কিন্তু নমাজ পঢ়াৰ সময়ত ঘটনাটো মোৰ মনত পৰে। গতিকে মই বৰ ব্যাকুল হৈ পৰো। মোৰ ইমান উদ্বিগ্ন হোৱাৰ কাৰণ যদি এই মুহূর্তত মোৰ মৃত্যু ঘটে আৰু আনৰ ধন মোৰ ঘৰত পৰি থাকে; তেনেহলে মই কিয়ামতৰ দিন আল্লাহৰ ওচৰত কি উত্তৰ দিম ? সেই কাৰণে মই ততাতৈয়াকৈ দ্ৰুত বেগত ঘৰলৈ যাওঁ আৰু মুদ্ৰাটি বিচাৰি উলিয়াই লৈ আহিছোঁ। (হাদীছ বুখাৰী)

আটাইতকৈ ডাঙৰ কথা হ'ল হজৰত মহম্মদ (ছাঃ)য়ে (ছাদকা) দানৰ সামগ্ৰী নিজৰ সন্তান-সন্ততিৰ বাবে হাৰাম (নিষিদ্ধ) কৰিছিল। কাৰণ যাতে পিছলৈ তেখেত (ছাঃ)ৰ মর্যদা ৰক্ষাৰ্থে মানুহে দানৰ ধন সম্পদ তেখেত (ছাঃ)ৰ সন্তান-সন্ততিৰ মাজত বিতৰণ

কৰি নিদিয়ে,আৰু অন্যান্য দৰিদ্ৰ লোকে নিজৰ প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত নহয়। এদিন দানৰ কিছু খেজুৰ তেখেত (ছাঃ)ৰ ওচৰত অনা হৈছিল। সেই সময়ত তেখেত (ছাঃ)ৰ নাতি ল'ৰা হজৰত ইমাম হাছান (ৰাঃ) তাত উপস্থিত আছিল। তেতিয়া তেখেত (ৰাঃ)ৰ বয়স প্ৰায় দুই বা আঢ়ৈ বছৰ আছিল। হজৰত ইমান হাছান (ৰাঃ) তাৰ পৰা এটা খেজুৰ তুলি মুখত দিছিল। তেখেত (ৰাঃ)খেজুৰটি মুখত দিয়াৰ লগে লগে হজৰত মুহাম্মাদুৰ ৰছুলুল্লাহ (ছাঃ) তেখেতৰ মুখত আঙুলি সোমোৱাই খেজুৰটি ওলাই আনি কৈছিল,ই আমাৰ হক (প্ৰাপ্য) নহয়। কেৱল আল্লাহৰ দুখীয়া ভৃত্যৰ অধিকাৰ। (হাদীছ ,বুখাৰী,কিতাবুল,কচুফ)

## গোলাম বা দাস সকলৰ সৈতে উত্তম ব্যৱহাৰ

হজৰত মুহাম্মদুৰ ৰছুলুল্লাহ (ছাঃ) সকলো সময়ত গোলাম সকলৰ সৈতে উত্তম ব্যৱহাৰ কৰাৰ বাবে মুছলমান সকলক উপদেশ দিছিল। তেখেত (ছাঃ)য়ে উপদেশ দিছিল যে,যদি কোনো ব্যক্তিৰ ওচৰত কোনো গোলাম থাকে আৰু সেই গোলামক মুক্ত কৰি দিয়াৰ সামৰ্থ্য তেওঁৰ নাথাকে; নাইবা তেওঁ যদি কোনো ক্ৰোধত গোলাম জনক প্ৰহাৰ কৰে নতুবা গালি শপনি দিয়ে; তেনেহলে সেই ক্ষেত্ৰত তেওঁৰ এক মাত্ৰ প্ৰায়শ্চিত্ত হ'ব, গোলাম জনক স্বাধীন কৰি দিয়া।(হাদীছ মুছলিম ২য় খণ্ড)

হজৰত মহম্মদ ৰছুলুল্লাহ (ছাঃ)ৰ দাস সকলক মৰ্যদা প্ৰদানৰ আন এক উপদেশ এয়ে আছিল যে, যেতিয়া তোমালোকে ভ্ৰমণ কৰা,তেতিয়া নিজৰ বাহন উট আৰু ঘোঁৰাৰ ওপৰত দাসকো একেলগে বহুৱাব। নাইবা, পাল কৰি ক্ৰমান্বয়ে এজন এজনকৈ চোৱাৰী ঘোঁৰাৰ ওপৰত আৰোহণ কৰিবা। তেখেত (ছাঃ) দাস সকলৰ মুক্তিৰ ক্ষেত্ৰত ইমান সচেষ্ট আছিল যে, হজৰত আবু হুৰাইৰা (ৰাঃ)যিয়ে ইছলাম গ্ৰহণ কৰাৰ পিছত সকলো সময়তে হজৰত মহম্মদ ৰছুলে কৰিম (ছাঃ)ৰ সৈতে দিন অতিবাহিত কৰিছিল আৰু সেই শিক্ষাৰ কথা মনত ৰাখিছিল; তেখেত (ৰাঃ)ৰ বৰ্ণনা মতে, সেই আল্লাহৰ শপত ! যাৰ হাতত হজৰত আবু হুৰাইৰা (ৰাঃ)ৰ জীৱন; যদি আল্লাহৰ বাটত ধৰ্ম যুদ্ধ (জিহাদ) কৰাৰ কোনো সুযোগ মই নাপালোঁহেঁতেন আৰু পৱিত্ৰ হজ কৰাৰ সমৰ্থ মোৰ নহ'লহেঁতেন, মোৰ বৃদ্ধ মাতৃ জীয়াই নাথাকিলেহেঁতেন, যাৰ সেৱা কৰা মোৰ কৰ্ত্তব্য (ফৰজ); তেনেহলে মই কামনা কৰিলোঁহেঁতেন যে, গোলাম বা দাস অৱস্থাত যেন মোৰ মৃত্যু হয়। কাৰণ হজৰত মহম্মদ (ছাঃ)ৰ দাস সকলৰ অধিকাৰ সম্পৰ্কে সকলো সময়ত অতি পৱিত্ৰ উপদেশ দিছিল। (হাদীছ মুছলিম)

হজৰত মাৰুৰ বিন ছুৱাইদ (ৰাঃ)ৰ বৰ্ণনা মতে, মই হজৰত মহম্মদ (ছাঃ)ৰ এজন

চাহাবা আবু জাৰ গাফ্‌ফাৰীক দেখিছিলোঁ যে, তেখেত (ৰাঃ)ৰ পৰিধান বস্ত্ৰ যেনেকুৱা দাসকো তেনে বস্ত্ৰ পৰিধান কৰাইছিল।মই তেখেত (ৰাঃ)ক সুধিছিলোঁ, আপোনাৰ আৰু আপোনাৰ দাসৰ বস্ত্ৰ একে ধৰণৰ কিয়? তেখেত (ৰাঃ) য়ে উত্তৰ দিছিল, মই এদিন হজৰত ৰছুলে কৰিম (ছাঃ)ৰ জীৱিত কালত এজন ব্যক্তিক তেওঁৰ মাকক তুলি কথা কৈছিলোঁ কাৰণ তেওঁৰ মাক এজনী দাসী আছিল। এই কথা শুনি হজৰত মহম্মদ (ছাঃ)য়ে কৈছিল, তুমি এনে এজন ব্যক্তি যাৰ মাজত এতিয়াও কুফৰী অৰ্থাৎ বিধৰ্মী সকলৰ ন্যায় আচৰণ বিদ্যমান আছে। দাস বা গোলাম কোন? তেওঁ নিশ্চয় তোমাৰ এজন ভাই আৰু তোমাৰ ক্ষমতাৰ মাধ্যম। আল্লাহৰ বিশেষ কৃপাত তেওঁ কিছু সময়ৰ বাবে তোমাৰ অধীনত আহিছে। গতিকে এইটো হোৱা উচিত যে, যাৰ ভাই সি যেতিয়া তেওঁৰ অধীনত আহে, তেতিয়া তেওঁ যি খাব নিজৰ ভাইকো একে খাদ্য খোৱাব আৰু তেওঁ যি বস্ত্ৰ পৰিধান কৰিব নিজৰ ভাইকো সেই একেই বস্ত্ৰ পৰিধান কৰাব। তোমালোকৰ কোনো ব্যক্তিয়ে কোনো দাসৰ দ্বাৰা এনে কাৰ্য্য নকাৰাব; যি কাৰ্য্য কৰিবলৈ তেওঁ অক্ষম। আনহাতে তোমালোকে যদি দাস সকলক কোনো কাম কৰিবলৈ কোৱা, তেন্তে তোমালোকেও স্বয়ং সিহঁতৰ সৈতে মিলিত ভাৱে সেই কাম কৰিবা। (হাদিছ মুছলিম ২য় খণ্ড)

হজৰত মহম্মদ (ছাঃ)য়ে আৰু উপদেশ দিছিল যে, যেতিয়া তোমালোকৰ কোনো চাকৰে বা সেৱকে তোমালোকৰ বাবে খাদ্য সামগ্ৰী প্ৰস্তুত কৰি লৈ আহে; তেতিয়া সিহঁতকো তোমালোকৰ সৈতে একেলগে বহাই অলপ হলেও ভোজন কৰাবা। কাৰণ সেই ভোজনৰ সামগ্ৰী ৰান্ধি সিহঁতে নিজৰ অধিকাৰ প্ৰতিষ্ঠিত কৰিছে।

## মানৱ সেৱাত আত্মনিয়োগকাৰী ব্যক্তিৰ প্ৰতি শ্ৰদ্ধা প্ৰদৰ্শন

হজৰত মহম্মদ (ছাঃ) বিশেষ এক শ্ৰেণী লোকৰ প্ৰতি স্নেহশীল আছিল। যি সকলে মানৱ জাতিৰ সেৱাত নিজৰ নিজৰ অমূল্য সময় অতিবাহিত কৰিছিল।এসময়ত **তাঈ** গোত্ৰৰ মানুহে হজৰত মহম্মদ (ছাঃ)ৰ বিৰুদ্ধে যুদ্ধ কৰিছিল। তেওঁলোকৰ কিছু সংখ্যক লোক যুদ্ধ বন্দী হৈ আহিছিল। তেওঁলোকৰ মাজত আৰবৰ প্ৰসিদ্ধ দানকাৰী হাতিম তাঈৰ এজনী ছোৱালীও আছিল। যেতিয়া তাই হজৰত মহম্মদ (ছাঃ)ক কলে যে তাই হাতিম তাঈৰ ছোৱালী হয়,তেতিয়া হজৰত মহম্মদ (ছাঃ)য়ে সন্মানসূচক ব্যৱহাৰ কৰিছিল আৰু তাইৰ মধ্যস্ততাত তাইৰ জাতিৰ অপৰাধ ক্ষমা কৰি দিছিল। (ছিৰাত হালবিয়া ৩য় খণ্ড,পৃঃ ২২৭)

# মহিলা সকলৰ প্ৰতি উত্তম আচৰণ

ৰছুলে কৰিম (ছাঃ) মহিলা সকলৰ প্ৰতি উত্তম আচৰণৰ ক্ষেত্ৰত বিশেষ দৃষ্টি ৰাখিছিল। তেখেত (ছাঃ)য়ে পৃথিৱীত পোন প্ৰথমে নাৰীৰ উত্তৰাধিকা প্ৰতিষ্ঠিত কৰিছিল। সমাজত নাৰী সকলক সম্পত্তিৰ স্বত্বাধিকাৰিণী বুলি ঘোষণা কৰিছিল। বাস্তৱত পৱিত্ৰ ধৰ্ম গ্ৰন্থ কোৰাণ শ্বৰীফত ল'ৰা আৰু ছোৱালী সকলক পিতৃ-মাতৃৰ সম্পত্তিৰ অংশীদাৰ কৰা হৈছে। একেদৰে ছোৱালী আৰু স্ত্ৰী সকলক পুত্ৰ আৰু স্বামীৰ সম্পত্তিৰ অংশীদাৰ সাব্যস্ত কৰা হৈছে। ইছলাম ধৰ্মৰ পূৰ্বে আন কোনো ধৰ্মত পৃথিৱীৰ বুকুত এইদৰে মহিলা জাতিৰ অধিকাৰ প্ৰতিষ্ঠা কৰা নাছিল। একমাত্ৰ ইছলাম ধৰ্মৰ শিক্ষা অনুসৰি নাৰী জাতিৰ নিজৰ সম্পত্তিৰ পূৰ্ণ মালিকীস্বত্ব দান কৰিছে। এই ক্ষেত্ৰত স্বামীৰ কোনো অধিকাৰ নাই যে, তেওঁ স্বামী হোৱা বাবে নিজৰ স্ত্ৰীৰ সম্পত্তি হস্তক্ষেপ কৰিব। নাৰী সকলৰ সিহঁতৰ সম্পত্তি খৰচ কৰাৰ পূৰ্ণ অধিকাৰ আছে। আল্লাহৰ প্ৰিয় হাবিব হজৰত মহম্মদ (ছাঃ)য়ে নাৰী জাতিৰ প্ৰতি ইমান উত্তম আচৰণ আৰু সন্মান প্ৰদৰ্শন কৰিছে যে,আৰববাসী সকলে এই শিষ্টাচাৰৰ বিষয়ে অনভিজ্ঞ আছিল। ফলত সিহঁতে এই বিধানত বিষ্মিত হৈছিল আৰু মানি ল'বলৈ টান পাইছিল। এই বিষয়ত হজৰত ওমৰ ফাৰুক (ৰাঃ)বৰ্ণনা কৰিছে, মোৰ স্ত্ৰী কেতিয়াবা কেতিয়াবা মোৰ কথা নামানিলে মই তাইক শাসন কৰিছিলোঁ আৰু কৈছিলো,আৰবৰ লোকে এতিয়াও এনে অধিকাৰ দিয়া নাই যে, পুৰুষ সকলে কোনো কামত স্ত্ৰী সকলৰ সন্মতি ল'ব লাগিব।এই শুনি মোৰ স্ত্ৰী মোক কৈছিল, যোৱা,যোৱা হজৰত মহম্মদ (ছাঃ)ৰ স্ত্ৰী সকলে তেখেত (ছাঃ)ক বহু সময়ত বিভিন্ন কামত পৰামৰ্শ দিছিল আৰু তেখেত (ছাঃ)ও সেই পৰামৰ্শ কেতিয়াও অগ্ৰাহ্য কৰা নাছিল, তেন্তে তুমি কিয় এনেকুৱা কৰিছা? তেতিয়া মই মোৰ স্ত্ৰীক কৈছিলো, হজৰত আয়েশা ছিদ্দিকা (ৰাঃ) হজৰত মহম্মদ (ছাঃ)ৰ অতি প্ৰিয় আছিল। গতিকে তাই(ৰাঃ)ৰ বিষয়ে একো নকবা। কিন্তু তোমাৰ ছোৱালী হজৰত হাফছা (ৰাঃ)এনে দুঃসাহস প্ৰদৰ্শন কৰিলেহেঁতেন, তেন্তে নিশ্চয় তাই (ৰাঃ) এদিন নহয় এদিন এয়া শাস্তি ভোগ কৰিলেহেঁতেন। হজৰত ওমৰ ফাৰুক (ৰাঃ) আৰু কলে, এদিন হজৰত মহম্মদ (ছাঃ) কোনো কাৰণে ঘৰ এৰি নিজৰ স্ত্ৰী সকলৰ ওচৰত নোযোৱাৰ ব্ৰত লৈছিল; সিহঁতৰ সৈতে অসুন্তুষ্ট হৈ সাক্ষাৎ নকৰাৰ সিদ্ধান্ত লৈছিল। মই যেতিয়া এই সংবাদ জানিব পাৰিলোঁ তেতিয়া মোৰ স্ত্ৰীক কলো চোৱা, মই যি কৈছিলো সেয়াই ঘটিছে। ইয়াৰ পিছত মই মোৰ ছোৱালী হজৰত হাফছা (ৰাঃ)ৰ ঘৰলৈ গৈ দেখিলো যে,কান্দি আছে। মই মোৰ প্ৰিয় কন্যা হজৰত মহম্মদ (ছাঃ)ৰ পত্নী হজৰত হাফছা (ৰাঃ)ক সুধিছিলোঁ, হে মোৰ প্ৰিয় হাফছা! তুমি কান্দিছা কিয়? হজৰত মহম্মদ (ছাঃ)

তোমাক তালাক দিছে নে? হজৰত হাফছা (ৰাঃ)য়ে উত্তৰ দিছিল, হে মোৰ পিতা! মইতো এই বিষয়ে একো নাজানো। কিন্তু মই জানিব পাৰিছোঁ যে,আল্লাহৰ প্ৰিয় হাবিব ৰছুলে কৰিম (ছাঃ)য়ে কোনো কাৰণে কিছু দিনৰ বাবে গৃহত নহাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। তেতিয়া মই কলো, হে মোৰ প্ৰিয় কন্যা! মই তোমাক প্ৰথমতেই বুজাবলৈ চেষ্টা কৰিছিলোঁ যে, তুমি কেতিয়া হজৰত আয়েশা (ৰাঃ)ৰ নকল কৰিবলৈ নাযাবা। কাৰণ হজৰত আয়েশা হ'ল হজৰত মহম্মদ (ছাঃ)ৰ অতি প্ৰিয় পাত্ৰ।চোৱা অৱশেষত তুমি এই বিপদত পৰিছা; যাৰ ভয় মই আগতেই কৰিছিলোঁ। এই কথা কৈ মই হজৰত মহম্মদ (ছাঃ)ৰ ওচৰলৈ গৈছিলোঁ। আল্লাহৰ প্ৰিয় হাবিব হজৰত মহম্মদ (ছাঃ)সেই সময়ত উটি খহটা ঢাৰিত শুই বিশ্ৰাম কৰি আছিল। তেখেত (ছাঃ)ৰ গাত কোনো পৰিধান বস্ত্ৰ নাছিল।শৰীৰত সেই খহটা ঢাৰিৰ দাগ পৰিছিল। মই তেখেত (ছাঃ)ৰ কাষত বহি কৈছিলোঁ, হে আল্লাহাৰ প্ৰিয় হাবিব! কাইছাৰ আৰু কিছৰা (পাৰস্য আৰু ৰোমৰ সম্ৰাট)ৰ এনে পুৰস্কাৰ লাভৰ অধিকাৰ আছেনে যে,সিহঁতে সুখ শান্তিত জীৱন অতিবাহিত কৰিছে? অথচ হজৰত মহম্মদ (ছাঃ)ইমান কষ্টত জীৱন-যাপন কৰিছে। এই কথা শুনি আল্লাহৰ ৰছুল (ছাঃ)য়ে কৈছিল যে,হে ওমৰ! এই কথা সত্য নহয়।সেই ধৰণৰ ভোগ বিলাসৰ জীৱন-যাপন আল্লাহৰ নবীৰ বাবে কাম্য নহয়। সেয়া কেৱল পাৰ্থিৱ জগতৰ ৰজা মহা ৰাজা সকলৰ প্ৰযোজ্য। সি যিয়েই নহওঁক, মই তেখেত (ছাঃ)ক মোৰ স্ত্ৰী আৰু ছোৱালীৰ সৈতে ঘটা সম্পূৰ্ণ ঘটনা বিৱৰি কলো। তেতিয়া হজৰত মহম্মদ (ছাঃ)য়ে মোৰ কথা শ্ৰৱণ কৰি হাঁহি উঠি কলে,ওমৰ! মই মোৰ স্ত্ৰী সকলক তালাক (বিবাহ বিচ্ছেদ) দিয়া কথাটো সত্য নহয়। মই কেৱল মাত্ৰ বিশেষ কাৰণত সিহঁতৰ মঙ্গলৰ হকে (অধিকাৰে)কিছু দিন ঘৰৰ বাহিৰত থকাৰ সংকল্পহে গ্ৰহণ কৰিছোঁ। (হাদীছ বুখাৰী কিতাবুন নিকাহ)

স্ত্ৰী জাতিৰ আবেগ অনুভূতিৰ প্ৰতিও তেখেত (ছাঃ)য়ে বিশেষ লক্ষ্য ৰাখিছিল। এদিন নমাজ পঢ়াৰ সময়ত আল্লাহৰ প্ৰিয় হাবিব হজৰত মহম্মদ (ছাঃ)য়ে এটি শিশুৰ ক্ৰন্দন শুনিবলৈ পাইছিল। সেই কাৰণে তেখেত (ছাঃ)য়ে নমাজ পঢ়া সোনকালে সমাপ্ত কৰিছিল। তাৰ পিছত তেখেত (ছাঃ)য়ে কৈছিল,এটি শিশু ক্ৰন্দন কৰিছিল; শিশুটিৰ কান্দোন শুনি, মোৰ ধাৰণা উপজিল যে, হয়তো শিশুটিৰ মাকৰ মনত বৰ কষ্ট হৈছে। সেই কাৰণে মই নমাজ পঢ়া সোনকালে সমাপ্ত কৰিলোঁ। যাতে শিশুটিৰ মাতৃ সোনকালে তাৰ খবৰলৈ শান্তনা দিব পাৰে। (হাদীছ বুখাৰী)

হজৰত মহম্মদ (ছাঃ)য়ে যেতিয়া স্ত্ৰীলোকৰ সৈতে ভ্ৰমণ কৰিছিল;তেতিয়া লাহে

লাহে যোৱাৰ নিৰ্দেশ দিছিল। কোনো এসময়ত এদিনাখন যেতিয়া চিপাহী সকলে মহিলা সহ ভ্ৰমণলৈ গৈছিল আৰু সিহঁতে নিজৰ আৰোহী ঘোঁৰা আৰু উটবোৰৰ লগাম (পেটী) ঢিলা কৰি দি দ্ৰুত দৌৰাবলৈ ধৰিছিল; তেতিয়া দয়ালু নবী হজৰত মহম্মদ (ছাঃ)য়ে কৈছিল, হেৰা তোমালোকে কি কৰিছা? কাঁচবোৰৰ প্ৰতি লক্ষ্য ৰাখিবা,কাঁচ বোৰৰ প্ৰতি লক্ষ্য ৰাখিবা। ইয়াৰ অৰ্থ মহিলা সকল লগত আছে সিহঁতক ৰক্ষা কৰিবা। সাৱধান! যদি এইদৰে বাহন উট আৰু ঘোঁৰাবোৰক দৌৰাই থাকা জোকাৰণিত সেই কাঁচ অৰ্থাৎ মহিলাসকলৰ ক্ষতি হ'ব।(হাদীছ বুখাৰী কিতাবুল আদব)

আন এদিনৰ কথা যুদ্ধক্ষেত্ৰত বিভ্ৰান্তি সৃষ্টি হোৱাৰ বাবে বাহন উট আৰু ঘোঁৰাবোৰ ভয়ত আতকিংত হৈ ইফালে সিফালে দৌৰিবলৈ ধৰিছিল; কোনো উপায়ে জন্তুবোৰক নিয়ন্ত্ৰণত ৰাখিব নোৱাৰিছিল।আনকি হজৰত মহম্মদ (ছাঃ) ও বাহনৰ পৰা পৰি গৈছিল আৰু বহু মহিলাও বাহনৰ পিঠিৰ পৰা পৰি গৈছিল। এজন চাহাবা (ৰাঃ)ৰ উট হজৰত মহম্মদ (ছাঃ)ৰ পিছত আছিল। তেখেত (ৰাঃ)য়ে আল্লাহৰ নবীক পৰি যোৱা দেখি বিচলিত হৈছিল আৰু জপিয়াই উটৰ পিঠিৰ পৰা নামি তেখেত (ছাঃ)ক সাহায্য কৰাৰ উদ্দেশ্যত আগুৱাই গৈ কৈছিল,হে আল্লাহৰ ৰছুল! মই মৃত্যুক আলিঙ্গন কৰিছোঁ তাৰ পৰিৱৰ্তে আপুনি দীৰ্ঘায়ু হওঁক। হজৰত মহম্মদ (ছাঃ)ৰ ভৰি বেকাৰীত তেতিয়াও আটক অৱস্থাত ওলমি আছিল। তেখেত (ছাঃ)য়ে লৰা-লৰিকৈ ভৰি দুখন এৰাই নিজকে মুক্ত কৰিছিল আৰু চাহাবা (ৰাঃ)ক লক্ষ্য কৰি কৈছিল, নহয়,নহয়। মোক এৰি মহিলা সকলক সাহায্য কৰা। তেখেত (ছাঃ)ৰ মহিলাসকলৰ প্ৰতি উত্তম আচৰণৰ আন এক অন্য নিদৰ্শন আছিল যে, দয়ালু নবী মৃত্যু শয্যাত থকা কাল চোৱাত মুছলমান সকলক সমৱেশ কৰি যি সমূহ উইল নামা কৰিছিল, তাৰ ভিতৰত আছিল, মই তোমালোকক অন্তিম অচিয়ত এয়ে কৰিছোঁ যে, মহিলা সকলৰ সৈতে সকলো সময়তে যেন উত্তম আচৰণ কৰা হয়। সিহঁতৰ লগত সদায় সহানুভূতি আৰু দয়াপূৰ্ণ ব্যৱহাৰ কৰিবা। হজৰত মহম্মদ (ছাঃ)য়ে প্ৰায়েই এই কথাৰ উপদেশ দিছিল যে, যি সকলৰ ঘৰত কন্যা সন্তান আছে তেওঁলোকে সিহঁতক উপযুক্ত ভাবে ভৰণ পোষণ কৰে..........; লিখা পঢ়া শিকায় আৰু ভালকৈ তৰবিয়ত (প্ৰশিক্ষণ) দিয়ে খোদা তায়লা কিয়ামতৰ দিন সিহঁতৰ বাবে দোজখৰ যন্ত্ৰণা হাৰাম কৰি দিব আৰু সুৰক্ষিত ৰাখিব (হাদীছ তিৰমিজি ২য় খণ্ড)

সধাৰণতে আৰববাসী সকলৰ মাজত এটা প্ৰথা আছিল যে,মহিলা সকল সামান্য অপৰাধ কৰিলে সিহঁতক শাৰীৰিক শাস্তি দিছিল। হজৰত মহম্মদ (ছাঃ)য়ে যেতিয়া এই বিষয়ে জানিব পাৰিছিল; তেতিয়া তেখেত (ছাঃ)য়ে কৈছিল, মহিলা সকল একমাত্ৰ

আল্লাহৰ দাসী; কিন্তু তোমালোকৰ নহয়। সিহঁতক কেতিয়াও প্ৰহাৰ নকৰিবা। কিন্তু তেতিয়া লৈকে মহিলা সকল সঠিক প্ৰশিক্ষণ প্ৰাপ্ত হোৱা নাছিল। যিহেতু সিহঁতে সুৰক্ষিত নাছিল; সেই কাৰণে সিহঁতে হজৰত মহম্মদ (ছাঃ)ৰ কথা সমূহৰ প্ৰকৃত অৰ্থ অনুধাৱন কৰিব নোৱাৰিব পুৰুষ সকলৰ সৈতে সমানে সমানে প্ৰতিযোগীতা আৰম্ভ কৰি দিছিল।ফলত প্ৰতিটো ঘৰত বিশৃংখলা আৰু অশান্তি বিৰাজ কৰিছিল। শেষত হজৰত ওমৰ ফাৰুক (ৰাঃ) হজৰত মহম্মদ (ছাঃ)ৰ ওচৰলৈ আহি অভিযোগ উত্থাপন কৰিলে, হে আল্লাহৰ ৰছুল! আপুনিতো আমাক স্ত্ৰীসকলক প্ৰহাৰ কৰা নিষেধ কৰিছে কিন্তু তাৰ বাবে সিহঁতৰ সাহস বৃদ্ধি হৈছে। সিহঁতে ক্ৰমে আমাৰ অবাধ্য হৈ উঠিছে। গতিকে এই অৱস্থাত আমাক অনুমতি দিয়া হওঁক।যাৰ বাবে আমি সিহঁতক মাৰ-পিট কৰি পুনৰ সঠিক ৰাস্তাত আনিব পাৰো। যিহেতু তেতিয়ালৈকে স্ত্ৰী জাতিৰ সৈতে পুৰুষ জাতিৰ পাৰস্পৰিক ব্যৱহাৰৰ কোনো নিৰ্দিষ্ট আদেশ আল্লাহৰ পৰা অৱতীৰ্ণ হোৱা নাছিল; গতিকে আল্লাহৰ প্ৰিয় হাবিব হজৰত মহম্মদ (ছাঃ) য়ে কৈছিল যে, যদি কোনো মহিলা সীমা লঙ্ঘন কৰে আৰু মৰ্য্যদাহানীৰ কাম কৰে; তেন্তে তোমালোকে তোমালোকৰ প্ৰথা অনুসৰি সিহঁতক মাৰ-পিট কৰিব পাৰিবা। ইয়াৰ পৰিণাম স্বৰূপ পুৰুষ সকলে উচিত অনুচিত। বিবেচনা নকৰিয়েই স্ত্ৰী সকলৰ ওপৰত পুৰ্বৰ নিচিনা নিষ্ঠুৰ আচৰণ আৰম্ভ কৰিছিল। পুৰুষ সকলে বিনা কাৰণত স্ত্ৰী সকলক যধে-মধে প্ৰহাৰ আৰম্ভ কৰিছিল। ফলত আৰবৰ সেই পুৰণি প্ৰথা জাগ্ৰত হৈ উঠিছিল। তেতিয়া স্ত্ৰীলোক সকলৰ পাল পৰিছিল।সিহঁতে হজৰত মহম্মদ (ছাঃ)ৰ ওচৰলৈ গৈ পুৰুষ সকলৰ বিৰুদ্ধে অভিযোগ কৰাত তেখেত (ছাঃ)য়ে চাহাবা (ৰাঃ) সকলক কৈছিল, যি ব্যক্তি তেওঁৰ স্ত্ৰীৰ সৈতে ভাল ব্যৱহাৰ নকৰে; নাইবা তাইক বিনা কাৰণত মাৰ-পিট কৰে, তেওঁৰ সম্পৰ্কে মই তোমালোকক কৈছো যে,সি খোদাৰ দৃষ্টিত সৎ বুলি বিবেচিত নহ'ব। ইয়াৰ পিছত নিশ্চয় মহিলা জাতিৰ অধিকাৰ প্ৰতিষ্ঠা হৈছিল আৰু মহিলা সকলে পোন প্ৰথমে হজৰত মহম্মদ (ছাঃ)ৰ কৃপাত স্বতন্ত্ৰতাৰ স্বাদ গ্ৰহণ কৰিছিল। (হাদীছ আবু দাউদ, কিতাবুন নিকাহ)

মাৰিয়া আল কুশাইৰি বৰ্ণনা কৰিছে মই হজৰত মহম্মদ (ছাঃ)ক সুধিছিলোঁ, হে আল্লাহৰ ৰছুল! আমাৰ ওপৰত স্ত্ৰীলোক সকলৰ অধিকাৰ কি? তেখেত (ছাঃ)য়ে কৈছিল, আল্লাহ পাক খাদ্য হিচাপে তোমাক যি দিয়ে তুমি তাইক খুওৱা, যি পৰিধান কৰিবলৈ দিছে, তুমি তাইকো পৰিধান কৰিবলৈ দিয়া আৰু সিহঁতক প্ৰহাৰ নকৰিবা,গালি শপনি নকৰিবা।আনকি সিহঁতক ঘৰৰ পৰা ওলাই নিদিবা।

হজৰত মহম্মদ (ছাঃ) স্ত্ৰী জাতিৰ আৱেগ অনুভূতিৰ প্ৰতি ইমান লক্ষ্য ৰাখিছিল

যে,তেখেত (ছাঃ)সকলো সময়ত উপদেশ দিছিল যে, যদি কোনো ব্যক্তি বিদেশত ভ্ৰমণ কৰিবলৈ অথবা কোনো কামৰ বাবে যায়; তেন্তে তেওঁৰ কাম শেষ কৰি সোনকালে ঘৰলৈ উভতি অহা উচিত। কাৰণ যাতে তেওঁৰ অনুপস্থিত স্ত্ৰী,সন্তান আদিৰ কোনো কষ্ট নহয়। হজৰত আবু হুৰাইৰা (ৰাঃ)ৰ মতে হজৰত মহম্মদ (ছাঃ)য়ে কৈছিল, যেতিয়া কোনো পুৰুষ নিজৰ প্ৰয়োজনীয় কামৰ বাবে বিদেশত ভ্ৰমণলৈ গৈ প্ৰয়োজনীয় কাম সমাপ্ত কৰে; তেতিয়া তেওঁৰ নিজৰ আত্মীয়-স্বজনৰ কথা চিন্তা কৰি সময়মতে ঘৰলৈ অতি সোনকালে উভতি অহা উচিত।(হাদীছ বুখাৰী)

হজৰত মহম্মদ (ছাঃ)ৰ এটা অভ্যাস আছিল যে,যেতিয়া তেখেত (ছাঃ)য়ে কোনো ভ্ৰমণৰ পৰা উভতিছিল তেতিয়া সদায় দিনৰ বেলাত মদিনাত প্ৰৱেশ কৰিছিল। আৰু যদি ৰাতি হৈছিল, তেন্তে মদিনাৰ বাহিৰত অৱস্থান কৰি পিছদিনা ৰাতিপুৱা মদিনাত প্ৰৱেশ কৰিছিল। তেখেত (ছাঃ)য়ে চাহাবা (ৰাঃ) সকলকো উপদেশ দিছিল যে, সিহঁতে যেতিয়া ভ্ৰমণৰ পৰা ঘৰলৈ উভতি আহে তেতিয়া অৱগত নকৰাকৈ হঠাৎ ঘৰত প্ৰৱেশ কৰি ঘৰৰ লোক সকলক অসুবিধাত পেলোৱা উচিত নহয়।(হাদীছ আবু দাউদ)

তেখেত (ছাঃ)ৰ এই কথাৰ ৰহস্য এয়ে আছিল যে,পতি পত্নীৰ পাৰস্পৰাকি সম্পৰ্ক অতি নিবিৰ আৰু সুমধুৰ আছিল।স্বামীৰ অনুপস্থিত যদি কোনো স্ত্ৰী নিজকে অসংযত অৱস্থাত ৰাখে আৰু নিজৰ শৰীৰ আৰু পৰিধান পোছাকৰ পৰিষ্কাৰ পৰিচ্ছন্নতাৰ প্ৰতি লক্ষ্য নাৰাখে আৰু সেই সময়ত যদি তাইৰ স্বামী গৃহত প্ৰৱেশ কৰি সেই অৱস্থাত দেখা পায়; তেন্তে স্বামী-স্ত্ৰীৰ মধুৰ প্ৰেমৰ মাজত ক্ষুন্নতা আৰু অৱমাননাৰ সৃষ্টি হ'ব পাৰে।সেই কাৰণে হজৰত মহম্মদ (ছাঃ)য়ে আদেশ দিছিল যে, যেতিয়া কোনো পুৰুষ বিদেশৰ পৰা উভতি নিজ গৃহলৈ আহিব; তেতিয়া অৱশ্যেই সৰ্বপ্ৰথমে নিজৰ স্ত্ৰী,পুত্ৰ,কন্যা আদিক সংবাদ দিয়া উচিত, যাতে তেওঁক স্বাগতম জনোৱাৰ বাবে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব পাৰে আৰু তেওঁ যেন নিশ্চয় দিনৰ বেলাত গৃহত প্ৰৱেশ কৰে।

## মৃত ব্যক্তিসকলৰ প্ৰতি আচৰণ

হজৰত মহম্মদ (ছাঃ) সকলো সময়ত এই উপদেশ দিছিল যে, কোনো ব্যক্তিয়ে মৃত্যুৰ পূৰ্বে ইচ্ছাপত্ৰ অৰ্থাৎ উইল নামা কৰি যোৱা উচিত, যাতে তেওঁৰ আত্মীয়-স্বজনে তেওঁৰ মৃত্যুৰ পাছত কোনো অসুবিধাত নপৰে। তেখেত (ছাঃ)য়ে নিৰ্দেশ দিছিল যে, কোনো ব্যক্তিৰ মৃত্যু হলে, উক্ত ব্যক্তিৰ দোষ ক্ৰটিক লৈ সমালোচনা কেতিয়াও নকৰিবা বৰং তেওঁৰ সৎ গুণৰ স্মৰণ হে কৰিবা। কাৰণ অসৎ গুণৰ বৰ্ণনা কৰিলে কোনো লাভ নহয়। কিন্তু সৎ গুণৰ চৰ্চাত পুণ্য নিহিত আছে। মানুহে তেওঁৰ আত্মাৰ সৎগতিৰ বাবে

কৰুণাময় সৃষ্টি কৰ্তা আল্লাহৰ ওচৰত প্ৰাৰ্থনা কৰিব লাগে। ইয়াৰ ফলত মানুহৰ হৃদয়তো প্ৰাৰ্থনাৰ ইচ্ছা শক্তি জাগ্ৰত হ'ব।
(হাদীছ: বুখাৰী)

আনহাতে হজৰত মহম্মদ (ছাঃ) মৃত ব্যক্তিৰ ঋণ অতি সোনকালে পৰিশোধ কৰাৰ উপদেশ দিছিল। কোনো মৃত ব্যক্তিৰ ঋণ থাকিলে, তেখেত (ছাঃ)য়ে নিজ হাতে সেই ঋণ পৰিশোধ কৰি দিছিল। যদি তেখেত (ছাঃ)য়ে পৰিশোধ কৰিব নোৱাৰিছিল; তেন্তে মৃত ব্যক্তিৰ আত্মীয় স্বজনৰ দ্বাৰা সেই ঋণ পৰিশোধ কৰিছিল। যেতিয়ালৈকে ঋণ পৰিশোধ নহৈছিল; তেতিয়া লৈকে মৃত ব্যক্তিৰ জানাজা নমাজ পঢ়া নাছিল।

## প্ৰতিৰেশীৰ প্ৰতি সৎ ব্যৱহাৰ

আল্লাহৰ প্ৰিয় হাবিব ৰহমাতুল্লীল আলামীন খাতামান্নাবীয়িন হজৰত মহম্মদ (ছাঃ) প্ৰতিৰেশীৰ সৈতে অত্যন্ত সৎ ব্যৱহাৰ কৰিছিল। তেখেত (ছাঃ)য়ে কৈছিল, হজৰত জিব্ৰাইল (আঃ)য়ে মোক প্ৰতিৰেশীৰ প্ৰতি সৎ ব্যৱহাৰ কৰাৰ বাবে বাৰে বাৰে নিৰ্দেশ দি থাকে। যাৰ বাবে মোৰ ধাৰণা উপজিছিল যে, হয়তো পিছলৈ প্ৰতিৰেশী সকলকো উত্তৰাধিকাৰী কৰিব পাৰে। (হাদীছ: বুখাৰী)

এই প্ৰসঙ্গত আবু জাৰ (ৰাঃ) বৰ্ণনা কৰিছে যে, হজৰত মুহাম্মাদুৰ ৰাছুলুল্লাহ (ছাঃ)য়ে মোক কৈছিল, হে আবু জাৰ ! যেতিয়া মাংস ৰান্ধিবা; তেতিয়া পানী বেছিকৈ দিবা, যাতে তোমাৰ প্ৰতিৰেশী সকলে তাৰ পৰা অলপ নিব পাৰে। (হাদীছ: মুছলিম)

ইয়াৰ তাৎপৰ্য্য এয়ে নহয় যে, আন কোনো বস্তু দিয়াৰ আৱশ্যকতা নাই। বৰং আৰব সকল আছিল অঘৰী মানুহ; আৰু সিহঁতৰ আটাইতকৈ প্ৰিয় খাদ্য আছিল মাংসৰ জোল। তেখেত (ছাঃ)য়ে প্ৰতিৰেশীৰ প্ৰতি লক্ষ্য ৰখাৰ কথা কোৱাৰ জৰিয়তে ক'ব বিচাৰিছিল যে কেৱল সোৱাদৰ পিনে লক্ষ্য নাৰাখিবা, বৰং সেই পিনেও লক্ষ্য ৰাখিবা, যাতে তোমাৰ প্ৰতিৰেশী সকলেও তোমাৰ ভোজন সামগ্ৰীৰ অংশীদাৰ হ'ব পাৰে।

হজৰত আবু হুৰাইৰা (ৰাঃ)ৰ বৰ্ণনা মতে, এদিনাখন হজৰত মুহাম্মাদুৰ ৰাছুলুল্লাহ (ছাঃ) বহি আছিল, এনেতে তেখেত (ছাঃ)য়ে চিঞৰি উঠিছিল, আল্লাহৰ শপত ! সেই ব্যক্তি নিশ্চয় (মোমিন) বিশ্বাসী নহয়। আল্লাহৰ শপত ! সেই ব্যক্তি নিশ্চয় (মোমিন) বিশ্বাসী নহয়। আল্লাহৰ শপত ! সেই ব্যক্তি নিশ্চয় (মোমিন) বিশ্বাসী নহয়। তেতিয়া চাহাবা (ৰাঃ) সকলে সুধিছিল, হে আল্লাহৰ ৰছুল ! কোন ব্যক্তি মোমিন নহয় ? উত্তৰত

তেখেত (ছাঃ)য়ে কৈছিল, তেওঁ মোমিন নহয়, যাৰ প্ৰতিৱেশী তাৰ ক্ষতিকাৰিতা আৰু বেয়া আচৰণৰ পৰা মুক্ত নহয় অৰ্থাৎ সি সদায় প্ৰতিৱেশীৰ সৈতে দুৰ্ব্যৱহাৰ কৰে। (হাদীছ: বুখাৰী, কিতাবুল আদাব)

সেইদৰে মহিলা সকলকো তেখেত (ছাঃ)য়ে উপদেশ দিছিল, সিহঁত যেন নিজৰ প্ৰতিৱেশী সকলৰ প্ৰতি সুদৃষ্টি ৰাখে। এদিন হজৰত মহম্মদ (ছাঃ) মহিলা সকলৰ মাজত ভাষণ দি থাকোতে উপদেশ দি কৈছিল, যদি ছাগলীৰ এটি ঠেংও ৰান্ধা হয়, তেন্তে তাৰ মাজত নিজৰ প্ৰতিৱেশীৰ বাবে যেন নিশ্চয় ভাগ ৰখা হয়। কাৰণ তাত সিহঁতৰ হক (অধিকাৰ) আছে।(হাদীছ: মুছলিম, বুখাৰী)

হজৰত মহম্মদ (ছাঃ) চাহাবা (ৰাঃ) সকলোকো উপদেশ দিছিল, যদি তোমালোকৰ প্ৰতিৱেশীয়ে তোমালোকৰ দেৱালত কোনো খুঁটি সন্নিবিষ্ট কৰে।নাইবা তোমালোকৰ দেৱালৰ পৰা কোনো প্ৰকাৰ সুবিধা লাভ কৰে কিন্তু তোমালোকৰ কোনো অসুবিধা বা ক্ষতি নহয়; তেনেহলে তাক বাধা নিদিবা। (হাদীছ বুখাৰী,মুছলিম ২য় খণ্ড)

হজৰত আবু হুৰাইৰা (ৰাঃ)য়ে বৰ্ণনা কৰিছে যে,হজৰত মহম্মদ (ছাঃ)য়ে কৈছে যে,যি ব্যক্তি আল্লাহ্ আৰু শেষ বিচাৰৰ দিনৰ প্ৰতি বিশ্বাস স্থাপন কৰে; সি যেন তাৰ প্ৰতিৱেশীৰ হৃদয়ত কষ্ট নিদিয়ে। যি ব্যক্তি আল্লাহ্ আৰু কিয়ামতৰ দিনৰ প্ৰতি বিশ্বাস ৰাখে, সি যেন তাৰ কোনো অতিথিক কষ্ট নিদিয়ে। যি ব্যক্তি আল্লাহ্ আৰু পৰকালত বিশ্বাস কৰে;সি যেন ভাল কথা কয় নতুবা মনে মনে থাকিব। (হাদীছ মুছলিম ১ম খণ্ড)

## পিতা-মাতা আৰু আত্মীয়-স্বজনৰ সৈতে উত্তম ব্যৱহাৰ

আমি বৰ্তমান পৃথিৱীত দেখিবলৈ পাওঁ যে, অধিক সংখ্যক লোক বিয়া কৰি সিহঁতৰ ল'ৰা-ছোৱালী আৰু পত্নীৰ চিন্তা-ভাৱনাত মগ্ন হৈ যায়,আৰু পিতা-মাতাৰ সেৱাৰ প্ৰতি লক্ষ্য নাৰাখে। ৰছুলে কৰিম (ছাঃ) বিশ্বৰ পথ-প্ৰদৰ্শক হজৰত মহম্মদ (ছাঃ)য়ে এই দুৰ্বলতা সমূহ আঁতৰ কৰাৰ বাবে নিজৰ পিতৃ-মাতৃৰ সৈতে উত্তম আচৰণ কৰাৰ গুৰুত্ব বাৰে বাৰে বিস্তাৰিত বাবে বৰ্ণনা কৰিছে। সিহঁতৰ সৈতে সদায় সৎ ব্যৱহাৰ কৰা আৰু সিহঁতৰ সেৱা কৰিবলৈ উপদেশ দিছিল। এই সম্পৰ্কে হজৰত আবু হুৰাইৰা (ৰাঃ) বৰ্ণনা কৰিছে যে, এজন ব্যক্তি হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত আহি কলে, হে আল্লাহৰ ৰছুল! মোৰ উত্তম আচৰণৰ অধিকাৰী আটাইতকৈ কোন ? তেখেত (ছাঃ) য়ে কয়, তোমাৰ মাতৃ। সেই ব্যক্তি পুনৰ কয়,তাৰ পিছত কোন ? তেখেত (ছাঃ)য়ে উত্তৰ দিছিল, তোমাৰ মাতৃ। সেই ব্যক্তি পুনৰ প্ৰশ্ন কৰিলে, তাৰ পিছত কোন ? ৰছুলে কৰিম

(ছাঃ)য়ে উত্তৰ দিয়ে, তোমাৰ মাতৃ। সেই ব্যক্তি চতুৰ্থ বাৰ প্ৰশ্ন কৰে, হে আল্লাহৰ ৰছুল! তাৰ পিছত কোন ? তেখেত (ছাঃ)য়ে উত্তৰ দিয়ে তোমাৰ দেউতা।তাৰ পিছত তোমাৰ আত্মীয়-স্বজন আৰু আত্মীয় সকলৰ আত্মীয়-স্বজন।(হাদীছ বুখাৰী কিতাবুল আদব)

ৰছুলে কৰিম (ছাঃ)ৰ মুৰব্বী-স্বজনতো তেখেত (ছাঃ)ৰ বাল্য কালতে পৰলোক গমন কৰিছিল। কিন্তু পত্নী সকলৰ আত্মীয়-স্বজনৰ বহুতেই জীৱিত আছিল। তেখেত (ছাঃ)য়ে সিহঁতৰ প্ৰতি সদায় সৌজন্য মূলক আচৰণ কৰিছিল। পৱিত্ৰ মক্কা বিজয়ৰ পিছত তেখেত (ছাঃ) যেতিয়া এজন বিজয়ী সেনাপতি হিচাপে মক্কাত প্ৰৱেশ কৰিছিল, তেতিয়া হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ) তেখেতৰ পিতৃক হজৰত ৰছুলে কৰিম (ছাঃ)ৰ সৈতে সাক্ষাৎ কৰিবলৈ আনিছিল। তেতিয়া হজৰত মহম্মদ (ছাঃ)য়ে হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ক কৈছিল, আপুনি কিয় তেওঁক ইয়ালৈ আনি কষ্ট দিছে। মই স্বয়ং তেওঁৰ ওচৰত উপস্থিত হলোঁহেঁতেন। (ছিৰাত হালবিয়া)

হজৰত মহম্মদ (ছাঃ) সদায় চাহাবা (ৰাঃ)সকলক কৈছিল, যি ব্যক্তি নিজৰ বৃদ্ধ পিতা-মাতাক সেৱা কৰাৰ সুযোগ পাইয়ো সিহঁতৰ সেৱা যত্ন কৰি সৌভাগ্যশীল অৰ্থাৎ জান্নাতৰ অধিকাৰী নহয়, তেন্তে জানিবা যে,সি নিশ্চয় হতভাগ্য।অৰ্থাৎ যি ব্যক্তি নিজৰ বৃদ্ধ পিতা-মাতাক সেৱা যত্ন কৰে,সি অৱশ্যই পুণ্য অৰ্জনকাৰী আৰু আল্লাহৰ কৃপাৰ অধিকাৰী হয়। (হাদীছ মুছলিম ২য় খণ্ড)

এদিনাখন এজন ব্যক্তি হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত আহি অভিযোগ কৰিছিল, হে আল্লাহৰ ৰছুল! মোৰ আত্মীয়-স্বজন সকলে এনেকুৱা যে,মই তেওঁলোকৰ সৈতে সৎ ব্যৱহাৰ কৰা সত্ত্বেও তেওঁলোকে মোৰ সৈতে অসৎ আচৰণ বা দুৰ্ব্যৱহাৰ কৰে। মই তেওঁলোকক ভাল পালে, তেওঁলোকে মোক ঘৃণা কৰে।মই তেওঁলোকৰ উপকাৰ কৰিলে তেওঁলোকে মোৰ অপকাৰ কৰে।মই তেওঁলোকক আশ্ৰয় দিলে তেওঁলোকে মোক আঘাত আৰু নিৰ্যাতন কৰে।এই কথা শুনি ৰছুলে কৰিম (ছাঃ)য়ে কলে, তোমাৰ কথা যদি সঁচা হয় তেন্তে তুমি সৌভাগ্যশী। কাৰণ এই ক্ষেত্ৰত সকলো সময়তে আল্লাহ নিশ্চয় তোমাক সহায় কৰিব। (হাদীছ মুছলিম ২য় খণ্ড)

ৰছুলে কৰিম (ছাঃ) এদিনাখন দান খায়ৰাত সম্পৰ্কে সহচৰ সকলক উপদেশ দি আছিল। সেই সময়ত তেখেত (ছাঃ)ৰ এজন চাহাবা আবু তালহা আনছাৰী (ৰাঃ) আহি নিজৰ এটি বাগিছা দান স্বৰূপ উপহাৰ দিছিল। তেওঁৰ এই উৎসৰ্গাত ৰছুলে কৰিম

(ছাঃ)য়ে বৰকৈ আনন্দিত হৈ কৈছিল, কিমান যে উৎকৃষ্ট দান দক্ষিণা।তেখেত (ছাঃ)য়ে এই বাক্য ক্ৰমে তিনিবাৰ উচ্চাৰণ কৰিছিল। পুনৰ কৈছিল তুমি যিহেতু এই বাগিছাখন দান কৰিয়েই দিছা; গতিকে মোৰ ইচ্ছা এতিয়া বাগিছাখন তোমাৰ আত্মীয়-স্বজনৰ মাজত সমান ভগাই দিয়া। (হাদীছ বুখাৰী ২য় খণ্ড)

এদিন এজন ব্যক্তি হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত আহি কলে, হে আল্লাহৰ ৰছুল! মই আপোনাৰ সৈতে হিজৰত কৰাৰ দীক্ষা কৰো আৰু আপোনাৰ বাবে আল্লাহৰ বাটত জিহাদ কৰাৰ ধৰ্মৰক্ষণৰ প্ৰতিজ্ঞা কৰিছোঁ। কাৰণ মই বিচাৰো পৰম কৰুণাময় আল্লাহ মোৰ প্ৰতি প্ৰসন্ন হওঁক। তেতিয়া ৰছুলে কৰিম (ছাঃ) উক্ত ব্যক্তিক সুধিলে,তোমাৰ পিতৃ-মাতৃৰ মাজত কোনোবাই জীৱিত আছেনে ? তেওঁ উত্তৰ দিলে হে আল্লাহৰ ৰছুল! হয় সিহঁত উভয়ে জীৱিত আছে। তেখেত (ছাঃ)য়ে তেতিয়া কলে,তুমি বিচৰা নে আল্লাহ তোমাৰ প্ৰতি প্ৰসন্ন হওঁক ? ব্যক্তিজনে কলে, নিশ্চয় মই বিচাৰো যে,পৰম কৰুণাময় আল্লাহ মোৰ প্ৰতি প্ৰসন্ন হওঁক। ৰছুলে কৰিম (ছাঃ)য়ে তেওঁক কলে, তেন্তে তোমাৰ উচিত উভতি গৈ তোমাৰ পিতৃ-মাতৃৰ সেৱা কৰা আৰু মনোযোগেৰে ভালকৈ সেৱা কৰা। এয়াই তোমাৰ বাবে উত্তম। (হাদীছ বুখাৰী, মুছলিম)

ৰছুলে কৰিম (ছাঃ)য়ে সকলো সময়ত এই উপদেশ দিছিল যে,কাৰো লগত উত্তম আচৰণ কৰাৰ ক্ষেত্ৰত ধৰ্মৰ কোনো চৰ্ত নাই। যিকোনো ধৰ্মৰ দুখীয়া আত্মীয়-স্বজনৰ লগত সৎ আচৰণ প্ৰদৰ্শন কৰা পুণ্যৰ কাম। সি যি কোনো ধৰ্মৰ অনুসাৰী নহওঁক কিয় ? যদি সি নিজৰ আত্মীয় অথচ দৰিদ্ৰ তেন্তে তেওঁৰ লগত সৎ আচৰণ কৰাত ধৰ্মত কোনো বাধা নিষেধ বা পাৰ্থক্য নাথাকে। উদাহৰণ স্বৰূপ হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ৰ এজনী পত্নী মুছলমান নাছিল। তাই মূৰ্তি পূজক আছিল। হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ৰ কন্যা হজৰত আচমা এদিন হজৰত মহম্মদ (ছাঃ)ক সুধিছিল, হে আল্লাহৰ ৰছুল! মই মোৰ মাহী আইৰ লগত সৎ আচৰণ কৰিব পাৰোনে ? হজৰত মহম্মদ (ছাঃ)য়ে উত্তৰ দিছিল, নিশ্চয় পাৰিবা। কাৰণ তাইয়ো নিশ্চয় তোমাৰ মাতৃ।(হাদীছ বুখাৰী)

আত্মীয়-স্বজন দূৰৰ কথা হজৰত মহম্মদ (ছাঃ)ৰ আত্মীয়-স্বজন সকলৰ আত্মীয় আৰু সিহঁতৰ বন্ধু-বান্ধৱ সকলৰ প্ৰতিও যথেষ্ট লক্ষ্য ৰাখিছিল।যেতিয়াই তেখেত (ছাঃ)য়ে কোনো পশু কোৰবানী কৰিছিল তেতিয়াই হজৰত খাদিজা (ৰাঃ)ৰ বান্ধৱী সকলৰ ঘৰত কোৰবানীৰ মাংস প্ৰেৰণ কৰিছিল আৰু চাহাবা সকলক কৈছিল, হজৰত খাদিজা (ৰাঃ)ৰ

বান্ধৱীৰ কথা কেতিয়াও পাহৰি নাযাবা। সিহঁতৰ ঘৰতো অৱশ্যই মাংস পঠাই দিবা। (হাদীছ বুখাৰী)

হজৰত খাদিজা (ৰাঃ)ৰ স্বৰ্গ লাভৰ পিছত এদিন ৰছুলে কৰিম (ছাঃ)এখন সভাত উপবিষ্ট আছিল; এনেতে হজৰত খাদিজা (ৰাঃ)ৰ ভনী হজৰত হালাহ (ৰাঃ) তাই (ৰাঃ)ৰ সৈতে সাক্ষাৎ কৰিবলৈ আহিছিল আৰু দৰ্জাৰ বাহিৰত থিয় হৈ সুধিছিল, মই ভিতৰত আহিব পাৰোনে? হজৰত হালাহ (ৰাঃ)ৰ কণ্ঠস্বৰ হজৰত খাদিজা (ৰাঃ)ৰ কণ্ঠস্বৰৰ সদৃশ আছিল। সেই কণ্ঠস্বৰ শুনি ৰছুলে কৰিম (ছাঃ)ৰ শৰীৰত কম্পন সৃষ্টি হৈছিল। কিন্তু তৎক্ষণাত নিজকে নিয়ন্ত্ৰণ কৰি তেখেত (ছাঃ)য়ে কৈছিল, হে মোৰ আল্লাহ! ই হজৰত খাদিজা (ৰাঃ)ৰ ভনী হজৰত হালাহ (ৰাঃ)। (হাদীছ বুখাৰী)

প্ৰকৃত প্ৰেম স্বৰূপ এয়ে যে, যাৰ প্ৰতি সেই প্ৰেমৰ সঞ্চাৰ হয় আৰু যাৰ প্ৰতি হৃদয়ৰ গভীৰ মৰম স্নেহ ধাবিত হয়;তাৰ আত্মীয়-স্বজন সকলৰ প্ৰতিও সেই গভীৰ প্ৰেম আৰু স্বজন প্ৰীতি জাগ্ৰত হয়।

হজৰত আনচ বিন মালিক (ৰাঃ) বৰ্ণনা কৰিছে, মই এদিন ভ্ৰমণত আছিলো। হজৰত জাবিৰ বিন আব্দুল্লাহ (ৰাঃ)ও মোৰ লগত আছিল। তেওঁ ভ্ৰমণ কালচোৱাত এজন চাকৰৰ দৰে সকলো কাম কৰি দিছিল।হজৰত জাবিৰ (ৰাঃ)বয়সত মোতকৈ ডাঙৰ আছিল।সেই কাৰণে মই আদৰ ৰক্ষা কৰি তেওঁক সন্মান প্ৰদৰ্শন কৰিবলৈ আৱশ্যক বুলি মোৰ সেৱা কৰিবলৈ নিষেধ কৰিছিলোঁ। কিন্তু মই নিষেধ কৰা সত্বেও তেখেত (ৰাঃ) মোক কৈছিল, মই নিজে মদিনা বাসীক দেখিছোঁ যে, সিহঁত হজৰত মহম্মদ (ছাঃ)ৰ অসীম খিদমত কৰিছিল।

সিহঁতৰ এনে আঘাত শ্ৰদ্ধা আৰু ভক্তি পূৰ্ণ সীমাহীন সেৱা দেখি মই প্ৰতিজ্ঞা কৰিছিলোঁ যে, যদি মই কোনো আনছাৰীৰ লগত ভ্ৰমণ কৰো অথবা সিহঁতৰ সৈতে থকাৰ মোৰ সৌভাগ্য হয়;সেৱকৰ দৰে সিহঁতৰ সেৱা নিষ্ঠাৰে কৰি যাম। আপুনি মোক বাধা নিদিব। (বুখাৰী, মুছলিম)

উক্ত ঘটনাৰ পৰা স্পষ্ট প্ৰমাণ হয় যে, নিজৰ প্ৰিয়জনৰ সেৱকৰ প্ৰতিও মানুহৰ প্ৰেম জন্মে।গতিকে যি সকল মানুহৰ মনত নিজৰ মাক-দেউতাকৰ প্ৰতি সন্মান আৰু শ্ৰদ্ধা থাকে সিহঁতে মাক-দেউতাকৰ বাহিৰেও তেওঁলোকৰ আত্মীয়-স্বজন আৰু বন্ধু-বান্ধৱ সকলৰ প্ৰতি শ্ৰদ্ধাশীল হয় আৰু তেওঁলোকক আদৰ যত্ন কৰে।(মুছলিম কিতাবুল বাৰাও ওৱা চালাতা...)

এসময়ত হজৰত মহম্মদ (ছাঃ)ৰ এটি সভাত আত্মীয়-স্বজন সকলৰ সেৱা যত্নৰ বিষয় লৈ আলোচনা হৈছিল। তেখেত (ছাঃ)য়ে কৈছিল, সকলো পুণ্য কৰ্মৰ মাজত শ্ৰেষ্ঠ কৰ্ম হ'ল নিজৰ পিতৃ-মাতৃৰ বন্ধু-বান্ধৱ সকলৰ প্ৰতি লক্ষ্য ৰাখা। উক্ত কথা হজৰত মহম্মদ (ছাঃ)য়ে হজৰত আব্দুল্লাহ বিন ওমৰ (ৰাঃ)ক কৈছিল, আৰু আব্দুল্লাহ বিন ওমৰ (ৰাঃ) সেই উপদেশ বাণী ইমান নিষ্ঠাৰে পালন কৰিছিল, যাৰ প্ৰমাণ নিম্ন উল্লেখিত ঘটনাৰ পৰা পোৱা যায়। কোনো এসময়ত হজৰত আব্দুল্লাহ্ বিন ওমৰ (ৰাঃ) পৱিত্ৰ মক্কালৈ হজৰ উদ্দেশ্যত যাত্ৰা কৰিছিল। বাটত তেখেত (ৰাঃ) এজন ব্যক্তিক লগ পাইছিল। তেখেত (ৰাঃ) নিজৰ বাহন গাধটিক সেই ব্যক্তি জনক দিছিল আৰু নিজৰ মূল্যবান পাগুৰীটিও দি দিছিল। তেতিয়া হজৰত আব্দুল্লাহ বিন ওমৰ (ৰাঃ)ৰ লগৰীয়া সকলে তেওঁক সুধিছিল, এয়া আপুনি কি কৰিলে ? এই ব্যক্তি নিশ্চয় এজন বেদুইন (অঘৰী) সমান্য কিছু দিলেই সি সন্তুষ্ট হয়। প্ৰতি উত্তৰত হজৰত আব্দুল্লাহ্ বিন ওমৰ (ৰাঃ) য়ে কৈছিল, এই ব্যক্তিৰ পিতা মোৰ পিতাকৰ বন্ধু আছিল। মই হজৰত মহম্মদ (ছাঃ)ক কোৱা শুনিছোঁ যে, মানুহৰ সৰ্বোত্তম পুণ্য কৰ্ম এয়ে যে, যি নিজৰ পিতৃ-মাতৃৰ বন্ধু-বান্ধৱক মনত ৰাখে আৰু সন্মান কৰে। (হাদীছ মুছলিম ২য় খণ্ড)

## সৎ সঙ্গ

হজৰত মহম্মদ (ছাঃ) সকলো সময়ত সৎ ব্যক্তি অথবা ধৰ্মনিষ্ঠ ব্যক্তি সকলৰ সংগ পছন্দ কৰিছিল। তেখেত (ছাঃ)বিচাৰিছিল যে,ধৰ্মনিষ্ঠ ব্যক্তি সকল সদায় তেখেত (ছাঃ)ৰ লগত থাকক। যদি কেতিয়াবা কোনো ব্যক্তিৰ মাজত তেখেত (ছাঃ) য়ে কোনো দুৰ্বলতা দেখিছিল; তেনেহলে তেওঁক অকলে ভদ্ৰভাৱে উপদেশ দিছিল আৰু তাৰ সেই দুৰ্বলতা গোপন কৰি ক্ষমা কৰি দিছিল। হজৰত আবু মুছা আশ্বআৰী (ৰাঃ) ৰ বৰ্ণনা,হজৰত মহম্মদ (ছাঃ) য়ে কৈছিল, পুণ্যাত্মা বা সৎমিত্ৰৰ দৃষ্টান্ত এনেকুৱা, ধৰা হ'ল এজন ব্যক্তি আতৰ (সুগন্ধি) লৈ গৈ আছে। যদি তেওঁ নিজৰ গাত লগায় তেন্তে ফল পাব আৰু যদি সি বিক্ৰী কৰে, তেন্তে লাভবান হ'ব আৰু যদি একো নকৰি কেৱল ওচৰতে ৰাখে; তেন্তে সি সুঘ্ৰাণ পাব। কিন্তু অসৎ বা দুৰাত্মা মিত্ৰৰ সংস্পৰ্শত থকা যেন অগ্নিকুণ্ডত ফুঁ দিয়া। তাৰ পৰা এই আশঙ্কা কৰা যায় যে, অগ্নি স্ফুলিঙ্গ উৰি আহি তেওঁৰ কাপোৰ জ্বলাই ভষ্ম কৰি দিব। নাইবা কয়লাৰ ধোঁৱাৰ দুৰ্গন্ধে তেওঁৰ শৰীৰ বেয়া হৈ যাব। (হাদীছ মুছলিম)

হজৰত মহম্মদ (ছাঃ)সদায় সহচৰ সকলক কৈছিল, মানুহৰ চৰিত্ৰ তদ্ৰূপ হয়; যি সঙ্গ বা মজলিচৰ সৈতে সিহঁতে উঠা বহা কৰে। গতিকে সদায় সৎ সঙ্গত থকাৰ চেষ্টা কৰিবা। (হাদীছ মুছলিম)

## মানুহৰ ঈমান (বিশ্বাস)ৰ প্ৰতি শ্ৰদ্ধা আৰু সুৰক্ষা

ৰছুলে কৰিম (ছাঃ) সদায় তীক্ষ্ণ আৰু সজাগ দৃষ্টি ৰাখিছিল যে, কোনো ব্যক্তি যেন প্ৰবঞ্চনাৰ কবলত নপৰে। এনে কোনো কথা যেন কোৱা নহয়; যাৰ ফলত মানুহ সৎ পথ এৰি অসৎ পথ অৱলম্বন কৰিব লগা হয়। এদিনাখন ৰছুলে কৰিম (ছাঃ)মছজিদত বহি আছিল। সেই সময়ত তেখেত (ছাঃ)ৰ পত্নী হজৰত ছাফিয়া (ৰাঃ)য়ে তেখেত (ছাঃ)ৰ সৈতে দেখা কৰিবলৈ আহিছিল। হজৰত মহম্মদ (ছাঃ)ৰ লগত কথা পাতি থাকোতেই যথেষ্ট সময় লাগিছিল। তেতিয়া তেখেত (ছাঃ)য়ে উপলব্ধি কৰিব পাৰিছিল যে,তাই (ৰাঃ)ক ঘৰলৈ দি অহা উচিত; তেতিয়া তেখেত (ছাঃ)য়ে তাই (ৰাঃ)ক লগত লৈ ঘৰলৈ গৈ আছিল। এনেতে বাটত দুজন ব্যক্তিৰ সৈতে দেখা হয়। আঁহজৰত (ছাঃ)ৰ মনত ধাৰণাৰ উদ্ৰেক হৈছিল যে, হয়তো সেই ব্যক্তিৰ মনত কোনো সন্দেহ সৃষ্টি হ'ব পাৰে যে,হজৰত মহম্মদ (ছাঃ) ৰাতিৰ সময়ত মহিলাক লৈ ক'ত যাই আছে ? এই ভাবি তেখেত (ছাঃ)য়ে মানুহ দুজনক থিয় হ'বলৈ অনুৰুধ কৰিলে আৰু কলে, চোৱা! ই মোৰ মৰমৰ পত্নী হজৰত ছাফিয়া (ৰাঃ)। সিহঁতে কলে,হে আল্লাহৰ ৰছুল! আপোনাৰ সম্পৰ্কে আমাৰ মনত অমূলক কোনো কুধাৰণা কেনেকৈ সৃষ্টি হ'ব পাৰে ? তেতিয়া ৰছুলে কৰিম (ছাঃ)কৈছিল, চয়তান মানুহৰ শিৰাত চলাচল কৰে। মোৰ ভয় হয়তো তোমালোকৰ শ্ৰদ্ধা আৰু বিশ্বাসত কোনো অশুভ প্ৰবৃত্তি গা কৰি উঠি প্ৰতাৰিত কৰিব পাৰে। সেয়ে মই এই কথা কলো। (হাদীছ বুখাৰী ২য় খণ্ড)

## আনৰ দোষ ক্ৰুটি ঢাকি ৰাখা

হজৰত মহম্মদ (ছাঃ)ৰ দৃষ্টিত যদি কোনো ব্যক্তিৰ দোষ ক্ৰুটি ধৰা পৰিছিল; তেনেহলে তেখেত (ছাঃ)য়ে তাক গোপন ৰাখিছিল; আনহাতে যদি কোনোৱে নিজৰ দোষ প্ৰকাশ কৰিছিল, তেন্তে তেখেত (ছাঃ)য়ে তাক গৰিহণা দিছিল। তেখেত (ছাঃ)য়ে কৈছিল,আল্লাহৰ কোনো ভৃত্য যদি পৃথিৱীত আনৰ দোষ ক্ৰুটি আৰু পাপ কাৰ্য্য গুপ্ত ৰাখে; তেনেহলে নিশ্চয় আল্লাহ তায়লা কিয়ামতৰ দিন তেওঁৰ দোষ ক্ৰুটি আৰু পাপ কাৰ্য্য গোপন ৰাখিব। (হাদীছ মুছলিম ২য় খণ্ড)

তেখেত (ছাঃ)য়ে আৰু কৈছিল, মোৰ উম্মতৰ প্ৰত্যেক ব্যক্তিৰ পাপ একমাত্ৰ প্ৰকৃত অনুতাপ (তৌবা) আৰু সংশোধনৰ দ্বাৰা ক্ষমা হ'ব পাৰে। কিন্তু যিজন নিজৰ পাপ নিজেই প্ৰকাশ কৰে তেওঁৰ কোনো প্ৰতিকাৰ নাই। এই কথাটি স্পষ্ট কৰাৰ বাবে তেখেত (ছাঃ)য়ে আৰু কৈছিল, স্বয়ং কু-কৰ্ম তথা পাপ কাৰ্য্য ঘোষণা কৰাৰ অৰ্থ হ'ল, ধৰা হ'ল এজন ব্যক্তি ৰাতি কোনো পাপ কৰিছে আৰু আল্লাহ তায়লা তেওঁৰ সেই পাপ গুপ্ত ৰাখিছে। কিন্তু ৰাতিপুৱা তেওঁ নিজৰ বন্ধু-বান্ধৱৰ আগত কয় যে,হে অমুক! মই আজি ৰাতি এই পাপ কাম কৰিছোঁ। ৰাতি আল্লাহ তেওঁৰ যি পাপৰ ওপৰত পৰ্দা কৰি গোপন ৰাখিছিল; পুৱা সি নিজেই তেওঁৰ সেই পাপ উলঙ্গা কৰি দিলে। (হাদীছ বুখাৰী ২য় খণ্ড, কিতাবুল আদব)

কিছু সংখ্যক লোক অজ্ঞতাবশত ধাৰণা কৰে যে, নিজৰ কু-কৰ্মবোৰ স্বয়ং ঘোষণা কৰিলে অনুতাপ (তৌবা ) কৰা হয়। কিন্তু প্ৰকৃত তত্ব হ'ল, পাপ প্ৰকাশ কৰিলেই অনুতাপ নহয়।বৰং ই নিলৰ্জ্জতাকহে বৃদ্ধি কৰে। পাপ যদিও আল্লাহৰ দৃষ্টিত জঘন্য বেয়া কাম তথাপি যদি কোনো ব্যক্তিৰ দ্বাৰা পাপ কাৰ্য্য সংগঠিত হয় আৰু পিছত যদি তেওঁ শুদ্ধ হৃদয়ত তাৰ বাবে অনুতাপ (তৌবা) কৰে; আৰু নিজৰ দুৰ্বলতাৰ বাবে লজ্জিত হয়; তেনেহলে আল্লাহ তায়লা তেওঁৰ অনুশোচনা স্বীকাৰ কৰে আৰু অনুতাপৰ ৰাস্তা মুকলি থাকে লগতে (তাকৰা) খোদা ভীৰুতা তেওঁৰ হৃদয়ত সৃষ্টি হ'ব ধৰে। তাৰ পিছত এনে এক স্বৰ্ণ সুযোগ তেওঁৰ জীৱনত আহে, যেতিয়া পাপীও ধাৰ্মীকত পৰিণত হয়। সকলো পাপ কৰ্ম আঁতৰি পলায়ন কৰে আৰু (তাকৰা) খোদা ভীৰুতা জয় লাভ কৰে। কিন্তু যি ব্যক্তিয়ে নিজৰ কু-কৰ্ম সমূহ ঘোষণা কৰি ফুৰে আৰু ধৃষ্টতা পূৰ্বক গৰ্ববোধ কৰে; তেওঁৰ বিবেক শক্তি ক্ষীণ হৈ যায়। ফলত তেওঁ পাপ পুণ্যৰ পাৰ্থক্য কৰিব নোৱাৰে। এনে অৱস্থাত অনুতাপৰ কোনো প্ৰশ্নই নুউঠে।

প্ৰসঙ্গ ক্ৰমে উল্লেখ কৰা হ'ল,এদিনাখন এজন ব্যক্তি হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত আহি কলে, হে আল্লাহৰ ৰছুল! মই ব্যভিচাৰ কৰিছোঁ, ইছলামী বিধান অনুসৰি ব্যভিচাৰ আটাইতকৈ অপৰাধ যাক ক্ষমা কৰা নাযায়।অৰ্থাৎ যি ঠাইত ইছলামী বিধান প্ৰচলিত হয়; সেই ঠাইত উক্ত অপৰাধীক ইছলামী নিয়ম অনুযায়ী শাৰীৰিক শাস্তি দিয়া হয়।ৰছুলে কৰিম (ছাঃ) উক্ত ব্যক্তিৰ এনে জঘন্য অপৰাধৰ কথা শুনি তৎক্ষণাত তেওঁৰ পৰা মুখ ঘূৰাই লৈ চাহাবা (ৰাঃ) সকলৰ সৈতে কথা পাতিবলৈ আৰম্ভ কৰে। তেখেত (ছাঃ)ৰ অভিপ্ৰায় এয়ে আছিল যে, যাতে মানুহজনে নিজৰ অপৰাধ বুজি পাই তাক চৰ্চা নকৰে আৰু তৌবা (অনুতাপ) কৰি আল্লাহৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰে। কিন্তু মানুহজনে আল্লাহৰ নবী (ছাঃ) তেওঁৰ কথা শুনিবলৈ পোৱা নাই বুলি ভাবি পুনৰ

তেখেত (ছাঃ)ৰ সন্মুখত আহি সেই একে অপ্রিয় কথা কলে। এই বাৰো তেখেত (ছাঃ)য়ে মানুহ জনৰ পৰা মুখ ঘূৰাই নিছিল।সেই ব্যক্তি এইদৰে চাৰিবাৰ সেই একেই নিজৰ দুষ্কৰ্মৰ কথা কৈছিল। তেতিয়া হজৰত মহম্মদ (ছাঃ)অসহ্য হৈ কৈছিল, মই বিচাৰিছিলোঁ যে,তেওঁ সেই সময়লৈকে দুষ্কৰ্মৰ ঘোষণাৰ পৰা বিৰত থাকিব; যেতিয়ালৈকে আল্লাহৰ পৰা এই বিষয়ত কোনো গেৰেপ্তাৰী নাহে। কিন্তু মানুহজনে নিজৰ বিৰুদ্ধে স্বয়ং চাৰিবাৰ সাক্ষী দান কৰিছে। গতিকে মই নিৰুপায় । আকৌ কলে, এই ব্যক্তি নিজেই নিজৰ ওপৰত অভিযোগ আনিছে। সেই মহিলাজনীয়ে তেওঁৰ বিৰুদ্ধে কোনো অভিযোগ উত্থাপন কৰা নাই।যাৰ সম্পৰ্কে কৈছে যে,মই দুষ্কৰ্ম কৰিছোঁ। গতিকে সেই মহিলাজনীকো সুধা হওঁক। যদি তাই অস্বীকাৰ কৰে; তেন্তে তাইৰ যেন কোনো ক্ষতি নহয়। কেৱল এই ব্যক্তি জনক নিজৰ সাক্ষীৰ অণুকলে শাস্তি দিয়া হওঁক। আনহাতে যদি সেই মহিলাজনীয়েও নিজৰ অপৰাধ স্বীকাৰ কৰে; তেন্তে তাইকো শাস্তি দিয়া হওঁক।

ৰছুলে কৰিম (ছাঃ)ৰ এটায়েই নীতি আছিল যে,যিবিলাক সমস্যাৰ বিষয়ে পৱিত্ৰ কোৰাণ শ্বৰীফৰ শিক্ষা তেতিয়ালৈকে অৱতীৰ্ণ হোৱা নাছিল;সেইবিলাক সমস্যাৰ সমাধানৰ ক্ষেত্ৰত তেখেত (ছাঃ)য়ে হজৰত মুছা (আঃ)ৰ চৰিয়ত তৌৰাত গ্ৰন্থৰ বিধান অনুসৰণ কৰিছিল। ইহুদী ধৰ্ম গ্ৰন্থ তৌৰাতৰ আদেশ অনুসৰি ব্যভিচাৰৰ বাবে আদেশ প্ৰস্তৰাগাতে প্ৰাণ দণ্ড দিয়া আছিল। সেই কাৰণে তেখেত (ছাঃ)য়ে উক্ত ব্যক্তিৰ প্ৰাণ দণ্ডৰ আদেশ দিছিল। যেতিয়া মানুহে হজৰত মহম্মদ (ছাঃ)ৰ আদেশ অনুসৰি তেওঁৰ ওপৰত শিল নিক্ষেপ কৰা আৰম্ভ কৰিছিল; তেতিয়া তেওঁ মৃত্যুৰ ভয়ত পলাই যাবলৈ ধৰিছিল। কিন্তু মানুহবিলাকে দৌৰি গৈ তেওঁক ধৰিছিল আৰু তৌৰাতৰ বিধান অনুসৰি হত্যা কৰিছিল। হজৰত মহম্মদ (ছাঃ)য়ে যেতিয়া বিষয়টো অৱগত হৈছিল; তেতিয়া অপ্ৰসন্ন হৈ কৈছিল; তেওঁৰ শাস্তি তেওঁৰ স্বীকাৰোক্তি  অনুসৰি দিয়া হৈছিল। কিন্তু যেতিয়া তেওঁ মৃত্যুৰ ভয়ত পলাই যাবলৈ চেষ্টা কৰিছিল। তেতিয়া নিশ্চয় তেওঁ নিজৰ স্বীকাৰুক্তি প্ৰত্যাহাৰ কৰি যাব বিচাৰিছিল। গতিকে এনে অৱস্থাত তেওঁৰ ওপৰত শিল বৰ্ষণ কৰা তোমালোকৰ কোনো অধিকাৰ নাছিল। তোমালোকে তেওঁক এৰি দিয়া উচিত আছিল।কিন্তু তোমালোকে তাকে নকৰি তেওঁক হত্যা কিয় কৰিলা ?

হজৰত মহম্মদ (ছাঃ) সকলো সময়ত উপদেশ দিছিল যে, চৰিয়তৰ বিধান ঘোষণা প্ৰকাশ হ'ব লাগিব আৰু তাৰ বাবে আমি নিশ্চয় বাট চাব লাগিব। এসময়ত কিছু সংখ্যক চাহাবা (ৰাঃ) অৰ্থাৎ মুছলমান এখন যুদ্ধলৈ গৈ আছিল। ৰাস্তাত এজন মুশৰিক (প্ৰতিমা পূজাৰী)ৰ সৈতে সিহঁতৰ দেখা হৈছিল যি গোপনে ইফাল সিফাল অৰণ্যত লুকাই ফুৰিছিল। যেতিয়াই তেওঁ কোনো মুছলমানক অকলসৰে পাইছিল; তেতিয়াই তেওঁৰ ওপৰত হঠাৎ

আক্ৰমণ কৰি হত্যা কৰিছিল। হজৰত ওছামা বিন জায়েদ (ৰাঃ)তেওঁৰ পশ্চাৎ অনুসৰণ কৰি কৌশলেৰে তেওঁক ধৰিছিল আৰু বধ কৰাৰ বাবে খড়্গ উঠাইছিল। যেতিয়া মুশৰিক জনে দেখিলে যে,এইবাৰ নিশ্চয় সি অসুবিধাত পৰিছে। তেতিয়া সি কলে,লা ইলাহা ইল্লাল্লাহ  অৰ্থাৎ আল্লাহৰ বাহিৰে কোনো উপাস্য নাই। ইয়াৰ দ্বাৰা মুশৰিক জনে নিজৰ অভিপ্ৰায় বুজাব বিচাৰিছিল যে, তেওঁ ইছলাম ধৰ্ম গ্ৰহণ কৰি এজন মুছলমান হৈছিল। কিন্তু হজৰত ওছামা বিন জায়েদ (ৰাঃ)তেওঁৰ সেই কথাত কৰ্ণসাৰ নকৰি তেওঁক হত্যা কৰিছিল। ইয়াৰ পিছত সেই যুদ্ধৰ সংবাদ ৰছুলে কৰিম (ছাঃ)ক দিয়াৰ বাবে এজন লোক মদিনাত উপস্থিত হৈছিল। সি যুদ্ধৰ সংবাদ প্ৰসঙ্গত উক্ত ঘটনাটিও উল্লেখ কৰিছিল। ইয়াৰ বাবে হজৰত মহম্মদ (ছাঃ)য়ে হজৰত ওছামা বিন জায়েদ (ৰাঃ)ক মাতিলে আৰু তেওঁক সুধিলে,তুমি সেই মানুজনক হত্যা কৰিছানে ? উত্তৰত তেওঁ কলে,হয় ।তেতিয়া ৰছুলে কৰিম (ছাঃ)য়ে কলে, তুমি কিয়ামতৰ দিন কি কৰিবা, যেতিয়া লা ইলাহা ইল্লাল্লাহু তোমাৰ বিৰুদ্ধে সাক্ষী দিব ? অৰ্থাৎ আল্লাহৰ পৰা প্ৰশ্ন কৰা হ’ব যে, যেতিয়া সেই ব্যক্তি লা ইলাহা ইল্লাল্লাহু পাঠ কৰিছিল; তেতিয়া তুমি তাক কিয় হত্যা কৰিছিলা ? যদিও সি এজন হত্যাকাৰী আছিল; তথাপি সি তৌবা কৰিছিল। উত্তৰত ওছামা বিন জায়েদ (ৰাঃ) কেইবাবাৰো কৈছিল, হে আল্লাহৰ ৰছুল! মানুহজন কেৱল মৃত্যুৰ ভয়ত ঈমান (বিশ্বাস) অনাৰ কথা কৈছিল। সি ইছলাম ধৰ্ম গ্ৰহণৰ মাত্ৰ অভিনয় হে কৰিছিল। কিন্তু হজৰত ওছামা বিন জায়েদৰ (ৰাঃ)ৰ এই উক্তি শুনি ৰছুলে কৰিম (ছাঃ)য়ে কৈছিল, তুমি মানুহজনৰ বুকু ফালি প্ৰত্যক্ষ কৰিছিলানে যে,তেওঁ বাহ্যিক ৰূপে সেয়া অভিনয় কৰিছিল নে আভ্যন্তৰিণ ভাবে হৃদয়ত বিশ্বাস স্থাপন কৰিছিল ? ইয়াৰ পিছত তেখেত (ছাঃ)য়ে বাৰে বাৰে এই কথা কৈছিল,তুমি কিয়ামতৰ দিন কি উত্তৰ দিবা; যেতিয়া এই লা ইলাহা ইল্লাল্লাহ বাক্যটি তোমাৰ বিৰুদ্ধে সাক্ষী দিব ? হজৰত ওছামা বিন জায়েদ (ৰাঃ) অনুতাপ প্ৰকাশ কৰি কৈছিল, হ্যায় মই সেই সময়ত কিয় এনে নিন্দনীয় কাম কৰিছিলোঁ ? যদি মই ইছলাম ধৰ্ম গ্ৰহণ কৰি মুছলমান হলোহেঁতেন, তেন্তে এই অন্যায় কৰ্ম মোৰ দ্বাৰা সংঘঠিত নহ’লহেঁতেন। (হাদীছ মুছলিম)

ৰছুলে কৰিম (ছাঃ)ৰ অনধিকাৰ প্ৰৱেশ আৰু অপৰাধ (পাপ) ক্ষমা কৰা এক মহৎগুণ আছিল। এসময়ত কিছু সংখ্যক কপটাচাৰী ব্যক্তিয়ে হজৰত ৰছুলে কৰিম (ছাঃ)ৰ পত্নী হজৰত আয়েশা ছিদ্দিকা (ৰাঃ)ৰ নামত অপবাদ প্ৰচাৰ কৰিছিল। সেই অপবাদ প্ৰচাৰকাৰী সকলৰ মাজত এনে এজন ব্যক্তিও আছিল;যাৰ ভৰণ-পোষণ আৰু প্ৰতি পালনৰ দায়িত্ব হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ) ৰ আছিল। এই অপবাদ যেতিয়া সম্পূৰ্ণ মিছা প্ৰমাণ হৈছিল; তেতিয়া হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)য়ে সেই ব্যক্তি

জনৰ ভৰণ-পোষণ আৰু প্ৰতি পালন বন্ধ কৰি দিছিল। কাৰণ মানুহজনে তেখেত (ৰাঃ)ৰ ছোৱালীৰ বিৰুদ্ধে মিছা অপবাদ কৰিছিল। ইয়াৰ বাহিৰে তেখেত (ৰাঃ)আন কি সিদ্ধান্ত ল'ব পাৰে ? বেলেগে নিশ্চয় এনে ঘোৰ অপৰাধীক বধ কৰি পেলালেহেঁতেন। কিন্তু হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ) কেৱল তেওঁৰ প্ৰতি পালন আৰু ভৰণ পোষণ বন্ধ কৰি দিছিল। ৰছুলে কৰিম (ছাঃ)য়ে যেতিয়া এই ঘটনা জানিব পাৰিছিল; তেতিয়া হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ক মাতি আনি বুজাই কলে,হে আবু বক্কৰ! মানুহজনে নিশ্চয় অপৰাধ আৰু পাপ কৰিছে, কিন্তু আপোনাৰ মৰ্য্যদা তেওঁতকৈ অধিক। গতিকে তেওঁৰ প্ৰতি পালন আৰু ভৰণ পোষণৰ পৰা তেওঁক বঞ্চিত কৰা আপোনাৰ উচিত হোৱা নাই। সি যিয়েই নহওঁক কিয়, আল্লাহৰ নবী হজৰত মহম্মদ (ছাঃ)ৰ এই কথা শুনি হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)য়ে পুনৰ সেই ব্যক্তি জনৰ ভৰণ-পোষণ আৰু প্ৰতি পালনৰ দায়িত্ব গ্ৰহণ কৰিছিল। (হাদীছ বুখাৰী ২য় খণ্ড, কিতাবুল তফছীৰ)

## ধৈৰ্য্য

ৰছুলে কৰিম (ছাঃ) য়ে কৈছিল যে,মোমিন মুছলমানৰ জীৱন পুণ্যময়। মোমিন সকলৰ বাবে পৃথিৱীত কেৱল কল্যাণ আৰু কল্যাণ। মোমিন অবিহনে এই মৰ্য্যদা লাভ কৰা কাৰো ভাগ্যত সম্ভৱ নহয়। মোমিন ব্যক্তিয়ে কোনো সফলতা অৰ্জন কৰিলে, আল্লাহক ধন্যবাদ জ্ঞাপন কৰি কৃতজ্ঞতা প্ৰকাশ কৰে। ফলত সিহঁতে আল্লাহৰ আৰ্শীবাদৰ পাত্ৰ হয়। যদি মোমিন সকলে বিধিপথালিত পৰে, তেনেহলে ধৈৰ্য্য ধাৰণ কৰি আল্লাহৰ পুৰস্কাৰ লাভৰ অধিকাৰী হয়। (হাদীছ মুছলিম)

যেতিয়া হজৰত মহম্মদ (ছাঃ)ৰ মৃত্যুৰ সময় ওচৰ চাপি আহিছিল, আৰু মৃত্যু যন্ত্ৰণাত তেখেত (ছাঃ) শয্যাত ছট্‌ফট্ কৰিছিল; তেতিয়া তেখেত (ছাঃ)ৰ এই কৰুণ আৰু উৎকণ্ঠিত অৱস্থা দেখি তেখেত (ছাঃ)ৰ প্ৰিয় কন্যা হজৰত ফাতিমা (ৰাঃ) শোকাচ্ছন্ন অৱস্থাত কৈছিল, হায়! মই মোৰ পিতৃৰ যন্ত্ৰণা সহ্য কৰিব পৰা নাই। হজৰত মহম্মদ (ছাঃ)য়ে তাইৰ এই কথা শ্ৰৱণ কৰি উপদেশ দিছিল, হে মোৰ অতি স্নেহৰ ছোৱালী! ধৈৰ্য্য ধাৰণ কৰা। আজিৰ দিনটোৰ বাহিৰে তোমাৰ দেউতাকৰ আৰু কষ্ট নহ'ব। (হাদীছ বুখাৰী)

অৰ্থাৎ মোৰ কষ্ট কেৱল পৃথিৱীত জীৱন্তকাল পৰ্যন্ত সীমাৱদ্ধ। মই আজি মোৰ প্ৰভুৰ ওচৰত যোৱাৰ পিছত যন্ত্ৰণাৰ কোনো মুহূৰ্ত মোৰ বাবে নাহিব। এই প্ৰসঙ্গত আন এটি কথা উল্লেখ কৰিব পাৰি যে,কলেৰা, মহামাৰী আদিৰ দৰে কোনো সংক্ৰামক ৰোগৰ প্ৰকোপ দেখা দিলে, ভয়ত আতংকিত হৈ আন কোনো চহৰলৈ যোৱা আল্লাহৰ

নবী পছন্দ কৰা নাছিল। কাৰণ ইয়াৰ ফলত এক অঞ্চলৰ ব্যাধি আন এক অঞ্চললৈ বিয়পি পৰে বিভীষিকাৰ সৃষ্টি কৰে। তেখেত (ছাঃ)য়ে উপদেশ দিছিল, যদি এনে সংক্ৰামক ব্যাধিত আক্ৰান্ত হৈ কোনো ব্যক্তি স্থানান্তৰিত নহৈ একে ঠাইতে ধৈৰ্য্য সহকাৰে ৰৈ যায়; আৰু আন ঠাইৰ ৰোগ বিয়পাৰ কাৰণ নহয়; আৰু যদি তেওঁ ঢুকায়; তেন্তে তেওঁ শ্বহীদৰ শ্ৰেণী অৰ্জন কৰিব। (হাদীছ বুখাৰী)

উক্ত হাদীছৰ দ্বাৰা আল্লাহৰ নবী হজৰত মহম্মদ (ছাঃ) সংক্ৰামক ৰোগ বিস্তাৰ প্ৰতিৰোধ ব্যৱস্থাৰ বাস্তৱ দৃষ্টান্ত দাঙি ধৰিছিল।

## পাৰস্পাৰিক সহায়তা দান

হজৰত মহম্মদ (ছাঃ) য়ে সদায় চাহাবা (ৰাঃ)সকলক সিহঁতৰ মাজত পাৰস্পাৰিক সহযোগীতাৰ মাধ্যমত কাম কৰিবলৈ উপদেশ দিছিল। তেখেত (ছাঃ)য়ে জমাতৰ মুছলমান লোক সকলৰ বাবে এই নীতি নিৰ্ধাৰণ কৰিছিল যে, যদি কোনো ব্যক্তিয়ে এনে কোনো অপৰাধ কৰে;যাৰ বিনিময়ত সি অৰ্থ দণ্ড দিব লাগে কিন্তু সি সেই অৰ্থ দণ্ড পৰিশোধ কৰিবলৈ অসমৰ্থ হয়; তেন্তে তেওঁৰ প্ৰতিৱেশী বা চহৰ বা নগৰবাসী নাইবা তেওঁৰ জাতি বৰ্গই মিলি সেই ধন পৰিশোধ কৰিব লাগিব।

হজৰত মহম্মদ (ছাঃ)ৰ ওচৰলৈ বহু লোক ধৰ্মৰ সেৱাৰ (খিদমতৰ) বাবে অহা যোৱা কৰিছিল।যি সকল লোক ধৰ্মৰ সেৱাৰ মানসেৰে তেখেত (ছাঃ)ৰ ওচৰত আহিছিল; তেওঁলোকৰ মিতিৰ কুটুম সকলক হজৰত ৰছুলে কৰিম (ছাঃ)য়ে উপদেশ দিছিল যে, তেওঁলোকে যেন সিহঁতৰ দায়িত্ব বহণ কৰে আৰু সিহঁতৰ প্ৰয়োজনীয় সকলো চাহিদাৰ প্ৰতি বিশেষ লক্ষ্য ৰাখে। এই সম্পৰ্কে হজৰত আনচ (ৰাঃ) য়ে উল্লেখ কৰিছে, হজৰত মহম্মদ (ছাঃ)ৰ যুগত এদিন দুজন ভাই ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল। সিহঁতৰ এজন ভাই হজৰত মহম্মদ (ছাঃ)ৰ সেৱাত নিয়োজিত আছিল আৰু আনজন সাংসাৰিক কাৰ্যত লিপ্ত হৈ নিজ গৃহত থাকিছিল।গৃহ কাৰ্য্যত লিপ্ত থকা ভাইটিয়ে এদিন হজৰত মহম্মদ (ছাঃ)ৰ ওচৰত আহি নিজৰ ভাইয়েকৰ বিৰুদ্ধে এই অভিযোগ কৰিছিল যে, সি নিষ্কৰ্মা কোনো কাম বন নকৰি মনে মনে বহি থাকে। এই কথা শুনি হজৰত মহম্মদ (ছাঃ)য়ে কৈছিল, এনে কথা কেতিয়াও নকবা। পৰম কৰুণাময় আল্লাহ্ তেওঁক কৰুণা কৰি তোমালোকৰ খাদ্য বস্তুৰ যোগান ধৰিছে। গতিকে তেওঁক সেৱা যত্ন কৰা আৰু তেওঁক ধৰ্মৰ সেৱাৰ বাবে সকলো সময়ত স্বতন্ত্ৰ ভাৱে মুক্ত কৰি দিয়া। (হাদীছ তিৰমিজী)

এদিনাখন হজৰত মহম্মদ (ছাঃ)য়ে কোনো ঠাইলৈ ভ্ৰমণলৈ গৈ আছিল। যাওঁতে বাটত এঠাইত শিবিৰ স্থাপন কৰিছিল আৰু চাহাবা (ৰাঃ) সকলে শিবিৰ প্ৰস্তুত কৰাৰ

প্ৰয়োজনীয় সামগ্ৰী সংগ্ৰহ আৰু অন্যান্য কামৰ নিমিত্তে ইফালে সিফালে সিঁচৰিত হৈ পৰিছিল। তেওঁলোকে প্ৰত্যেকৰে মাজত কামবোৰ ভগাই লৈছিল, কিন্তু হজৰত মহম্মদ (ছাঃ)ক কোনো কাম দিয়া নাছিল। তেতিয়া তেখেত (ছাঃ)য়ে কৈছিল,তোমালোকে মোৰ বাবে কোনো কাম ৰাখা নাই ? কিন্তু মই ৰন্ধাৰ বাবে কাঠ সংগ্ৰহ কৰিম। এই কথা শুনি চাহাবা (ৰাঃ) সকলে কৈছিল, হে আল্লাহৰ ৰছুল! আমি কাম কৰিব পৰা সকলোৱে ইয়াত উপস্থিত আছো, গতিকে আপোনাৰ কষ্ট কৰাৰ কি প্ৰয়োজন আছে ? ৰছুলে কৰিম (ছাঃ)য়ে কৈছিল, নহয়! তোমালোকৰ সহযোগীতা কৰা নিশ্চয় মোৰ কৰ্ত্তব্য। ইয়াৰ পিছত তেখেত (ছাঃ)যে হাবিত গৈ কাঠ সংগ্ৰহ কৰি আনিছিল। হজৰত ৰছুলে কৰিম (ছাঃ)এই দৰে পৰস্পৰ পৰস্পৰক সহযোগীতা কৰাৰ সৰ্বোৎকৃষ্ট আৰু মহৎ দৃষ্টান্ত স্থাপন কৰিছিল। (জুৰকানী ৪ৰ্থ খণ্ড)

## সত্যতা

সত্যতাৰ ক্ষেত্ৰত হজৰত মহম্মদ (ছাঃ)ৰ স্থান আৰু মৰ্য্যদা ইমান উচ্চ আছিল যে, তেখেত (ছাঃ)ৰ জাতিয়ে তেখেত (ছাঃ)ৰ নাম ছিদ্দিক (সত্যবাদী) উপাধিৰে ভুষিত কৰিছিল। তেখেত (ছাঃ) সদায় নিজৰ জমাত তথা চাহাবা (ৰাঃ) সকলক সজ বাটত চলাৰ বাবে আৰু সত্যৰ ওপৰত দৃঢ় ভাৱে থকাৰ বাবে উপদেশ দিছিল। আনকি তেখেত (ছাঃ)য়ে মুছলমান সকলক সত্যবাদিতাৰ ইমান উচ্চ স্থানত প্ৰতিষ্ঠিত কৰাৰ বাবে প্ৰচেষ্টা চলাইছিল, যি সৰ্বপ্ৰকাৰ মিছাতকৈ পৱিত্ৰ আছিল। তেখেত (ছাঃ)য়ে কৈছিল যে,মানুহে সত্যতাৰ গুণে সৎ কৰ্মৰ প্ৰতি অগ্ৰসৰ হয় আৰু পৰিণামত মানুহ পুণ্যবান হৈ স্বৰ্গৰ অধিকাৰী হয়। সত্যবাদীতাৰ প্ৰকৃত স্থান হ'ল মানুহে সদায় সঁচা কথা ক'ব লাগে যাতে মানুহ আল্লাহৰ ওচৰত সত্যবাদী বুলি গৃহীত হয়। মানুহ সদায় সত্যতাৰ ওপৰত প্ৰতিষ্ঠিত থাকিব লাগে।যাতে আল্লাহ পাক তাৰ সত্যতাৰ সাক্ষী হয়। এয়েই প্ৰকৃত সত্যতা। ( হাদীছ তিৰমিজী)

এসময়ত হজৰত মহম্মদ (ছাঃ)ৰ ওপৰত এজন বন্দীক অনা হৈছিল, যিয়ে বহু মুছলমানক হত্যা কৰিছিল। হজৰত ওমৰ ফাৰুক (ৰাঃ)য়ে ভাৱিছিল যে, নিশ্চয় মানুহ জন মৃত্যু দণ্ডৰ যোগ্য। সেয়ে তেখেত (ৰাঃ) য়ে মানুহজনক হত্যা কৰিবলৈ উদ্ধত হৈছিল। তেখেত (ৰাঃ)য়ে বাৰে বাৰে হজৰত মহম্মদ (ছাঃ)ৰ মুখৰ পিনে চাই আছিল; যাতে তেখেত (ছাঃ)ৰ পৰা ইঙ্গিত পোৱাৰ লগে লগে মানুহজনক হত্যা কৰিব পাৰে। কিন্তু ৰছুলে কৰিম (ছাঃ)য়ে যেতিয়া বন্দীজনক যাবলৈ আদেশ দিছিল,তেতিয়া হজৰত

ওমৰ ফাৰুক (ৰাঃ)য়ে কৈছিল,হে আল্লাহৰ ৰছুল! এই ব্যক্তি এজন হত্যাকাৰী আৰু নিশ্চয় তেওঁ মৃত্যু দণ্ডৰ আচামী। তেওঁক প্ৰাণদণ্ড দিয়া উচিত। এই কথা শুনি তেখেত (ছাঃ)য়ে কলে, যদি তেওঁ হত্যাৰ যোগ্য তেন্তে তুমি তাক হত্যা কৰা নাই কিয় ? উত্তৰত হজৰত ওমৰ ফাৰুক (ৰাঃ)য়ে কলে, হে আল্লাহৰ ৰছুল! আপুনি সংকেত দিলে মই নিশ্চয় হত্যা কৰিলোঁহেঁতেন। ৰছুলে কৰিম (ছাঃ)য়ে কৈছিল, আল্লাহৰ নবী কেতিয়াও কোনো হীন কৌশল অৱলম্বন নকৰে। তেন্তে ই কেনেকৈ সম্ভৱ যে, মই মুখেৰে তেওঁৰ সৈতে মৰম স্নেহেৰে কথা পাতিম আৰু চকুৰে তেওঁৰ হত্যাৰ সংকেত প্ৰদান কৰিম। (ইবনে হিশাম)

এদিনাখন এজন ব্যক্তি হজৰত মহম্মদ (ছাঃ)ৰ ওচৰলৈ আহি কৈছিল, হে আল্লাহৰ ৰছুল! মোৰ মাজত তিনিটা দোষ আছে। সেয়া হ'ল (১) মিছা কথা কোৱা (২) সুৰা পান কৰা (৩) ব্যভিচাৰ (যিনা)। মই এই দোষ বোৰৰ পৰা ৰক্ষা পোৱাৰ বাবে যথেষ্ট চেষ্টা কৰিছোঁ। কিন্তু মোৰ চেষ্টাৰ কোনো ফল পোৱা নাই। আপুনি দয়া কৰি ইয়াৰ পৰা পৰিত্ৰাণ পোৱাৰ উপায় কি দিয়ক। তেতিয়া ৰছুলে কৰিম (ছাঃ)য়ে কৈছিল, প্ৰথমে তুমি ইয়াৰ যিকোনো এটা পাপ পৰিত্যাগ কৰাৰ প্ৰতিজ্ঞা কৰা।বাকী পাপ মই ত্যাগ কৰাই দিম। মানুজনে কলে মই প্ৰতিজ্ঞা কৰিলোঁ, কিন্তু আপুনি কওঁক মই পাপ কেনেকৈ পৰিত্যাগ কৰিম। হজৰত মহম্মদ (ছাঃ) য়ে কলে, সৰ্বপ্ৰথম মিছা কথা কোৱা পৰিহাৰ কৰা। কিছুদিন পিছত সেই মানুহজনে পুনৰ হজৰত ৰছুলে কৰিম (ছাঃ)ৰ ওচৰত আহি কলে, হে আল্লাহৰ ৰছুল! মই আপোনাৰ নিৰ্দেশত চলি মোৰ সকলো পাপ আঁতৰি গৈছে। ৰছুলে কৰিম (ছাঃ)য়ে তেওঁক সুধিছিল, সেয়া কেনেকৈ সম্ভৱ হ'ল ? মানুহ জনে উত্তৰ দিলে যে, মই এদিন সুৰা পান কৰিবলৈ ইচ্ছা কৰো আৰু সেই উদ্দেশ্যত উঠি মোৰ মনত চিন্তাৰ উদ্ৰেক হ'ল যে, যদি মোৰ বন্ধু-বান্ধৱ সকলে প্ৰশ্ন কৰে,তুমি সুৰা পান কৰিছা নে ? তেন্তে মই কি উত্তৰ দিম ? কাৰণ প্ৰথমে মই মিছা কথা কৈছিলোঁ সিহঁতে মোক সুধিলে, মই সুৰা পান কৰিয়ো অস্বীকাৰ কৰিছিলোঁ। কিন্তু এতিয়া মই আপোনাৰ ওচৰত প্ৰতিজ্ঞা কৰিছোঁ সঁচা কথা কোৱাৰ। গতিকে যদি মই সুৰা পান কৰা বুলি স্বীকাৰ কৰো,তেন্তে বন্ধু-বান্ধৱ সকলে মোক পৰিহাৰ কৰিব আৰু সিহঁতৰ ওচৰত ঘৃণাৰ পাত্ৰ হম। আনহাতে যদি অস্বীকাৰ কৰো, তেন্তে মই মিছা কোৱাৰ দোষত অপৰাধী হম আপোনাৰ ওচৰত। কাৰণ মই আপোনাৰ ওচৰত সঁচা কথা কোৱাৰ প্ৰতিজ্ঞা কৰিছোঁ। তেতিয়া মই নিজক নিজে সিদ্ধান্ত ললো যে, এতিয়া সুৰা পান নকৰি পিছত কৰিম। এনেদৰে যেতিয়া মোৰ মনত ব্যভিচাৰ জাগ্ৰত হ'ল তেতিয়া সেই একেই প্ৰশ্ন মোৰ মনত উদয় হ'ল যে, যদি মোৰ বন্ধু-বান্ধৱ সকলে মোক প্ৰশ্ন কৰে তেনেহলে কি কৰিম ? যদি

মই ব্যভিচাৰ কৰিছোঁ বুলি স্বীকাৰ কৰো তেন্তে বন্ধু-বান্ধৱ সকলে ঘৃণা কৰি মোক বৰ্জন কৰিব আনহাতে যদি অস্বীকাৰ কৰো তেন্তে অসত্য কোৱা হ'ব। কিন্তু মইতো আপোনাৰ ওচৰত সঁচা কথা কোৱাৰ প্ৰতিজ্ঞা কৰিছোঁ এইদৰে মোৰ মনত কেইবাদিন দ্বন্দ্ব আৰু বিতৰ্ক চলি থাকে আৰু সংকল্প বাস্তৱ ৰূপায়িত হয়। অৱশেষত কিছু দিন পৰ্যন্ত এই দুটি অপৰাধৰ পৰা আঁতৰ থকাৰ বাবে মোৰ মনৰ পৰা ক্ৰমে এই সমূহ দুষ্কৰ্মৰ প্ৰতি আকৰ্ষণ হ্ৰাস পায় আৰু সত্যৰ ওপৰত অবিচল থকাৰ কাৰণে মোৰ পূৰ্বৰ অন্যান্য সমূহ পাপৰ সৈতে এইবোৰ পাপৰ পৰাও মুক্তি লাভ কৰো।

## আনৰ দোষ ত্ৰুটিৰ অনুসন্ধান নকৰা আৰু সু-ধাৰণা পোষণ কৰা

হজৰত মহম্মদ (ছাঃ) সদায় আনৰ দোষ ত্ৰুটি অনুসন্ধান কৰিবলৈ নিষেধ কৰিছিল। আৰু শুভ চিন্তা-ভাৱনা কৰিবলৈ উপদেশ দিছিল। হজৰত আবু হুৰাইৰা (ৰাঃ)ৰ বৰ্ণনা মতে হজৰত মহম্মদ (ছাঃ)য়ে কৈছিল, কথা খোঁচৰা গুণ আৰু কু-ধাৰণাৰ পৰা আঁতৰত থাকিবা। কাৰণ আনৰ দোষ ত্ৰুটি জানিবলৈ ব্যাগ্ৰহ হোৱা আটাইতকৈ ডাঙৰ পাপ। বৰঞ্চ আনৰ ছিদ্ৰান্বেষণ নকৰিবা। আনক ঘৃণণীয় নামেৰে সম্বোধন নকৰিবা, পৰস্পৰে পৰস্পৰৰ মাজত হিংসা বিদ্বেষ নকৰিবা, আৰু সকলোৱে নিজকে আল্লাহৰ এজন তুচ্ছ সেৱক বুলি গণ্য কৰিবা। পৰস্পৰে পৰস্পৰক ভাই বুলি গণ্য কৰিবা। স্মৰণ ৰাখিবা প্ৰত্যেক মুছলমান এজনে আনজনৰ ভাতৃ স্বৰূপ।কোনোৱে আনৰ ওপৰত অত্যাচাৰ নকৰিবা। বৰং বিধি পথালিৰ সময়ত এজনে আনজনক সহায় কৰিবা। ধন সম্পদ, বিদ্যা, বা আন বস্তুৰ নুন্যতাৰ হেতুকে কাকো হেয় জ্ঞান নকৰিবা। তাকৰা মানুহৰ হৃদয়ত সৃষ্টি হয়। পৱিত্ৰতা মানুহৰ আত্মাৰ সৈতে সম্পৰ্ক ৰহিত। নিজৰ ভাইক ঘৃণা কৰিলে আত্মা দুষিত আৰু অপৱিত্ৰতা হয়। মুছলমান হৈ আন মুছলমান ভাতৃক হত্যা কৰা,তেওঁৰ সম্পত্তি খৰ্ব কৰা,নতুবা আনৰ ধন হানি কৰা বৰ্জনীয়। পৰম কৰুণাময় আল্লাহ তোমালোকৰ শৰীৰ আকৃতি অথবা বাহ্যিক ক্ৰিয়াকৰ্ম কোনোটোৱেই নেদেখে। বৰং তোমালোকৰ হৃদয়ৰ আভ্যন্তৰিণ পৱিত্ৰতা হে দেখিবলৈ পায়। (হাদীছ মুছলিম)

## প্ৰৱঞ্চনা আৰু প্ৰতাৰণাৰ প্ৰতি ঘৃণা

ৰছুলে কৰিম (ছাঃ)য়ে সদায় এই বিষয়ে দৃষ্টি ৰাখিছিল যে, মুছলমান সকলৰ মাজত যেন বেহা-বেপাৰৰ ক্ষেত্ৰত প্ৰৱঞ্চনা আৰু প্ৰতাৰণাৰ সামান্য অংশও প্ৰতিষ্ঠিত নাথাকে। মুছলমান সকলে যাতে পাৰস্পাৰিক আদান-প্ৰদানৰ ক্ষেত্ৰত সদায় সৎ আচৰণ কৰে। এদিনাখন ৰছুলে কৰিম (ছাঃ) এখন বজাৰৰ মাজেদি গৈ থাকোতে দেখিবলৈ পাইছিল

যে, কোনো এঠাইত স্তপিকৃত (দ'ম) খাদ্য নিলামত বিক্ৰী কৰি আছিল।তেখেত (ছাঃ)য়ে সেই খাদ্য শস্যৰ দ'মৰ ভিতৰত হাত দি দেখিবলৈ পাইছিল যে, বাহিৰৰ শস্য শুকান কিন্তু ভিতৰৰ শস্য তিতা আছিল। তেখেত (ছাঃ) নিজৰ হাত শস্যৰ পৰা উলিয়াই বিক্ৰেতাজনক ইয়াৰ কাৰণ সুধিছিল। শস্য বিক্ৰেতাজনে কৈছিল, হে আল্লাহৰ ৰছুল! বৰষুণৰ কাৰণে কিছু শস্য তিতি গৈছে। তেতিয়া ৰছুলে কৰিম (ছাঃ)য়ে কৈছিল,ঠিক আছে। কিন্তু তুমি তিতি যোৱা শস্য ওপৰত ৰখা নাই কিয় ? তোমাৰ উচিত আছিল তিতা শস্য ওপৰত ৰখা যাতে গ্ৰাহকে দেখিয়েই বুজিব পাৰে যে, অৱশ্যই শস্যবোৰ তিতা আছে। ইয়াৰ পিছত তেখেত (ছাঃ)য়ে পুনৰ কলে, যি ব্যক্তি আনক প্ৰতাৰণা কৰে সি জমাত তথা সমাজৰ উপকাৰী আৰু কল্যাণকাৰী সদস্য হ'ব নোৱাৰে। (তিৰমিজি মুছলিম) তেখেত (ছাঃ)য়ে সদায় মুছলমান সকলক উপদেশ দিছিল যে,পাৰস্পাৰিক আদান-প্ৰদানত কেতিয়াও প্ৰতাৰণা নকৰিবা। নেদেখি কোনো বস্তু ক্ৰয় নকৰিবা। কোনোৱে বস্তু ক্ৰয় কৰি থকা অৱস্থাত উপখাচি ক্ৰয় কৰিবলৈ নাযাবা। মূল্য বৃদ্ধিৰ অভিপ্ৰায়ত কোনো দ্ৰব্য সঞ্চয় কৰি নাৰাখিবা। বৰং লগে লগে সেই দ্ৰব্যজাত সামগ্ৰী বজাৰত সৰবৰাহ বৃদ্ধি কৰা উচিত, যাতে জন সাধাৰণৰ চাহিদা সহজেই পূৰণ হয় আৰু তেওঁলোকৰ যেন কোনো অসুবিধা নহয়। সুদৰ ওপৰত সুদ গ্ৰহণ কৰা অনুচিত।

## নিৰাশাবাদৰ বিৰোধীতা

হজৰত মহম্মদ (ছাঃ) নিৰাশাবাদৰ ঘোৰ বিৰোধী আছিল। তেখেত (ছাঃ)য়ে কৈছিল যে,যি ব্যক্তিয়ে জন সাধাৰণৰ মাজত নিৰাশাবাদৰ কথা বতৰা বিয়পায়; সি জাতিৰ বংশৰ বাবে জগৰীয়া। কাৰণ এই ধৰণৰ কথা বাৰ্তা প্ৰচাৰিত হলে জাতিৰ ক্ষমতা বিনষ্ট হয় আৰু সেই জাতি অধপতনৰ পিনে অগ্ৰসৰ হয়। সমাজখনো হতাশ গ্ৰস্ত হৈ পতনৰ অতল গহ্বৰৰ পিনে ধাবিত হয়। গতিকে নিৰাশাবাদৰ প্ৰচাৰকাৰী দেশ জাতি তথা সমাজ দ্ৰোহী। তেওঁ নিশ্চয় সমাজ আৰু জাতি এখনৰ ঘাতক। সেইদৰে তেখেত (ছাঃ)য়ে গৰ্ব আৰু অহঙ্কাৰ কৰিবলৈও নিষেধ কৰিছিল। কাৰণ গৰ্ব আৰু অহঙ্কাৰেও এখন জাতি আৰু সমাজৰ পক্ষে ক্ষতিকাৰক। তেখেত (ছাঃ)যে আদেশ দিছিল যে, মানুহৰ সদায় মধ্য পন্থা অৱলম্বন কৰা উচিত। কোনো ব্যক্তি অত্যাধিক অহঙ্কাৰী হোৱা উচিত নহয় আকৌ নিৰাশাবাদীও হোৱা উচিত নহয়। বৰং মানুহে পৰম কৰুণাময় আল্লাহৰ ওপৰত পৰিণামৰ ভৰসা কৰি কেৱল নিজ নিজ কৰ্ত্তব্য পালন কৰি যাব। নিজৰ জাতি সমাজ আৰু সম্প্ৰদায়ৰ উন্নতিৰ আকাঙ্খা মনৰ মাজত থাকিব। কিন্তু তাৰ বাবে কোনো অহঙ্কাৰ

বা গৰ্ব থাকিব নোৱাৰিব। প্ৰত্যেকেই জ্ঞানী হোৱাৰ চিন্তা কৰা উচিত।

## প্ৰাণীবিলাকৰ প্ৰতি উত্তম আচৰণ

ৰছুলে কৰিম (ছাঃ)য়ে প্ৰাণীবিলাকৰ ওপৰত নিষ্ঠুৰতা পছন্দ কৰা নাছিল। তেখেত (ছাঃ)য়ে কৈছিল যে, বনি ইস্ৰাইল (ইহুদী আৰু খ্ৰীষ্টান)ৰ এজনী মহিলা তাইৰ মেকুৰীক অনাহাৰে মাৰিছিল বাবে খোদাৰ শাস্তি পৰিছিল। তেখেত (ছাঃ)য়ে পূৰ্বৰ উম্মতৰ আন এজনী মহিলাৰ বিষয়ে কৈছিল যে, তাই এদিন এটা পিয়া লগা কুকুৰ গভীৰ কুঁৱাৰ চাৰিওফালে ঘূৰি-ফুৰা দেখি নিজৰ জোতত (মুজাত) ৰচী বান্ধি উক্ত কুঁৱাৰ পৰা পানী তুলি আনি সেই তৃষ্ণাৰ্ত কুকুৰটিক পানী পান কৰাইছিল। এই এটা মাত্ৰ পুণ্য কৰ্মৰ ফলত আল্লাহ তায়লা তাইৰ সকলো পাপ ক্ষমা কৰি দিছিল। ( হাদীছ বুখাৰী)

হজৰত আব্দুল্লাহ ইবনে মাছুদ (ৰাঃ) বৰ্ণনা কৰিছে, এসময়ত আমি ৰছুলে কৰিম (ছাঃ)ৰ সৈতে ভ্ৰমণত আছিলো। বাটত আমি দুটা কপৌ চৰাইৰ পোৱালী এটা বাহত দেখিবলৈ পাইছিলোঁ। পোৱালি দুটা সৰু আছিল। সেই কণমানি পোৱালি দুটাক ধৰিছিলোঁ। মাতৃ কপৌ চৰাইটি নিজৰ বাহত উভতি আহি কণমানি পোৱালি দুটাক দেখিবলৈ নাপাই ব্যাকুল হৈ চাৰিওফালে উৰি থাকে। সেই সময়ত ৰছুলে কৰিম (ছাঃ) সেই ঠাইত উপস্থিত হৈ উক্ত ঘটনা প্ৰত্যক্ষ কৰি কৈছিল, এই প্ৰাণীটিক নিজৰ পোৱালীৰ বাবে কোনে কষ্ট দিছে ? চোৱা, নিজৰ পোৱালীৰ বাবে চৰাইটি কিমান ব্যাকুল হৈ পৰিছে। গতিকে পোৱালি চৰাই দুটিক অতি সোনকালে এৰি দিয়া যাতে মাতৃ চৰাইৰ চিত্ত শান্ত হয়। (হাদীছ: আবু দাউদ)

এদিনাখন ৰছুলে কৰিম (ছাঃ) দেখিবলৈ পাইছিল যে, এটি গাধাৰ মুখৰ ওপৰত উত্তপ্ত লোৰ দাগ দিয়া আছে। তেখেত (ছাঃ)য়ে সুধিছিল, এই গাধাৰ মুখত উত্তপ্ত লোৰ দাগ কিয় দিয়া হৈছে ? উপস্থিত লোক সকলে কৈছিল, দীৰ্ঘকাল ধৰি এই প্ৰথা চলি আছে যে, সৰ্ব শ্ৰেষ্ঠ গাধাক চিনাক্ত কৰাৰ বাবে এই দাগ চিহ্নৰ প্ৰয়োজন। ৰছুলে কৰিম (ছাঃ)য়ে কৈছিল, এনেকুৱা নকৰিবা। কাৰণ মুখ শৰীৰ কোমল আৰু সৌন্দৰ্য্যৰ অংশ বিশেষ। যদি দাগ দিয়াৰ একান্ত প্ৰয়োজন হয়; তেন্তে পশুৰ পিঠিৰ ওপৰত দিবা। (আবু দাউদ) তেতিয়াৰ পৰাই মুছলমান সকলে পশুৰ পিঠিত দাগ দিয়া প্ৰথা আৰম্ভ কৰে আৰু মুছলমান সকলক অনুসৰণ কৰি প্ৰাশ্চত্যৰ ইউৰোপীয় দেশ হয়তো পশুৰ পিঠিত দাগ দিয়া প্ৰথা আৰম্ভ হৈছিল। হজৰত আব্দুল্লাহ  ইবনে দাউদ(ৰাঃ)ৰ বৰ্ণনা মতে, এদিন

পৰুৱাৰ গাত দেখি মই শুকান পাত গোটাই তাত জুই লগাই দিছিলোঁ। ৰছুলে কৰিম (ছাঃ)য়ে উক্ত ঘটনা চাই মোৰ প্ৰতি অপ্ৰসন্ন হৈ কৈছিল, তুমি এই কাম কিয় কৰিছা ? এনে কাৰ্য্য অনুচিত। (হাদীছ আবু দাউদ)

## আনৰ কাম বক্ৰদৃষ্টিত নেদেখা (আন ধৰ্মৰ প্ৰতি সহিষ্ণুতা)

হজৰত মহম্মদ (ছাঃ) সকলো সময়ত মুছলমান সকলক এই উপদেশ দিছিল যে,অযথা কোনোৱে আনৰ কামৰ ওপৰত আপত্তি নকৰিবা। আনহাতে তোমাৰ লগত যি বিষয়ৰ কোনো সম্পৰ্ক নাই; সেই বিষয়ত জানিবলৈ চেষ্টা নকৰিবা। কাৰণ ইয়াৰ ফলত ফেৎনা কলহৰ সৃষ্টি হ'ব পাৰে। হজৰত মহম্মদ (ছাঃ) স্বয়ং সহিষ্ণুতাৰ সৰ্বশ্ৰেষ্ঠ আদৰ্শ আছিল। মানুহৰ বাবে ইছলামৰ উৎকৃষ্ট দৃষ্টান্ত হ'ল, যি বিষয়ত তেওঁৰ প্ৰত্যেক্ষ কোনো সম্পৰ্ক নাই,সেই বিষয়ত তেওঁৰ অহেতুক হস্তক্ষেপ নকৰা। হজৰত মহম্মদ (ছাঃ)ৰ এই চাৰিত্ৰিক গুণটিক যথা-যথভাৱে অনুসৰণ কৰিলেহে পৃথিৱীত শান্তি প্ৰতিষ্ঠিত হোৱা সম্ভৱ হ'ব পাৰে।

পৃথিৱীত হাজাৰ হাজাৰ বেয়া মানুহৰ সৃষ্টি এই কাৰণহে হয় যে, মানুহে কেতিয়াও দুদৰ্শাগ্ৰস্ত মানুহক সহায়ৰ বাবে আগ বাঢ়ি নাহে। কিন্তু অযথা আনৰ কামত আপত্তি তুলিবলৈ আগ বাঢ়ি আহে।

## ধৰ্মীয় সহনশীলা

এদিনাখন ইয়ামিনৰ দেশৰ নাজৰাণৰ খ্ৰীষ্টান প্ৰজাতি (গোত্ৰ)ৰ এটা প্ৰতিনিধি দল বা সঁজাতি দল হজৰত মহম্মদ (ছাঃ)ৰ সৈতে ধৰ্ম শাস্ত্ৰ আলোচনাৰ বাবে মদিনালৈ আহিছিল। এই সঁজাতি দলটোত অনেক ডাঙৰ ডাঙৰ পাদ্ৰীও আছিল। আলোচনা মছজিদৰ ভিতৰত বহু সময়লৈকে চলি থাকে। যথেষ্ট সময় অতিবাহিত হোৱাৰ পিছত খ্ৰীষ্টান সকলৰ নেতা জনে কৈছিল, এতিয়া আমাৰ উপাসনাৰ সময় হৈছে, গতিকে আমি এতিয়া মছজিদৰ বাহিৰলৈ যাব বিচাৰোঁ। তেতিয়া ৰছুলে কৰিম (ছাঃ)য়ে কৈছিল,বাহিৰলৈ যোৱাৰ কি প্ৰয়োজন আছে ? মছজিদতো আল্লাহৰ উপাসনাৰ বাবে। আপোনালোকে এই মছজিদৰ ভিতৰতেই নিজৰ প্ৰথা অনুসৰি উপাসনা কৰি লওঁক। প্ৰকৃততে আমাৰ মছজিদ কেৱল আল্লাহৰ উপাসনাৰ বাবেহে নিৰ্মাণ কৰা হৈছে। (জুৱাকানী)

## বীৰত্ব

হজৰত মহম্মদ (ছাঃ)ৰ বীৰত্বৰ কেইবাটাও ঘটনা তেখেত (ছাঃ)ৰ জীৱনী গ্ৰন্থ নবী নেতা হজৰত মহম্মদ (ছাঃ)ত বৰ্ণনা কৰা হৈছে। ইয়াত মাথোঁ তাৰে এটা ঘটনা উল্লেখ কৰিছোঁ যেতিয়া ৰোমান সম্প্ৰাটে এটি বিশাল সৈন্য বাহিনীৰ দল মদিনা আক্ৰমণ কৰিবলৈ প্ৰেৰণ কৰাৰ সংবাদ সমগ্ৰ মদিনাত প্ৰচাৰিত হোৱা আৰম্ভ কৰিছিল; তেতিয়া মুছলমান সকলে ৰাত্ৰিযোগে বিশেষ পহৰাৰ ব্যৱস্থা কৰিছিল আৰু সজাগ অৱস্থাত সমগ্ৰ ৰজনি উজাগৰে কটাব ধৰিছিল। এদিন ৰাতি হঠাৎ মদিনাৰ বাহিৰৰ মৰুভূমিৰ পৰা উচ্চ কোলাহলৰ শব্দ শুনিবলৈ পাইছিল। শব্দ শুনাৰ লগে লগে চাহাবা (ৰাঃ) সকলে লৰা লৰি কৰি ঘৰৰ পৰা ওলাই ইফালে সিফালে দৌৰা-দৌৰি আৰম্ভ কৰিছিল। কোনোবাই আকৌ হজৰত মহম্মদ (ছাঃ)ৰ প্ৰতীক্ষাত মছজিদৰ ভিতৰত বহি বাট চাই আছিল। চাহাবা (ৰাঃ) সকলে ভাৱিছিল যে, হজৰত মহম্মদ (ছাঃ) ঘৰৰ পৰা ওলাই আহিলে তেখেত (ছাঃ)ৰ নিৰ্দেশ মতে ব্যৱস্থা গ্ৰহণ কৰা যাব আৰু যদি কোনো বিপদৰ সংকেত দেখা দিয়ে সেয়া মুক্ত কৰা যাব। কিন্তু চাহাবা (ৰাঃ) সকলে দেখিবলৈ পাইছিল যে, নবী কৰিম (ছাঃ) আশ্বাৰোহী হৈ মদিনাৰ বাহিৰৰ পৰা আহি আছিল। তেতিয়া সিহঁতে উপলব্ধি কৰিব পাৰিছিল যে, কোলাহলৰ প্ৰথম শব্দ শুনা মাত্ৰই তেখেত (ছাঃ)য়ে ঘোঁৰাত উঠি মদিনাৰ বাহিৰৰ মৰুভূমিলৈ বিপদৰ কোনো সংকেত আছে নে নাই,তাক চাবলৈ গৈছিল। তেখেত (ছাঃ)য়ে এই ক্ষেত্ৰত কোনো প্ৰতীক্ষা কৰা নাছিল যে,চাহাবা (ৰাঃ) সকলে জমা হোৱাৰ পিছত একেলগে ঘটনাৰ বুজ ল'বলৈ মদিনাৰ বাহিৰত যাব। বৰং তেখেত (ছাঃ)য়ে অকলেই বীৰদৰ্পে মদিনাৰ বাহিৰত গৈছিল আৰু প্ৰকৃত ঘটনাৰ বুজলৈ উভতি আহিছিল। হজৰত মহম্মদ (ছাঃ)য়ে চাহাবা (ৰাঃ) সকলক বিপদৰ কোনো আশাঙ্কা নাই বুলি শান্তনা দিছিল আৰু সকলোকে নিজ নিজ ঘৰলৈ উভতি গৈ শুই আৰাম কৰিবলৈ নিৰ্দেশ দিছিল। (হাদীছ বুখাৰী)

## স্বল্প বুদ্ধি সম্পন্ন বা অশিক্ষিত লোকৰ প্ৰতি সহানুভূতি আৰু মৰম স্নেহ

হজৰত মহম্মদ (ছাঃ) সাধাৰণতে সকলো শ্ৰেণীৰ লোকৰ সৈতে অতি বিনম্ৰতাৰে স্নেহ পূৰ্ণ আচৰণ কৰিছিল। আনকি তেখেত (ছাঃ)য়ে অতি কম বুদ্ধি সামান্য আৰু অশিক্ষিত লোকৰ প্ৰতিও অতি বিনম্ৰ আৰু স্নেহ পূৰ্ণ আচৰণ প্ৰদৰ্শন কৰিছিল। এদিনাখন এজন মৰুবাসী যি বেদুঈন আৰু অশিক্ষিত লোক তেওঁ ইছলাম ধৰ্ম গ্ৰহণ কৰাৰ পিছত মছজিদৰ ভিতৰত বহি আছিল।কিছু সময় পিছত তেওঁৰ (মূত্ৰ) পেচাব লাগিছিল। মানুহজন উঠি গৈ মছজিদৰ ভিতৰতেই এচুকত বহি পেচাব কৰা আৰম্ভ কৰিছিল। সেয়া দেখি চাহাবা (ৰাঃ) সকলে তেওঁক নিষেধ কৰিব ধৰিছিল। কিন্তু ৰছুলে কৰিম (ছাঃ)য়ে

সিহঁতক নিষেধ কৰি কৈছিল, তোমালোকে তেওঁক পেচাব কৰাত বাধা নিদিবা কাৰণ ইয়াৰ ফলত তেওঁৰ কোনো অসুবিধা হ'ব পাৰে নতুবা কোনো কঠিন ৰোগও হ'ব পাৰে। বৰং তেওঁৰ পেচাব কৰা শেষ হলে স্থানটি পানীৰে ধূই পৰিষ্কাৰ কৰি দিবা। (হাদীছ বুখাৰী)

## ধৰ্মৰক্ষণ প্ৰতিজ্ঞা পালন

চুক্তি ৰক্ষা অথবা প্ৰতিজ্ঞা পালনৰ ক্ষেত্ৰত হজৰত মহম্মদ (ছাঃ) সৰ্বোৎকৃষ্ট আদৰ্শ আছিল। তেখেত (ছাঃ)য়ে সদায় প্ৰতিজ্ঞা পালন কৰাৰ ক্ষেত্ৰত বিশেষ উপদেশ দিছিল। তেখেত (ছাঃ) নিজে সদায় প্ৰতিজ্ঞা ৰক্ষাত সজাগ আৰু সচেতন আছিল।এদিনাখন কোনো এখন ৰাষ্ট্ৰৰ ৰাষ্ট্ৰদূত্ সংবাদ লৈ হজৰত মহম্মদ (ছাঃ)ৰ সভাত উপস্থিত হৈছিল। সেই ৰাষ্ট্ৰদূত্ জনে ৰছুলে কৰিম (ছাঃ)ৰ সংস্পৰ্শত কিছুদিন অতিবাহিত কৰাৰ পিছত তেখেত (ছাঃ)ৰ প্ৰভাৱত প্ৰভাৱিত হৈ ইছলাম ধৰ্মৰ সত্যতা আৰু বিশ্বাস উপলব্ধি কৰিব পাৰি তেওঁ আল্লাহৰ নবীক কৈছিল, হে আল্লাহৰ নবী! মই মোৰ হৃদয়ৰ গভীৰ অন্ত:স্থলৰ পৰা ইছলাম ধৰ্ম গ্ৰহণ কৰি মুছলমান হৈছোঁ। এতিয়া মাথোন ঘোষণা দিব বিচাৰোঁ। তেতিয়া হজৰত মহম্মদ (ছাঃ)য়ে ৰাষ্ট্ৰদূত্ জনক কৈছিল, তোমাৰ সেয়া কৰা উচিত নহ'ব। তুমি আন ৰাষ্ট্ৰৰ পৰা অহা এজন বিদেশ ৰাষ্ট্ৰদূত্। তুমি নিশ্চয় বিশেষ কামৰ প্ৰতিনিধি ৰূপে ইয়ালৈ আহিছা। যেনেকৈ যি উদ্দেশ্যত ইয়ালৈ আহিছিলা,ঠিক তেনেকৈ সেই উদ্দেশ্য অক্ষুন্ন ৰাখি নিজ ৰাষ্ট্ৰলৈ উভতি যোৱা। উভতি যোৱাৰ পিছত যদি তোমাৰ হৃদয়ত ইছলামৰ সত্যতা জাগ্ৰত হৈ স্থায়ী প্ৰতিষ্ঠা হয় আৰু ইছলাম ধৰ্মৰ প্ৰতি পূৰ্ণ বিশ্বাস স্থাপন হয়; তেন্তে তুমি পুনৰ আনন্দৰ সৈতে ইয়ালৈ আহি ইছলাম ধৰ্ম গ্ৰহণ কৰিব পাৰিবা। (হাদীছ আবু দাউদ)

প্ৰকৃততে হজৰত মহম্মদ (ছাঃ) নবীৰ সম্ৰাট,নবীৰ জীৱন চৰিত্ৰৰ বিষয় বস্তু এনে কোনো সাধাৰণ বস্তু নহয়; যাক নিৰ্দিষ্ট সংখ্যক পৃষ্ঠাৰ মাজত বৰ্ণনা কৰি সমাপ্ত কৰিব পাৰি নাইবা মাথোন কিছু সংখ্যক দিশ আলোচনা কৰিয়েই পূৰ্ণ ধাৰণা অৰ্জন কৰা সম্ভৱ হ'ব। এই পুস্তকটিত কেৱল মাত্ৰ তেখেত (ছাঃ)ৰ পৱিত্ৰ জীৱনৰ কিছু ঘটনাৰ কেৱল কিছু সংকেতহে বৰ্ণনা কৰা হৈছে। এই পুস্তকটি তেখেত (ছাঃ)ৰ চৰিত্ৰৰ আধাৰত লিখিত পুৰ্ণাঙ্গ গ্ৰন্থ নহয়। যিহেতু ইয়াৰ মাজত দীৰ্ঘ ৰচনাৰো কোনো অৱকাশ নাই; গতিকে ইখিনিয়েই জীৱন চৰিত্ৰ সমাপ্ত কৰিছোঁ আৰু ইয়েই যথেষ্ট বুলি সবিনয়ে প্ৰাৰ্থনা কৰিলোঁ। খোদা হাফিজ-

**> সমাপ্ত <**